# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

১ম আৰু ২য় খণ্ড

শ্ৰীসূৰ্য্যকান্ত খনিকৰ

লিখক ঃ সূৰ্য্যকান্ত খনিকৰ
অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা (PWD)
সাহিত্যিক পেঞ্চনাৰ (অসম চৰকাৰ)
প্ৰত্নতত্বভূষণ– (প্ৰঃমঃগঃ সমিতি, গুৱাহাটী)

প্ৰথম প্ৰকাশ ঃ ১৯৯১

প্ৰকাশিকা ঃ শ্ৰীমতী দেৱযানী শইকীয়া, এম,এ,
ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী-৭৮১০০৩

পুনৰীক্ষিত, সংশোধিত আৰু সংবৰ্দ্ধিত
২য় প্ৰকাশ ঃ ২০০৩

প্ৰকাশক ঃ অনন্তকুমাৰ নেওগ
২য় প্ৰকাশক শ্ৰীঅনন্ত কুমাৰ নেওগৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

মূল্য ঃ ৩০০·০০ (তিনিশ) টকা মাত্ৰ

মুদ্ৰণ ঃ ভাস্কৰ প্ৰিণ্টাৰ্ছ
জটিয়া, কাহিলিপাৰা ৰোড,
গুৱাহাটী-৭৮১০০৬

# প্ৰথম প্ৰকাশৰ
# প্ৰকাশিকাৰ কথা

সুদুৰ অতীতৰ পৰা বৰ্তমানলৈকে এখন দেশৰ, এটা জাতিৰ, বিশদ পৰিচয় ভৱিষ্যত সকলৰ বাবে কঢ়িয়াই নিব পৰা অন্যতম মাধ্যম হ'ল ইতিহাস। সমৃদ্ধ ইতিহাসৰ ছত্ৰছায়াত একোটা জাতিয়ে নিজকে উপলব্ধি কৰাৰ লগতে সবল পদক্ষেপেৰে, নতুন প্ৰত্যয়েৰে আগবাঢ়ি যোৱাৰ প্ৰয়াস পায়।

চুতীয়া জাতি অসমৰ প্ৰাচীনতম্ অধিকাৰীসকলৰ অন্যতম্। চুতীয়া জাতিৰ গৌৰৱময় ইতিহাস মহাভাৰতৰ পাততো বিদ্যমান। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে সুদীৰ্ঘকাল এই অঞ্চলত বাস কৰি অহা আৰু এসময়ত প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰা এই চুতীয়া জাতিৰ কোনো পূৰ্ণাঙ্গৰূপে লিখিত বুৰঞ্জী নাই।

চুতীয়া জাতিৰ উন্নয়নমূলক আঁচনিসমূহৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা, অসমৰ গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা, শ্ৰীসূৰ্য্যকান্ত খনিকৰদেৱে এই অভাৱ অনুভৱ কৰি চুতীয়া জাতিৰ এখনি পূৰ্ণাঙ্গ বুৰঞ্জী প্ৰণয়নৰ দুঃসাহসিক কাম হাতত লয়; যাৰ বাবে গভীৰ অধ্যয়ন আৰু গৱেষণাৰ আৱশ্যক আৰু তাৰেই ফলশ্ৰুতি এই "চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি"। এই গৱেষণামূলক গ্ৰন্থখনি দুটা খণ্ডত বিভক্ত। প্ৰথম খণ্ড ইতিহাস আৰু ২য় খণ্ড লোক-সংস্কৃতি। চুতীয়াসকলে অতীজতে অসমত থিতাপি লোৱাৰে পৰা ১৯৪২ চনৰ গণ বিপ্লৱত চুতীয়াসকলৰ অৱদানলৈকে ইতিহাস খণ্ডত ডাঙি ধৰা হৈছে। লোক-সংস্কৃতি খণ্ডত চুতীয়া জাতিৰ সামাজিক পৰিবৰ্তন, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কলা-কৃষ্টি উৎসৱ আদি বৰ্ণিত হৈছে। বৃহৎ অসমীয়া ৰৱনৈখনৰ এটা প্ৰধান সুঁতি চুতীয়াসকলৰ বিষয়ে বুৰঞ্জীৰ যি অভাৱ আছিল, আমাৰ ধাৰণা আংশিকভাৱে হ'লেও এই বুৰঞ্জীখনিয়ে পূৰাবলৈ সমৰ্থ হ'ব; অসম বুৰঞ্জীৰো ই পৰিপূৰক হ'ব।

প্ৰকাশনৰ কাম, বিশেষকৈ এখন গৱেষণামূলক বুৰঞ্জী প্ৰকাশনৰ কাম অতি দায়িত্বপূৰ্ণ। তথাপিও অসমৰ সমাজ আৰু সাহিত্য-সংস্কৃতিৰ বাবে কিবা এটা কৰাৰ প্ৰয়াসেৰে এই দায়িত্বপূৰ্ণ কাম আমি হাতত ললোঁ। ত্ৰুটি-বিচ্যুতিৰ বাবে ৰাইজে নিশ্চয় ক্ষমা কৰিব।

গভীৰ প্ৰত্যাশাৰে আৰু প্ৰকাশিকাৰ শুভ কামনাৰে সহৃদয় পাঠক সকললৈ শ্ৰীযুত খনিকৰ দেৱৰ "চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি" আগবঢ়ালোঁ। আশাকৰোঁ গ্ৰন্থখনিয়ে সকলোৰে সমাদৰ লাভ কৰিব আৰু জাতিটোৰ তথা বৃহত্তৰ অসমীয়া জাতিৰ বিষয়ে উপলব্ধি কৰাত সহায়ক হ'ব।

ইতি

ড° দেৱযানী শইকীয়া

প্ৰকাশিকা

২৬/২/৯১

Dr. H. K. Barpujari M.A., Ph.D. (Lond)
Formerly Senior Professor and
Head of the Department of History,
University of Gauhati.

Rajgarh Road
Chandmari
Guwahati-781003
Assam

বিভিন্ন কামৰ ব্যস্ততাৰ মাজতো পূৰ্বসূৰীসকলৰ অনুসৰণ কৰিয়ে অৱসৰপ্ৰাপ্ত অভিযন্তা, শ্ৰীসূৰ্য্যকান্ত খনিকৰ 'চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি' দুটি খণ্ডত এই জাতিৰ ইতিহাসৰ নানা দিশ পোহৰলৈ অনাৰ প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয়। প্ৰথম খণ্ডত পুথিখনি ঘাইকৈ ইতিমধ্যে প্ৰকাশিত বুৰঞ্জী, ইতিহাস আৰু অসমীয়া ইংৰাজী প্ৰবন্ধ পাতিৰ আলমতে প্ৰণয়ন কৰা হৈছে। প্ৰাথমিক তথ্যপাতিৰ অভাৱত অসম বুৰঞ্জীৰ নানা অংশৰ দৰে এই পুথিৰ আলোচ্য বহুতো বিষয়ৰ সিদ্ধান্তত উপনীত হোৱা সম্ভৱপৰ নহয়। যিয়ে নহওক গ্ৰন্থকাৰে ইয়াৰ দ্বাৰা এই জাতি সম্পৰ্কে ব্যাপক আৰু গভীৰ অধ্যয়নৰ পথ প্ৰশস্ত কৰিব ইয়াকে আমি আশা কৰিলোঁ।

শ্ৰীহেৰম্বকান্ত বৰপূজাৰী
১/১২/৯০

ড° নগেন্দ্ৰ নাথ আচাৰ্য্য এম.এ., পি.এইচ.ডি. (লণ্ডন)
অধ্যাপক আৰু ৰিডাৰ, বুৰঞ্জী বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়
অতিথি প্ৰবক্তা, আমেৰিকান ইউনিভাৰ্চিটি,
ৱাচিংটন, ডি.চি., ইউ.এচ.এ. ১৯৭৪-৭৬

# প্ৰস্তাৱনা

"চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি" নামৰ এই গ্ৰন্থখন ৰচনা কৰিছে লেখক আৰু গৱেষক শ্ৰীসূৰ্য্যকান্ত খনিকৰ ডাঙৰীয়াই। উত্তৰ-পূব ভাৰতৰ প্ৰান্তত বসবাস কৰি থকা চুতীয়া জাতিৰ এইখন ঐতিহাসিক আৰু সাংস্কৃতিক বুৰঞ্জী বুলি ক'ব পাৰি। অসম বুৰঞ্জীত চুতীয়া জাতিৰ যদিও এখন সুকীয়া স্থান আছে আজিলৈকে এই জাতিটোৰ সম্পৰ্কে গভীৰভাৱে চিন্তা-চৰ্চা হোৱা নাই। সুখৰ কথা আজিৰ এচাম প্ৰবীন-নবীন চিন্তাবিদে এই জাতিটোৰ বিভিন্ন দিশৰ ওপৰত লেখা প্ৰকাশ কৰি গৱেষণাৰ নতুন বাট মুকলি কৰি দিছে। শ্ৰীখনিকৰ ডাঙৰীয়া এই সকলৰে অন্যতম্। বিভিন্ন নামেৰে একনাম ব্ৰহ্মপুত্ৰ হোৱাৰ দৰে বিভিন্ন জনগোষ্ঠীৰে একনাম অসম, অসম ৰাজ্য। বিভিন্ন সময়ত বিভিন্ন জাতিৰ মানুহ আহি এই ৰাজ্যত বসবাস কৰাত মিশ্ৰণ হৈছিল বিভিন্ন জাতি আৰু সংস্কৃতিৰ। চুতীয়া জাতি এই জনগোষ্ঠী সমূহৰেই এটি আদিমতম্ জাতি আৰু ইতিহাস আৰু সংস্কৃতিৰ গৌৰৱৰ কাৰণ। লেখক শ্ৰীখনিকৰ ডাঙৰীয়াই সময়ৰ বালিত পোতখাই থকা, বিস্মৃতিৰ কালিমাত মচখোৱা, চুতীয়া জাতিৰ ঐতিহাসিক ৰজা, মহাৰজা, বীৰ-বীৰাঙ্গনা আদিৰ ঐতিহ্য, গৌৰৱ, এই গ্ৰন্থৰ

প্ৰথম খণ্ডত ডাঙি ধৰিবলৈ সমৰ্থ হৈছে। জন-প্ৰব্ৰজন, বীৰপাল বংশৰ ৰাজত্ব, বীৰাঙ্গনা ৰাণী সাধনী, সৰ্ব্বানন্দ সিংহৰ ৰাজত্ব; মোমাই তামুলী বৰবৰুৱা, লাচিত বৰফুকন, ১৯৪২ ৰ গণ-বিপ্লৱী কুশল কোঁৱৰলৈকে এই গ্ৰন্থত লিপিবদ্ধ হৈছে।

চুতীয়া জাতিৰ কৃষ্টি, সংস্কৃতি বাদ দিলে অসমীয়া সংস্কৃতি অসম্পূৰ্ণ হ'ব। অসমীয়া সংস্কৃতি বিভিন্ন জাতি গোষ্ঠীৰ সমন্বয়ৰ সংস্কৃতি। গ্ৰন্থৰ ২য় খণ্ডত শ্ৰীখনিকৰ ডাঙৰীয়াই চুতীয়া জাতিৰ বিৱৰ্তন, শাখা-প্ৰশাখা, ভাষা, ধৰ্ম, উৎসৱ, নৃত্য, বাদ্য, লোক-সাহিত্য, সাজপাৰ, শিল্প, ভাস্কৰ্য, খাদ্য, কৃষি, খেলা-ধূলা, চিকিৎসা আদি সকলোবোৰ কথা লিপিবদ্ধ কৰি লোক-সংস্কৃতিৰ গৱেষকৰ কাৰণে বাট মুকলাই দিছে।

এই গ্ৰন্থত চুতীয়া জাতিৰ ওপৰত এক বিস্তৃত আলোচনা ডাঙি ধৰাত লেখক কৃতকাৰ্য হোৱা বুলি ক'ব লাগিব। সতী সাধনীৰ দৰে বীৰাঙ্গণা নাৰীয়ে জন্মলাভ কৰা চুতীয়া জাতিটোৰ ওপৰত অধিক চিন্তা-চৰ্চা কৰাৰ আৱশ্যকতা কোনেও নুই কৰিব নোৱাৰে। এই গ্ৰন্থখন জাতিটোৰ সম্পৰ্কত লিখা মেলা কৰা চিন্তাবিদ সকলৰ বিশেষ সহায়ক হ'ব। শ্ৰীখনিকৰে "চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি"ৰে বৃহত্তৰ অসমীয়া জাতীয় সংস্কৃতিৰ উন্নতি সাধিছে। সেয়েহে তেওঁ সকলোৰে ধন্যবাদৰ পাত্ৰ।

ড° নগেন্দ্ৰ নাথ আচাৰ্য্য
অৱসৰপ্ৰাপ্ত অধ্যাপক, বুৰঞ্জী বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়
তাং : ২৪/২/৯১

# পাঠকসকললৈ আদৰণি শৰাই
## (প্ৰথম প্ৰকাশ)

চুতীয়া আজি অসমৰ প্ৰাচীনতম্ অধিবাসীসকলৰ অন্যতম্। ভাষা গোষ্ঠীৰ ফালৰ পৰা তেওঁলোকক সুদূৰ অতীততে চীন দেশৰ পৰা অহা বৃহৎ তিব্বতো চাইনিজ ভাষা গোষ্ঠীৰ অন্তৰ্গত তিব্বতো-বাৰ্ম্মান আৰু তাৰে অন্তৰ্গত বড়ো ভাষা গোষ্ঠীৰ বুলি চিনাক্ত কৰা হয়।

এই চুতীয়া সকলে সুদূৰ অতীতৰ পৰাই অসমৰ সৌমাৰ খণ্ডত বাস কৰি আহিছে আৰু তাতে চুতীয়া জাতিৰ মূল সুতিটোৱে ১৫২৩ খ্ৰীঃলৈকে আৰু তাৰ পাছতো সৌমাৰ খণ্ডৰে একাংশ বেংমৰাত (বৰ্তমান তিনিচুকীয়া) সৰ্ব্বানন্দ সিংহৰ বংশই বৃটিছৰ আগমনৰ সময়লৈকে অৰ্থাৎ ১৮২৬ খ্ৰীঃ লৈকে ৰাজত্ব কৰিছিল। কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় যে এসময়ৰ প্ৰবল প্ৰতাপশালী শাসক এই চুতীয়া জাতিৰ এতিয়াও কোনো লিখিত বুৰঞ্জী নাই।

১৯২৫ চনতে স্থাপন হ'বৰে পৰা চুতীয়া সন্মিলনে চুতীয়া জাতিৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী প্ৰণয়ন কৰাত গুৰুত্ব দি আহিছে। কিন্তু কাৰ্যত ই সম্ভৱ হৈ উঠা নাই। অৱশ্যে এই সময়চোৱাৰ ভিতৰতে গোপীনাথ বৰদলৈয়ে 'চুতীয়া বুৰঞ্জী' নামদি এখন সৰু গ্ৰন্থ লিখিছিল। সেইদৰে ভবকান্ত চুতীয়া এম.এ. ই 'চুতীয়া সকলৰ চমু ইতিবৃত্ত আৰু সাংস্কৃতিক পৰিচয়' আৰু এই লিখকৰ 'স্বৰ্গভূমিৰ লোক বা চুতীয়া জাতি' নামৰ একোখন গ্ৰন্থ প্ৰকাশ পাইছিল। কিন্তু সেইকেইখন অতি চমু হোৱাত আৰু সকলো বিষয়ৰ আলোচনা নথকাত সেইকেইখনক পূৰ্ণাঙ্গ বুৰঞ্জী বুলিব নোৱাৰি।

গভীৰ বেদনাৰে এই অভাৱৰ কথা উপলব্ধি কৰি আমি নিজে কেইবা বছৰেও অক্লান্ত পৰিশ্ৰম কৰি এখন বুৰঞ্জী যুগুতাই উলিয়াইছোঁ; আৰু তাকেই অসমৰ সহৃদয় ৰাইজ আৰু চুতীয়া জ্ঞাতিবৰ্গৰ ওচৰত দাঙি ধৰা হৈছে।

এই বুৰঞ্জীত যিমান পৰা যায় চুতীয়া জাতিৰ এক পূৰ্ণাঙ্গ পৰিচয় দাঙি ধৰিবৰ চেষ্টা কৰা হৈছে। সেয়ে হ'লেও ইতিহাস কেতিয়াও পূৰ্ণ হ'ব নোৱাৰে। ইয়াৰ অঙ্গ-প্ৰত্যঙ্গ সমূহৰ পুষ্টিসাধন কৰি অৱয়বটো আৰু সুন্দৰ কৰাৰ কাম ভৱিষ্যত গৱেষণাকাৰী সকলৰ বাবে বিনীতভাৱে ৰখা হ'ল।

এই গ্ৰন্থ যুগুতোৱাৰ ক্ষেত্ৰত আমি যিবিলাক গ্ৰন্থ আৰু প্ৰবন্ধৰ সহায় লৈছোঁ সেইবোৰ গ্ৰন্থৰ নাম, লিখকৰ নাম সহ যথাস্থানত উল্লেখ কৰিছোঁ। গ্ৰন্থৰ শেষতো সেইবিলাকৰ নামৰ তালিকা এখন সন্নিবিষ্ট কৰা হৈছে। এই সুযোগতে আমি সেই সকল

গ্ৰন্থকাৰ আৰু প্ৰবন্ধকাৰলৈ আমাৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ উপৰিও বিভিন্ন বন্ধুজনৰ পৰাও আমি নানাভাৱে সহায় পাইছোঁ। ইয়াত সেই সকলোৰে নাম উল্লেখ কৰা সম্ভৱ নোহোৱাত তেখেতসকলৰ প্ৰতিও আমি সামূহিকভাৱে আমাৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য গুৱাহাটী কেন্দ্ৰীয় পুথিভঁৰাল কৰ্তৃপক্ষ আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৰ্তৃপক্ষ। তেখেতসকলে সকলো সময়তে আমাক বিচৰামতে কিতাপ পত্ৰ দি বা আৱশ্যকমতে ফটো কপি দি যথেষ্ঠ সহায় কৰিছে। তাৰ বাবে আমি তেখেতসকলৰ ওচৰত কৃতজ্ঞ।

গ্ৰন্থখন লিখি থকা অৱস্থাতে আৰম্ভণীৰে পৰা অৰুণাচল প্ৰদেশৰ Frontier Culture আলোচনীখনৰ সম্পাদক শ্ৰীৰামচন্দ্ৰ চুতীয়া এম.এ. ই সঘনে খা-খবৰ লৈ চিঠি-পত্ৰ আদিৰেও আমাক নানাভাৱে পৰামৰ্শ আৰু উদগনি দিয়াত তেওঁৰ প্ৰতিও লিখক বিশেষভাৱে কৃতজ্ঞ।

গ্ৰন্থখন ছপা কৰি থকা অৱস্থাতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুখ্য অধ্যাপক, ড° হেৰম্বকান্ত বৰপূজাৰী এম.এ., পি.এইচ.ডি. (লণ্ডন) দেৱে গ্ৰন্থখনি এবাৰ চকু ফুৰাই চাই তেখেতৰ মতামত ব্যক্ত কৰি এটি চমু মন্তব্য দিয়াত তেখেতৰ প্ৰতিও লিখক গভীৰভাৱে কৃতজ্ঞ।

সেইদৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন অধ্যাপক আৰু বিভাৱ, ড° নগেন্দ্ৰ নাথ আচাৰ্য্যদেৱে এটি প্ৰস্তাৱনাৰে গ্ৰন্থখনিৰ এটি চমু পৰিচয় বাইজৰ আগত দাঙি ধৰাত লিখক তেখেতৰ ওচৰতো গভীৰভাৱে কৃতজ্ঞ।

নানা কামৰ মাজতো ভাস্কৰ প্ৰিণ্টাৰ্ছে গ্ৰন্থখনিৰ ছপা কাম হাতত লৈ সম্পূৰ্ণ কৰি দিয়াত প্ৰেছ কৰ্তৃপক্ষলৈও লগতে আমাৰ কৃতজ্ঞতা জনালোঁ।

সৰ্বশেষত এই গ্ৰন্থখনি পঢ়ি পঢ়ুৱৈসকলে অসমৰ প্ৰাচীনতম্ জাতি এটাৰ ইতিহাস আৰু সংস্কৃতি সম্বন্ধে এটা সম্যক ধাৰণা পাইছে বুলি যদি ভাবে আৰু ল'ৰা-ছোৱালীকে আদি কৰি চুতীয়া জাতিৰ জ্ঞাতি সকলেও এই গ্ৰন্থ পঢ়ি নিজৰ পুৰণি ঐতিহ্য বা অতীত পৰিচয় সম্বন্ধে যদি এটা পৰিষ্কাৰ ধাৰণা ল'ব পাৰে তেন্তে এই লিখকৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিম।

এই আশাৰে, পাঠক সকললৈ সাদৰ স্বাগত জনাই, তেখেত সকলৰ হাতত গ্ৰন্থখন তুলি দিলোঁ আৰু ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা ভিক্ষা কৰিলোঁ। ইতি

গ্ৰন্থকাৰ
ৰাধাগোবিন্দ বৰুৱা পথ
গুৱাহাটী-৭৮১০০৩
২৬/২/৯১

# ২য় প্ৰকাশৰ প্ৰকাশকৰ কথা

# গ্ৰন্থকাৰৰ কথা

## ২য় প্ৰকাশ

## *চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি*

## *পুনৰীক্ষিত, সংশোধিত আৰু সংবৰ্দ্ধিত*

## *২য় সংস্কৰণ*

চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি ১৯৯১ চনতে প্ৰথম প্ৰকাশ কৰা হৈছিল। যিবোৰ অভাব অসুবিধাৰ মাজেদি আমি সেই গ্ৰন্থ যুগুত কৰিছিলো, সেইবোৰ তেতিয়াই উল্লেখ কৰিছিলোঁ; কিন্তু সেই অভাব অসুবিধাবোৰ এতিয়াও অলপো দূৰ হোৱা নাই।

চুতীয়া জাতিৰ বুৰঞ্জীৰ আহিলাৰ অভাবৰ কথাও তেতিয়াই উল্লেখ কৰা হৈছিল। সেই অভাবো এতিয়াও দূৰ হোৱা নাই। ইতিমধ্যে অৰুণাচলত কিছু খনন কাৰ্য হৈছে কিন্তু সেই খনন কাৰ্যৰ পৰা চুতীয়া জাতিৰ ইতিহাসৰ কিবা সমল পোৱা হৈছে নেকি সিও এতিয়াও আমাৰ অজ্ঞাত হৈয়ে আছে। আনহাতে এতিয়া আমাৰ ৮৩ বছৰ বয়সত সেই সম্বন্ধে কিবা নতুন তথ্য সংগ্ৰহ কৰাও অসম্ভব হৈ পৰিছে। তথাপিও এইবোৰ অসুবিধাৰ মাজতো আমি এই ইতিহাসৰ এটা সংশোধিত আৰু সংবৰ্দ্ধিত সংস্কৰণ প্ৰকাশ কৰিবলৈ আগবাঢ়িছোঁ।

চুতীয়া জাতিৰ ইতিহাস গ্ৰন্থৰ প্ৰণয়ন আছিল আমাৰ এক কঠোৰ শ্ৰমৰ ফল। কিন্তু কঠোৰ শ্ৰমৰ ফল বুলি কোৱাতকৈ সেইটো এটা আমাৰ একান্ত ধ্যানৰ ফল বুলিহে ক'ব লাগিব। কাৰণ সেই গ্ৰন্থৰ বাবে বহু সময় আমি ৰাতি ছঘণ্টা নিদ্ৰাৰ বাহিৰে অন্য সকলো সময়তে তাৰেই চিন্তা কৰিছিলোঁ। আৰু যেনিয়ে যাওঁ আৰু যেনিয়ে চাও সেইফালেই তাতেই যেন মই তাৰ সমাস পৰি থকা পাইছিলোঁ। সকলোৱেই মোক সহায়ো কৰিছিল। তেতিয়া সেইবোৰকে সংগ্ৰহ কৰি, যোৰা লগাই পূৰ্ণ অৱয়ব দিয়াই আছিল মোৰ কাম। কাৰণ ভৰি এটা মই হাতত লগাব নোৱাৰো। সুখ আৰু আনন্দৰ বিষয়যে এতিয়ালৈকে জাতি বা অন্য লোকৰ পৰা সেই গ্ৰন্থ সম্বন্ধে মই কোনো বিৰূপ প্ৰতিক্ৰিয়া পোৱা নাই। বৰঞ্চ যিয়ে পঢ়িছে কেৱল মোক প্ৰশংসাহে কৰিছে। ই মোৰ বাবে চিৰ প্ৰেৰণাদায়ক হৈ আছে।

মই বুৰঞ্জীৰ ছাত্ৰ নহয়। বিশেষ প্ৰেৰণাতহে মই বুৰঞ্জী লিখাৰ কাম হাতত লৈছিলোঁ। কাৰ্যক্ষেত্ৰত মই এজন ইন্‌জিনিয়াৰহে আছিলোঁ আৰু ১৯৪৬ চনৰ পৰা ১৯৮১ চনলৈকে এজন ইন্‌জিনিয়াৰ হিচাপেই জীৱন নিৰ্বাহ কৰিছিলোঁ। কিন্তু মোৰ লিখাৰ অভ্যাস ছাত্ৰাবস্থাৰ পৰাই আছিল। কিন্তু চিৰজীৱনেই মই অধ্যয়ণ কৰিছিলো আৰু আনকি চাকৰী জীৱনতো দিনে কমেও ছঘণ্টা অধ্যয়নৰ কাৰ্যসূচী মই অটুট ৰাখিছিলোঁ। আৰু সেইবোৰ আছিল ধৰ্ম, দৰ্শন, সাহিত্য ভাষা সকলো বিষয়ৰ। কিন্তু বুৰঞ্জী অধ্যয়ন নহয়। মই ১৯৪১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তিনিটাত লেটাৰ সহ প্ৰায় সকলো বিষয়তে লেটাৰ মাৰ্কৰ সামান্য কমবেচ নম্বৰ লৈ গঢ় হিচাপত প্ৰতি বিষয় ৭৯ নম্বৰলৈ ষ্টাৰ লৈ মেট্ৰিক পাছ কৰিছিলোঁ, গতিকে

ইন্‌জিনিয়াৰ হিচাপে মোৰ ব্যৱসায়িক জীৱন আৰম্ভ কৰিলেও মোৰ জ্ঞানৰ লিপ্সা দূৰ হোৱা নাছিল, সিয়েই মোক চিৰজীৱন নিজকে অধ্যয়নত ব্ৰতী কৰি ৰাখিছিল। এই কথা ক'বৰ এই কাৰণেই আৱশ্যক হৈছে যে বহুতে প্ৰশ্ন কৰিছে মই ইন্‌জিনিয়াৰ হৈ বুৰঞ্জী লিখিলো কিয়? এজন বুৰঞ্জীবিদ নোহোৱাকৈয়ে বুৰঞ্জী লিখাত সেই বুৰঞ্জী কেনেকৈ সৰ্বজনৰ গ্ৰহণযোগ্য হ'ব পাৰে। মোৰ প্ৰত্যুত্তৰ হৈছে ধ্যানৰ মাজেদিয়েহে সবকো পোৱা যাব। আনুষ্ঠানিক শিক্ষাৰ পৰিপূৰ্ণতা ঘটে কেৱল পৰৱৰ্তী ধ্যানৰ মাজেদি লাভ কৰা জ্ঞানত আৰু তাৰ ফলতহে প্ৰকৃত সত্যৰ সন্ধান পোৱা যায়; সত্য উপলব্ধি হয়। ধ্যান নহ'লে কোনেও সত্য লাভ কৰিব নোৱাৰে। সেই সহৃদয় প্ৰশ্নকাৰীসকলক মই ক'ব খোজো যে ধ্যানেই মোৰ বুৰঞ্জী লিখাৰ সেই প্ৰেৰণা আৰু সাহস দিছিল। সমাজৰ সকলোৰে বাবে কাম কৰি ইয়াৰ দ্বাৰা সমাজৰ মঙ্গল সাধন হোৱাতেই মোৰ জীৱনৰ সফলতা বুলি মই ভাবিছিলোঁ আৰু এতিয়াও ভাবো।

চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি লিখাৰ পাছত মই সেই বিষয়ত দিনে দিনে নতুন পোহৰ দেখিবলৈ পাইছিলোঁ। সেই বিষয়ৰ অধ্যয়নত অধিক মনোনিবেশ কৰিছিলোঁ। ১৯৯৮ চনত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ সভ্যতা গৱেষণা সমিতি স্থাপিত হৈছিল। মই সেই অনুষ্ঠানৰ লগত জড়িত হৈ পৰিছিলোঁ আৰু সেই অনুষ্ঠানত ৭ম লানি আলোচনাত দিয়া মোৰ এটা ভাষণ সৰ্বজনৰ প্ৰশংসিত হৈ বাতৰি কাকতত মোক এজন প্ৰত্নতত্ত্ববিদ অভিযন্তা আখ্যা দিছিল। ইয়াতে উৎসাহী হৈ মই ২০০০ চনত মোৰ 'ব্ৰহ্মপুত্ৰ সভ্যতা' নামৰ গৱেষণা গ্ৰন্থখন প্ৰথম প্ৰকাশ কৰিছিলোঁ। তাতেই মই তথ্য সহকাৰে দাঙি ধৰিছিলোঁ যে এই ব্ৰহ্মপুত্ৰ সভ্যতাৰ প্ৰথম মানৱ বসতি আৰম্ভ হৈছিল খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দত। সেইকথা মই মোৰ ব্ৰহ্মপুত্ৰ সভ্যতা গ্ৰন্থত তথ্যসহকাৰে দাঙি ধৰিছোঁ। ২০০০ চনতে প্ৰকাশিত গ্ৰন্থখনৰ ওপৰত এতিয়াও কোনো গৱেষক বা চিন্তাশীল লোকে তাৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। এই গ্ৰন্থৰ বাবে মই ব্ৰহ্মপুত্ৰ সভ্যতা গৱেষণা সমিতিৰ প্ৰত্নতত্ত্ব ভূষণ সম্মান পাইছোঁ।

মই দাবী কৰো যে ব্ৰহ্মপুত্ৰ সভ্যতাৰ এটা স্বকীয় ৰূপ দিয়াত আৰু আদিমত্বৰ সীমা দি ব্ৰহ্মপুত্ৰ সভ্যতা তথা অসমৰ প্ৰাচীনতম্ সংস্কৃতিৰ এক অৱধাৰণাৰ ভিতৰলৈ অনাৰ বাবে কৰা প্ৰয়াসৰ ক্ষেত্ৰত আমিয়েই প্ৰথম। অৱশ্যে এইক্ষেত্ৰত প্ৰকৃতপক্ষে প্ৰয়াত ইন্‌জিনিয়াৰ ৰাজমোহন নাথহে বাটকটীয়া আছিল যদিও তেখেতৰ সেই সময়ৰ চিন্তা পৰৱৰ্তী গৱেষণাত কিছু পৰিবৰ্তন হ'ল আৰু সেই পৰিবৰ্তন মই মোৰ ব্ৰহ্মপুত্ৰ সভ্যতা গ্ৰন্থৰ পাছৰ সংশোধিত সংস্কৰণত প্ৰকাশ কৰিছোঁ। আৰু এই পৰৱৰ্তী গৱেষণাৰ ফলত হোৱা উপলব্ধিৰ ফলতেই "চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি" গ্ৰন্থতো মোৰ কিছুমান সিদ্ধান্ত মই নিজেই সংশোধন কৰিব লগা হ'ল।

চুতীয়া জাতি অসমৰ প্ৰাচীনতম জনগোষ্ঠীসমূহৰ অন্যতম। এই জাতিয়ে খ্ৰীঃপূঃ প্ৰথম সহস্ৰাব্দৰ পৰা মূল সূতিয়ে ১৫২৩ চনলৈকে আৰু ক্ষুদ্ৰাংশত তিনচুকীয়াত ১৮২৬ চন (ইংৰাজ ৰাজত্বৰ সময়) লৈকে ৰাজত্ব কৰিছিল। এই জাতিৰ বুৰঞ্জী আৰু লোক-সংস্কৃতি এতিয়াও গৱেষণাৰ বিষয়। গতিকে ইয়াক পৰিশোধনৰ স্থল এতিয়াও আছে বা চিৰদিন থাকিব। কোনোবাই যদি এই ক্ষেত্ৰত আমাৰ মতৰ ওপৰত কোনো সংশোধন তথ্য সহকাৰে দাঙি ধৰিব পাৰে মই সাদৰেৰে গ্ৰহণ কৰিম। অৱশ্যে উদ্দেশ্য পূৰ্ণভাৱে যদি কোনোবাই চুতীয়া জাতিৰ ইতিহাসক বিকৃতি কৰিবৰ চেষ্টা কৰে বা পৰম্পৰাগত সত্যবিশ্বাসত আঘাট কৰিব

খোজে তেন্তে চুতীয়া জাতিয়ে নিশ্চয় তেনে লোকক কেতিয়াও ক্ষমা নকৰিব। কিন্তু প্ৰকাশৰ ১২ বছৰৰ পাছতো তাৰ কিছু সংশোধন এতিয়া মৰেহে কৰিব লগা হ'ল।

আমাৰ ব্ৰহ্মপুত্ৰ সভ্যতা গ্ৰন্থত দাঙি ধৰা তথ্যমতে ব্ৰহ্মপুত্ৰ সভ্যতাৰ আদিম জনবসতি আৰম্ভ হৈছিল পূব আফ্ৰিকাত বিবৰ্তিত হোৱা বান্দৰ মানুহ পূৰ্ণ মানব হৈ বিবৰ্তিত হোৱাৰ পথত পূব ভূমধ্যসাগৰীয় অঞ্চললৈ আহি, নবপ্ৰস্তৰ যুগতে কৃষিৰ জ্ঞান লাভ কৰি, দক্ষিণ ভাৰতলৈ অহাৰ পাছত তেতিয়াই এদল লোকে খাচী পাহাৰ পাই তাতেই বসতি লোৱাৰ পাছত। তাতেই তেওঁলোকে পৃথিৱীত প্ৰথম ধানৰ আবিষ্কাৰ কৰি খাও-কুচিংউ বা খাচী (খাও=চাউল; কুচিউ=সন্ততি নামে অভিহিত হৈছিল। গাড়ো পাহাৰ অঞ্চলত আবিষ্কাৰ হোৱা নবপ্ৰস্তৰ যুগৰ কৃষিৰ প্ৰস্তৰ সৰ্জুলি এতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতাত্ত্বিক যাদুঘৰত সঞ্চিত হৈ আছে। গতিকে ব্ৰহ্মপুত্ৰ সভ্যতা তথা অসমৰ সভ্যতা সংস্কৃতি নবপ্ৰস্তৰ যুগতে আৰম্ভ হৈছিল ই প্ৰমাণিত সত্য।

খাচী পাহাৰতে নবপ্ৰস্তৰ যুগতে আনুমানিক খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দতে বসতি আৰম্ভ কৰা এই লোকসকলক বোলা হয় প্ৰটো-অষ্ট্ৰলয়ড্। তেওঁলোকে তাতে ধানৰ বীজৰ আবিষ্কাৰ আৰু কৃষিৰ প্ৰচলন কৰাৰ পাছত এসময়ত ব্ৰহ্মপুত্ৰ পাৰ হৈ, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে গৈ কুণ্ডিল পাইছিলগৈ প্ৰায় খ্ৰীঃপূঃ ৪ৰ্থ সহস্ৰাব্দত কৃষিৰ প্ৰচাৰেৰে।

সেইদৰে দক্ষিণ ভাৰতেদি অহা সেই প্ৰটো-অষ্ট্ৰলয়ড্‌সকলৰে কিছুমানে খাচী পাহাৰত আবিষ্কাৰ হোৱা ধানৰ জ্ঞানলৈ মালয়েচিয়াইদি গৈ ইণ্ডোচীন পাইছিল আৰু পূবৰ মঙ্গোলয়ডসকলৰ লগত মিলিত হৈ ধানৰ জ্ঞান তেওঁলোককো দিছিল। এদলে পশ্চিমলৈ আহি কুণ্ডিল পাইছিলহি আৰু আগতে আহি পোৱা প্ৰটো অষ্ট্ৰলয়ডসকলৰ লগত মিলিত হৈ সহযোগেৰে বাস কৰিছিল প্ৰাঃ খ্ৰীঃপূঃ ২৭৫০ মানত (ৰাজমোহন নাথ দেবৰ মত)।

ইয়াৰ পাছতে সেই কুণ্ডিললৈ আহিছিল উত্তৰৰ পৰা মঙ্গোলয়ড তিব্বতো-বৰ্মান বড়ো চুতীয়াসকল। এই তিব্বতো-বাৰ্মানসকল পূবৰ চীনৰ সভ্যতা আৰু পশ্চিমৰ বেবিলনৰ সভ্যতাৰ লগত বাণিজ্যিক লেনদেনৰ ফলত দুয়ো সভ্যতাৰে প্ৰভাব আছিল বা দুয়ো সভ্যতাৰ সংস্কৃতিৰ সমৃদ্ধ আছিল। তিনিটা জনগোষ্ঠী তাতে মিলিত হৈছিল কিন্তু বড়ো চুতীয়াসকলৰ সংখ্যাধিক্যতাত প্ৰটো আৰু পূবৰ অষ্ট্ৰিকসকলৰ অস্তিত্ব হেৰাই গৈ এক জাতি হিচাপে মিলিত হৈ পৰিছিল। ইয়াৰ পাছতেই সেই কুণ্ডিল পাইছিলগৈ পশ্চিমৰ আৰ্যসকলৰ অন্য এটা দল খ্ৰীঃপূঃ প্ৰাঃ ১ম/২য় সহস্ৰাব্দত। আৰ্যসকলৰ উজ্জ্বল চকু, আয়ত কপাল, সুচাৰু দেহ সৌন্দৰ্য আৰু উন্নত ভাষা সংস্কৃতিৰ প্ৰভাৱ জনজাতীয়সকলৰ ওপৰত পৰিছিল। জনজাতীয় ভাষা আবোধ্য হোৱাত আৰ্যসকলে তেওঁলোকৰ প্ৰাকৃত ভাষাৰেই মনৰ ভাব ব্যক্ত কৰিছিল। স্থানীয় জনজাতীয়সকলেও সেই প্ৰভাৱত আৰ্য প্ৰাকৃত ভাষাৰেই জনাই নজনাই নিজৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ ফলতেই প্ৰটো-অষ্ট্ৰলয়ড অষ্ট্ৰিকৰ লগত এক হৈ পৰা চুতীয়া ভাষাৰ প্ৰচুৰ সম্ভাৰ লৈ প্ৰাকৃতৰ অপভ্ৰংশ আজিৰ অসমীয়া ভাষাৰ আৰম্ভ হৈছিল সেই চুতীয়াসকলৰ মাজতে। সেয়েহে আজিৰ অসমীয়া ভাষা সন্মিলিত চুতীয়াসকলৰ মাজেদি প্ৰকাশ হোৱা আদিম বিবৰ্তিত চুতীয়া ভাষাহে। ইতিমধ্যে কুণ্ডিলত চুতীয়া ৰাজ্য স্থাপিত হৈছিল আৰু চুতীয়া ৰজাসকলৰ সমৰ্থন সমাধানৰ বা পৃষ্ঠপোষকতাৰ মাজেদি সেই চুতীয়া বা অসমীয়া ভাষাই সমৃদ্ধি লাভ কৰিছিল।

আজিৰ অসমীয়া ভাষা প্ৰাকৃতৰ অপভ্ৰংশ হ'লেও সি অতীত বড়ো চুতীয়া আৰু প্ৰটো-অষ্ট্ৰলয়ড ভাষাৰ শব্দ সম্ভাৰ আৰু ব্যাকৰণৰ প্ৰভাৱেৰে পৰিপুষ্ট। সেইকথা ড° বাণীকান্ত কাকতি আৰু কালীৰাম মেধিদেৱে তেখেতসকলৰ গৱেষণা গ্ৰন্থত প্ৰকাশ কৰিছে। প্ৰটো-অষ্ট্ৰলয়ড অষ্ট্ৰিক আৰু বড়ো চুতীয়া এই তিনটা ভাষাই কেনেকৈ সংযুক্ত হৈ পৰিছিল সেই কথা অতীত কুণ্ডিলৰ চুতীয়া ৰাজ্যত এতিয়াও প্ৰচলিত নদী আৰু স্থানৰ নাম সমূহ বিশ্লেষণ কৰিলেই সেই শব্দবোৰৰ পৰাই তেওঁলোকৰ মিলন ক্ৰম আৰু প্ৰযুক্তিৰ অস্থাবয়ব দেখিবলৈ পোৱা যায়।

এইক্ষেত্ৰত আমি দিবাং শব্দটোকেই চাব পাৰো। এই শব্দটো প্ৰথমে প্ৰটো-অষ্ট্ৰলয়ড খাচীসকলে দিয়া 'ৱা' মানে নদী। পাছত পূবৰ পৰা অহা অষ্ট্ৰিকসকলে তাতে অং লগাই তাকে 'ৱাং' কৰিলে। (ৱা-অং, অং=পানী) তাতে তাৰো পাছত অহা চুতীয়াসকলে আগত দি লগাই কৰিলে দিবাং (দি-বা-অং। দি=পানী বড়োচুতীয়া)। এইদৰেই শব্দটো দিবাং হ'ল। সেইদৰে দিহং, দিচাং, দিখৌ, ডিব্ৰু, দিমৌ আদি শব্দবোৰো। দিহং=দি-হং; (দি=নদী; হং=পানী), দিছাং=দি-কচিউ-অং, (দি=নদী, কচিউ=সন্ততি অং=পানী) দিখৌ=দি-খাও (দি=নদী; খাও=চাউল); দিব্ৰু=দি-ব্ৰু (দি=নদী; ব্ৰু=মানুহ); দিমৌ=দি-মিয়াও, দি=নদী; মিয়াও=মেকুৰী) প্ৰথমৰ দি শব্দটো বড়ো বা চুতীয়া, দ্বিতীয় শব্দটো প্ৰটো-অষ্ট্ৰলয়ড খাচী আৰু তৃতীয় শব্দটো অষ্ট্ৰিক।

প্ৰটো-অষ্ট্ৰলয়ডসকলযে প্ৰথমে খাচী পাহাৰলৈকে আহি তাৰ পৰাই ব্ৰহ্মপুত্ৰ পাৰ হৈ এসময়ত কুণ্ডিল পাইছিলগৈ তাৰ সাক্ষ্য হিচাপে আমি দাঙি ধৰিব পাৰো গাৰো, খাচী, কামাখ্যা, উমানন্দ, গাভৰু, ভালুকপুং, সোৱণশিৰি, কেচাইখাতী, ব্ৰহ্মপুত্ৰ আদি শব্দবোৰ। গাৰো= কা-ৰি-লুম্-কাৰো〉গাৰো, খাচী=খাও-কাচিং (খাও=চাউম; কুচিউ=সন্ততি) কামাখ্যা=কা-কমিয়ে-জাকা (কা=স্ত্ৰীবাচক, কমিয়ে=মাতৃ জাকা=স্থান; মাতৃস্থান) উমানন্দ=উ-মেই-ম্ল-উমংদ (উ=পুৰুষ বাচক; মেই=মানুহ; ম্ল=লিঙ্গ; উম্=পানী, দ=হয় অৰ্থ পানীৰ মাজত থকা লিঙ্গ); গাভৰু কা-ব্ৰু (কা=স্ত্ৰীবাচক; ব্ৰু=মানুহ অৰ্থ গাভৰু); ভালুকপুং ভা-লং-উম্-পুং ভো=ভাল, লং=হয়, উম=পানী, পুং=নিজৰা অৰ্থ ভাল পানীৰ নিজৰা), সোৱণশিৰি=চিবুণ-ৱা-উম্-ৰি (চিবুণ=খুব, ৱা=নদী; উম্=পানী, ৰি=শান্ত অৰ্থ ধীৰ শান্ত নদী) কেচাইখাতী=কা-চেই-খা=কা-কচিউ-জাকা (কা-স্ত্ৰী বাচক, কচিউ=সন্ততি; জাকা=স্থান অৰ্থ সন্ততিস্থান) ব্ৰহ্মকুণ্ড=বাহেহ-কু-উম্-দ (বাহেহ=বৃহৎ, কু=যোৰেৰে ওলাই অহা; উম্=পানী; দ=হয় অৰ্থ যোৰেৰে ওলাই অহা ডাঙৰ পানী) ইত্যাদি। প্ৰটো-অষ্ট্ৰলয়ড় সকলো প্ৰথমে কা, কমিয়ে জাকা=কামাখ্যা স্থাপন কৰাৰ পাছতহে কা-কচিউ-জাকা=সন্ততি স্থান স্থাপন কৰিছিল। এয়ে স্বাভাৱিক সত্য। গতিকে প্ৰাথমিক অৱস্থাত প্ৰটো-খাচীসকলেই ধানৰ আৱিষ্কাৰৰ পাছত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কুণ্ডিললৈকে কৃষি আৰু ভাষা-সংস্কৃতিৰ বিকাশ কৰোতা, এই খাচীসকলেই পাছত অহা বড়ো চুতীয়াসকলৰ লগত মিলিত হৈ অসমৰ প্ৰাচীন ভাষা সংস্কৃতিৰ বীজ স্থাপন কৰিছিল। বড়ো চুতীয়াসকলৰ উন্নত সাংস্কৃতিক প্ৰভাৱে তাৰ নতুন ৰূপ দিছিল আৰু শেষত আৰ্য ভাষা সংস্কৃতিৰ সংস্পৰ্শৰে সৌন্দৰ্যশালী হৈ উঠিছিল। পৰৱৰ্তী সমৃদ্ধিশালী চুতীয়া ৰাজ্যত সেই সংস্কৃতি শ শ বছৰৰ বিৱৰ্তনৰ মাজেদি সেই সৌন্দৰ্যৰ উজ্জ্বল হৈছিল; ভাষা, গীত, মাত, আইনাম, বিয়ানাম আদিৰে জনজীৱন প্ৰাচুৰ্যময় কৰি তুলিছিল।

১৯শ শতিকাৰ ধাৰণা আছিল পূব এচিয়াৰ মাজতেই প্ৰথম বান্দৰ মানুহৰ বিবৰ্তন হৈছিল সেই মানুহেই অষ্ট্ৰলয়ড্ নামেৰে অভিহিত হৈ পাছত অষ্ট্ৰিক হৈছিল। তেতিয়ালৈকে যাভাত আবিষ্কৃত হোৱা ১০ লাখ বছৰৰ আগৰ মানুহৰ জীবাশ্মৰ ওপৰত ভিত্তি কৰি এই ধাৰণা কৰা হৈছিল কিন্তু পাছত বিংশ শতাব্দীত পূব আফ্ৰিকাৰ কেনিয়াত ২০ লাখ বছৰৰ আগৰ মানব জীবাশ্ম পোৱাত কেনিয়াতহে প্ৰথম মানব বিবৰ্তন হোৱা বুলি অতীতৰ মত পৰিত্যাগ কৰা হ'ল। সেইবাবেই অতীততে ইণ্ডো-চীনৰ পৰা অহা অষ্ট্ৰিকসকলকে অসমৰ আদিম মানুহ বুলি থকা ধাৰণা পাছত পৰিবৰ্তন কৰি পূব ভূমধ্য সাগৰীয় অঞ্চলৰপৰা দক্ষিণ ভাৰতেদি খাচী পাহাৰলৈ নবপ্ৰস্তৰ যুগতে অহা খাচীসকলকহে ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহা প্ৰথম মানুহ বুলি ক'ব লগা হ'ল। খাচী পাহাৰ বা গাড়ো পাহাৰত পোৱা নবপ্ৰস্তৰ যুগত কৃষিৰ সা-সঁজুলিয়ে তাৰ সাক্ষ্য। সেই সঁজুলি এতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ যাদুঘৰত সঞ্চিত হৈ আছে।

এই পৰিবৰ্তিত ধাৰণা আৰু সিদ্ধান্তৰ ফলতেই আমাৰ চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতিত শেহতীয়া ধাৰণাৰে সজাই তুলিবৰ বাবেই ইয়াৰ বিশেষকৈ প্ৰথম অধ্যায় আৰু পাছতো কিছু সংশোধন কৰিব লগা হ'ল।

১৯৯১ চনতে ছপা আৰু প্ৰকাশ হোৱা আমাৰ গ্ৰন্থখনৰ কপিসমূহ প্ৰায় তিনি বছৰ মানৰ ভিতৰতে শেষ হৈছিল। ইয়াৰ পাছত আমি বহু ঠাইৰ বহু গ্ৰাহকৰ পৰাই গ্ৰন্থখনৰ বাবে অনুসন্ধান আৰু দাবী পাই আহিছোঁ। পৰবৰ্তী ধাৰণা মতে গ্ৰন্থখন নতুন ৰূপেৰে সংশোধন আৰু সংবৰ্ধন কৰাও হৈছিল; কিন্তু প্ৰকাশ কৰিব পৰা হোৱা নাছিল।

গ্ৰন্থখনৰ প্ৰথম সংস্কৰণৰ প্ৰকাশৰ দায়িত্ব বহন কৰিছিল মোৰ কন্যা ড° দেৱযানী শইকীয়াই। সেই দায়িত্ব লৈছিল কেৱল মাত্ৰ মোৰ গ্ৰন্থখন জনসমাজত প্ৰচাৰ কৰিবৰ বাবেহে। সেইদৰেই মোৰ অন্য সকলো গ্ৰন্থও। ইয়াৰ ব্যৱসায়িক দিশটোৰ প্ৰতি তেওঁ সম্পূৰ্ণ নিৰ্লিপ্ত আছিল। এতিয়া এই গ্ৰন্থখনৰ সংশোধিত প্ৰকাশটোৰ পুনৰ প্ৰকাশৰ প্ৰতি তেওঁ আগ্ৰহী নহয়। গতিকে ই বহুদিশৰ পৰা দাবী অহা স্বত্বেও আমি সংশোধিত সংস্কৰণটো জন সমাজলৈ উলিয়াই দিব পৰা নাছিলোঁ।

এনে সময়তে মোৰ ভ্ৰাতৃসম বন্ধু অনন্ত নেওগে সেই দায়িত্ব ল'বলৈ আগবাঢ়ি অহাত মই আনন্দেৰে তেওঁক সেই দায়িত্ব অৰ্পণ কৰিলোঁ।

ইতিমধ্যে যোৰহাটত হোৱা এক অভিবৰ্তনত চুতীয়া জাতিৰ এখন বিজ্ঞানসম্মত বুৰঞ্জী প্ৰকাশৰ বাবে কৰা সিদ্ধান্তৰ কথা মই জানিব পাৰিছোঁ। আমাৰ গ্ৰন্থৰ বুৰঞ্জী অংশৰ বহু কথা বিভিন্ন অন্য গ্ৰন্থত পোৱা তথ্যৰ ভিত্তিতহে গ্ৰহণ কৰা হৈছে। সেইবোৰ বিজ্ঞানসম্মত কোনো তথ্য, মুদ্ৰা, লিপি, জীবাশ্ম, নিৰ্মাণ কাৰ্য আদিৰ সাক্ষ্যৰেও যদি সমৰ্থন কৰিব পৰা হয় সি অতি ভাল কথা। কিন্তু সেইবোৰ ক'তো এনেয়ে সিঁচৰতি হৈ পৰি থকা নাই আৰু বিচাৰিলেই পোৱা সম্ভৱ নহ'বও পাৰে। বহুবছৰ কাল বা বছৰো লাগিব পাৰে। তথাপিও আমি আমাৰ গ্ৰন্থত দাঙি ধৰা প্ৰাথমিক তথ্যসমূহক কোনেও সহজে অগ্ৰাহ্য কৰিব নোৱাৰে। কেৱল সেয়ে নহয় সেইবোৰ চুতীয়া জাতিৰ অতীত মানসিক আবেগবো প্ৰেৰণা হৈ আছে এইবোৰ কেৱল কিম্বদন্তী নহয়। তথ্যসমৃদ্ধও। কোনো বৈজ্ঞানিক সমল পালেও তাৰ গভীৰ অধ্যয়নেৰে বিশ্লেষণ কৰাৰ আৱশ্যকতা আছে। আমি দুই এটা তেনে সমল অতি ওপৰে ওপৰে বিশ্লেষণ

কৰি চুতীয়া জাতিক মানসিক আঘাট দিয়াও দেখিবলৈ পাইছো। ই অতি দুৰ্ভাগ্যজনক।

আমি মনে প্ৰাণে কামনা কৰো যে, চুতীয়া জাতিৰ এখন বৈজ্ঞানিক বুৰঞ্জী প্ৰকাশ হওক। কিন্তু তথাপিও আমাৰ এই গ্ৰন্থ চিৰদিন চুতীয়া জাতিৰ অতীত ইতিহাসৰ প্ৰেৰণা হৈ থাকিব, ইয়াত চুতীয়া জাতিৰ গৃহীত সত্যবোৰকহে প্ৰাথমিক তথ্যৰ সমৰ্থনেৰে প্ৰতিষ্ঠিত কৰা হৈছে। আশাকৰো সহৃদয় ৰাইজে "চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি"ত এই সংশোধিত আৰু সংবৰ্দ্ধিত প্ৰকাশটোও আদৰি ল'ব। গ্ৰন্থখন প্ৰকাশৰ প্ৰতি আগবাঢ়ি অহাত মই নেওগক ধন্যবাদ জনাইছোঁ। সেইদৰে এই সুযোগতে মোৰ অন্য সকলো গ্ৰন্থ প্ৰকাশ কৰাৰ দায়িত্ব বহন কৰাৰ বাবে মোৰ কন্যা ড° দেৱযানী শইকীয়া এম.এ., পি.এইচ.ডি-কো ধন্যবাদ জনাইছোঁ।

বুৰঞ্জী কি? এটা জাতিৰ উত্থান-পতন, কেতিয়া ৰাজ্য স্থাপন কৰিলে, কোন কেতিয়া ৰজা হ'ল, কোনে কোনে শাসন কৰিলে, কি যুদ্ধ বিগ্ৰহ হ'ল সেইবোৰত বিজ্ঞানসিদ্ধ শুদ্ধ বিবৰণহে কেৱল বুৰঞ্জী নেকি? কেতিয়াও নহয়। বুৰঞ্জী এটা জাতিৰ শক্তি সামৰ্থৰ প্ৰদৰ্শনৰ ওপৰিও চিন্তা জগতত তেওঁলোকৰ অৱদান কি? সাংস্কৃতিক উৎকৰ্ষৰ পৰিমাণ কি? এই সকলোলৈ জাতিটোৰ জীৱন প্ৰবাহৰ পৰিচয়েই হ'ল প্ৰকৃত বুৰঞ্জী। এটা জাতিয়ে ৰাজ্য শাসন নকৰিও জগতলৈ মহামূল্য অৱদান দিব পাৰে। সেইবোৰো বুৰঞ্জী। আমি সদায় দেখা শুনাৰ ভিতৰতো তাৰ শুদ্ধ তথ্য থাকিব পাৰে। মাত্ৰ সংগ্ৰহকাৰীয়ে চালিজাৰি চাই তাক শুদ্ধভাৱে দাঙি ধৰিব পাৰিব লাগিব।

চুতীয়া জাতিৰ ইতিহাসত এই সকলোবোৰেই আছে, তাক যিমান পাৰি সঠিক আৰু শুদ্ধভাৱে দাঙি ধৰাৰহে দৰকাৰ। অৱশ্যে তাৰবাবে গৱেষণাৰ আৱশ্যক। সেই গৱেষণা চুতীয়া জাতিয়ে নিজেই কৰিব লাগিব। মোৰ পিতৃ-পিতামহৰ পৰিচয় আনে দিব বুলি কোনেও আশা কৰা উচিত নহয়। সেইদৰে কোনোবা পেশাদাৰী লোকে অৰ্থৰ বিনিময়ত কৰি দিব বুলিও ভাবিলে ভুল হ'ব। আমাৰ মাজৰ পৰাই তেনে গৱেষক আত্মীয় প্ৰেৰণাৰে উদ্বুদ্ধ হৈ হ'লেহে আমি আমাৰ প্ৰকৃত পৰিচয়ৰ ইতিহাস পাব পাৰিম।

ৰজা আৰু ৰাজ্য শাসনৰ বাদেও চুতীয়া জাতিৰ লোকগীতসমূহ বিহুগীত, বনগীত, আইনাম, বিয়ানাম, মালিতা ইত্যাদিৰ মাজত চুতীয়া জাতিৰ জনজীৱনৰ ইতিহাস, উৎসৱ, বিয়া, সবাহ আৰু কাৰ্য ইত্যাদিৰ সকলোৰে মাজতে চুতীয়া জাতিৰ ইতিহাস সোমাই আছে। সেইবোৰ শুদ্ধ আৰু বৈজ্ঞানিক তথ্য নহয় নেকি; আচল সোণ যি চিনি পায় তেনে লোকে সেইবোৰ ঘহি মাজি দেখুৱাই দিব লাগিব।

আমাৰ এই বুৰঞ্জী তাৰেই এক ক্ষুদ্ৰ প্ৰচেষ্টা মাত্ৰ। আশাকৰোঁ বিজ্ঞজনে ভৱিষ্যতে ইয়াৰ পৰাই প্ৰকৃত সোণ বিচাৰি উলিয়াই সেই কাম সমৃদ্ধ কৰিব। আশাকৰো আমাৰ প্ৰচেষ্টাত থকা দোষ ত্ৰুটীবোৰো প্ৰথম প্ৰচেষ্টা বুলি ক্ষমা কৰিব।

ইতি—

গ্ৰন্থকাৰ

২৩/৭/২০০৩

শ্ৰীসূৰ্য্যকান্ত খনিকৰ

অৱসৰপ্ৰাপ্ত অভিযন্তা (PWD)

(সাহিত্যিক পেঞ্চনাৰ প্ৰস্তুতকৃতভূষণ)



উত্তৰ লক্ষীমপুৰৰ এসময়ৰ সকলোৰে আইতা
আমাৰ পৰমাৰাধ্যা মাতৃ
চম্পা খনিকৰৰ (১৮৮৪-১৯৬২) স্মৃতিত
অভাজন পুত্ৰৰ শ্ৰদ্ধাঞ্জলি

সূৰ্য্যকান্ত খনিকৰ

# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

## অধ্যায় সূচী—১ম খণ্ড—ইতিহাস


| আলোচ্য বিষয় | পৃষ্ঠা |
|---|---|
| ১। চুতীয়া জাতিৰ ইতিহাসৰ সমল | ১ |
| ২। মানৱ বিৱৰ্তনৰ ইতিহাসত জাতি বা জনজাতিসমূহৰ গোষ্ঠীগত পৰিচয় | ৩ |
| ৩। চুতীয়া জাতিৰ ইতিহাসৰ পটভূমিত | ৮ |
| ৪। দেৱ-ভূমি বা স্বৰ্গভূমিৰ লোক; চুতীয়া জাতি | ২২ |
| ৫। চুতীয়া জাতিৰ বুৰঞ্জীৰ আগকথা আৰু বুৰঞ্জীৰ চমু পৰিচয় | ৩৬ |
| ৬। ভাগৱত পুৰাণত আখ্যান মহাৰাজ ভীষ্মকৰ চুতীয়া ৰাজ্য | ৩৯ |
| ৭। কুণ্ডিলপুৰত আৰ্য বা বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱ | ৪৪ |
| ৮। চুতীয়া জাতিৰ ইতিহাসৰ কুঁৱলিৰে আবৰা আদি যুগ | ৪৬ |
| ৯। ঐতিহাসিক যুগ— বীৰপাল বংশৰ ৰাজত্ব স্থাপন | ৫০ |
| ১০। বীৰপাল বংশৰ ৰাজত্ব— প্ৰথম ৰজা— বিৰৱ, বীৰবৰ, বীৰপাল বা গয়াপাল | ৫৩ |
| ১১। দ্বিতীয় ৰজা—গৌৰীনাৰায়ণ, সোণাগিৰিপাল বা ৰত্নধ্বজপাল | ৫৫ |
| ১২। মুছলমানৰ অসম আক্ৰমণ | ৬১ |
| ১৩। তৃতীয় ৰজা—শিৱনাৰায়ণ বা বিজয়ধ্বজপাল | ৬২ |
| ১৪। চতুৰ্থ ৰজা—জগত নাৰায়ণ বা বিক্ৰমধ্বজপাল | ৬৩ |
| ১৫। পঞ্চম ৰজা—প্ৰমত্ত নাৰায়ণ বা গুৰুধ্বজপাল | ৬৩ |
| ১৬। ষষ্ঠ ৰজা—হৰিনাৰায়ণ বা শঙ্খধ্বজপাল | ৬৪ |
| ১৭। সপ্তম ৰজা—গোলোক নাৰায়ণ বা মণ্ডৰধ্বজপাল | ৬৫ |

আলোচ্য বিষয় পৃষ্ঠা


১৮। অষ্টম ৰজা—ব্ৰজনাৰায়ণ বা নন্দীশ্বৰ বা জয়ধ্বজপাল ৬৬

১৯। নৱম ৰজা—সত্যনাৰায়ণ বা কৰ্ম্মধ্বজপাল ৬৬

২০। দশম ৰজা—ধীৰনাৰায়ণ বা লক্ষ্মীনাৰায়ণ বা ধৰ্মধ্বজপাল ৬৭

২১। নীতিপাল বা চন্দ্ৰনাৰায়ণ (ধৰ্মধ্বজৰ জোঁৱাই) ৭২

২২। বীৰাঙ্গনা ৰাণী সাধনীৰ আত্মোৎসৰ্গ ৭৫

২৩। চুতীয়া ৰাজ্য জয় কৰা সম্বন্ধে বিভিন্ন বুৰঞ্জীৰ
উক্তি আৰু যুদ্ধত আহোমে পোৱা বস্তু ৭৮

২৪। সাধক নাৰায়ণ (ধৰ্মধ্বজৰ নাবালক পুত্ৰ আৰু তেওঁৰ বংশধৰসকল) ৮৩

২৫। বীৰপাল বংশৰ ৰাজত্ব কালত চুতীয়া ৰাজ্যৰ অৱস্থা আৰু সমৃদ্ধি ৮৯

২৬। চুতীয়া বিদ্ৰোহ ৯৬

২৭। চুতীয়া বিদ্ৰোহৰ অন্য এক অধ্যায় ৯৯

২৮। সৰ্ব্বানন্দ সিংহৰ চুতীয়া ৰাজ্য ১০৪

২৯। ১৫২৩ খ্ৰীঃৰ পাচৰ পৰা স্বাধীন ভাৰতৰ গণতান্ত্ৰিক
শাসনৰ তললৈকে চুতীয়া জাতি (এটি চমু আলোচনা) ১০৯

৩০। বিখ্যাত সমাজ নিবন্ধকাৰ মোমাই তামুলী বৰবৰুৱা ১১০

৩১। "দেশতকৈ মোমাই ডাঙৰ নহয়" মন্ত্ৰেৰে সমগ্ৰ দেশকে
জাগ্ৰত কৰি তোলা লাচিত বৰফুকন ১১৫

৩২। '৪২ৰ গণ বিপ্লৱৰ শ্বহীদ কুশল কোঁৱৰ ১২৩

৩৩। চুতীয়া জাতিৰ অন্যান্য স্বাধীনতা সংগ্ৰামী আৰু শ্বহীদসকল ১২৭

৩৪। সদৌ চুতীয়া জাতি সন্মিলন অসম ১২৮

৩৫। ওপৰঞ্চি—১ ; মোমাই তামুলী বৰবৰুৱা আৰু
লাচিত বৰফুকনৰ গোষ্ঠী পৰিচয় ১৩২

৩৬। ওপৰঞ্চি—২ ; কুশল কোঁৱৰৰ বংশ পৰিচয় ১৩৯

৩৭। ওপৰঞ্চি—৩ ; বেংমৰাৰ চুতীয়া ৰজা সৰ্বানন্দ সিংহৰ বংশ পৰিচয় ১৪০

৩৮। ওপৰঞ্চি—৪ ; ১৯২৫ চনৰ পৰা ১৯৮৯ চনলৈকে বহা চুতীয়া
সন্মিলনৰ মূল ২৩ টা অধিবেশনৰ অভ্যৰ্থনা সভাৰ সভাপতি;
মূল সভাৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল ১৪২

## ২য় খণ্ড—লোক-সংস্কৃতি


| আলোচ্য বিষয় | পৃষ্ঠা |
|---|---|
| ১। জাতীয় চৰিত্রৰ বিশ্লেষণত লোক-সংস্কৃতিৰ গুৰুত্ব | ১৪৬ |
| ২। অসমৰ লোক-গাঠনিত চুতীয়া জাতি,<br>চুতীয়া জাতিৰ বিবৰ্তন আৰু শাখা, প্ৰশাখা | ১৪৭ |
| ৩। আহোম ৰজাই নিৰ্ধাৰণ কৰা বিভিন্ন খেলত চুতীয়াসকল | ১৫৮ |
| ৪। চুতীয়া জাতিৰ ভাষা | ১৭১ |
| ৫। চুতীয়া জাতিৰ ধৰ্ম | ১৮৮ |
| ৬। অন্যান্য ধৰ্মীয় অনুষ্ঠান | ২০৬ |
| ৭। চুতীয়া জাতিৰ ঋতু উৎসব বিহু | ২১১ |
| ৮। দেউকুবেৰ উৎসব | ২২৮ |
| ৯। চুতীয়াৰ শেষৰাণী বীৰাঙ্গনা সতী সাধনীৰ তিৰোধান তিথি—<br>সতীসাধনী উৎসব | ২২৯ |
| ১০। অন্যান্য নৃত্যানুষ্ঠান | ২৩০ |
| ১১। বাদ্য | ২৩২ |
| ১২। লোক-সাহিত্য | ২৩২ |
| ১৩। বিহুৰ বাহিৰেও কৃষিৰ লগত সম্বন্ধ থকা অন্য অনুষ্ঠান | ২৪৩ |
| ১৪। জন্মৰ পৰা মৃত্যুলৈকে জীৱনৰ বিভিন্ন সময়ৰ অনুষ্ঠান | ২৪৬ |
| ১৫। মৃতকৰ কাৰ্য আৰু শ্ৰাদ্ধ | ২৪৯ |
| ১৬। সাজ-পাৰ আৰু অলঙ্কাৰ | ২৫১ |
| ১৭। কুটীৰ শিল্প | ২৫৬ |
| ১৮। বয়ন শিল্প | ২৫৭ |
| ১৯। সোণ-ৰূপৰ উৎপাদন আৰু সোণ-ৰূপৰ কাম | ২৫৯ |
| ২০। দৌল, দেৱালয়, ভাস্কৰ্য, তাম্ৰৰ ব্যৱহাৰ,<br>তাম্ৰেশ্বৰী মন্দিৰ আৰু অন্যান্য দেৱ-দেৱালয় | ২৬১ |
| ২১। থকাঘৰ আৰু তাৰ আৰ্হি | ২৬৬ |

| আলোচ্য বিষয় | পৃষ্ঠা |
|---|---|
| ২২। দেশ ৰক্ষাৰ ব্যৱস্থা আৰু যুদ্ধৰ সৰঞ্জাম | ২৬৮ |
| ২৩। খাদ্য | ২৭০ |
| ২৪। লোণ | ২৭২ |
| ২৫। মাছধৰা আৰু তাৰ সঁজুলি | ২৭৩ |
| ২৬। চৰাই আৰু অন্য জীৱ-জন্তু ধৰা কেইবিধমান সৰঞ্জাম | ২৭৪ |
| ২৭। সম্ভ্রান্তসকলে আৰু সাধাৰণ লোকেও ব্যৱহাৰ কৰা কেইবিধমান বস্তু | ২৭৫ |
| ২৮। হাতী ধৰা | ২৭৮ |
| ২৯। কৃষি আৰু কৃষিৰ সঁজুলি | ২৭৯ |
| ৩০। ঘৰচীয়া জন্তু | ২৮২ |
| ৩১। খেলা-ধূলা | ২৮৩ |
| ৩২। চিকিৎসা | ২৮৪ |
| ৩৩। সামূহিক কাৰ্য | ২৮৫ |
| ৩৪। সাধাৰণ ব্যৱহাৰ, স্বাস্থ্য আৰু তিৰোতাৰ সৌন্দৰ্য | ২৮৬ |
| ৩৫। সংক্ষেপণ আৰু সামৰণি | ২৮৮ |
| ৩৬। গ্রন্থপঞ্জী | ২৯৪ |

# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

## প্ৰথম খণ্ড

## ইতিহাস

# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

## ১ম খণ্ড— ইতিহাস

### চুতীয়া জাতিৰ ইতিহাসৰ সমল

চুতীয়া জাতি অসমৰ আদিমতম অধিবাসীসকলৰ অন্যতম। এওঁলোক পুৰাণ প্ৰসিদ্ধ বিদৰ্ভ বা কুণ্ডিল ৰাজ ভীষ্মকৰ বংশধৰ। ৰজা ভীষ্মকে খ্ৰীঃপূঃ ১৫শ শতিকাতে কুণ্ডিলত ৰাজত্ব কৰিছিল বুলি ঠাবৰ কৰা হৈছে। কিন্তু ইয়াৰ পাচত খ্ৰীঃ দ্বাদশ শতাব্দীলৈকে এই অঞ্চলত কোনে কেনেকৈ শাসন কৰিছিল তাৰ সঠিক বিবৰণ এতিয়াও পাবলৈ নাই।

১২২৮ খ্ৰীঃত আহোম ৰজা স্বৰ্গদেও চুকাফাই অসমত ৰাজ্য স্থাপন কৰোতে চুতীয়াসকলৰ মাজত লিখিত ভাষা দেখিবলৈ পাইছিল। কিন্তু চুতীয়াসকলে নিজে লিখা বুৰঞ্জী এতিয়াও কতো পোৱা নাই। আনহাতে আহোমসকলে তেতিয়াৰ পৰাই বুৰঞ্জী লিখি গৈছিল; কিয়নো তেওঁলোকৰ মাজত বুৰঞ্জী লিখাৰ প্ৰথা আগৰ পৰাই আছিল। এতিয়া সেই আহোম বুৰঞ্জী আৰু অন্যান্য সমসাময়িক বুৰঞ্জী বা পৰিব্ৰাজক আদিৰ বিবৰণৰ পৰাহে চুতীয়া বুৰঞ্জীৰ সমল উদ্ধাৰ কৰিব লগা হৈছে।

অসমত বৃটিছ শাসনৰ পাছত কেইবাজনো বৃটিছ লিখকে অসমৰ বিষয়ে কেইবাখনো মূল্যবান বুৰঞ্জী যুগুত কৰিছিল। তেওঁলোকে অসমীয়া লোকক টাই ভাষা শিকাই টাই ভাষাৰ আহোম বুৰঞ্জী ইংৰাজী ভাষালৈ তৰ্জমা কৰায়ো বুৰঞ্জীৰ সমল সংগ্ৰহ কৰিছিল। এইবোৰতো বহু ঠাইত চুতীয়া জাতি সম্বন্ধে উল্লেখ আৰু কোনো কোনো বুৰঞ্জীত চুতীয়া জাতি সম্বন্ধে একোটা অধ্যায় সন্নিবিষ্ট কৰা আছে। এইবিলাকো চুতীয়া জাতিৰ বুৰঞ্জীৰ আপুৰুগীয়া সমল।

ইয়াৰ উপৰিও কিম্বদন্তী ৰূপেও মানুহৰ মুখে মুখে বহু কথা প্ৰচলিত হৈ আহিছে। কিম্বদন্তী বুৰঞ্জী নহ'লেও ইয়াৰ ওপৰতো বহু কথা নিৰ্ভৰ কৰিব লাগে বা কোনো বৰ্ণনাৰ সত্যাসত্য নিৰ্ণয় কৰাৰ ক্ষেত্ৰত কিম্বদন্তীৰ আশ্ৰয় ল'ব লাগে। কিম্বদন্তীক বুৰঞ্জীৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত শ্ৰীৰাম চন্দ্ৰ চুতীয়া এম,এ, সম্পাদিত আৰু অৰুণাচলৰ পৰা প্ৰকাশিত Frontier Culture নামৰ

আলোচনীখনৰ Vol. III. II. অত কিম্বদন্তীয়ে কেনেকৈ বুৰঞ্জীৰ বহু তথ্য উদ্ধাৰ কৰাত সহায় কৰিব পাৰে সেই কথা সুন্দৰকৈ লিখিছে।"[১]

গতিকে কিম্বদন্তীক ইতিহাসৰ সমল নহয় বুলি একেবাৰে দলিয়াই পেলাব নোৱাৰি।

তামৰ ফলি, শিলালিপি বা ভাস্কৰ্য্য, পুৰণি মুদ্ৰা, এইবোৰ বুৰঞ্জীৰ অতি নিৰ্ভৰযোগ্য সমল। কিন্তু চুতীয়া জাতিৰ ইতিহাসৰ ক্ষেত্ৰত দুই এখন তামৰ ফলি এই বিষয়ৰ সহায়ক হ'লেও চুতীয়া জাতিৰ ৰজাসকলৰ মুদ্ৰা এতিয়াও দুই এটাৰ বাহিৰে তেনেকৈ উদ্ধাৰ হোৱা নাই। গতিকে চুতীয়া জাতিৰ বুৰঞ্জীৰ সমল সমসাময়িক অন্যান্য বুৰঞ্জী আৰু বিবৰণৰ পৰাহে আহৰণ কৰিব লাগে। তাৰ বাহিৰে অন্য উপায় নাই।

অতীতৰ চুতীয়া ৰাজ্যৰ বিস্তৃত অংশ এতিয়া অৰুণাচল ৰাজ্যৰ ভিতৰত। এই অঞ্চলত খনন কাৰ্য্যৰ দ্বাৰা অতীতৰ বহুতো ধ্বংসাবশেষ পোৱা গৈছে। এই বিলাকৰ উপযুক্ত বিশ্লেষণ হ'লে অতীতৰ চুতীয়া ৰাজ্যৰ ইতিহাসৰ বহুতো সমল পোৱা যাব। অৰুণাচলৰ বিস্তীৰ্ণ অংশ এতিয়াও হাবি-জংঘল-পাহাৰ আদিৰে ভৰা। চুতীয়া ৰাজ্যৰ বুৰঞ্জীৰ সমল উদ্ধাৰ কৰিবৰ বাবে ইয়াৰ বিস্তৃত অংশত খনন কাৰ্য্য কৰিব লাগিব।

অতীত ভাৰতৰ মহাভাৰত, ৰামায়ণ আৰু পুৰাণসমূহ বুৰঞ্জী নহয়। কিন্তু ইয়াৰ পৰা সেই সময়ৰ ৰীতি-নীতি সামাজিক নিয়ম, বিভিন্ন ঠাইৰ ভৌগোলিক বিৱৰণ আৰু অৱস্থান, ৰজাসকলৰ অৱস্থিতিৰ বিষয়ে জানিব পাৰি। চুতীয়া জাতিৰ ক্ষেত্ৰতো ই সত্য। সেই বাবেই ৰজা ভীষ্মকৰ বিৱৰণ ভাগৱত পুৰাণৰ পৰা লোৱা হৈছে।

চুতীয়া জাতিৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী যুগুতোৱাৰ ক্ষেত্ৰত বিস্তৃত আৰু দীৰ্ঘদিনীয়া গৱেষণা কৰিবৰ আৱশ্যকতা আছে। এই গৱেষণা কেৱল অসমৰ ভিতৰতে সীমাবদ্ধ

---

১ *"Legend has bestowed our past with a rare charm. It is because of its innate glamour, is always welcomed with boyish zeal even by the most practical man in the field of history and archaeology" observed Pradip Sarma in BASM No VIII 1986 "Legend can be said as the father of modern archaeology. Long prevailing legends are seen to have played an important role in the discovery of some famous sites of the world. Following existing legends of Homer's Trojan war, the German born explorer Henrick Schieman (AD 1822-1891) undertook excavation in the base of the Trojan Hill of Asia Minor, exposing in the process not only what was Hellenic but also two earlier phrases of civilisation of pre-classical and new stone age. The tale of Atlantia is one of the oldest legends of the world and section of marine archaeologists of to-day busy in unearthing in with varying degrees of success."*

*— Frotier Culture. Vol III No. II.*
*Editor — Ram Chandra Chutiya M.A.*

নেৰাখি ভাৰতৰ বিভিন্ন ইতিহাস, চীন আৰু তিব্বতৰ ইতিহাস, চীন আৰু অন্য ঠাইৰ পৰা অহা পৰিব্ৰাজক বা ভ্ৰমণকাৰীসকলৰ টোকা, ব্ৰহ্মদেশৰ ইতিহাস, শ্যানসকলৰ ইতিহাস আৰু ইংৰাজসকলে অসমৰ পৰা নি বৃটিছ লাইব্ৰেৰীত বা মিউজিয়ামত ৰখা বিভিন্ন ঐতিহাসিক বিবৰণ আৰু পাণ্ডুলিপি আদি অধ্যয়ন কৰাৰ অতি আৱশ্যক। সেইদৰে অৰুণাচল আৰু বিভিন্ন ঠাইত খনন কাৰ্য্যৰ পৰা পোৱা সমলৰ অধ্যয়নৰ পাছতহে চুতীয়া জাতিৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী যুগুতোৱা সম্ভৱ। কিন্তু সেই কাৰ্য্য কেতিয়া সম্ভৱ হ'ব পাৰে আমি ক'ব নোৱাৰো। সেই কাৰ্য্য ভৱিষ্যত লিখক অনুসন্ধানকাৰীসকললৈ ৰাখি এই ইতিহাসৰ দ্বাৰা থুলমূল ভাৱেহে আমি চুতীয়া জাতিৰ এটা ধাৰাবাহিক পৰিচয় দিবৰ চেষ্টা কৰিছোঁ।

এই ক্ষেত্ৰত দেখা দিয়া অসুবিধাবোৰ হৈছে, যিবোৰ বুৰঞ্জীত চুতীয়া জাতিৰ ৰজাসকলৰ বিষয়ে বা সমসাময়িক ঘটনাৰ বৰ্ণনা পোৱা হৈছে সেইবোৰৰ ভিতৰতো বহুততে চুতীয়া ৰজাৰ নাম নিদি মাত্ৰ চুতীয়া ৰজা বুলিহে উল্লেখ কৰা হৈছে। গতিকে সেই ঘটনা প্ৰকৃততে কোন ৰজাৰ দিনত হৈছিল সেই কথা ঠাৱৰ কৰাত অসুবিধাই দেখা দিয়ে। তদুপৰিও য'ত চন-তাৰিখৰ উল্লেখ আছে তাতো সেই চন-তাৰিখ সমসাময়িক অন্য ঘটনাৰ লগত মিলাই চালি-জাৰি চালে সেই চন-তাৰিখ গ্ৰহণযোগ্য নোহোৱা হয় বা বহু ক্ষেত্ৰত সেইটো শুদ্ধ নহয় বুলি প্ৰমাণ হয়। এনে স্থলত প্ৰকৃত চন-তাৰিখ নিৰ্ণয় কৰাত বহুতো অসুবিধাই দেখা দিয়ে।

ঘটনাসমূহৰ বৰ্ণনাৰ ক্ষেত্ৰতো বিভিন্ন বুৰঞ্জীত ঘটনাসমূহৰ একেটা ঘটনাৰে বৰ্ণনাৰ অমিল পোৱা যায়। এনে ক্ষেত্ৰত, জনশ্ৰুতি, কিম্বদন্তী, জাতিটোৰ আবেগ অনুভূতি, সেইবোৰৰ প্ৰতি লক্ষ্য ৰাখি ঘটনাৰ এটা গ্ৰহণযোগ্য আৰু সঠিক বিবৰণ বিচাৰি উলিওৱাৰ আৱশ্যক হয়।

এই সকলোবোৰ অসুবিধাৰ মাজতো এই ইতিহাসত জাতিটোৰ ঐতিহাসিক পটভূমি, ইতিহাসৰ এটা ক্ৰমবিবৰণ আৰু সংস্কৃতিৰ এটা সম্যক পৰিচয় দিবৰ চেষ্টা কৰা হৈছে।

## মানৱ বিৱৰ্তনৰ ইতিহাসত জাতি বা জনজাতিসমূহৰ গোষ্ঠীগত পৰিচয়

**অসমৰ প্ৰাচীনতম জাতি সমূহ :–** চুতীয়া জাতি বা জনজাতি অসমৰ প্ৰাচীনতম জাতি সমূহৰ অন্যতম। এই জাতি অসমৰ অন্যান্য জনজাতি সমূহৰ সমগোষ্ঠীয় বা একে মূল জনগোষ্ঠী সম্ভূত। সেই জনজাতি সমূহ হ'ল-- বড়ো, কছাৰী, ডিমাছা, লালুং, গাৰো,

খাচী, ৰাভা, মেছ, হাজং, টিপ্ৰা, কোছ, বৰাহী, মৰাণ আৰু চুতীয়া ইত্যাদি। ইয়াৰে বৰাহী, মৰাণ আৰু চুতীয়াসকলৰ বাহিৰে অন্য সকলো ভাৰতৰ সংবিধানত অনুসূচীত জনজাতি। কোছ সকলকো শেহতীয়াভাৱে অনুসূচীভূক্ত কৰাৰ পথত, মৰাণ আৰু বৰাহীসকলক চুতীয়াসকলে চুতীয়া জাতিৰে অন্তৰ্ভুক্ত বুলিহে বিবেচনা কৰে।

এই প্ৰাচীনতম জনজাতিসমূহে নিজকে ভূমিপুত্ৰ বুলি দাবী কৰে আৰু ভূমিপুত্ৰ বুলিয়েই নিজকে অভিহিত কৰে। এইক্ষেত্ৰত ভূমিপুত্ৰনো কোন, ভূমিপুত্ৰৰ কিবা সংজ্ঞা আছেনে নাই বা যদি কোনোবাই দিছে, সেইটো সৰ্বাত্মক হয়নে নহয় বা গ্ৰহণযোগ্য হয়নে নহয় এই কথা চিন্তা কৰিবৰ আৱশ্যক আছে। যিহেতু চুতীয়া জাতি অসমৰ প্ৰাচীনতম অধিবাসী গতিকে এই জাতিৰ ইতিহাসৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে পৃথিৱীত মানৱ বিৱৰ্তনৰ বিষয়েও কিছু কথা আলোচনা কৰাৰ আৱশ্যকতা আমি অনুভৱ কৰোঁ।

**মানৱ বিৱৰ্তন ঃ–** পৃথিৱীত জীৱৰ বিৱৰ্তনৰ ফলতেই আজিৰ মানুহৰ আৱিৰ্ভাৱ হয়। মানুহৰ আৱিৰ্ভাৱৰ এই ইতিহাস প্ৰায় ২০ লাখ বছৰৰ পুৰণি। অৰ্থাৎ প্ৰায় বিশ লাখ বছৰৰ আগতে পৃথিৱীত প্ৰথম মানুহৰ বিৱৰ্তন আৰু আৱিৰ্ভাৱ হয়। কিন্তু সেই মানুহবিলাক আছিল বান্দৰ মানুহ। সেই বান্দৰ মানুহক 'পিথেকান থ্ৰো পাচ' বুলি কোৱা হৈছিল। সিহঁতৰ মেৰুদণ্ড পোন নাছিল।

প্ৰায় দহলাখ মান বছৰৰ আগতেহে পোন মেৰুদণ্ডৰ মানুহৰ আৱিৰ্ভাৱ হয়। সিহঁতক বোলা হৈছিল 'হোমো ইৰেক্টাচ্' বা পোন মেৰুদণ্ডৰ মানুহ। কিন্তু প্ৰায় ত্ৰিশ হেজাৰ বছৰৰ আগতেহে আজিৰ যুগৰ মানুহৰ আৱিৰ্ভাৱ হৈছিল। সেই মানুহৰ মূৰত ক্ৰমে মগজুৰ পৰিমাণ বাঢ়িল; পিছলৈ হেলনীয়া কপাল ক্ৰমে আগলৈ অহাত বেছি ওখ ডাঙৰ হৈ পৰিল। তেওঁলোকে ভাৱ বিনিময়ৰ বাবে পৰস্পৰৰ মাজত কথা ক'বলৈ শিকিলে। তেওঁলোকৰ মাজত গোত্ৰভিত্তিক, গোত্ৰ বা ফৈদ ব্যৱস্থাৰ উৎপত্তি হয়। তেওঁলোকৰ মাজত শিল্প কলাৰো উদ্ভৱ হ'ল। নিজৰ চৌপাশে দেখা বস্তুৰ চিত্ৰ আঁকিবলৈ শিকিলে।

তেওঁলোকে আত্মাত বিশ্বাস কৰিবলৈ ললে; প্ৰকৃতিৰ অলৌকিক শক্তিবোৰৰ কাৰণ বুজিব নোৱাৰি আধ্যাত্মিক শক্তিৰ ওপৰত বিশ্বাস কৰিবলৈ ললে। এইদৰে ধৰ্ম ভাৱৰো উদয় হ'ল।

৯/১০ হেজাৰ বছৰ মানৰ আগৰে পৰা মানুহে শস্যৰ বীজ পুতি তাৰ পৰা ফল উৎপন্ন কৰি ভোগ কৰিবলৈ শিকে আৰু এইদৰেই কৃষিৰো উদ্ভাৱন হয়। এতিয়াৰ পৰা ২ লাখ মান বছৰৰ আগলৈকে তেওঁলোকে হাতেৰে সজা শিলৰ অস্ত্ৰ, হাটিয়াৰ আদি ব্যৱহাৰ কৰিছিল; অৱশ্যে পাছত সেইবোৰ ক্ৰমে কিছু উন্নত হয় আৰু হাড়ৰ পৰাও তৈয়াৰ কৰে। ৫/৬ হাজাৰ বছৰ মান আগতেহে তামৰ অস্ত্ৰ-শস্ত্ৰ আৰু সোণ-ৰূপৰ অলংকাৰ ব্যৱহাৰ কৰিবলৈ শিকে; চাৰি হেজাৰ বছৰ মানৰ আগতে লিপিৰো উদ্ভাৱন হয়। চাৰিহেজাৰমান বছৰ আগৰ পৰাহে ৰাষ্ট্ৰৰো উদ্ভাৱন বা প্ৰাধান্য হয়। এইদৰেই মানুহৰ উৎকৰ্ষ হৈ আজিৰ অৱস্থা পাইছেহি।

**ানৱৰ আৱিৰ্ভাৱ ঃ–** এতিয়া আমাৰ মনত প্ৰশ্ন হ'ব পাৰে, এই বান্দৰ মানুহৰ আৱিৰ্ভাৱ ক'ত হৈছিল? পৃথিৱীৰ কোনো এঠাইতে হৈছিলনে, সমগ্ৰ পৃথিৱীতে কোনো স্থান বশেষত হৈছিল।

জীৱ বিকাশৰ মাজেদি উৎকৰ্ষ হওঁতে পৃথিৱীৰ কোনো ঠাইতে প্ৰকৃতিয়ে নিশ্চয় হি থকা নাছিল। অৱশ্যে সেই বিকাশৰ গতি ভিন্ন আৰু কম-বেছি পৰিমাণে হোৱা ম্ভৱ। কিন্তু সেই বিকাশ লাখ লাখ বছৰৰ মাজেদিহে হৈছিল। আৰু সেই বিকাশ উৎকৰ্ষৰ ফালে একমুখী আছিল। কিন্তু সৃষ্টিৰ কোনো দুটা বস্তুয়েই সাইলাখ একে নহয়। তিকে এই বিবৰ্তন বা বিকাশৰ ক্ষেত্ৰতো প্ৰকৃতিয়ে ক'তো একে সময়তে দুটা একে সৃষ্টি কৰা নাই, কিবা নহয় কিবা বিভেদ আছে।

আদিম মানুহে দলবদ্ধভাবে বাস কৰিছিল আৰু কেৱল গৰম দেশতেইহে বাস কৰিব পাৰিছিল; য'ত বনজ সম্পদেৰে প্ৰকৃতি চহকী আছিল আৰু য'ত কাপোৰ-কানি া বাসস্থানৰ প্ৰয়োজন নাছিল। আদিম মানুহৰ বিভিন্ন পৰিচয় আফ্ৰিকা, এচিয়া আৰু ইউৰোপ মহাদেশত পোৱা হৈছে।

উনৈশ শতিকাৰ শেষ ভাগত দক্ষিণ পূব এচিয়াৰ জাভাদ্বীপত ১০ লাখ বছৰৰ পূৰ্বে থকা মানুহৰ বিভিন্ন হাড় আৰু দাঁত বিচাৰি পোৱা গৈছে। এই আৱিষ্কাৰৰ ওপৰত ভিত্তি কৰি বিজ্ঞানীসকলে আদিম মানুহৰ প্ৰকৃতি নিৰ্মাণ কৰিছিল। এই মানুহকে নাম দিয়া হৈছিল 'পিথেকান থ্ৰো পাচ' অৰ্থাৎ বান্দৰ মানুহ। উনবিংশ শতাব্দীলৈকে এই সকলকেই পৃথিৱীৰ আদিম মানুহ বুলি গণ্য কৰা হৈছিল। কিন্তু কুৰি শতিকাৰ মাজভাগত আফ্ৰিকাৰ পূৰ্বাঞ্চলৰ কেনিয়াত তাতোকৈ পুৰণিকলীয়া বিশলাখ বছৰ আগৰ মানুহৰ হাড় আৰু তেওঁলোকৰ ব্যৱহৃত অধিক আদিম ধৰণৰ শিলৰ সঁজুলি আৱিষ্কৃত হৈছে। এই আদিম মানুহকো বোলা হৈছে হোমো ইৰেক্টাছ অৰ্থাৎ পোন মেৰুদণ্ডৰে মানুহ। বিজ্ঞানীসকলে দেখুৱাইছে যে এই মানুহ জীৱিত আছিল; দহ লাখ বছৰৰো আগেয়ে। বিজ্ঞানীসকলে ভাবে যে "পিথ্ৰেকান থ্ৰপাচ"সকল এতিয়াৰ পৰা ১৭ লাখ পঞ্চাচ হাজাৰ বছৰৰ আগতেহে জীয়াই আছিল। এই মানুহেই উৎকৰ্ষৰ পথেদি গৈ আজিৰ অৱস্থা পাইছেগৈ।

**ান্দৰ মানুহ বা মানুহৰ প্ৰব্ৰজন ঃ–** এই আদিম মানুহ আছিল বন্য মানুহ। বন্য জীৱ-জন্তুৰ দৰেই সিহঁতে প্ৰকৃতিৰ পৰাই আহাৰ সংগ্ৰহ কৰিছিল। গতিকে অন্য বন্য জন্তুৰ দৰেই আহাৰ আৰু উপযোগী বাসস্থানৰ বাবে ইঠাইৰ পৰা অন্য ঠাইলৈ গৈছিল আৰু এইদৰে যাওঁতে বহু হেজাৰ বছৰৰ মূৰত বা লাখ বছৰৰ মূৰত এক মহাদেশৰ পৰা গৈ অন্য মহাদেশত উপনীত হৈছিলগৈ।

এইদৰে যাওঁতে সিহঁতৰ কিছুসংখ্যক বিভিন্ন ঠাইত নিশ্চিতভাৱে ৰৈ গৈছিল। মানহাতে যিবিলাক স্থানীয়ভাৱে ৰৈ বিবৰ্তন হোৱা সমগোষ্ঠীয় তেনে শ্ৰেণীৰ জন্তু বা বান্দৰ বা বান্দৰ মানুহৰ লগত দৈহিক সংযোগ ঘটাও নিশ্চয় সম্ভৱ।

**ড° চেইখ্ এন্ট ডিঅপৰ মত ঃ–** ড° চেইখ্ এন্ট ডিঅপে আগবঢ়োৱা পৰামৰ্শমতে আফ্ৰিকাৰ বিষুৱ অঞ্চলত (কেনিয়াত) প্ৰথমে বান্দৰ মানুহৰ আৱিৰ্ভাৱ হৈছিল। সেইবোৰেই ক্ৰমে উত্তৰলৈ গৈ ভূমধ্য সাগৰীয় অঞ্চল পাইছিলগৈ।

প্ৰায় ২০ লাখ বছৰৰ আগতে আফ্ৰিকাত এই প্ৰথম মানুহবোৰক বোলা হৈছিল "পিথেকান থ্ৰপাচ"। এই মানুহে বিভিন্ন পৰ্যায়লৈ উৎকৰ্ষ হোৱাৰ পাছত প্ৰায় ১০ লাখ মান বছৰৰ আগতে "হমো ইৰেক্টাচ্" পৰ্যায় পাইছিলগৈ। এইবিলাকক পোন মেৰুদণ্ডৰ মানুহ বা হমো ইৰেক্টাচ বোলা হৈছিল। এই হমো ইৰেক্টাচ পৰ্যায়তে আৰু তাৰ পাছতো এই মানুহবিলাকে জিব্ৰল্টাৰ পাৰহৈ এফালে ইউৰোপ আৰু অন্যফালে পূব ভূমধ্য সাগৰীয় অঞ্চলৰ পৰা ক্ৰমে উত্তৰ আৰু পূব ইউৰোপ, ছাইবেৰিয়া, মধ্য এচিয়া আৰু দক্ষিণফালে গতি কৰি ভাৰতবৰ্ষ পাইছিলহি। এইসকলৰ ভিতৰত নিগ্ৰিটোসকল আৰবৰ মাজেদি ভাৰতলৈ আহি আন্দামান পৰ্যন্ত পাইছিলগৈ।

এই নিগ্ৰিটোসকলেই প্ৰথমে ধনু-কাড় ব্যৱহাৰ কৰিবলৈ শিকিছিল বুলি অনুমান কৰা হয়। সেয়া প্ৰায় খ্ৰীঃ পূঃ ৮/৭ সহস্ৰাব্দ মানত (ড° সুনীতি কুমাৰ চট্টোপাধ্যায়-কিৰাত জনকৃতি) কিন্তু এঠাইত লব্ধ হোৱা জ্ঞান সমগ্ৰ পৃথিৱীতে ব্যাপ্ত হৈ পৰিছিল।

সেইদৰে অন্য এক দলে পূব ভূমধ্য সাগৰীয় অঞ্চলৰ পৰা ইৰাণৰ মাজেদি আহি ভাৰতবৰ্ষ পাইছিলহি আৰু পাছত খাচী পাহাৰ পাই ক্ৰমে দক্ষিণলৈ গৈ সুমাত্ৰা, জাভা, অষ্ট্ৰেলিয়া পাই পুনৰ উত্তৰলৈ গৈ ইণ্ডোচীন, শ্যাম আদি পাইগৈ। এওঁলোকক "প্ৰটো-অষ্ট্ৰলয়ড্" বুলি কোৱা হয়। অৰ্থাৎ এওঁলোক অষ্ট্ৰলয়ড্সকলৰো আদি পুৰুষ।

এই প্ৰটো অষ্ট্ৰলয়ডসকলেই প্ৰথমে ভাৰতত কোৰ ব্যৱহাৰ কৰি খেতি কৰিছিল আৰু হাতীক পোহ মনাবলৈ শিকাইছিল বুলি অনুমান কৰা হৈছে। (কিৰাত জন-কৃতি পৃঃ ৫. এই প্ৰটো অষ্ট্ৰলয়ডৰ সংস্কৃতিয়ে বিৱৰ্তনৰ পথত দক্ষিণ পূব এচিয়াত বা পূব এচিয়াত অষ্ট্ৰিক বুলি খ্যাত হৈছে।)

সেইদৰে ভূমধ্য সাগৰীয় অঞ্চলৰ পৰাই উত্তৰলৈ যোৱাসকলৰ চাইবেৰিয়া পোৱা সকলক মঙ্গোলয়ড্ বোলা হয়। মঙ্গোলয়ড্সকলৰ এই বিৱৰ্তন প্ৰায় ১৫,০০০ বছৰৰ আগৰ বুলি অনুমান কৰা হৈছে।*[১] ভাষা গোষ্ঠীৰ ফালৰ পৰা এই মঙ্গোলয়ড্সকলক বৃহত্তৰভাবে তিব্বতো চাইনিজ আৰু তিব্বতো বাৰ্মান আদি নামেৰে অভিহিত কৰা হৈছে। এওঁলোকে এসময়ত সমগ্ৰ উত্তৰ এচিয়া তিব্বত চীন আৰু পূব এচিয়া পাইছিলগৈ।

দক্ষিণৰ পৰা অহা প্ৰটো-অষ্ট্ৰলয়ড্ আৰু উত্তৰ পশ্চিমৰ পৰা অহা মঙ্গোলয়ড্ বা তিব্বতো চাইনিজ, তিব্বতো বাৰ্মান আদি সকলৰ লগত পূব এচিয়াতে মিলন হৈছিলগৈ। এনে সংযোগ আৰু হাজাৰ হাজাৰ বছৰৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱৰ ফলতেই এই বিভিন্ন অঞ্চলত বিচ্ছিন্নভাবে থকা আদিম মানৱ শ্ৰেণীসমূহৰ মাজত দৈহিক আৰু ভাষা কৃষ্টি আদিৰ মৌলিক ভিন্নতাৰ সৃষ্টি হৈছিল আৰু এই ভিন্নতাৰ বাবেই সেইবিলাকক একোটা সুকীয়া নামেৰে নামাকৰণ কৰা হৈছিল।

**প্ৰঃ ফ্লাৱাৰৰ মত ঃ–** প্ৰঃ ফ্লাৱাৰে পৃথিৱীৰ মানৱ গোষ্ঠীক তিনিটা প্ৰধান ভাগত ভাগ কৰিছে। সেই কেইটা হ'ল **নিগ্ৰইড্ মঙ্গোলীয়ান্** আৰু **ককেচীয়ান্**। এই

---

১ *চুতীয়া জনগোষ্ঠীৰ চমু পৰিচয় – ললিত চুতীয়া*

ককেচীয়ানসকলকে পুনৰ বিভাজন কৰি অলপ ক'লা বৰণৰবোৰক দ্ৰাবিড় আৰু বগাসকলক এৰিয়ান বা আৰ্য্য বুলি অভিহিত কৰিছে।

এই তিনিটা ভাগৰ নিগ্ৰইড্‌সকলৰ বিৱৰ্তনৰ বাসস্থান আফ্ৰিকা, মঙ্গোলয়ড্‌সকলৰ বাসস্থান চাইবেৰিয়া, মঙ্গোলীয়া চীন আৰু পূব এচিয়া আৰু ককেচীয়ানসকলৰ বিৱৰ্তনৰ বাসস্থান ইউৰোপ আৰু পশ্চিম এচিয়া, মধ্য এচিয়া। ভাৰতত বাস কৰা প্ৰধান আদি জনগোষ্ঠীসমূহ হ'ল নিগ্ৰিটো আৰু আদি অষ্ট্ৰলয়ড্ বা প্ৰটো অষ্ট্ৰলয়ড আৰু দ্ৰাবিড়।*[১] প্ৰটো-অষ্ট্ৰেড্ড, দ্ৰাবিড় মঙ্গোলয়ড আদি নামাকৰণবোৰ ভাষা ভিত্তিকহে। কিন্তু এই জনগোষ্ঠীসমূহৰ প্ৰব্ৰজন সিমানতে শেষ হোৱা নাই। সেইবিলাকৰ পুনৰ প্ৰব্ৰজন হৈছে আৰু বিভিন্ন ঠাইত বিভিন্ন দলৰ পুনৰ সংমিশ্ৰণ ঘটিছে।

**প্ৰব্ৰজন সংমিশ্ৰন আৰু সভ্যতা :–** এইদৰে জনগোষ্ঠীসমূহৰ প্ৰব্ৰজনৰ সময়ত বিভিন্ন ঠাইত বৈ যোৱা তেওঁলোকৰ দলবোৰে তাতে হাজাৰ হাজাৰ বছৰ বৈ যোৱাৰ ফলত মৌলিকভাবে বিভিন্ন ভাষা কৃষ্টিৰ সৃষ্টি হোৱাৰ ওপৰিও দৈহিক পৰিবৰ্তনো হৈছে। উৎকৰ্ষৰ ক্ষেত্ৰতো ভিন্নতা আৰু কম বেছি বিৱৰ্তন হৈছে। ইয়াৰ ফলতেই অতীততেই মিচৰ, মেচোপটেমীয়া, গ্ৰীচ, ৰোম, ভাৰতবৰ্ষ, চীন আদিত বিশিষ্ট একোটা সভ্যতা বা উৎকৰ্ষ দেখিবলৈ পোৱা হয়। পঞ্জাবৰ সিন্ধু সভ্যতাও ইয়াৰে অংশ বিশেষ; যদিও সেই সভ্যতা কোনো কাৰণত খ্ৰীঃপূঃ ২০০০ ৰো আগতেই সম্পূৰ্ণ ধ্বংস হৈছিল।

**ভূমিপুত্ৰ :–** এইদৰে প্ৰব্ৰজনৰ ফলত সুদূৰ অতীততে যিবিলাক জনগোষ্ঠীয়ে একোখন ঠাইত প্ৰথমে থিতাপী লৈ তেওঁলোকৰ বিৱৰ্তন আগুৱাই নিছিল বা ভিন্ন ভাষা সংস্কৃতিৰ বিকাশ কৰিছিল সেই মানুহবোৰেই বৰ্তমান সেই ঠাইবোৰৰ ভূমিপুত্ৰ বুলি দাবী কৰে। কিন্তু কিছুমান ঠাইত এইদৰে সুদূৰ অতীততে জন প্ৰব্ৰজনৰ ফলত জনবসতি নোহোৱাকৈ থাকিলেও পাচত তালৈ বিভিন্ন দিশৰ পৰা জন প্ৰব্ৰজন হৈছিল। এই ঠাই বিলাকলৈ যিদলেই প্ৰথমে গৈ বসতি আৰম্ভ কৰিছিল তেওঁলোকে বহুত পাচত গ'লেও প্ৰথমেই যোৱা বুলি সেই ঠাইৰ আদিম অধিবাসী বা ভূমিপুত্ৰ বুলি দাবী কৰে বা নিজকে ভূমিপুত্ৰ বুলি পৰিচয় দিয়ে। তেওঁলোকে এইদৰে কৰা দাবী ভূমিপুত্ৰৰ সংজ্ঞা সম্মত হওকেই বা নহওকেই তেওঁলোকৰ সেই ঠাইৰ প্ৰাচীনত্ব কোনেও কাঢ়ি নিব নোৱাৰে। অৱশ্যে তেওঁলোকে ভূমিপুত্ৰ বুলি কৰা দাবী বিচাৰ্য্যৰ বিষয়।

**মৌলিক ঐক্য :–** জনগোষ্ঠীসমূহে বিভিন্ন দিশেদি যাওঁতে স্থানে স্থানে বিভিন্ন সংস্কৃতিৰ সৃষ্টি হ'লেও তেওঁলোকৰ মূল ভাষা-সংস্কৃতিৰ লগত একোটা মিল বিচাৰি পোৱা যায়। এই ভাষা কৃষ্টিৰ মিল আৰু দৈহিক বা অবয়বৰ আৰু অস্থিৰ আকৃতিৰ মিলৰ পৰাই সেই জাতিটোৰ অতীত জনগোষ্ঠীৰ পৰিচয়ো বিজ্ঞানীসকলে নিৰ্ণয় কৰিছে। সেইদৰেই চিনাক্ত কৰি তেওঁলোকৰ পৰিচয়ো দাঙি ধৰিছে। এইক্ষেত্ৰত ভাষা এটা প্ৰধান সাক্ষ্য। অৱশ্যে এই সকলোবোৰ কথা আপেক্ষিক অৰ্থাৎ বৰ্তমানলৈকে সেইদৰেই চিনাক্ত কৰি তেওঁলোকৰ পৰিচয়ো দাঙি ধৰিছে।

---

১ *A History of Assam - Sir E. Gait - Page 3*

হেজাৰ হেজাৰ বছৰৰ মিশ্ৰনৰ মাজেদি তেওঁলোকৰ মাজৰ মৌলিকভাৱে ভাষিক বা দৈহিক ভিন্নতা হ'লেও বা বহুক্ষেত্ৰত সেই ভিন্নতা সাধাৰণ চকুতেই এতিয়াও ধৰা পৰে। অৱশ্যে বহুহেজাৰ বছৰৰ মূৰত সেই ভিন্নতা হয়তো স্থান বিশেষতহে আবদ্ধ হ'বগৈ; অতীতৰ গোষ্ঠীগত পৰিচয় নেথাকিব। এইক্ষেত্ৰত প্ৰকৃতিয়ে নিজৰ গতিকেহে অক্ষুণ্ণ ৰাখিব সেই কথা এটা চিৰসত্য। কাৰণ এই সকলো কথাও আপেক্ষিক।

**আজিৰ মানুহৰ মৌলিক আৱশ্যকতা– ত্যাগ আৰু সম্প্ৰীতি ঃ–** প্ৰকৃতিয়ে এইদৰে বিৱৰ্তনৰ পথেদি যাওঁতে এতিয়াৰ পৰা দহ হাজাৰ বছৰৰ পাছত বা লাখ বছৰৰ পাছত কি হ'বগৈ সেই কথা এতিয়াই কৈ দিয়াটো কাৰো পক্ষে সম্ভৱ নহয়।

কিন্তু আমিযে আজি আছো এইটো এটা সত্য আৰু সেইবাবে আজিৰ ভোক-পিয়াহ, দুখ-বেদনা, এইবোৰো সত্য। এইবোৰ লাঘৱ কৰাৰ বাবেই বিজ্ঞান বা মানৱ সভ্যতা আগুৱাই গৈছে। কিন্তু পাৰস্পৰিক ত্যাগ, সমবেদনা আৰু সম্প্ৰীতিৰ বাহিৰে অন্য একোৱে বা বিজ্ঞানৰ অপৰিসীম উৎকৰ্ষয়ো মানৱ জাতিক সেই দুখ-বেদনাৰ পৰা ৰক্ষা কৰিব নোৱাৰে। প্ৰকৃতপক্ষে আজিৰ ধন-সৰ্বস্ব সভ্যতা, বিজ্ঞানৰ উৎকৰ্ষয়ো মানুহক নৈতিক অৱনতিৰ পথেদি নি বহুক্ষেত্ৰত মানুহৰ মাজত বিভেদ সৃষ্টি কৰি ধ্বংসৰ পথহে উন্মুক্ত কৰিছে।

এইক্ষেত্ৰত মুদ্ৰা বা বিনিময়ৰ মাধ্যমৰ আৱিৰ্ভাৱ যে এটা যুগান্তৰকাৰী শক্তি এই কথা অলপ চিন্তা কৰিলেই সকলোৱে উপলব্ধি কৰিব পাৰিব। কিয়নো ইয়াৰ আগলৈকে সকলো সমাজে কেৱল ৰাহি সম্পদৰ আদান-প্ৰদানৰ মাজেৰেহে নিজৰ চাহিদা পূৰণ কৰিব পৰা হৈছিল। ফলত নৈতিক অৱনতিৰ পথো সীমিত আছিল। অৰ্থনৈতিক উৎকৰ্ষও ধীৰ গতিৰ আছিল।

## চুতীয়া জাতিৰ ইতিহাসৰ পটভূমিত

**(ক) প্ৰাগঐতিহাসিক যুগৰ জন প্ৰব্ৰজন; বিভিন্ন পথেদি ভাৰত তথা অসমলৈ জনস্ৰোত আৰু তিব্বতো বাৰ্মান মঙ্গোলয়ডসকল–**

প্ৰাকৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক কাৰণত নতুবা নতুন ঠাইৰ অভিজ্ঞতা বিচাৰি বা দুঃসাহসিক কাৰ্যৰ হেঁপাহত মানুহে এঠাইৰ পৰা অন্য ঠাইলৈ বা এক দেশৰ পৰা অন্য দেশলৈ প্ৰব্ৰজন কৰে। এই সকলোবোৰৰে মূল উদ্দেশ্য হ'ল জীৱন ধাৰণৰ বাবে সহজ উপায়, উন্নত সা-সুবিধা আৰু সহজভাৱে খাদ্য লাভ কৰা।

হাজাৰ হাজাৰ বছৰৰ আগতে প্ৰাগঐতিহাসিক যুগতো মানুহে এনে কাৰণতেই এক দেশৰ পৰা অন্য দেশলৈ প্ৰব্ৰজন কৰিছিল আৰু কেতিয়াবা এক মহাদেশৰ পৰা গৈ অন্য মহাদেশ পাইছিলগৈ। এইদৰেই সুদুৰ অতীতৰ প্ৰাগঐতিহাসিক যুগৰ পৰাই বিভিন্ন দিশৰ পৰা ভাৰতবৰ্ষ তথা অসমলৈ জন-প্ৰব্ৰজন হৈছিল।

চুতীয়া জাতিৰ ইতিহাস আজিৰ পৰা চাৰি হাজাৰ বছৰৰো অধিক পুৰণি। গতিকে এনে এটা জাতিৰ ইতিহাসৰ পটভূমি বিচাৰিবলৈ হ'লে সেই সুদূৰ অতীতলৈ ঘূৰি চাব লাগিব আৰু সেই সময়ত বিভিন্ন পথেদি ভাৰতবৰ্ষ তথা অসমলৈ অহা জনস্ৰোতৰ বিষয়ে অৱগত হ'ব লাগিব।

**নিগ্ৰিটো ঃ–** হাজাৰ হাজাৰ বছৰৰ আগতে ভাৰতবৰ্ষৰ বিন্ধ্যা পৰ্বতৰ উত্তৰফালৰ গুজৰাট, সিন্ধু, যমুনা, গংগাপুত্ৰ উপত্যকা, হিমালয়ৰ মূললৈকে সমুদ্ৰ গৰ্ভত আছিল। আনহাতে আফ্ৰিকা মহাদেশৰ পৰা ভাৰতবৰ্ষলৈ স্থলপথ আছিল। অসমৰ পৰা হিমালয়ৰ পাদদেশেদি চোটনাগপুৰ, উৰিষ্যাহৈ আফ্ৰিকালৈ স্থলপথেদি মানুহ যাব পাৰিছিল। তেতিয়াই ক'লা বৰণৰ খবাকৃতিৰ এজাতি মানুহ আফ্ৰিকাৰ পৰা ভাৰতলৈ আহিছিল। এওঁলোকেই নিগ্ৰিটো জাতি। এই জাতিৰ লোক বৰ্তমান আন্দামান দ্বীপতহে আছে*[১]। অৱশ্যে বহুতে নগাসকলৰো কিছুমানক নিগ্ৰিটো জাতিৰ লোক বুলি কয়*[২]। অন্যসকলে আকৌ অসম বা উত্তৰ-পূৰ্বাঞ্চলত নিগ্ৰিটোসকলৰ অস্তিত্ব স্বীকাৰ নকৰে*[৩]। নিগ্ৰিটোসকলৰ পাছতেই ভাৰতলৈ আহিছিল পূব ভূমধ্য সাগৰ অঞ্চলৰপৰাই প্ৰ'টো-অষ্ট্ৰলয়ডসকল। তেওঁলোকে দক্ষিণ ভাৰতৰ মাজেদি গৈ খাচীয়া পাহাৰ আৰু দক্ষিণ-পূব এচিয়া পাইছিলগৈ। সেই লোকসকলৰে এটা দলে খাচী পাহাৰত ব্ৰহ্মপুত্ৰ সভ্যতাৰ পাতনি মেলিছিল খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দত ধানৰ বীজ আৱিষ্কাৰেৰে।

সেইদৰেই ভাৰতৰ উত্তৰ-পশ্চিম গিৰিপথেদি অন্য বহুতো লোক ভাৰতবৰ্ষলৈ আহিছিল। খ্ৰীঃপূঃ প্ৰায় ২০০০/১৫০০ত সেই পথেৰেই অহা বৈদিক আৰ্যসকল সিন্ধু উপত্যকাত বহুত দিন থকাৰ পাছত কেনেকৈ সমগ্ৰ উত্তৰ ভাৰতত বিস্তৃত হৈ পৰিছিল সেই কথা ভাৰতৰ ইতিহাস পঢ়োতা মাত্ৰেই জানে। সেই আৰ্যসকলৰ কিছুমানো অসম পৰ্যন্ত পাইছিলহি।

**দ্ৰাবিড় ঃ–** কিন্তু ইয়াৰ আগতেই সিন্ধু উপত্যকাত এক উন্নত সভ্যতাৰ বিকাশ হৈছিল। সেইয়ে সিন্ধু সভ্যতা। এই সভ্যতাৰ বিকাশ সাধন কৰা লোকসকলৰ সাধাৰণ নাম দ্ৰাবিড়। কিন্তু ই এটা ভাষাগোষ্ঠীৰ নামহে, জনগোষ্ঠীৰ নহয়। এওঁলোকৰ ভাষা বৈদিক আৰ্যসকলৰপৰা সম্পূৰ্ণ বেলেগ। বৰ্তমান দক্ষিণ ভাৰতৰ তামিল, তেলেগু, কানাড়া,

---

১ *অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ।*

*-- ৰায় বাহাদুৰ কণকলাল বৰুৱা*

২ *অসম দেশৰ বুৰঞ্জী – ড° লক্ষ্মী দেৱী পৃঃ ৪।*

৩ *"The evidence Nigrito element from Nagaland are not at all convincing, in the light of modern development of anthropological thought. Therefore we can perhaps rule out the possibility of the Nigitros being the autochthonous population of North East India."*

*-- People of Assam : An Introduction Article by Prof. B.M. Das, Ph.D., D.Sc.*

*(Souvenir— National Academy of Sciences, India-48th session)*

মালয়ালাম আদি এই ভাষাগোষ্ঠীৰ*১।

মহেঞ্জোদাৰো আৰু হৰপ্পাত (বৰ্তমান পাকিস্তানৰ পঞ্জাব আৰু সিন্ধু প্ৰদেশত— সিন্ধু নদীৰ পাৰত) বিস্তৃত খনন কাৰ্যৰপৰা এই জাতিৰ যিবোৰ নিদৰ্শন পোৱা হৈছে তাৰপৰা এওঁলোকৰ নাগৰিক সভ্যতা যে অতি উন্নত আছিল সেই কথা ঠাৱৰ কৰিব পৰা হৈছে। আৰ্যসকলৰ প্ৰবল হেঁচাত তেওঁলোকে দক্ষিণ ভাৰতৰ ফালে যায় আৰু তাত আনৰ প্ৰভাৱবিহীন এক উন্নত সভ্যতা আৰু সংস্কৃতিৰ বিকাশ সাধন কৰে।*২ এই সিন্ধু সভ্যতাৰ সময় প্ৰায় খ্ৰীঃপূঃ ৩০০০/২০০০ বছৰ। কোনো পণ্ডিতৰ মতে পাছত প্ৰাকৃতিক দুৰ্যোগৰ ফলত সিন্ধু প্ৰদেশত সেই সভ্যতাৰ সমূল ধ্বংস হ'ল।

বহুত পণ্ডিতৰ মতে দ্ৰাবিড়সকলেও ভাৰতৰ উত্তৰ-পশ্চিম গিৰিপথেদিয়ে ভাৰতত প্ৰৱেশ কৰিছিলহি। কিয়নো চুমেৰীয়া সভ্যতাৰ লগত দ্ৰাবিড় সভ্যতাৰ বহু ক্ষেত্ৰত মিল আছে। বেলুচিস্তানৰ ব্ৰাহুই উপজাতিয়ে এতিয়াও দ্ৰাবিড় ভাষাতে কথা কয়। চুমেৰীয়া সভ্যতাই খ্ৰীঃপূঃ প্ৰায় ৩৫০০ত সমৃদ্ধি লাভ কৰিছিল। মুঠতে অন্য নহ'লেও চুমেৰীয়া সভ্যতাৰ লগত দ্ৰাবিড় সভ্যতাৰ গভীৰ সম্বন্ধ যে আছিল এই কথা ঠিক। বহুতে আকৌ দ্ৰাবিড়সকলক ভাৰতৰে আদিম অধিবাসী বুলিও কয়। ব্ৰাহ্মণ্য সংস্কৃতিৰ শিৱ-দুৰ্গাৰ পূজা, বিষ্ণু আৰু স্ত্ৰী পূজা আৰু যোগ দৰ্শন আদি এই দ্ৰাবিড়সকলৰ অৱদান বুলি ভবা হয়। (কিৰাট জনকৃতি— পৃঃ ৬)*৩

---

১ *বৰ্তমান গবেষণা কৰি থকা Dr. Malati G. ..........ৰ মতে সিন্ধু সভ্যতাৰ লিপিৰ পাঠ উদ্ধাৰ হৈছে আৰু সেই ভাষা Akadian— the earliest known semitic language বুলি ঠাৱৰ কৰিছে। Akadian আৰু সংস্কৃতৰ প্ৰায় ৪০০ শব্দৰ মিল তেখেতে দেখুৱাইছে।*

২ *কোনো সাক্ষ্য এতিয়ালৈকে নেপালেও আফ্ৰিকাত উৎকৰ্ষ হোৱা হ'মোইৰেক্টাচসকল যে ভাৰতৰ মাজেদি গৈ যাভাপৰ্যন্ত পাইছিলগৈ সেই কথা অনুমান কৰিব পাৰি। এই হ'মোইৰেক্টাচ সকলৰ ভাৰতত বৈ যোৱাসকলে পাছত অহা প্ৰ'টো-অষ্ট্ৰলয়ড আৰু নিগ্ৰিটোৰ সংমিশ্ৰণত হোৱা লোকসকলেই নিশ্চয় ভাৰতৰ আদিবাসীসকল আৰু দাক্ষিণাত্যত এক বিশিষ্ট সভ্যতাৰ অৱদান দিওতা। ৰামায়নত এইসকলকে বান্দৰ আৰু ভালুক বুলি অভিহিত কৰিছে।*

৩ *কোনো সাক্ষ্য এতিয়ালৈকে নেপালেও আফ্ৰিকাত উৎকৰ্ষ হোৱা হ'মোইৰেক্টাচসকল যে ভাৰতৰ মাজেদিয়ে গৈ জাভা পৰ্যন্ত পাইছিলগৈ সেই কথা অনুমান কৰিব পাৰি। এই হ'মোইৰেক্টাচসকলৰেই ভাৰতত বৈ যোৱাসকলে পাচত অহা প্ৰটো-অষ্ট্ৰলয়ডসকলৰ আৰু নিগ্ৰিদোসকলৰ সংমিশ্ৰণত হোৱা লোকসকলেই নিশ্চয় ভাৰতৰ আদিবাসীসকল আৰু দাক্ষিণাত্যত এক বিশিষ্ট সভ্যতাৰ অৱদান দিওতা ৰামায়ণত এই সকলকে বান্দৰ আৰু ভালুক বুলি অভিহিত কৰিছে।*

*কিছুদিনৰ আগতে তামিলনাডুত ২ লাখ বছৰৰ আগৰ মানুহৰ জীবাশ্ম পোৱা হৈছে। ইয়ো এই কথাকে সমৰ্থন কৰে।*

ফিওদৰ কাৰোভকিনে প্ৰাচীন জগতৰ ইতিহাস নামৰ গ্ৰন্থত লিখিছে যে ভাৰতত কেইবালাখো বছৰৰ আগৰ পৰাই মানুহে বসবাস কৰি আহিছে। যদি আফ্ৰিকাকে আদিম বান্দৰ মানুহৰ আৱিৰ্ভাৱৰ স্থান বুলি ধৰা হয় আৰু তাৰে এটা দলে এসময়ত আফ্ৰিকাৰ পৰা ভাৰতবৰ্ষলৈ বান্দৰ মানুহ স্থল পথেদি আহিছিল আৰু ৰৈ গৈছিল সেই বান্দৰ মানুহ বিলাকেই পাছত নিশ্চয় দক্ষিণ ভাৰতত পাছত অহা আদিম অধিবাসী বা আদিম বান্দৰ মানুহৰ লগত মিলিত হৈ আদিম মানৱ হিচাপে বিৱৰ্তন লাভ কৰিছিল।

**ৰামায়ণ ঃ–** ৰামায়ণত উল্লেখ থকা মতে ৰামে দক্ষিণ ভাৰতৰ বান্দৰ আৰু ভালুক সেনাৰ সহায়ত লঙ্কাৰ ৰাৱণৰ লগত যুদ্ধ কৰিছিল। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে, পাছত দক্ষিণ ভাৰততো বান্দৰ মানুহৰ বিৱৰ্তন হৈছিল আৰু সেইটো পাছত এটা কিম্বদন্তী হৈ আছিল। ৰামায়ণত উল্লিখিত ভালুকবিলাক নিশ্চয় তাৰ পাছত অহা নিগ্ৰইড্ গোষ্ঠীৰ লোক আছিল। ৰামায়ণত উল্লিখিত হনুমান নিশ্চয় আদিম অষ্ট্ৰলয়ড্ বা বান্দৰ গোষ্ঠীৰ আৰু জাম্বুবান নিশ্চয় ভালুক বা নিগ্ৰইড গোষ্ঠীৰ লোক আছিল।

ৰামায়ণৰ হনুমানক বৰ্তমান এডাল নেজদি দেখুওৱা হয়। মই ভাবো যে ই কাল্পনিক। কাৰণ বান্দৰ যেতিয়া আমাৰ বৰ্তমানৰ বান্দৰৰ দৰে হনুমানক এডাল নেজদি দেখুৱাব লাগিব। কিন্তু ৰামৰ সৈন্য হিচাপে ৰামক যুদ্ধত সহায় কৰা বান্দৰবিলাক তেনে নেজ থকা বান্দৰ আছিল বুলি ক'ব বা ভাবিব নোৱাৰি। সেইবিলাক নিশ্চয় মানুহেই আছিল। কিন্তু বান্দৰৰদৰে বা বান্দৰ গোষ্ঠীৰ প্ৰটো অষ্ট্ৰলয়ড্। নতুবা নেজ থকা সেই বান্দৰ মানুহবোৰ এতিয়া ক'লৈ যাব?

সেইদৰে লঙ্কা আৰু ভাৰতবৰ্ষৰ মাজত থকা সাগৰ তেতিয়া নিশ্চয় আজিৰ দৰে নাছিল আৰু স্থলেৰেই সংযোগ আছিল মাত্ৰ মাজে মাজে সংকীৰ্ণ জলস্ৰোত আছিল য'ত ৰামে বান্দৰসেনাৰ সহায়ত শিলেৰে সংলগ্ন কৰি সেতু বান্ধি সাগৰ পাৰ হ'ব পাৰিছিল।

ৰামায়ণৰ এই উক্তিসমূহ নিশ্চয় কিম্বদন্তীৰ পৰা গ্ৰহণ কৰা আৰু তাৰে পৰাই চলি থকা। কিম্বদন্তীৰ ভিত্তিতহে ৰামায়ণ লিখিত হৈছিল।

প্ৰকৃততে ৰামায়ণ আৰু মহাভাৰতৰ সময় খ্ৰীঃপূঃ ৭০০ আৰু ৯০০ ত বুলিহে প্ৰত্নতত্ত্ব বিভাগৰ প্ৰাক্তন ডাইৰেক্টৰ পি.বি. লালে Indian Council for Historical Research অত গঠিত এটা প্ৰবন্ধত উল্লেখ কৰিছে। কাব্য দুখন প্ৰথমে গল্পগীতি। হিচাপেহে প্ৰচলিত আছিল। আৰু খ্ৰীষ্টীয় ১ম শতিকা মানতহে নিবন্ধ কৰা হয়।'[১]

ৰায়বাহাদুৰ কনকলাল বৰুবাদেৱেও মহাভাৰতৰ সময় খ্ৰীঃপূঃ নৱম শতিকা বুলিহে প্ৰকাশ কৰিছে।

**ককেচয়ড্ আৰু বৈদিক আৰ্য ঃ–** সিন্ধু সভ্যতাৰ শেষৰ ফালে আৰু বৈদিক আৰ্যসকল অহাৰ আগতে সেই পথেৰেই অন্য কেইটামান দল ভাৰতত প্ৰৱেশ কৰিছিলহি। তেওঁলোকৰ বিভিন্ন দলৰ নাম ইৰাণী আৰ্য, মেডেটেৰেণীয়ান, আল্পাইনো, আৰ্ম্মেণইড্

---

১ *Assam Tribune Oct. 22, 1988 (চুতীয়া জাতিৰ ইতিহাস পৃঃ ৪৪)*

আদি। তেওঁলোকৰ ভাষা সংস্কৃত। তেওঁলোকে আৰ্য সভ্যতাৰ বিস্তৃতিৰ আগতেই হিমালয়ৰ পাদদেশেদি সুদূৰ অসম পৰ্যন্ত পাইছিলহি। তেওঁলোকৰ প্ৰব্ৰজনৰ ফলতেই উত্তৰ ভাৰতত সংস্কৃত ভাষাৰ সৃষ্টি হয় বুলি অনুমান কৰা হৈছে। অসমৰ ব্ৰাহ্মণ, কায়স্থ আৰু কলিতাসকল এই গোষ্ঠীৰ বুলি বহুতে অনুমান কৰে।*১ তেওঁলোকৰ সাধাৰণ নাম ককেচইড।*২ এই ইৰাণী আল্পাইন বা ককেচইডসকল অহাৰ পাচত অহা আৰ্যসকলহে বৈদিক আৰ্য বুলি কোৱা হয়। কিয়নো এওঁলোকেই সনাতন সত্য সমূহ বেদ ৰূপে প্ৰকাশ কৰিছিল। এই বৈদিক আৰ্যসকলে বহু বছৰ সিন্ধু আৰু গঙ্গা উপত্যকাত কটোৱাৰ পাচত সমগ্ৰ উত্তৰ ভাৰততে বিয়পি পৰিছিল। এই আৰ্যসকলৰ অসম আগমনৰ সময় খ্ৰীঃপূঃ ৯ম বা ৭ম শতিকা বুলি অনুমান কৰা হয়।*৩ অসমৰ বশিষ্ঠাশ্ৰম অসমত বৈদিক আৰ্যসকলৰ বিস্তৃতিৰ নিদৰ্শন বুলি কোৱা হয়।

**আৰ্যোত্তৰসকল :**– ভাৰতত বৈদিক সভ্যতাৰ বহুশ বছৰৰ পাছতহে পাঠান আৰু মোগলসকলেও সেই উত্তৰ পশ্চিম পথেদিয়ে ভাৰতলৈ আহি পাঠান আৰু মোগল ৰাজত্ব স্থাপন কৰাৰ ফলতেই ভাৰতত ইছলাম ধৰ্মৰ বিস্তৃতি ঘটে আৰু শেষত ভাৰত বিভাজন হৈ ভাৰতৰ বুকুতে পাকিস্তান আৰু বাংলাদেশৰ সৃষ্টি হয়। ডঃ সুনীতি কুমাৰ চাটাৰ্জীয়ে উল্লেখ কৰা মতে অসমলৈ আৰ্যসকলৰ আগমন খ্ৰীঃপূঃ ৭০০ হে।*৪

**অষ্ট্ৰ'লয়ড :**– ভাৰতৰ উত্তৰ-পশ্চিম পথৰ দৰেই উত্তৰ-পূব পথেদিও কেইবা হাজাৰ বছৰৰ আগতে অসমৰ পূৰ্বাঞ্চলেদি অসমলৈ তথা গোটেই ভাৰতলৈকে জন প্ৰব্ৰজন হৈছিল। এয়া আছিল আগৰ ধাৰণা। সেই মানুহবোৰে প্ৰথমে ভাৰতৰ পূব সীমান্তবৰ্তী অসমৰ সৌমাৰ অঞ্চলত ভৰি দিছিলহি। অৱশ্যে তেতিয়া সেই অঞ্চল নামবিহীন আৰু জনবসতিবিহীন আছিল।

আগৰ ধাৰণা মতে পূব এচিয়াত বিবৰ্তিত হোৱা অষ্ট্ৰেলিয়াৰ আদিম অধিবাসী অষ্ট্ৰ'লয়ড (Austroloid) বা অষ্ট্ৰ' এচিয়াটিক (Austro-Asiatic) সকল আহি মালয়

---

১ *অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ ভাষণ।*

*— ৰায় বাহাদুৰ কনকলাল বৰুৱা*

২ *"Though the migration of Mongoloid people to this region was continuous process yet it can be said that after the Mongoloids came the caucasoids. Assam received her caucasoid population mostly from the western direction They followed the route formed by the valleys of old ganges and Brahmaputra. The caucasoid migration also occured in succession "*

*— People of Assam : An Introduction, Article by prof. B.M. Das Ph.D., D.Sc. in the souvenir, National Academy of sciences— 48th session.*

৩ *অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ – ৰায় বাহাদুৰ কনকলাল বৰুৱা -- স্নাতকৰ কথাবস্তু – পৃঃ ১৩৭।*

৪ *সুনীতি কুমাৰ চাটাৰ্জীয়ে উল্লেখ কৰা মতে আৰ্যসকলৰ বিহাৰ আগমন খ্ৰীঃপূঃ ৭০০ হে।*

উপদ্বীপ, শ্যাম আৰু ব্ৰহ্মদেশ পাইছিলহি আৰু তাৰ পাছত উত্তৰ-পূব পথেদি অসমৰ কুণ্ডিল তথা ভাৰত পাইছিলহি। কিন্তু পাচৰ গৱেষণা মতে এই লোকসকল অতীততে পূব ভূমধ্য সাগৰীয় অঞ্চলৰ পৰাহে আহিছিল আৰু দক্ষিণ ভাৰতেদি আহি এদল মালয়েচীয়াইদি ইণ্ডোচীন পাইছিলগৈ। এওঁলোকক অষ্ট্ৰলয়ড সকলৰো আদি পুৰুষ বুলি প্ৰটো-অষ্ট্ৰলয়ড বুলি কোৱা হয়। এওঁলোকৰে এটা দলে ত্ৰিপুৰাৰ পাৰ্বত্য অঞ্চল আৰু পূববঙ্গৰ জলমগ্ন অঞ্চলৰ সীমান্তইদি বৰ্তমানৰ খাচী পাহাৰ পাইছিলহি খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দতে। তেতিয়া সেই পাহাৰক কা-ৰি-লুম (কা-ৰি-লুম্>কাৰো>গাড়ো) অৰ্থাৎ পাহাৰ বুলিহে কোৱা হৈছিল। তেতিয়াই সেই লোকসকলে কা-ৰি-লুমতে ধানৰ বীজ আবিস্কাৰ কৰিছিল। আৰু সেই অঞ্চলৰ নাম হৈছিল খাচী পাহাৰ। খা=ধান, কচিউ=সন্ততি, অৰ্থ ধানৰ সতি-সন্ততিসকল থকা ঠাই। এই সকলক কোৱা হৈছিল প্ৰটো অষ্ট্ৰলয়ড। এই লোকসকলৰ এদলে দক্ষিণ-পূব এচিয়ালৈ যোৱাৰ দৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ কুণ্ডিল পাইছিলগৈ আৰু পাচত পূবৰ পৰা অষ্ট্ৰিকসকল অহাত কুণ্ডিলত মিলি গৈছিল। খাচী পাহাৰৰ চিন্তেং, খাচী আৰু জয়ন্তীয়া একেই প্ৰটো অষ্ট্ৰলয়ড গোষ্ঠীৰ লোক।

পূবৰপৰা অহাসকলে অসম প্ৰৱেশ কৰাৰ আগতে ইণ্ডোচীন অঞ্চল বা উত্তৰ ব্ৰহ্ম আৰু দক্ষিণ চীন অঞ্চলত এওঁলোকৰ উত্তৰ এচিয়াৰ আদিবাসী জনগোষ্ঠীৰ লগত মিলন হৈছিল। জনগোষ্ঠীৰ ফালৰপৰা এওঁলোকক মঙ্গোলয়ড (Mongoloid) বুলি কোৱা হয়। এওঁলোকৰ ভাষাগোষ্ঠীৰ নাম অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত মনখমেৰ (Monkhmer)। এই অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোকসকলৰ সুদূৰ দাক্ষিণাত্য আৰু পঞ্জাবৰ আদিবাসীসকলৰ লগত মিল আছে। চোটনাগপুৰ আৰু তাৰ ওচৰৰ বহুতো লোকে মুণ্ডাৰী ভাষা কয়। এই মুণ্ডাৰী ভাষা অষ্ট্ৰ-এচিয়াটিক মনখমেৰ ভাষাগোষ্ঠীৰ বুলি চিনাক্ত কৰা হৈছে। চাৰ এডবাৰ্ড গেইটে A History of Assam নামৰ ইতিহাস গ্ৰন্থত লিখিছে (পৃঃ ৫), "অন্য হাতে মুণ্ডাগোষ্ঠীৰ অসমৰ খাচীয়া ভাষা আৰু ব্ৰহ্মদেশৰ মনখমেৰ ভাষাৰ লগত মিল আছে। সেই ভাষা অষ্ট্ৰ'এচিয়াটিক গোষ্ঠীৰ; আকৌ সেই গোষ্ঠীও পৃথিবীৰ সকলোতে মিশ্ৰিত হৈ পৰা অষ্ট্ৰিক ভাষাৰ শাখা মাত্ৰ আৰু সেই ভাষা দক্ষিণ-পূব এচিয়াৰ বহু ঠাইত, ভাৰত আৰু প্ৰশান্ত মহাসাগৰৰ দ্বীপ অঞ্চলত আৰু দক্ষিণ আমেৰিকাৰ পূবৰ দ্বীপসমূহত ব্যৱহাৰ হয়। কিছু ব্যতিক্ৰম থাকিলেও এই ভাষাগোষ্ঠীৰ লোকসকল জাতিত মঙ্গোলয়দ গোষ্ঠীৰ আৰু শেহতীয়াকৈ হোৱা গবেষণাৰপৰা তেওঁলোকক ইন্দোচীনত উৎপত্তি হোৱা বুলি ধৰা হ'লেও বিখ্যাত গবেষক ডঃ সুনীতি কুমাৰ চেটাৰ্জীৰ মতে কিন্তু দক্ষিণ-পূব এচিয়াত অষ্ট্ৰিকসকল প্ৰটো-অষ্ট্ৰলয়ডসকলৰ সংস্কৃতিৰ পৰৱৰ্তী বিবৰ্তনহে। গতিকে এই সকলোবোৰেই ভূমধ্য সাগৰীয় অঞ্চলৰপৰা দক্ষিণ ভাৰতেদি গৈ দক্ষিণ-পূব এচিয়া পোৱা প্ৰটো-অষ্ট্ৰলয়ডহে। সেইদৰে অসমৰ কুণ্ডিল পোৱা আদিম লোকসকল (লিখকৰ 'ব্ৰহ্মপুত্ৰ সভ্যতা' গ্ৰন্থ চাওক)। পাচৰ সিদ্ধান্ত মতে দক্ষিণ ভাৰতলৈ আগতে অহা নিগ্ৰিটোসকলৰ পাচতে আহিছিল প্ৰটো-অষ্ট্ৰলয়ড সকলহে।

খাচীয়া আৰু মুণ্ডাৰীসকলৰ মাজত প্ৰচলিত সাধু কথা (folk tale বোৰৰ মিল আছে। প্ৰায়বিলাক অষ্ট্ৰ'লয়ড জাতিৰ মানুহৰ মৃতলোকৰ সংকাৰ নিয়ম একে—

মৰিশালিত থিয়কৈ শিল পোতে*১)। বিৰিঞ্চি কুমাৰ বৰুৱা দেৱেও আদিম অধিবাসীসকল *মনখমেৰ্ ভাষাগোষ্ঠীৰ বুলি ঠাৱৰ কৰিছে*২। খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দত প্ৰট' অষ্ট্ৰলয়ডসকল অহাৰ আগতে অসম জনবসতি বিহীন এখন বিস্তীৰ্ণ অৰণ্যময় অঞ্চলহে আছিল।* আগৰ ধাৰণামতে অষ্ট্ৰিকসকলে খ্ৰীঃপূঃ প্ৰায় ৩য় সহস্ৰাব্দত বা তাৰো আগত অসমত প্ৰবেশ কৰা বুলি অনুমান কৰা হৈছিল*৩। অসমীয়া মানুহৰ আচাৰ-ব্যৱহাৰ আৰু বহুতো নদী, পীঠ স্থান আৰু ঠাইৰ নাম অষ্ট্ৰিক গোষ্ঠীৰদ্বাৰা নামাকৰণ কৰা কিন্তু প্ৰকৃততে এওঁলোকে একে জনগোষ্ঠীৰ প্ৰথমে অহা প্ৰট' অষ্ট্ৰলয়ড গোষ্ঠীৰহে। প্ৰটো-অষ্ট্ৰলয়ড্সকলে খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দতে খাচী পাহাৰ পাইছিলহি। অষ্ট্ৰিক ভাষা-সংস্কৃতি প্ৰট' অষ্ট্ৰলয়ড ভাষা-সংস্কৃতিৰ বিবৰ্তিত ৰূপহে (ডঃ সুনীতি চেটাৰ্জী)। সেয়েহে পাছৰ সিদ্ধান্তমতে দক্ষিণ ভাৰতলৈ অহা নিগ্ৰিটোৰ পাছতে আহিছিল প্ৰট' অষ্ট্ৰলয়ডসকলহে আৰু খাচী পাহাৰলৈও।

**প্ৰটো-অষ্ট্ৰলয়ড :–** আমি আগতে উল্লেখ কৰিছো যে প্ৰটো-অষ্ট্ৰলয়ডসকলো খৃঃপূঃ ৮ম সহস্ৰাব্দতে কা-ৰি-খুম বা খাচী পাহাৰ পোৱাৰ পাচত ধানৰ বীজ আবিষ্কাৰ কৰি বহুশ বছৰ কটাই এসময়ত ব্ৰহ্মপুত্ৰ পাৰহৈ হিমালয়ৰ পাদদেশেদি গৈ কুণ্ডিল পায়গৈ। তেওঁলোকেই তেওঁলোকৰ ভাষাতেই কামাখ্যা (কা-কুমিয়ে-জাকা=মাতৃস্থান) উমানন্দ–(উ-মেই-থ্ল-উম দ=পানীৰ মাজত থকা লিঙ্গ) নামাকৰণ কৰে কুণ্ডিলতো ব্ৰহ্মকুণ্ড (বাহেহ-কু-উম্দ=বৃহৎ জলাশয়) কেচাইখাতী বা (কা-ক্চিৎ- জাকা=সন্ততি স্থান) থান স্থাপন কৰে।

ইয়াৰ পাছতহে তালৈ পূবৰ পৰা অষ্ট্ৰিকসকল আহে আৰু কুণ্ডিলতে মিলন হয়। এই দুয়ো শ্ৰেণী বহুশ বছৰ থকাৰ পাচত তালৈ উত্তৰৰ চীনৰপৰা তিব্বতো বাৰ্মান বড়ো চুতীয়াসকল আহে। এই চুতীয়াসকলৰ বহুলোক অহাত আৰু তেওঁলোকৰ ভাষা সংস্কৃতি উন্নত হোৱাত সংখ্যালঘু প্ৰটো-অষ্ট্ৰলয়ড্ আৰু অষ্ট্ৰিকসকলে তেওঁলোকৰ লগত পৰিচয় হেৰুৱাই বিলীন হৈ যায়। কিন্তু এই প্ৰটো-অষ্ট্ৰলয়ড্সকলৰ ভাষা কৃষ্টি চুতীয়াসকলৰ মাজত ৰৈ যায়। উজনী অসমৰ অসমীয়া ভাষাত এই প্ৰটো-অষ্ট্ৰলয়ড্ খাচীসকলৰ ভাষাৰ অজস্ৰ শব্দ এতিয়াও আছে। ডঃ বাণীকান্ত কাকতিয়ে তেখেতৰ Assamese Its Formation and Development নামৰ গবেষণা গ্ৰন্থত ইয়াক বিস্তৃত উদাহৰণ দাঙি ধৰিছে।

**তিব্বতো বাৰ্মান :–** অসমৰ উত্তৰ-পূব পথেদি অহা ইয়াৰ পাচৰ জনস্ৰোতটো হৈছে তিব্বতো-বাৰ্মান ভাষাগোষ্ঠীৰ। এওঁলোকৰ আদি বাসস্থান পশ্চিম চীনৰ ইয়াংচিকিয়াং আৰু হুৱাংহু নদীৰ মাজৰ অঞ্চল। ইয়াৰ পৰা তেওঁলোকে তিব্বত দেশৰ মাজেদি

---

১ *অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ। — কণকলাল বৰুৱা*

২ *Linguistic evidence, popular customs and some of the place names of the province also indicate that the earliest inhabitants of Assam were speakers of the Indo-Chinese language of the Monkhmer family which has been characterised by schenth as the Austric family of languages "*
*— A Cultural History of Assam by B.K. Baruah, page 6*

৩ *Background to resource culture R.M Nath*

পূবলৈকে ক্ৰমে ক্ৰমে আহি ব্ৰহ্মপুত্ৰৰ গতি অনুধাৱন কৰি অসমৰ উত্তৰ-পূব পথেদি অসমলৈ আহে আৰু অন্য এদলে ইৰাৱতী আৰু চিন্দোইন নদীৰ গতি অনুধাৱন কৰি ব্ৰহ্মদেশ পায়গৈ*১। এই তিব্বতো-বাৰ্মান ভাষাগোষ্ঠীৰ লোকসকল একে সময়তে আহিলেও স্বাভাৱিকতে ইদল সিদলৰ মাজত কিছু পাৰ্থক্য আছিল আৰু আগেয়ে অহা আৰু পাচত অহাসকলৰ মাজত সুবিধাজনক অৱস্থিতিৰ বাবে বা সুবিধাজনক ঠাই দখলৰ বাবে কাজিয়া-পেচাল, যুঁজ-বাগৰো হৈছিল। এনে সংঘৰ্ষৰ ফলত পৰাজিত দলবোৰে পুনৰ ব্ৰহ্মপুত্ৰৰ গতিকে অনুধাৱন কৰি পশ্চিমৰ ফালে গতি কৰিছিল। এইদৰে যোৱা কিছুমানে নিজৰ সুবিধামতে ঠায়ে ঠায়ে থাকি যায় আৰু অন্য কিছুমানে ধুবুৰী পৰ্যন্ত পায়গৈ। তাৰ পাচত দক্ষিণলৈ আৰু পূবলৈ গৈ পাৰ্বত্য ত্ৰিপুৰা আৰু কপিলি উপত্যকাৰ উত্তৰ কাছাৰ পায়গৈ। অন্য কিছুমানে নগা পাহাৰ পৰ্যন্ত যায়। কিন্তু প্ৰত্যেক ঠাইতে তেওঁলোকে আগেয়ে গৈ অৱস্থান কৰা অধিবাসীবোৰৰ লগত সংঘৰ্ষত লিপ্ত হ'ব লগা হৈছিল। এইদৰে তিব্বতো-বাৰ্মান সকলৰে অন্য এটা দলে লুচাই, মণিপুৰ আদিলৈও যায়গৈ। সেইদৰে ভূটানৰ মাজেদি তেওঁলোকৰ কোনো কোনো দল অসমলৈ আহিছিল।

তিব্বতো বাৰ্মান বড়ো ঃ— অসমত প্ৰৱেশ কৰা তিব্বতো-বাৰ্মান সকলৰ ভিতৰত বড়ো গোষ্ঠীয়েই প্ৰধান। কিন্তু 'বড়ো' এই নামকৰণো ভাষাগোষ্ঠীৰ ফালৰ পৰাহে। এওঁলোকক বড়ো গোষ্ঠীৰ বুলি ক'লেও ইয়াৰ দ্বাৰা এওঁলোকৰ মাজত গোষ্ঠীগত মিল থকাৰ কথা নুবুজায়।*২ বড়ো ভাষাগোষ্ঠী বৃহত্তৰ তিব্বতো চাইনিজ ভাষাগোষ্ঠীৰ অন্তৰ্গত এটা ভাষাগোষ্ঠী।

ব্ৰহ্মপুত্ৰ উপত্যকা, গাড়ো পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰত এতিয়াও অনাৰ্য ভাষা-ভাষী লোকসকলৰ সকলো এই বড়োগোষ্ঠীৰ। ইয়াৰ ভিতৰত কোঁচ বা মেছ, গাড়ো, লালুং, ৰাভা আৰু চুতীয়াসকলো পৰে।*৩ পাচত বিস্তাৰিত প্ৰটো-অষ্ট্ৰলয়ড সকলেও কিছুমানে তাত বসতি কৰিছিল বুলি ভাবিব লাগিব।

---

১ *"The next wave of Indo-chinese invasion is represented bythe various peoples speaking Tibeto-Burman languages The original home of these speakers was in western China, near the Yang-Tse-Kiang and the Hwang-ho rivers From these they went down the courses of Brahmaputra and the Chindwin and the Irawadi and entered India and Barma." — A Cultural History of Assam.*

*— By B.K. Barua — page 6.*

২ *"The bulk of population of Brahmaputra Valley is comprised of tribes whose peculiar dialects belong to the Tibeto-Burman Branch of the Indo-Chinese family by no means indicates racial uniformity."*

*— A History of Assam — Edward Gait — page 2.*

৩ *"Bodo which claims practically all the surviving non-Aryan languages of the Brahmaputra valley, the Garo Hills and North Kachar, it includes among others, Kocha or Mech, Garo, Rabha and Chutiya"*

*— A History of Assam — By Edward Gait — page 6.*

তিব্বতো-বাৰ্মানসকল জনগোষ্ঠীৰ ফালৰ পৰা মঙ্গোলয়ড; কিয়নো পূৰ্ব এচিয়াৰ সকলো আদিবাসীকে মঙ্গোলয়ড জনগোষ্ঠীৰ বুলি ধৰা হয়। এই বড়োসকলে সাধাৰণতে নদীৰ পাৰত বাস কৰিবলৈ লয় আৰু আগতে অহা অষ্ট্ৰিক বা ইণ্ডোমঙ্গোলয়ডসকলে নামাকৰণ কৰা নদীবোৰৰ নামৰ আগত 'দি' (Di) লগাই পুনৰ নামাকৰণ কৰে। বড়ো ভাষাত 'দি' মানে পানী। এইদৰেই দিবং, দিহং, দিচাং আদি নদীবোৰৰ নামৰ আগত আমি 'দি' শব্দটো লগোৱা দেখিবলৈ পাওঁ।*১

**মঙ্গোলয়ড ঃ–** এই মঙ্গোলয়ডসকলক দেহৰ গঠন অনুসৰি তিনিভাগত ভগোৱা হয়। দীঘল মূৰৰ অতি আদিম মঙ্গোলয়ডসকল। এওঁলোকে হিমালয়ৰ নামনি অঞ্চলত আৰু অসমত বাস কৰে। ইয়াতকৈ পাচৰ আৰু অলপ উন্নত চুটি মূৰৰ মঙ্গোলয়ডসকল; যি ব্ৰহ্মদেশ আৰু চিতাগং অঞ্চলত বাস কৰে। আৰু তিব্বতৰ মঙ্গোলয়ডসকল যিবিলাক সাধাৰণ ভাৱে ওখ গাৰ বং বগা; যিবিলাক ভাৰতৰ বিভিন্ন অঞ্চললৈ আহিছিল। এওঁলোকৰ যিবিলাকক তিব্বতো মঙ্গোলয়ড বুলি কোৱা হয় তেওঁলোক হিমালয়ৰ মাজেদি শেষত অহা আৰু ভূটান চিকিম আৰু লাভাষ অঞ্চলত বাস কৰে।*২

পূৰণি অসমত বাস কৰা খাচী আৰু জয়ন্তীয়াসকলৰ বাহিৰে সকলো জনজাতীয় লোকেই মঙ্গোলয়ড আৰু তেওঁলোকৰ ভাষা চীনা-তিব্বেতো বা তিবেতো চীন ভাষাগোষ্ঠীৰ। ভাৰতৰ বাহিৰেও এই মঙ্গোলয়ড গোষ্ঠীৰ লোক পৃথিবীৰ বিভিন্ন অঞ্চলত বাস কৰে। সেইবোৰ ইউৰোপ, ৰাচীয়া, আমেৰিকা, তাৰ্কি আদি অঞ্চলতো বিস্তৃত।

---

১ *"The most important group of tribes of the Tibeto-Burman race known as 'Bodo', forms the numerous and important section of the non-Aryan peoples of Assam The linguistic evidence shows that at one time the Bodo people extended over the whole of the present province west of Manipur and the Naga Hills, excepting only the Khasi and Jayantia Hills In fact they have given their own names to many of the most prominent features of the province The Bodos built their colonies near about streams and so most of the river names in eastern Assam are of Bodo origin. The Bodo equivelent for water is 'di' (in the Hills and in eastern Assam) They even re-christined a river name of earlier Austric origin by prefixing it with their own equivelent for water 'Di'-hong, the name of a river when Bodo 'Di' was placed before Austric Hong (water), perhaps the name of the river in olden times.*

*-- A Cultural History of Assam -- B.K. Baruah — page 7*

২ *The story of the advent of the Mongoloid peoples into India, as far as it can be reconstructed, may be briefly stated, and an account of the various Mongoloid groups which had to do with India may also be briefly noted good resume of the whole history (or, rather, of the reconstruction of possible sequence of tribal movements) will be found in Sir George Abraham Grierson's Linguistic Survey of India, Vol. I, Introduction (1927, pp. 40 ff.)*

এইসকলৰ ভিতৰত চীনৰ প্ৰাচীন সভ্যতা অতি উল্লেখনীয়।*১

উত্তৰ অসম অঞ্চলৰ অকা, মিৰি, আবৰ, ডফলা, মিচিমিসকল ভাষাত তিব্বতো-বাৰ্মান গোষ্ঠীৰ। সেইদৰে বড়ো, মেচ, ৰাভা, গাড়ো, কছাৰী টিপ্ৰা আদিসকলৰ ভাষাত তিব্বত বাৰ্মান।*২

অসমৰ কোঁচ, কছাৰী, ডিমাচা, লালুং, গাড়ো, ৰাভা, মেছ, হাজং, টিপ্ৰ, চুতীয়া, বৰাহী আৰু মৰাণসকল ভাষাৰ ফালৰ পৰা এই বড়োগোষ্ঠীৰ আৰু জনগোষ্ঠীৰ ফালৰ

---

১ *On Chagatai, besides Yakut, and Mongol and Manchu); the Hyperborean or North-east Asiatic Mongoloid speeches like Gilyak Chukchi, Yukhaghir and Kamchadal of Kamchatka; and the dinu-Korean-Japanese group. The Mongoloid people who passed on to America from Siberia into Alaska crossing the Behring Strait in pro-historic times now speak the various languages and dialects of the two American over which they spread, and these American Indian languages fall into a number of families, some of which like 'those of Maxico and Central as well as Andean America (Peru etc.) became vehicles of high types of civilizations. But we are not concerned with these in the present context : only we should recall that the Mongoloid peoples in America, as in Maxico. Central America and Peru produced, quite independently of other peoples, civilization of an original and very advanced type which can compare favourably with the great civilizations of the old world, one of which was the exclusive creation of the Mongoloid Chinese people.*

২ *Mongoloid tribes from Western China speaking forms of the Sino-Tibetan speech appear to have been pushing south and went from their original homeland from pre-historic times, but certain large-scale movements of which we have faint inklings seem to have begun in the early part of the first millennium B.C. Linguistically, the Sino-Tibetan languages of the present day have been classified into two groups or branches — (I) Tibeto-Burman, and (II) Siamese-Chinese.*

*The former includes the following : (a) Tibetan and its various dialects as current over a wide tract from Baltistan in the west to Khams in the east (Ladakhi, Chang and 0 or Contral Tibetan speech, Kham or Eastern Tibetan, and Den-jong-ke or Sikkimese Tibetan, as well as Lho-ke or Bhutanese); the Himalayan Group of Dialects spoken on the Indian side of the Himalayas, in Nepal and Sikkim— e.g. Newari, Magar, Gurung, Murmi, Sunwari, Kiranti, Lepeha or Rong, and Toto— which are pure Tibeto-Burman; the 'Pronominalised' Himalayan Dialects of Tibeto-Burman, which show some grammatical modification through influence of the Austric speeches : these fall in two groups, a Western (Kanawari spoken near Simla, Lahuli and 9 other dialects current in the Eastern Panjab Himalayas), and an Eastern (current in Nepal, like Dhimal, Thami, Limbu, Yakha, Khambu, Raj, Vayu, etc.)*

পৰা মঙ্গোলয়ড।*[১]

এই মঙ্গোলয়ড গোষ্ঠীৰ সাধাৰণ চুতীয়াসকলে যদিও এতিয়া নিজৰ বড়ো ভাষাগোষ্ঠীৰ চুতীয়া ভাষা নকয়, তেওঁলোকৰ পুৰুহিত দেউৰী চুতীয়াসকলে এতিয়াও চুতীয়া ভাষা ব্যৱহাৰ কৰে। এই কথা আমাৰ ব্ৰাহ্মণসকলৰ লগত ৰিজাব পাৰি। ব্ৰাহ্মণসকলে সাধাৰণতে অসমীয়া ভাষা ক'লেও পূজাত সংস্কৃত ভাষাহে ব্যৱহাৰ কৰে। চুতীয়া ভাষা শব্দ আৰু ব্যাকৰণ দুয়ো ফালৰ পৰাই বড়ো ভাষাগোষ্ঠীৰ। ভাষা কৃষ্টি সম্বন্ধে কোনো আবেগ নথকা সময়তেই W.B. Brown-ৰ নিচিনা এজন বিদেশী নিৰপেক্ষ লোকে দেউৰী ভাষায়ে চুতীয়া ভাষা এই কথা Outline Grammar of Deuticfineis Language গ্ৰন্থ লিখি প্ৰতিপন্ন কৰি থৈ গৈছে। চুতীয়াসকলৰ প্ৰধান পূজাৰ থান কেচাইখাতী (কা-চেই-খা) থানৰ পূজাৰীসকল এতিয়াও দেউৰী।

এইসকলৰ ভিতৰত কোচ, কছাৰী, চুতীয়া, মৰাণ আৰু বৰাহীসকলে ৰাজ্য স্থাপন কৰি মহা প্ৰতাপেৰে বহুবছৰ শাসন কৰিছিল। তিব্বেতো বাৰ্মানসকলৰ ভাষা তিব্বতো-বাৰ্মান আঁৰু অসমৰ উত্তৰ-পূৱে থকা চীনৰ চিংকিয়াং অঞ্চলত প্ৰচলিত ভাষা। এইসকলৰ কিছুমান খ্ৰীঃপূঃ প্ৰথম সহস্ৰাব্দৰ বহু আগতেই হিমালয়ৰ নামনিত থকা ব্ৰহ্মপুত্ৰ বা চাংপো পাই হিমালয় পাৰহৈ পশ্চিমলৈ গৈ নেপাল আৰু কুমায়ন অঞ্চল পাইছিলগৈ।

এই মঙ্গোলয়ডসকলক মহাভাৰতত কিৰাত বুলি কোৱা হৈছিল আৰু সংস্কৃতত এই শব্দই হিমালয় অঞ্চলত থকা অনাৰ্য্য পৰ্বতবাসী বা গুহাবাসীসকলক বুজাইছিল। এই কিৰাত শব্দই চীনা, ভূটানী, তিব্বতীয়া বা অন্য মঙ্গোলয়ড গোষ্ঠীৰ লোকসকলক বুজাইছিল। অষ্ট্ৰিকমূলীয় লোকসকল নহ'বও পাৰে।

উত্তৰ-পূব পথেদি অহা তিব্বতো বৰ্মানসকলৰ দৰেই পশ্চিমৰ পৰা ভাৰতৰ উত্তৰ পশ্চিম পথেদি অহা ইৰাণী আৰ্য বা ককেচই সকলো আহি অসম পাইছিলহি। দ্ৰাবিড় সকলৰো কিছুলোক আহিছিল। অসমৰ কৈবৰ্তসকলক চাৰ এডবাৰ্ড গেইটে এই দ্ৰাবিড় গোষ্ঠীৰ বুলি নিৰ্ধাৰণ কৰিছে।*[২] যোগ শিক্ষাৰ প্ৰবৰ্তন দ্ৰাবিড়সকলৰ বুলি অনুমান কৰা

---

১ *The North Assam group of Tibeto-Burman speeches — Aka or Hrusso, Miri-Abor, Dafla and Mishmi; the Assam-Burmese group, Tibeto-Burman speeches of North and East Bengal, Assam and Burma; these include (i) the Bodo speeches— Bodo, Mech, Rabha, Garo, Kachari and Tipra and a few more; (ii) the Naga dialects— Ao, Angami, Sema, Tangkhul, Songtem, etc.; (iii) the Kuki-China speeches of Manipur, Tripura and the Lushei Hills, as well as Burma, the most important of which is Meithei or Manipuri which is quite an avdanced speech— the most important-language of the da mitry Assam.*

২ *"Later in the period of Mahabharata this country known as Kamrupa was inhabited by Kiratas and Chines. What became of these people nobody can say. When between the systematic history began the Chutiyas in the east and Kacharis in west were found holding sway*

হয়। গতিকে সেয়ে হ'লে অসমৰ নাথ সম্প্ৰদায়ো দ্ৰাবিড়গোষ্ঠীৰ হ'ব।

ইয়াৰ পাচতে আহিছিল বৈদিক আৰ্যসকল। পূব আৰু পশ্চিমৰ বিভিন্ন গোষ্ঠীৰ লোকসকলৰ অসমতে মিলন হৈছিল।"১

তিব্বতো-বাৰ্মান লোকসকল যে অসমলৈ মহাভাৰতৰ বহু আগতেই আহিছিল এইটো সহজে অনুমান কৰিব পাৰি। কিয়নো মহাভাৰতৰ সময়ত ভীমাৰ্জুনকে আদি কৰি ক্ষত্ৰীয়, দ্ৰাবিড়, আৰ্য আৰু অসমৰ তিব্বতো বৰ্মান, মঙ্গোলয়ড লোকসকলক অসমভূমি আৰু কুৰুক্ষেত্ৰতো যুদ্ধত লিপ্ত হোৱা আমি দেখিবলৈ পাওঁ।

**কিৰাট :–** মহাভাৰতত অসমৰ আদিম জনগোষ্ঠী সমূহক কিৰাট বুলি অভিহিত কৰা হৈছে। এই কিৰাট শব্দটো মহাভাৰত আদিত অৰণ্যবাসী বা গুহাবাসী এনে অৰ্থত ব্যৱহাৰ কৰা হৈছিল। ৰায়বাহাদুৰ, কণক লাল বৰুৱা দেৱেও তেখেতৰ Early History of Kamrup নামৰ গ্ৰন্থত এই কিৰাট সকলক মঙ্গোলয়ড বুলি অভিহিত কৰিছে। কিন্তু অসমৰ কিৰাটসকলক কেৱল মঙ্গোলয়ড বুলি ক'লেও যথেষ্ট নহয়, এই কিৰাটসকলৰ ভিতৰতে খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দতে অহা আৰু কুণ্ডিললৈকে বিস্তৃত হৈ কৃষি সংস্কৃতি বিস্তাৰ কৰা প্ৰটো-অষ্ট্ৰলয়ড সকলকো ধৰিব লাগিব।

ডঃ সুনীতি কুমাৰ চাটাৰ্জীয়ে তেখেতৰ 'কিৰাট জনকৃতি' নামৰ গ্ৰন্থতো এই কিৰাটসকল মঙ্গোলয়ড আৰু সেই মঙ্গোলয়ডসকলে কাশ্মীৰৰ পৰা অসমলৈকে হিমালয়ৰ নামনি অঞ্চলত সুদুৰ অতীতৰ পৰা এতিয়ালৈকে বাস কৰি আহিছে আৰু অষ্ট্ৰলয়ড, দ্ৰাবিড় বা আৰ্য ভাষাই তাত কোনো প্ৰভাব বিস্তাৰ কৰিব পৰা নাই বুলি লিখিছে। অসমৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব বহু বিচাৰ্যৰ বিষয়; অৱশ্যে সেই লোকসকল এতিয়াও অতি পাচ

---

*over the whole of this country. They are both Tibetan tribes and belong to the Bodo group, which includes also Garos, Meches, Rabhas, Lalungs, Hajongs, Hojais, Dimasas." — Assamiya Byakaran Aru Bhasatatwa.*

*— By K.R. Medhi, page 42.*

*"According to Rai K.L. Baruah, the Kacharis, Koches, Rabhas, Meches, Mikirs, Lalungs, Garos, Nagas, Kukis and the Chutiyas are the Present day representatives of these later Mongolians or the Indo-Mongoloids and tribe speaking Bodo (Boro) languages seem to have occupied the plains of Assam for very long time." — Tribes of Assam, Part I, page 2. By B.N. Bordoloi etc. Publication of Tribal Research Institute, Assam.*

১ *"The earliest inhabitents of Assam were the kiratas cinas and other premitive tribes commonly designated as Mlechas and Asuras. The Mahabharata refers to the army of Bhagadatta Composed of cina and Kirata soldiers, who glittered like gold. 'Jasya Cinait, Kirataisca kanchanaiviva Samvria, babhau balam.'*

*— A cultural History of Assam — B.K. Baruah — page 5.*

পৰা।*১

এইদৰে বিভিন্ন জনগোষ্ঠীৰ লোক মহাভাৰতৰ আগত আৰু পাচতো অসম ভূমিত প্ৰৱেশ কৰে। এইক্ষেত্ৰত ভৈয়াম অঞ্চলত থকা আৰু পশ্চিমৰ ককেচইড আৰু আৰ্য গোষ্ঠীৰ লোকসকলৰ লগত সঘনে সংস্পৰ্শলৈ অহা জনজাতীয় লোকসকলে আৰ্যসকলৰ পৰম্পৰা বহুক্ষেত্ৰত গ্ৰহণ কৰাটো বিশেষ মন কৰিবলগীয়া।

ইয়াৰ পৰাই আমি দেখিবলৈ পাওঁ যে অসমৰ বৰ্তমানৰ জাতি আৰু জনজাতি সকলৰ মাজত সম্বন্ধ অতি ওচৰ আৰু তেওঁলোকে অসমৰ ইতিহাস আৰু সামাজিক জীৱনত মূল্যবান অৱদান যোগাই আহিছে।

**টাইসকল :–** প্ৰায় ১২২২ খ্ৰীঃপূঃত চীনৰ সীমান্তত থকা মঙ্গোলীয়ান জনজাতিৰ বহুতে চাও জনজাতিৰ নেতৃত্বত চীন দখল কৰে আৰু চীনৰ চাং (Tsang) বংশক তাৰপৰা খেদি পঠায়। চাওসকলৰ আগৰে পৰাই মধ্য এচিয়া আৰু ইজিপ্তৰ লগত ব্যৱসায়িক সংযোগ আছিল। ইজিপ্তৰ কৃষ্টিৰ লগত তেওঁলোকৰ সংযোগ ঘটিছিল আৰু ইয়াৰ ফলত চাও সংস্কৃতি নামৰ এক সংস্কৃতি গঢ়ি উঠিছিল।*২

---

১ *The Kirata was perhaps the general name of the Mongoloid people but the name China was probably applied particularly to the Tibetan and Bhutanese. — Early Niotrin of Kamrup page-2*

*These later Mongoloids belonged to the Tibeto Burman family of the Indo Chinese group and their representatives of the present day are the Kacharies, Koches, Rabhas, Meehes, Mikirs, Lalungs, Garoes, Nagas, Kukis and Chutiyas of these the tribal speaking Bodo (Boro) language seem to have occupied the plains of Assam for a long time.*

*During the time of Mahabharata War or even earliers the Bodo Tribes Constituted the Bulk of the population in Assam valley Northern and eastern Bengal and the surrounding and interestingly hills. In the surma valley plains the Dravidians then formed the predominent dement in the population as now. — Early History of Kamrup by Rai Bahadur Kanaklal Barman - page 13-14.*

২ *"Several Mongolian tribes living in the hills on the western border of China headed by the Chao tribe invaded China in about 1222 B.C and ousted the powerfull Tsang Dynesty of that powerful empire. The Chaos who had intercourse with Egypt and other countries in central Asia in connection with trade imbibed a lot of the Egyptian culture with their own, they evolved a new culture known in history as the Chao culture.*

*The Chao ruled for several centuries in China and the several tribes who came with them as their allies from their western original hilly land ruled over different states in China under the Chao emperor.*

*One of these tribes who ruled over a state in the Yangti Valley was of independent temperament. They called them selved the Tais, or the Independent, and were a constant source of trouble to the Chinese Emperor in the 3rd century A.D. They were driven down to the Hunan area to the south."*

*— Back Ground of Assamese Culture. By R.M. Nath, page 124*

চাওসকলে তেওঁলোকৰ লগত অহা অন্য জনজাতি সকলেৰে সৈতে বহু শতাব্দী জুৰি চীনৰ বিভিন্ন অংশত ৰাজত্ব কৰিছিল। তাৰে টাই জনজাতিয়ে (Tais or Independent) য়াংচি উপত্যকাত ৰাজত্ব কৰি আছিল। তেওঁলোকে স্বাধীন মতাৱলম্বী হোৱাত চীন সম্রাটৰ অসুবিধাৰ কাৰণ হৈ পৰিছিল। খ্ৰীঃপূঃ তৃতীয় শতাব্দীত চীন সম্রাটে তেওঁলোকক দক্ষিণৰ য়ুনান (Hunan) অঞ্চললৈ খেদি পথায়।

খ্ৰীঃপূঃ ৬ষ্ঠ শতিকাৰ পৰা ২য় খ্ৰীঃৰ ভিতৰত মধ্য চীনত থকা টাই জনগোষ্ঠীৰ দক্ষিণৰ ফালে প্ৰব্ৰজন হৈছিল। খ্ৰীঃপূঃ ২১৪ত চীন সম্রাট চিৱাংটিয়ে টাই জনগোষ্ঠীৰ ওপৰত খৰ্গহস্তহৈ পৰাৰ ফলত তাৰ পাচৰ দুই শতিকাত তেওঁলোকে পাঁচটা দিশত গতি কৰিছিল। থাইলেণ্ডৰ ফালে যোৱাসকলক "থাই", দক্ষিণৰ ফালে যোৱা সকলক "লাউচ", য়ুনানতে ৰৈ যোৱা সকলক "পাইজ" আৰু যিসকলে ব্ৰহ্মদেশ পালেগৈ তেওঁলোকক "শ্যাম" বুলি কোৱা হৈছিল আৰু এইসকলৰে যিসকলে অসমৰ দক্ষিণ-পূব পথেদি পাটকাই পৰ্বত পাৰহৈ আহি অসম পালেহি তেওঁলোকক আহোম বুলি কোৱা হয়। শ্যামসকলৰ যিটো দল অসমলৈ আহিছিল তেওঁলোক অতি শক্তিশালী হোৱাত স্থানীয় লোকে তেওঁলোকক কাৰো সম নহয় অৰ্থাৎ অহম বুলি অভিহিত কৰে। পাছত সেয়ে আহোম হয়গৈ।*১ এইদৰে বিভিন্ন জনগোষ্ঠীৰ অসমতে বিশেষকৈ সৌমাৰ খণ্ডতে মিলন হয়।*২

**তিব্বতো-বাৰ্মানসকলৰ বিস্তাৰ :–** অসমলৈ অহা বড়ো গোষ্ঠীৰ লোকসকলৰ বিভিন্ন দলে সুবিধাজনক স্থানৰ দখলৰ বাবে সংঘৰ্ষত লিপ্ত হোৱাৰ কথা আগতে উল্লেখ কৰা হৈছে। এই দলবোৰে পাছত ব্ৰহ্মপুত্ৰৰ গতিকে অনুধাবন কৰি পশ্চিমলৈ আৰু পাছত ব্ৰহ্মপুত্ৰৰ দক্ষিণলৈ গৈ আকৌ পূবলৈ গতি কৰে আৰু মণিপুৰ, নাগালেণ্ড আদিলৈকে বিস্তৃত হৈ পৰে। এইদৰে বিভিন্ন স্থানত অৱস্থান কৰোতে এই লোকসকলে তেওঁলোকক একোটা ভিন্ন নামেৰে নামাকৰণ কৰে। এই কাৰণেই আমি একে বড়ো গোষ্ঠীৰ লোকসকলক কোঁচ, কছাৰী, লালুং, ডিমাচা, গাড়ো, ৰাভা, মেচ, হাজং, টিপ্ৰা, চুতীয়া, বৰাহী, মৰাণ আদি ভিন্ন ঠাইত ভিন্ন নামত দেখিবলৈ পাওঁ।*৩ *৪ আকৌ প্ৰত্যেকখন

---

১ *Assam the Indian conflict— Mohesh Joshi - page 11*

২ *সাতসৰি — অসম বুৰঞ্জী - পৃঃ ।৬*

৩ *"According to Chattarjee (1959), the Bodos have kept identity by maintaining their language which has dispersed several ditached pockets in Kachar (both hill and plain) and in Chutiya area to the North of Brahmaputra and in central and western districts of Assam, as well as in North and East Bengal where they are found as Rabhas, Meches, Rajbansis and Garos, (within Garo hills), as well as Hajongs, as Tipras, in Tripura. This it would appear from the foregoing accounts that the inhabitants of Kachar Hill and plain) are of Bodo origin as evidenced linguistically."*

*— Tribal Life in North East India.*
*By Dr. T.S. Das, page 246-246.*

৪ *In this connection Sir Edward Gait's observation on the racial affinity*

*ঠাইত বহু শ বছৰ থকাৰ পাচত তেওঁলোকৰ নিজস্ব একোটা কৃষ্টি আৰু সংস্কৃতিৰ বিকাশ* সাধন হোৱাও দেখিবলৈ পাওঁ।

একেটা জনগোষ্ঠীৰে বিভিন্ন ঠাইত বিভিন্ন নামাকৰণ, একেখন ব্ৰহ্মপুত্ৰকে বিভিন্ন ঠাইত বিভিন্ন নামাকৰণ কৰাৰ লগত আমি তুলনা কৰিব পাৰো। কিয়নো তিব্বত অঞ্চলত ব্ৰহ্মপুত্ৰৰ নাম চাংপো, শদিয়া*১ অঞ্চলত দিলাও বা লৌহিত্য, তাৰ পাছত অসমত ব্ৰহ্মপুত্ৰ আৰু বাংলাদেশৰ মাজত পদ্মা। এয়া স্থানীয় জনসাধাৰণে বিভিন্ন স্থানত, একেখন নদীকে দিয়া নাম।

**অসমৰ লগত চীন আৰু ৰোমৰ প্ৰাচীন সম্বন্ধ ঃ–** বৰ্তমান গুৱাহাটীৰ ওচৰৰ আমবাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা কৰি থকা খনন কাৰ্যত পোৱা মৃৎ পাত্ৰসমূহৰ দ্বাৰাও এইটো প্ৰমাণিত হৈছে যে খ্ৰীঃপূঃ ২য় শতাব্দীৰো আগৰে পৰাই পূবে চীন আৰু পশ্চিমৰ ৰোম আদিৰ পৰাও অসমৰ লগত বাণিজ্যিক লেনদেন আছিল।*২ আৰু অসম এখন বাণিজ্য কেন্দ্ৰ আছিল।

## দেৱ-ভূমি বা স্বৰ্গভূমিৰ লোক; চুতীয়া জাতি

**নামাকৰণৰ মূলসূত্ৰ ঃ–** কোনো এঠাইত মানুহক সাধাৰণভাবে পৰিচয় দিবলৈ হ'লে সেই ঠাইৰ নামেৰেই নামাকৰণ কৰা হয়। যেনে– অসমৰ মানুহ অসমীয়া, ভাৰতৰ মানুহ ভাৰতীয়, যোৰহাটৰ মানুহ যোৰহটীয়া, ৰংপুৰৰ মানুহ ৰংপুৰীয়া ইত্যাদি।

অৱশ্যে কোনো এক শ্ৰেণীৰ মানুহক বুজাবলৈ হ'লে সেই শ্ৰেণীৰ বিশেষ কাৰ্যাবলী বা গুণেৰেও পৰিচয় দিয়া হয়। যেনে– শক্তি পূজা কৰা সকল শাক্ত, বিষ্ণু পূজাসকল বৈষ্ণৱ, মাছমৰাসকল মাছমৰীয়া, খেতি কৰা শ্ৰেণীক খেতিয়ক ইত্যাদি।

---

*of the tribe which has a great sociological implication and historical value in the context of growth and expansion of early Bodo Kingdom may also be refered to. He says— the Kocharis are believed to be very closely allied to the Koches and also so far as atleast as language is concerned to the Chutiyas, Lalungs and Morans of Brahmaputra valley and to the Garos and Tipperas of the southern hills."*

*— Tribes of Assam PT. I*

*By B.N. Bordoloi, G.C. Sarmah Thakur, M.C. Saikia — page 2-3*

*Tribes Research Institute, Assam*

১ *শদিয়া শব্দৰ বানান আমাৰ মতে 'শদিয়া' স· সূৰ্য দি=নদী য়া=ভূমি (ওখ সূৰ্যোদয়ৰ নদীৰ পাৰৰ ভূমি) (সদিয়াহে শদিয়া নহয়)*

২ *১৯৯০ চনৰ ৩১ জানুৱাৰী তাৰিখৰ Assam Tribune কাকতৰ বাতৰি। দৈনিক অসম ২৯ জানুৱাৰী, ১৯৯০।*

কিন্তু সকলোকে সাধাৰণভাবে বুজাবলৈ থকা ঠাইৰ নামকৰণেৰে বা তেওঁলোকৰ অতীতৰ থকা ঠাইৰ নামাকৰণেৰেই প্ৰায়ক্ষেত্ৰতে পৰিচয় দিয়া হয়। সেয়েহে যোৰহাটৰ পৰা অহা মানুহক যোৰহটীয়া, ৰংপুৰৰ পৰা অহা মানুহক ৰংপুৰীয়া, অসমৰ পৰা অহা মানুহক অসমীয়া আদি নামেৰে পৰিচয় দিয়া হয়।

**চুতীয়াসকলৰ নামাকৰণ ঃ–** এতিয়া আমি চুতীয়াসকলৰ নামাকৰণক্ষেত্ৰতো লোকসকলৰ পূৰ্ব বাসস্থান আছিল পশ্চিম চীন আৰু ইয়াংচিকিয়াং আৰু হুবাংহু নদীৰ মধ্য অংশতে; এই কথা আগতে কোৱা হৈছে।*[১] তেওঁলোকে ব্ৰহ্মপুত্ৰৰ গতিকে অনুধাৱন কৰি অসমৰ উত্তৰ পূব পথেদি অসমৰ সৌমাৰ খণ্ডত ভৰি দিয়েহি।

চীনক আগতে চাও-থিয়াচ বা চৌ-থিয়াচ (Chao-Theus) বুলি কোৱা হৈছিল। এতিয়াও উত্তৰ বাৰ্মাৰ মানুহে চীনক সাধাৰণভাৱে থিয়াচ বুলি কয়। চাও-থিয়াচ বা চৌ-থিয়াচ শব্দৰ অৰ্থ হ'ল স্বৰ্গভূমি বা দেৱভূমি।*[২] (God's Heaven land or country. Chao-Theus=god's, Heaven land) এই চাও-থিয়াচ বা চৌ-থিয়াচ শব্দটো পাছত অপভ্ৰংশ হৈ চু-থিচ্ (Chuh-this) হয়গৈ আৰু অৰ্থত হয়গৈ উচ্চ ভূমি বা উচ্চ স্থান। (কিয়নো মানুহৰ কল্পনাত স্বৰ্গই সকলোতকৈ ওখ ঠাই, সেইবাবেই চৌ-থিয়াচ বা চুথিচৰ পৰা অহা মঙ্গোলয়ড গোষ্ঠীৰ লোকসকলৰ সৌমাৰ খণ্ডত সাধাৰণভাবে চৌ-থিয়া, চুই-থিয়া বুলি কোৱা হৈছিল। সেয়ে পাছত অপভ্ৰংশ হৈ চুথীয়া বা চুতীয়া হয়গৈ। এতেকে এই চুতীয়া শব্দৰ অৰ্থ হ'ল স্বৰ্গভূমিৰ লোক বা দেৱভূমিৰ লোক। (People coming from the heaven land of Gods)

চুথিচ শব্দটো পুনৰ অপভ্ৰংশ হৈ অন্য কোনো ঠাইত জুথিচ'ত হৈছিলগৈ আৰু সেইবাবেই জুথিচ' অৰ পৰা অহা পমুবাসকলক জুথিচ বুলিও কোৱা হৈছিল। তেওঁলোকে বহু শতাব্দী ব্ৰহ্মপুত্ৰ উপত্যকাত আছিল; কিয়নো ব্ৰহ্মপুত্ৰৰ পানীৰে প্লাৱিত হৈ তাৰ উপত্যকা অঞ্চল অতি সাৰুৱা হৈ পৰিছিল আৰু কৃষিৰ বাবে অতি উপযোগী আছিল। তেওঁলোকে ব্ৰহ্মপুত্ৰৰ নাম দিছিল দিলাও (Di-Law) অৰ্থাৎ বহুল পানী বা বহল নদী।

কৃষিৰ আদিভূমি হ'ল এই অসমেই। খাচীপাহাৰৰ পৰা অহা লোকসকলেই ব্ৰহ্মপুত্ৰ উপত্যকা আৰু ভাৰতৰ এই উত্তৰ-পূব খণ্ডত প্ৰথমে কৃষিৰ প্ৰবৰ্তন কৰে। অৱশ্যে তেওঁলোকে ওখ ঠাইবোৰত 'ম-খিউ' (Moh-Khew) নামৰ এবিধ জুঙ্গা কোৰৰ নিচিনা হাথিয়াৰেৰে মাটি খান্দি কন আলু আৰু হালধি আদি খেতিও কৰিছিল। সেইবাবে এই

---

১ *Background of Assamese Culture — By R.M. Nath, page 1-2.*

২ *China was known in the olden days by a general term Chao-Theus meaning— "God's heaven land" and even to this day the people of Northern Burma designate China by the general term 'Theus'. Chao-Theus was later on shortened to Chuh-This and pronounced as Zub-This."*
*— Background of Assamese Culture - By R.M. Nath, page 1-2*

খেতিক জুহ-ম বা জুম খেতি বোলা হৈছিল।*[১]

*ওপৰত উল্লেখ কৰা জুহ-থিচ শব্দটো চুথিচৰ অপভ্ৰংশহে। গতিকে চাও-থিয়াচ বা চৌ-থিয়াচৰ পৰা চু-থিচ আৰু তাৰ পৰাই যে চুথীয়া বা চুতীয়া শব্দ হৈছেগৈ সেইটো সহজে বুজিব পাৰি। এইখিনিতে আমি মন কৰিব পাৰো যে কুণ্ডিলত আগত আহি পোৱা প্ৰটো-অষ্ট্ৰলয়ড আৰু অষ্ট্ৰিকসকলে এই চুতীয়াসকলকে লগ পাইছিল। চুতীয়াসকলৰ* সংখ্যাগৰিষ্ঠতা আৰু ভাষাকৃষ্টিৰ প্ৰভাৱত প্ৰটো-অষ্ট্ৰলয়ডসকলে নিজৰ পৰিচয় হেৰুৱাই পেলাইছিল। গতিকে কুণ্ডিলৰ চুতীয়াসকল প্ৰটো-অষ্ট্ৰলয়ড আৰু অষ্ট্ৰিক তিব্বতো বাৰ্মান বড়ো চুতীয়াৰ এক মিলিত জনগোষ্ঠী য'ত চুতীয়া ভাষাই প্ৰভাৱ বিস্তাৰ কৰিছিল। সেই ভাষাই আছিল বৰ্তমানৰ দেউৰী চুতীয়া ভাষা। ইয়ে পাছত প্ৰাকৃতৰ প্ৰভাৱত আজিৰ অসমীয়া ভাষা হয়গৈ। এইখিনিতে উল্লেখ কৰিব পাৰি যে আহোমৰ টাই ভাষাতো চাও শব্দৰ অৰ্থ দেৱ বা দেৱতা। সেইদৰেই চুতীয়া ভাষাত 'চু' শব্দৰ অৰ্থ হ'ল ওখ বা শ্ৰেষ্ঠ। ইয়াৰ পৰাও দেখা যায় যে 'চাও' বা 'চু' শব্দৰ দুয়োটা অৰ্থই চাও-থিয়াচ মানে যে 'দেৱভূমি' এই কথাটো সমৰ্থন কৰে। আহোমসকলো উত্তৰ চীনৰ পৰা অহা মঙ্গোলীয়ান গোষ্ঠীৰ লোক। গতিকে 'চাও' শব্দটোৱে মূলগত ঐক্যৰ কথাকে সূচায়।

চুতীয়াসকলৰ নিজা ভাষাত এই চুতীয়া শব্দটোৰ অৰ্থ হয়— ওখ নদীৰ পাৰত থকা মানুহ। (চু = পৰ্বতৰ শৃঙ্গ বা ওখ অঞ্চল, তী = নদী, য়া = স্থান ground)

গতিকে এই কথাই ইয়াং চিকিয়াং আৰু হুৱাং হু নদীৰ মাজৰ ওখ পাৰত অতীতৰে থকা বা পাছত ব্ৰহ্মপুত্ৰ বা সোৱণশিৰি ওখ পাৰৰ ঠাইত থকা মানুহকো বুজাব পাৰে। কাৰণ চুতীয়াসকলে অতীততে সেই নদীৰ তীৰৱৰ্তী ওখ ঠাইতে সদায় বাস কৰিছিল।

সেইদৰে চুতীয়াসকলৰ ভাষাত চুতীয়াসকলৰ কুণ্ডিল ৰাজ্যয়ো। চুতীয়াসকলৰ আৰাধ্য দেৱতা কুণ্ডী মামাৰ থান অৱস্থিত ৰাজ্য বা ব্ৰহ্মপুত্ৰৰ পাৰত থকা মানুহ। আনহাতে কুণ্ডিল শব্দৰ অৰ্থ হ'ল যি ঠাইত পানী তীব্ৰ বেগেৰে ওলাই আহিছে। (Shoot out) খুব জোৰেৰে ওলাই অহা; ডিঃ নদী বা পানী)। 'ল' প্ৰত্যয় যেনে, জটিল, কোবাল, সৰ্পিল। 'লুইত' শব্দও আকৌ লাওটু বা চুতীয়া শব্দৰ পৰা হোৱা। লাও = বহল, টু = পানী, লুই = দীঘল। কুণ্ডিল ৰাজ্যকে বিদৰ্ভ বুলিও কোৱা হয়। এইটো প্ৰকৃত মূলীয় শব্দ। ইয়াৰ অৰ্থ হ'ল পৰ্বত ফালি ওলাই অহা, বি + দৃ + অল = বিদাৰ। বিদাৰ মানে ফলা। গতিকে য'ত পৰ্বত ফালি নদী ওলাই আহিছে। সেইদৰে শদিয়া শব্দয়ো চুতীয়া ভাষাত (স = সূৰ্য, দি = নদী, য়া-স্থান বা ঠাই) সূৰ্যোদয়ৰ নদীৰ পাৰত থকা ঠাই বুজায়।

**কছাৰী ঃ**— অসমৰ সকলো জনজাতীয় লোককে সাধাৰণতে কছাৰী বুলি কোৱা হয় বা ধৰা হয়। যেনে— বড়ো কছাৰী, মেছ কছাৰী, ৰাভা কছাৰী, ৰাজবংশী কছাৰী, চুতীয়া কছাৰী ইত্যাদি। এই কছাৰী শব্দটোৰ অৰ্থ হ'ল মানৱৰ জ্যেষ্ঠ সন্তান বা আদি মানৱ বা আদিবাসী (কছাৰী = খৰছাৰী = খৰ = জ্যেষ্ঠ, ছা = সন্তান) ৰী = জাতিবাচক প্ৰত্যয়। অৰ্থাৎ

---

১ *Background of Assamese Culture. — R.M. Nath, page 1-2*

কোনোবা নজনা অতীতৰ পৰা থকা লোক বা আদিম মানৱ সন্তান।"[১]

চুতীয়া জাতিৰ বিষয়ে লিখোতে সৰ্বানন্দ ৰাজকুমাৰদেৱে তেখেতৰ চুতীয়া ভূঞা আৰু মটক ৰাজ্য নামৰ গ্ৰন্থত লিখিছে--

"প্ৰকাশিত বুৰঞ্জী, ৰিপৰ্ট, প্ৰবন্ধ, ডিষ্ট্ৰিক্ট গেজেতীয়াৰ আদিত পোৱা তথ্যৰ ওপৰত নিৰ্ভৰ কৰি চুতীয়া জাতিৰ বিষয়ে তলত আভাস দিয়া হ'ল। Col. L.W. Shakespeare, Mr. Endle আৰু শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেতীয়াৰ মতে চুতীয়াবিলাক বড়ো জাতিৰ মানুহ। Mr. Endle চাহাবৰ মতে অসমৰ ৰাভা, গাড়ো, মৰাণ, মেচ, ধিমাল, কোচ, চোলনিমিয়া (Solanimias) মহলীয়া, ফুলগুৰীয়া, শৰণীয়া, দিমাচা, (কছাৰী), হোজাই, লালুং, হাজংবিলাকো বড়ো জাতিৰ অন্তৰ্ভুক্ত। বড়ো জাতিৰ ভিতৰত অসমৰ প্ৰাগ্ ঐতিহাসিক যুগত কছাৰীসকল গোটেই অসম উপত্যকাতে বিয়পি পৰিছিল আৰু ঠায়ে ঠায়ে ৰাজ্য স্থাপন কৰিছিল। কাছাৰ দিষ্ট্ৰিক্ট গেজেতীয়াৰত পোৱা যায় যে কছাৰীসকল ইণ্ডো-চাইনিজ আৰু ইয়াং চিকিয়াং আৰু হুৱাংহু নদীৰ মাজৰ ঠাইৰ পৰা আহিছিল। উত্তৰ কাছাৰৰ এসময়ৰ মহকুমাধিপতি Mr. Duntas-অৰ মতে কছাৰীসকল ব্ৰহ্মপুত্ৰ আৰু চাগি নদীৰ সঙ্গমস্থলৰ পৰা বামে আৰু পানীয়ে আহি কামৰূপৰ নীলাচল পৰ্বত পায়হি আৰু তাৰ পৰা ডিমাপুৰলৈ আহে। Mr. Fisher চাহাবে কয় যে কাছাৰৰ কছাৰীবিলাকে এসময়ত কামৰূপত শাসন কৰিছিল আৰু তেওঁলোকৰ ৰাজবংশ হাচুংচাৰ বংশ ধৰা আনহাতে কছাৰীবিলাক অতীজতে শিৱসাগৰ জিলা লক্ষীমপুৰ জিলা আৰু শদিয়াতে থকাৰ প্ৰমাণ পোৱা যায়।

কছাৰী ভাষাত 'দৈ' বা দুই শব্দে পানী বা নৈ বুজায়। দৈ বা দুই 'দি'ৰ অপভ্ৰংশ। দিলাও (ব্ৰহ্মপুত্ৰ), দিক্ৰং (শদিয়াৰ ওপৰে), দিহং, দিবাং, দিক্ৰং (উত্তৰ লক্ষীমপুৰত) দিক্ৰু, দিকৰাই (ভৰালীত পৰিছে) দিহিং, দিমৌ, দিছাং দিখৌ, দিচৈ (ভোগদৈ) দিমা (ধনশিৰি গোলাঘাটত) আদি নৈবিলাকৰ নাম কছাৰীসকলে দিয়া। কছাৰীসকলে কেচাইখাতী গোসানীক পূজা কৰিছিল; আৰু হয়তো এতিয়াও কোনোৱে কৰে।"[২]

ওপৰত উল্লেখ কৰা কছাৰী আৰু চুতীয়াসকল প্ৰকৃততে একেটা জাতিয়ে বা একেটা জাতিৰে ভিন্ন নাম। এই কথা পাছতো আলোচনা কৰা হৈছে। চুতীয়াসকলে সৌমাৰ খণ্ডত আৰু কছাৰীসকলে চুতীয়া ৰাজ্যৰ পশ্চিমে বৃটিছৰ দিনলৈকে ৰাজত্ব কৰিছিল। চুতীয়া ৰাজ্যৰ ৰজাসকলৰ ঘাই সুতিটোৱে ১৫২৩ খ্ৰীঃত ৰাজ্য হেৰুৱাৰ পাচত মোৱামৰীয়া বা মৰাণ বিদ্ৰোহৰ মাজেদি প্ৰথমবাৰ আৰু সৰ্বানন্দ সিংহই দ্বিতীয়বাৰ চুতীয়া ৰাজত্ব স্থাপন কৰি বৃটিছৰ দিনলৈকে ৰাজ্য ভোগ কৰিছিল। চুতীয়া আৰু কছাৰীসকলে সকলো সময়তে দুখন সুকীয়া ৰাজ্য স্থাপন কৰি শাসন কৰি থকাত দুটা জাতিযেন দেখালেও মূলতঃ এই দুই জাতি একেটাৰে নামান্তৰ মাত্ৰ।

---

১ *Background of Assamese Culture. — By R.N Nath, page-3*
*ৰী=শ্ৰেণী বা জাতি বুজোৱা প্ৰত্যয় যেনে-- কছাৰী, দেউৰী, সোণাৰী, জোৱাৰী।*

২ *চুতীয়া, ভূঞা আৰু মটক ৰাজ্য -- সৰ্বানন্দ ৰাজকুমাৰ, পৃঃ ২-৩*

বৰ্তমান কছাৰীসকল জনজাতি হিচাপে সংবিধানৰ দ্বাৰা সংৰক্ষণপ্ৰাপ্ত হোৱাত আৰু চুতীয়াসকলৰ সেই সংৰক্ষণ নথকাত এই দুই জাতিক মানুহে পৃথক ভাবে দেখাটো স্বাভাৱিক।

আগতেই কোৱা হৈছে যে বড়ো গোষ্ঠীৰ লোকসকলৰ আদি বাসস্থান পশ্চিম চীন বা চৌ-থিয়াচ। তেওঁলোকে দক্ষিণলৈ গতি কৰি বট্‌দেশৰ মাজেদি আহি অসম বা সৌমাৰ সোমাইছিলহি। এই বট্ বা বড় শব্দৰ পৰাই পাছত তিব্বত শব্দৰ উৎপত্তি হৈছে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে বড়ো শব্দৰ উৎপত্তি সম্বন্ধে লিখিছে। নৃতাত্বিকসকলৰ মতে বড়োসকলৰ প্ৰাচীন আদিভূমি যেতিয়া তিব্বতেই আছিল গতিকে তেওঁলোকে আদিতে আৰু অতীজতে তিব্বতীয়ই আছিল; সেইহেতু বোড় আছিল। এই বোড় শব্দৰ পৰাই বড়ো শব্দ হৈছে। বোড়>বোড়>বোডো>বড়ো।*[১]

এই বড়ো গোষ্ঠীৰ লোকসকল ভাষা গোষ্ঠীৰ ফালৰ পৰা যেনেকৈ সকলোৱে বড়ো-- তেওঁলোকৰ আদি বাসস্থানৰ ফালৰ পৰা সকলোৱে চুতীয়া। আৰু আদিবাসী হিচাপে সকলো কছাৰী। বড়ো গোষ্ঠীৰ লোকসকলৰ কেৱল মাত্ৰ কোকৰাঝাৰত থকা কিছুমান লোকহে এতিয়াও বড়ো নামেৰে পৰিচিত হৈ আছে। সেইদৰে সৌমাৰত থকা লোকসকলকহে এতিয়াও চুতীয়া নামেৰে পৰিচিত হৈ থাকিল। গতিকে বড়ো বা চুতীয়া একেখিনি মানুহৰে ভিন্ন নাম। বড়ো বা চুতীয়া হ'ল স্থানীয় পৰিচয়।

এইফালৰ পৰা বিচাৰ কৰিলে অসমত বাস কৰা আৰু মহাভাৰত আদিত কিৰাট নামেৰে অভিহিত কৰা অসমৰ বড়ো গোষ্ঠীৰ সকলো আদিম অধিবাসী আৰু ৰজাসকল চুতীয়াই। কিন্তু এই ইতিহাসত আমি সৌমাৰ খণ্ডত ৰাজত্ব কৰা আৰু এতিয়ালৈকে চুতীয়া বুলি অভিহিত হৈ থকাসকলৰ বিষয়েহে আলোচনা কৰিম।

**ৰাজমোহন দেৱৰ মতে বিভিন্ন নামাকৰণ :--** প্ৰত্নতাত্বিক ৰাজমোহন নাথ দেৱে মিজো, খামটি, জয়ন্তীয়া আদি শব্দবোৰৰ উৎপত্তি সম্বন্ধে বিশ্লেষণ কৰি লিখিছে যে চীনক আগতে চৌ-থিয়াচ (Chao-Cteus) বুলি কোৱা হৈছিল। পাছত সেয়ে চুহ-থিচ্ হয়গৈ (Chuh-this) আঁকৌ পাছত জুহ থিচ বুলিও উচ্চাৰণ কৰা হয়। আগতে চৌ-থিয়াচ শব্দ স্বৰ্গভূমিৰ অৰ্থত ব্যৱহাৰ হৈছিল। পাচত চুহ থিচ (Chuh-this) বা জুহ থিচ্ (Zuh-this) শব্দ উচ্চভূমিৰ অৰ্থত ব্যৱহৃত হয়। মেই (Mei) শব্দ অৰ্থ সাধাৰণভাবে মানুহ। সেইবাবেই পাহাৰত থকা মানুহক মেই জুহ্ (Mei-zuh) বা মিজো বুলি কোৱা হৈছিল আৰু এতিয়া মিজোৰামত থকা মানুহক মিজো বুলি কোৱা হয়। (মেই-জুহ = ওখ ঠাইৰ মানুহ)।

সেইদৰেই জুহ=থিচৰ পৰা অহা কিছুমান মানুহক জয়ন্তীয়া, খাম্‌টিৰ (Kham = Gold Ti = Land) পৰা অহা মানুহক খাম্‌টি আদি নামেৰে অভিহিত কৰা হৈছিল।*[২]

---

১ *বিষ্ণুৰাভা গ্ৰন্থাৱলী -- পৃঃ ৩৪৪।*

২ *Background of Assamese Culture. — By R.N. Nath, page 1-3*

এই খাচী, জয়ন্তীয়াসকলো প্ৰটো-অষ্ট্ৰলয়ড গোষ্ঠীৰ লোক আৰু বড়োসকলৰ আগতেই প্ৰায় খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দত অসমত বা তেতিয়াৰ নামবিহীন অঞ্চলত প্ৰৱেশ কৰিছিলহি। সেই পাহাৰৰ নাম দিছিল কা-ৰি-লুম ইয়ে পাছত খাওৰ্-চিউ = খাচী হয়।

**কামাখ্যা ঃ–** বৰ্তমানৰ কামাখ্যা শব্দটোও অষ্ট্ৰিক শব্দ কা-কৃমিয়ে-জাকা (Ka-kmie-jaka) শব্দৰ পৰাহে উৎপত্তি হৈছে। কামাখ্যাৰ মূল কুণ্ডত যোনিৰ আকৃতিৰ এডোখৰ জুণ্ডা শিল আছে। বৰ্ষা আৰম্ভ হোৱাৰ সময়তে তাৰ পৰা ৰঙাপানী নিজৰি নিজৰি ওলায়। সেইবাবে ধৰিত্ৰী সেই সময়ত ঋতুমতী হোৱা বুলি ভবা হয়। কা-কৃমিয়ে-জাকা শব্দৰ অৰ্থ হ'ল মাতৃ স্থান। পাছত আৰ্য হিন্দুসকলে সেই কা-মেই-খা শব্দকে সংস্কৃত কৰি কামাখ্যা কৰে।

বৰ্তমান অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ অপভ্ৰংশ হৈ হোৱা। বৰ্তমান ইয়াৰ বহুতো শব্দ সংস্কৃত হেন দেখালেও তাৰ প্ৰকৃত মূল অষ্ট্ৰিক, বড়ো আৰু চীনা ভাষাৰ মাজত বিচাৰিলেহে তাৰ প্ৰকৃত বিশ্লেষণ হ'ব পাৰে আৰু এইদৰে বিশ্লেষণ কৰিলেহে অসমীয়া কৃষ্টিৰ প্ৰকৃত মূল বিচাৰি পোৱা যাব।

**চুতীয়া শব্দৰ পৌৰাণিকত্ব ঃ–** চুতীয়াৰ ভীষ্মক ৰাজৰ পুত্ৰ ৰুক্মবীৰে শ্ৰীকৃষ্ণৰ লগত যুদ্ধত হাৰি অপমানিত হৈ বিহাৰৰ চুতীয়া নাগপুৰত থকাৰ বাবেই সেই ঠাইৰ নাম চুতীয়া নাগপুৰ হয়। এই কথাৰ প্ৰমাণ কৰে যে চুতীয়া শব্দ অতি পুৰণি আৰু বড়ো গোষ্ঠীৰ লোকসকল অসমলৈ অহাৰ লগে লগেই এই শব্দৰো উৎপত্তি হৈছিল।

সদৌ চুতীয়া জাতি সন্মিলনৰ ২৩ তম কমাৰবন্ধা অধিবেশনৰ সভাপতি শ্ৰীকোযেশ্বৰ বৰুৱা, এম.এ. দেৱে তেখেতৰ ভাষণৰ এঠাইত লিখিছে— "কৰ্ণেল জি.ই. জিৰাণীয়ে খ্ৰীষ্টীয় ২য় শতাব্দীত গ্ৰীক পণ্ডিত টলেমিৰ ভাৰতৰ জাতি আৰু জেগা বিশেষৰ নাম সমৰ্থন কৰি লিখিছে খ্ৰীঃ প্ৰথম শতাব্দীত পেৰিপ্লাচে চেচাৰ্চায়ে (Sessatai) নামৰ এজাতি মানুহৰ কথা উল্লেখ কৰিছে। টলেমিয়ে "চেচাটায়ে" নামে উল্লেখ কৰা জাতিটোক পেৰি প্লাচৰ চেচাটায়ে, বুলি চিনাক্ত কৰা হৈছে। পেলিপ্লাচৰ চেচাটায়ে, চেৰাটিয়া, চিঅ'-থিয়া চুতীয়া নেকি ভাবিবৰ থল নোহোৱা নহয়।"

বিদেশী লিখকসকলৰ লিখনীতযে আমাৰ থলুৱা শব্দবোৰে বেলেগ ৰূপ পাইছিল সেই কথা ইংৰাজ লিখকৰ হাতত সন্দিকৈ শব্দ হেন্দিক হোৱা, গুৱাহাটী গৌহাটী হোৱা, চট্টোপাধ্যায় চাটাৰ্জী হোৱাৰ পৰাই আমি অনুমান কৰিব পাৰো।

এইবিলাক উল্লেখৰ পৰাই বুজিব পাৰি যে চুতীয়া শব্দটো অতি পুৰণি।

**স্বৰ্গৰ দুৱাৰ ঃ–** চীনক চৌ-থিয়াচ্ বা স্বৰ্গভূমি বুলি কোৱাৰ বাবেই চুতীয়া ৰাজ্যক স্বৰ্গৰ দুৱাৰ বুলি কোৱা হৈছিল। কাৰণ চুতীয়া ৰাজ্যৰ মাজেদিয়ে বা সীমাৰ খণ্ডৰ মাজেদিয়ে এই উত্তৰ-পূব পথেদি হেজাৰ হেজাৰ বছৰৰ আগৰে পৰা চীন, তিব্বত, কাম্বোজ আদিৰ মানুহ ভাৰতৰ বিভিন্ন ঠাই আনকি কাশ্মীৰ পৰ্যন্ত যাব লগা হৈছিল আৰু সেইদৰেই ভাৰতৰ মানুহো চীনলৈ যাব লগা হৈছিল।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে সদৌ চুতীয়া জাতি সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতিগ্ৰন্থৰ এটা প্ৰবন্ধত (পৃঃ ৪) লিখিছিল— "স্বৰ্গীয় ৰজনী কুমাৰ পদ্মপতি

ডাঙৰীয়াই পুৰাণ আদিৰ প্ৰকৃত তত্ত্ব বিচাৰি স্থিৰ কৰিছে যে বৈদিক যুগৰ চুতীয়া ৰাজ্যখনেই আগৰ স্বৰ্গদ্বাৰ আছিল। সেই প্ৰসঙ্গত গৰুণ্ডে গান্ধৰ্ব মুনিক দিয়া পূৰ্ব দেশৰ বৰ্ণনাৰ দ্বাৰাই তেওঁৰ মত সমৰ্থন কৰিছে। (ইয়াক) পলসুৱা বুলি উৰাই দিব নোৱাৰি। চুতীয়া ৰাজ্য যে স্বৰ্গৰ দুৱাৰ আছিল তাক প্ৰতিপন্ন কৰাটো সময়ত একো অসম্ভৱ নহ'ব।"

**চুতীয়া, তিৱা, তিউৰা** :– চাও-থিয়াচ্ বা চৌ-থিয়াচ্ শব্দ অপভ্ৰংশ হৈ কেনেকৈ চুহ্-থিচ্ হৈছিলগৈ আৰু চৌ-থিয়াচৰ পৰা আহি সৌমাৰ খণ্ড পোৱা মানুহবিলাক কেনেকৈ চুতীয়া বা চুতীয়া নামেৰে অভিহিত হ'ল সেই কথা আমি আগতেই আলোচনা কৰিছো। কিন্তু চুতীয়া শব্দটোও মানুহে বহুতো ঠাইত 'চু' টো মুখৰ ভিতৰতে ৰাখি চুটিকৈ তীয়া বা তিৱা বুলিহে কোৱা হৈছিলগৈ। দীঘল নামবোৰ মানুহে ছুটি কৰি কৈ ভাল পায়, গতিকে চুতীয়া, তীয়া আৰু তিৱা এই তিনিওটা শব্দই একে জাতি মানুহকে বুজাইছিল। বা তিৱা শব্দ চুতীয়া শব্দৰ অপভ্ৰংশ মাত্ৰ। অৱশ্যে স্থান বিশেষত তাক যি কোনো এটা শব্দই প্ৰাধান্য লাভ কৰিছিল।

আহোমসকলৰ মূল টাই ভাষাত আকৌ এই চুতীয়াসকলক 'তিউৰা' জাতি বুলিহে লিখিছিল। ইয়াৰ দ্বাৰাই অনুমান কৰিব পাৰি যে আহোমসকলে প্ৰথমে আহি তীয়া বা তিৱা শব্দটো তিউৰা বুলিহে উচ্চাৰণ কৰিছিল। সৰ্বানন্দ ৰাজকুমাৰদেৱে আহোমৰ টাই ভাষাত যে চুতীয়াসকলক তিউৰা বুলিহে লিখিছিল এই কথা "চুতীয়া, ভুএগ্ৰা আৰু মটক ৰাজ্য" নামৰ গ্ৰন্থত উল্লেখ কৰিছে।"[১]

এইখিনিতে মন কৰিবলগীয়া যে বড়োগোষ্ঠীৰ সকলো মানুহেই প্ৰথমে চীন বা তিব্বতৰ পৰা আহি সৌমাৰ খণ্ডতে[২] ভৰি দিছিলহি আৰু সেইবাবে সকলোৱে চুতীয়া বুলিয়ে অভিহিত হৈছিল। কিন্তু পাচলৈ যিবিলাক দল অন্য ঠাইলৈ গুচি গ'ল সেই বিলাকক সেই ঠাইৰ স্থানীয় মানুহে বা পাচত অহা ককেচইড্ বা আৰ্য গোষ্ঠীৰ মানুহবোৰে স্থানীয় ভাবে একোটা সুকীয়া নাম দিয়ে। সেইবাবে শেষলৈ কেৱল মাত্ৰ সৌমাৰ খণ্ডত থকা চুতীয়া লোকসকলহে চুতীয়া, তীৱা বা তিউৰা নামেৰে অভিহিত হ'ল।

---

১ *চুতীয়া, ভুএগ্ৰা আৰু মটক ৰাজ্য— সৰ্বানন্দ ৰাজকুমাৰ - পৃঃ ১, ১৪*

২ *"অতীজত অসমৰ নাম আছিল কামৰূপ। কামৰূপ কামপীঠ ৰত্নপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ, এই চাৰিটা খণ্ডত বিভক্ত আছিল। বঙ্গদেশৰ ৰংপুৰ মহকুমাৰ অন্তৰ্গত কৰতোৱা নদীৰ পৰা স্বৰ্ণকোষ নদী পৰ্যন্ত ৰত্নপীঠ। স্বৰ্ণকোষ নদী কোচবিহাৰৰ পূৰ্ব আৰু গোৱালপাৰাৰ পশ্চিম সীমা। স্বৰ্ণকোষৰ পৰা ৰূপিকা নদী পৰ্যন্ত কামপীঠ। এই ৰূপিকা নদী এতিয়াৰ নগাঁও (আগৰ খাগৰিজান) জিলাৰ ৰূপহী নদী। কোনো কোনো লোকে কামৰূপ জিলাৰ উত্তৰ পাৰৰ পূৰ্ব সীমা আৰু দৰং জিলাৰ পশ্চিম সীমা বৰ নৈকো এই ৰূপিকা বুলি কয়। ৰূপিকাৰ পৰা ভৈৰৱী নদী পৰ্যন্ত স্বৰ্ণপীঠ। এই ভৈৰৱী তেজপুৰৰ অলপ উজনীৰ ভৰলু নদী। ভৈৰৱীৰ পৰা ডিক্কৰ বাসিনী পৰ্যন্ত সৌমাৰ পীঠ। ডিক্কৰ বাসিনী লক্ষীমপুৰ বা ডিব্ৰুগড় জিলাৰ অন্তৰ্গত শদিয়াৰ ওচৰৰ দেৱীৰ স্থান। এই সৌমাৰ পীঠেই এতিয়াৰ প্ৰায় উজনী খণ্ড বা ওপৰ অসম।"*

*— স্নাতকৰ কথা বক্তৃৰ পৰা প্ৰবন্ধ গুণাভিৰাম বৰুৱা— পৃঃ ১২*

**মেছ, কোছ ঃ**– এইদৰে যিবোৰ বড়োলোক কামৰূপৰ (অবিভক্ত কামৰূপ) পশ্চিমফালে বাস কৰিছিল তেওঁলোকক হিন্দু প্ৰতিবেশীসকলে 'মেছ' নাম দিয়ে। এই মেছ শব্দটো 'ম্লেচ্ছ' শব্দৰ পৰা অপভ্ৰংশ হৈ হোৱা বুলি পণ্ডিতসকলে অনুমান কৰে। সেইদৰে কছাৰী শব্দটো কক্ষাত শব্দৰ অপভ্ৰংশ।*১

অৱশ্যে এই বিষয়ত আমি একমত নহয়। কোছ ৰাজবংশীসকলৰ মতে কোশী নদীৰ পাৰত থকাসকলক কোছ আৰু মেচী নদীৰ পাৰত বাস কৰা সকলহে মেছ বোলা হৈছিল। এই মত হে আমি গ্ৰহণ কৰোঁ। কছাৰী শব্দৰ উৎপত্তিৰ বিষয়েই আগতেই আলোচনা কৰা হৈছে।

ইণ্ডোমঙ্গলয়ড় আৰু তিব্বতো বাৰ্মানসকলৰ সকলো লোককে মহাভাৰত আদিত কিৰাট বুলি বৰ্ণনা কৰিছে। কিৰাট শব্দটো সংহিতা গুহাবাসীসকলৰ প্ৰতি প্ৰয়োগ কৰা হৈছে। মহাভাৰতত ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰৰ সকলো আদিম অধিবাসীকে কিৰাট বুলি কোৱা হৈছে। পুৰাণত কিৰাটসকলক অৰণ্যবাসী অসভ্য, পৰ্বতীয়া বুলি কোৱা হৈছে।*২

এই কিৰাট শব্দটো সংস্কৃতত কক্ষাতহৈ (Kaksata) আৰু তাৰ পৰাই পাছত কছাৰী শব্দটোৰ উৎপত্তি হোৱা বুলি কোৱা হৈছে। এইদৰেই বড়ো গোষ্ঠীৰ লোকসকলে ভিন্ন ঠাইত ভিন্ন নাম পাইছে। গতিকে কিৰাট সকলো মঙ্গোলয়ড গোষ্ঠীৰ লোক। এই কথাত আগতেই আলোচনা কৰা হৈছে।

চুতীয়া শব্দৰ পৰাই কেনেকৈ তীয়া বা তিৱা আৰু তিউৰা শব্দৰ উৎপত্তি হৈছে সেই কথা আমি আগতে আলোচনা কৰিছো। দেউৰীসকল চুতীয়াৰ পুৰোহিত আছিল।

---

১ *"The Bodo people who live to the west of present Kamrup district are called 'Mee' by their Hindu neighbours. This word is probably corruption of Sanskrit 'Mleecha'."*

*Those of them who live in and to the west of the district of Kamrup are called 'Kachari'. Various guesses have been made about the origin of the word Kachari. But it seems that the word is connected with Sanskrit 'Kaksata' a hypothetical formation parallelled to Sanskrit 'Kirata'." — A Cultural History of Assam — B.K. Baruah, page 7.*

*— কোচসকলৰ মতে, কুশী নদীৰ পাৰত থকাসকলে কোছ আৰু মেচি নদীৰ পাৰত থকাসকলে মেচ নাম পায়।*

২ *Kirata according to Samhita is a name applied to a people living in the caves (guha) of mountains, as it appears clearly from the dedication of the Kirata to the caves in the Vayasancyi Samhita and from the reference in the Atharva Veda to a Kirata girl (Kairatika). In the Puranas Kiratas are designated 'foresters', 'barbarians' 'mountaneers', appallation which are understood as refering to the inhabitants of the mountains of eastern India. In another Purana, they are described as shepherds living on hills to the North Bengal. In the Mahabharata the Kiratas are placed around Brahmaputra. They are undoubtably the same people mentioned by Periplus, Ptolemy and other early writers as "Cirrhadoe" ....... In the present context the*

এই কথা সৰ্ববাদী সন্মত। আনকি চুতীয়া ৰাজ্য আহোম ৰজাৰ হস্তগত হোৱাৰ পাচতো দেউৰীসকলে আহোম ৰজাৰ নিৰ্দেশ মতে চুতীয়াৰ চিৰাচৰিত নিয়মমতে নৰবলি দি কেচাইখাতী গোসানীৰ পূজা কৰিছিল।

**তিমিছা, তিউৰা, হাংজাও ঃ–** মেদিনী মোহন চৌধুৰীদেৱে সদৌ চুতীয়া জাতি সন্মিলনৰ স্মৃতিগ্ৰন্থৰ (২৩তম কমাৰবন্ধা অধিৱেশনৰ) এটা প্ৰবন্ধত লিখিছে– "চুকাফা যেতিয়া অসমলৈ আহিছিল আহোম বুৰঞ্জীমতে সেইসকলে 'তিমিছা' 'তিউৰা' আৰু 'হাংজাও' নামৰ তিনিটা জাতিৰ লোক লগ পাইছিল। পাচৰ বুৰঞ্জী মতে সেইসকলে শদিয়াৰ সেই অঞ্চলত চুতীয়া জাতিৰ সতে ৰণ দিব লগাত পৰিছিল। ইয়াৰ অৰ্থ দুটা হ'ব পাৰে; তিউৰা বা ডিউৰা বা দেউৰী জাতিয়েই চুতীয়া আছিল। নহ'লে ঠাই বিশেষে যি চুতীয়াসকলক পাইছিল সেইসকল বেলেগ বেলেগ নামে পৰিচিত আছিল। চুকাফা ৰজাই যিসকলক পাইছিল সেইসকল আছিল দেউৰী (চুতীয়া)। শদিয়াৰ সেইসকল হয়তো কেৱল চুতীয়া বুলিহে জনা গৈছিল। অৱশ্যে মোৰ ধাৰণাত তিউৰাসকলৰ পৰিচয় কাহিনী আৰু তিমিছাসকলৰ তেনে কাহিনী একে ধৰণৰ। তিমিছা অৰ্থাৎ ডিমাচাসকলক প্ৰথম যদিও চুকাফা ৰজাৰ লোকে ডিমাছা (তিমিছা) বুলি জানিছিল পিছলৈ স্থানীয় লোকৰ প্ৰভাৱত পৰি কছাৰী বুলি কোৱা হ'ল, সেই একেখিনি মানুহকে। তিউৰা বা দেউৰীৰ ক্ষেত্ৰতো একে ধৰণেৰেই হৈছিল। আচলতে দেউৰী বুলিহে কোৱা হৈছিল চুতীয়াসকলক পোন প্ৰথমতে।

**দেউৰী ঃ–** চুতীয়া শব্দ অপভ্ৰংশ হৈ কেনেকৈ তিৱা হৈছিল আলোচনা কৰা হৈছে। চুতীয়া বা তিৱা শব্দৰ অৰ্থ একেই। চুতীয়া শব্দৰ অৰ্থ হ'ল ওখ নদীৰ পাৰত থকা লোক আৰু তীয়া বা তিৱা শব্দৰ অৰ্থ হ'ল, নদীৰ পাৰত থকা লোক। এই তিৱা শব্দটোৱেই অপভ্ৰংশহৈ তিউৰা বা দিউৰা হৈছিলগৈ আৰু দিউৰা শব্দটো অপভ্ৰংশ হৈ পুনৰ দেউৰী হৈছিলগৈ বুলিও ভাবিব পাৰি।

Deo = high; Deogira = Elder old man.

De = great; Degira = great old man.

প্ৰাচীন চুতীয়া সমাজত যিজনেই সৰ্বোচ্চ বয়োবৃদ্ধ বা জ্ঞান শ্ৰেষ্ঠ তেৱে পূজা সেৱাৰ কাম কৰিছিল। কালক্ৰমত তেওঁলোকৰ সতি-সন্ততিসকল সেই পূজা-পাতল আদি কৰাত অভিজ্ঞহৈ পৰাত পুৰুষানুক্ৰমে তেওঁলোকে সেই কাম কৰাত দেউৰী এটা পূজাৰী ফৈদহৈ পৰেগৈ। ইয়াৰ 'ৰী' প্ৰত্যয়ে এটা শ্ৰেণীক বুজায়। যেনেকৈ দেউৰী, কছাৰী, পূজাৰী, জোৱাৰী, ভিখাৰী ইত্যাদি।"[১] স্থান বিশেষত তেওঁলোকে কোনো অঞ্চলত চুতীয়া কোনো অঞ্চলত তিৱা, কোনো অঞ্চলত তিউৰা আৰু কোনো অঞ্চলত দিউৰা নামেৰে অভিহিত হৈছিল। ইয়াৰে এই দেউৰী সকলেই অন্য চুতীয়াসকলৰ পূজাৰী আছিল আৰু তেওঁলোকে

---

১ *"দেউৰী সংস্কৃতি"ৰ গ্ৰন্থকাৰ ডম্বৰুধৰ দেউৰীৰ মতেও দেউ শব্দৰ পৰাই দেউৰী শব্দৰ উৎপত্তি হৈছে। সদৌ চুতীয়া জাতি সন্মিলনৰ বিংশতিতম্ অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ ডম্বৰুধৰ দেউৰী পৃঃ ৪৫।*

কেচাইখাতীকে আদি কৰি শদিয়াৰ অন্য স্থানসমূহৰ পূজাৰী আছিল।

এইক্ষেত্ৰত আগতে উল্লেখ কৰা মেদিনীমোহন চৌধুৰীদেবৰ মত প্ৰণিধান যোগ্য। গতিকে চুতীয়া, তিৱা, তিউৰা, দিউৰা বা দেউৰী (এইক্ষেত্ৰত উল্লেখ কৰিব পাৰিযে অসমত অন্য জাতিৰ দেউৰী উপাধি লিখা লোক সকল চুতীয়া জনগোষ্ঠীৰ ভিতৰত নপৰে।) একেটা জাতিৰে বিভাজন মাত্ৰ আৰু মূলতঃ কছাৰী। তিৱাসকলৰ বহুতে এতিয়াও দেউৰী উপাধি লিখে।

বৰ্তমান দেউৰীসকল ভাৰতৰ সংবিধানত তালিকাভূক্ত আৰু সংৰক্ষণপ্ৰাপ্ত অসমৰ এটা জনজাতি। কিন্তু চুতীয়াসকলৰ ভাষা সংস্কৃতি অতীতৰ দৰে তেওঁলোকেহে ৰক্ষা কৰি আছে। আনহাতে চুতীয়াসকলৰ বহুতে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পাছত নিজকে হিন্দুচুতীয়া বুলি অভিহিত কৰি সেইসকল লোক নিজা সংস্কৃতিৰ পৰা বহুক্ষেত্ৰত আঁতৰি আহিছে। ফলত দেউৰীসকল এটা সুকীয়া সংস্কৃতিৰ বাহক যেন হৈ পৰিছে।

বৰ্তমান দেউৰীসকল এটা সুকীয়া জনজাতি হ'লেও দেউৰী শব্দটোৱে পূজা-সেৱা সংক্ৰান্তক জড়িত থকা আন কিছুমান লোককো বুজায়। নীলাচল কামাখ্যাৰ পূজাৰী বা পূজাৰ সম্ভাৰ যোগাওতাৰ নাম আৰু কাম অনুসৰি দেউৰী বা বৰ দেউৰী বোলা হয়। সেইদৰেই আমাৰ সকামবোৰত একোজন সদাচাৰী লোকক প্ৰসাদ বিলনীয়া বাব দিয়া হয়। তেওঁলোককো দেউৰী বোলা হয়। কিন্তু তেওঁলোক বামুণ নহয়। এইদৰেই নামনি অসমৰ কিছুমান মানুহৰ উপাধি দেউৰী হৈছেগৈ। এইসকল লোক চুতীয়া জনগোষ্ঠীৰ নহয়। মূলতঃ এই দেউৰী শব্দটো চুতীয়া পূজাৰী দেউৰীসকলৰ পৰাই উদ্ভৱ হোৱা।

কামাখ্যা শব্দ প্ৰটো-অষ্ট্ৰলয়ড-কা-কৃমিয়ে-জাকা শব্দৰ পৰাই উদ্ভৱ হোৱা। বড়োসকলেও সেই নামকে গ্ৰহণ কৰিছিল। গতিকে অসমৰ প্ৰায় সমগ্ৰ অঞ্চলেই যে বহু শ বা হেজাৰ বছৰ বড়ো গোষ্ঠীৰ লোকসকলৰ প্ৰভাৱতেই আছিল আৰু চুতীয়াৰ দেউৰীসকলেই এসময়ত কামাখ্যাৰো পূজাৰী আছিল এই কথাকেই সূচায়।

সেইদৰে চুতীয়া শব্দৰ পৰাই তিয়া বা তিৱা শব্দ হ'লেও বৰ্তমান তিৱাসকল অসমৰ এটা সুকীয়া জনজাতি।

**তিৱা বা লালুং :–** তিৱাসকলক লালুং বুলিও কোৱা হয়, ই এটা স্থানীয় নাম। চুতীয়া বা তিৱাসকলৰ যিসকল লোক এসময়ত সৌমাৰ খণ্ডৰ পৰা আহি কপিলী উপত্যকাত বাস কৰিবলৈ লৈছিল তেওঁলোকক তাত লালুং বুলি কোৱা হৈছিল. কাৰ্বি ভাষাত লাং = পানী, লু = তুলি অনা, এতেকে পানীৰ পৰা তুলি অনা মানুহ।*[১]

তিৱাসকল কপিলী উপত্যকাত বাস কৰোতে কছাৰীসকলে এই অঞ্চলত ৰাজত্ব কৰিছিল। এসময়ত কছাৰীৰ সঘন আক্ৰমণত অতীষ্ঠ হৈ চকীয়াল (চকীৰ ৰখীয়া), সকলে কপিলীৰ মুখ খান্দি অকাল প্লাবনৰ সৃষ্টি কৰি মানুহবোৰ পানীত উটাই মাৰিছিল। এইদৰে উঠি যোৱা বহুত মানুহ কাৰ্বিসকলে তুলি নি পাহাৰৰ দাতিত ৰাখিছিল আৰু

---

১ *অসম সাহিত্য সভাৰ বহা অধিবেশনৰ (সপ্তত্ৰিংশ) স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ-ধৰ্ম সিংহ ডেকা।*

সিহঁতক লালুং অৰ্থাৎ পানীৰ পৰা তুলি অনা মানুহ বুলি কৈছিল। ইয়াৰ পৰাই পাছত লালুং শব্দ হয়।

তিৱা বা লালুংসকলৰ সামাজিক জীৱন, বিয়া-বাৰুৰ নিয়ম, বিহু উৎসৱ, অন্যান্য ধৰ্মীয় উৎসৱ আদি চুতীয়াসকলৰ লগত শতকৰা আশী ভাগেই মিল আছে। সেইদৰে পূজাৰ দেৱতা, ইজনে সিজনক বা বংশ পৰিয়ালৰ মাজত ব্যৱহাৰ কৰা সম্বন্ধবোৰো একেই। এইবিষয়ে ডঃ জি,চি, শৰ্মা ঠাকুৰ ৰচিত The Lalungs নামৰ গ্ৰন্থখন পঢ়িলেই পাঠকসকলে বিতংভাবে জানিব পাৰিব।*১

প্ৰত্নতাত্বিক ৰাজমোহন নাথদেৱে লিখিছে— "The Lalungs though of Bodo origin were greatly influenced by Hindu Culture and Siva and Durga were worshipped as Bura-Buri. The Godess Kali was propitiated by sacrificing human beings before her."*২

চুতীয়াসকলৰো উপাস্য দেৱ-দেৱীৰ নাম কুণ্ডিমামা বা বুঢ়া-বুঢ়ী আৰু তাকে পাছত আৰ্য সংস্কৃতি মতে বা আৰ্য ভাষাত হৰ-পাৰ্বতী বোলা হৈছিল। এয়ে পুৰুষ প্ৰকৃতি। মন কৰিবলগীয়া যে অষ্ট্ৰিক ভাষাত হৰ (Har) মানে মানুহ। আনহাতে পাৰ্বতী মানে পৰ্বত কন্যা। লালুংসকলেও নৰবলি দি কালী পূজা কৰিছিল।

তিব্বতো বাৰ্মান বড়োসকলৰ অসমত প্ৰৱেশ কৰি সৌমাৰ খণ্ডত থিতাপি লোৱাসকলে চুতীয়া নামে খ্যাত হোৱাৰ পাছত তাতে ৰাজ্য স্থাপন কৰি থাকিবলৈ লয় আৰু এটা নিজস্ব কৃষ্টি আৰু সংস্কৃতিৰ বিকাশ সাধন কৰে। সেইদৰে তেওঁলোকৰ অন্যসকলেও অন্য ঠাইত থাকি স্থানীয়ভাবে একোটা কৃষ্টি আৰু সংস্কৃতিৰ বিকাশ সাধন কৰে।

অসমৰ ভৌগোলিক পৰিস্থিতি এনেকুৱা যে একোটা পাহাৰ অঞ্চলত থকা মানুহবোৰৰ মাজত সহজভাবে সংযোগ নঘটে আৰু বহুদিন বা বহু শ বছৰ এইদৰে থকাৰ মূৰত কৃষ্টিৰ একোটা সুকীয়া বৈশিষ্ট্য প্ৰকাশ পায় আৰু একোটা সুকীয়া নামেৰে পৰিচিত হয়।*৩

এইদৰেই সৌমাৰ খণ্ডত থকা মূল চুতীয়া বুলি খ্যাত চুতীয়াসকলৰ পৰাই সময়ত দেউৰী আৰু তিৱাসকলৰ উপৰিও মৰাণ, বৰাহী, বিহিয়া, সোণোৱালসকল বৃত্তিগত কাৰণত হোৱা।

---

১ *The Lalungs — G.C. Sarma Thakur.*

২ *Background of Assamese Culture. R.M. Nath.*

৩ *The physical feature of Assam dividing the hills and plains into parts drawn by nature her self have greatly contributed to the grouth of autonomous culture Even small areas about 100 or even 5059 miles you may find land locket or water locked. They impart an entirely isolated and independant view of life.*

*Assam the Indian Conflict — By — Mohesh Yoshi — page 2.*

**সোণোৱাল ঃ–** অতীতত সোৱণশিৰি নদীৰ সুবৰ্ণ কুণ্ডত সোণৰ কণিকা পোৱা হৈছিল। সেইদৰে অন্য বহুতো নদীৰ বালিতো সোণৰ কণিকা পোৱা হৈছিল আৰু তাৰ পৰাই সোণ আহৰণ হৈছিল।*[১]

সোৱণশিৰি অঞ্চল চিৰদিন চুতীয়া ৰাজ্যৰ ভিতৰুৱা আছিল; গতিকে সোণ উৎপাদনত নিয়োজিত সেইসকল লোক যে চুতীয়াই আছিল তাত কোনো সন্দেহ নাই। গতিকে বৃত্তিগত কাৰণত তেওঁলোক সোণোৱাল। তথাপিও বৰ্তমান তেওঁলোকক সোণোৱাল চুতীয়া বুলি কোৱা নহয়; সোণোৱাল কছাৰী বুলিহে কোৱা হয়।

আমি আগতে উল্লেখ কৰিছো যে চুতীয়া আৰু কছাৰী একেটা জাতিৰে মাত্ৰ ভিন্ন নাম। তথাপিও চুতীয়াসকলৰ বহুতে এটা সময়ত নিয়মিত ভাবে হিন্দু ধৰ্ম গ্ৰহণ কৰি নিজকে হিন্দু চুতীয়া বুলি অভিহিত কৰি আৰু মদ, গাহৰি, কুকুৰা আদি কিছুমান বস্তু বৰ্জন কৰি অন্য উচ্চ হিন্দুসকলৰ আচৰণ লৈ নিজৰে অন্য চুতীয়া বা কছাৰী আদি সকলক নিম্নখাপৰ বুলি গণ্য কৰিবলৈ লয়। কছাৰীসকলে তেতিয়াও হিন্দু ধৰ্ম গ্ৰহণ কৰা নাছিল; তথাকথিত উচ্চ হিন্দুসকলৰ নিষিদ্ধ মদ গাহৰি আদি ব্যৱহাৰ কৰি আছিল। সোণোৱালসকলেও আগতে নিয়মিতভাৱে হিন্দু ধৰ্ম গ্ৰহণ নকৰাত মদ, গাহৰি আদি বৰ্ণ হিন্দুসকলৰ নিষিদ্ধ বস্তুবোৰ ব্যৱহাৰ কৰি থকাত তেওঁলোকক কছাৰী বুলি অভিহিত কৰা হৈছিল।

সোণোৱালসকল জনজাতি হিচাপেই বৰ্তমান সংবিধানৰ তালিকাভুক্ত আৰু সংবিধানৰ দ্বাৰা সুৰক্ষাপ্ৰাপ্ত। গতিকে সৰ্বসাধাৰণে সোণোৱালসকলক চুতীয়াসকলৰ পৰা বেলেগ বুলি ভবাটো স্বাভাৱিক।

সোণোৱালসকলৰ বৰ্তমানৰ প্ৰধান বাসস্থান ডিব্ৰুগড় জিলাৰ ডাঙৰী অঞ্চল আৰু উত্তৰ লক্ষীমপুৰৰ অঞ্চল বিশেষ। তেওঁলোকৰ লোকগীত আদি কৃষ্টিসমূহ চুতীয়াসকলৰ লগত একেই। এইক্ষেত্ৰত অসম সাহিত্য সভাৰ অষ্টচত্বাৰিংশ অধিবেশনৰ স্মৃতিগ্ৰন্থৰ এটা প্ৰবন্ধত গগণ সোণোৱাল দেৱৰ উক্তি মন কৰিবলগীয়া তেখেতে লিখিছে-- "সোণোৱালসকল তিব্বত বাৰ্মীয় বা মঙ্গোলীয় জাতিৰ লোক। শাৰীৰিক গঠনত অসমৰ অন্যান্য মঙ্গোলীয় জাতিৰ অন্তৰ্ভুক্ত বড়ো, ৰাভা, ডিমাছা, দেউৰী, লালুং, তিৱা, ঠেঙাল, (ঠেঙালসকলে ৰূপ উৎপাদন কৰিছিল-- লিখক), মৰাণ, মিৰি (মিচিং), চুতীয়াসকলৰ লগত প্ৰায় একেই। শাৰীৰিক বৈশিষ্ট্যৰ দিশৰ পৰা তেওঁলোক সাধাৰণতে উচ্চতাত মধ্যমীয়া, মুৰ চুটি, বুকু বহল, নাক মধ্যমীয়া, গাল উঠঙা, হাতভৰি মঙহাল, ভৰিৰ

---

১ *The earliest reference to the abundance of gold in Subarna kind in Kamrup (the whole of Assam was called Kamrup in olden days Author) is found in the Arthasastra of 4th century B.C., the latest in 17th century A.D. in the account of Shahabud Talish He writes 10,000 people are engaged in the work of gold washing from the rivers. Assam has been thus a land of gald sand - Assam the Indian Conflict — By Mohesh rashi page-2*

কলাফুল শকত, শৰীৰ হৃষ্টপুষ্ট, কম গোফীয়া, চুলি শকত (মিহি চুলি অৱশ্যে নোহোৱা নহয়) আৰু বৰণত তাম বৰণীয়া, স্বভাৱ সৰল।*১

কছাৰীসকলেও চুতীয়াসকলৰ দৰেই মহা প্ৰতাপেৰে ৰাজ্য শাসন কৰিছিল আৰু আহোমসকলেও তেওঁলোকৰ ৰাজ্য সম্পূৰ্ণ জয় কৰিব পৰা নাছিল। সৌমাৰ খণ্ডত চুতীয়া ৰাজ্য থকাৰ সময়ত চুতীয়া ৰাজ্যৰ থিক পশ্চিম অঞ্চলতে কছাৰী ৰাজ্য আছিল। আহোমসকলে কছাৰী ৰাজ্যৰ কিছু অংশ দখল কৰিব পাৰিলেও তেওঁলোকে ডিমাপুৰত ৰাজধানী পাতি বৃটিছ্ ৰাজত্বৰ দিনলৈকে ৰাজ্য শাসন কৰি আছিল; গতিকে তেওঁলোকৰ কৃষ্টিত এটা সুকীয়া বৈশিষ্ট্যৰ প্ৰকাশ পোৱা স্বাভাৱিক। ডিমাপুৰত এতিয়াও কছাৰী ৰাজ্যৰ ভগ্নাৱশেষ আছে। কিন্তু উজনী অসমৰ লক্ষীমপুৰ, শিৱসাগৰ আদিৰ কছাৰীসকলৰ চুতীয়াসকলৰ লগত কোনো প্ৰভেদ নাই।

সোণোৱাল আৰু তিৱা সকলেও চুতীয়াসকলৰ দৰেই কুবেৰ পূজা কৰিছিল আৰু এতিয়াও কৰে*২ *৩। গতিকে সোণোৱাল আৰু তিৱাসকল যে চুতীয়াসকলৰ লগত একেই বা এতিয়াও একেটা জাতিয়েই তাত কোনো সন্দেহ নাই।

**বৰাহী ঃ–** সোণোৱাল, তিৱা আৰু কছাৰীসকলৰ দৰেই চুতীয়াসকলৰ আৰু দুটা শাখা বহু অতীতৰ পৰাই সৃষ্টি হৈছিল। সেই দুটা হ'ল মৰাণ আৰু বৰাহী। তেওঁলোকেও বহু অতীতৰ পৰাই সুকীয়াভাৱে ৰাজ্য শাসন কৰিছিল। বীৰপাল বংশৰ চুতীয়া ৰাজ্য স্থাপন কৰাৰ সময়ত মৰাণ আৰু বৰাহীসকলেও সুকীয়াভাৱে ৰাজ্য স্থাপন কৰি শাসন কৰি আছিল আৰু আহোম ৰজা চুকাফাই কৌশল কৰি তেওঁলোকৰ পৰাই ৰাজ্য হস্তগত কৰি আহোম ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

এইদৰে ৰাজ্য প্ৰতিষ্ঠা কৰা চুতীয়াসকলৰ এটা শাখাই বা বংশৰ ৰজাই বৰাহৰ মোহৰ মৰাইছিল। সেইবাবেই এই বংশক বৰাহী বুলি কোৱা হৈছিল আৰু পাচত তেওঁলোকে বৰাহী বুলিয়ে অভিহিত হৈছিল*৪। কিন্তু বৰাহী সৌমাৰৰ চুতীয়াসকলৰে এটা বংশ মাত্ৰ। তেওঁলোকৰ ভিতৰত পাৰ্থক্য মাত্ৰ চুতীয়াসকলে ছয় জাপ খৰি দি শৱ দাহ কৰে আৰু বৰাহীসকলে সাত জাপ খৰি দি শৱ দাহ কৰে।*৫

চুতীয়া জাতিৰ অন্য এটা শাখা বা বংশ মৰাণ। এই মৰাণসকলেও আহোম স্বৰ্গদেও চুকাফা অহাৰ সময়ত ৰাজ্য শাসন কৰি আছিল। পাচত আহোম স্বৰ্গদেও চুকাফাই এই ৰাজ্যও কৌশল কৰি হস্তগত কৰে আৰু এই বৰাহী আৰু মৰাণ ৰাজ্যকে লৈ আহোম

---

১ *"সৌমাৰ" -- অসম সাহিত্য সভাৰ অষ্টচত্বাবিংশ অধিবেশনৰ স্মৃতিগ্ৰন্থৰ (তিনিচুকীয়া) প্ৰবন্ধ — গগণ সোণোৱাল।*

২ *সোণোৱাল কছাৰী সংস্কৃতি— লভিত কুমাৰ শইকীয়া — পৃঃ ১৭*

৩ *ৰহদৈ-- অসম সাহিত্য সভাৰ সপ্তচত্বাবিংশ (ৰহা) অধিবেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ-- গণ্ডৰচিং দেউৰী -- পৃঃ ৭৭*

৪ *চুতীয়াসকলৰ চমু ইতিবৃত্ত আৰু সাংস্কৃতিক পৰিচয় -- ভৱকান্ত চুতীয়া এম,এ, — পৃঃ ৩৫*

৫ *চুতীয়া ভূঞা আৰু মটক ৰাজ্য — সৰ্বানন্দ ৰাজকুমাৰ — পৃঃ ১৮*

ৰাজ্যৰ পাতনি মেলে। ডিব্ৰুগড় জিলাৰ দক্ষিণাঞ্চলত এতিয়াও মৰাণ বুলি এটা অঞ্চল আছে।

মৰাণ শব্দটোৰ উৎপত্তি সম্বন্ধে এটা কিম্বদন্তী আছে।*[১] কিম্বদন্তীটো এনেধৰণৰ – চুতীয়া জাতিৰ দুজন ভাই ককাইৰ দুটা ডাঙৰ পৰিয়াল আছিল। এসময়ত দুয়ো পৰিয়ালৰ ভিতৰত কাজিয়া হয় আৰু তাতে সৰু পৰিয়ালৰ মুখীয়ালজনৰ মৃত্যু হয়। তেওঁৰ সন্তান-সন্ততিসকলে মৃতকৰ সৎকাৰ আৰু শ্ৰাদ্ধাদি কৰাৰ পাছত তেওঁলোকৰ উপাস্য দেৱতা কুবেৰৰ পূজা কৰি তেওঁলোকৰ দুখ-বেদনাবোৰ কয় আৰু ভৱিষ্যতে তেনে দুখ-বেদনাৰ পৰা ৰক্ষা পাবৰ বাবে তেনে ধৰণে যেন আৰু কোনো নমৰে তাৰবাবে অমৰ বৰভিক্ষা কৰে। কুবেৰে প্ৰথমে অমান্তি হ'লেও তেওঁলোকৰ কাতৰ প্ৰাৰ্থনা এৰাব নোৱাৰি তথাস্তু বুলি অমৰ বৰ দিয়ে।

বহুদিন পাৰ হৈ যায়। সৰু পৰিয়ালত কোনো নমৰা হয় আৰু বৃদ্ধসকল অলৰ-অচৰ হৈ পৰে। ইতিমধ্যে ডাঙৰ পৰিয়ালৰ বৃদ্ধসকলৰ সকলোৰে মৃত্যু হয় আৰু শ্ৰাদ্ধাদি পাতি উৎসৱ কৰে। আনহাতে সৰু পৰিয়ালৰ বৃদ্ধসকলে বাৰ্দ্ধক্যত অলৰ-অচৰ হৈ কঠোৰ যন্ত্ৰণা ভোগ কৰিবলৈ লয়। তেওঁলোকৰ কোনো নমৰাত মানুহে তেওঁলোকৰ পৰিয়ালক "মৰা নমৰাৰ" পৰিয়াল বুলি কয়। ইয়ে পাছত মৰা নমৰাৰ পৰিয়াল বা মৰা নমৰা বংশ বা মৰাণ বংশ বুলি খ্যাত হয়।

ইফালে সৰু পৰিয়ালৰ সৰ্ব জ্যেষ্ঠ বৃদ্ধজনে অতি বৃদ্ধ হৈ অলৰ অচৰ হয় আৰু অতিশয় কষ্ট খাবলৈ ধৰে। ডেকা গাভৰুইঁতেও ইটো পৰিয়ালৰ দৰে মৃত্যুৰ পাচত শ্ৰাদ্ধাদি উৎসৱ পাতিবলৈ কোনো সুযোগ নোপোৱাত মনতে বৰ দুঃখ অনুভৱ কৰে। তেওঁলোকে পুনৰ কুবেৰৰ পূজাপাতি বৃদ্ধজনৰ মৃত্যু প্ৰাৰ্থনা কৰে যাতে তেওঁ দুখ-কষ্টৰ পৰা মুক্ত হ'ব পাৰে।

তেওঁলোকৰ প্ৰাৰ্থনা মতে পুৰোহিতে আশীৰ্বাদ দি তেওঁলোকৰ গাঁৱৰ বৃদ্ধ ছাগলীটো মৰিলে তাকে সৎকাৰ কৰি শ্ৰাদ্ধাদি কৰাৰ পৰামৰ্শ দিয়ে। কিছু দিনৰ পাচত তেওঁলোকৰ গাঁৱৰ বৃদ্ধ ছাগলীটো মৰাত সেইদৰে সৎকাৰ কৰি শ্ৰাদ্ধাদি কৰে। কিছুদিনৰ পাচত বৃদ্ধজনৰো মৃত্যু হয় আৰু সকলোৱে মহা আনন্দেৰে শ্ৰাদ্ধাদি উৎসৱ কৰে। পুনৰ তেওঁলোকৰ মানুহ মৰিবলৈ আৰম্ভ কৰে। কিন্তু তেওঁলোকৰ "মৰাণ বংশ" নামটো ৰৈ যায়।

তেতিয়াৰ পৰা এতিয়াও মৰাণসকলে ছাগলী নেখায়। (কোনোলোকে বৃদ্ধ হৈ কষ্ট খাই বহু দিন থাকিলে তেনে বৃদ্ধৰ মৃত্যু হৈ আশু মুক্তিৰ কামনা কৰি ভকতৰ আশীৰ্বাদ লোৱাৰ নিয়ম চুতীয়াসকলৰ মাজত এতিয়াও আছে)। জনশ্ৰুতি বিজ্ঞানসম্মত বুৰঞ্জী নহয় কিন্তু জনসমাজত ইয়াৰ প্ৰভাৱ আছে আৰু ই জনসমাজৰ চিন্তাজগতৰ আভাস দিয়ে। ই প্ৰাসঙ্গিক ঘটনাৰ অনুপ্ৰেৰণাতে হয়।

---

১ *কিম্বদন্তীটো শ্ৰীযুত মনোমোহন শইকীয়া দেবৰ পৰা শুনা। তেখেতৰ অতীত ঘৰ শিবসাগৰৰ বানমুখত। বৰ্তমান উঃ লক্ষীমপুৰৰ বাসিন্দা। তেখেত চেৰিকালচাৰ বিভাগৰ এজন অৱসৰপ্ৰাপ্ত সহঃ সঞ্চালক।*

ইয়াৰ উপৰিও সৌমাৰ খণ্ডত বাস কৰা চুতীয়াসকলৰ আৰু কিছু শাখা প্ৰশাখা আছে। সেইবোৰৰ বিষয়ে ২য় সংস্কৃতি খণ্ডত আলোচনা কৰা হৈছে।

## চুতীয়া জাতিৰ বুৰঞ্জীৰ আগ কথা আৰু বুৰঞ্জীৰ চমু পৰিচয়

খাচী আৰু অষ্ট্ৰিকসকলৰ পাচতে তিব্বতো বাৰ্মান ভাষা গোষ্ঠীৰ অন্তৰ্গত বড়ো গোষ্ঠীৰ চুতীয়াসকলে অসমৰ সৌমাৰ খণ্ডত প্ৰৱেশ কৰিছিলহি। এই গোষ্ঠীৰে লোকসকল ভাষা গোষ্ঠীৰ ফালৰ পৰা মূলতঃ বড়ো আৰু চীনৰ পৰা অহা বাবে সাধাৰণভাবে চুতীয়া হ'লেও বিভিন্ন ঠাইত তেওঁলোকে বিভিন্ন নামেৰে পৰিচিত হৈছিল। সেই জনজাতিসমূহৰ নাম আগতে উল্লেখ কৰা হৈছে। ইয়াৰে চুতীয়াসকলে প্ৰাগ্ ঐতিহাসিক যুগতেই ৰাজত্ব স্থাপন কৰিছিল আৰু তেতিয়াৰ পৰাই সৌমাৰ খণ্ডতে থিতাপি লয় আৰু ৰাজ্য স্থাপন কৰি থাকে। প্ৰাগ্ ঐতিহাসিক যুগৰ কথা বাদ দিলেও ঐতিহাসিক যুগত প্ৰায় ৩০০ খ্ৰীঃৰ পৰাই তেওঁলোকে সৌমাৰৰ বিভিন্ন খণ্ডত ৰাজত্ব কৰাৰ উল্লেখ বিভিন্ন বুৰঞ্জীত পোৱা যায়। ইয়াৰে ১১৯৮ খ্ৰীঃৰ পৰা বীৰপাল বংশৰ ৰাজত্বৰ কথা ধাৰাবাহিকভাৱে পোৱা হৈছে। ১১৯৮ খ্ৰীঃৰ পৰা তেওঁলোকৰ বীৰপাল বংশই ধাৰাবাহিক ভাৱে ৰাজত্ব আৰম্ভ কৰে আৰু ১৫২৩ খ্ৰীঃলৈকে ৰাজ্য শাসন কৰে। সেইসময়ত সৌমাৰ খণ্ডত আৰু চুতীয়া ৰাজ্যৰ দক্ষিণাঞ্চলত চুতীয়াৰে বৰাহী আৰু মৰাণ সকলেও সুকীয়াকৈ ৰাজ্য স্থাপন কৰি আছিল। সেই দুই ৰাজ্য আহোম ৰজা স্বৰ্গদেউ চুকাফাই ১২২৮ খ্ৰীঃত কৌশলেৰে হস্তগত কৰিছিল।

অৱশেষত প্ৰায় তিনিশ বছৰৰ পাছত আহোম স্বৰ্গদেউ চুহুংমুঙে চুতীয়া ৰাজ্যও নিজ দখললৈ নিবলৈ সমৰ্থ হয়।

ইয়াৰ পাচৰ আঢ়ৈশ বছৰত চুতীয়াসকলে হেৰুৱা ৰাজ্য উদ্ধাৰৰ বাবে বহুবাৰ বিদ্ৰোহ কৰে। অৱশেষত ১৭৬৯-৭০ খ্ৰীঃত মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি সমগ্ৰ আহোম ৰাজত্ব দখল কৰিবলৈ সমৰ্থ হয় যদিও সেই ৰাজত্ব ছমাহৰ বেছি স্থায়ী নহ'ল।

১৭৯৪ খ্ৰীঃত সৰ্বানন্দ সিংহই তিনিচুকীয়া অঞ্চলত পুনৰ চুতীয়া ৰাজ্য প্ৰতিষ্ঠা কৰে; আৰু আহোম ৰাজত্বৰ শেষলৈকে ৰাজ্য ভোগ কৰে; অৱশ্যে সেয়া অতি ক্ষুদ্ৰাংশতহে আছিল।

১৮২৬ খ্ৰীঃত ইয়াণ্ডাবু সন্ধি সুত্ৰে মান ৰজাৰ পৰা ইংৰাজে অসম লাভ কৰে। সেই বছৰতে অন্য এটা সন্ধি সুত্ৰে সৰ্বানন্দ সিংহৰ ৰাজ্যও ইংৰাজে হস্তগত কৰে। সন্ধি সুত্ৰে সৰ্বানন্দ সিংহৰ বংশধৰসকলে ইংৰাজৰ পৰা পেঞ্চন পায় আৰু ১৯৭৪ চনলৈকে পেঞ্চন ভোগ কৰি থাকে।

এতিয়াও চুতীয়াসকলে অসমৰ উত্তৰ পূব খণ্ডৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, নগাঁও আৰু দৰং জিলাৰ বিস্তৃত অংশত আৰু কাছাৰ জিলাৰো একাংশত তাৰাপুৰ অঞ্চলত বাস কৰে। কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ ৰংমহল আৰু চুতীয়া পাৰাত (বৰ্তমান নাম চাংসাৰি) বহুতো চুতীয়া লোক এতিয়াও আছে। সেইদৰে বৃহত্তৰ

গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত চাকৰি আৰু অন্য কাৰণত থকা চুতীয়াসকলৰ সংখ্যাও কম নহয়।

১৮৯১ চনৰ লোকপিয়ল মতে চুতীয়া জাতিৰ লোকসংখ্যা আছিল ৮৭,৬৯১ জন। কিন্তু ১৯২১ চনৰ লোকপিয়লত সেই সংখ্যা ৯৬,০০৯ হে হয়গৈ। তাৰ পাচত চুতীয়াসকলৰ জনসংখ্যা লোকপিয়লত বেলেগকৈ দেখুওৱা হোৱা নাই। কিন্তু অসমৰ জনসংখ্যাৰ সাধাৰণ বৃদ্ধিৰ হাৰত চুতীয়া জাতিৰ লোকসংখ্যা ১৯৯১ চনত ৫,৬৮,৫৬১ জন হ'ব বুলি অনুমান কৰিব পাৰি।

চুতীয়াসকলৰ বহু আগৰে পৰা শ্যানসকলৰ লগত বিয়া বাৰুৰ যোগেদি তেজৰ সংমিশ্রন হৈছিল। সেয়েহে ১৮৯১ চনৰ লোকপিয়লতো চুতীয়াসকলৰ প্ৰায় এক তৃতীয়াংশ লোকে নিজকে আহোম চুতীয়া বুলিহে লিখিছে।*[১] সেইসকলে পাচত নিজকে সম্পূৰ্ণ আহোম বুলিয়ে পৰিচয় দিয়া হ'ল। ফলত ১৯০১ চনৰ লোকপিয়লত চুতীয়া জনসংখ্যা ৮৫,৮২৯ জন হয়গৈ।

এইদৰে ১৮৯১ চনৰ লোকপিয়লেও চুতীয়া জনসংখ্যাৰ শুদ্ধ পৰিচয় দাঙি ধৰা নাই। ইত্যাদি সকলো কথা বিচাৰ কৰি চাই বৰ্তমানে লোকপিয়লত চুতীয়াসকলৰ শুদ্ধ জনসংখ্যা নিৰ্ধাৰণ কৰিবৰ চেষ্টা কৰিলে এই জাতিৰ লোকসংখ্যা যে দহলাখৰ অধিক হ'ব সেইটো ধুৰুপ।

চুতীয়া জাতিৰ মাজত আহোমসকল অহাৰ বহু আগৰে পৰাই লিখিত ভাষাৰ প্ৰচলন আছিল; কিন্তু তেওঁলোকৰ নিজৰ বুৰঞ্জী লিখাৰ নিয়ম নথকাত আজিও আমি চুতীয়া জাতিৰ লিখিত ধাৰাবাহিক বুৰঞ্জী দেখিবলৈ পোৱা নাই। সেয়েহে বিভিন্ন সমল বিশেষকৈ আহোমসকলৰ বুৰঞ্জীৰপৰা পোৱা সমলেৰেহে চুতীয়া জাতি সম্বন্ধে জ্ঞান আহৰণ কৰিব লাগে। কিন্তু আহোম ৰজা স্বৰ্গদেও চুকাফা ১২২৮ খ্ৰীঃতহে আহিছিল। গতিকে তেওঁলোকৰ বুৰঞ্জীও চুতীয়া জাতিৰ বিষয়ে বৰ বেছি আগলৈ যাব নোৱাৰে, সেইটো সহজে বুজিব পৰা কথা। সি যি কি নহওক সেই আহোম বুৰঞ্জীৰ সমলৰ পৰাই আমি চুতীয়া জাতিৰ বীৰপাল বংশৰ আৰম্ভণি ১১৮৯ খ্ৰীঃৰ পৰা বুৰঞ্জীৰ এক ধাৰাবাহিক গতি অনুসৰণ কৰিব পাৰো।

চুতীয়াসকলৰ জনশ্ৰুতি, বিশ্বাস আৰু পৰম্পৰা মতে তেওঁলোক বিদৰ্ভ বা কুণ্ডিল।*[২] (বৰ্তমান শদিয়া অঞ্চল) ৰাজ্যত ৰাজত্ব কৰা পুৰাণ প্ৰসিদ্ধ ভীষ্মকৰ বংশধৰ।

---

১ *A History of Assam — By Edward Gait, page 40.*

২ *চুতীয়াসকলৰ আৰাধ্য দেবদেবী কুণ্ডিমামাৰ নামানুসৰি এই ৰাজ্যৰ নাম কুণ্ডিল বুলিব পাৰি। আনহাতে কু, ৰাকুঁ শব্দৰ অৰ্থ জোৰেৰে ওলাই অহা; কু-জোৰেৰে ওলাই অহা (Shoofint); ডি=নদী; ল=প্ৰত্যয় (Shoffey) (কোবাল জটিল দীঘল) অৰ্থাৎ য'ত নদীৰ পানী অতি জোৰেৰে ওলাই আহিছে গতিকে কুণ্ডিল মানে পানী বা নদী জোৰেৰে ওলাই অহা নদীৰ পাৰৰ ঠাই। বড়োসকলে নদীক সদায় মাতৃ হিচাবে জ্ঞান কৰিছিল। গতিকে কুণ্ডি মামা চুতীয়াসকলৰ আৰাধ্য দেৱতা আছিল।*

*কুণ্ডিলৰ অন্য এটা নাম বিদৰ্ভ। ই প্ৰাকৃত মূলীয় শব্দ। এই বিদৰ্ভ শব্দৰ অৰ্থাৎ ফালি অহা বা পৰ্বত ফালি ওলাই অহা নদীৰ অঞ্চল।*

ৰজা ভীষ্মকৰ বিষয়ে ভাগৱত পুৰাণত বৰ্ণিত আছে। ৰজা ভীষ্মকৰ লগত থকা চুতীয়া জাতিৰ সম্বন্ধ সম্পৰ্কে কোষেশ্বৰ বৰুৱা এম, এ সম্পাদিত "ছোট কোৱৰৰ বুৰঞ্জী" নামৰ এখন পুৰণি বুৰঞ্জীত উল্লেখ থকা এটা শ্লোকৰ পৰাও সেই কথা থাৱৰ কৰিব পাৰি।

শ্লোক-শদিয়া কোৰ্জকো দেশ ছুটিকা বংশ ভীৰ্ম্মোক ঃ।

ধাতু দ্ৰব্যেতু লেভে বহত্বা জন পদানয়ঃ।।

ইয়াৰ "ছুটিকা" শব্দই চুতীয়া আৰু ভীৰ্ম্মোক শব্দই ৰজা ভীষ্মকক বুজাইছে। এই শ্লোকেও চুতীয়াসকল যে ভীষ্মকৰ বংশধৰ সেই কথা প্ৰতিপন্ন কৰে।

চুতীয়া ৰজা বীৰপালে কুবেৰৰ আদেশ*১ মতে গছৰ তলত খান্দি এখন ঢাল, এখন তৰোৱাল, এটা সোণৰ মেকুৰী, আৰু এঘাগৰী ধন সোণ পায় আৰু তাৰ প্ৰভাৱতে তেওঁ ৰজাহৈ বীৰপাল বংশৰ ৰাজত্ব প্ৰতিষ্ঠা কৰে।

ৰজা ভীষ্মকে খ্ৰীঃপূঃ প্ৰথম সহস্ৰাব্দতে ৰাজত্ব কৰিছিল বুলি অনুমান কৰা হৈছে।*২ গতিকে তেতিয়াৰ পৰাই সৌমাৰ খণ্ডত চুতীয়া ৰাজ্যৰ এক পৰম্পৰা চলি আছিল বুলি অনুমান কৰিব পাৰি।

চুতীয়া জাতিৰ বিশ্বাস আৰু জনশ্ৰুতি মতেই এই বুৰঞ্জী ৰজা ভীষ্মকৰ পৰাই আৰম্ভ কৰা হৈছে। কিন্তু ভীষ্মকৰ পাচৰ পৰা বীৰপাল বংশৰ আৰম্ভণিলৈকে এইচোৱা সময় সুদীৰ্ঘ প্ৰায় দেৰ হেজাৰ বছৰৰ বিষয়ে বিতং তথ্য এতিয়াও উদ্ধাৰ হোৱা নাই।

---

১ *এই কুবেৰৰ শব্দ মতভেদে কুবেৰ্ঘুমুহাহে।*

২ *১৯৮৮ চনৰ ২২ অক্টোবৰ তাৰিখৰ এটা সংবাদমতে প্ৰত্নতত্ব বিভাগৰ প্ৰাক্তন ডাইৰেক্টৰ জেনেৰেল প্ৰফ, পি, বি লালে Indian Council for Historical Resourch অত পঠিত এটা প্ৰবন্ধত ৰামায়ণ আৰু মহাভাৰতৰ সময় খ্ৰীঃপূঃ ক্ৰমে ৭০০ আৰু ৯০৫ অত বুলিহে প্ৰকাশ কৰিছে। তেখেতৰ মতে এই কাব্য দুখন প্ৰথমে গল্প গীতি বা মালিতা হিচাপে প্ৰচলিত আছিল। পাচত খ্ৰীষ্টীয় প্ৰথম শতিকা মানতহে মহাভাৰত ১,০০,০০০ শ্লোকত নিবন্ধ কৰা হয় Assam Tribune, 22 Oct, 1988।*

*ৰায় বাহাদুৰ কণকলাল বৰুৱাদেৱেও মহাভাৰতৰ সময় খ্ৰীঃপূঃ নৱম শতিকা বুলিহে প্ৰকাশ কৰিছে। সেয়ে হ'লে ভীষ্মকৰ ৰাজত্বৰ সময় তাৰ কিছু আগৰ বা খ্ৰীঃপূঃ দশম শতিকা হ'ব পাৰে।*

*মহাভাৰতত উল্লিখিত শ্ৰীকৃষ্ণ, ধৃতৰাষ্ট্ৰ, যুধিষ্ঠীৰ, দুৰ্যোধন অসমৰ ভগদত্ত সম সাময়িক। তথাপিও শ্ৰীকৃষ্ণ সেই সময়ত এজন বৰ্ষীয়ান বুদ্ধিদীপ্ত আৰু জ্ঞানদীপ্ত পুৰুষ। ভীষ্মক তাতোকৈ বৰ্ষীয়ান। শ্ৰীকৃষ্ণই ভীষ্মক কন্যা ৰুক্মিনীক বিবাহ কৰিছিল। গতিকে ভীষ্মক যে সেই সময়ত এজন বৰ্ষীয়ান ৰজা আছিল এই কথা ঠাবৰ কৰিব পাৰি। সেইদৰে বান আৰু নৰকাসুৰো তেতিয়া বৰ্ষীয়ানেই আছিল। গতিকে তেওঁলোক কুৰুক্ষেত্ৰ যুদ্ধৰ থিক আগৰ সময়ৰ বুলি অনুমান কৰিব পাৰি।*

*ওপৰত উল্লেখ কৰা ৰামায়ন আৰু মহাভাৰতৰ সময় ৯০০ আৰু ৭০০ খ্ৰীঃপূঃ বুলি কৰা প্ৰকাশেও তাকে সূচায়।*

*সূৰ্যকান্ত বৰপূজাৰীয়ে সম্পাদনা কৰা আৰু স্নাতক মহলাৰ পাঠ্যপুথি ভাৰত বুৰঞ্জীৰ ১৩৭ খ্ৰীঃত উল্লেখ কৰা এটা কথা আমি এইক্ষেত্ৰত মন কৰিব পাৰো। তাত লিখিছে যে পালি গ্ৰন্থত উল্লেখ থকা মতে যুধিষ্ঠিৰৰ আৰু তেওঁৰ বংশধৰসকলৰ ৰাজত্বকাল খ্ৰীঃপূঃ ৬০০।*

*মহাভাৰত আৰু ৰামায়ণ প্ৰথমে গল্পগীতি হিচাবেহে প্ৰচলিত আছিল। গতিকে এই কথাবোৰ বিচাৰ কৰিলে মহাভাৰত বা ভীষ্মকৰ ৰাজত্ব কাল খ্ৰীঃপূঃ ৬০০ৰ পৰা ১০০০ৰ ভিতৰত বুলি অনুমান কৰিব পাৰি।*

তথাপিও এই সময়চোৱাত এই সৌমাৰ খণ্ডত চুতীয়াসকলেই কেতিয়াবা ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বিভক্ত হৈ বা কেতিয়াবা কোনো অঞ্চল অৰাজক অৱস্থাতে চুতীয়াসকলৰ কবলতে আছিল বুলি অনুমান কৰিব পাৰি। খ্ৰীষ্টীয় ১ম, ২য় শতিকাৰ পাচৰ পৰা তেনে উল্লেখ বিভিন্ন লিখকৰ লিখনিতো পোৱা যায়। তথাপিও এইচোৱা সময়ক আমি চুতীয়া জাতিৰ ইতিহাসৰ কুঁৱলিৰে আচ্ছন্ন যুগ বুলিয়ে অভিহিত কৰিব লাগিব।

অতীতৰ চুতীয়া ৰাজ্যৰ বহুলাংশ এতিয়া অৰুণাচলৰ ভিতৰত। অৰুণাচলত ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, আদিৰ ভগ্নাংৱশেষ বৰ্তমান খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ হৈছে। ইয়াৰ ফলত ভৱিষ্যতে চুতীয়া বুৰঞ্জীৰ বিস্তৃত তথ্য উদ্ধাৰ হোৱাৰ আশা আমি কৰিব পাৰো।

## ভাগৱত পুৰাণত আখ্যান মহাৰাজ ভীষ্মকৰ চুতীয়া ৰাজ্য

চুতীয়াসকল পুৰাণ প্ৰসিদ্ধ মহাৰাজ ভীষ্মকৰ বংশধৰ। ভীষ্মকে খ্ৰীঃপূঃ প্ৰথম সহস্ৰাব্দতে।*[১] বিদৰ্ভ বা কুণ্ডিল (বৰ্তমান শদিয়া) ৰাজ্যত ৰাজত্ব কৰিছিল. এই কথা আগৰ অধ্যায়ত উল্লেখ কৰা হৈছে। তেওঁ এজন পৰাক্ৰমী, জ্ঞানী আৰু সদাচাৰী ৰজা আছিল। তেওঁৰ ৰুক্মিনী নামে এগৰাকী কন্যা আৰু ৰুক্মৰাজ, ৰুক্মবাহু, ৰুক্মাঙ্গদ. ৰুক্মকেতু আৰু ৰুক্মমাল নামে পাঁচজন পুত্ৰ আছিল। বীৰত্বৰ বাবে প্ৰথম পুত্ৰক সাধাৰণতে ৰুক্মবীৰ বুলিয়ে কোৱা হৈছিল।

কন্যা ৰুক্মিণী ৰূপে গুণে অতুলনীয় আছিল। ৰজা ভীষ্মকে ৰুক্মিণীক উপযুক্ত পাত্ৰত বিবাহ দিবৰ বাবে চিন্তিত হৈ পৰিছিল। শেষত তেওঁ পুৰোহিতৰ পৰামৰ্শমতে সেই সময়ৰ উত্তৰ ভাৰতৰ শ্ৰেষ্ঠ পুৰুষ শ্ৰীকৃষ্ণলৈকে বিবাহ দিবৰ কথাকে বিবেচনা কৰি এক স্বয়ম্বৰ সভাৰ আয়োজন কৰিলে; কিয়নো স্বয়ম্বৰ প্ৰথামতে কন্যা অৰ্পণ কৰা সেই সময়ৰ এক ৰাজকীয় নিয়ম আছিল। সেই স্বয়ম্বৰলৈ শ্ৰীকৃষ্ণকো নিমন্ত্ৰণ কৰা হ'ল।

শ্ৰীকৃষ্ণ সেই সময়ত উত্তৰ ভাৰতৰ এজন শ্ৰেষ্ঠ পুৰুষেই নহয়; তেওঁ আছিল দুষ্টক দমন, সন্তক পালন কৰি ধাৰ্মিক আৰু ন্যায়পৰায়ণ যুধিষ্ঠিৰক একছত্ৰী সম্ৰাট হিচাপে স্থাপন কৰি ঐক্যবদ্ধ এখন বিশাল ভাৰত সাম্ৰাজ্য স্থাপন কৰি, ভাৰতক ঐক্যবদ্ধ কৰা আৰু ধৰ্মৰাজ্য প্ৰতিষ্ঠা কৰাৰ বাবে চেষ্টা কৰোতা এজন মহান ৰাজনীতিজ্ঞ।

কেৱল সেয়ে নহয় তেওঁ জ্ঞান, কৰ্ম আৰু ভক্তি যোগৰ সমন্বয়েৰে অৰ্জুনৰ মাধ্যমেৰে, পৰম জ্ঞান প্ৰকাশ কৰি, পৰম সত্যৰ উপলব্ধিৰে সমগ্ৰ মানৱ জাতিকে পূৰ্ণতাৰ পথেদি আগুৱাই নিবৰ বাবে একেশ্বৰবাদী বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক, পালক আৰু সংৰক্ষক ৰূপে অৱতীৰ্ণ এক অৱতাৰ পুৰুষ। সেয়েহে হিন্দুসকলে আজিও তেওঁক কেৱল ভগৱানৰ অৱতাৰ নহয় স্বয়ং ভগৱান বুলিয়ে জ্ঞান কৰে।

---

১ *মতান্তৰত খ্ৰীঃপূঃ ৭ম/৮ম শতিকা। আগৰ অধ্যায়ৰ পাদ টিকা দ্ৰষ্টব্য।*

ভীষ্মক নন্দিনী ৰুক্মিণীয়েও শ্ৰীকৃষ্ণৰ গুণ ৰাজিৰ কথা জানিব পাৰিছিল আৰু তেওঁক পতিৰূপে পাবৰ বাবে মনে প্ৰাণে কামনা কৰিছিল; আৰু তাৰ বাবে শিৱ-পাৰ্বতীৰ থানত*[১] সদায় পূজা অৰ্চনা কৰিছিল। শ্ৰীকৃষ্ণয়ো ৰুক্মিণীৰ ৰূপ লাবণ্য আৰু তেওঁ যে শ্ৰীকৃষ্ণৰ প্ৰতি একান্ত অনুৰক্তা সেই কথা জানিব পাৰিছিল আৰু ৰুক্মিণীক পত্নী ৰূপে পাবৰ বাবে বাঞ্ছা কৰিছিল। কিম্বদন্তী মতে ৰুক্মিণীয়ে কাম্পুনাদ হ্ৰদত গা ধুবলৈ যাওঁতে শ্ৰীকৃষ্ণই তেওঁক মাজে মাজে সেই হ্ৰদৰ পাৰতে দেখাও দিছিল।

আনহাতে পিতৃ ভীষ্মকে ৰুক্মিণীক শ্ৰীকৃষ্ণৰ হাতত অৰ্পণ কৰিবলৈ লোৱা সিদ্ধান্তৰ কথা জানিব পাৰি জ্যেষ্ঠ পুত্ৰ ৰুক্মবীৰ অধৈৰ্য হৈ পৰিছিল। তেওঁৰ মতে শ্ৰীকৃষ্ণ সামান্য এক গোৱালৰ ল'ৰা, তেওঁ বিনা দোষতে মোমায়েক কংসক হত্যা কৰিছে; আনহাতে তেওঁ ভীৰুও কাৰণ জৰাসন্ধৰ ভয়ত সাগৰৰ মাজত দ্বাৰকাত পলাই আছেগৈ। তদুপৰি গকুলত গৰু ৰাখি ফুৰোতে গোপীসকলৰ লগত কত কেলেঙ্কাৰী কৰিলে ঠিক নাই। তেনে এজন ৰুক্মিণীৰ উপযুক্ত পাত্ৰ কেতিয়াও হ'ব নোৱাৰে। ৰুক্মিণী এগৰাকী ৰাজকন্যা; গতিকে ৰুক্মিণীৰ উপযুক্ত পাত্ৰ চেদীৰাজ শিশুপালহে। তেওঁ কেৱল ৰজাই নহয় এজন বীৰো।

বৃদ্ধৰাজ ভীষ্মকে উপায়ন্তৰ হৈ জ্যেষ্ঠ পুত্ৰৰ কথাতে সন্মত হৈছিল।

এই সকলোবোৰ কথা গম পাই ৰুক্মিণী অধৈৰ্য হৈ পৰিল আৰু কি কৰিব উপায় চিন্তা কৰিবলৈ ধৰিলে।

ভগ্নহৃদয়া, চিন্তাক্লিষ্টা ৰুক্মিণীয়ে হঠাৎ দেখা পালে তেওঁৰ ওচৰত ৰাজ কবি ব্ৰাহ্মণ বেদনিধিক। বেদনিধিক সকলো বিবৰি কোৱাৰ পাছত তেওঁ বেদনিধিক দ্বাৰকালৈ যাবলৈ আৰু শ্ৰীকৃষ্ণক এই সকলো জনাবলৈ অনুৰোধ কৰি তেওঁৰ হাতত এখন পত্ৰ দিলে।

ৰাজকন্যা ৰুক্মিণীৰ পত্ৰলৈ বেদনিধি দ্বাৰকা পালেগৈ। দ্বাৰকাত শ্ৰীকৃষ্ণই বেদনিধিক যথাযোগ্য আদৰ অভ্যৰ্থনা কৰাৰ পাচত আগমনৰ উদ্দেশ্য সোধাত বেদনিধিয়ে প্ৰথমে শ্ৰীকৃষ্ণৰ গুণ গাই ক'লে যে তেওঁ ৰূপে গুণে অতুলনীয় ভাৰতৰ এজন শ্ৰেষ্ঠ যুৱক। এনে এজন যুৱকৰ বাবে ভাৰতত এগৰাকীয়ে ৰূপৱতী আৰু গুণৱতী কন্যা আছে আৰু তেৱেঁ ৰুক্মিণী। ৰুক্মিণীয়েও তেওঁক মনে প্ৰাণে কামনা কৰে। তাৰ পাছত উপস্থিত বিপদৰ সকলো কথা বিবৰি কৈ তেওঁৰ হাতত ৰুক্মিণীৰ পত্ৰ দিলে।

পত্ৰ পাই শ্ৰীকৃষ্ণই সকলো কথা বুজিব পাৰি স্বয়ম্বৰ সভাৰ পৰাই ৰুক্মিণীক হৰণ কৰি অনাৰ কথা চিন্তা কৰি কুণ্ডিললৈ বুলি যাত্ৰা কৰিলে। হাতত সময় আছিল নিচেই কম। সেয়েহে বেদনিধিক লগত লৈ শ্ৰীকৃষ্ণই কুণ্ডিল অভিমুখে অকলেই যাত্ৰা কৰিলে; কিন্তু শ্ৰীকৃষ্ণই অকলে যোৱাত বিপদৰ আশঙ্কা কৰি ককায়েক বলোভদ্ৰই সেনাপতি সাত্যকি আদিৰে সৈতে সুসজ্জিত সেনা বাহিনী লৈ পাছে পাছে যাত্ৰা কৰিলে।

---

১. *এই থানক শদিয়াৰ কছাৰী, চুতীয়া, বড়োসকলে কুণ্ডিমামা বা বুঢ়া-বুঢ়ীৰ থান আৰু মিচিমিসকলে এতিয়াও গাখুণ্ডা গাখুণ্ডীৰ থান বুলি কয় আৰু এতিয়াও তাত পূজা দিয়ে। সেই ঠাইত এতিয়াও মন্দিৰৰ ভগ্নাংৱশেষ ইটা শিল আদি পৰি আছে-- ৰাজকন্যা তুমি অনন্যা-- ভূপেন্দ্ৰ কুমাৰ দাস*

বেদনিধিৰ হাতত পত্ৰ পঠাই ৰুক্মিণীয়েও চিন্তাত দিন কটাবলৈ ধৰিলে। তেওঁ চিন্তা কৰিলে সঁচাকৈয়ে ৰুক্মিণীৰ কাতৰ অনুৰোধ ৰক্ষা কৰি শ্ৰীকৃষ্ণ বাৰু আহিবনে? আন হাতে হাতত সময় অতি কম। এই কম সময়ৰ ভিতৰতে শ্ৰীকৃষ্ণ আহি পাব পাৰিবনে?

স্বয়ম্বৰৰ সকলো আয়োজন সম্পূৰ্ণ হ'ল। দেশ-বিদেশৰ ৰজাসকল আহি কুণ্ডিল ভৰি পৰিলহি। ৰুক্মিণীক কন্যাৰ সাজত অপূৰ্ব সুন্দৰী কৰি সজোৱা হ'ল। দেশ-বিদেশৰ ৰজা মহাৰজাসকলে ৰুক্মিণীৰ বৰমাল্য পাবৰ বাবে বুকুত উৎকণ্ঠাৰে বাটচাই ৰ'ল।

এনে সময়তে ৰুক্মিণী ওলাল তেওঁৰ চিৰ আৰাধ্য গিৰা-গিৰাকী, বুঢ়া-বুঢ়ী বা কুণ্ডি-মামাৰ*[১] থানত পূজা দিবলৈ। মনতে আশা যদি তেওঁ আগৰ দৰেই সেই কম্পুনাদ হ্ৰদৰ পাৰতে শ্ৰীকৃষ্ণকো দেখা পায়। প্ৰিয় সখীসকল আৰু সেনা বাহিনীৰ দ্বাৰা বেষ্টিতা হৈ ৰুক্মিণীয়ে গৈ কুণ্ডিমামাৰ চৰণত এই বিপদৰ পৰা মুক্তি পাবৰ বাবে কাতৰ প্ৰাৰ্থনা জনালেগৈ।

থানৰ পৰা পূজাৰ অন্তত ঘূৰি আহোতে বাটতে হঠাৎ শ্ৰীকৃষ্ণৰ আৱিৰ্ভাৱ হ'ল আৰু ৰুক্মিণীৰ মনোবাঞ্ছা পূৰ্ণ কৰি শ্ৰীকৃষ্ণই ৰুক্মিণীক অতৰ্কিতে ৰথত তুলি সেনা বাহিনীৰ মাজৰ পৰা লৈ গুচি গ'ল। উপস্থিত ৰজাসকলেও কি হ'ল কি নহ'ল ততেই ধৰিব নোৱাৰিলে। কিছু সময়ৰ পাচত ৰজাসকলৰ যেন স্বপ্ন ভঙ্গ হ'ল। তেওঁলোকে নিজ বাহুবলেৰে ৰুক্মিণীক শ্ৰীকৃষ্ণৰ হাতৰ পৰা উদ্ধাৰ কৰি আনিবলৈ খেদি গ'ল। বিশেষকৈ চেদীৰাজ শিশুপাল বিক্ষুব্ধ হৈ উঠিছিল, কিয়নো ৰুক্মিণীৰ ককায়েক ৰুক্মবীৰে ৰুক্মিণীক নিজ বন্ধু শিশুপাললৈ দিবৰ বাবে প্ৰতিজ্ঞাবদ্ধ আছিল। কিন্তু ইতিমধ্যে শ্ৰীকৃষ্ণ গৈ বহু দূৰ পালেগৈয়ে। তথাপিও ৰজাসকলে তীব্ৰ বেগেৰে খেদি গৈ আগবাঢ়ি অহা শ্ৰীকৃষ্ণৰ সেনা বাহিনীক লগ পালেগৈ। তুমুল যুদ্ধ হ'ল। কিন্তু ৰজাসকল পৰাজিত হ'ল।

অলপ পাচতহে ৰুক্মবীৰে এই ঘটনাৰ গম পালে। খঙত অধীৰ হৈ ভনীয়েকক শ্ৰীকৃষ্ণৰ হাতৰ পৰা উদ্ধাৰ কৰিবৰ বাবে তেবোঁ সসৈন্যে খেদি গ'ল। তেওঁ প্ৰতিজ্ঞা কৰিলে-- যদি তেওঁ ৰুক্মিণীক উদ্ধাৰ কৰি আনিব নোৱাৰে তেন্তে নিজ ৰাজ্যলৈ আৰু কেতিয়াও ঘূৰি নাহে।

---

১ *গিৰা=বুঢ়া; গিৰাচী=বুঢ়ী*

*কুণ্ডি--কু=জোৰেৰে ওলাই অহা*

*ডি=নদী।*

*এতেকে য'ৰ পৰা সৃষ্টি প্ৰকাশ হৈছে আৰু প্ৰবাহিত হৈছে। অৰ্থাৎ সেই পৰম ব্ৰহ্ম বা পৰম পুৰুষ।*

*মামা=মা=জ্যেষ্ঠ, মা=মাতৃ*

*এতেকে পৰম মাতৃ যাৰ মাজেদি সৃষ্টি প্ৰকাশিত হৈছে।*

*চুতীয়াসকলে বা বড়ো গোষ্ঠীৰ সকলোৱে পুৰুষ আৰু প্ৰকৃতিৰ পূজা কৰে। কিন্তু কোনো মূৰ্তিক নহয়। পুৰুষৰ প্ৰতীক লিঙ্গ আৰু প্ৰকৃতিৰ প্ৰতীক বুলি।*

*সেইবাবে তেওঁলোকে ধৰিত্ৰীক মাতৃ বা প্ৰকৃতি আৰু মাটিকালি ওলাই অহা সকলো বস্তু বা শিলাখণ্ডক পুৰুষৰ প্ৰতীক বুলি গণ্য কৰে।*

বহুদূৰ গৈ তেওঁ শ্ৰীকৃষ্ণক লগ পালেগৈ। তাতে দুয়োৰে মাজত তুমুল যুদ্ধ হ'ল। প্ৰবাদ আছে যে সেই যুদ্ধত ৰুক্মিণীয়ে নিজে ৰথ চালনা কৰি শ্ৰীকৃষ্ণক যুদ্ধত সহায় কৰিছিল। যুদ্ধত ৰুক্মবীৰ পৰাজিত হৈ বন্দী হ'ল। পৰাজিত ৰুক্মবীৰক বধ কৰিবৰ বাবে শ্ৰীকৃষ্ণ উদ্যত হোৱা দেখি ভ্ৰাতৃৰ আসন্ন বিপদত ৰুক্মিণীৰ হৃদয় হাহাকাৰ কৰি উঠিল। তেওঁ ককায়েকক প্ৰাণে নামাৰিবৰ বাবে শ্ৰীকৃষ্ণক কাতৰ প্ৰাৰ্থনা জনালে। শ্ৰীকৃষ্ণয়ো ৰুক্মিণীৰ অনুৰোধ ৰক্ষা কৰি ৰুক্মবীৰক প্ৰাণে নামাৰি বন্দী কৰি থলে।

বন্দী ৰুক্মবীৰক দেখি বলোভদ্ৰই শ্ৰীকৃষ্ণক ক'লে যে ৰুক্মবীৰ এতিয়া তেওঁৰে জ্যেষ্ঠজন হ'ল। এনেস্থলত তেওঁৰ জ্যেষ্ঠজনক তেওঁ এনেকৈ বন্দী কৰি থোৱাটো কোনোৰূপে শুভনীয় নহয়। বলোভদ্ৰৰ কথা শুনি শ্ৰীকৃষ্ণই ৰুক্মবীৰক মুক্ত কৰি দিলে। কিন্তু শাস্তি হিচাপে তেওঁৰ মূৰৰ চুলি খুৰাই পেলালে।

মুক্ত ৰুক্মবীৰে লাজে অপমানে অতীষ্ঠ হৈ আৰু পূৰ্ব প্ৰতিজ্ঞা সোঁৱৰি নিজ ৰাজ্যলৈ ঘূৰি নাহি তাতে সসৈন্যে এখন নগৰ পাতি থাকিল। সেই ঠাইয়ে বৰ্তমান বিহাৰৰ ছোটনাগপুৰ বুলি নিৰ্ধাৰণ কৰা হৈছে, আৰু সেই ঠাইৰ নাম চুতীয়া নাগপুৰ বুলি চিনাক্ত কৰা হৈছে।*১ সেই ঠাইৰ মানুহে ৰুক্মবীৰকে সোঁৱৰি এতিয়াও চুলি চুটিকৈ কাটি থাকে।

এইক্ষেত্ৰত 'A History of Assam নামৰ গ্ৰন্থত Sir Edward Gait এ লিখা নিম্নোক্ত উক্তি প্ৰণিধানযোগ্য। তেখেতে লিখিছে– Although in Assam Khasi is the only surviving language of the earlier Mongolian invaders, the fact that they penetrated as far as Chota Nagpur and (apperently) the Punjab, shows that they must have entered Assam in great numbers*২

ইয়াৰ পৰাও দেখা যায় যে ভীষ্মক চুতীয়াসকলৰ আদি ৰজা। কিন্তু ভীষ্মককো চুতীয়া জাতিৰ আদি ৰজা বুলি ক'ব নোৱাৰি; কাৰণ ভীষ্মকৰ সময়ত সেই ৰাজ্যৰ যথেষ্ঠ ভাবে উৎকৰ্ষ হোৱা আমি দেখিবলৈ পাওঁ। গতিকে সেই ৰাজ্যৰ পৰম্পৰা যে তাৰো বহুত আগতে আৰম্ভ হৈছিল সেইটো থিক। তথাপিও সিবিলাকৰ কোনো তথ্য বা কিম্বদন্তীও নথকাত ভীষ্মককেই চুতীয়াসকলৰ আদি ৰজা বুলি গ্ৰহণ কৰা হৈছে।

ভীষ্মকে কুণ্ডিলত ৰাজত্ব কৰাৰ সময়ত প্ৰাগজ্যোতিষপুৰত নৰকাসুৰে ৰাজত্ব কৰিছিল। নৰকাসুৰো এজন প্ৰবল পৰাক্ৰমী ৰজা আছিল। নৰকাসুৰে কুণ্ডিলৰাজ ভীষ্মকৰ

---

১ *"যি দেশত স্বাতী নৈৰ পৰা যোৱা মানুহবিলাক ৰলগৈ সেই দেশৰ নাম হ'ল ছোটনাগপুৰ। তাৰ নাম যে "ছোটনাগপুৰ" নহয় "চুতীয়া নাগপুৰ" তাক ডেল্টন আৰু ব্ৰেড্‌লী বাট চাহাবে স্বীকাৰ কৰিছে। ছোটনাগপুৰীয়া মানুহে তেওঁ বিলাকৰ নাম চুতীয়া বা চতীয়া আছিল বুলি কলতহে ডেল্টনে ছোট নহয় চুতীয়া বুলি সঁচা কথাটো লিখি গ'ল।"*

*-- সদৌ চুতীয়া জাতি সন্মিলনৰ সোণালী জয়ন্তী সংখ্যাৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ– বেণুধৰ শৰ্মা, -- পৃঃ ৪*

*(এই ক্ষেত্ৰত চুতীয়াসকল স্বাতী নৈৰ পৰা যোৱা কথা আমি মানি নললেও ছোটনাগপুৰ বা চুতীয়া নাগপুৰৰ লোকসকল যে চুতীয়া সেই কথা ইয়াৰ পৰাই প্ৰতীয়মান হয়।)*

২ *A History of Assam. — Sir Edward Gait. — page-6.*

লগত মিত্ৰতা সূত্ৰত আবদ্ধ হৈ তেওঁৰ মায়া নামৰ এটি কন্যা বিবাহ কৰিছিল।*১ পাচত নৰকাসুৰৰ আচৰণত কোপিত হৈ শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰে।

বৰ্তমান হিন্দী ভাষাত "চুতীয়া" বুলি এটা শব্দ আছে। তাৰ অৰ্থ হ'ল মূৰ্খ, অজ্ঞ বা বুদ্ধিহীন (dull headed)। অসমীয়া ভাষাত চুতীয়া শব্দই চুতীয়া জাতিকহে বুজায় আৰু তাৰ অৰ্থ হ'ল দেৱভূমি বা স্বৰ্গভূমিৰ পৰা অহা লোক। চুতীয়াসকলে অতীজৰে পৰা আৰু এতিয়াও প্ৰধানকৈ উজনী অসমতে বাস কৰে। নামনি অসমৰ মানুহে এই চুতীয়া জাতিৰ কথা নেজানি হিন্দী ভাষীসকলৰ লগতে তেওঁলোকেও চুতীয়া শব্দটো বুদ্ধিহীন বা মূৰ্খ অৰ্থত গালি হিচাপে ব্যৱহাৰ কৰে। ই অতি দুৰ্ভাগ্যজনক।

আমি ওপৰত উল্লেখ কৰিছোঁ যে ভীষ্মক পুত্ৰ ৰুক্মবীৰে স্বনিৰ্বাসিত হৈ ছোটনাগপুৰ বা চুতীয়া নাগপুৰত সদল-বলে নগৰ পাতি বাস কৰিছিল। (ছোটনাগপুৰ বৰ্তমান বিহাৰৰ দক্ষিণ পশ্চিম অংশৰ এখন জিলা) সেই ঠাইৰ মানুহে ৰুক্মবীৰ আৰু চুতীয়াসকলে তেতিয়াও শ্ৰীকৃষ্ণৰ পৰাক্ৰম আৰু সৰ্বজন প্ৰিয়তাৰ কথা নজনা বুলি ভাবি পৰাজিত আৰু অপমানিত ৰুক্মবীৰক চুতীয়াবোৰ অজ্ঞ বা মূৰ্খ বুলি ইতিকিং কৰিছিল। কিয়নো সেই সময়ত শ্ৰীকৃষ্ণ উত্তৰ ভাৰতৰ সাধুসন্ত সকলৰ ৰক্ষাকৰ্তা আৰু ধৰ্মৰ প্ৰকাশক আৰু ৰক্ষক হিচাপে অৱতীৰ্ণ হৈ সৰ্ব জনমানসত ভগবান ৰূপে প্ৰতিপন্ন হৈছিল।

কিন্তু চুতীয়া শব্দটো এই ক্ষেত্ৰতো এটা প্ৰয়োগহে। শব্দটোৰ প্ৰকৃত অৰ্থ মূৰ্খ বা অজ্ঞ নহয়। অসমীয়া ভাষাত "নাৰদ" বুলিলে এজন তুতকীয় মানুহক বুজায়। কিন্তু নাৰদ ভাৰতবৰ্ষৰ এজন শ্ৰেষ্ঠ বৈষ্ণৱ ঋষি। নাৰদৰ চোৰকো চোৰ কৰিবলৈ কোৱা আৰু গৃহস্থকো জাগি থাকিবলৈ কোৱা ভূমিকাৰ বাবেই সেই শব্দটো তুতকীয়া অৰ্থতো প্ৰয়োগ কৰা হয়; কিন্তু নাৰদ শব্দটোৰ অৰ্থ তুতকীয়া নহয়। সি এটা প্ৰয়োগহে।

গতিকে চুতীয়া শব্দ প্ৰকৃতাৰ্থত গালি নহয় সি এটা প্ৰয়োগহে।

অসমীয়া আৰু ইংৰাজী ভাষাত এনে কিছুমান একে শব্দ আছে যাৰ অৰ্থ অসমীয়াত অতি অশ্লীল অথচ ইংৰাজীত অতি সঘনে ব্যৱহাৰ কৰি থকা শব্দ। সেইবোৰৰ উল্লেখ নিষ্প্ৰয়োজন।*২

হিন্দী ভাষাত চুতীয়া শব্দৰ অৰ্থ অজ্ঞ বা মূৰ্খ হোৱাৰ বাবেই বহুতো চুতীয়া শিক্ষিত লোকে নিজকে চুতীয়া বুলি ক'বলৈকে লাজ কৰে সি এটা দুৰ্বলতা। চুতীয়া শব্দৰ প্ৰকৃত অৰ্থ বুজিলে চুতীয়াসকলে নিজকে "চুতীয়া" বুলি চিনাকি দি নিশ্চয় গৰ্বীতহে হ'ব।

ইয়াৰ পৰা দেখা যায় যে শ্ৰীকৃষ্ণই ভীষ্মকৰাজ কন্যা ৰুক্মিণীক বিবাহ কৰাৰ আগত আৰু পাছতো এই ৰাজ্যত শ্ৰীকৃষ্ণ আৰু বৈষ্ণৱ ধৰ্মত প্ৰভাৱ পৰিছিল।

---

১ *অসম বুৰঞ্জী — পদ্মনাথ গোঁহাই বৰুৱা — পৃঃ ৮৯*

২ *বাণীকান্ত কাকতিদেৱে অসমীয়া ভাষাত বহুতো মুণ্ডাৰী শব্দ থকাৰ উদাহৰণ দিছে। প্ৰকৃততে সেইবোৰৰ কিছুমান মুণ্ডাৰী ভাষাতহে অসমীয়া বা চুতীয়া জাতিৰ ব্যৱহৃত শব্দ। চাৰ অড়ৱাৰ্ড গেইটৰ পূৰ্বত উল্লেখ কৰা উক্তি মতেও প্ৰাচীন মঙ্গোলীয় গোষ্ঠীৰ লোকসকলে ছোটনাগপুৰ আনকি পঞ্জাব পৰ্যন্ত বিস্তৃত হৈ পৰিছিল। এই উক্তিয়ে সেই কথাকে সমৰ্থন কৰে।*

ইৰাণী আৰ্য বা ককেচইড্‌সকল অসমলৈ অহাৰ পাচত প্ৰাগ্‌জ্যোতিষপুৰ, শোণিতপুৰ আৰু কুণ্ডিলপুৰতে আমি প্ৰধানকৈ আৰ্য সংস্কৃতিৰ প্ৰভাৱ দেখিবলৈ পাওঁ। কামৰূপ, নৰকাসুৰ, শোণিতপুৰ, চিত্ৰলেখা, উষা, ভীষ্মক, ৰুক্মিণী, কুণ্ডিলপুৰ আদি নামবোৰৰ পৰাই এইবোৰ ঠাইত আৰ্য ভাষা সংস্কৃতিৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি।

## কুণ্ডিলপুৰত আৰ্য বা বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱ

এটা কথা আমি মন কৰিবলগীয়া যে মহাভাৰত আৰু ভাগৱত পুৰাণৰ বৰ্ণনাসমূহ আখ্যানহে। ই বুৰঞ্জী নহয়। এই ঘটনাসমূহ সেই সময়ৰ এই উত্তৰ-পূব অঞ্চলৰ শক্তিশালী নৰকাসুৰ বাণাসুৰ, ভীষ্মক আদিৰ অৱস্থানৰ সুবিধালৈ তেওঁলোকৰ মাধ্যমেৰে আৰ্য সংস্কৃতি, শ্ৰীকৃষ্ণৰ মাহাত্ম্য, শক্তি আৰু বৈষ্ণৱ বা ভাগৱত ধৰ্মৰ এই অঞ্চলত প্ৰাধান্য দেখুৱাবৰ বাবে আৰু প্ৰচাৰৰ বাবে ভাগৱত আৰু মহাভাৰত ৰচনা কৰোতাই কৰা প্ৰচেষ্টা বুলি অনুমান কৰিব পাৰি। গতিকে ইয়াক মূল সত্যৰ অৱলম্বনত একোটা কাব্যিক ৰূপ বুলিহে ধৰিব লাগিব।

এই ক্ষেত্ৰতো আমি এইকথা ভাবিব পাৰো যে ৰামায়ন আৰু মহাভাৰত আৰ্যসকলৰ এই দুই গ্ৰন্থৰ যোগেদি স্থানীয় জনগোষ্ঠীসমূহক সাংস্কৃতিক ভাবে বিজয় কৰাৰ এক কৌশল প্ৰচ্ছন্ন ভাবে নথকা নহয়।

এই ক্ষেত্ৰত নৰকাসুৰ আৰু বাণাসুৰৰ শ্ৰীকৃষ্ণ বিৰোধ দৰ্শনীয়। আনহাতে ৰজা ভীষ্মকো শাক্ত বা শৈৱহে আছিল। কিয়নো ভীষ্মক দুহিতা ৰুক্মিণীয়ে শ্ৰীকৃষ্ণক পতিৰূপে পাবৰ বাবে বুঢ়া-বুঢ়ীৰ থানতহে পূজা দিছিল। ৰুক্মিণীৰ ভ্ৰাতৃ ৰুক্মবীৰৰ শ্ৰীকৃষ্ণ বিৰোধ স্পষ্ট।

আমি আগতে উল্লেখ কৰিছো যে চুতীয়াসকল বড়োগোষ্ঠীৰ লোক। বট্‌ শব্দৰ পৰাই বড়ো শব্দৰ উৎপত্তি হৈছে। বৰ্তমানৰ তিব্বতেই অতীতৰ 'বট্' দেশ। 'বট্' শব্দৰ অৰ্থ হ'ল গৃহভূমি। (Homeland) এই বট দেশৰ পূৰ্বাংশ আৰু চীনৰ পশ্চিমাংশকে মঙ্গোলীয় বুলি কোৱা হৈছিল। (Meung = Home land, La = vast, Meung-la = Vast Home land, Meung-La > Mongolia)*[১] এই ঠাইত যিসকল জনজাতি বাস কৰিছিল এওঁলোকৰ ওপৰত পূৰ্বৰ চীনা সংস্কৃতি আৰু পশ্চিমৰ ইজিপ্ত আৰু বেবিলনৰ সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। গতিকে আমি অতীতৰ চুতীয়াসকলৰ মাজতো এই সকলো সংস্কৃতিৰ কিছু কিছু আভাস পাওঁ। ইয়াৰ ভিতৰত পুৰুষ আৰু প্ৰকৃতি পূজাৰ সংস্কৃতি বিশেষ ভাবে উল্লেখযোগ্য।

এই সংস্কৃতিত মাটিৰ তলৰ পৰা মাটি ফালি জুঙাহে ওপৰলৈ উঠি অহা বা গজি অহা গছ বনৰ উপাসনা মন কৰিবলগীয়া। এইদৰে জুঙাহে গজি অহা গছ বন বা মাটি

---

১ *The Background of Assamese Culture — R.M. Nath*

বা শিলাখণ্ডৰ মাজেদি পুৰুষ শক্তিৰ কল্পনা কৰা হৈছিল আৰু পৃথিৱীক মাতৃৰূপে কল্পনা কৰা হৈছিল।

তেওঁলোকে শিজু গছৰ শিৰবোৰৰ মাজেদি পুৰুষ প্ৰকৃতিৰ মিলনৰ আভাস দেখিবলৈ পাইছিল আৰু সেইবাবে শিজু গছ স্থাপন কৰি বাথৌ-ব্ৰিয়া, পুৰুষ-প্ৰকৃতি বা শিৱ পাৰ্বতীৰ পূঁজা কৰিছিল। বড়োগোষ্ঠীৰ বহুতো জনজাতীয় লোকে এতিয়াও বাথৌ পূজা কৰে।

আগতেই কোৱা হৈছে যে তিব্বতো-বাৰ্মান বা বড়োগোষ্ঠীৰ লোকসকলৰ পাচতে অসমলৈ বা সৌমাৰ খণ্ডলৈ অহা লোকসকল হ'ল ইৰাণী আৰ্য বা ককেচইড্‌সকল। তেওঁলোকৰ ভাষা কৃষ্টিযে উন্নত আৰু প্ৰভাৱশালী আছিল এই কথা তেওঁলোকৰ অতি কম সংখ্যক লোকেই সেই সময়ৰ প্ৰাগজ্যোতিষপুৰ, শোণিতপুৰ আৰু কুণ্ডিলৰ স্থানীয় ৰজাসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ পৰাই বুজিব পাৰি।

আৰ্য ব্ৰাহ্মণসকলৰ প্ৰভাৱতেই ভীষ্মকৰ ৰাজ্যত আৰ্য বা বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। সৌমাৰ খণ্ডত থকা চুতীয়াসকল এটা ৰাজকীয় জাতি হোৱাত তেওঁলোকৰ মাজত সাংস্কৃতিক উৎকৰ্ষ হৈছিল আৰু ফলত উন্নত আৰ্য ভাষা সংস্কৃতিৰ প্ৰতি সহজে আকৃষ্ট হৈছিল। ইয়াৰ ফলতে আৰু আৰ্য ব্ৰাহ্মণসকলৰ বৈষ্ণৱ মত আৰু শ্ৰীকৃষ্ণৰ প্ৰতি কৰা প্ৰশংসা আৰু প্ৰচাৰৰ ফলতে ভীষ্মক দুহিতা ৰুক্মিণীৰ মনত শ্ৰীকৃষ্ণ প্ৰীতিয়ে ঠাই পাইছিল আৰু বৃদ্ধৰাজ ভীষ্মকেও কুল পুৰোহিতৰ পৰামৰ্শ আৰু প্ৰিয় দুহিতা ৰুক্মিণীৰ মন বুজি শ্ৰীকৃষ্ণতে সমৰ্পণ কৰিবলৈ ইচ্ছুক হৈছিল।

সেইদৰেই এই বৈষ্ণৱ ব্ৰাহ্মণসকলৰ প্ৰচাৰৰ ফলতেই শোণিতপুৰতো বাণৰজাৰ জীয়াৰী উষায়ো শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ প্ৰতি আকৰ্ষিত হৈছিল। আনহাতে সেই সময়ত উষাৰ পিতৃ বাণ, নৰকাসুৰ আৰু ভীষ্মক পুত্ৰ ৰুক্মবীৰৰ তেওঁলোকৰ নিজ সংস্কৃতিৰ প্ৰতি অটল বিশ্বাসী আৰু শ্ৰীকৃষ্ণ বৈৰী আছিল। নৰকাসুৰৰ পুত্ৰ ভগদত্তয়ো কুৰুক্ষেত্ৰ যুদ্ধত কৃষ্ণ বিৰোধী ভূমিকাহে গ্ৰহণ কৰিছিল। তেওঁলোকে পুৰুষ প্ৰকৃতি বা মহাদেৱ আৰু পাৰ্বতী ভক্তহে আছিল। কিন্তু শ্ৰীকৃষ্ণই ৰুক্মিনীক বিবাহ কৰা আৰু নৰকাসুৰ আৰু বাণাসুৰক হত্যা কৰাৰ পাচত এই অঞ্চলবোৰত মহাদেৱ, পাৰ্বতীৰ লগতে বিষ্ণু পূজা কৰাও দেখিবলৈ পোৱা যায়। ইয়াৰ পাচৰ যুগত এই অঞ্চলত বৈষ্ণৱ সংস্কৃতিৰ যথেষ্ট প্ৰভাব দেখিবলৈ পোৱা যায়।

যুধিষ্ঠিৰৰ ৰাজত্ব কালত অশ্বমেধ যজ্ঞত ঘোৰা মণিপুৰ, কুণ্ডিলপুৰ আদিলৈও গৈছিল। মণিপুৰত নিজপুত্ৰ বভ্ৰুবাহনৰ হাততে অৰ্জুনৰ পৰাজয় হৈছিল। কিন্তু কুণ্ডিলপুৰত তেতিয়া বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱ অতি প্ৰবল হৈ পৰিছিল আৰু ভীষ্মকৰ পাছত ৰাজত্ব কৰা চন্দ্ৰহংসই অৰ্জুনৰ ঘোড়া সভক্তিৰে শ্ৰীকৃষ্ণাৰ্জুনক সমৰ্পন কৰিছিল।

কোষেশ্বৰ বৰুৱা সম্পাদিত ছোটকোৱৰ বুৰঞ্জী নামৰ এখন সৰু পুৰণি বুৰঞ্জী পুথিৰ মতে অতীতত চুতীয়াসকলে তিনিজন দেৱতাক পূজা কৰিছিল। সেইসকল আছিল শিৱ, দুৰ্গা আৰু বিষ্ণু। চুতীয়াসকলে অতীতৰ পৰাই বুঢ়া-বুঢ়ী বা কুণ্ডিমামাৰ থানত পুৰুষ-প্ৰকৃতিকেই পূজা কৰিছিল। আৰু পাছত ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা বিষ্ণু পূজাও

কৰিছিল। যদিও চিৰাচৰিত ভাবে দেউৰী পুৰোহিতসকলৰ দ্বাৰাইহে কা-কৃচিউ-জাকাৰা কা-ছেই-খা গোসানী পূজা কৰিছিল।

কিন্তু পাছৰ যুগত যে বৈষ্ণৱ প্ৰভাৱ ম্লান হৈছিল আৰু তাৰ ঠাইত দেৱী পূজাহে প্ৰবল হৈছিল এই কথা চুতীয়াসকলে নৰবলি দি দেৱী কেচাইখাতী (কা-ছেই-খা; ভগৱতীৰ কন্যা পেচাচী ডেমা) পূজা কৰাৰ পৰাই বুজিব পাৰি।*[১] আৰু ইয়াৰ পৰাই বুজিব পাৰি যে চুতীয়াসকলৰ মাজত অতীত পৰম্পৰা অতি শক্তিশালী হৈ উঠিছিল আৰু হয়তো ইয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক পুনৰ ভাগৱত ধৰ্ম প্ৰচাৰ কৰাৰ বাবে মনৰ মাজত এক বিপ্লৱ জগাই তুলিছিল।

## চুতীয়া জাতিৰ ইতিহাসৰ কুৱলিৰে আৱৰা আদি যুগ

আমি আগতে উল্লেখ কৰিছোঁ যে ৰজা ভীষ্মকৰ ৰাজত্বকাল খ্ৰীঃপূঃ প্ৰথম সহস্ৰাব্দৰ আৰম্ভণিতে তেতিয়াৰ পৰা ১১ শ খ্ৰীঃলৈকে এই কালচোৱাৰ চুতীয়া জাতিৰ ইতিহাসৰ বিষয়ে ধাৰাবাহিক ভাবে সবিশেষ একো জনা নেযায়। সমসাময়িক বিভিন্ন ইতিহাস আৰু লিখনিৰ পৰা ধাৰাবাহিক ভাবে যি জানিবপৰা গৈছে সেয়া হৈছে বীৰপাল বংশৰ প্ৰথম ৰজা বীৰপালৰ পৰাহে।

কিন্তু বড়ো বা চুতীয়াসকলে যে ইয়াৰ বহু আগৰ পৰাই ইয়াত ৰাজ্য শাসন কৰি আছিল এই কথা বিশ্লেষণ কৰি চাৰ এড্‌বাৰ্ড গেইটে কৈছে যে আহোমসকলে ৭০০ বছৰ ৰাজত্ব কৰিছিল অথচ কেৱল দুই এখন ঠাই আৰু নদীৰ নামৰ বাহিৰে বাকী সকলোবোৰেই চুতীয়া বা বড়োসকলে দিয়া নামহে। অথচ আহোমসকল এই অঞ্চলৰ শাসক জাতি আছিল। ইয়াৰ কাৰণ তেওঁৰ মতে আহোম ৰাজত্ব সাতশ বছৰ হ'লেও (আচলতে ছশ বছৰহে লিঃ) বড়ো ৰাজ্যৰ কাল তাতকৈও বহু বেছি আৰু সেইবাবেই আহোম নামে কোনো প্ৰাধান্য বিস্তাৰ কৰিব নোৱাৰিলে।*[২]

আহোমসকলে সকলো কামতে স্থানীয় চুতীয়া ভাষাকে ব্যৱহাৰ কৰাৰ কাৰণো এইটোৱে যে স্থানীয় চুতীয়া লোকৰ তুলনাত তেওঁলোকৰ সংখ্যা অতি কম আছিল আৰু আহোমসকলে সকলোৱে চুতীয়া তিৰোতাকে গ্ৰহণ কৰাত (কাৰণ তেওঁলোকৰ লগত

---

১ *সেই সময়ত বড়োগোষ্ঠীৰ অন্য জাতিসমূহেও নৰবলি দি মাতৃ পূজা কৰিছিল।*

২ *"Ahoma of course were relatively few in number, but they were the dominating race, and the fact that compared with the Bodo tribes they have left so few marks on the toponomy of the country may perhaps be taken to show that the period for which the latter were supreme was far longer than that for which the Ahoms are known to have ruled."*
*— A History of Assam, — Sir Edward Gait — page 7*

এগৰাকীও তিৰোতা অহা নাছিল) স্থানীয় ভাষাৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য আছিল। চুতীয়া তিৰোতাৰ সন্তানসকলে যে মাতৃভাষাকেই ব্যৱহাৰ কৰিব সেইটো সহজে বোধগম্য।

বীৰপালে ১১৮৯ খ্রীঃত সোণাগিৰিত বীৰপাল বংশৰ চুতীয়া ৰাজ্য স্থাপন কৰে। অৱশ্যে তেওঁৰ আগতেও ৫০০ খ্রীঃ মানৰ পৰাই চুতীয়া ৰাজ্যৰ বিভিন্ন ৰজাৰ ৰাজত্বৰ উল্লেখ অন্য গ্রন্থত পোৱা গৈছে।

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুখ্য অধ্যাপিকা ডঃ স্বর্ণলতা বৰুৱাই এটা প্রবন্ধত উল্লেখ কৰা মতে "ইলিয়াচ চাহাবে লিখা শ্যানসকলৰ বুৰঞ্জীত (A History of Shans) সন্নিবিষ্ট এখন বুৰঞ্জীৰ মতে চুকাফাৰ সমসাময়িক চুতীয়া ৰাজ্যৰ ৰজাজন সেই বংশৰ পঞ্চ ত্রিংশতম ৰজাহে।"[1] এই ৰজাসকলৰ প্রত্যেকৰ ৰাজত্বকাল পচিশ বছৰ বুলি ধৰিলেও যে ৰাজত্বকালৰ আৰম্ভণি ৩০০ শতাব্দী পাইগৈ।

চুকাফাৰ আগমনৰ সময়ত চুতীয়া ৰজাৰ ৰজা আছিল (১২২৮ খ্রীঃত) গৌৰী নাৰায়ণ। তেওঁৰ ৰাজ্যত খুৰাক ভদ্রসেনৰ ৰাজ্যও অন্তর্ভুক্ত হৈছিল। গতিকে এইদৰেই চুতীয়া ৰজাৰ পৰম্পৰা অক্ষুণ্ণ আছিল।

গতিকে খ্রীঃ পঞ্চম শতিকাৰ চুতীয়া ৰাজ্যৰ প্রথম ৰজা আছিল অসমভিন্ন। তেতিয়া সেই ৰাজ্যৰ সীমা আছিল পূবে উদয়গিৰি পর্বত (পূবে ব্রহ্মকুণ্ড আৰু পশ্চিমে খামতিৰ পশ্চিম অঞ্চল) দক্ষিণে কছাৰী আৰু নগাসকলৰ বাসভূমি অঞ্চল; পশ্চিমে বিশ্বনাথৰ (আনুমানিক কামৰূপ) ওচৰৰ কুশান নামৰ এক হিন্দু বসতি অঞ্চল আৰু উত্তৰে আমুত মিৰিসকল থকা হিমালয়ৰ নামনি অঞ্চল।

অসম্ভিন্নৰ সাতজন ককাই ভাই আছিল। তেওঁলোকে ব্রহ্মপুত্রৰ তীৰ অঞ্চলত বাস কৰিছিল। অসভিন্নৰ দিনতে বাৰাণসীৰ পৰা অহা এজন ব্রাহ্মণে তেওঁলোকক ব্রাহ্মণ্য ধর্মত দীক্ষিত কৰে। ব্রাহ্মণ অতি শাস্ত্রজ্ঞ আছিল আৰু সেই গুণতে তেওঁ অসম্ভিন্নৰ কন্যাক বিবাহ কৰে।

অসম্ভিন্নৰ পাছত তেওঁলোকৰ বাকীকেইজন ককাই-ভাইৰ সিংহাসনৰ উত্তৰাধিকাৰীলৈ মতান্তৰ হোৱাত অসম্ভিন্নৰ বংশৰে ইন্দ্রদেৱ নামৰ এজন সিংহাসনৰ অধিকাৰী হয়। তেওঁ ত্রিশ বছৰ ৰাজত্ব কৰে। এইদৰে তেওঁৰ উত্তৰাধিকাৰী ৩১ জন ৰজাই ক্রমে সেই সিংহাসনৰ অধিকাৰী হয়। এই শেষৰ ৰজাজনৰ নাম আছিল লেকৰয় ৰজা।

লেকৰয় ৰজাৰ চাৰিজন পুতেক আছিল; তেওঁলোক হ'ল বুৰোৰা, মইসুৰা, কলিতা আৰু কোশীৰজা। লেকৰয়ৰ মৃত্যুৰ পাছত তেওঁৰ উত্তৰাধিকাৰী কোনো ৰজা হোৱাৰ আগতেই মানৰজা চামলুঙে চুতীয়া ৰাজ্য আক্রমণ কৰে। যুদ্ধত বুৰোষাৰ মৃত্যু হয়, মইসুৰাই লগত বহুতো অনুগামী লৈ মাইংবিং (বর্তমানৰ বিশ্বনাথৰ ওচৰত) নামৰ ঠাইলৈ পলাই যায়, কলিতায়ো এটা শক্তিশালী দল লগত লৈ পশ্চিমৰ ফালে গৈ ব্রহ্মপুত্রৰ

---

১ *সোণাগিৰি -- ধেমাজি চুতীয়া সন্মিলনৰ ৬ষ্ঠ বার্ষিক অধিবেশন। স্মৃতিগ্রন্থ – পৃঃ ১২।*

পাৰতে এখন ৰাজ্য স্থাপন কৰে। কোশী ৰজাক মানৰজাই বন্দী কৰে আৰু শেষত তেওঁক কৰতলীয়া ৰজা কৰে।

চামলুঙফাই তাত এজন শাসনকৰ্তা (তামন) নিয়োগ কৰি মগঙলৈ উভটি যায়। কিন্তু পাঁচ মাহৰ পাচতে বিহ খুৱাই সেই শাসনকৰ্তাজনৰ মৃত্যু ঘটোৱাৰ পাছত কোশীৰজা স্বাধীন ৰজা হয়। তেৰশ শতিকাৰ আগতে চামলুংফাই অসম আক্ৰমণ কৰাৰ সময়ত কোশীৰজা সেই অঞ্চলত ৰজা আছিল।

ইন্দ্ৰদেৱৰ পৰা কোশী ৰজালৈকে মুঠতে ৩১ জন ৰজাই ৰাজত্ব কৰা বুলি সেই বুৰঞ্জীত উল্লেখ কৰা হৈছে। এইদৰে ইন্দ্ৰদেৱৰ পৰা হিচাপ কৰিলে প্ৰতি ৰজাৰ ৰাজত্বকাল ২৫ বছৰ ধৰি হিচাপ কৰিলে মোটামুটি ভাবে প্ৰায় ৭৭৫ বছৰ হয় আৰু অসম্ভিন্নৰ ৰাজত্ব কালক পঞ্চম শতিকা বুলি ধৰিব পাৰি।*১

এইদৰে চুতীয়া ৰাজ্যৰ এটা পৰম্পৰা আমি সুদূৰ অতীতৰ পৰাই দেখিবলৈ পাওঁ। এই পৰম্পৰা যে ভীষ্মকৰ দিনৰ পৰাই চলি আহিছিল সেইটোও অনুমান কৰিব পাৰি। অৱশ্যে সেই ৰাজ্য একেজন ৰজাৰ তলতে নহৈ ভীষ্মকৰ বংশ বৃদ্ধিৰ লগে লগে সৰু-সুৰা অনেক ৰাজ্যত ভাগহৈ আৰু কোনো অংশত কেতিয়াবা অৰাজক অৱস্থাত থাকিও যাব পাৰে। আহোম ৰজা চুকাফা অহাৰ সময়ত থকা চুতীয়া গোষ্ঠীৰ মৰাণ আৰু বৰাহী ৰাজ্য আৰু বীৰপাল আৰু ৰত্নধ্বজপালৰ সময়ত থকা কালগিৰি, নীলগিৰি, শ্বেতগিৰি, দেবগিৰি আদি ৰাজ্যৰ অৱস্থিতিয়ে তাকেই প্ৰমাণ কৰে।

ওপৰত উল্লেখিত কোশী ৰজায়ো তাকে সুচায়। ইয়াৰ ভিতৰতে কোনোজনে শক্তিশালী হৈ কেইবাখনো ক্ষুদ্ৰ ৰাজ্য নিজ ৰাজ্যভুক্ত কৰি শাসন কৰা হ'ব পাৰে।

এইদৰে বীৰপালে বীৰপাল বংশৰ ৰাজত্ব আৰম্ভ কৰাৰ আগতে আমি আৰু আন ৪জন ৰজাৰ নামৰ উল্লেখ পাওঁ। তাৰ পাছত বীৰপাল চুতীয়া ৰাজ্যৰ ৰজা হয়।

চুতীয়া ৰজা বীৰপালে তেওঁৰ খুৰাক ভদ্ৰসেনৰ ৰাজ্য জয় কৰি নিজ ৰাজত্ব ভুক্ত কৰিছিল। ভদ্ৰসেন তেওঁৰ বংশৰ পঞ্চম ৰজা। তেওঁৰ আগৰ ৰজা কেইজন আছিল--

(১) সুৰধ্বজ।

(২) গিৰিধ্বজ।

(৩) দেৱধ্বজ।

(৪) সন্তধ্বজ ওৰফে সন্তনাৰায়ণ। সন্তধ্বজ অপুত্ৰক আছিল। গতিকে বৰকুৱৰীৰ ভায়েক ভদ্ৰসেন ৰজা হয়। ভদ্ৰসেনৰ পাছৰ ৰজা হ'ল বীৰপাল।

বীৰপাল চুতীয়া বংশৰ এজন শক্তিশালী যুবক আছিল। তেওঁ কুবেৰৰ স্বপ্নাদেশ মতে এজোপা গছৰ তলত খান্দি এখন ঢাল, এখন তৰোৱাল আৰু সোণৰ মেকুৰী পায়। সেই সম্পদ নি পূজা-পাতল কৰি অতি শক্তিশালী হৈ নিজে ৰাজ্য স্থাপন কৰে আৰু ভদ্ৰসেনৰ ৰাজ্যৰ ওপৰিও অন্য কেইবাখনো সৰু ৰাজ্য জয় কৰি বীৰপাল বংশৰ ৰাজত্বৰ পাতনি মেলে।

---

১ *সতী সাধনীৰ উৎসৱ উদ্‌যাপন সমিতিৰ স্মৃতিগ্ৰন্থত ডঃ এন এন আচাৰ্য এম,পি,এইচ,ডি দেৱৰ প্ৰবন্ধ।*

এইবিলাক কথাই ইয়াকে সুচায় যে বীৰপালে ৰাজত্ব স্থাপন কৰাৰ সময়ত সেই অঞ্চলত বহুতো ক্ষুদ্ৰ ৰাজ্য আছিল। বীৰপালৰ পাছত বীৰপালৰ পুত্ৰ ৰত্নধ্বজপালে সৰু-সুৰা সকলো ৰাজ্য নিজ ৰাজ্যভুক্ত কৰি এখন বিশাল চুতীয়া ৰাজ্য স্থাপন কৰে। সেই ৰাজ্যৰ বিস্তৃতি সুদূৰ গৌড় ৰাজ্য পৰ্যন্ত হয়গৈ।

সেয়ে হ'লেও বীৰপাল বংশৰ ৰাজত্বৰ আগৰ সময়খিনি ৫ম শতাব্দীলৈকে এইচোৱা চুতীয়া জাতিৰ কুৱলিয়ে আবৰা আদি যুগ বুলিয়ে ক'ব লাগিব যেতিয়ালৈকে ইয়াৰ সবিশেষ বুৰঞ্জী উদ্ধাৰ নহয়।

এইখিনি সময়ৰ ভিতৰত সুৰধ্বজৰ সময়ৰ পৰা ঘটা ঘটনাসমূহৰ বিষয়ে ইয়াকে জনা যায় যে গোড়ীয়পাল ৰজাই সুৰধ্বজৰ ৰাজ্য আক্ৰমণ কৰিছিল। সুৰধ্বজৰ পুত্ৰ গিৰিধ্বজে গৌড়ৰজাৰ লগত যুদ্ধ কৰি গোৰেশ্বৰত দুয়ো ৰাজ্যৰ সীমা কৰে। (বৰ্তমান ৰঙিয়াৰ উত্তৰ-পূবে ২০ কিঃমিঃ দূৰত গোৰেশ্বৰ নামে এডোখৰ ঠাই আছে। সেয়ে এই গোৰেশ্বৰ বুলি অনুমান কৰা হৈছে।)

ইয়াৰ পাছত গিৰিধ্বজৰ পুত্ৰ দেৱধ্বজৰ লগত পুনৰ গৌড়ৰজাৰ যুদ্ধ হয়। সেই যুদ্ধত বৰনদীকে দুয়ো দেশৰ সীমা কৰা হয়। (বৰনদী বৰ্তমান কামৰূপ আৰু দৰং জিলাত সীমাত।)

দেবধ্বজ পুত্ৰ সন্তধ্বজ অপুত্ৰক থকাত বৰ কুঁৱৰীৰ ভায়েক ভদ্ৰসেন ৰজা হয়। বীৰপালে ভদ্ৰসেনক পৰাজয় কৰি সেই ৰাজ্য নিজ ৰাজ্যভুক্ত কৰে। ভদ্ৰসেনৰ ৰাজ্য জয় কৰাত চুতীয়া ৰাজ্যৰ সীমা পশ্চিমে ৰঙানৈলৈকে হয়।

ইয়াৰ পৰা দেখা যায় যে গৌড় ৰজাৰ লগত যুদ্ধত প্ৰথমে চুতীয়া ৰাজ্যৰ সীমা বৰনদীলৈকে হৈছিল যদিও পাছত ভদ্ৰসেনৰ দিনত সংকুচিত হৈ ৰঙা নদীহে পশ্চিম সীমা হয়গৈ।*১

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত ভূঞাসকলে ১৩শ শতিকাৰ পৰা ১৬শ শতিকালৈকে ৰাজত্ব কৰিছিল। (ভূঞাসকলক প্ৰকৃতাৰ্থত ৰজা বুলিব নোৱাৰি। তেওঁলোক মাটিগিৰিহে আছিল।) গতিকে দেৱধ্বজৰ লগত গৌড় ৰজাৰ যুদ্ধ হওঁতে গৌড় ৰাজ্য আৰু চুতীয়া ৰাজ্যৰ মাজত আৰিমত্তৰ উত্তৰাধিকাৰী কোনো অন্য ৰজা আছিল; নতুবা সেই খণ্ড তেতিয়া অৰাজক আছিল। আৰিমত্ত ৰজাক লালুংসকলৰ পূৰ্বপুৰুষ বুলি ধৰা হয়।*২ গতিকে চুতীয়া গোষ্ঠীৰে।

ইফালে পূব ফালৰপৰা সেই সময়চোৱাতে মগং ওৰফে মুংকঙৰ ৰজা চাওলুংফাই চুতীয়া ৰাজ্য দখল কৰি তাত এজন শাসনকৰ্তা পাতি থৈ যায়। চুতীয়াসকলে ছমাহৰ পাচতে তেওঁক হত্যা কৰিলে। তাৰ পাছত মুংকঙৰ ৰজাই চুখান্‌ফাক চুতীয়া ৰাজ্য দখল কৰিবলৈ পথালে। (চামলুংফা আৰু চুখান্‌ফা যঁজা আছিল।) তেওঁ চুতীয়া ৰাজ্য দখল

---

*১ চুতীয়া ভূঁঞা আৰু মটক ৰাজ্য-সৰ্বানন্দ ৰাজকুমাৰ পৃঃ ২৪*

*২ ৰহাৰ ৰহদৈ— অসম সাহিত্য সভাৰ ৰহা অধিবেশনৰ স্মৃতিগ্ৰন্থ— পৃঃ ৭০*

কৰি গুচি গ'ল। এই ঘটনা ১২২৮ খ্ৰীঃত চুকাফা অহাৰ আগৰ।*[1] এই কথা আগতেও উল্লেখ কৰা হৈছে।

ইয়াৰ পাচতে চুকাফা আহি ১২২৮ খ্ৰীঃ মৰাণ আৰু বৰাহী ৰাজ্য জয় কৰি আহোম ৰাজ্যৰ পাতনি মেলে।

## ঐতিহাসিক যুগ
## বীৰপাল বংশৰ ৰাজত্ব স্থাপন

১১৮৯ খ্ৰীঃত বিবৰ বা বীৰবৰ নামে এজন ডেকাই শক্তিশালী হৈ সোণাগিৰি ৰাজ্য স্থাপন কৰে আৰু বীৰপাল নাম লয়।

এই বীৰপাল বংশৰ দহজন ৰজাই ক্ৰমে ৰাজত্ব কৰে। সেই ৰজাসকলৰ ৰাজত্ব কাল তলত উল্লেখ কৰা ধৰণেৰে থিৰাং কৰা হৈছে।*[2]

---

*১ চুতীয়া ভূঁঞা আৰু মটক ৰাজ্য-- সৰ্বানন্দ ৰাজকুমাৰ-- পৃঃ ২৭*

*২ দেওধাই বুৰঞ্জীত পোৱা মতে এই দহজন ৰজাৰ ৰাজত্বকাল তলত দিয়া হ'ল।*

| | | ৰাজত্বকাল |
|---|---|---|
| ১। | বিবৰ বা বীৰবৰ বা বীৰপাল বা গয়াপাল। | |
| | ১১১১ শকৰ পৰা ১১৪৬ শকলৈ | ৩৫ বছৰ |
| ২। | গৌৰী নাৰায়ণ বা সোণাগিৰিপাল বা ৰত্নধ্বজপাল | |
| | ১১৪৬ শকৰ পৰা ১২২৬ শকলৈ | ৮০ বছৰ |
| ৩। | শিৱ নাৰায়ণ বা বিজয়ধ্বজ পাল | |
| | ১২২৬ খ্ৰীঃৰ পৰা ১১৮৭ শকলৈ | ৬১ বছৰ |
| ৪। | জগত নাৰায়ণ বা বিক্ৰমধ্বজ পাল | |
| | ১২৮৭ খ্ৰীঃৰ পৰা ১৩২১ শকলৈ | ৩৪ বছৰ |
| ৫। | প্ৰমত্ত নাৰায়ণ বা গৰুড়ধ্বজ পাল | |
| | ১৩২১ শকৰ পৰা ১৩৬৬ শকলৈ | ৪৫ বছৰ |
| ৬। | হৰিনাৰায়ণ বা শঙ্খধ্বজ পাল | |
| | ১৩৬৬ শকৰ পৰা ১৪১০ শকলৈ | ৪৪ বছৰ |
| ৭। | গোলোক নাৰায়ণ বা মউৰধ্বজ পাল | |
| | ১৪১০ শকৰ পৰা ১৪৯৯ শকলৈ | ৪১ বছৰ |
| ৮। | ব্ৰজনাৰায়ণ বা জয়ধ্বজ পাল বা নন্দীশ্বৰ | |
| | ১৪৫১ শকৰ পৰা ১৪৯৯ শকলৈ | ৪৮ বছৰ |
| ৯। | সত্যনাৰায়ণ বা কৰ্মধ্বজ পাল | |
| | ১৪৯৯ শকৰ পৰা ১৫৫৩ শকলৈ | ৫৪ বছৰ |

১। বিবৰ বা বীৰবৰ বা বীৰপাল বা গয়াপাল।
১১৮৯ খ্ৰীঃৰ পৰা ১২১৩ খ্ৰীঃ ২৪ বছৰ

২। গৌৰীনাৰায়ণ বা ৰত্নধ্বজ পাল বা সোণাগিৰি পাল।
১২১৩ খ্ৰীঃৰ পৰা ১২৬৮ খ্ৰীঃ ৫৫ বছৰ

৩। শিৱ নাৰায়ণ বা বিজয়ধ্বজ পাল।
১২৬৮ খ্ৰীঃৰ পৰা ১৩১০ খ্ৰীঃ ৪২ বছৰ

৪। জগত নাৰায়ণ বা বিক্ৰমধ্বজ পাল।
১৩১০ খ্ৰীঃৰ পৰা ১৩৩৩ খ্ৰীঃ ২৩ বছৰ

৫। প্ৰমত্ত নাৰায়ণ বা গৰুড়ধ্বজ পাল
১৩৩৩ খ্ৰীঃৰ পৰা ১৩৬৩ খ্ৰীঃ ৩০ বছৰ

---

*১০। ধীৰ নাৰায়ণ বা লক্ষ্মী নাৰায়ণ বা ধৰ্মধ্বজ পাল*
*১৫৫৩ শকৰ পৰা ১৫৯৫ শকলৈ ৪২ বছৰ*

*১১। নীতি পাল (ধৰ্মধ্বজৰ জোৱাই)*
*১৫৯৫ শকৰ পৰা ১৫৯৮ শকলৈ ৪৩ বছৰ*

*সৰ্বমুঠ ৰাজত্বকাল ৪৮৭ বছৰ*

*এইদৰে বীৰপাল বংশৰ ৰাজত্বকাল সৰ্বমুঠ ৪৮৭ বছৰ। খ্ৰীষ্টীয় হিচাপে এই ৰাজত্বকাল ১১৮৯ খ্ৰীঃত আৰম্ভ আৰু ১৬৭৬ খ্ৰীঃত পতন হয়। কিন্তু অন্যান্য বুৰঞ্জী মতে চুতীয়া ৰাজ্যৰ পতন ১৫২৩ খ্ৰীঃতহে। আহোম ৰজা স্বৰ্গদেউ চুহুংমুঙৰ দিনত চুতীয়া ৰাজ্য আহোম ৰাজ্যভুক্ত হয়। ১৬৭৬ খ্ৰীঃত আহোম ৰাজ সিংহাসনত আছিল চুজিনফা কোঁৱৰহে। তেওঁ অতি দুৰ্বল ৰজা আছিল।*

*স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্বকাল ১৪৯৭ খ্ৰীঃৰ পৰা ১৫৩৯ খ্ৰীঃলৈ। গতিকে বিভিন্ন বুৰঞ্জী আলোচনা কৰিলে দেখা যায় যে চুতীয়া ৰাজ্যৰ পতন ১৫২৩ খ্ৰীঃটোহে শুদ্ধ।*

*আগতে দেখুওৱা হৈছে যে দেওধাই বুৰঞ্জী মতে বীৰপাল বংশৰ ৰাজত্ব কাল ৪৮৭ বছৰ। কিন্তু চুতীয়া ৰাজ্যৰ পতন ১৫২৩ খ্ৰীঃত হ'লে সেই ৰাজত্বকাল ৩৩৪ বছৰহে হয়। অৰ্থাৎ ১৫৩ বছৰ কম। গতিকে দেওধাই বুৰঞ্জীত দেখুওৱা বিভিন্ন ৰজাসকলৰ ৰাজত্ব কাল আৰু ৰাজত্বৰ চন শুদ্ধ হ'ব নোৱাৰে। অন্য কোনো বুৰঞ্জীত চুতীয়াসকলৰ ৰাজত্বকাল ৩৩৪ বছৰত সীমিত কৰা চন তাৰিখ নোপোৱাত ৰজাসকলৰ ৰাজত্বকালকে অনুপাতিকভাবে কমাই চন তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। এইদৰে নিৰ্ধাৰণ কৰাৰ কাৰণ হ'ল কোনো ৰজাৰ দিনত হোৱা ঘটনা বা কোনো এটা ঘটনা কোন ৰজাৰ দিনত হৈছিল সেইটো নিৰ্ধাৰণ কৰা। এই বিষয়ত ভৱিষ্যতে আৰু অনুসন্ধান কৰিবৰ আৱশ্যকতা আছে। নৱম আৰু দশম ৰজাৰ ৰাজত্বকাল ঘিলামৰাৰ (উঃ লক্ষীমপুৰ) ধেনুখনাত পোৱা তামৰ ফলিৰ ভিত্তিত নিৰ্ণয় কৰা হৈছে। এইদৰে ১৫২৩ খ্ৰীঃ চুতীয়া ৰাজ্যৰ পতনৰ চন ধৰি ৩৩৪ বছৰত বীৰপাল বংশৰ ৰাজত্বকাল সীমিত কৰা হৈছে।*

*ৰজাসকলৰ নামৰ ক্ষেত্ৰত মনকৰিবলগীয়া যে প্ৰতিজন ৰজাৰ একাধিক নাম আছিল। চুতীয়া ৰজাৰ নামৰ শেষত পাল উপাধি দেখি কোনো কোনোৱে চুতীয়া ৰজাসকলক কম ৰূপৰ পাল বংশৰ লগত কিবা সম্বন্ধ থকা বুলি ক'ব খোজে। সেইটো নহয়। চুতীয়া ৰজাই কেৱল পাল নহয় ধ্বজপাল উপাধিহে লৈছিল। সেই উপাধি ৰজা হোৱাৰ পাচতহে লৈছিল; ৰজা হোৱাৰ আগতে তেওঁলোকৰ নামৰ শেষত সাধাৰণতে নাৰায়ণ উপাধিহে লৈছিল।*

৬। হৰি নাৰায়ণ বা শঙ্খধ্বজ পাল।
১৩৬৩ খ্ৰীঃৰ পৰা ১৩৯৬ খ্ৰীঃ — ৩০ বছৰ

৭। গোলোক নাৰায়ণ বা মউৰধ্বজ পাল।
১৩৯৩ খ্ৰীঃৰ পৰা ১৪২১ খ্ৰীঃ — ২৮ বছৰ

৮। ব্ৰজনাৰায়ণ বা নন্দীশ্বৰ বা জয়ধ্বজ পাল।
১৪২১ খ্ৰীঃৰ পৰা ১৪৫৪ খ্ৰীঃ — ৩৩ বছৰ

৯। সত্য নাৰায়ণ বা কৰ্মধ্বজ পাল।
১৪৫৪ খ্ৰীঃৰ পৰা ১৪৭৮ খ্ৰীঃ — ২৪ বছৰ

১০। ধীৰ নাৰায়ণ বা লক্ষ্মী নাৰায়ণ বা ধৰ্মধ্বজপাল।
১৪৭৮ খ্ৰীঃৰ পৰা ১৫২০ খ্ৰীঃ — ৪১ বছৰ

১১। নিতাই বা নীতিপাল বা চন্দ্ৰ নাৰায়ণ।
১৫২০ খ্ৰীঃৰ পৰা ১৫২৩ খ্ৰীঃ — ৩ বছৰ

মুঠ ৩৩৪ বছৰ।

(নীতিপাল ধৰ্মধ্বজৰ জোঁৱাই; ধৰ্মধ্বজৰ নাবালক পুত্ৰৰ নাম সাধক নাৰায়ণ) নীতিপালৰ দিনতে চুতীয়া ৰাজ্য আহোমৰ হস্তগত হয়; নীতিপালৰ মৃত্যু হয়, আৰু ধৰ্মধ্বজৰ নাবালক পুত্ৰক (পাঁচ বছৰ) আহোমে ৰৌতাত নিৰ্বাসন দিয়ে।*[1]

চুতীয়াসকল ৰজা হোৱাৰ পাছত সিংহ, পাল আদি উপাধি লোৱাটো চুতীয়া ৰজাসকলৰ এটা নিয়ম যেন হৈছিল। হয়তো সেইটো তেওঁলোকৰ গণক বা পুৰোহিতসকলৰ পৰামৰ্শ মতেও হ'ব পাৰে। হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পাছত আহোম ৰজাসকলে গ্ৰহণ কৰা ধ্বজ আৰু সিংহ উপাধি মন কৰিবলগীয়া।

বীৰপাল বংশৰ ৰজা ৰত্নধ্বজ পালৰ দিনতে চুতীয়া ৰাজ্য সৰ্বতোভাবে শক্তিশালী আছিল আৰু এই ৰাজ্যৰ সীমাই ভুএগ ৰাজ্য আৰু কমতা ৰাজ্য পাৰহৈ সুদূৰ গৌড় ৰাজ্য পাইছিলগৈ আৰু গৌড় ৰজাৰ লগত সন্ধি সুত্ৰত আবদ্ধ হৈছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ত ভুএগ ৰাজ্য আৰু কমতা ৰাজ্য চুতীয়া ৰজাৰ বশত আছিল।

ৰজাসকলৰ ৰাজত্বৰ সময় আৰু ৰাজত্ব কাল সঠিক ভাবে নিৰ্ণয় কৰিবৰ বাবে অধিক অনুসন্ধান কৰিবৰ আৱশ্যকতা আছে আৰু অৰুণাচলত খনন কাৰ্যৰ পৰা পোৱা তথ্যই ভৱিষ্যত অনুসন্ধানকাৰীসকলক অধিক পোহৰ দেখুৱাব বুলি আশা কৰিব পাৰি।

---

*১ চুতীয়াসকলে আৰ্য দেৱতা কুবেৰৰ পূজা কৰিছিল বুলি কোৱা হয়। কিন্তু ই বিশ্বাসযোগ্য নহয়। চুতীয়াসকলে প্ৰকৃতিৰ শক্তিকহে পূজা কৰিছিল। গতিকে আৰ্য ধন দেৱতাত কেতিয়াও পূজা কৰা নাছিল। চুতীয়াসকলে "কুবে" পূজাহে কৰিছিল। কুবে মানে ধুমুহা। জোৰেৰে অহা বোৰ বতাহ। ধুমুহা প্ৰকৃতিৰ এটা শক্তি।*

## বীৰপাল বংশৰ ৰাজত্ব

### প্ৰথম ৰজা

বিবৰ বা বীৰবৰ বা বীৰপাল বা গয়াপাল

১১৮৯ খ্ৰীঃৰ পৰা ১২১৩ লৈ ৰাজত্বকাল ২৪ বছৰ

বীৰপালৰ ৰাজ্য লাভ সম্বন্ধে এটা কিম্বদন্তী আছে। কিম্বদন্তীটো এনে ধৰণৰ--

সোৱণশিৰি নদীৰ ওপৰ অঞ্চলত সোণাগিৰি নামে এটা পাহাৰৰ ওপৰত মাঠিঘৰ চুতীয়া মানুহৰ এখন গাঁও আছিল। সেই গাঁৱৰে হৃষ্ট-পুষ্ট ডেকা বিবৰ। শাৰীৰিক শক্তিত শক্তিশালী হোৱাৰ বাবেই মানুহে তেওঁৰ নাম দিছিল বীৰবৰ। গাঁৱৰ মানুহৰ ওপৰত তেওঁৰ প্ৰভাৱ আছিল আৰু সকলোৱে তেওঁৰ কথামতেই চলিছিল।

বীৰবৰৰ পত্নীৰ নাম আছিল ৰূপৱতী। কিন্তু তেওঁলোকৰ বহুদিনলৈকে কোনো সন্তান-সন্ততি নাছিল। সেইবাবে তেওঁলোকৰ মনত বৰ দুঃখ। এবাৰ ৰূপৱতীয়ে ভগৱতীৰ দ্বাৰা স্বপ্নাদিষ্টহৈ পিতৃগৃহত গৈ তেওঁলোকৰ ইষ্টদেৱতা কুবেৰ পূজা-অৰ্চনা কৰিছিলগৈ।

কুবেৰ পূজাৰ অন্তত বহুদিনৰ মূৰত এজন বৃদ্ধৰ লগত স্বামীগৃহলৈ ৰূপৱতী ঘূৰি আহিছিল। প্ৰখৰ ৰদৰ তাপত বহুদূৰ আহি ভাগৰ লগাত এজোপা গছৰ তলতে ক্ষন্তেক জিৰণি লওঁতেই ৰূপৱতীৰ টোপনি আহিছিল।

ক্লান্ত ৰূপৱতীক বহুদিনৰ মূৰত বীৰবৰে পাই অতি আদৰ কৰি নিবিড়ভাবে আলিঙ্গণ কৰিছিল। ৰূপৱতীয়েও অতি আনন্দিতহৈ বীৰবৰৰ ওচৰত নিজকে সমৰ্পণ কৰিছিল। কিন্তু পিছ মুহূৰ্ততে ৰূপৱতীয়ে দেখিবলৈ পাইছিল যে সেয়া বীৰবৰ নহয় তেওঁলোকৰ ইষ্ট দেৱতা কুবেৰহে। ৰূপৱতীয়ে আতঙ্কিত হৈ কুবেৰৰ চৰণত প্ৰণিপাত কৰিছিল। কুবেৰেই ৰূপৱতীক আশীৰ্বাদ দি কৈছিল 'ৰূপৱতী মই তোমাৰ সেৱাত সন্তুষ্ট হৈছোঁ। তুমি কোনো চিন্তা নকৰিবা। অচিৰে তোমাৰ এটি পুত্ৰ সন্তান হ'ব আৰু সি ৰাজ্যভোগ কৰিব। কিন্তু এই কথা তুমি কাকো নক'বা।"

হঠাৎ সাৰপাই ৰূপৱতী এফালে যেনেকৈ আনন্দিত হৈছিল, সেইদৰেই লজ্জিত আৰু আতঙ্কিতও হৈছিল। কিন্তু কুবেৰৰ আদেশমতে সেই কথা কাকো কোৱা নাছিল।

সন্ধ্যা সময়ত ৰূপৱতী আহি স্বামীগৃহ পোৱাত বৃদ্ধই তেওঁক থৈ বিদায় লয়। বীৰবৰ সেই সময়ত ঘৰত নাছিল। কিছু সময়ৰ পাছত বীৰবৰ আহি ৰূপৱতীয়ে পিতৃগৃহত বহুদিন থকাৰ বাবে ভৰ্ৎসনা কৰে আৰু তেওঁৰ চৰিত্ৰত সন্দেহ কৰি ঘৰৰ পৰা খেদি দিয়ে। লাজ-অপমান আৰু দুখ-বেজাৰত অধীৰহৈ ৰূপৱতীয়ে বাধ্য হৈ ওচৰৰ অন্য এঘৰত আশ্ৰয় লয়।

ৰূপৱতীক ঘৰৰ পৰা খেদি দিয়াৰ পাচত কথাটো বৰ ভাল নহ'ল বুলি বীৰবৰেও চিন্তা কৰিবলৈ ধৰিলে। এইদৰে চিন্তা কৰি থাকোতে বহু ৰাতিলৈকে তেওঁৰ টোপনি অহা নাছিল। শেষৰাতি চিল-মিলকৈ টোপনি অহাত তেওঁ দেখিবলৈ পায় যে তেওঁলোকৰ ইষ্ট

দেৱতা কুবেৰে তেওঁক কৈছে– "বীৰবৰ তই বৰ অন্যায় কৰিছ; ৰূপৱতী অতি পৱিত্ৰ। মোৰ আশীৰ্বাদত অতি সোনকালে তাইৰ এটি ৰাজ লক্ষণযুক্ত পুত্ৰ হ'ব আৰু ৰাজ্যভোগ কৰিব; আৰু শুন, তইঁতে প্ৰতিবছৰে ফাগুণৰ কৃষ্ণা চতুৰ্দশীৰ দিনা যিজোপা শিলিখা গছৰ তলত মোৰ পূজা কৰ তাতে খান্দি চাই যি পাৱ তাকে আনি ঘৰত ভালকৈ স্থাপন কৰিবি। ৰূপৱতীকো আনি পতি-পত্নী দুয়ো পূজা সেৱা কৰি থাকিব। তইঁতৰ মঙ্গল হ'ব। ৰূপৱতীকো আনি শুচি ঘৰত আদৰ যত্ন কৰি ৰাখিবি।" এই বুলি কুবেৰ অন্তৰ্ধান হ'ল।

বীৰবৰে কুবেৰৰ কথা শুনি অতি আচৰিত হ'ল। তেওঁ কথাবোৰ সঁচানে মিছা প্ৰমাণ চাবৰ বাবে অতি পুৱাতে উঠি কোনো নৌ উঠোতেই সেই গছজোপাৰ তলত খান্দি চাই তাত এখন ঢাল, এখন তৰোৱাল, এটা সোণৰ মেকুৰী আৰু এঘাগৰী ধন-সোণ পালে। বস্তুবোৰ আনি কুবেৰৰ কথামতে ঘৰৰ ভিতৰত এডোখৰ শুচি ঠাইত থাপনা পাতি সযতনে ৰাখিলে।

কুবেৰৰ কথাৰ প্ৰমাণ হাতে হাতে পাই বীৰবৰ আচৰিত হ'ল আৰু আনন্দিতও হ'ল। কুবেৰৰ আদেশ মনত পেলাই ৰূপৱতীকো ঘৰলৈ আনি আগদিনাৰ বেয়া ব্যৱহাৰৰ বাবে দুখ প্ৰকাশ কৰি স্বপ্নৰ সকলো কথা কৈ গা-পা ধুই বন্তি জ্বলাই দুয়ো সেই বস্তু কেইপদৰ পূজা সেৱা কৰিলে। ইয়াৰ পাছত দুয়ো সেই বস্তু কেইপদ সদায় সেৱা পূজা কৰি থাকিল।* ১

সিদিনাৰ পৰা পতি-পত্নী দুয়ো মিলা-প্ৰীতিৰে থাকিল। ইতিমধ্যে ৰূপৱতীৰ গাত সন্তানৰ সম্ভাৱনাই দেখা দিলে। বীৰবৰে কুবেৰৰ কথা মতে ৰূপৱতীক নতুন ঘৰ সাজি থাকিবলৈ দিলে।

ইতিমধ্যে গাঁৱত কথাবোৰ ৰাষ্ট্ৰ হৈ পৰিল। প্ৰচুৰ ধন-সোণ পোৱাৰ ফলত বীৰবৰ অতি সোনকালে অতি প্ৰভাৱশালী হৈ পৰিল। তেওঁ এটা শক্তিশালী সেনাদল গঠন কৰি ওচৰৰ গাওঁবোৰো বশ কৰি নিজকে ৰজা বুলি ঘোষণা কৰিলে। ৰজা হৈ তেওঁ বীৰপাল নাম ললে। ধন-সোণ আৰু কুবেৰ প্ৰদত্ত বস্তুৰ সহায়ত তেওঁৰ প্ৰতিপত্তি বাঢ়িল আৰু বহুতো ভাল কাম কৰি সকলোৰে প্ৰিয় হৈ পৰিল।

কুবেৰৰ স্বপ্নৰ কথামতেই যথা সময়ত ৰূপৱতীৰ এটি অতি সুলক্ষণযুক্ত পুত্ৰ জন্ম হ'ল। ল'ৰাটিৰ নাম থলে গৌৰীনাৰায়ণ। বয়সৰ লগে লগে গৌৰীনাৰায়ণ অতি সুশ্ৰী আৰু শক্তিশালী হ'ল। তেওঁৰ গাত সুলক্ষণ আৰু শক্তি দেখি সকলোৱে তেওঁৰ ওচৰত মূৰ দোৱালে।

গৌৰীনাৰায়ণৰ শক্তিৰ ফলত বীৰপালৰ ৰাজ্যক্ষেত্ৰ বাঢ়িল। ওচৰৰ পৰ্বতীয়া জাতিবিলাকক গৌৰীনাৰায়ণে তলতীয়া কৰিলে। চৌবিশ বছৰ সুখ্যাতিৰে ৰাজত্ব কৰাৰ পাছত বীৰপালৰ মৃত্যু হয় ১২১৩ খ্ৰীঃত।

বীৰপালৰ ৰাজ্য লাভ সম্বন্ধে অন্য এটা কিম্বদন্তী আছে। সেই কিম্বদন্তী মতে মহা কালিকাই কিৰাটনীৰ বেশ ধৰি ম'হৰখীয়া চুতীয়া ল'ৰা এটাক শুকুলা ম'হ এটা খুজিলে।

---

১ *অসমৰ বুৰঞ্জী – পদ্মনাথ গোঁহাই বৰুৱা– পৃঃ ১৩৮।*

ম'হ ৰখীয়ায়ো মনতে ম'হ এটা উচৰ্গা কৰিলে; পাছত কিৰাটনীয়ে নিজৰ চিনাকি দি পাছদিনা এজনী পাহাৰীয়ে অনা মাছ চৰুত ঢাকণ দি থৈ তাৰ পাছদিনা চাই পোৱা বস্তুৰ সহায়ত ৰজা হ'ব বুলি ক'লে। ম'হ ৰখীয়াই সেইমতে কাম কৰাত পাছদিনা চৰুত দুটা সোণৰ মেকুৰী আৰু দণ্ডখাট পালে; সেইবিলাকৰ সহায়ত ম'হ ৰখীয়ায়ো পাছত ৰজা হ'ল। ৰজা হৈ ম'হ ৰখীয়াই খুন্ত ৰজা নাম ললে। সেইবাবে চুতীয়া ৰজাসকলক খুন্ত ৰজা বুলিও কয়।*১

## দ্বিতীয় ৰজা

## গৌৰীনাৰায়ণ বা সোণাগিৰিপাল বা ৰত্নধ্বজপাল

### ১২১৩ খ্ৰীঃৰ পৰা ১২৬৮ খ্ৰীঃলৈ -- ৫৫ বছৰ

বীৰপালৰ মৃত্যুৰ পাছত পুত্ৰ গৌৰীনাৰায়ণে ৰত্নধ্বজ পাল নামলৈ পিতৃ সিংহাসনত আৰোহণ কৰে; ১২১৩ খ্ৰীঃত।

ৰজা হৈ ৰত্নধ্বজপালে ৰাজ্য বহলোৱাৰ মন কৰি এটা শক্তিশালী সৈন্যবাহিনী গঠন কৰে। সেই সৈন্যবাহিনীৰ সহায়ত তেওঁৰ ৰাজ্যক্ষেত্ৰৰ ওচৰৰ ৰাঙ্গলগিৰি, নীলগিৰি, ধবলগিৰি, কালগিৰি, চন্দ্ৰগিৰি আদি ৰাজ্য জয় কৰি নিজ ৰাজ্যক্ষেত্ৰ বিস্তৃত কৰে।

প্ৰবাদ আছে যে কুবেৰ প্ৰদত্ত অস্ত্ৰ এবাৰ ধাৰণ কৰি তেওঁ যি ফালেই যুদ্ধ যাত্ৰা কৰি যায় সেই ফালেই বিজয়ী হয়।*২ এই বিজয়ে তেওঁক অন্যান্য ৰাজ্য জয় কৰি ৰাজ্য বিস্তৃত কৰিবৰ বাবে উৎসাহী কৰি তোলে।

শ্বেতগিৰি ৰাজ্য জয় -- ইয়াৰ পাছত ৰত্নধ্বজপালে শ্বেতগিৰি ৰাজ্য আক্ৰমণ কৰি সেই ৰাজ্য নিজ ৰাজ্যভুক্ত কৰে*৩ ১২২৩ খ্ৰীঃত। তেতিয়া তাত ভদ্ৰসেন ৰজা আছিল। ভদ্ৰসেন সম্বন্ধত বীৰপালৰ দদায়েক।

ভদ্ৰসেনৰ ৰাজ্য নিজ ৰাজ্যভুক্ত কৰাত ৰত্নধ্বজপালৰ ৰাজ্যক্ষেত্ৰ বৃদ্ধি হয় আৰু পশ্চিম সীমা উত্তৰ লক্ষীমপুৰৰ ৰঙানৈলৈকে হয়। ভদ্ৰসেনৰ পুতেকক তেওঁ তলতীয়া

---

১ *চুতীয়া ভূঞা আৰু মটক ৰাজ্য -- সৰ্বানন্দ ৰাজকুমাৰ -- পৃঃ ৭।*

২ *অসমৰ বুৰঞ্জী -- পদ্মনাথ গোঁহাই বৰুৱা -- পৃঃ ১৩৮।*

৩ *কোনো কোনো বুৰঞ্জীৰ মতে ভদ্ৰসেনৰ ৰাজ্য জয় ১২০৪ খ্ৰীঃত; কিন্তু তেতিয়া সেই জয় বীৰপালৰ দিনতহে হ'ব আৰু তেতিয়া গৌৰীনাৰায়ণৰ বয়স মাত্ৰ ১৩-১৪ বছৰহে হ'ব। ভদ্ৰসেনৰ ৰাজ্য জয় গৌৰীনাৰায়ণৰ দ্বাৰা বুলিয়ে প্ৰায় সকলোতে পোৱা যায়। পদ্মনাথ গোঁহাই বৰুৱাৰ "অসমৰ বুৰঞ্জী" মতে সেই ৰাজ্য জয় ১২২৩ খ্ৰীঃত গতিকে সেইটোকে গ্ৰহণ কৰা হ'ল। পৃঃ ১৩৮।*

ৰজা পাতিলে।

ভদ্ৰসেনৰ ৰাজ্য নিজৰাজ্যভুক্ত কৰাৰ ফলত ৰত্নধ্বজপালৰ ৰাজ্যক্ষেত্ৰ বিস্তৃত হোৱাই নহয় তাৰপৰা তেওঁ দৈবজ্ঞ, তাঁতী, সোণাৰী, ব্ৰাহ্মণ, সূতাৰ, কমাৰ আদি অনেক মানুহ পালে। তেওঁ ৰত্নপুৰত ৰাজধানী পাতিলে।

শিৱসাগৰৰ ডিষ্ট্ৰিক্ট গেজেতীয়াৰৰ মতে ৰত্নপুৰ বৰ্তমান মাজুলীত। মাজুলীত ৰত্নপুৰ নামে এখন ঠাই আছে। কিন্তু তেতিয়া ৰত্নপুৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেহে আছিল আৰু মাজুলী বুলি কোনো ঠাই নাছিল। কিয়নো তেতিয়া ব্ৰহ্মপুত্ৰ বৰ্তমানৰ লুইত সুঁতিয়েহে আছিল। ১৭৫০ খ্ৰীঃৰ বানপানীত ব্ৰহ্মপুত্ৰই লুইত সুঁতি এৰি দক্ষিণলৈ বৈ আহি দিহিং আৰু দিখৌ নৈ চিঙি মাজুলী তৈয়াৰ কৰে।"[১]

ৰত্নপুৰ এসময়ত কৃষ্টি আৰু সংস্কৃতিত উন্নত এখন-সমৃদ্ধিশালী আৰু প্ৰতাপী ঠাই আছিল বুলি অনুমান কৰিব পাৰি। আমাৰ মানুহৰ মুখে মুখে চলি অহা "শিয়ালী এ নাহিবি ৰাতি; তোৰে কাণ কাটি লগাম বাটি। শিয়ালীৰ মূৰতে মৰুৱা ফুল; শিয়ালী পালেগৈ ৰতনপুৰ।" "ঢোল বাই ক'ত, ৰতনপুৰত খোলবায় ক'ত, ৰতনপুৰত।" ইত্যাদি কথাই সেই কথাকে প্ৰমাণ কৰে।

চাৰিং আৰু জাঁজীৰ ওচৰতো ৰত্নপুৰ বুলি এখন ঠাই আছে। এই ৰত্নপুৰৰ লগত মাজুলীৰ ৰত্নপুৰৰ কি সম্বন্ধ সেই কথাও অনুসন্ধান কৰিবৰ আৱশ্যক আছে।

**ন্যায়পালৰ ৰাজ্য জয়** – ভদ্ৰসেনৰ ৰাজ্য জয় কৰাৰ পাছত পাত্ৰমন্ত্ৰীৰ লগত আলোচনা কৰি ৰত্নধ্বজপালে ন্যায়পালৰ ৰাজ্য আক্ৰমণ কৰে। ন্যায়পালকো কুবেৰে স্বপ্ন দেখুৱাই ক'লে বোলে ৰত্নধ্বজপালক মোৰ পুত্ৰৰ নিচিনা জ্ঞান কৰিবি। মোক কুবেৰক যদি যুদ্ধত জিনিব পাৰ তেতিয়াহে ৰত্নধ্বজ পালকো জিনিব পাৰিবি। এতেকে সকলোৰে মিলাপ্ৰীতি হৈ কুশলে মঙ্গলে থকাহে ভাল।

পাছে ৰজাই চেতনা পাই পাত্ৰমন্ত্ৰীৰ লগত আলোচনা কৰি ক'লে – "একেটা চুতীয়া ল'ৰা হৈ ইমান মানুহক মাৰিকাটি বশ কৰিলে। গতিকে এওঁ সুদা মানুহ নহয়।" ইয়াকে আলোচনা কৰি ৰত্নধ্বজপালৰ ওচৰলৈ মানুহ পঠাই সুধি পঠালে বোলে তেওঁ যুদ্ধ কৰিবৰ বাবেই আহিছেনে মিলাপ্ৰীতি কৰিবৰ বাবে আহিছে জনাব লাগে। ৰজাৰ মাজত প্ৰীতি হোৱাহে উচিত। তাকে চাই যি বিচাৰে তাকে কৰিম। ৰত্নধ্বজ পালে উত্তৰত জনালে বোলে ৰজাই এক কন্যা দি আমাৰ লগত প্ৰীতি কৰক; ইয়াকে আমি বাঞ্ছা কৰোঁ।

ৰত্নধ্বজপালৰ উত্তৰ পাই ন্যায়পালে বোলে ৰাজকন্যা ৰজাৰে যোগ্য। ৰাজ চৰিত্ৰৰ হ'লে সামান্য লোকতো কন্যা দিব পাৰি। গতিকে মই কন্যা দিম। এই কথা শুনি ৰত্নধ্বজপালে তাতে ৰ'ল।

ন্যায়পালেও অনেক যৌতুকেৰে সৈতে নিজ কন্যাক ৰত্নধ্বজপালৰ লগত বিয়া দি মিত্ৰতা কৰিলে। ৰাজ্যৰ বহুতো কাৰিকৰ লোককো দি দুয়ো ৰজাৰ মাজত পৰম

---

১ *চুতীয়া ভূঞা আৰু মটক ৰাজ্য – সৰ্বানন্দ ৰাজকুমাৰ – পৃঃ ৬।*

মিত্রতা স্থাপন কৰিলে*১ ন্যায়পালৰ এই কন্যাৰ নামেই ৰত্নেশ্বৰী। এই ঘটনাৰ কাল ১২২৫ খ্ৰীঃত বুলি অনুমান কৰিব পাৰি।

ইয়াৰ পাছত ৰত্নধ্বজপালে নিজ ৰাজ্যৰ সীমাত এটা ডাঙৰ গড় মৰাই নিজ ৰাজ্য সোণাগিৰিলৈ উলটি আহে।*২

**কমতাপুৰৰ লগত মিত্ৰতা** – ন্যায়পালৰ কন্যা ৰত্নেশ্বৰী মহিষীৰ গৰ্ভত ৰত্নধ্বজৰ এটি পুত্ৰ জন্ম হয়। এই পুত্ৰৰ নাম থলে শিৱনাৰায়ণ। ১২২৬ খ্ৰীঃত। শিৱনাৰায়ণৰ উপযুক্ত বয়স হ'লত তেওঁৰ বাবে এটি উপযুক্ত কন্যাৰ সন্ধানত ৰজাই চাৰিওফালে কটকী পঠায়। কিন্তু তেওঁৰ উপযুক্ত কন্যাৰ সন্ধান নেপালে। অৱশেষত কমতাপুৰ ৰাজ্যৰ ৰজা নীলধ্বজৰ কন্যাটিকে উপযুক্ত বুলি বিবেচনা কৰি তেওঁৰ ওচৰলৈ কটকী পঠায়। কিন্তু সেই সময়ৰ অভিমানী আৰু প্ৰতাপী ৰজা নীলধ্বজে সেই প্ৰস্তাৱত সন্মত নহ'ল; আৰু কটকীৰ আগত কৈ পঠালে বোলে "এনেয়ে কন্যা কেনেকৈ দিম? যদি ৰজাই নিবলৈ আহিব পাৰে তেতিয়াহে কন্যা দিব পাৰোঁ।"

এই কথা ৰত্নধ্বজপালে শুনি পাত্ৰ মন্ত্ৰীৰে আলোচনা কৰি ক'লে যে আমি গৈ কন্যা আনিব নোৱাৰো বুলিহে কমতেশ্বৰে এনেকৈ কৈছে। "ন্যায়পালতকৈ কমতেশ্বৰ ডাঙৰ হ'ল নেকি?" এইবুলি মন্ত্ৰী বিজয়সেনক চুতীয়া ৰাজ্যৰ পৰা কমতেশ্বৰৰ ৰাজ্যলৈকে এটা আলি তৈয়াৰ কৰিবলৈ দিলে আৰু প্ৰতিদিনৰ পথ গৈ থাকিব পৰাকৈ একোখন নগৰ নিৰ্মাণ কৰিবলৈ দিলে। মন্ত্ৰীয়েও সেইদৰে সৈন্য-সামন্ত লগত লৈ গৈ হাবি-বন কাটি এটা পথ আৰু প্ৰতিদিনৰ অন্তত ৰজা থাকিব পৰাকৈ নগৰ নিৰ্মাণ কৰিলে। সকলো হ'লত মন্ত্ৰী বিজয়সেন সেই নগৰত থাকি ৰজালৈ খবৰ পঠালে বোলে কুবেৰৰ প্ৰসাদত সকলো কৰা হ'ল।

ৰজা ৰত্নধ্বজে এই খবৰ পাই মন্ত্ৰী বিজয়সেনক ৰাজধানীত ৰাখি লোকজন আৰু সসৈন্যে গৈ কমতাপুৰৰ সীমাত উপস্থিত হ'লগৈ। ৰজা যোৱাৰ কথা গম পাই কমতেশ্বৰে ক'লে বোলে "হাবি-বন কাটি পথ নিৰ্মাণ কৰি ৰত্নধ্বজ আহিব নোৱাৰিব বুলিহে আমি তেনেকৈ কৈছিলো। কিন্তু এতিয়া তেওঁ সকলো কৰিলে। এই কাম কোনে কৰিব পাৰে? এয়া অলপ শক্তিৰ কাম নহয়। আমি নিজৰ কথাতে নিজে বান্ধ খালো।" এই বুলি পাত্ৰমন্ত্ৰীৰ লগত আলোচনা কৰি সন্ধিৰ প্ৰস্তাৱ পঠালে আৰু নিজৰ সকলোতকৈ সুন্দৰ কন্যাটিক সালংকৃতা কৰি ৰত্নধ্বজৰ পুত্ৰলৈ বিয়া দিলে। লগতে অজস্ৰ যৌতুকো দিলে। তেতিয়াৰ পৰা দুয়ো ৰজাৰ মাজত সন্ধি হ'ল।*৩ *৪

ৰত্নধ্বজৰ পুত্ৰ শিৱনাৰায়ণৰ বয়স সেই সময়ত ২৫ বছৰ বুলি ধৰিলে সেই

---

১ *সদৌ চুতীয়া জাতি সন্মিলনৰ বিংশতিতম্ অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ।*
*– ডঃ লীলা গগৈ, – পৃঃ ৬,৭।*

২ *অসমৰ বুৰঞ্জী – পদ্মনাথ গোঁহাই বৰুৱা – পৃঃ ১৩৮।*

৩ *সদৌ চুতীয়া জাতি সন্মিলনৰ স্মৃতিগ্ৰন্থত ডঃ লীলা গগৈৰ প্ৰবন্ধ।*

৪ *অসমৰ বুৰঞ্জী পদ্মনাথ গোঁহাই বৰুৱা – পৃঃ ১৩৮।*

ঘটনাৰ সময় ১২৫০-৫১।

**গৌৰেশ্বৰৰ লগত মিত্ৰতা** – কমতা ৰাজ্যৰ লগত সন্ধি সূত্ৰে মিত্ৰতা হোৱাৰ ফলত ৰত্নধ্বজপাল যথেষ্ট শক্তিশালী হ'ল আৰু তেওঁৰ বিজয়ী আৰু শক্তিশালী সৈন্য বাহিনীক আৰু সুসংগঠিত কৰি গৌড়ৰাজ্য জয় কৰিবৰ বাবে আগবাঢ়ি গ'ল। গৌড়ৰজাই ৰত্নধ্বজ পালৰ শক্তি সম্বন্ধে আগৰপৰাই অৱগত আছিল। গতিকে গৌড়ৰজাই ৰত্নধ্বজপাললৈ সন্ধিৰ প্ৰস্তাৱ পঠালে। ৰত্নধ্বজপালে সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰাত দুয়ো ৰাজ্যৰ তেতিয়াৰ পৰা মিত্ৰতা হ'ল।

এই সন্ধিৰ চিন স্বৰূপে ৰত্নধ্বজৰ পুত্ৰ এটি গৌড়ৰজাই নিজ ৰাজ্যত ৰাখি লিখা-পঢ়া শিকাবলৈ গাত ল'লে আৰু লগতে দিনে সাত ঘটি গঙ্গাজল ৰত্নধ্বজপাললৈ পঠাবলৈ গাত ললে। সেইদৰে তেওঁ ৰত্নধ্বজপালৰ পৰাও পৰশুৰাম কুণ্ডৰ পানী বিচাৰিলে।

এইদৰে মিত্ৰতা কৰাৰ পাছত ৰত্নধ্বজপালে তেওঁৰ পুত্ৰ এটি গৌড়ৰাজ্যত ৰাখিলে। ইয়াৰ কিছুদিনৰ পাছতে ৰজা সিন্ধু ক্ষেত্ৰত তীৰ্থ কৰিবলৈ গ'ল।

ৰত্নধ্বজৰ পুত্ৰটি কিছুদিন গৌড় ৰাজ্যত থকাৰ পাছত তাতে গ্ৰহণী ৰোগত মৃত্যু হয়। গৌৰেশ্বৰ অতি দুখীত হৈ ৰত্নধ্বজৰ পুত্ৰৰ শৱটো শোধাই দিবৰ বাবে চুতীয়া ৰজাৰ ৰাজধানীলৈ পঠালে। কিন্তু সেই সময়ত ৰজা তীৰ্থত থকাত তালৈকে শৱটো লৈ গ'ল। ৰজা ৰত্নধ্বজ সেই সময়ত সিন্ধু ক্ষেত্ৰত এখন নগৰ নিৰ্মাণ কাৰ্যত ব্যস্ত আছিল। তাতে শৱদেহ শোধাই দিয়াত সেই ঠাইৰ নাম তেতিয়াৰ পৰা শদিয়া হ'ল। (মতান্তৰত শদিয়া সদিয়াহে হ'ব লাগে। স = সূৰ্য; দি = নদী; য়া = ভূমি গতিকে সূৰ্য উঠা নদীৰ পাৰৰ ঠাই -- চুতীয়া ভাষা)

ৰজাই পুত্ৰৰ সোঁৱৰণীত তাতে এখন মৈদামস্থলী নিৰ্মাণ কৰিলে। তাৰ নাম দিলে "পাল শৱ দিয়া মৈদাম"।*১ *২

গৌৰেশ্বৰৰ লগত মিত্ৰতা কমতেশ্বৰৰ লগত মিত্ৰতাৰ ৪-৫ বছৰৰ ভিতৰতে বুলি ধৰিলে সেই মিত্ৰতাৰ চন ১২৫৫ খ্ৰীঃ।*৩

---

১ *বিবিধ খণ্ড বুৰঞ্জী, সূৰ্যকুমাৰ ভূঞা সম্পাদিত – পৃঃ ১-২।*

২ *অসমৰ বুৰঞ্জী, পদ্মনাথ গোঁহাই বৰুৱা -- পৃঃ ১৩৯।*

৩ *গৌৰেশ্বৰৰ ৰাজ্য আক্ৰমণ আৰু মিত্ৰতা পদ্মনাথ গোঁহাই বৰুৱাদেৱৰ অসমৰ বুৰঞ্জীত ১৩০৪ খ্ৰীঃ বুলি উল্লেখ আছে। দেওধাই বুৰঞ্জীত থকা চন তাৰিখলৈ হিচাপ কৰিলেও সেই আক্ৰমণৰ সময়ত ৰত্নধ্বজ পালৰ বয়স এশ বছৰৰ ওপৰ হ'ব। আনহাতে সেই সময়ত তেওঁৰ পুত্ৰ বিজয়ধ্বজ পালৰ বয়সো ৭৮ বছৰ হয়। এই বয়সত কোনো এজনেই গৌৰ ৰাজ্য আক্ৰমণ কৰা সম্ভৱ নহয়। আনহাতে কমতাপুৰৰ লগত মিত্ৰতাৰ ৫/৬ বছৰৰ ভিতৰতে এই আক্ৰমণ হোৱা সম্ভৱ। দেওধাই বুৰঞ্জীৰ চন তাৰিখ শুদ্ধ নহয় বুলি আগতে দেখুওৱা হৈছে। গতিকে নতুনকৈ নিৰ্ধাৰণ কৰা চন তাৰিখৰ হিচাপত কমতাপুৰ আক্ৰমণৰ ৫/৬ বছৰৰ ভিতৰতে হোৱা বুলি ধৰিলে সেই আক্ৰমণৰ চন-১২৫৫ খ্ৰীঃ হ'ব পাৰে। তেতিয়া কমতাপুৰ আক্ৰমণ কৰা বিজয়ী সৈন্য বাহিনী পুনৰ গঠিত কৰি অন্য আক্ৰমণত নিয়োগ কৰাৰ আৱশ্যক হৈছিল বুলি ভাবিব পাৰি।*

**দেউকুবেৰ উৎসব**—ৰত্নধ্বজপালে তেওঁৰ পিতৃ পুৰুষে ইষ্টদেৱতা কুবেৰৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ পোৱা সম্পদ ঢাল, তৰোৱাল, আৰু সোণৰ মেকুৰী ৰাজ্যৰ পবিত্ৰ সম্পদ বুলি ঘোষণা কৰে আৰু সেই সম্পদ ৰাজকীয় মৰ্যাদাৰে ৰক্ষা কৰিবলৈ লয়। এই সম্পদ দেউ কুবেৰৰ দান বুলি গণ্য কৰি মাঘৰ পূৰ্ণিমা তিথিৰ দিনা সেই সম্পদ ৰাজকীয় মৰ্যাদাৰে প্ৰজাক এবাৰ দেখুৱাই উৎসৱ কৰি সেই সম্পদৰ প্ৰতি প্ৰজাই যাতে শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিব পাৰে তাৰ ব্যৱস্থা কৰে। সেইদিনা আনন্দোৎসৱ কৰাৰ উপৰিও দুখীয়াসকলক মুক্ত হস্তে ৰজাই দান দিয়ে আৰু প্ৰজাক ভোজ-ভাত খুৱাই আদৰ অভ্যৰ্থনা কৰে। প্ৰজাসকলেও এই পবিত্ৰ সম্পদৰ দৰ্শন আৰু তাত শ্ৰদ্ধাৰ্ঘ দানৰ ফলত তেওঁলোকৰ মঙ্গল হোৱাৰ উপৰিও ৰাজ্যত ধন, ধান, শস্য আদি হ'ব আৰু মাৰি-মৰক নোহোৱা হ'ব বুলি বিশ্বাস কৰি দেউকুবেৰৰ প্ৰশস্তি কৰে।

কুবেৰ প্ৰদত্ত সম্পদ পৰহস্তগত হ'লে ৰাজ্যৰ অমঙ্গল হ'ব বুলি কুবেৰে কোৱাৰ কথা মনত ৰাখি প্ৰজায়ো সেই সম্পদ প্ৰাণপণে ৰক্ষা কৰিবলৈ সেই উৎসৱতে প্ৰতিজ্ঞাবদ্ধ হয়।*[১]

**প্ৰজাহিতকৰ কাম**— ৰত্নধ্বজ পালে ৰাজ্যত প্ৰজাৰ মঙ্গলৰ বাবে ভালেমান পুখুৰী খন্দাইছিল। ৰত্নধ্বজ পালে কমতাপুৰ আক্ৰমণ কৰিবলৈ যাওঁতে পথ নিৰ্মাণ কৰা আৰু এদিনৰ অন্তৰে অন্তৰে থাকিব পৰাকৈ নগৰ আৰু কোঠ নিৰ্মাণ কৰি যোৱাই তেওঁৰ বিচক্ষণতা আৰু শক্তিৰ কথাকে সূচায়। তেওঁৰ এই কাম মহাৰাজ অশোকৰ কাৰ্যৰ লগত তুলনা কৰিব পাৰি।

ন্যায়পালৰ ৰাজ্য জয় কৰাৰ পাছত সেই ৰাজ্যৰ সীমাত গড় মৰাই প্ৰমাণ কৰে যে তেওঁৰ ৰাজ্য সুৰক্ষিত আছিল। তেওঁ ৰত্নপুৰত নতুন ৰাজধানী পাতিছিল, সিন্ধুক্ষেত্ৰত নগৰ নিৰ্মাণ কৰিছিল, পুত্ৰৰ স্মৃতিত "পাল শৰদিয়া মৈদাম" নিৰ্মাণ কৰিছিল। তেওঁ সিন্ধু ক্ষেত্ৰত নিজে তীৰ্থ কৰিবলৈ গৈছিল। গৌড় ৰাজ্যৰ লগত সন্ধি হোৱাৰ পাছত নিজ পুত্ৰক শিক্ষাৰ কাৰণে গৌড় ৰাজ্যত ৰাখিছিল। সন্ধি সূত্ৰে তেওঁ গৌড়ৰজাৰ পৰা দিনে সাদঘটি গঙ্গা জল লৈছিল। এইবিলাক কথাই প্ৰমাণ কৰে তেওঁ এজন শক্তিশালী, বিদ্যোৎসাহী, ধৰ্মপৰায়ণ প্ৰজাৰঞ্জক আৰু ৰাজনীতিজ্ঞ ৰজা আছিল।

বৰ্তমান অৰুণাচলত থকা ৰাজগড় আলি বা ৰাজগড় তেওঁৰ দিনতে নিৰ্মাণ কৰা বুলি প্ৰবাদ আছে। তদুপৰিও সেই অঞ্চলত থকা সমগ্ৰ পুখুৰী, পথ মন্দিৰ, চুতীয়া ৰজাসকলেই যে নিৰ্মাণ কৰা তাত সন্দেহ নাই। অৱশ্যে সেইবোৰ কোনটো কোনে নিৰ্মাণ কৰা সেইটো নিৰ্ণয় কৰাৰ কাম ভৱিষ্যত অনুসন্ধানকাৰীসকলৰ।

**আহোম স্বৰ্গদেউ চুকাফাৰ ৰাজ্য স্থাপন** – গৌৰীনাৰায়ণ বা ৰত্নধ্বজপালৰ ৰাজত্বৰ সময়তে আহোম স্বৰ্গদেউ চুকাফাই অসমত ৰাজ্য স্থাপন কৰে। ১২২৮ খ্ৰীঃত।

---

১ *দেউ কুবেৰ উৎসৱ সম্বন্ধীয় বৰ্ণনাটো লিখকে নিচেই সৰুতে 'ঘিটিম' ককাৰপৰা শুনা। তেতিয়া তেখেতৰ বয়স প্ৰায় এশ বছৰ। তেখেতৰ ঘৰ শোৱণশিৰি বেবেজীয়াত আছিল।*

ড° ৱেডৰ বুৰঞ্জীমতে (বেণুধৰ শৰ্মা সম্পাদিত) চাউলুং চুকাফাই আহি বৰাহী আৰু মৰাণ ৰাজ্যৰ লগত মিত্ৰতা কৰি তেওঁলোকৰ চাৰিগৰাকী কুঁৱৰী বিয়া কৰায়। পাছত যিসকলে বিদ্ৰোহ কৰিছিল তেওঁলোকক কঠোৰ হাতেৰে দমন কৰে। ইয়াৰ পাছত তেওঁ নামৰূপ, তিপাম, অভয়পুৰ, হাবুং, লিগিৰী গাঁও আৰু শিমলুগুৰি দখল কৰে।

প্ৰথমে চুকাফাই তিপামত ৰাজধানী পাতি তিনিবছৰ থকাৰ পাছত দিহিঙেদি ভটিয়াই গৈ ব্ৰহ্মপুত্ৰৰ সঙ্গমস্থল হাবুং পায়গৈ।*[১] হাবুং চামপৰা আৰু সোৱণশিৰি নদীৰ সঙ্গমস্থলত। সেই সময়ত সোৱণশিৰি ব্ৰহ্মপুত্ৰতে পৰিছিল; এতিয়াৰ দৰে লুহিত সুঁতিত নহয়; অৰ্থাৎ বৰ্তমানৰ লুহিত সুঁতিয়েই তেতিয়া ব্ৰহ্মপুত্ৰ আছিল। গতিকে সোৱণশিৰি আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ অংশই হাবুং আছিল আৰু ই ব্ৰহ্মপুত্ৰৰ উত্তৰত।

হাবুং বানপানীৰ ঠাই বাবে (এতিয়াও সেই অঞ্চলত প্ৰবল বানপানী হয়) চুকাফাই সেই ঠাই ত্যাগ কৰি তাৰ পৰা শিমলুগুৰি পায়গৈ; শেষত চৰাইদেউলৈ গৈ তাতে ৰাজধানী পাতে। ১২৬৮ খ্ৰীঃত চুকাফাৰ মৃত্যু হয়।

হাবুঙত চুকাফা তিনিবছৰ আছিল।*[২] ভদ্ৰসেনৰ ৰাজ্য জয় কৰাৰ পাছত হাবুং অঞ্চল চুতীয়া ৰাজ্যৰ ভিতৰত আছিল। গতিকে ব্ৰহ্মপুত্ৰৰ দক্ষিণতো কোনো অঞ্চললৈকে হয়তো হাবুং বুলিছিল আৰু তাৰ কোনো অংশহে (চুতীয়া ৰাজ্যৰ বাহিৰৰ) চুকাফাই দখল কৰিছিল।

তেতিয়াৰপৰাই আহোম ৰজাসকলে চুতীয়া ৰাজ্যৰ লগতে সমান্তৰালভাৱে দক্ষিণাংশত ৰাজত্ব কৰিবলৈ লয়। কিন্তু আহোম ৰজাসকলে পাছত অন্য ৰাজ্য জয় কৰি ৰাজ্য ক্ষেত্ৰ বৃদ্ধি কৰিলেও পাছৰ তিনিশ বছৰলৈকে চুতীয়া ৰাজ্য জয় কৰিব পৰা নাছিল। চুকাফায়ো ৰত্নধ্বজপালৰ ৰাজ্য আক্ৰমণ কৰা নাছিল। চুতীয়া ৰজা যে তেতিয়া যথেষ্ট শক্তিশালী আছিল এই কথায়ো তাকে সূচায়।

মুঠতে ৰত্নধ্বজপালেই চুতীয়া ৰজাসকলৰ সৰ্বশ্ৰেষ্ঠ ৰজা আৰু তেওঁৰ সময়ত চুতীয়া ৰাজ্যৰ পশ্চিম সীমাই গৌড়ৰাজ্যৰ সীমা চুইছিলগৈ।

**ৰত্নধ্বজপালৰ সময়ত অসমত বিভিন্ন ৰাজ্যৰ অৱস্থান** – আহোমসকল অসমলৈ আহোতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ শিৱসাগৰ আৰু লক্ষীমপুৰ (অবিভক্ত) জিলাৰ এক খণ্ডত মৰাণ আৰু বৰাহী ৰজাই, তেওঁলোকৰ ৰাজ্যৰ উত্তৰ-পূবে পৰ্বতলৈকে আৰু শদিয়াৰ চাৰিওফালে চুতীয়া ৰজাই, চুতীয়াসকলৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ উত্তৰে কমতাপুৰ ৰাজ্যৰ পূব সীমালৈকে ভূঞাবিলাকে, ব্ৰহ্মপুত্ৰৰ দক্ষিণে দিখৌ নৈৰ পূবৰ পৰা বা মৰাণ আৰু বৰাহী ৰাজ্যৰ পশ্চিমৰ পৰা নগাঁৱৰ একখণ্ডলৈকে কছাৰীবিলাকে; কছাৰী আৰু কমতাপুৰ ৰাজ্যৰ মাজত দক্ষিণপাৰৰ ভূঞাবিলাকে ৰাজত্ব কৰিছিল আৰু উত্তৰ আৰু দক্ষিণ পাৰৰ ভূঞা ৰাজ্যৰ পশ্চিমে কমতাপুৰ ৰাজ্য আছিল। এতেকে ১২২৮ খ্ৰীঃত ব্ৰহ্মপুত্ৰ

---

১ *An Account of Assam J.P. Wade — page 18.*

২ *অসম বুৰঞ্জী (সূঃ মহন্তৰ ঘৰত পোৱা) সম্পাদনা -- সূৰ্য কুমাৰ ভূঞা – পৃঃ ৬।*

উপত্যকাত চুতীয়া, মৰাণ, বৰাহী আৰু কছাৰী ৰাজ্য নামে চাৰিখন বড়ো ৰাজ্য আছিল।*[১]

ইয়াৰ পৰা দেখা যায় যে চুতীয়া আৰু কমতাপুৰ ৰাজ্যৰ মাজতে বাৰভূএগ্ৰা ৰাজ্য আছিল। চুতীয়া ৰজাই কমতাপুৰ আক্ৰমণ কৰিবলৈ যাওঁতে ভূএগ্ৰা ৰাজ্যৰ কোনো উল্লেখ নাই। এতেকে ভূএগ্ৰা ৰাজ্য নামত হ'লেও কোনো প্ৰতিপত্তি নাছিল, আৰু চুতীয়া ৰজাৰ সৈন্য কমতাপুৰলৈ যাওঁতে ভূএগ্ৰাসকলে কোনো প্ৰকাৰৰ বাধা প্ৰদান কৰা নাছিল। আচলতে বাৰভূএগ্ৰাসকল সৰু সৰু জমিদাৰ শ্ৰেণীৰ শাসনকৰ্তাহে আছিল। তেওঁলোকক প্ৰকৃত ৰজা বুলি ক'ব নোৱাৰি।*[২]

**ৰত্নধ্বজপালৰ দিনত চুতীয়া ৰাজ্যৰ বিস্তৃতি**-- এইদৰে দেখা যায় যে ৰত্নধ্বজপালৰ দিনত চুতীয়া ৰাজ্য পূবে শদিয়াৰ পৰা পশ্চিমে গৌড় ৰাজ্যৰ সীমালৈকে; উত্তৰে হিমালয়ৰ পৰা দক্ষিণে পূৰ্বাঞ্চলত দিখৌ আৰু পশ্চিমাঞ্চলত ব্ৰহ্মপুত্ৰলৈকে আছিল। ইয়াৰ পৰা দেখা যায় যে একক শাসনৰ তলত বৰ অসমৰ অৱধাৰণৰ প্ৰথম সৃষ্টিকৰ্তা ৰত্নধ্বজপাল; অৱশ্যে এই অৱধাৰণৰ পূৰ্ণ ৰূপায়ণ কৰোঁতা আহোম স্বৰ্গদেউসকল।

**চুতীয়াসকলৰ কুবেৰ পূজা বা যজ্ঞ**— আগতে চুতীয়াসকলে ফাগুণৰ কৃষ্ণা চতুৰ্দশীৰ দিনা কুবেৰ পূজা বা যজ্ঞ কৰিছিল।*[৩] ৰত্নধ্বজপালৰ দিনৰ পৰা মাঘৰ পূৰ্ণিমা তিথিত দেউকুবেৰ উৎসৱ পালন কৰাৰ পাছত সুকীয়াকৈ কুবেৰ যজ্ঞ কৰিছিল নে নাই জনা নেযায়।

৫৫ বছৰ কাল ৰাজত্ব কৰাৰ পাচত ৰত্নধ্বজপালৰ মৃত্যু হয়। ৰত্নধ্বজপালৰ জীৱনকাল আশীবছৰ বুলি অনুমান কৰিব পাৰি। যিটো দেওধাই বুৰঞ্জীত ৰাজত্বকাল বুলি ধৰা হৈছে।

## মুছলমানৰ অসম আক্ৰমণ

১২০৫ খ্ৰীঃত দিল্লীৰ সম্ৰাট মহম্মদ ঘোৰীৰ এজন শাসক বঙ্গৰ নবাব বখতীয়াৰ খিলিজীয়ে তিব্বত, তুৰ্কীস্থান আৰু চীন আক্ৰমণ কৰাৰ উদ্দেশ্যে আহি প্ৰথমবাৰ অসম আক্ৰমণ কৰেহি; আৰু শিল শাকো (উত্তৰ গুৱাহাটীত) পাৰহৈ অসমৰ মাজেদি আগুৱাই যায়। কিন্তু অসমৰ ভূটান সীমান্তত যথেষ্ট বাধাপ্ৰাপ্ত হোৱাত উভতি যাবৰ চেষ্টা কৰে। কিন্তু কামৰূপী সৈন্যৰ হাতত পৰাস্তহৈ বহুতো সৈন্য মৃত্যুৰ মুখত পৰে আৰু বহুতো বন্দী হয়।

---

১ *চুতীয়া ভূএগ্ৰা আৰু মটক ৰাজ্য — সৰ্বানন্দ ৰাজকুমাৰ — পৃঃ ৩।*

২ *অসম দেশৰ বুৰঞ্জী — ডঃ লক্ষী দেৱী — পৃঃ ১১১।*

৩ *ছোটকোৱৰৰ বুৰঞ্জী সম্পাদনা — কোষেশ্বৰ বৰুৱা এম,এ, — পৃঃ ২।*

১২২৭ খ্ৰীঃত বঙ্গৰ গিয়াছুদ্দিন চুবেদাৰে ২য়বাৰ কামৰূপ (অসম) আক্ৰমণ কৰে। এই আক্ৰমণত গিয়াছুদ্দিন কামৰূপৰ ৰজা পৃথুৰ হাতত পৰাজিত হৈ উলতি যায়। ইয়াৰ পাচতে ১২২৮ খ্ৰীঃত গিয়াছুদ্দিনে তৃতীয়বাৰ অসম আক্ৰমণ কৰে। কামৰূপৰ ৰজা পৃথুৰ এই আক্ৰমণত মৃত্যু হয়। কিন্তু অলপ দিনৰ পাছতে কামৰূপ পুনৰ স্বাধীন হয়।

১২৫৭ খ্ৰীঃত মুছলমানে চতুৰ্থবাৰ অসম আক্ৰমণ কৰে। কামৰূপৰ ৰজাই কোনো প্ৰতিৰোধ দিব নোৱাৰাত মুছলমানে কামৰূপ দখল কৰে, আৰু সমগ্ৰ দেশৰ ধন-সোণ লুট কৰে। কিন্তু ইয়াৰ পাছতে বাৰিষা কাল পৰাত কামৰূপৰ ৰজাই মুছলমানক আক্ৰমণ কৰে। অসমীয়া সৈন্যৰ কাড় লাগি মালিক উজবেকৰ মৃত্যু হয়। মুছলমান সৈন্য ধ্বংস হয় আৰু বহুতো বন্দী হয়।*১

সেই সময়ত চুতীয়া ৰাজ্যৰ ৰজা আছিল বীৰপাল আৰু ৰত্নধ্বজপাল। মুছলমানে পশ্চিমাঞ্চলত আক্ৰমণ কৰি মাজে মাজে কিছু সুবিধা কৰিব পাৰিলেও পূৰ্বাঞ্চললৈ সেই আক্ৰমণ বিস্তৃত কৰাৰ কথা তেওঁলোকে কল্পনা কৰিব পৰা নাছিল। সেইসময়ত পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ যথেষ্ট শক্তিশালী থকাই ইয়াৰ কাৰণ।

## তৃতীয় ৰজা
## শিৱনাৰায়ণ বা বিজয়ধ্বজপাল
### ১২৬৮ খ্ৰীঃৰ পৰা ১৩১০ খ্ৰীঃ-- ৪২ বছৰ

ৰত্নধ্বজপালৰ মৃত্যুৰ পাচত তেওঁৰ পুত্ৰ শিৱনাৰায়ণ সিংহাসনত উঠি বিজয়ধ্বজপাল নাম লয়। এওঁৰ ৰাজত্ব কালত পিতৃৰ দিনত বশ কৰা পাহাৰী অঞ্চলৰ কিছুমান শক্তিয়ে বিদ্ৰোহ কৰিছিল। বিজয়ধ্বজপালে সেইবোৰ দমন কৰে। ইয়াৰ বাহিৰে এওঁৰ ৰাজত্বকালত অন্য উল্লেখযোগ্য ঘটনাৰ ক'তো উল্লেখ পোৱা নেযায়। কিন্তু পিতৃপুৰুষৰ পৰম্পৰা যে অটুট ৰাখিছিল আৰু চুতীয়াৰাজ্য সুৰক্ষিত আছিল সেই কথা সহজে অনুমান কৰিব পাৰি।

ইতিমধ্যে ১২২৮ খ্ৰীঃত প্ৰতিষ্ঠিত হোৱা আহোম ৰাজ্যৰ শক্তি ক্ৰমাত বৃদ্ধি হৈছিল। তেওঁলোকে দাতিকাষৰীয়া অন্য ৰাজ্য বশ কৰি নিজ ৰাজ্যৰ সীমা বিস্তৃত কৰিছিল কিন্তু চুতীয়া ৰাজ্যৰ বিৰুদ্ধে শক্তি প্ৰয়োগ কৰাৰ পৰা তেওঁলোক বিৰত আছিল। এই কথায়ো প্ৰমাণ কৰে যে সেইসময়ত চুতীয়া ৰাজ্য যথেষ্ট শক্তিশালী আছিল।

বিয়াল্লিচ বছৰ শান্তিপূৰ্ণভাবে সুখ্যাতিৰে ৰাজত্ব কৰাৰ পাছত বিজয়ধ্বজপালৰ মৃত্যু হয়।

---

১ *অসম দেশৰ বুৰঞ্জী -- ডঃ লক্ষ্মী দেৱী -- পৃঃ ৯৮-১০৩।*

বিজয়ধ্বজৰ দিনতো কমতাপুৰৰ ওপৰত থকা আগৰ প্ৰভাৱ একেদৰে থকাৰ কোনো প্ৰমাণ পোৱা নেযায়। সেইদৰে গৌড় ৰাজ্যৰ লগতো আগৰ সম্বন্ধ নথকাই সম্ভৱ। ৰজা শান্তিপ্ৰিয় হোৱাত সেই ৰাজ্যবোৰৰ লগত অতীত সম্বন্ধৰ পুনৰ বিন্যাসৰ কোনো আৱশ্যক হোৱা নাছিল।

## চতুৰ্থ ৰজা

## জগত নাৰায়ণ বা বিক্ৰমধ্বজপাল

১৩১০ খ্ৰীঃৰ পৰা ১৩৩৩ খ্ৰীঃ — ২৩ বছৰ

বিজয়ধ্বজপালৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ জগত নাৰায়ণে বিক্ৰমধ্বজপাল নামলৈ সিংহাসন আৰোহণ কৰে।

বিক্ৰমধ্বজপাল ন্যায়পৰায়ণ আৰু শান্তিপ্ৰিয় ৰজা আছিল। তেওঁ নিজ প্ৰজাক পুত্ৰবৎ পালন কৰিছিল। তেওঁ অন্য ৰাজ্য আক্ৰমণ কৰাৰ কোনো কল্পনা কৰা নাছিল। আনহাতে তেওঁৰ ৰাজ্যও কোনেও আক্ৰমণ কৰিবৰ সাহস কৰা নাছিল। ইয়ে প্ৰমাণ কৰে যে তেওঁ পিতৃ পুৰুষৰ ৰাজ্য ৰক্ষা কৰাৰ বাবে যথেষ্ট শক্তিশালী আছিল।

এওঁৰ দিনতো কোনো উল্লেখযোগ্য ঘটনাৰ ক'তো উল্লেখ পোৱা নেযায়।

তেইশ বছৰ সুখ্যাতিৰে ৰাজ্য শাসন কৰাৰ পাছত ১৩৩৩ খ্ৰীঃত শাৰীৰিক অসুস্থতাৰ বাবে পুত্ৰ প্ৰমত্ত নাৰায়ণক ৰাজ্যভাৰ গতাই দিয়ে।

## পঞ্চম ৰজা

## প্ৰমত্ত নাৰায়ণ বা গুৰুধ্বজ পাল

১৩৩৩ খ্ৰীঃৰ পৰা ১৩৬৩ খ্ৰীঃ — ৩০ বছৰ

প্ৰমত্ত নাৰায়ণে ১৩৩৩ খ্ৰীঃত চুতীয়া ৰাজ্যৰ সিংহাসনত আৰোহণ কৰি গুৰুধ্বজ পাল নাম লয় [:-;

তেওঁ অতি শকত আৱত আৰু স্থূলত্তৰ পুৰুষ আছিল। কিন্তু সেয়ে হ'লেও চিকাৰ তেওঁৰ বৰ প্ৰিয় আছিল।

তেওঁৰ দিনত চুতীয়া ৰাজ্য বেপাৰ-বাণিজ্যৰ কেন্দ্ৰ হৈ পৰিছিল। হাতীৰ দাঁত, মৃগ-নাভি, মৌ, গঁড়ৰ খৰ্গ, বৰএঠা, ধুনা, জাংফাই, নানাবিধৰ সূতা, কাপোৰ, মিৰিজিন, ঠেঙা আদি অন্য দেশলৈ ৰপ্তানী হৈছিল। নেপাল, তিব্বত, চীন, ভূটান আদিৰ মানুহে

সেইবোৰ আগ্ৰহেৰে কিনিছিল আৰু সেই ঠাইৰ মানুহ বাণিজ্যৰ বাবে আহিছিল।*১

এইবিলাক বাণিজ্য যে চুতীয়া ৰাজ্যৰ লগত কেৱল এওঁৰ দিনতেই হৈছিল এইটো নহয়। অতীতৰ পৰাই চুতীয়া ৰাজ্য এইবিলাক বস্তুৰ উপৰিও সোণ আৰু লোণৰো বাণিজ্যৰ কেন্দ্ৰ আছিল। গুৰুধ্বজপালৰ দিনত এইবিলাক বাণিজ্যই নিশ্চয় প্ৰসাৰতা লাভ কৰিছিল।

কোনো কোনোৱে এওঁৰ দিনতে আহোম ৰজা চুতুফাই চুতীয়া ৰাজ্য আক্ৰমণ কৰা বুলি উল্লেখ কৰিছে কিন্তু সেই আক্ৰমণ ১৩৭৬ খ্ৰীঃত, সেইবাবে সেই আক্ৰমণ এওঁৰ পাছৰ ৰজা শঙ্খধ্বজ পালৰ দিনতহে। এওঁৰ দিনতো অন্য কোনো উল্লেখযোগ্য ঘটনাৰ উল্লেখ পোৱা নেযায়।

গুৰুধ্বজো এজন শক্তিশালী ৰজা আছিল, ত্ৰিশ বছৰ ৰাজত্ব কৰাৰ পাছত এওঁৰ মৃত্যু হয়।

## ষষ্ঠ ৰজা

## হৰিনাৰায়ণ বা শঙ্খধ্বজপাল

**১৩৬৩ খ্ৰীঃৰ পৰা ১৩৯৩ খ্ৰীঃ লৈ — ৩০ বছৰ**

গুৰুধ্বজপালৰ মৃত্যুৰ পাছত তেওঁৰ জ্যেষ্ঠ পুত্ৰ হৰিনাৰায়ণে শঙ্খধ্বজপাল নাম লৈ চুতীয়া ৰাজ্যৰ সিংহাসন আৰোহণ কৰে।

চুতীয়া ৰাজ্যৰ নদন-বদন অৱস্থা আৰু সকলো বাণিজ্যৰ কেন্দ্ৰস্থল হৈ উঠাকে লক্ষ্য কৰি সেই সময়ৰ আহোম ৰজা চুতুফাই চুতীয়া ৰাজ্য আক্ৰমণ কৰে। চুতীয়া ৰজাই সেই আক্ৰমণ প্ৰতিৰোধ কৰিবৰ বাবে দুজন সেনাপতি পঠাই দিয়ে। যুদ্ধত আহোমসকল পৰাজিত হোৱাত সন্ধি কৰিবলৈ বাধ্য হয়।

এই যুদ্ধৰ সন্ধিসূত্ৰে কোনেও কাৰো ৰাজ্য ভৱিষ্যতে আক্ৰমণ নকৰিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হয়।

এই বন্ধুত্বৰ সূত্ৰে চুতুফাৰ ইচ্ছা আৰু চুতীয়া ৰজা শঙ্খধ্বজপালৰ নিমন্ত্ৰণ ক্ৰমে আহোম ৰজা চুতুফাই চুতীয়া ৰাজ্যলৈ যায় আৰু তাতে কিছুদিন থাকে। সম্মানীয় অতিথিজনৰ অভ্যৰ্থনাৰ অৰ্থে নানা খেল-ধেমালীৰ আয়োজন কৰা হৈছিল। সেই উদ্দেশ্যেই চাফ্ৰাই নৈত চৰা নাওখেলৰ আয়োজন কৰা হৈছিল। ইতিমধ্যে চোৰাংচোৱাৰ পৰা পোৱা সংবাদমতে চুতীয়া ৰজাই আহোম ৰজাৰ সেই ভ্ৰমণৰ উদ্দেশ্য চুতীয়া ৰাজ্যৰ গোপন তথ্য সংগ্ৰহ কৰাহে বুলি সন্দেহ কৰিছিল। এই সন্দেহৰ ওপৰতে সেই চৰা নাও

---

১ *চুতীয়া বুৰঞ্জী — গোপীনাথ বৰদলৈ — পৃঃ ৫১-৫৩।*

খেলতে নাও ডুবাই আহোম ৰজাৰ মৃত্যু ঘটায়; ১৩৭৬ খ্রীঃত।

কোনো কোনো বুৰঞ্জীৰ মতে সেই উৎসৱত লোকে লোকাৰণ্য হৈছিল আৰু সেই সুযোগতে আহোম ৰজাক ভটৰাৰে গছকাই মৃত্যু ঘটায়।"[১]

এইদৰেই ক্রমে আহোম ৰাজ্যৰ চুতীয়া ৰাজ্যৰ শত্রুতা আৰম্ভ হয়।

১৩৭৬ খ্রীঃৰ পৰা ১৩৮০ খ্রীঃলৈকে এইচোৱা সময় আহোম ৰাজ্যত বিষয়া তন্ত্র শাসন চলে পাছত বিষয়াসকলে আলচ কৰি চুখাংফাৰ মাজিউ পুতেক ত্যাওখাম্‌থিক ৰজা পাতে। ১৩৮০ খ্রীঃত। ৰজাহঁে তেওঁ ভ্রাতৃবৈৰী চুতীয়া ৰজাৰ ওপৰত প্রতিশোধ লবৰ বাবে চুতীয়া ৰাজ্য আক্রমণ কৰে। চুতীয়া ৰাজ্য আক্রমণ কৰিবৰ বাবে আহোম মন্ত্রী আৰু বিষয়াসকলৰ অলপো মন নাছিল।"[২] কিয়নো আগৰ আক্রমণতে চুতীয়া সৈন্যৰ বীৰত্বৰ কথা আহোমসকলে ভালকৈ বুজিব পাৰিছিল। তথাপিও আহোম ৰজাই চুতীয়া ৰাজ্য আক্রমণ কৰিছিল আৰু তেওঁলোক জয়ী হৈছিল বুলি বুৰঞ্জীত উল্লেখ আছে।"[৩] কিন্তু এই জয়ৰ ফলশ্রুতি কি হ'ল ক'তো উল্লেখ নাই। গতিকে এই জয় কোনো উল্লেখযোগ্য জয় নহয় বুলি ভাবিবৰ থল আছে।

ত্রিশ বছৰ ৰাজত্ব কৰাৰ পাছত ১৩৯৩ খ্রীঃত শঙ্খধ্বজ পালৰ মৃত্যু হয়।

## সপ্তম ৰজা

# গোলোক নাৰায়ণ বা মউৰধ্বজপাল

১৩৯৩ খ্রীঃৰ পৰা ১৪২১ খ্রীঃলৈ -- ২৮ বছৰ

শঙ্খধ্বজৰ মৃত্যুৰ পাছত তেওঁৰ পুত্র গোলোক নাৰায়ণে মউৰধ্বজ পাল নাম লৈ চুতীয়া ৰাজ্যৰ সিংহাসনত উঠে। ১৩৯৩ খ্রীঃত।

মউৰধ্বজ পালৰ দিনটো কোনো উল্লেখযোগ্য ঘটনাৰ ক'তো উল্লেখ দেখা নেযায়। তেওঁৰ ৰাজত্বৰ সুদীৰ্ঘ আঠাইশ বছৰতো কোনো উল্লেখযোগ্য ঘটনা নথকাই প্রমাণ কৰে যে তেওঁ শান্তিপ্রিয় ৰজা আছিল। তেওঁৰ ৰাজ্য কোনেও আক্রমণ নকৰাই প্রমাণ কৰে যে তেওঁৰ ৰাজ্য যথেষ্ট শক্তিশালী আছিল। সেই সময়চোৱাত আহোম ৰাজ্য ক্রমাত শক্তিশালী হৈ আহিছিল। তথাপিও চুতীয়া ৰাজ্য আক্রমণ নকৰাটো তাৎপৰ্যপূৰ্ণ।

আঠাইশ বছৰ ৰাজত্বৰ অন্তত মউৰধ্বজ পালৰ মৃত্যু হয়।

---

১ *আহোম বুৰঞ্জী -- পৃঃ ৪৯; সাতসৰী অসম বুৰঞ্জী-- পৃঃ ৯।*

২ *অসমৰ বুৰঞ্জী -- পদ্মনাথ গোঁহাই বৰুৱা -- পৃঃ ৩৫।*

৩ *অসমৰ বুৰঞ্জী -- পদ্মনাথ গোঁহাই বৰুৱা -- পৃঃ ৩৫।*

## অষ্টম ৰজা

# ব্ৰজনাৰায়ণ বা নন্দীশ্বৰ বা জয়ধ্বজপাল

১৪২১ খ্ৰীঃৰ পৰা ১৪৫৪ খ্ৰীঃ — ৩৩ বছৰ

মউৰধ্বজৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ ব্ৰজনাৰায়ণ বা নন্দীশ্বৰে জয়ধ্বজপাল নাম লৈ চুতীয়া ৰাজ্যৰ সিংহাসনত বহে।

তেওঁ এজন শক্তিশালী ৰজা আছিল। এওঁৰ পুত্ৰ সত্যনাৰায়ণে দিয়া আৰু উত্তৰ লক্ষীমপুৰৰ ঘিলামৰাত পোৱা এখন তামৰ ফলিৰ মতে সত্যনাৰায়ণৰ পিতৃ নন্দীশ্বৰে কোনো এজন বীৰবৰক যুদ্ধত পৰাস্ত কৰিছিল।*১

এওঁ এজন ধৰ্মপৰায়ণ ৰজা আছিল। এওঁ বৈষ্ণৱ মতৰ বেছি সমৰ্থক বুলি প্ৰজাসকলে দেশত অমঙ্গল হোৱাৰ ভয় কৰি দেউৰী পুৰোহিতসকলৰ দ্বাৰা বিশেষভাবে দেৱী পূজা কৰাইছিল বুলি প্ৰবাদ আছে।

এওঁৰ দিনতো চুতীয়া ৰাজ্যত বেপাৰ বাণিজ্যৰ যথেষ্ট উৎকৰ্ষ হৈছিল আৰু বিভিন্ন ঠাইৰ পৰা বেপাৰৰ বাবে মানুহ আহিছিল।

এওঁৰ দিনতে ১৪৪৯ খ্ৰীঃত বৰদোৱাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হয়। এই মহাপুৰুষজনাই অসমৰ জনজীৱনত নৈতিক আদৰ্শৰ এক নতুন পোহৰ সঞ্চাৰ কৰে। কেৱল সেয়ে নহয় ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰতো এক নৱযুগৰ সূচনা কৰে। তেত্ৰিশ বছৰ ৰাজত্বৰ অন্তত তেওঁ স্বৰ্গগামী হয়।

## নৱম ৰজা

# সত্যনাৰায়ণ বা কৰ্মধ্বজপাল

১৪৫৪ খ্ৰীঃৰ পৰা ১৪৭৮ খ্ৰীঃলৈ — ২৪ বছৰ

জয়ধ্বজপালৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ সত্যনাৰায়ণে কৰ্মধ্বজপাল নামলৈ চুতীয়া ৰাজ্যৰ সিংহাসনত বহে।

---

১ *ঘিলামৰাত পোৱা তামৰ ফলিৰ মতে সত্যনাৰায়ণৰ পিতৃ নন্দীশ্বৰে কোনো বীৰবৰক যুদ্ধত পৰাস্ত কৰিছিল। দেওধাই বুৰঞ্জীত জয়ধ্বজপালৰ নাম জয়ধ্বজপাল আৰু ব্ৰজনাৰায়ণ বুলিহে উল্লেখ আছে। কিন্তু সত্যনাৰায়ণৰ তামৰ ফলিত তেওঁৰ পিতৃ নন্দীশ্বৰে বীৰবৰক যুদ্ধত পৰাস্ত কৰাৰ কথাই প্ৰমাণ কৰে যে জয়ধ্বজপালৰ অন্য এটা নাম নন্দীশ্বৰো। এইক্ষেত্ৰত ৰায়বাহাদুৰ কনকলাল বৰুৱাদেৱে কোৱাৰ দৰে সত্যনাৰায়ণ এই কাৰণতেই চুতীয়া ৰজা হয়নে নহয় সন্দেহ কৰিবৰ কোনো কাৰণ নাই।*

এওঁ এজন ধৰ্মপৰায়ণ ৰজা আছিল আৰু ব্ৰাহ্মণক মাটি দান কৰিছিল। এই কথা ঘিলামৰা (উত্তৰ লক্ষীমপুৰ)ত পোৱা এখন তামৰ ফলিত উল্লেখ আছে। ইয়াৰ উপৰিও বৰ্তমান উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা সত্ৰত থকা ত্ৰিশ কেজি ওজনৰ বিষ্ণু-মূৰ্তি, দবা, কাহ, পিতলৰ প্ৰায় পঁচিশ কেজি ওজনৰ ডাঙৰ ঘণ্টা, শৰাই আৰু দোলা আদি এওঁৰে দান বুলি সত্ৰাধিকাৰে কয়। ঘিলামৰাৰ ধেনুখনাত এই সত্ৰৰ মাটি আছে। প্ৰথমে সেই মাটি ব্ৰাহ্মণক দেৱোত্তৰ মাটি হিচাপে দিয়া হৈছিল। পাছত শ্ৰীমন্ত শংকৰদেৱৰ দিনত সত্ৰ প্ৰতিষ্ঠা হয়। সেই সত্ৰ পাছত উত্তৰ লক্ষীমপুৰলৈ আনে। ঘিলামৰাৰ ধেনুখনাত এতিয়াও এই সত্ৰৰ মাহধোৱা পুখুৰী দৌল আৰু নামঘৰ আছে।

ঘাৰমৰা সত্ৰত থকা বিষ্ণুৰ মূৰ্তিটো চতুৰ্ভুজ। ইয়াতে বোলে অতীতত ৰুক্মিণীয়ে পূজা সেৱা কৰিছিল। সেই মূৰ্তি কুণ্ডিলতে আছিল। পাছত ধৰ্মধ্বজপালে নীতিপালক ৰাজ্য দি বানপ্ৰস্থী হোৱাত কুণ্ডিলৰ পাৰতে বৈকুণ্ঠগামী হয়। পাছত যুদ্ধত চুতীয়া ৰাজ্যৰ পতন হোৱাত সেই মূৰ্তি আনি ধেনুখনাৰ মাটিত স্থাপন কৰে। পাছত ইংৰাজ ৰাজত্বৰ সময়ত ধেনুখনাৰ পৰা আনি উত্তৰ লক্ষীমপুৰত সত্ৰ পাতে।*[১]

ঘাৰমৰা সত্ৰত থকা দবা, কাহ, চতুৰ্ভুজমূৰ্তি আদি বস্তুবিলাক দান বুলি কোৱাতকৈ পুৰোহিত হিচাপে তেওঁলোকক পূজা সেৱাত ব্যৱহাৰ কৰিবলৈ দিয়া বুলিহে ক'ব পাৰি। পাছত সেইবোৰেই বৰ্তমান সত্ৰৰো সম্পত্তি হিচাপে পৰিগণিত হৈছে।

সত্যনাৰায়ণৰ দিনতো কোনো যুদ্ধ বিগ্ৰহৰ ক'তো উল্লেখ নাই।

চৌব্বিশ বছৰ সুখ্যাতিৰে ৰাজত্ব কৰাৰ পাছত ১৪৭৮ খ্ৰীঃত তেওঁ স্বৰ্গী হয়।*[২]

## দশম ৰজা

# ধীৰনাৰায়ণ বা লক্ষ্মীনাৰায়ণ বা ধৰ্মধ্বজপাল

১৪৭৮ খ্ৰীঃৰ পৰা ১৫২০ খ্ৰীঃলৈ -- ৪২ বছৰ

কৰ্মধ্বজৰ পাছত তেওঁৰ পুত্ৰ ধীৰনাৰায়ণ বা লক্ষ্মীনাৰায়ণে ধৰ্মধ্বজপাল নামলৈ চুতীয়া ৰাজ্যৰ সিংহাসনত বহে।

---

*১ ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰৰ পৰা পোৱা বৰ্ণনা।*

*২ ঘিলামৰা (উত্তৰ লক্ষীমপুৰ)ত পোৱা তামৰ ফলি দুখনৰ বিষয়বস্তু সৰ্বেশ্বৰ বৰুৱাদেৱে আৱাহন আৰু কামৰূপ অনুসন্ধান সমিতিৰ আলোচনীত প্ৰকাশ কৰিছিল। প্ৰথমখন ১৪৭০ চনৰ আৰু দ্বিতীয়খন ১৪৭৯ চনৰ। প্ৰথমখন সদয়াপুৰী বা শদিয়াৰ ৰজা সত্যনাৰায়ণৰ আৰু দ্বিতীয়খন তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ। (ঘাৰমৰা সত্ৰৰ সকলো সম্পদ আৰু বৰ্ণনা লিখকে নিজে দেখা আৰু পোৱা।)*

১২২৮ খ্ৰীঃত আহোম ৰজা স্বৰ্গদেউ চুকাফাই আহোম ৰাজত্ব প্ৰতিষ্ঠা কৰাৰ পৰা ক্ৰমে এই ৰাজ্য শক্তিশালী হৈ উঠিছিল আৰু এই আহোম ৰাজ্য চুতীয়া ৰাজ্যৰ সীমাতে থকাত চুতীয়া ৰাজ্যৰ প্ৰতিও ভাবুকি হৈ পৰিছিল। চুতীয়া ৰজা ধীৰনাৰায়ণে এই কথা উপলব্ধি নকৰাকৈ থকা নাছিল।

ইতিমধ্যে দিহিং নদীত মাছধৰালৈ আহোম আৰু চুতীয়াৰ মাজত এটা বিবাদ হৈ তাৰ পৰাই দুয়ো ৰাজ্যৰ মাজত মনোমালিন্যৰ সৃষ্টি হৈছিল। এদিন দিহিঙৰ মাজেদি এটা বৃহৎ বৰালী মাছ উটি আহিছিল। দিহিঙৰ উত্তৰে চুতীয়া ৰাজ্য আৰু দক্ষিণে আহোম ৰাজ্য। আহোমে গৈ মাছটো ধৰিলে। তাকে দেখি চুতীয়াৰ মানিকচন্দ্ৰ বৰুৱাই বোলে "আমাৰ পানীৰ মাছ কʼৰ মানুহে ধৰি নিয়ে? নাও মেলি ধৰগৈ।" পাছে চুতীয়াৰ মানুহে নাও মেলি গৈ মাছটোৰ বাবে জোটাপুটি লগালে। টনা-আজোৰা কৰোতে মাছটো মাজতে ছিগিল।

এই কথা মানিকচন্দ্ৰ বৰুৱাই খুন্ত ৰজাৰ জোৱায়েকক কʼলে বোলে – "লণ্ডামুণ্ডা মানুহবোৰ, গাতো কলীয়া কাপোৰ। আমাৰ মানুহ দুটাকো ধৰি নিলে; মাছো নিলে; গাকো লণ্ড-ভণ্ড কৰিলে।" এই ঘটনা ১৪৮০ খ্ৰীঃত।*[১]

এই কাৰ্যৰ প্ৰতিশোধ লʼবৰ বাবে চুতীয়াসকল তলে তলে দৃঢ়-প্ৰতিজ্ঞ হʼল। ৰজা ধীৰনাৰায়ণেও আহোম ৰজাৰ এই বৰ্ধিত শক্তি প্ৰতিৰোধ কৰিবৰ বাবে এটা শক্তিশালী বাহিনী গঠন কৰিলে।

এই শক্তিশালী সৈন্যবাহিনীৰ দ্বাৰা আহোম ৰজাৰ বৰ্ধিত শক্তিক বাধা দিবৰ বাবে ৰজাই পদাতিক আৰু নৌ বাহিনী লৈ দিখৌ মুখলৈ আগবাঢ়ি গʼল। দিখৌ মুখ দখল কৰি ৰাজ্যৰ সুৰক্ষাৰ বাবে তাতে পচলাৰে এটা গড় মৰালে। সেইবাবে সেই গড়ৰ নাম পচলা গড়। এই ঘটনা ১৫১৩ খ্ৰীঃত।

**আহোমৰ লগত ৰণ ঃ** গুপ্তচৰৰ মুখে আহোম ৰজাই এই খবৰ পাই চাওচিয়েন

---

*প্ৰথম ফলিত সত্যনাৰায়ণে নিজকে সুবৰিপু বংশীয় বুলি উল্লেখ কৰিছে। গতিকে সেইখনযে বড়ো গোষ্ঠীৰ চুতীয়া ৰজা সত্যনাৰায়ণৰ তাত কোনো সন্দেহ নাই। দ্বিতীয়খন তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ। প্ৰথমখন ফলিত সত্যনাৰায়ণৰ পিতৃ নন্দীশ্বৰে বীৰবৰক পৰাস্ত কৰিছিল বুলি উল্লেখ কৰিছে। দেওধাই বুৰঞ্জীত উল্লেখ থকা মতে সত্যনাৰায়ণৰ পিতৃ ব্ৰজনাৰায়ণ বা জয়ধ্বজপাল আৰু পুত্ৰ ধীৰ নাৰায়ণ বা ধৰ্মধ্বজপাল। বীৰবৰ চুতীয়া ৰাজাৰ বীৰপাল বংশৰ প্ৰতিষ্ঠাতা আৰু সত্যনাৰায়ণৰ ওপৰি পুৰুষ। এইবিলাক দেখিয়ে কনকলাল বৰুৱাদেৱে সত্যনাৰায়ণ চুতীয়া ৰজা হয়নে নহয় সন্দেহ প্ৰকাশ কৰিছে।*

*কিন্তু তামৰ ফলিত উল্লেখ থকা বীৰবৰ বীৰপাল বংশৰ প্ৰতিষ্ঠাতা বীৰবৰ নহয়। অন্য কোনো এজনহে; সেইদৰে সতানাৰায়ণৰ পিতৃৰ নাম ব্ৰজনাৰায়ণ বা জয়ধ্বজপালৰ উপৰিও নন্দীশ্বৰো। সেইদৰে সত্যনাৰায়ণৰ পুত্ৰৰ অন্য এটা নাম লক্ষ্মীনাৰায়ণো। চুতীয়া ৰজাসকলৰ সকলোৰে একাধিক নাম আছিল।*

১ *অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা) সম্পাদন – সূৰ্য কুমাৰ ভূঞা – পৃঃ ৮।*

আৰু তাওমুৰেই লুঙ নামৰ দুজন সেনাপতিক চুতীয়া সেনাক বাধা দিবৰ বাবে পঠালে। চুতীয়াৰ সৈন্য দিখৌমুখৰ ৰণত পৰাজিত হোৱাত সন্ধিৰ প্ৰস্তাৱ কৰিলে। চুতীয়াৰ নৌ-বাহিনীও চিৰাতিৰ যুজত পৰাজিত হৈ পিচ হুহকি যাবলৈ বাধ্য হ'ল।*[১] স্বৰ্গদেউ চুহুংমুঙে এই সুযোগতে হাবুং আৰু পানবাৰী দখল কৰিলে। মুখ্ৰাং দুৰ্গ আৰু নামদাং অঞ্চলো আহোম ৰাজ্যভুক্ত হ'ল।*[২] আহোম ৰজাই নামদাঙত এখন নগৰ তৈয়াৰ কৰিবৰ বাবে আয়োজন কৰিলে।

ইফালে চুতীয়া ৰজা ধীৰনাৰায়ণে আন এটা পথেদি গৈ দিহিংমুখ পালেগৈ আৰু তাতে আহোম শাসনকৰ্তা আইমুওক পৰাজয় কৰিলে।*[৩] আহোম ৰজাই অন্য এজন অতি শক্তিশালী আহোম সেনাপতি চুতীয়া ৰজাৰ বিপক্ষে পঠালে। চুতীয়া সেনা পৰাস্ত হ'ল আৰু পিচ হুহকি যাবলৈ বাধ্য হ'ল।*[৪]

এইদৰে বাৰে বাৰে পৰাজিত হৈ চুতীয়া ৰজাই মুখ্ৰাঙৰ ৰজাৰ সহায় বিচাৰিলে। মুখ্ৰাঙৰ ৰজায়ো প্ৰথমে সহায় কৰিবলৈ সন্মত হৈছিল। কিন্তু পাছত আহোম ৰজাই বহুতো উপহাৰৰ বস্তু পঠাই মুখ্ৰাঙৰ ৰজাৰ লগত বন্ধুত্ব কৰিলে আৰু মুখ্ৰাঙৰ ৰজাই চুতীয়া ৰজাক সহায় কৰাৰ পৰা বিৰত হ'ল। এইদৰে প্ৰায় ১৫১৬ খ্ৰীঃ পালেগৈ।

চুতীয়া ৰজাই কোনো ফালৰপৰা সহায় নোপোৱাত ইয়াৰ পাছত ১৫২০ খ্ৰীঃলৈকে হেৰুৱা ৰাজ্যখণ্ড পুনৰ উদ্ধাৰ কৰিবৰ বাবে কোনো চেষ্টা নকৰিলে। ১৫২০ খ্ৰীঃত এটা সুসজ্জিত সৈন্য বাহিনী লৈ ধীৰনাৰায়ণে মুখ্ৰাং পুনৰ অধিকাৰ কৰিলে। ইয়াৰ পাছত দুবছৰলৈকে আহোমৰ লগত আৰু কোনো যুদ্ধ নহ'ল।*[৫]

**ৰাজকন্যা সাধনীৰ স্বয়ম্বৰ ঃ** ৰজা ধৰ্মধ্বজ এজন অতি ধৰ্মপৰায়ণ ৰজা আছিল তেওঁৰ বহু দিনলৈকে কোনো সতি-সন্ততি নাছিল। সেয়েহে ৰজা-ৰাণীৰ মনত অতি দুখ। সন্তান লাভৰ কামনাৰে তেওঁলোকে সদায় পূজা অৰ্চনা কৰি থাকে।

বহু বছৰৰ মূৰত তেওঁলোকৰ এটি কন্যা সন্তান হয়। বহু সাধনাৰ মূৰত পোৱাৰ বাবে কন্যাটিৰ নাম থলে সাধনী। যথা সময়ত ৰজাই আৱশ্যকীয় সকলো বিষয়ৰ শিক্ষা দি সাধনীক সকলো কামতে পাৰ্গত কৰি তুলিলে। সেইদৰে তেওঁ অতুলনীয় চৰিত্ৰৰো আধিকাৰী হ'ল। সাধনী লাহে লাহে ডাঙৰ হৈ যৌবন অবস্থাত ভৰি দিলেহি। বিদ্যা-বুদ্ধি আৰু ৰূপে-গুণেও অতুলনীয় হৈ পৰিল। ৰজাই সাধনীক উপযুক্ত পাত্ৰত বিয়া দিবৰ বাবে চিন্তিত হৈ পৰিল। তেওঁ সাধনীৰ বাবে বৰৰ সন্ধান কৰি চাৰিওফালে মানুহ পঠালে। কিন্তু কোনেও সাধনীৰ উপযুক্ত বৰৰ সন্ধান দিব নোৱাৰিলে।

---

১ *A History of Assam -- Sir E. Gait -- page-86*
২ *অসমৰ বুৰঞ্জী— পদ্মনাথ গোঁহাই বৰুৱা – পৃঃ ৪০।*
৩ *An Account of Assam — Dr. J.P. Wade — page 23*
৪ *A History of Assam — Sir. E. Gait — page 86*
৫ *A History of Assam — Sir. E. Gait — page 86-87*
*(মুংখ্ৰা এখন ক্ষুদ্ৰ ৰাজ্য)।*

চিন্তাক্লিষ্ট ৰজা এদিন ফুৰিবলৈ ওলাই যাওঁতে “পাল শৰদিয়া মৈদাম”ৰ (ৰজা ৰত্নধ্বজৰ দ্বাৰা পুত্ৰৰ স্মৃতিত নিৰ্মিত চুতীয়া ৰজাসকলৰ শৱ সংকাৰৰ মৈদাম) ওপৰত এটা কেৰ্কেটুৱাই চঞ্চলভাৱে মৈদামবোৰৰ ওপৰত ঘূৰি ফুৰা দেখিবলৈ পালে। ৰজাই লগুৱাসকলৰ দ্বাৰা কেৰ্কেটুৱাটো তাৰ পৰা খেদাবৰ চেষ্টা কৰিলে। কিন্তু বিফল হ'ল। তেওঁ নিজেও চেষ্টা কৰি চালে। কেৰ্কেটুৱাটো খেদাই দিলেও আকৌ বিজুলিবেগত আহি মৈদামৰ ওপৰ পাইহি। সি যেন কেৱল ৰজাৰ পূৰ্বপুৰুষসকলকে নহয় ৰজাকো উপহাৰ কৰিছে।

ৰজাই সাধনীৰ বিয়াৰ বাবে হঠাৎ যেন এটা উপায় বিচাৰি পালে। তেওঁ তেতিয়াই পণ কৰিলে যে এই চঞ্চল কেৰ্কেটুৱাটো যেয়ে একেপাত কাড়তে বিদ্ধ কৰিব পাৰিব তেওঁকে সাধনীক সমৰ্পণ কৰিব। পাত্ৰমন্ত্ৰীসকলৰ লগত আলোচনা কৰি অতি কম দিনৰ ভিতৰতে স্বয়ম্বৰৰ দিন ঘোষণা কৰিলে যাতে ইয়াৰ ভিতৰতে কেৰ্কেটুৱাটো তাৰ পৰা অন্তৰ্ধান নহয়।

কোনো ৰাজপৰিয়ালৰ কন্যাৰ বিবাহৰ বাবে স্বয়ম্বৰ তেওঁলোকৰ পিতৃ-পিতামহৰ দিনৰ পৰা চলিত নিয়ম। ৰজা ভীষ্মকেও নিজ কন্যা ৰুক্মিণীক বিবাহ দিবৰ বাবে স্বয়ম্বৰ সভাৰ আয়োজন কৰিছিল।

নিৰ্দিষ্ট দিনা ৰাজপুৰুষ আৰু বীৰপুৰুষসকলেৰে স্বয়ম্বৰ সভা ভৰি পৰিল। ৰজাই স্বয়ম্বৰত নিজ পণৰ কথা পুনৰ ঘোষণা কৰিলে। ৰাজপুৰুষ আৰু বীৰপুৰুষসকলে সুন্দৰী আৰু গুণৱতী ৰাজকন্যা সাধনীক লাভ কৰাৰ আশাত লক্ষ্যভেদৰ বাবে এজন এজনকৈ আগবাঢ়ি আহিল। কিন্তু কোনেও সেই লক্ষ্যভেদ কৰিব নোৱাৰিলে।

ৰজা বিমৰ্ষ হ'ল। তেওঁ ভাবিলে তেন্তে সাধনীৰ যোগ্য বৰ কোনো নায়েই নেকি? তেওঁ যি পণ স্থিৰ কৰিলে সি ভুল নেকি? ৰজাই উপস্থিত সভাৰ সকলোকে উদ্দেশ্য কৰি পণৰ কথা পুনৰ ঘোষণা কৰিলে আৰু সকলোৰে বাবে সেই পণ মুক্ত বুলি ঘোষণা কৰিলে।

সেই সভাতে ধনুৰ্বিদ্যাত অতি নিপুণ কিন্তু বংশ গৌৰৱবিহীন নিতাই নামে এক চুতীয়া যুৱক উপস্থিত আছিল। বন্ধু-বান্ধৱসকলে তেওঁক লক্ষ্যভেদৰ বাবে আগবাঢ়ি যাবলৈ পৰামৰ্শ দিলে। নিতাই লক্ষ্যভেদৰ বাবে আগবাঢ়ি গ'ল। উপস্থিত ৰাজপুৰুষসকলে তাত আপত্তি কৰিলেও ৰজা নিজ পণৰ পৰা বিৰত নহ'ল।

নিতায়ে আগবাঢ়ি গৈ একেপাট কাড়তে কেৰ্কেটুৱাটো বিদ্ধ কৰিলে। ৰাজসভাৰ সকলো বীৰপুৰুষ জয় পৰি গ'ল। কিন্তু ৰজাই নিজ পণ ৰক্ষা কৰি সাধনীক সেই বীৰ যুৱকৰ হাতত অৰ্পণ কৰিবৰ বাবে উদ্যত হ'ল।

সাধনীয়ে অন্তেষপুৰৰ নিৰ্দিষ্ট স্থানৰ পৰা লক্ষ্যভেদ দেখি আছিল। এতিয়া সাধনীয়ে পণত জয়ীজনক বৰমাল্য দিয়াৰ সময়। সকলোৰে মনত প্ৰশ্ন এই সাধাৰণ ঘৰৰ যুৱকক সাধনীয়ে বৰমাল্য দিবনে? কিন্তু সাধনীয়ে এই কথাৰ সিদ্ধান্ত কৰোতে বেছি সময় নেলাগিল। যি আদৰ্শই শ্ৰীৰামচন্দ্ৰক পিতৃৰ সত্য অঙ্গীকাৰ পালন কৰিবৰ বাবে ৰাজসুখ

ত্যাগ কৰি বনবাসী হ'বৰ বাবে অনুপ্ৰেৰণা যোগাইছিল সেই আদৰ্শকে সাৰোগত কৰি ৰাজকন্যা সাধনীয়েও সাধাৰণ ঘৰৰ হ'লেও নিতাইক বৰমাল্য দিবৰ বাবে কুণ্ঠিত নহৈ আনন্দেৰে আগবাঢ়ি আহিল। তদুপৰিও নিতাই সাধাৰণ ঘৰৰ হ'লেও তেওঁৰ কাৰ্য অসাধাৰণ। অন্য কোনো ৰাজপুৰুষ বা বীৰপুৰুষে সাধন কৰিব নোৱাৰা অসাধ্য কাম নিতায়ে সাধন কৰিছে। নিতাই নিজ জাতিৰ গৌৰৱ। এই ভাবি আনন্দমনেৰে সাধনীয়ে নিতাইক বৰমাল্য দি স্বামীবৰণ কৰিলে।

ধৰ্মপ্ৰাণ ৰজা ধীৰনাৰায়ণে নিজ কন্যাৰ এই আদৰ্শৰ মহানুভৱতাত আনন্দিত হৈ নিতাইৰ হাতত নিজ কন্যাক সমৰ্পণ কৰিলে। লগতে সিদিনাই সেই ৰাজসভাতে নিজ ৰাজ্যও নিতাইৰ হাতত সমৰ্পণ কৰি নিতাইৰ মূৰত ৰাজমুকুত পিন্ধাই দিলে; যাতে নিতাইক আৰু সামান্য বা সাধাৰণ ঘৰৰ ল'ৰা বুলি কোনেও উপহাস কৰিব নোৱাৰে। কেৱল সেয়ে নহয় ইয়াৰ দ্বাৰা তেওঁ ৰাজসিংহাসনৰ ভৱিষ্যত অনিশ্চয়তা দূৰ কৰিলে। তেওঁৰ বৰ্তমানতে যাতে নিতায়ে ৰাজ্যৰ শাসনৰ অভিজ্ঞতা লাভ কৰি ৰাজ্যৰ শাসন সুস্থিৰ কৰিব পাৰে তাৰো ব্যৱস্থা কৰিলে। কিয়নো ৰাজপুত্ৰ সাধক নাৰায়ণ তেতিয়া নিচেই কেচুৱা আছিল।

নিতাইক ৰাজ সিংহাসন অৰ্পণ কৰাৰ পাছত লগতে তেওঁলোকৰ পিতৃ পুৰুষৰ চিৰপূজিত ৰাজ সম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰীও যৌতুক হিচাপে অৰ্পণ কৰিলে; কাৰণ এই সম্পদ ৰাজ সম্পদ; এই সম্পদ ৰজাৰ হাততেই থাকিব লাগিব আৰু ৰাজমৰ্যাদাৰেই সদায় পূজা অৰ্চনা কৰি থাকিব লাগিব; ৰাজকীয় মৰ্যাদাৰে বছৰি উৎসৱ পাতিব লাগিব নহ'লে যে ৰাজ্য আৰু প্ৰজাৰ অমঙ্গল হ'ব পাৰে।

ৰাজসিংহাসনত আৰোহণ কৰি নিতায়ে নাম ললে নীতিপাল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰজা নিজে বৃদ্ধ হৈ অহাত আৰু সাধনীৰ স্বয়ম্বৰৰ সময়ত পুত্ৰ সাধক নাৰায়ণ একেবাৰে কেঁচুৱা অৱস্থাত থকাত[১] ৰজাই ৰাজ কাৰ্যত অভিজ্ঞতা সম্পন্না, অতি মৰমৰ ৰাজকন্যা সাধনীৰ হাততেই ৰাজ্যও সমৰ্পণ কৰি ৰাজ্যৰ ভৱিষ্যত মঙ্গলৰ কথাকেই চিন্তা কৰিছিল; ইয়াৰ দ্বাৰা তেওঁৰ ত্যাগ আৰু আদৰ্শৰ মাহাত্মই প্ৰকাশ পাইছে।

ইয়াৰ পাছত ৰজা ধীৰনাৰায়ণে সন্ন্যাস গ্ৰহণ কৰি আশ্ৰমত থাকিবলৈ লৈছিল বুলি জনা যায়।

---

১ *পদ্মনাথ গোঁহাই বৰুৱাৰ অসমৰ বুৰঞ্জীৰ মতে সাধক নাৰায়ণৰ জন্ম সাধনীৰ স্বয়ম্বৰৰ পাচত।*

# নীতিপাল বা চন্দ্ৰনাৰায়ণ (ধৰ্মধ্বজৰ জোৱাই)

১৫২০ খ্ৰীঃৰ পৰা ১৫২৩ খ্ৰীঃলৈ— ৩ বছৰ

পণত জয়ী হৈ ৰাজকন্যা সাধনী আৰু লগতে যৌতুক স্বৰূপে ৰাজ্যও লাভ কৰি নিতায়ে ৰাজ সিংহাসনত আৰোহণ কৰি নীতিপাল নাম ললে। এই কথা কোৱা বাহুল্য যে সাধাৰণ ঘৰৰ যুবক নীতিপালৰ কোনো সময়তে ৰাজকাৰ্যৰ অভিজ্ঞতা নাছিল। সেয়েহে তেওঁৰ ৰাজকাৰ্যৰ অভিজ্ঞতা পাবলৈ সময় লগাটো স্বাভাৱিক। আনহাতে ঈৰ্ষাপৰায়ণ আৰু অভিমানী বিষয়াসকলে নীতিপালক সাধাৰণ ঘৰৰ বুলি আৰু গৰখীয়া আদি নামেৰে সদায় ইতিকিং কৰিছিল।

পণত জয়ী হ'ব নোৱাৰা ৰাজপুৰুষ আৰু বীৰসকলেও নিতায়ে ৰাজকন্যা আৰু লগতে ৰাজ্যও লাভ কৰাত কেৱল ক্ষুব্ধ হোৱাই নহয় কেনেকৈ তেওঁক সিংহাসনচ্যুত কৰিব পাৰে তাৰেহে চেষ্টা কৰিছিল। তেওঁলোকে নীতিপালৰ বিৰুদ্ধে প্ৰজাৰ মাজত প্ৰচাৰ কৰিছিল। এচাম বিষয়া, কৰ্মচাৰী আৰু প্ৰজায়ো এইসকলৰ উচটনিত হয়ভৰ দি ৰাজ্যৰ অমঙ্গল চিন্তা কৰিছিল।

ৰাজকন্যা সাধনী সাহসী, বুদ্ধিমতী আৰু ৰাজকাৰ্যত অভিজ্ঞতা সম্পন্না হ'লেও তেওঁৰ সকলো পৰামৰ্শ নীতিপালে নেমানিছিল; হয়তো এইটো তেওঁৰ বাবে দুৰ্বলতা প্ৰকাশ হ'ব বুলিয়ে ভাবিছিল। সাধাৰণ ঘৰৰ বাবে তেওঁৰ মনত হীনমান্যতাই পৰোক্ষভাবে সদায় কাম কৰিছিল। সেয়েহে তেওঁ বাল্যকালৰ লগৰীয়া কিছুমানক প্ৰশ্ৰয় দি মন্ত্ৰী পাৰিষদ আদি বিষয়-বাব দিছিল। সেইসকল লোকো অনভিজ্ঞই আছিল; আনহাতে নিতায়ে ৰাজ্য পোৱাত তাৰে কিছুমানে ঈৰ্ষান্বিত হৈ কপট পৰামৰ্শ দিছিল; যাৰ ফলত ৰাজ্যত বেমেজালিয়ে দেখা দিছিল। সেইসকলে নীতিপালৰ নাম দিছিল অনীতিপাল।

চুতীয়া ৰাজ্যৰ এই বিশৃংখলতা আৰু শাসনৰ শিথিলতাৰ কথা আহোম ৰজাই গম পাইছিল আৰু চুতীয়া ৰাজ্য পুনৰ আক্ৰমণ কৰাৰ সুযোগৰ অপেক্ষা কৰিছিল।

নীতিপাল ধনুৰ্বিদ্যাত পাৰ্গত আছিল। গতিকে তেওঁ চিকাৰ কৰি ভাল পোৱাটো স্বাভাৱিক। ৰজা হোৱাৰ পাছত ই তেওঁৰ বাবে এটা ৰাজকীয় ক্ৰীড়া হৈ পৰিছিল। সেইদৰে তেওঁ প্ৰজাৰ মাজত থাকি আলিবন্ধা, পুখুৰী খন্দা, আদি কামবোৰ কৰি ভাল পাইছিল আৰু ৰাজধানীৰ বাহিৰত এই কামবোৰতহে বেছিকৈ ব্যস্ত হৈ পৰিছিল। সেইবিলাক কাম প্ৰজাৰ মঙ্গলৰ বাবেই হ'লেও ইয়াৰ ফলত অন্য ৰাজকাৰ্যত শিথিলতা আহি পৰিছিল।

নীতিপালে তেওঁৰ নতুন পাত্ৰমন্ত্ৰী আৰু বিষয়াসকলৰ পৰামৰ্শমতে আহোম ৰজাৰ শক্তি সামৰ্থৰ বিষয়ে সম্যক জ্ঞান নোলোৱাকৈয়ে বেপাৰৰ বাবে আহোম ৰাজ্যত প্ৰৱেশ কৰিছিল। ইয়াতে আহোম ৰজাই ক্ষুব্ধ হৈ চুতীয়া ৰাজ্য আক্ৰমণ কৰিবৰ বাবে এটা কাৰণ বিচাৰি পাইছিল।

চুতীয়াসকলে মুগ্ৰাং দুৰ্গ পুনৰ অধিকাৰ কৰাৰ দুবছৰৰ পাছত আহোম ৰজা

চুহুংমুঙে সুসজ্জিত হৈ তাওচুং আৰু বেলুং নামৰ দুজন সেনাপতিক এদল শক্তিশালী সৈন্যৰে সৈতে চুতীয়া ৰজাৰ বিৰুদ্ধে পঠালে আৰু দৈবজ্ঞৰ কথামতে নিজে ৰাজধানীলৈ আহি দেৱতাৰ উদ্দেশ্যে পূজা দিলেহি। পূজাৰ অন্তত ৰজাই নিজে যুদ্ধ যাত্ৰা কৰিলে আৰু চেঁচামুখত এটা বৃহৎ সৈন্যদল সমাবেশ কৰিলেগৈ।*[১]

ইতিমধ্যে চুতীয়া ৰজাই নাৱেৰে দিহিং পাৰহৈ পাচ-হুহকি গ'ল; যাওঁতে আহোম ৰজাৰ মানুহে চুতীয়া ৰজাৰ চাৰিজন মানুহ আৰু কিছু বয়-বস্তু হস্তগত কৰিছিল। সেই বন্দী কৰা মানুহ কেইজনৰ পৰাই চুতীয়া ৰজা যে ডিবৰুমুখত আছে সেই সন্ধান আহোম ৰজাই পাইছিল।*[২]

চুতীয়াৰ হাবুং অঞ্চল জয় কৰাৰ সময়ত যি সন্ধি হৈছিল সেই সন্ধিমতে চুতীয়া ৰজাই সোণীয়া ৰূপীয়া দণ্ড, সোণীয়া ৰূপীয়া খাট দুখন, বৰছাতি দহোটা, অলংকাৰেৰে সৈতে মাখুণ্ডি হাতী দি ৰাজকন্যা এটি দিব লাগিছিল; তাকে দিব নোৱাৰাৰ অজুহাতত আহোম ৰজাই মুখ্ৰাং দুৰ্গ উদ্ধাৰ আৰু ৰক্ষা কৰিবলৈ যোৱাৰ চলতে চুতীয়া ৰাজ্য আক্ৰমণ কৰিলেগৈ।*[৩]

চেঁচামুখৰ যুদ্ধত চুতীয়া সৈন্য পৰাজিত হ'ল। আহোম সৈন্য তিফাও নদীলৈকে আগুৱাই গ'ল আৰু তাতে এটা দুৰ্গ নিৰ্মাণ কৰিলে। চুতীয়াসকলে এই দুৰ্গ আক্ৰমণ কৰি অবৰোধ কৰিলে। কিন্তু কঠোৰ বাধাৰ সম্মুখীন হ'ল। চুহুংমুঙে নতুন এদল সৈন্য লৈ যুদ্ধত যোগ দিলেগৈ। তাত চুতীয়া সৈন্য পৰাজিত হ'ল। ১৫২৩ খ্ৰীঃত চুতীয়া সৈন্যই সন্ধিৰ প্ৰস্তাৱ আগবঢ়ালে আৰু আহোম ৰজালৈ বহুতো উপহাৰ পঠালে। কিন্তু আহোম ৰজাই চুতীয়া ৰজাৰ ৰাজসম্পদ সোণৰ মেকুৰী, সোণৰ পাটি আৰু সোণৰ ছত্ৰদণ্ড নেপালে একোতে মান্তি নহ'ল। যুদ্ধ চলি থাকিল।*[৪]

চুতীয়া ৰজা প্ৰথমে ডিবৰু মুখৰ পৰা লাডু পুৰলৈ, পাছত শদিয়ালৈ আৰু শদিয়াৰ পৰাও গৈ বনাকীৰ্ণ এটা অঞ্চলৰ এটা দুৰ্গত আশ্ৰয় ললেগৈ। তাৰ পৰাই চুতীয়া ৰজাই আহোমলৈ পুনৰ সন্ধিৰ প্ৰস্তাৱ পঠালে। সন্ধিৰ প্ৰস্তাৱ মতে আহোম সেনাপতিলৈ দুভাল সোণৰ হাৰ, দুটা হাতী দাঁতৰ বনকৰা পাটী, দুযোৰা সোণৰ কড়ীয়া পঠাই আহোম ৰজাক বছৰি কৰ দিবলৈ গাত লৈ বশ্যতা স্বীকাৰ কৰিলে।*[৫]

আহোম ৰজাই চুতীয়া ৰজাৰ প্ৰস্তাৱত মান্তি হ'ল কিন্তু লগতে চুতীয়া ৰজাৰ ৰাজ সম্পত্তি সোণৰ ঢাল, সোণৰদণ্ড, আৰু সোণৰ মেকুৰীটো বিচাৰিলে। ইয়াৰ উপৰিও

---

১ *An Account of Assam Dr. J.P. Wade*

২ *An Account of Assam Dr. J.P. Wade*

৩ *অসম বুৰঞ্জী – পদ্মনাথ গোঁহাই বৰুৱা – পৃঃ ৪০*

৪ *A History of Assam Sir Edward Gait — page 87.*

৫ *An Account of Assam — Dr. J P. Wade — page 24.*

*বিঃদ্ৰঃ– বিভিন্ন বুৰঞ্জীত কথাবোৰৰ কিছু অমিল আছে। তাৰপৰা আমি এটা সাধাৰণ মত গ্ৰহণ কৰিছোঁ।*

ৰজাই চুতীয়া ৰজাৰ কুঁৱৰী এগৰাকীকো বিচাৰিলে। কিন্তু অন্য ধন সোণৰ পৰিৱৰ্তে মাত্ৰ দহোটা হাতী বিচাৰিলে।

চুতীয়া ৰজাই এগৰাকী কুঁৱৰী আৰু দহোটা হাতী দিবলৈ সন্মত হ'ল; কিন্তু তেওঁলোকৰ পূৰ্বপুৰুষৰ ৰাজ সম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী দিবলৈ অসন্মত হৈ অনুৰূপ তেনে অন্য সম্পদ চুতীয়া খনিকৰৰ হতুৱাই গঢ়াই দিবলৈ সময় বিচাৰিলে। আহোম ৰজা সেই প্ৰস্তাৱত সন্মত হ'ল। চুতীয়া ৰজায়ো সেই সম্পদৰ অনুৰূপ সম্পদ গঢ়াই দিবৰ বাবে চুতীয়া খনিকৰক আদেশ দিলে।

চুতীয়া ৰজাই সন্তুষ্ট হৈ সেনাপতিসকললৈ দুখন সোণৰ বনকৰা কাপোৰ, দুটা জাপি, দুযোৰ সোণৰ আৰু দুযোৰ সোণখটোৱা জোতা, দুটা হাতী, দুটা হাতীদাঁতৰ পাটী আৰু দুটা ঘোঁৰা পঠাই দিলে। লগতে পাটী দুটাৰ মাজতে দুখন চুৰীও (কটাৰী) পঠাই দিলে।

সেনাপতিসকলে সেই সকলোবোৰ বস্তু ৰজাক দিলেগৈ আৰু কটাৰী দুখনৰ বিষয়েও ৰজাক জনালে। আহোম ৰজাই চুৰী কটাৰী দুখন লুকুৱাই পঠোৱা কাৰ্যক শত্ৰুতাৰ চিন বা যুদ্ধৰ পূৰ্বভাস হিচাপে গণ্য কৰিলে আৰু মুখ্য বিষয়া তাওমুং বাচুন, তামাহুমুং কাইখুং, আৰু চাওচি কুৰঙহনক একোদল সেনাদি চুতীয়া ৰজাৰ বিৰুদ্ধে পঠালে।

চুতীয়া ৰজাই পূৰ্বঠাই এৰি এডুংচালি পৰ্বতত আশ্ৰয় ললেগৈ। আহোম ৰজাই তাৰ ওচৰৰে বৰ নগৰত সৈন্য সমাবেশ কৰি চাওনি পালেগৈ। চুতীয়া ৰজাই এইবাৰ সেই ঠায়ো এৰি চন্দনগিৰি পৰ্বতত আশ্ৰয় ললেগৈ। আহোম ৰজাৰ সৈন্যই তালৈকে চুতীয়া ৰজাক খেদি গ'ল। চুতীয়া ৰজাই এই সুবিধাজনক অৱস্থানৰ পৰা বিষম বিক্ৰমেৰে যুদ্ধ কৰিলে। সেই সংগ্ৰামত বহুত (এশ) আহোম সৈন্যৰ মৃত্যু হ'ল আৰু পৰ্বতৰ ওপৰলৈ উঠাত বাধা প্ৰাপ্ত হ'ল।*১

চুতীয়া ৰজাই চন্দনগিৰি পৰ্বতৰ পৰাই যুদ্ধ চলাই থাকিল। এই তুমুল সংগ্ৰামত চুতীয়া ৰজাৰ কুঁৱৰী আৰু ৰমণীসকলেও অংশগ্ৰহণ কৰিলে। চুতীয়া ৰজাৰ এশবিশগৰাকী কুঁৱৰীয়ে শিল সংগ্ৰহ কৰি দিয়ে আৰু চুতীয়া সৈন্যই সেইবোৰ তললৈ বগৰাই দি অজস্ৰ আহোম সেনা নিপাত কৰে।*২

এই যুদ্ধত চুতীয়া ৰজাই বাৰে বাৰে আহোম সৈন্যক আক্ৰমণ কৰি ব্যতিব্যস্ত কৰি তুলিলে। চন্দ্ৰই ডাৱৰৰ মাজৰ পৰা এবাৰ ওলাই এবাৰ লুকাই থকাৰ দৰে ৰজায়ো বাৰে বাৰে আহোম সেনাক আক্ৰমণ কৰে। সেইবাবে ৰজাই নাম পালে চন্দ্ৰনাৰায়ণ।*৩

চন্দনগিৰি পৰ্বতৰ সুবিধাজনক ঠাইৰ পৰা মহা বিক্ৰমেৰে যুদ্ধ কৰা চুতীয়া ৰজাক কোনোৰকমে পৰাজয় কৰিব নোৱাৰি সেনাপতি ফ্ৰাচেংমুঙ বৰগোঁহায়ে মন্ত্ৰণা কৰি এটা

---

১ *An Account of Assam Dr. J.P. Wade — page 23-26.*

২ *ছোট কৌৰবৰ বুৰঞ্জী— সম্পাদনা কোষেশ্বৰ বৰুৱা এম,এ,— পৃঃ ১৪*

৩ *ছোট কৌৰবৰ বুৰঞ্জী— সম্পাদনা কোষেশ্বৰ বৰুৱা এম,এ,— পৃঃ ১৪*

কৌশল অৱলম্বন কৰিলে। তেওঁলোকে এদল আহোম সেনাক মনে মনে পৰ্বতৰ সিপাৰে দূৰৰ ওখ ঘিলা গছৰ ওপৰত উঠি অৰণ্যৰ মাজৰ পৰা ঢোল বজাবলৈ আদেশ দিলে।*১

তেতিয়া আছিল সাত বহাগৰ বিহুৰ দিন। বিহু চুতীয়াসকলৰ পৰম্পৰাগত উলহ-মালহৰ উৎসৱ। বিহুৰ ঢোলৰ মাত শুনিলে চুতীয়া শিপিনীয়ে "গছকত ভাঙি যায় যঁতৰ"। তেনে অৱস্থাত ঢোলৰ মাত শুনি চুতীয়া সৈন্য বিভ্ৰান্তহৈ পৰিল। কিছুমানে ভাবিলে সেয়া যুদ্ধ জয়ৰ ইঙ্গিত, সেয়েহে তাতে আনন্দত মতলীয়া হৈ নাচিবলৈ ধৰিলে, আন কিছুমানে বিহুৰ আনন্দতে মতলীয়া হ'ল, ৰজাই আকৌ তেওঁক শত্ৰু সৈন্যই পাচ ভেটিও ধৰিলেহি বুলি ভাবিলে। ৰজা হতাশ হৈ পৰিল। চুতীয়া ৰজা জংমুং খামলৈ গ'ল। তাতো প্ৰবল যুদ্ধ হ'ল। কিন্তু হঠাৎ এপাত কাড় লাগি ৰজা নীতিপালৰ মৃত্যু হ'ল।

## বীৰাঙ্গণা ৰাণী সাধনীৰ আত্মোৎসৰ্গ

ৰজাৰ মৃত্যুত চুতীয়া সেনাসকলৰ মনোবল ভাগি পৰিল আৰু চেদেলি-ভেদেলি হৈ পৰিল। আহোম সেনাপতিয়ে চুতীয়া ৰজাৰ প্ৰধান মহিষী সাধনীক তেওঁলোকৰ কুবেৰদত্ত ৰাজ সম্পদেৰে সৈতে আত্মসমৰ্পণ কৰিবলৈ আদেশ দিলে। কিন্তু বীৰাঙ্গণা সাধনীয়ে সেই আদেশ প্ৰত্যাখ্যান কৰি যুদ্ধ চলাই গ'ল। কিন্তু যুদ্ধত বেছি সময় তিষ্ঠিব নোৱাৰিলে। তথাপিও আত্মসমৰ্পণ কৰিবলৈ অসন্মত হোৱা সাধনীক আহোম সেনাপতিয়ে ধৰি বন্দী কৰিবৰ বাবে নিজে আগবাঢ়ি গ'ল। উপায়ন্তৰ হৈ সাধনীয়ে তেওঁলোকৰ পিতৃপুৰুষৰ চিৰ পূজিত ৰাজ সম্পদ ঢাল, তৰোৱাল, আৰু সোণৰ মেকুৰী বুকুত বান্ধি সেই সম্পদৰ পবিত্ৰতা, নিজৰ স্বাধীনতা আত্মসম্মান আৰু পবিত্ৰতা অক্ষুণ্ণ ৰাখিবৰ বাবে চন্দনগিৰি পৰ্বতৰ শিখৰৰ পৰা তলৰ কুণ্ডত জপিয়াই পৰি দেশ আৰু জাতিৰ মঙ্গলৰ বাবে আত্মোৎসৰ্গ কৰিলে; মহিয়ান কৰি গ'ল সমগ্ৰ মাতৃ জাতিকে, ৰঞ্জিত কৰি গ'ল অসমৰ ইতিহাস সোণালী আখৰেৰে। লগে লগে চুতীয়া ৰাজ্যৰো যৱনিকা পৰিল।

সিদিনা আছিল ১৪২৩ খ্ৰীঃৰ ৭ বহাগ। সিদিনাৰ পৰাই চুতীয়া ৰাজ্যৰ গৌৰৱ ৰবি অস্ত গ'ল।*২

সেইসময়ত ৰজা ধৰ্মধ্বজৰ নিচেই নাবালক এটি পুত্ৰ আছিল। পুত্ৰৰ নাম সাধক নাৰায়ণ। তেতিয়া সাধক নাৰায়ণৰ বয়স মাত্ৰ পাঁচ বছৰ। সাধক নাৰায়ণক আহোম ৰজাই প্ৰাণে নামাৰি দৰং জিলাৰ বৌতা অঞ্চলত নিৰ্বাসন দিলে আৰু লগত বাৰঘৰ মানুহ

---

১ *ছোট কৌৰৱৰ বুৰঞ্জী— সম্পাদনা কোবেশ্বৰ বৰুৱা এম,এ,— পৃঃ ১৫*

২ *A History of Assam — Sir Edward Gait — page 88.*

দিলে।

আহোম ৰজাই চুতীয়া ৰাজ্য নিজ দখললৈ নিলে আৰু তাত ফ্ৰাচেংমুঙ বৰ গোঁহাইক শদিয়া খোৱা গোঁহাই বাব দি আৰু লগতে তিনিশ তিনিজন মানুহ দি সেই ৰাজ্য শৃংখলা লগাবলৈ পঠালে।*[১] ইয়াৰ পাছত আহোম ৰজাই নিজ ৰাজ্যলৈ ঘূৰি আহি ফ্ৰাচেংমুঙৰ ঠাইত এজন যুৱৰাজক শাসনকৰ্তা পাতি পঠালে। লগত টাইচুং আৰু হাওনুনে নামৰ দুজন বিষয়া দিলে। তেতিয়াৰ পৰা চুতীয়া ৰাজ্য আহোমৰ সম্পূৰ্ণ দখলাধীন হ'ল।

**ৰজা নীতিপালৰ চৰিত্ৰ ঃ** সাধাৰণ এজন অখ্যাত যুৱকৰ পৰা নিজ দক্ষতাৰে কেনেকৈ ৰজা হ'ব পাৰি নীতিপাল তাৰেই নিদৰ্শন। অৱশ্যে ইয়াক তেওঁৰ ভাগ্যৰ ফল বুলিও ক'ব পাৰি। সি যিকি নহওক নিতায়ে কোনো ৰাজ অনুগ্ৰহ নোপোৱাকৈ নিজ প্ৰচেষ্টা আৰু অনুশীলনৰ দ্বাৰা ধনুৰ্বিদ্যা আয়ত্ব কৰি ৰাজপুৰুষ আৰু ৰাজ অনুগ্ৰহত শিক্ষা লাভ কৰা বীৰ পুৰুষসকলক পণত পৰাজয় কৰি যি কৃতিত্বৰ পৰিচয় দিলে সি অতুলনীয় আৰু চুতীয়া জাতিৰ গৌৰৱৰ বিষয়। চুতীয়া জাতি ধনুৰ্বিদ্যাত পাৰ্গত আছিল; সেই কাৰণেই পৰবৰ্তী আহোম যুগত চুতীয়াৰ কাড়ী সৈন্যই আগশাৰীত স্থান পাইছিল আৰু সীমান্তৰখীয়া হিচাপে নিযুক্ত হৈছিল।*[২]

ৰাজ কাৰ্যত অনভিজ্ঞ হিচাপে প্ৰথম অৱস্থাত নীতিপালে কিছু ভুল কৰাটো স্বাভাৱিক। ৰজাই তেওঁৰ বাল্য বন্ধুসকলক উচ্চ বিষয় দিয়াটো এফালে যেনেকৈ তেওঁৰ ৰাজনৈতিক বিচক্ষণতাৰ অভাৱ দেখা যায় সেইদৰে অন্যহাতে তেওঁ যে বাল্য বন্ধুসকলক ক্ষমতাৰ সময়ত পাহৰা নাছিল সেইটোও প্ৰমাণ কৰে আৰু তাৰ বাবে তেওঁৰ অন্তৰ যে বহল আৰু কৃতজ্ঞতাৰে পূৰ্ণ আছিল সেই কথা সিদ্ধান্ত কৰিব পাৰি।

তেওঁ এজন সাধাৰণ ঘৰৰ যুৱক; গতিকে সৰ্বসাধাৰণৰ অভাৱ অসুবিধা বুজি বাট-পথ নিৰ্মাণ কৰা আৰু পানী খাবৰ বাবে পুখুৰী নিৰ্মাণ কৰা আদি কামত উৎসাহী আছিল। এইবিলাকে তেওঁ যে প্ৰজাৰ মঙ্গলৰ কথা চিন্তা কৰিছিল সেইটো প্ৰমাণ কৰে।

তেওঁৰ দোষ-- তেওঁ অনভিজ্ঞ বন্ধুসকলৰ দ্বাৰা পৰিচালিত হৈছিল। প্ৰতিবেশী শত্ৰু আহোমসকলৰ শক্তি সম্বন্ধে সম্যক জ্ঞান আহৰণ কৰা নাছিল। কিন্তু তেওঁ অতীতৰ হেৰুৱা গৌৰৱ পুনৰুদ্ধাৰৰ বাবে চিন্তিত আছিল আৰু তাৰ বাবেই শত্ৰুৰ শক্তি আৰু বৃদ্ধি হ'বলৈ নৌ পাওঁতেই বাধা দিবৰ চেষ্টা কৰিছিল। কিন্তু তেওঁ তাৰ বাবে আৱশ্যকীয় সমৰ শক্তি আয়োজন কৰা নাছিল।

তেওঁৰ দেশপ্ৰেম অতুলনীয়। যি সময়ত আহোম ৰজাই তেওঁৰ পৰা সন্ধিৰ প্ৰস্তাৱ মতে কুবেৰ প্ৰদত্ত ৰাজসম্পদ আৰু এগৰাকী ৰজাৰ কুঁৱৰী দাবী কৰিছিল

---

১ *অসমৰ বুৰঞ্জী -- পদ্মনাথ গোঁহাই বৰুৱা -- পৃঃ ৪০*

২ *আমি আগতে উল্লেখ কৰিছো যে (অধ্যায়ত) ধনুৰ্বিদ্যাৰ আৱিষ্কাৰক হ'ল প্ৰটো-অষ্ট্ৰলয়ড়সকল আৰু উল্লেখ কৰিছো যে প্ৰটো-অষ্ট্ৰলয়ড়সকল মঙ্গোলয়ড চুতীয়াসকলৰ লগত মিশ্ৰিত হৈ এক জাতি হৈ পৰিছিল। ধনুৰ্বিদ্যাত চুতীয়াসকলৰ কৃতিত্ব ইয়াৰেই প্ৰভাৱ বুলি আজি ভাবিব পাৰোঁ। সেইদৰে হাতীধৰাও।*

সেইসময়ত ৰজা নীতিপালে এগৰাকী নিজৰ কুঁৱৰীক আহোম ৰজালৈ দিবলৈ সন্মত হ'লেও পিতৃ পুৰুষসকলৰ ৰাজ সম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী সমৰ্পণ কৰিবলৈ অসন্মত হৈছিল। ৰাজ্যৰ পৱিত্ৰ সম্পদৰ প্ৰতি থকা তেওঁৰ গভীৰ শ্ৰদ্ধা আৰু দেশপ্ৰেমৰ কথাই ইয়াৰ মাজেদি প্ৰকাশ পায়।

আহোম ৰজাক বাৰে বাৰে পৰাজয় কৰাই প্ৰমাণ কৰে যে তেওঁ এজন উপযুক্ত যোদ্ধা আছিল। চন্দনগিৰিৰ ওপৰৰ পৰা কৰা যুদ্ধই তেওঁৰ যুদ্ধৰ কৌশলৰ কথাকে প্ৰমাণ কৰে। তেওঁ ডাৱৰৰ মাজৰ পৰা এবাৰ ওলোৱা এবাৰ সোমোৱা, চন্দ্ৰৰ দৰে বাৰে বাৰে কৌশলেৰে যুদ্ধ কৰি আহোম সেনাক ব্যতিব্যস্ত কৰাৰ বাবেই চন্দ্ৰনাৰায়ণ নামেৰে অভিহিত হৈছিল। অৱশেষত আহোম সেনাপতিৰ কুট কৌশলৰ ওচৰত হাৰ মানিয়ে মৃত্যুবৰণ কৰিব লগা হৈছিল।

ৰাজকাৰ্যৰ প্ৰাথমিক অনভিজ্ঞতা আঁতৰ কৰি পৰৱৰ্তী সময়ত তেওঁ ৰাজোচিত বীৰত্ব প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছিল।

ঈৰ্ষান্বিত ৰাজপুৰুষ, বিষয়া আৰু প্ৰজাসকলৰ দ্বাৰা অনীতিপাল নামে অভিহিত হ'লেও তেওঁৰ কাৰ্যাৱলীয়ে প্ৰমাণ কৰে যে সেই অপযশ তেওঁৰ কোনো গুণে প্ৰাপ্য নহয়।

অভিমানী আৰু ঈৰ্ষান্বিত ৰাজ বিষয়াসকলৰ দেশৰ প্ৰতি আনুগত্যৰ অভাৱ আৰু কুচক্ৰান্তও চুতীয়া ৰাজ শক্তিৰ পতনৰ অন্য এটা কাৰণ।

**ৰাণী সাধনীৰ চৰিত্ৰ ঃ** সাধনী চৰিত্ৰ বিশ্লেষণ কৰিলে দেখা যায় যে সাধনী নাৰী চৰিত্ৰৰ আদৰ্শৰ প্ৰতীক। কেৱল চুতীয়া জাতিৰ বাবেই নহয় সমগ্ৰ মানৱ জাতিৰ বাবেই সাধনীৰ ত্যাগ, পৱিত্ৰতা, সতীত্ব, ৰাজ সম্পদৰ প্ৰতি থকা অকুণ্ঠ শ্ৰদ্ধা, দেশপ্ৰেম আৰু বীৰত্ব আদৰ্শনীয়।

এখন বুৰঞ্জীত ৰাজকন্যা সাধনীয়ে প্ৰথমে সাধাৰণ ঘৰৰ এজন যুৱকক স্বামীবৰণ কৰিবলৈ অসন্মত হৈছিল আৰু তেওঁৰ পিতৃয়ে ৰাজ্য আৰু ৰাজ সম্পদ (ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী) লগত দিবলৈ অঙ্গীকাৰ কৰাতহে নিতাইক স্বামী বৰণ কৰে বুলি উল্লেখ কৰিছে।

অন্য এখন বুৰঞ্জীৰ মতে আকৌ সাধনীয়ে নীতিপালক স্বামী বৰণ কৰাৰ পাছত নীতিপালে সাধনীক কৈ তেওঁলোকৰ ৰাজকীয় পৈতৃক সম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী তেওঁৰ পিতৃক খুজিবৰ বাবে সাধনীক সন্মত কৰায় আৰু সেইমতে সাধনীয়ে পাচত পিতৃক খুজিহে সেই সম্পদ হস্তগত কৰে।

ইয়াৰ কোনোটোকে আমি সত্য বুলি বিশ্বাস নকৰোঁ।

প্ৰথম কথা দুই বুৰঞ্জীত এই কথা অমিল হ'বলৈ পালে কেনেকৈ। গতিকে এই কথা বুৰঞ্জী লিখকে প্ৰকৃত তথ্য নিশ্চয়তা নকৰি জনশ্ৰুতিৰ বা জনঅপবাদৰ ওপৰত ভিত্তি কৰি লিখা বুলিহে অনুমান হয়। সেই জনশ্ৰুতিও কোনো ঈৰ্ষাপৰায়ণ ব্যক্তিৰ মাজেদি প্ৰকাশ হোৱাই সম্ভৱ। সাধনীৰ জীৱনত আদৰ্শইহে সদায় অনুপ্ৰেৰণা যোগাইছিল;

তেওঁৰ অন্তৰত কোনো সংকীৰ্ণতাৰ কথা আমি কল্পনা কৰা নিশ্চয় ভুল হ'ব। সাধনীৰ কাৰ্যাবলীয়ে সেই কথা প্ৰমাণ কৰিছে।

যি সাধনীয়ে ৰাজসম্পদৰ পবিত্ৰতা আত্মস্বাধীনতা ৰক্ষা কৰিবৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিব পাৰে, যি আহোম ৰজা চুহুংমুঙৰ ৰাণী হৈ ভৱিষ্যত জীৱন সুখেৰে কটোৱাৰ প্ৰলোভনৰ প্ৰস্তাব হাঁহি মুখে প্ৰত্যাখ্যান কৰি নিজ সতীত্ব আৰু পবিত্ৰতা জীৱনতকৈ বেছি মূল্যবান বুলি ভাবি আত্মবিসৰ্জন দিব পাৰে, তেওঁৰ জীৱনত আদৰ্শৰ বাহিৰে অন্য কোনো কথাই ঠাই পাইছিল বুলি আমি ভাবিব নোৱাৰো।

ডব্লিউ, বি, ব্ৰাউনে – An Outline Grammar of Deori Chutiya Language নামৰ গ্ৰন্থত লিখিছে – "The princess rejected him not because he was base born, but because he had ring worms. He managed to get himself cured, but always known as Ringworm Raja. Probably enquiry would show that the other incidents of the chronicle are preserved as traditions among the Deories in similar modified form."*[১]

সাধনী চুতীয়া জাতিৰ বাবে আদৰ্শৰাণী, আদৰ্শনাৰী, দেশপ্ৰেম, সতীত্ব, পবিত্ৰতা আৰু ত্যাগৰ প্ৰতীক।

## চুতীয়া ৰাজ্য জয় কৰা সম্বন্ধে বিভিন্ন বুৰঞ্জীৰ উক্তি আৰু যুদ্ধত আহোমে পোৱা বস্তু

চুতীয়া ৰাজ্য জয় কৰা আৰু জয় কৰি পোৱা সামগ্ৰী সম্বন্ধে বিভিন্ন বুৰঞ্জীত বিভিন্ন ধৰণৰ বৰ্ণনা পোৱা যায়। এই বিলাকৰ কিছু উদ্ধৃতি তলত দিয়া হ'ল।

"পাছে বহুত পোৱা হ'ল। হাতী ৩০ টা, ঘোঁৰা ৩০ টা, হিলৈ ৭৯ টা, বাৰু, বৰ্চ্ছা, দণ্ড-ছত্ৰ, কেকোৰা দোলা, আৰোৱান, পিকদান, গৰু-মহ, আনো বিস্তৰ পালে। বামুণ, কাথ, কলিতা, গণক, কহাৰ, সোণাৰী, আনো বৃত্তিকাৰ মানুহ বিস্তৰ পালে।" – দেওধাই বুৰঞ্জীৰ অন্তৰ্গত বাহগৰীয়া গোঁহাইৰ বুৰঞ্জী– পৃঃ ১১৬-১১৭।

"পাচে সেই নিচানে ৰজাক ফ্ৰাচেংমুঙৰ পুত্ৰ চান খামৰ সন্দিকৈয়ে পালেগৈ। ৰজাক শেলে সানি মাৰিলে। ঘৈণীয়েককো ককালত কাটি শালত দি থলে। কঙ্কালৰ সোণৰ কিঙ্কিনীতাৰ শদিয়াৰ দেওঘৰলৈ দিলে। পাছে ওলাই আহোতে চুতীয়াৰ মানুহে লাপিতফাংত্যাং দেওধাইৰ লগত কাণ্ড লগালে। পাছে চুতীয়াৰ ৰজাৰ কুঁৱৰীৰো পুতেকৰো মুণ্ড, সোণৰ খাট, মেকুৰী, জাপি, কেকোৰা দোলা, আৰু আহিলা পাতি এই সকলকো

---

১ *An Outline Grammar of Deori Chutiya Language. W.B. Brown. — Page 84.*

আনি ডাঙৰীয়াবোৰে ঁত যোগাই সেৱা কৰিলেহি। প্ৰজা অনেক পালে; হাতীপালে ২৭টা ঘোঁৰা পালে, ১০০০ হিলৈ পালে।ঁও ডাঙৰীয়াসকলক বঁটা দিলে।" — সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী— পৃঃ ১০।

"চুতীয়া ৰজাৰ গাত কাড় লগালে। চুতীয়া ৰজা বীৰনাৰায়ণে (ধীৰনাৰায়ণ) সৈন্য ভাগিবৰ দেখি আপুনি উঠি আহিল, জংমুণ্ডলৈ কাড় মাৰিলে। পিছে ধৰ্মনাৰায়ণৰ পুত্ৰ ধীৰনাৰায়ণ ৰজা মৰিল। জুৰিলৈ বগৰাই পেলালে। তাৰ বৰ কুঁৱৰীকো ধৰি আনিলে; আৰু সোণৰ দণ্ড, খাট, মেকুৰী আৰু যি পালে সকলোকে আনিলে। চুতীয়াৰ সৰ্বস্ব লৈ আহিল।" — সাতসৰী অসম বুৰঞ্জী।

(সেইসময়ত চুতীয়া ৰজা ধৰ্মনাৰায়ণৰ পুত্ৰ ধীৰনাৰায়ণ নহয় ধৰ্মধ্বজৰ জোৱাই নীতিপালহে ৰজা আছিল— অৱশ্যে নীতিপালৰ সেনাপতিৰ নামো ধীৰনাৰায়ণ আছিল — লিঃ)

"ইয়াৰ পাছত ৰজাদেৱে নিজে গৈ চুতীয়া নগৰ চাই তাত যি পালে সেইখনি নাৱে ভটিয়াই দিহিঙেদি পঠালে। সেই বস্তুৰ লেখা— হাতী ৩০ টা, ঘোঁৰা ৬০ টা, বাৰু বৰ্চ্ছা, ছত্ৰ-দণ্ড, কেকোৰা দোলা, আৰোৱান, পিকদান, সোণৰ ভোগজৰা, বেলা, মাইহাং, গৰু-ম'হ আৰু আনো বস্তু বিস্তৰ পালে। সোণৰ হাতী, সোণৰ মেকুৰী, সোণৰ খাট আৰু সোণৰ তিনিচুকীয়া সিংহাসন এইখিনিও পালে। এইখিনিকে কুবেৰদত্ত সম্পত্তি বোলে। এই সম্পত্তি ৰজাদেৱে স্বৰ্গদেৱৰ ঘৰলৈ বুলি উচৰ্গী দিলে আৰু তলে কেকোৰা দোলাকে, আৰোৱান, দবা, জৰা, মাইহাঙ্গ, চৰা নাও আদি দ্ৰব্য ৰজা ডাঙৰীয়া আদিয়ে ব্যৱহাৰ কৰিবলৈ ললে। চুতীয়া ৰাজ্যৰ পৰা ভালেখিনি মানুহো আনি আমাৰ ঠায়ে ঠায়ে পাতিলেহি। তাত হিন্দু মানুহ পোৱা গ'ল, বামুণ এঘৰ, গণক এঘৰ।" — আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা— পৃঃ ৪৯।

"জংমুংখামৰ যুদ্ধত চুতীয়া ৰজা কাড় লাগি স্বৰ্গী হ'ল আৰু তেওঁৰ পুতেকে গড় বাজ হৈ যুদ্ধ কৰি মৃত্যুৰ মুখত পৰিল। তেওঁলোকৰ মূৰ চৰাইদেউৰ দেওঘৰৰ জখলাৰ মুখত পোটা হ'ল। ৰজাৰ পৈত্ৰিক সম্পত্তি হস্তগত কৰি আৰু কোঁৱৰ আৰু কুঁৱৰীসকলক বন্দী কৰি বৰনগৰত বাহৰ কৰি থকা স্বৰ্গদেৱৰ ওচৰলৈ পঠোৱা হ'ল।" — আহোম বুৰঞ্জী — পৃঃ ৫৭।

"এই ৰণ জিকি হাতী, ঘোঁৰা, সোণ, ৰূপ, অস্ত্ৰ শস্ত্ৰ অনেক দ্ৰব্য পালে; সোণৰ হাতী; সোণৰ মেকুৰী, ওজৰা, ওবেলা, ও মাইহাংও সোণোৱালী তিনিচুকীয়া সিংহাসন ও খাট এইসকল দ্ৰব্য পাই স্বৰ্গদেৱৰ ঘৰলৈ উচৰ্গী দিলে।"

—ঁকাশীনাথ তামুলী ফুকনৰ বুৰঞ্জী — পৃঃ ১৬

"The Chutiyas taken by surprise fled hastily to Jungmungkham (Mathalong) when another engagement was forced on them. Their king was killed by an arrow and his eldest son who rushed forward to avenge his death was also slain. The Chutiyas then gave way fled hotly pursued by the Ahoms, who took a great number of prisoners

including the whole of the royal family except the principal queen who prefering death to captivity killed herself with a spear. The captives and loot (including the royal heirlooms) were presented to Suhummug together with the heads of the Chutiya king and his son. These were burried under the steps of the temple at Charaideo so that the Ahom king might walk over them whenever he entered the temple."

— A History of Assam — Sir Edward Gait — Page 88

His generals ascended the mountain, attacked the Rajah of Soontea, killed a great number of his people, and compelled him to abundon his present post and flee, to a neighbouring mountain called Sundhirgiree. The generals still pursued but one hundred of their men fell by the hands of the Soontea Rajah's people in their ascend of the mountain. On this occasion Praswsunghraik Burrowah, a noble man of the king's court was taken prisoner by the enemy. The generals after due deliberations formed and accomplished the following plan Taoomoongh Manghsook and Awkingling Kangh ascended the mountain on the eastern side, Taoomoongh and Kaikhur proceeded by the southern ascent Soosingh who commanded one hundred men (Soeekeea) in the service of the king ascended a high tree to recoinoitre the enemy. Having ascertained their position he joined his men and attacked to Rajah's people who fought with bows and arrows repulsed Soosingh and killed most his men. Jungmookh, master of the king's elephants (Hawtee Barruwah) who had witnessed the defeat of the former party advanced to the attack with two thousand men. An engagement with bows and arrows ensued in which the Rajah's people were soon defeated and compelled to flee. Jungmookh arrested the Rajah in his flight and gave him mortal wound, with a spear. The Rajah's son perished by the same hand a fate which even his daughter was not permitted to escape. The prisoners were numerous. The king's generals returned with heads of the father and son and with the precious articles which swargeedeo had demanded in vain from the Rajah of Soontea."

— An Account of Assam — Dr. J. P. Wade

– সম্পাদনা বেনুধৰ শৰ্মা

"সেই প্ৰস্তাৱত আহোম সেনাপতিয়ে এই সমিধান দিলে যে ১২ টা হাতী, কুবেৰদত্ত সম্পত্তি, (কুবেৰদত্ত সম্পত্তি ঢাল এখন, তৰোৱাল এখন, যাঠি এপাট, সোণৰ মেকুৰী এটা আৰু ধনৰত্ন এঘাগৰী--মিল--দেওধাই অসম বুৰঞ্জীৰ অন্তৰ্গত খণ্ড বুৰঞ্জী) আৰু সাধনী ৰাণীক সমৰ্পণ নকৰে মানে কোনো প্ৰকাৰৰ সন্ধি হ'ব নোৱাৰে। চুতীয়া ৰজা সেই প্ৰস্তাৱত সন্মত হ'ব নোৱাৰাত আহোম সেনাই চন্দনগিৰিলৈকে খেদি গৈ তাত

তেওঁক আৰু নগৰত মন্ত্ৰীক বধ কৰি চুতীয়া ৰাজা দখল কৰে। সেই আপাহতে সাধনী ৰাণীয়ে কুবেৰদত্ত সম্পত্তি বুকুত বান্ধি লৈ চন্দনগিৰিৰ টিঙৰ পৰা তলৰ কুণ্ডলৈ জাপ দি তনু ত্যাগ কৰে। তাৰ পাছত চুহুংমুঙ স্বৰ্গদেৱে চুতীয়া ৰাজ্য হস্তগত কৰি চুতীয়াবিলাকক আকৌ লগ লাগিব নোৱাৰাকৈ অসম দেশৰ চাৰিওফালে সিঁচৰতি কৈ বসতি কৰিবলৈ আজ্ঞা দিলে।"

— অসমৰ বুৰঞ্জী — পদ্মনাথ গোঁহাই বৰুৱা — পৃঃ ৪০

"নিত্যপাল চুতীয়া ৰজায়ো আপোন দেশৰ সৈন্য-সেনা-পাত্ৰমন্ত্ৰীৰে আলচি যুদ্ধৰ সম্মুখ হ'ল। চন্দ্ৰগিৰি পৰ্বতৰ নিকটত যুদ্ধ পাতিলে। কুবেৰদত্ত অস্ত্ৰলৈ যি দিনাত যুদ্ধৰ সম্মুখ হয়। চন্দ্ৰ উদিত যি প্ৰকাৰ প্ৰসন্ন হয়; সেই প্ৰকাৰ প্ৰসন্ন হৈ যুদ্ধ কৰে।

তৎক্ষণাৎ লুক্কিত হই। পুনৰ অদৃশ্য হৈ স্বৰ্গী ৰজাৰ সৈন্য মাৰে। এতেকে তাক চন্দ্ৰ নাৰায়ণ বোলে। সেই চুতীয়া ৰজা চন্দ্ৰগিৰি শিখৰত উঠি যুদ্ধ দিলে। স্বৰ্গৰাজা দেখি ভয়ামত্ত হ'ল। সৈন্য মাৰি পৰ্বত তুলিলেগৈ। চুতীয়া ৰজাৰ সৈন্য ভাগিল। ৰজাৰ লগত ১২০ কুৱৰীয়েহে শিলা কোঞ্চাই দেই। ৰজাৰ হাতত দিয়ে। ৰাজা অবিচ্ছেদে মাৰে। স্বৰ্গৰাজাৰ সৈন্যত পৰি মৰে। ফ্ৰাচেংমুং বৰগোঁহাই মন্ত্ৰণা কৰি ঘিলা গছত বগাই পৰ্বত শৃঙ্গত ঢোলীয়াক ঢোল বজাব দিলেগৈ।

ৰজা বোলে মোক পাঁচ ভেটি ধৰিলেহি। সৈন্য পালেহি। অদ্ভুত শ্ৰুতিহত হই। সাধনী মহিষীক হাতত ধৰি পৰ্বতৰ শৃঙ্গৰ পৰা দেওমাৰি জহৰত পৰি মৰিল। ফ্ৰাচেংমুং বৰগোঁহাই ৰাজ্যৰ হাড়হুৰ বিচাৰি নেপালে।"

ইয়াৰ উপৰিও যুদ্ধ জয় কৰি পোৱা বস্তুবোৰৰ তালিকা এই বুৰঞ্জীত এনেকৈ পোৱা যায়।

"হাতী প্ৰাপ্ত ২৭, ঘোঁৰা প্ৰাপ্ত ১০০, হিলৈ ১০০০, নৌকা ৭০০, ও প্ৰজা ধন ধান্য অপ্ৰশস্ত লেখ নাই। ম'হ ৯০০, দৈবজ্ঞ ব্ৰাহ্মণ, তাঁতী, সোণাৰী, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ ২০০০, দণ্ড ছত্ৰ কেকোৰা দোলা, চৰানাও, বৰ্শা ইত্যাদি আহিল সকলকে আক্ৰমণ কৰিলৈ।"

— ছোট কোঁৱৰৰ বুৰঞ্জী — সম্পাদনা — কোযেশ্বৰ বৰুৱা এম,এ — পৃঃ ১৫

একেটা ঘটনাৰে বিভিন্ন বুৰঞ্জীত পোৱা এই ভিন্ন ধৰণৰ বিৱৰণবোৰৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে বুৰঞ্জী প্ৰণেতাসকলে ঘটনাৰ বহুদিনৰ পাচতহে এই বৰ্ণনাবোৰ লিখিছিল। সেই ঘটনাবোৰৰ সঠিক তথ্য নিৰ্ধাৰণ কৰা তেতিয়া সম্ভৱ নাছিল বা তেওঁলোকে তেনে চেষ্টা কৰা নাছিল।

পৰৱৰ্তী লিখকসকলে আকৌ এনেধৰণৰ দুই এখন বুৰঞ্জীৰ ওপৰতে নিৰ্ভৰ কৰাত সেই ভুলবোৰৰ পুনৰাবৃত্তি হৈছিল।

আহোমসকলেও প্ৰথমে বুৰঞ্জীবোৰ টাই ভাষাতহে লিখিছিল। ১৭শ শতিকাৰ পৰাহে অসমীয়া ভাষাতে বুৰঞ্জী লিখা আৰম্ভ হৈছিল। গতিকে টাই ভাষা নজনা লিখকসকলে পুৰণি ঘটনাৰ বিৱৰণবোৰ জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰিহে লিখিব লগা

হৈছিল। সেই জনশ্ৰুতিবোৰৰ সত্য নিৰূপণ কৰা সম্ভৱ নাছিল।

আহোমসকলে আহোম ৰাজ্যৰ বুৰঞ্জীহে লিখিছিল। গতিকে তেওঁলোকৰ লগত সম্বন্ধ নথকা অন্য ৰাজ্যৰ ঘটনাৰ উল্লেখত বৰ বেছি গুৰুত্ব দি কৰা নাছিল।

চুতীয়া ৰাজ্য ১৫২৩ খ্ৰীঃতে অৱসান হৈছিল। তাৰ পাছত ১৭ শ শতিকাত লিখা অসমীয়া বুৰঞ্জীবোৰত উল্লেখিত পুৰণি ঘটনাবোৰ জনশ্ৰুতিৰ পৰা লোৱা বুলিয়ে অনুমান কৰিব পাৰি।

যুদ্ধত অংশ গ্ৰহণ কৰা সেনাপতি বা সৈন্য বা তেওঁলোকৰ পৰিয়ালত চলি থকা জনশ্ৰুতিৰ পৰা সংগ্ৰহ কৰা জনশ্ৰুতিবোৰ তেওঁলোকৰ সুবিধা মতে সংশোধন কৰি বৰ্ণনা কৰা বা ৰজাৰ প্ৰশংসা পাবৰ বাবে ইফাল-সিফাল কৰা হৈছিল বুলিও অনুমান কৰিব পাৰি। সেয়েহে বিভিন্ন লিখকৰ বুৰঞ্জীত একেটা ঘটনাৰে ভিন্ন বৰ্ণনা হোৱা আমি দেখিবলৈ পাওঁ।

লিখকসকলে নিজে সংগ্ৰহ কৰা বৰ্ণনাটোকে শুদ্ধ বুলি ভাবি তাৰ সত্যতা নিৰূপণ কৰাৰ আৱশ্যক বুলি ভবা নাছিল।

তথাপিও এই বৰ্ণনাবোৰৰ পৰাই আমি প্ৰকৃত সত্যৰ ওচৰ চাপিবৰ চেষ্টা কৰিছোঁ। চুতীয়া ৰাজ্যৰ শেষৰ ঘটনা ৰাজিৰ ক্ষেত্ৰত আমি এইটো ধাৰণা কৰিব পাৰো যে প্ৰথম অৱস্থাত নীতিপাল যেনেকুৱাই নেথাকক যুদ্ধৰ সময়ত তেওঁ নিষ্ঠা আৰু অসীম বিক্ৰমেৰে যুদ্ধ কৰিছিল। যুদ্ধৰ বাবে তেওঁ পাত্ৰমন্ত্ৰীসকলৰ লগত আলোচনা কৰিছিল।

সমতলৰ যুদ্ধত কেতিয়াবা হাৰিছিল কেতিয়াবা জিকিছিল। শেষত তেওঁ চন্দ্ৰগিৰি পৰ্বতত আশ্ৰয় লৈ তাৰ পৰাই অসীম বিক্ৰমেৰে যুদ্ধ কৰিছিল। তাৰ পৰাই যুদ্ধ কৰি তেওঁ আহোম সৈন্যক ব্যতিব্যস্ত কৰি তুলিছিল।

ৰজাৰ মহিষীসকলেও যুদ্ধত অংশগ্ৰহণ কৰিছিল। ৰজাৰ ১২০ গৰাকী মহিষী আছিল। এইসকলৰ কোনো গৰাকী সাধনীক পণত জয় কৰাৰ আগৰো হ'ব পাৰে। নহ'লে যুদ্ধত অংশগ্ৰহণ কৰিব পৰা তেওঁৰ কোনো পুত্ৰ থাকিব নোৱাৰে।

চন্দ্ৰগিৰিৰ পৰা কৰা সমুখ সমৰত আহোম সেনাই চুতীয়া সেনাক কোনোৰকমেই পৰাজয় কৰিব নোৱাৰি কৌশল অৱলম্বন কৰিছিল। মনে মনে পৰ্বতৰ সিপাৰে ওখ ঘিলা গছত উঠি চুতীয়া সৈন্য নিৰীক্ষণ কৰাৰ উপৰিও তাৰ ওপৰত ঢোল বজাই দি চুতীয়া সৈন্যক বিভ্ৰান্ত কৰিছিল। চুতীয়া ৰজাই তেওঁক পাছফালৰ পৰাও বেঢ়ি ধৰিলে বুলি ভাবি প্ৰতিহত হৈছিল। ঢোল বজোৱা যুদ্ধ জয়ৰ ইঙ্গিত বুলি চুতীয়া সৈন্য চঞ্চল হৈ উঠি যুদ্ধ প্ৰচেষ্টা এৰি দিছিল।

এনে সময়তে এপাট কাড় লাগি চুতীয়া ৰজাৰ মৃত্যু হৈছিল। চুতীয়া ৰজাৰ পুত্ৰৰ যুদ্ধত মৃত্যু যদি শুদ্ধ হয় তেন্তে সেই পুত্ৰ তেওঁৰ আগৰ কোনো মহিষীৰ পৰা হ'ব পাৰে; আৰু তেতিয়াহে ৰজা আৰু পুত্ৰৰ মূৰ দুটা চৰাইদেউৰ দেওঘৰৰ জখলাত পুতি থোৱাটো সম্ভৱ হব।

যুদ্ধত অন্য মহিষীসকল নিহত বা বন্দী হ'লেও প্ৰধান মহিষী সাধনীয়ে শত্ৰুৰ

হাতত নিজকে সমৰ্পন নকৰি চুতীয়াৰ ৰাজ সম্পদ বুকুত লৈ চন্দনগিৰিৰ পৰ্বতৰ পৰা তলৰ কুণ্ডত জপিয়াই পৰি নিজৰ আৰু ৰাজ সম্পদৰ পৱিত্ৰতা ৰক্ষা কৰিছিল।

এইক্ষেত্ৰত চুতীয়াসকলৰ মাজত এতিয়ালৈকে প্ৰচলিত থকা জনশ্ৰুতি ভুল বুলি ভাবিবৰ কোনো কাৰণ নাই। তদুপৰি দুজন শক্তিশালী বুৰঞ্জী লিখক পদ্মনাথ গোঁহাই বৰুৱা আৰু চাৰ এড্‌ৱাৰ্ড গেইটৰ বুৰঞ্জীয়ে এই কথা সমৰ্থন কৰিছে।

চুতীয়া ৰজাসকলে তেওঁলোকৰ পৈতৃক কুবেৰ প্ৰদত্ত ৰাজসম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী ৰাজসম্পদ হিচাপে গণ্য কৰিছিল আৰু আজিৰ জাতীয় পতাকাৰ দৰেই শ্ৰেষ্ঠ স্থান দিছিল।

কুবেৰ প্ৰদত্ত ৰাজ সম্পদ আহোমসকলে হস্তগত কৰাৰ কথা চুতীয়াসকলে কেতিয়াও বিশ্বাস নকৰে। আনহাতে হস্তগত কৰা হ'লে সেই সম্পদ নিশ্চয় এতিয়া যাদু ঘৰত থাকিলহেঁতেন।

যুদ্ধ জয়ৰ পাছত আহোমসকলে চুতীয়া ৰাজ্যৰ পৰা প্ৰচুৰ পৰিমাণৰ ধন, সোণ, প্ৰজা, গৰু, মহ, ঘোঁৰা, হাতী, যুদ্ধাস্ত্ৰ, হিলৈ (কোনো বুৰঞ্জীৰ মতে ১০০০ অন্য মতে ১৫০০) সোণ খটোৱা কেকোৰা দোলা, সোণৰ সিংহাসন, সোণৰ আৰু ৰূপৰ ছত্ৰদণ্ড, সোণৰ পিকবান, সোণৰ বিভিন্ন অলংকাৰ আদি পাইছিল। সোণৰ হাতী, সোণৰ মেকুৰীৰো উল্লেখ আছে। অৱশ্যে সেই কেইপদ কুবেৰ-দত্ত ৰাজসম্পদ হ'ব নোৱাৰে।

আহোমসকল সকলোতকৈ লাভবান হৈছিল কমাৰ, কুমাৰ, বাঁঢ়ে, সোণাৰী, খনিকৰ, কহাৰ, নাপিত, ধোবা আদি বৃত্তিয়াল লোকসকল পোৱাৰ পৰা। সেই লোকসকলে পৰবৰ্তীকালত আহোম ৰাজ্যৰ সমৃদ্ধিত প্ৰচুৰ মূল্যবান অৱদান যোগাইছিল।

চুতীয়া ৰাজ্য নিজ ৰাজ্যভুক্ত কৰাৰ পাছত আহোম ৰাজ্যৰ কেৱল কলেবৰ বৃদ্ধি হোৱাই নহয় প্ৰাকৃতিক সম্পদত সমৃদ্ধিশালী হৈ পৰিছিল। চুতীয়া ৰাজ্যৰ ভিতৰুৱা সোণ আৰু লোণ উৎপাদনৰ কেন্দ্ৰ স্থানসমূহ আহোম ৰাজ্যৰ ভিতৰুৱা হৈ পৰিছিল। পৰবৰ্তীকালত ইয়াৰ ফলত আহোম ৰাজ্য আৰ্থিক আৰু সামৰিক শক্তিত শক্তিশালী হৈ পৰিছিল। ইয়াৰ উপৰিও আহোম আৰু চুতীয়া দুই জাতিৰ সমন্বয়ৰ মাজেদি অসমীয়া সংস্কৃতিৰ এক নৱযুগৰ সূচনা হৈছিল যি আজিও সমগ্ৰ অসমীয়া সংস্কৃতিক উজ্জ্বল কৰি ৰাখিছে।

## সাধক নাৰায়ণ

### (ধৰ্মধ্বজৰ নাবালক পুত্ৰ আৰু তেওঁৰ বংশধৰসকল)

চুতীয়া ৰাজ্য আহোম ৰজাই দখল কৰাৰ পাছত ধৰ্মধ্বজৰ পুত্ৰ আৰু ৰাণী সাধনীৰ ভায়েক পাঁচ বছৰীয়া ৰাজকোঁৱৰ সাধক নাৰায়ণক আহোম ৰজাই প্ৰাণে নামাৰি বাৰঘৰ চুতীয়া লোক লগত দি বৌতা অঞ্চলত স্থাপন কৰিছিল। প্ৰকৃততে তেওঁক তাত

নির্বাসন দিছিল। সেই বৌতা অঞ্চলৰ চাৰিসীমা হ'ল— পূবে বৌতা (বা মৰা ধনশিৰি নৈ), পশ্চিমে ধনশিৰি নৈ, উত্তৰে কবিৰ আলি (বা গোঁহাই কমলৰ আলি), দক্ষিণে ব্ৰহ্মপুত্ৰ।*[১] সাধক নাৰায়ণৰ নাবালক অৱস্থাত তেওঁৰ কাৰ্য কোনে পৰিচালনা কৰিছিল জনা নেযায়।

উপযুক্ত বয়স হোৱাত সাধক নাৰায়ণে দৰঙি ৰজা ইন্দ্ৰ নাৰায়ণৰ কন্যা গৌৰীকান্তিক বিয়া কৰালে আৰু লগত অহা বাৰঘৰ লোকক শইকীয়া, নেওগ, বৰা, বাৰিক, তামুলী, ভৰালী, লগুৱা এইবোৰ বাব দি কমলাকান্ত আৰু নাৰদ নামৰ দুজন মহন্তৰ তলত মাটি-বাৰি দি ভূঞাজি সত্ৰ নামে সত্ৰ স্থাপন কৰে।*[২]

সাধক নাৰায়ণ বৈষ্ণৱ আছিল। অৱশ্যে বৈষ্ণৱ হ'লেও তেওঁলোকে তিনিজন দেৱতাক সদায় পূজা কৰিছিল। সেইকেইজন হ'ল শিৱ, দুৰ্গা আৰু বিষ্ণু। সেই নিয়ম চুতীয়াসকলৰ মাজত অতীজৰ পৰা এতিয়াও আছে। পাছত সাধক নাৰায়ণে গোসাঁনী পূজা কৰিবলৈ লয়।*[৩]

ৰৌতা অঞ্চলতে সাধক নাৰায়ণে পুত্ৰ-পৌত্ৰাদি ক্ৰমে বিষয় ভোগ কৰি আছিল। সেই সময়চোৱাত সাধক নাৰায়ণ আৰু তেওঁৰ বংশধৰসকলে আহোম ৰজাৰ তলতীয়া শাসনকৰ্তা হৈ আছিল বুলি অনুমান কৰিব পাৰি। অসমৰ ৰাজনীতিত এওঁলোকৰ কোনো মুখ্য ভূমিকা দেখিবলৈ পোৱা নেযায়।

সাধক নাৰায়ণ আৰু তেওঁৰ বংশধৰসকলৰ বিষয়ে W.B. Brown অৰ An Outline Grammar of Deori Chutiya Language নামৰ গ্ৰন্থ আৰু কোষেশ্বৰ বৰুৱা এম,এ, সম্পাদিত ছোটকোঁৱৰৰ বুৰঞ্জী নামৰ গ্ৰন্থত পোৱা যায়।

দুয়োখন বুৰঞ্জীত পোৱা মতে সাধক নাৰায়ণৰ বংশলতা বেলেগ বেলেগকৈ তলত সন্নিবিষ্ট কৰা হ'ল। দুয়োখনত থকা অমিলখিনিৰ বিষয়ে চমু আলোচনা কৰা হৈছে।

**W.B. Brown-অৰ গ্ৰন্থত থকা মতে সাধক নাৰায়ণৰ বংশধৰসকল ঃ—**

১। সাধক নাৰায়ণ ১৫২৩ খ্ৰীঃত সংস্থাপন

২। ধ্বজ নাৰায়ণ

৩। ধৈৰ্য নাৰায়ণ

৪। গোপাল নাৰায়ণ (গগণ নাৰায়ণ)

৫। জয় নাৰায়ণ

---

১ *অসমৰ বুৰঞ্জী — পদ্মনাথ গোঁহাই বৰুৱা — পৃঃ ১৪১*

২ *ছোট কোঁৱৰৰ বুৰঞ্জী — সম্পাদনা — কোষেশ্বৰ বৰুৱা এম,এ, — পৃঃ ১৬-১৭*

৩ *"পূৰ্বে চুতীয়াসকলে নিজৰ দেশত তিনিগৰাকী দেৱতাৰ উপাসনা কৰিছিল। 'শাক্ত শৈৱ আৰু বিষ্ণু'। ছোট কোঁৱৰক গোসানী পূজাৰ ভাৰ দিয়া হ'ল। তেতিয়াৰ পৰাই গোসানী পূজা কৰিবলৈ ধৰিলে।"*

*— ছোট কোঁৱৰৰ বুৰঞ্জী — সম্পাদনা — কোষেশ্বৰ বৰুৱা এম,এ, — পৃঃ ১০*

৬। প্রেম নাৰায়ণ
৭। কাম নাৰায়ণ
৮। কমল নাৰায়ণ
৯। ৰাম নাৰায়ণ (টলাভটা নাৰায়ণ)
১০। বীৰ নাৰায়ণ
১১। চন্দ্ৰ নাৰায়ণ ১৮২৯ খ্ৰীঃত মৃত্যু

ইয়াত বংশধৰসকলৰ মূল ১১ জনকহে দেখুৱা হৈছে। কিন্তু ছোটকোঁৱৰৰ বুৰঞ্জীত অন্য ভ্ৰাতৃসকলৰ নাম আৰু বিষয় ভোগ আদিৰ বিষয়েও উল্লেখ কৰা হৈছে।

ছোটকোঁৱৰৰ বুৰঞ্জীত পোৱা মতে সাধক নাৰায়ণ আৰু তেওঁৰ বংশধৰসকলৰ আৰু তেওঁলোকৰ বংশ পৰিয়ালে ভোগ কৰা বিষয়সমূহ--

১। সাধক নাৰায়ণ ১৫৯৮-১৬২৮ শক ৩০ বছৰ বিষয় যুবৰাজ হৈ চহৰ পাতে
২। পুত্ৰ কৃষ্ণ বল্লভ নাৰায়ণ ১৬২৮-১৬৪৮ শক; ২০ বছৰ বিষয় গুৱাহাটীত ৰাজখোৱা
৩। ভং হৰিবল্লভ নাৰায়ণ ১৬৪৮-১৬৫৮ শক; ১০ বছৰ দৰঙত ৰজা হৈ আহি বাটতে মৃত
৪। ভং চন্দ্ৰ নাৰায়ণ ১৬৫৮-১৬৫৯ শক; ১ বছৰ ৰাজখোৱা গুৱাহাটীতে
৫। ভং সমুদ্ৰ নাৰায়ণ ১৬৫৯-১৬৬১ শক
৬। পুত্ৰ ধ্বজ নাৰায়ণ ১৬৬১-১৬৬২ শক; ৰাজখোৱা বিষয় চহৰত
৭। ভং ধৈৰ্য নাৰায়ণ ১৬৬২-১৬৬৩ শক; ৰাজখোৱা বিষয় চহৰত
৮। পুত্ৰ জই নাৰায়ণ ১৬৬৩-১৬৭২ শক; বিষয় বৰুৱা শলাল গোসাই চহৰত
৯। ভং কাম নাৰায়ণ বৰুৱা ১৬৭২-১৬৭৪ শক; ২ বছৰ শলাল গোসাই চহৰত
১০। ভং কমল নাৰায়ণ বৰুৱা ১৬৭৪-১৬৭৫ শক; ১ বছৰ শলাল গোসাই চহৰত বাব
১১। ভং প্ৰেম নাৰায়ণ বৰুৱা ১৬৭৫-১৬৭৬ শক; ১ বছৰ ছয়মাহ থাকিব লাগে চহৰত
১২। ভং গগণ নাৰায়ণ ১৬৭৬-১৬৭৮ শক; ১ বছৰ চহৰত বৰুৱা গড় গাৱত খাটনি
১৩। ভং টলাভটা নাৰায়ণ বৰুৱা ১৬৭৮-১৬৮০ শক; বৰুৱা হৈ গড়গাৱত খাটনি
১৪। পুত্ৰ ৰূপ নাৰায়ণ বৰুৱা ১৬৮০-১৬৯৬ শক; ১৬ বছৰ বালিকুছিৰ সেৱকীয়া ৰংপুৰত খাটনি বৰ বৰুৱা খাটিৰ গৰাকী
১৫। পুত্ৰ বলি নাৰায়ণ বৰুৱা ১৬৯৬-১৬৯৭ শক; ১ বছৰ বৰুৱা হৈ ছমাহ কাথপাট খাটনি
১৬। ভং বীৰ নাৰায়ণ বৰুৱা ১৬৯৭-১৭১২ শক; ১৫ বছৰ বৰুৱাৰ খাটনি। নাও বাৰাশ লৈ যাব লাগে ছমাহৰ বাবে। ছমাহলৈ ২ বাৰ
১৭। পুত্ৰ বিজয় নাৰায়ণ বৰুৱা ১৭১২-১৭৩১ শক; ৩১ বছৰ (আউনি হাটিৰ সেৱক) চহৰত বৰুৱা হৈ আছিল।
১৮। ভং চন্দ্ৰ নাৰায়ণ বৰুৱা ১৭৩১-১৭৫১ শক; ২০ বছৰ চহৰত বৰুৱা হৈ আছিল চৌহদে

১৯। পুত্র ভোগ নাৰায়ণ ১৭৫৫ শক

২০। ভং অমৃত নাৰায়ণ বৰুৱা ১৭৫১-১৭৫৪ শক; ৩ বছৰ চৌহদে জমিদাৰ বিষয় কৰিলে।

২১। ভং মধু নাৰায়ণ বৰুৱা

২২। ভং কবিন্দ্ৰ নাৰায়ণ-থানাৰ দাৰোগাগিৰি কাম কৰিলে।

২৩। ভং লক্ষী নাৰায়ণ

২৪। ভং চিব নাৰায়ণ

২৫। ভং শঙ্খ নাৰায়ণ

২৬। ভং ৰবি নাৰায়ণ

২৭। কৃষ্ণ নাৰায়ণ

২৮। গজিন্দ্ৰ নাৰায়ণ

W.B. Brown-অৰ An Outline Grammar of Deori Chutiya Language নামৰ গ্ৰন্থত সাধক নাৰায়ণৰ বংশধৰসকলৰ ১১ জনৰ ভিতৰতে ১৫৯৮ শক (১৬৭৬ খ্ৰীঃ)ৰ পৰা ১৭৫১ শকলৈ (১৮২৯ খ্ৰীঃ) মুঠ ১৫৩ বছৰ দেখুৱাইছে। সাধক নাৰায়ণৰ ভোগ কাল চুতীয়া ৰাজ্যৰ অবসানৰ দিনৰ পৰাহে। গতিকে সেই কালৰ আৰম্ভণি ১৫২৩ খ্ৰীঃৰ পৰাহে হ'ব আৰু ১৮২৯ খ্ৰীঃত আহোম শাসন ইংৰাজৰ তললৈ যোৱাৰ সময়লৈকে। এইদৰে ধৰিলে মুঠ ভোগকাল ৩০৬ৃ বছৰ হয়।

চুতীয়া ৰাজ্যৰ অবসানৰ কাল ১৫২৩ খ্ৰীঃটোৱেই শুদ্ধ। গতিকে সাধক নাৰায়ণ আৰু বংশধৰসকলৰ ভোগকাল ১৫২৩ খ্ৰীঃৰ পৰা ইংৰাজ ৰাজত্বৰ আৰম্ভণিলৈকে অৰ্থাৎ ১৮২৯ খ্ৰীঃলৈকে মুঠ ৩০৬ৃ বছৰ বুলি ধৰিব লাগিব। এই সময়চোৱাত W.B. Brownৰ গ্ৰন্থমতে ১১ জনে বিষয় ভোগ কৰিছিল। ছোটকোঁৱৰৰ বুৰঞ্জী মতে সাধক নাৰায়ণৰ সৈতে তেওঁলোকৰ উত্তৰাধিকাৰী ২৮ জন হ'লেও তেওঁলোক সকলোৱে সাধক নাৰায়ণৰ বিষয় ভোগ কৰা নাছিল। গতিকে W.B. Brown-অৰ গ্ৰন্থমতে ১১ জনকে সাধক নাৰায়ণৰ মূল বিষয় ভোগ কৰোতা বুলি ধৰিলে তেওঁলোকৰ গড় ভোগ কাল প্ৰায় ২৮ বছৰকৈ হয়। ই সম্ভৱ।

ছোটকোঁৱৰৰ বুৰঞ্জীত প্ৰতিজনৰ বিপৰীতে দিয়া চন তাৰিখ (শক) শুদ্ধ বুলি ধৰিব নোৱাৰি যিহেতু সেইবোৰ ১৬৭৬ খ্ৰীঃৰ পৰাহে দেখুৱা হৈছে। W.B. Brown-অৰ গ্ৰন্থতো এনেধৰণেৰে দেখুৱা হৈছে। সেয়েহে ইয়াত আমি W.B. Brown-অৰ মতে মূল বিষয় ভোগকাৰী ১১ জন ধৰি তেওঁলোকৰ ভোগকাল ১৫২৩ খ্ৰীঃত আৰম্ভ আৰু ১৮২৯ খ্ৰীঃত শেষ বুলি ধৰা হ'ল।

১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিমতে আহোম ৰাজ্য ইংৰাজৰ দখললৈ যায়। গতিকে ইয়াৰ পাছত সাধক নাৰায়ণৰ বংশধৰসকলে ইংৰাজৰ তলত কোনো বিষয় ভোগ কৰিছিল বুলি অনুমান কৰিব পাৰি।

সাধক নাৰায়ণৰ বংশধৰ চন্দ্ৰ নাৰায়ণৰ দিনতে আহোম ৰাজ্য ইংৰাজৰ তললৈ

যায়। ইয়াৰ পাছত অমৃত নাৰায়ণৰ বিষয় চৌহদে জমিদাৰ বুলি কোৱা হৈছে। সেইদৰে কবীন্দ্ৰ নাৰায়ণৰ বিষয় থানাৰ দাৰোগা।

W.B. Brown-অৰ গ্ৰন্থত গোপাল নাৰায়ণ আৰু ৰাম নাৰায়ণৰ উল্লেখ আছে। কিন্তু ছোটকোঁৱৰৰ বুৰঞ্জীত সেই দুটা নামৰ উল্লেখ নাই। ছোটকোঁৱৰৰ বুৰঞ্জীৰ গগণ নাৰায়ণ আৰু টলাভটা নাৰায়ণৰ গগণ নাৰায়ণেই গোপাল নাৰায়ণ আৰু টলাভটা নাৰায়ণেই ৰাম নাৰায়ণ বুলি অনুমান কৰিব পাৰি।

সাধক নাৰায়ণৰ লগত অন্য বাৰ ঘৰ লোক আহিছিল। তেওঁলোকৰ লগতে নিত্যপালৰ (নীতিপাল) ভতিজাক কৃত্যপালকো (বয়স তেতিয়া ২ বছৰ) ভ্ৰাতৃবোধ কৰি আনিছিল আৰু লগতে ৰাখিছিল। ডাঙৰ হ'লত তেওঁক কন্যা বিবাহ কৰি বেলেগ কৰি দিছিল। এওঁ ছোটকোঁৱৰ। পূৰ্বে চুতীয়াসকলৰ নিজ দেশত শাক্ত, শৈৱ আৰু বিষ্ণু উপাসনাৰ পৰম্পৰা আছিল। সাধক নাৰায়ণে কৃত্য পালক গোসানী পূজাৰ ভাৰ দিছিল। তেওঁক ভ্ৰাতৃবোধ কৰি ছোটকোঁৱৰ নাম দিছিল।

সাধক নাৰায়ণৰ দিনৰ পৰাই মধ্য অসমতো পূব অসমৰ কৃষ্টি প্ৰচলিত হৈছিল। বিশেষকৈ পূব অসমৰ বিহু তেতিয়াৰ পৰাই মধ্য অসমত প্ৰচলিত হৈছিল।

ছোটকোঁৱৰৰ বুৰঞ্জীত তেওঁৰ বংশধৰসকলৰ নাম উল্লেখ আছে। চন তাৰিখ নাই। সেয়ে হ'লেও সেই সময় ১৫২৩ খ্ৰীঃৰ পৰা ১৮২৯ খ্ৰীঃলৈকে বুলিয়ে ধৰিব পাৰি; কিয়নো সাধক নাৰায়ণৰ বংশাৱলীত সিমানলৈকে দিয়া আছে। ছোটকোঁৱৰৰ বংশাৱলী ইয়াৰ পাছত দিয়া হ'ল।

ছোটকোঁৱৰৰ বংশধৰসকল :—

১। কৃত্য পাল বা ছোটকোঁৱৰ
২। পুত্ৰ নমো নাৰায়ণ
৩। ভং ইন্দু বৰুৱা
৪। ভং ঘোৰা বৰুৱা
৫। পুত্ৰ মঙ্গল বৰুৱা
৬। পুত্ৰ পাদা বৰুৱা
৭। পুত্ৰ মহিম বৰুৱা
৮। ভং হেম ডেকা
৯। ভং ভোগ ডেকা
১০। ভং ভেদো ডেকা
১১। ভং সিন্ধু ডেকা
১২। তস্য পুত্ৰ
১৩। তস্য পুত্ৰ জই
১৪। তস্য পুত্ৰ লক্ষ্মী
১৫। তস্য পুত্ৰ ৰবি

১৬। তস্য পুত্ৰ চন্দি।

"মঙ্গল বৰুৱা চাৰি দুৱাৰত বৰুৱা হৈছিল। বংশৰ পতঙ্গ সোধাই আহোতে জাতিয়া আৰাঙ্গত মৃত্যু হ'ল। গুৱাহাটীৰ বিৰো মুদৈৰ ঘৰৰ পৰা ৫০৩ টকা দি দক্ষিণপতীয়া গোঙ গুলিয়া দি ৰাজাত জয় শিলৰ খুটা খিদি সৰু হাজাৰত হাজৰিকা পাতে।"[১]

নমোনাৰায়ণৰ পুত্ৰ আফুল বৰুৱা ওৰফে আফুৰা বেবেজীয়াত বৰুৱা হৈছিল। তেৱেঁই পাকৰি গুৰিৰ হাজৰিকা।

আফুল বৰুৱাৰ পুত্ৰ হাতী বৰুৱা -- বেবেজীয়াৰ বৰুৱা ভং বিজয় ডেকা।

পুত্ৰ অম্বৰিশ বৰুৱা — চাৰি দুৱাৰত বৰুৱা

ভং দিগজ বৰুৱা -- হাজৰিকা হৈছিল

পুত্ৰ আনন্দ বৰুৱা -- তস্য পুত্ৰ গেঠাই তস্য পুত্ৰ পেদল

ভং প্ৰচন্দ ডেকা -- তস্য পুত্ৰ উগুগু

বিজয় ডেকাৰ পুত্ৰ গেন্ধেলা

ভং সতৰাম

পুত্ৰ গোবিন্দ

ভং বোলোমা।

**সাধক নাৰায়ণৰ লগত অহা বাৰ ঘৰ মানুহ :** ভদ্ৰসেন শৰ্মা এঘৰ, ফেঁটী এঘৰ, এৰিয়া মাল নামে এঘৰ, গৰ্গ নামে এঘৰ, গজলা নামে এঘৰ, পক্কিয়া নামে এঘৰ, মনমথ নামে এঘৰ, ভোলা নামে এঘৰ, পগলা নামে এঘৰ, কাতিয়া নামে এঘৰ, পেলোৱা নামে এঘৰ, দুবৰিমতি নামে এঘৰ মুঠ এই বাৰঘৰ, এই বাৰঘৰক শহকীয়া, নেওগ, বৰা বাৰিক, তামুলী, ভৰালী, লগুৱা বাব দিলে।

**সাধক নাৰায়ণৰ নিবন্ধন :** সাধক নাৰায়ণে এইদৰে নিবন্ধন কৰিলে— "আমি বিষ্ণু উপাসক। এতেকে ৰাজকন্যাই মাকৰ ঘৰত অন্ন ত্যাগ কৰি এইবিলাককে ব্যৱহাৰ কৰিব। মোৰ পুত্ৰ নাতিয়ে সেই বংশৰ কন্যা আনিব। আমাৰ জীয়ৰীৰ নিমিত্তে বাৰঘৰীয়া কন্যা আনিব।

আমি এতিয়া দেশান্তৰী। গতিকে আমাৰ জীয়ৰীৰ বংশ বৃদ্ধি নহ'লেও বিধবা নানিব আৰু সৎকৰ্ম পৰিত্যাগ নকৰিব। ইয়াকে নামানিলে অন্ন-বস্ত্ৰৰ কষ্ট হ'ব।"

যুৱৰাজৰ লগত যি বাৰঘৰ মানুহ আহিছিল তেওঁলোকেই যুৱৰাজৰ বিষয়া হ'ল। তেওঁলোকেহে যুৱৰাজৰ ওচৰ চাপিব। বহু পুৰুষাৰ্থ কৰি ১০০ লোকত শও বান্ধি আৰু ১০০০ অত হেজাৰ বান্ধি, দুহেজাৰ মানুহ কৰিলে। এইদৰে যুৱৰাজে তাত চহৰ পাতিলে।

তেওঁ নিয়ম কৰিলে যে তেওঁৰ সন্তান আগত থাকিলে ছোটকোঁৱৰৰ সন্তানক আগে তামোল নিদিব। "মই ভাতৃবোধে তেওঁক আনিছিলো। গতিকে তেওঁ নামনি ভাগত আৰু মোৰ পুত্ৰ উজনি ভাগত বহিব।"

---

১ *ছোটকোঁৱৰৰ বুৰঞ্জী— সম্পাদনা— কোবেশ্বৰ বৰুৱা এম, এ, — পৃঃ ২২। ভং = ভ্ৰাতৃ।*

দুহেজাৰ মানুহৰ এহেজাৰ সৰু হেজাৰ আৰু এহেজাৰ বৰ হেজাৰ। সৰু হেজাৰৰ সোধ-পোচ কৰিবলৈ ছোটকোঁৱৰক আজ্ঞা দিলে।

ইয়াৰ বাহিৰে বেবেজীয়াত থকাসকলক বেবেজীয়া হেজাৰ বান্ধিলে। তেওঁলোকক যোগানৰ ভাৰ দিলে।

পাকৰি গুৰি নামে এখন বিল আছিল। সেই বিলৰ কাষত কেইঘৰমান কৈবৰ্ত মানুহ আছিল। তাৰ কাষতে আৰু কৈবৰ্ত মানুহ চপাই সিহঁতক পালি বেবেজীয়া নাম দিলে।

মুঠ মানুহ চাৰি হেজাৰ হ'ল। সৰু হেজাৰ ছোটকোঁৱৰক দিলে।

কমলা কান্ত আৰু নাৰদ মহন্ত নামে দুজনক নি নিজ চহৰত স্থাপন কৰিলে আৰু মাটি-বাৰী দিলে। নাৰদ আতাই ভূএগ্ৰাৰ জিয়াৰী বিয়া কৰিছিল। গতিকে সেই সত্ৰক ভূএগ্ৰাজি সত্ৰ বোলে। সাধক নাৰায়ণে কমলা কান্তত আৰু ছোটকোঁৱৰে নাৰদ আতাত শৰণ ল'লে। ভদ্ৰসেন মহন্তক শ্ৰুতিকৰ বাব দিলে।

"এই কৰ্তৃপাল ছোটকোঁৱৰৰ গোত্ৰ কাইশ্যপ কুল হিন্দু চুতীয়া"।

## বীৰপাল বংশৰ ৰাজত্ব কালত চুতীয়া ৰাজ্যৰ অৱস্থা আৰু সমৃদ্ধি

ঐতিহাসিক যুগৰ চুতীয়াসকলৰ বীৰপাল বংশই ১১৮৯ খ্ৰীঃৰ পৰা ১৫২৩ খ্ৰীঃলৈ মুঠ ৩৩৪ বছৰ কাল অতি সুখ্যাতিৰে ৰাজ্য শাসন কৰে।*[১] মহাভাৰতৰ যুগৰ ভীষ্মকৰ দিনৰ পৰাই চুতীয়া ৰাজ্যৰ পৰম্পৰা আৰম্ভ হৈছিল। তেতিয়াৰ পৰা সৌমাৰ খণ্ডত চুতীয়াসকলেই ৰাজত্ব কৰি আহিছে। সেয়ে হ'লেও ভীষ্মকৰ দিনৰ পৰা বীৰপাল বংশৰ আৰম্ভণিলৈকে এইচোৱা সময়ৰ সবিশেষ অজ্ঞাত হোৱাত তাৰ কথা বাদ দিলেও ঐতিহাসিক যুগৰ বীৰপাল বংশৰ ৩৩৪ বছৰ কোনো গুণে কম নহয়। ইয়াৰ বিপৰীতে ভাৰতৰ অন্যান্য শাসকগোষ্ঠীৰ ৰাজত্বকালৰ ভিতৰত পাঠানসকলৰ দাস বংশৰ ৰাজত্ব কাল ১২০৬ খ্ৰীঃৰ পৰা ১২৯০ খ্ৰীঃলৈ ৮৪ বছৰ; খিলিজী বংশৰ ৰাজত্বকাল ১২৯০ খ্ৰীঃৰ পৰা ১৩২০ খ্ৰীঃলৈ মাত্ৰ ৩০ বছৰ; তুঘলক বংশৰ ৰাজত্বকাল ১৩২০ খ্ৰীঃৰ পৰা ১৪১৩ খ্ৰীঃলৈকে ৯৩ বছৰ; চৈয়ড আৰু লোডী বংশৰ ৰাজত্বকাল ১৪১৩ খ্ৰীঃৰ পৰা ১৫২৬ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃলৈ মুঠ ৩৩১ বছৰ। ইয়াৰ তুলনাত আহোমসকলৰ ৰাজত্বকালেই সৰ্ব দীৰ্ঘ; ১২২৮ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃলৈ মুঠ ৫৯৮ বছৰ।

আহোমসকলে ১২২৮ খ্ৰীঃতে অসমত আহোম ৰাজত্বৰ পাতনি মেলি ক্ৰমান্বয়ে ৰাজ্য ক্ষেত্ৰ বৰ্ধন কৰি এটা সময়ত সমগ্ৰ অসমৰে শাসনকৰ্তা হৈছিল। এনে শক্তিশালী ৰাজত্বৰ সময়তো চুতীয়াসকলে ৩৩৪ বছৰ আহোমৰ সমান্তৰালভাৱে ৰাজত্ব কৰি থকাই

---

১ *ডঃ আচাৰ্য দেৱৰ মতে ৭ম শতাব্দীৰ অনভিন্নতে ঐতিহাসিক চুতীয়া ৰাজ্যৰ আৰম্ভণী বুলি ধৰিলে ৰাজত্ব কাল প্ৰায় ৯০০ বছৰ হয়।*

প্ৰমাণ কৰে যে চুতীয়াসকল সামৰিক শক্তিত যথেষ্ট শক্তিশালী আছিল। তেওঁলোকৰ সেনাবাহিনীত হাতী, ঘোঁৰা, হিলৈ, নাওঁ আছিল আৰু সেইবোৰ ব্যৱহাৰৰ বাবে শক্তিশালী বাহিনী আছিল। চুতীয়াৰ কাড়ী সৈন্য সৰ্বশ্ৰেষ্ঠ আছিল।

চুতীয়া ৰাজ্যৰ সীমান্তত থকা জনজাতিসকলৰ লগত তেওঁলোকৰ মাজে সময়ে সংঘৰ্ষ হৈছিল। সেই সংঘৰ্ষবোৰত চুতীয়া শক্তি জয়ী হোৱাই নহয় সেইবোৰে তেওঁলোকক ঐক্যবদ্ধ আৰু শক্তিশালী কৰিছিল। আনহাতে এৰা-ধৰাৰ মাজেদি চলি সামূহিক ঐক্য ৰক্ষা কৰাৰ উপৰিও বৰ অসম গঢ়াৰ পথত অৰিহণা যোগাইছিল।

আহোমসকলে বৰাহী আৰু মৰাণসকলৰ ৰাজ্য দখল কৰাৰ ক্ষেত্ৰতো শক্তিতকৈও কুটকৌশলৰ দ্বাৰাহে সফল হৈছিল। সেই সময়ত মৰাণৰ ৰজা আছিল 'বদৌচা' আৰু বৰাহীৰ ৰজা আছিল 'থাকুমথা'। চুকাফাই মৰাণৰ ৰজা বদৌচাৰ অনুমতি লৈহে চৰাইদেউত ৰাজধানী পাতিছিল। শিমলুগুৰিত থাকোতে চুকাফাই মৰাণ আৰু বৰাহী ৰজালৈ কটকী পঠাই এনেদৰে কোৱাইছিল-- "আমি পূব ফালৰ পৰা আহিছোঁ। তেখেতসকল হ'ল স্থানগিৰি (পূৰ্ব্বৰ অধিবাসী) গতিকে আমি তেখেতসকলৰ আলহী স্বৰূপ। তেখেতসকল আহি আমাক গাওঁ-ভূই আৰু অধিবাসীসকলৰ লগত পৰিচয় কৰাই দিব লাগে। মৰাণ আৰু বৰাহীসকল এই সাদৰী কথাত ভোল গ'ল। থাকুমথা আৰু বদৌচাই নানা উপঢৌকন লৈ আহোম ৰজা চুকাফাক দেখা কৰিলে। চুকাফাই তেওঁলোকক বৰ আদৰ অভ্যৰ্থনা কৰি বশ কৰি পেলালে। যিসকলে বশ মনা নাছিল তেনেবোৰক চুকাফাই যুদ্ধ কৰি বশ কৰিলে।"[১]

কিন্তু চুতীয়া ৰজাক আহোমে সেইদৰেও বশ কৰিব পৰা নাছিল। চুতীয়াসকলে কোনো বিশেষ ধৰণৰ যুদ্ধ বিগ্ৰহ বা অশান্তি নোহোৱাকৈ ৩৩৪ বছৰ কাল ৰাজত্ব কৰাই প্ৰমাণ কৰে যে চুতীয়াসকল শান্তিপ্ৰিয় আৰু কুটকৌশলীও আছিল।

আৰ্থিকভাবেও চুতীয়া ৰাজ্য অতি স্বচ্ছল আছিল। অতি প্ৰাচীন কালৰ পৰাই সৌমাৰ খণ্ডৰ মাজেদিয়ে এহাতে চীন, তিব্বত, ইণ্ডোচীন, কম্বোজ, ব্ৰহ্মদেশ আদিৰ পৰা যেনেকৈ মানুহ ভাৰতলৈ আহিছিল সেইদৰে এই পথেৰেই কাশ্মীৰ আৰু উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰো আৰু অন্য ঠাইৰো মানুহ আহি সেইবোৰ ঠাইৰ লগত এই সৌমাৰ খণ্ডৰ মাজেদিয়ে বেহা-বেপাৰ কৰিছিল। এই খণ্ড বেহা-বেপাৰৰ এখন উত্তমস্থলী আছিল।

সুদুৰ অতীতৰ পৰাই অসমৰ পাট, এৰি, মুগা, মেজাঙ্কৰী, কপাহৰ অতি সুন্দৰ কাপোৰ, মিৰিজিন, হাতীদাতৰ অলংকাৰ, হাতীদাতৰ বন কৰা বিভিন্ন বস্তু, সোণ-ৰূপৰ অলংকাৰ এই সৌমাৰ খণ্ডতে তৈয়াৰ হৈছিল। সেইবোৰ বস্তুৰ বাবে এই সৌমাৰ খণ্ড আছিল এখন সুন্দৰ বজাৰ। সৌমাৰ খণ্ডৰ মাজেদি আৰু সৌমাৰ খণ্ডৰ পৰাই সেইবোৰ বস্তু বিভিন্ন দেশৰ মানুহে কিনা-বেচা কৰিছিল।

---

১ *অসম দেশৰ বুৰঞ্জী -- ডঃ লক্ষ্মী দেবী -- পৃঃ ১৩১-১৩২।*
*-- পুৰণি অসম বুৰঞ্জী -- সম্পাদনা হেমচন্দ্ৰ গোস্বামী।*

অসমৰ বয়ন শিল্প সুদূৰ অতীতৰ পৰাই অতি উন্নত আছিল। অসমৰ পাট আৰু পশমৰ কাপোৰ চীন বা তিব্বতৰ কাপোৰতকৈ কোনো গুণে হীন নাছিল বৰঞ্চ উন্নতহে আছিল। এই ক্ষেত্ৰতো সৌমাৰ খণ্ডৰ অবদান উল্লেখযোগ্য আছিল। এড়ি আৰু মুগাৰ কাপোৰৰ ক্ষেত্ৰত এই সৌমাৰ খণ্ডই আছিল সৰ্বশ্ৰেষ্ঠ বা একমাত্ৰ স্থান।

অসমৰ মানুহৰ বাবে অতি আপুৰুগীয়া বস্তু সোণ আৰু লোণ চুতীয়া ৰাজ্যতেইহে পোৱা গৈছিল। চুতীয়া ৰাজ্যক্ষেত্ৰৰ ভিতৰৰ শদিয়া আৰু বৰহাটত লোণ আৰু সোৱণশিৰি, দিহিং আদিত সোণ পোৱা গৈছিল। গতিকে এইবোৰ বস্তুৰ বাবে অসমৰ অন্যাংশও চুতীয়া ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল আছিল।"[১]

অসমত ঘোঁৰা পোৱা নগৈছিল। ঘোঁৰা ভূটানৰ পৰাহে আনিছিল। চুতীয়াসকলেও ঘোঁৰা ভূটানৰ পৰাই আনিছিল। গতিকে সেই ঠাইৰ লগত চুতীয়াসকলৰ বেহা-বেপাৰ আছিল।

আহোমসকলে চুতীয়াসকলৰ লগত নৌযুদ্ধ কৰাৰ উল্লেখ বুৰঞ্জীত আছে। চৰানাও চুতীয়া ৰজাসকলৰ ভ্ৰমণ আৰু আমোদ প্ৰমোদৰ অন্যতম বাহন আছিল। নাও সঁজা চুতীয়াসকলৰ অন্যতম শিল্প এতিয়াও চুতীয়াসকলৰ মাজত আছে।

চুতীয়া ৰাজ্য পৰাজয় কৰি আহোমে পোৱা বস্তুৰ ভিতৰত যিবোৰ বস্তুৰ নাম উল্লেখ আছে সেইবোৰ হ'ল সোণ-ৰূপৰ নানা অলংকাৰ, সোণৰ বনকৰা কাপোৰ, শৰাই, হাতী দাঁতৰ বনকৰা পাটী, জাপি, সোণৰ ছত্ৰদণ্ড, আৰোৱান, সোণৰ সিংহাসন, সোণৰ পিকদান, হিলৈ, ঘোঁৰা, হাতী, ম'হ, গৰু ইত্যাদি। এই উল্লেখে চুতীয়া ৰাজ্যৰ উন্নত আৰ্থিক অৱস্থাৰ কথাকে সূচায়।

এই বস্তুবোৰ চুতীয়া ৰাজ্যৰ খনিকৰসকলেই তৈয়াৰ কৰিছিল। সোণাৰী, কহাৰ, খনিকৰ আদি বৃত্তিয়াল মানুহ পোৱাই এইকথা প্ৰমাণ কৰে। সোণৰ সিংহাসন, ছত্ৰদণ্ড, তাম্ৰেশ্বৰী মন্দিৰ আদিৰ কাৰুকাৰ্যই প্ৰমাণ কৰে যে চুতীয়া ৰাজ্যৰ খনিকৰসকল অতি পটু আছিল। সেয়েহে সদৌ চুতীয়া জাতি সন্মিলনৰ স্মৃতিগ্ৰন্থৰ এটা প্ৰবন্ধত বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই লিখিছিল– 'চুতীয়া জাতি উলা-মূলা জাতি নহয়। ৰূপেৰে বন্ধোৱা ইন্দ্ৰৰ ঐৰাৱটৰ মূৰ্তি শিলত কাটিব পাৰিছিল চুতীয়াই, মন্দিৰৰ বাটচ'ৰাত ফুলজালি কাটিছিল চুতীয়াই, ছটীয়া শিলত ম'ৰাচৰাই, গৰুগুই সাপধৰা, বিষ্ণুমূৰ্তি, শিৱ পাৰ্বতীৰ মূৰ্তি চচঁকৈ কাটি দেখুৱাইছিল চুতীয়াবিলাকেই। ৰাজ খনিকৰী কামতো চুতীয়াৰ শিল্প অনুকৰণীয় হৈয়ে আছে।"

"তাম্ৰেশ্বৰী মন্দিৰ, বুঢ়া-বুঢ়ী থান, আৰু অন্যান্য সৰু সৰু মন্দিৰত শিলত কটা অপূৰ্ব মূৰ্তিবিলাক দেখি কোনে নক'ব এসময়ত চুতীয়া শিল কটীয়াৰ অদ্ভুত স্থপতি বিদ্যাৰ জ্ঞান নাছিল বুলি।"[২]

---

১ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৪৭১-৭২।*

২ *সদৌ চুতীয়া জাতি সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতিগ্ৰন্থত বেণুধৰ শৰ্মাৰ প্ৰবন্ধ– পৃঃ ৭।*

যুদ্ধাস্ত্রৰ ক্ষেত্ৰতো ধনুকাড়, কাড়ত বিহৰ ব্যৱহাৰ, হিলৈৰ ব্যৱহাৰ, হিলৈত খাৰৰ ব্যৱহাৰ, আদিয়ে প্ৰমাণ কৰে যে সেইবোৰ বস্তু তেওঁলোকে নিজেই তৈয়াৰ কৰিছিল; কিয়নো প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰা সেইবোৰ বস্তু অন্য ঠাইৰ পৰা অনাৰ প্ৰমাণ নাই আৰু সম্ভৱো নাছিল। অৱশ্যে নিৰ্মাণ কৌশল অন্য ঠাইৰ পৰা বিশেষকৈ চীন দেশৰ পৰা আহৰণ কৰা সম্ভৱ। চুতীয়াসকল ধনুৰ্বিদ্যাত অতি সিদ্ধহস্ত আছিল। চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পাছত চুতীয়াৰ কাড়ী সৈন্যই আহোম সৈন্য বাহিনীত বিশেষ স্থান পাইছিল। বিভিন্ন স্থানত চুতীয়া কাড়ীসকলক স্থাপন কৰা "চুতীয়া কাড়ী" গাঁওবোৰেই তাৰ প্ৰমাণ। চুতীয়াৰ বৰ ধেনু আৰু চুতীয়া ধেনু বিখ্যাত আছিল। চুতীয়া বাহিনীত নৌবাহিনী আৰু ঘোঁৰাৰ ব্যৱহাৰ আছিল। আহোমে চুতীয়া ৰাজ্য জয় কৰোতে অন্যান্য বস্তুৰ ওপৰিও ১৫০০ হিলৈ পাইছিল। এই হিলৈবোৰৰ ভিতৰত মিঠা হোলোং নামৰ হিলৈটো যুদ্ধাস্ত্ৰ হিচাপে অতি উত্তম আছিল।

সোৱণশিৰিৰ ওপৰৰ সুৱৰ্ণ কুণ্ডত প্ৰচুৰ সোণৰ উৎপাদন হৈছিল। সোণোৱালসকলেই সোণ কমোৱাৰ কাৰ্যত নিয়োজিত হৈছিল। সোণ উৎপাদনৰ কাৰ্যত দিনে ১০,০০০ দহ হেজাৰ লোক নিযুক্ত হৈছিল*[১] বীৰপাল বংশৰ প্ৰতিষ্ঠাতা বীৰপালে এজোপা গছৰ তলত খান্দি বহুতো ধন-সোণ; ঢাল-তৰোৱাল আৰু সোণৰ মেকুৰী পাইছিল। ইয়াৰ পৰা দেখা যায় যে চুতীয়া জাতিৰ পূৰ্বপুৰুষসকলৰ দিনৰ পৰাই ধন সোণৰ ব্যৱহাৰ আছিল। মুদ্ৰাৰ প্ৰচলনো আছিল। বিভিন্ন সোণৰ অলংকাৰ থকা আৰু আহোমে চুতীয়া ৰাজ্য হস্তগত কৰোতে সোণৰ বিভিন্ন বস্তু পোৱাই প্ৰমাণ কৰে যে তেওঁলোকৰ মাজত সোণৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে আছিল আৰু ৰজাসকলৰ সোণৰ ব্যৱহাৰে প্ৰমাণ কৰে যে সোণৰ ব্যৱহাৰ আভিজাত্যৰ চিন আছিল।

তাম্ৰেশ্বৰী মন্দিৰত তামৰ ব্যৱহাৰ কৰাৰ পৰা সিদ্ধান্ত কৰিব পাৰি যে তেওঁলোকৰ মাজত তামৰ ব্যৱহাৰো আছিল।

চুতীয়াসকলৰ মাজত কুটীৰ শিল্পৰ বহুল প্ৰচলন আছিল। তেওঁলোকৰ মাজত কহাৰ, কমাৰ, কুমাৰ, সোণাৰী আছিল, অন্যান্য খনিকৰী কামৰ লোকো আছিল। আহোমসকলে বৃত্তিয়াল লোকসকলক নিয়োগ কৰি পাছৰ যুগত নিজৰ ৰাজ্য সমৃদ্ধিশালী কৰিছিল। পৰবৰ্তী আহোম ৰাজ্যত সৰহভাগ কাৰিকৰী লোকেই চুতীয়া আছিল। অন্যান্য বাহ-বেতৰ কামৰ উপৰিও বয়ন শিল্প; এড়ি মুগা পোহা, তেওঁলোকৰ কুটীৰ শিল্প আছিল।

আহোম ৰজা চুহুংমুঙে চুতীয়া ৰজা নীতিপালৰ পৰা ধন-সোণৰ পৰিবৰ্তে দহোটা হাতী বিচৰাই প্ৰমাণ কৰে যে আহোম ৰাজ্যত হাতীৰ অভাৱ আছিল আৰু চুতীয়া ৰাজ্যত প্ৰচুৰ আছিল। চুতীয়াসকলে হাতী ধৰিব আৰু বনৰীয়া হাতী ধৰি পোহ মনাই শিকাব জানিছিল। এতিয়াও অসমৰ শদিয়া অঞ্চলতেই বেছিকৈ হাতী ধৰা হয়।

চুতীয়াসকলে গৰু-ম'হ পুহিছিল। চুতীয়া ৰাজ্য জয় কৰি আহোমসকলে গৰু-ম'হ পোৱাৰ উল্লেখ আছে। ইয়ে প্ৰমাণ কৰে যে চুতীয়াসকল প্ৰধানকৈ কৃষিজীৱী আছিল।

---

১ *Assam the Indian unflict — Mohesh Goshi Page-2*

চীন দেশৰ পৰা অহা চুতীয়া বা বড়োসকলেই অসমত প্ৰথমে ধান খেতিৰ প্ৰচলন কৰিছিল; কিয়নো চীন দেশেই ধান খেতিৰ আদিভূমি; স্থান বিশেষত শুকান খেতিও কৰিছিল। হয়তো ওখ ঠাইবোৰত শুকান খেতিৰ প্ৰচলনেই বেছি আছিল।

মেকুৰী চুতীয়া জাতিৰ বাবে অতি শ্ৰদ্ধাৰ বস্তু। মেকুৰী চুতীয়া জাতিৰ প্ৰতীক স্বৰূপ। ক'লা মেকুৰী মাৰিলে পৰজন্মত সোণৰ মেকুৰী দিব লাগিব বুলি চুতীয়াসকলে এতিয়াও বিশ্বাস কৰে; আৰু এতিয়া সেইটো অসমীয়া জন বিশ্বাসত পৰিণত হৈছে। গতিকে মেকুৰী মাৰিব নেপায়। চুতীয়াসকলৰ বাবে ই নিষিদ্ধ (Taboo); গতিকে মেকুৰীক চুতীয়া জাতিৰ জনজাতীয় টোটেম (Totem) বুলি ক'ব পাৰি।

ৰজা ভীষ্মকৰ দিনৰ পৰাই চুতীয়াসকলৰ ওপৰত আৰ্য সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। অৱশ্যে সমগ্ৰ উত্তৰ অসমতে সেই প্ৰভাৱ পৰিছিল। নৰকাসুৰ, ভগদত্ত, বাণাসুৰ, ঊষা, চিত্ৰলেখা, অগ্নিগড়, শোণিতপুৰ, ভীষ্মক, ৰুক্মিণী, ৰুক্মবীৰ, ব্ৰহ্মপুত্ৰ, ব্ৰহ্মকুণ্ড আদি শব্দবোৰেই তাৰ প্ৰমাণ।

ধৰ্মৰ ক্ষেত্ৰতো চুতীয়াসকলৰ বিশেষকৈ ৰজাসকলৰ ওপৰত চিৰাচৰিত ধৰ্মৰ ওপৰত আৰ্য সংস্কৃতিৰ আৰু বৈষ্ণৱ মতৰ প্ৰভাৱ পৰিছিল। ফলত বৈষ্ণৱ সমৰ্থক আৰু চিৰাচৰিত মতৰ মাজত এটা সংঘাটৰ সৃষ্টি হৈছিল। ভীষ্মকৰ ৰাজ্যত ভীষ্মক আৰু ৰুক্মিণী বৈষ্ণৱ মত বা শ্ৰীকৃষ্ণৰ অনুগামী হ'লেও ভীষ্মক পুত্ৰ ৰুক্মবীৰ ইয়াৰ ঘোৰ বিৰোধী আছিল।

বীৰপাল বংশৰ ৰাজত্ব কালতো তেওঁলোকে বিষ্ণু, শিৱ আৰু শক্তিৰ উপাসনা কৰিছিল। কিন্তু শক্তিৰ উপাসনাই প্ৰবল আছিল। চুতীয়াসকলে তাম্ৰেশ্বৰী মন্দিৰত নৰবলি দি কেচাইখাতী গোঁসানীৰ পূজা কৰিছিল। সেইদৰে ধন দেৱতা কুবেৰবো যজ্ঞ কৰিছিল কেচাইখাতী পূজা তেওঁলোকৰ নিজা মন্ত্ৰৰে দেউৰী পুৰোহিতসকলেই কৰিছিল। গতিকে চুতীয়াসকলে তেতিয়াও সামগ্ৰীকভাবে হিন্দু ধৰ্মত দীক্ষিত হৈছিল বুলি ক'ব নোৱাৰি। যিসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল তেওঁলোকে নিজকে "হিন্দু চুতীয়া" বুলি অভিহিত কৰিছিল। কিন্তু সেইটো চুতীয়া ৰাজত্বৰ পাছত আৰু আহোমৰ তললৈ যোৱাৰ পাছতহে হৈছিল। সেয়া সম্ভৱ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ পাছৰ পৰাহে। তথাপিও তেওঁলোকৰ পূৰ্ব সংস্কৃতি হিচাপে দেৱী পূজা আৰু শিৱ পূজাও বাদ দিয়া নাছিল। এই সংস্কৃতি চুতীয়াসকলৰ মাজত এতিয়াও বৰ্তমান। "আহোমৰ দিন" বুৰঞ্জীমতে চুতীয়া ৰাজ্য জয় কৰি তাত হিন্দু মানুহ পোৱা গ'ল ব্ৰাহ্মণ এঘৰ, গণক এঘৰ। ইয়াৰ পৰা দেখা যায় যে সাধাৰণ চুতীয়া প্ৰজাই তেতিয়াও হিন্দু ধৰ্ম গ্ৰহণ কৰা নাছিল।

বৰ্তমান চুতীয়াসকলে পূজা কৰা প্ৰায়বোৰ থানতে ব্ৰাহ্মণ পূজাৰী আছে, গতিকে চুতীয়াসকলে নিয়মিতভাবে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পাছত বা আহোমৰ ৰাজত্বৰ সময়তহে আৰু আহোম ৰজাৰ অনুগ্ৰহতহে এই ব্ৰাহ্মণ পূজাৰীসকলে দেউৰী পূজাৰীৰ স্থান লৈছিল। বহুতো ঠাইত আকৌ কৌশলগত ভাবেই ব্ৰাহ্মণ পূজাৰীয়ে প্ৰথমে অব্ৰাহ্মণ পূজাৰীৰ সহযোগত থাকি পাছত লাহে লাহে নিজেই অব্ৰাহ্মণ পূজাৰীৰ স্থান দখল কৰা দেখা যায়।

দেৱী পূজা চুতীয়াসকলৰ মাজত আদিম কালৰ পৰাই চলি অহা; সেইদৰে শিৱ পূজাও। মহেঞ্জদাৰোত খনন কাৰ্যৰ পৰা পোৱা নিদৰ্শন মতেও দেৱীৰ কল্পনা আৰ্যসকলৰ আগৰ পৰাই চলি আছিল। পৃথিবীৰ সকলো ঠাইতে অতি প্ৰাচীন কালৰ পৰাই দেৱীৰ কল্পনা প্ৰচলিত আছিল।

চুতীয়াসকল তিব্বতো-বাৰ্মান গোষ্ঠীৰ লোক। এই তিব্বতো-বাৰ্মানসকলৰ ওপৰত পূবৰ চীন আৰু পশ্চিমৰ ইজিপ্ত বেবিলন আদিৰ কৃষ্টিৰ প্ৰভাৱ পৰিছিল। এইদৰেই চুতীয়াসকলৰ মাজতো দেৱীৰ কল্পনাই ঠাই পাইছিল।*[১] চুতীয়াসকল অসমলৈ আৰ্যসকল অহাৰ বহু পূৰ্বেই আহিছিল আৰু তেওঁলোকৰ মাজত কুণ্ডি মামাৰ পূজা অতীতৰ পৰাই আছিল। আৰ্যসকল অহাৰ পাছতহে বিষ্ণু পূজাও গ্ৰহণ কৰিছিল। চুতীয়াসকলৰ মাজত যে দেৱী পূজা সুদূৰ অতীতৰ পৰা আছিল সেই কথা তেওঁলোকে দেউৰী পুৰোহিতৰ দ্বাৰা সেই পূজা কৰাৰ পৰাই বুজিব পাৰি। চাও কৃষ্টিত মাটি ফুটি জোঙা হৈ ওপৰলৈ ওলোৱা সকলো বস্তুকে কেনেকৈ পুৰুষ হিচাপে আৰু পৃথিৱীক প্ৰকৃতি হিচাপে কল্পনা কৰা হৈছিল সেই কথা আমি আগতে উল্লেখ কৰিছোঁ। এই চাও কৃষ্টি ইজিপ্ত, বেবিলন, সিন্ধু সভ্যতা আদিৰ কৃষ্টিৰে প্ৰভাৱান্বিত। ইয়াৰ পৰাই বড়ো, চুতীয়াসকলৰ মাজতো পুৰুষ প্ৰকৃতিৰ উপাসনাই ঠাই পাইছিল বুলি অনুমান কৰিব পাৰি।

প্ৰকৃতিৰ প্ৰত্যেক পৰিৱৰ্তনকে চুতীয়াসকলে অতি উলাহ-মালহেৰে পালন কৰিছিল। বিহু এই প্ৰাকৃতিক পৰিৱৰ্তনৰ প্ৰধান উৎসৱ আছিল। বড়োসকলৰ মাজেদিয়ে প্ৰকাশ পোৱা এই বিহু উৎসৱে সৌমাৰ খণ্ডতে বড়ো গোষ্ঠীৰ অন্যতম চুতীয়াসকলৰ মাজেদিয়ে লোক সংস্কৃতি হিচাপে উদ্‌যাপিত হৈ সমৃদ্ধ হৈছিল আৰু পৰৱৰ্তী কালত আহোম চুতীয়াসকলৰ লোক-কৃষ্টি হিচাপে উৎকৰ্ষ লাভ কৰি আজি সমগ্ৰ অসমৰে এক আকৰ্ষণীয় আৰু সামূহিক উৎসৱ হিচাপে বৃহত্তৰ অসম গঢ়াৰ পথত আৱেগিক ঐক্যৰ অনুপ্ৰেৰণা যোগাইছে।

চুতীয়াসকলৰ মাজত কলা-কৃষ্টিৰো উৎকৰ্ষ সাধন হৈছিল। উত্তৰ লক্ষীমপুৰ ঘাৰমৰা সত্ৰত সংৰক্ষিত শঙ্খ, ঘণ্টা, দবা, কেকোৰা দোলা আৰু তাৰ খোদিত চিত্ৰ আৰু আৰ্হি সূক্ষ্ম কলাৰ নিদৰ্শন। বিভিন্ন সুন্দৰ অলংকাৰবোৰেও তেওঁলোকৰ মাজত চাৰু কলাৰ উৎকৰ্ষৰ পৰিচয় দিয়ে। ইয়াৰ উপৰিও চুতীয়া ৰজাসকলৰ দিনত বহুতো দেৱ-দেৱীৰ দেৱালয় প্ৰতিষ্ঠা হৈছিল। সেইবোৰৰ ভিতৰত বুঢ়া-বুঢ়ীৰ থান, বলিয়া বাবাৰ থান, তাম্ৰেশ্বৰী মন্দিৰ, মালিনী থান, হাৰ্হি দেৱালয় আদি এতিয়াও হয় ধ্বংশাৱশেষৰ অৱস্থাত বা পূৰ্ণ ভাবেই আছে।

সৰুদৈয়া ফুলাম জাপি, হাতীদাঁতৰ বন কৰা পাটি, তেওঁলোকৰ সুন্দৰ হাতৰ কামৰ নিদৰ্শন।

চুতীয়া ৰজাসকল শান্তিপ্ৰিয় আৰু যুদ্ধ বিগ্ৰহ বেছি নোহোৱাত তেওঁলোকে প্ৰজাহিতকৰ কামত ব্যস্ত আছিল। সেইদিনৰ প্ৰজাহিতকৰ কামৰ ভিতৰত পুখুৰী খন্দোৱা, আলিবাট বন্ধোৱা, ৰাজ্যৰ সুৰক্ষাৰ বাবে গড় মৰা এইবোৰ কামতে সীমাবদ্ধ আছিল।

---

১ *Background of Assamese Culture. — R.M. Nath — Page-16.*

ৰজা ৰত্নধ্বজপালৰ দিনত বন্ধোৱা ৰাজগড় আলিৰ চিন এতিয়াও অৰুণাচলৰ ঠায়ে ঠায়ে আছে। তেৱেঁ কমতাপুৰলৈ পথ নিৰ্মাণ কৰি যাওঁতে প্ৰতিদিনৰ পথৰ অন্তত বাসস্থান নিৰ্মাণ কৰি যোৱা কাৰ্য বিশেষ উল্লেখযোগ্য।

চুতীয়া ৰজাসকলে নিৰ্মাণ কৰা মন্দিৰবোৰৰ বেৰত হাতী, ঘোঁৰা, গছ, বন, ফুল, বাঘ, বান্দৰ, চৰাই, মানুহ আদিৰ প্ৰতিমূৰ্তিয়ে তেওঁলোকৰ চিত্ৰ কলাৰ নিদৰ্শন প্ৰকাশ কৰে। সেইবোৰৰ মাজত চুতীয়াসকলৰ সূক্ষ্ম চিন্তাধাৰাৰ নিদৰ্শন, ভাস্কৰ্য আদিৰো আভাস পোৱা যায়।[১]

চুতীয়া তিৰোতাসকল বৰ সুন্দৰী নহ'লেও সু-স্বাস্থ্যৱতী আছিল। তেওঁলোকে মেখেলা, ৰিহা, চাদৰ, নানা সোণৰ অলংকাৰ, জাংফাই কেৰু পিন্ধিছিল। বুৰঞ্জীবিদ বেণুধৰ শৰ্মা দেৱৰ উক্তিৰে "চুতীয়া মহিলাৰ লাহী ককাল, কলাফুলত বৈ পৰা সাপ নেগুৰীয়া চুলি, কেতিয়াবা শাওবৰণীয়া হ'লেও নিমজ। চিকমিকীয়া গা মুখৰ বৰণ, নাম শুনিলে হেপাহ আৰু সুবদি মাত অসমীয়া সাধু কথাৰ অপৰূপ বিষয় বস্তু।"

কুণ্ডিল নগৰ, ভীষ্মক নগৰ, ৰুক্মিণী নগৰ আদিৰ ভগ্নাৱশেষে তেওঁলোকৰ নাগৰিক জীৱনৰ আভাস দিয়ে। অৰুণাচলৰ বননিত পাহাৰৰ বুকুত, এতিয়াও চুতীয়া জাতিৰ ঐতিহ্য নিদ্ৰিত অৱস্থাতেই আছে। কোনো যাদুকৰৰ পৰশত কেতিয়াবা সাৰপালে সেইবোৰে নিশ্চয় অসমৰ ইতিহাসৰ বহুতো নতুন কথা কৈ এশ এৰাটিৰ সাধুকথাৰ সৃষ্টি কৰিব।

অৱশেষত এইটো অনুমান কৰিব পাৰি যে তেওঁলোকৰ পুৰুষ তিৰোতাসকলৰ নৈতিক চৰিত্ৰ অতি শক্তিশালী আছিল। ৰাণী সাধনীৰ দেশপ্ৰেম, নিজ পবিত্ৰতা আৰু ৰাজ্যৰ ৰাজ লক্ষ্মীস্বৰূপ কুবেৰদত্ত সম্পদৰ পবিত্ৰতা ৰক্ষাৰ বাবে কৰা ৰাণী সাধনীৰ ত্যাগ আৰু আত্মোৎসৰ্গৰ আদৰ্শ চিৰস্মৰণীয়। সেইদৰে আহোমৰ লগত সন্ধিৰ বাবে ৰজা নীতিপালে এগৰাকী কুঁৱৰীক আহোম ৰজালৈ দিবলৈ মান্তি হ'লেও কুবেৰদত্ত ৰাজ সম্পদ নিদিবলৈ কৰা সিদ্ধান্ত অতি উচ্চ আদৰ্শৰ পৰিচায়ক। ৰজা নীতিপালক বহুতে অনীতিপাল আখ্যা দিলেও তেওঁ স্বাধীনতা ৰক্ষাৰ কাৰণে বিক্ৰমেৰে আহোমৰ লগত কৰা সংগ্ৰামে তেওঁৰ দেশপ্ৰেম, বীৰত্ব আৰু আদৰ্শৰ প্ৰতি থকা অনুৰাগৰ পৰিচয় দিয়ে।

তথাপিও চুতীয়া জাতিৰ পৰাধীনোত্তৰ কালৰ তিনিজন মহান চুতীয়া সন্তান সামান্য লগুৱাৰ পৰা বৰবৰুৱা হোৱা সমাজ সংস্কাৰক মোমাই তামুলী বৰবৰুৱা, দেশতকৈ মোমাই ডাঙৰ নহয় মন্ত্ৰেৰে সমগ্ৰ অসমকে দীক্ষিত কৰা লাচিত বৰফুকন, ইংৰাজ শাসনৰ যুগত বিয়াল্লিচৰ গণ-বিপ্লৱৰ শ্বহীদ হোৱা বীৰ কুশল কোঁৱৰৰ আদৰ্শই সমগ্ৰ অসমীয়া জাতি তথা মানৱ জাতিকে চিৰদিনৰ বাবে অনুপ্ৰেৰণা যোগাই থাকিব। সেয়েহে এওঁলোকৰ জীৱনীও এই বুৰঞ্জীত উল্লেখ কৰা হৈছে।[২]

---

১ *দেউৰী সংস্কৃতি – ডম্বৰুধৰ দেউৰী – পৃঃ ৫৬-৬৬*

২ *চুতীয়া জাতিৰ লোক-সংস্কৃতি সম্বন্ধে এই গ্ৰন্থৰ, ২য় খণ্ডত (সংস্কৃতি) বিস্তৃত আলোচনা কৰা হৈছে।*

# চুতীয়া বিদ্ৰোহ

চিৰদিন স্বাধীন হৈ থকা চুতীয়া জাতি ৰাণী সাধনীৰ আত্মোৎসৰ্গৰ লগে লগে হঠাৎ পৰাধীন হৈ পৰাত বিবুদ্ধি হৈ পৰিল। আদৰ্শ নাৰী, ৰাণী সতীসাধনী আৰু ৰাজকোঁৱৰ সাধক নাৰায়ণকো তেওঁলোকৰ মাজৰ পৰা হেৰুৱাই তেওঁলোক মৰ্মাহত হ'ল। এয়া যেন এক সপোন। কিন্তু এই সপোন ভাগিবলৈ সৰহ দিন নেলাগিল। বীৰাঙ্গণা ৰাণী সাধনীৰ আত্মোৎসৰ্গৰ কথা সোঁৱৰি তেওঁলোক পুনৰ জাগ্ৰত হৈ উঠিল। চাৰি বছৰৰ পাছতে ১৫২৭ খ্ৰীঃত প্ৰথম বাৰ আহোমৰ বিপক্ষে সসস্ত্ৰ বিদ্ৰোহ ঘোষণা কৰিলে। কিন্তু এই বিদ্ৰোহ ফলৱতী নহ'ল। আহোম শক্তিয়ে এই বিদ্ৰোহ দমন কৰিলে।

ইয়াৰ দুবছৰৰ পাছতে ১৫২৯ খ্ৰীঃত চুতীয়াসকলে পুনৰ শদিয়াৰ শাসনকৰ্তা ফ্ৰাচেঙমুঙৰ বিপক্ষে বিদ্ৰোহ কৰিলে। স্বৰ্গদেৱে চুক্লানফা টিপাম ৰজাক ফ্ৰাচেংমুঙক সহায় কৰিবলৈ পঠালে। চন্দনগিৰিত দুয়ো পক্ষৰ যুদ্ধ হ'ল। থাউমুং বঙেন শদিয়ালৈ আৰু চুক্লান্‌ফা কাংখামলৈ আগবাঢ়ি গ'ল। স্বৰ্গদেৱে ত্যাওচেংলুঙ কংচেং আৰু অন্যান্য ডাঙৰীয়াসকলেৰে সৈতে কাংখামলৈ গ'ল। তাৰপৰা স্বৰ্গদেৱে শদিয়ালৈ গৈ ত্যাওচেংলুং কংচেং, ৰূপ সন্দিকৈ আৰু চেংহননক দিবাং মুখলৈ চুক্লানফা বৰগোঁহাই থাওমুংচেনৰ আৰু থাওমুঙ ক্লিং খামৰ থাওকং পৰ্বতলৈ আৰু ত্যাও চুলেঙ চাৰিঙৰ ৰজাক কুণ্ডিলৰ দেওঘৰলৈ পঠালে। থাওকং পৰ্বতত চুতীয়াবিলাক পৰাস্ত হোৱাত স্বৰ্গদেৱে চাৰিং ৰজাক থাওকং পৰ্বতলৈ আৰু বৰগোঁহাইক দিখাৰিয়েদি (ডিব্ৰুগড় আৰু শিৱসাগৰ মহকুমাৰ দুমুজাত) চন্দ্ৰগিৰিত যুদ্ধ কৰিবলৈ পঠালে। চন্দ্ৰগিৰিত আহোমসকলে জিকিব নোৱাৰি থাওমুঙ কিং খামক পঠাই চন্দ্ৰগিৰিত নামনিত চুতীয়াৰ কিছুমান ল'ৰা বুঢ়া মানুহ ধৰি আনি স্বৰ্গদেৱৰ লগ ল'লে। স্বৰ্গদেৱে শদিয়াৰ পৰা কিংখাম আৰু তাৰ পৰা ডিফলু মুখলৈ গ'ল। চাৰিং ৰজা দেওঘৰৰ পৰা ঘূৰি আহোতে লুইতৰ কাষত চুতীয়াবিলাকে বেঢ়ি ধৰিলে। থাওমুঙ বঙেন, ত্যাওচেংলুং আৰু কাঙত্যাও চুহনেদিবাঙে ভটিয়াই আহি চাৰিং ৰজাক উদ্ধাৰ কৰিলে আৰু চুতীয়াবিলাকক পৰাস্ত কৰি কিছুমানক ধৰি আনি কংখামত স্বৰ্গদেৱক সোধালে। স্বৰ্গদেৱে বৰগোঁহাই আৰু থাওমুঙ বঙেনক সসৈন্যে শদিয়াত থৈ ৰাজধানীলৈ উভতি আহিল।*[1]

১৫৪২ খ্ৰীঃত চুতীয়াসকলে পুনৰ বিদ্ৰোহ কৰিছিল। দিচাঙত চুতীয়াই হুননক হত্যা কৰিলে; কিন্তু চাও লুঙ টিমাই চুতীয়া বিলাকৰ বিদ্ৰোহ দমন কৰি চুতীয়া ৰাজ্য ধ্বংস

---

১ *দেওধাই অসম বুৰঞ্জী — পৃঃ ২৩-২৪। চুতীয়া ভূঞা আৰু মটক ৰাজ্য — সৰ্বানন্দ ৰাজকুমাৰ — পৃঃ ৩৬-৩৭।*

কৰিলে।*[১] ১৫৫০ খ্ৰীঃত চুতীয়াৰ কঙ্ক পাত্ৰই পুনৰ বিদ্ৰোহ কৰি শদিয়া দখল কৰিবৰ চেষ্টা কৰিছিল। তিনিজন কোঁৱৰ আৰু ডেকা ৰজাৰ পুতেকেও তেওঁক সহায় কৰিছিল। কিন্তু স্বৰ্গদেৱৰ আদেশমতে বৰ সান্দিকৈয়ে গৈ শদিয়া দখল কৰিলে। ডেকা ৰজাৰ পুতেক চুতীয়াৰ সৈতে পলাই যাওঁতে কুণ্ডিলৰ কাষত আৱৰি ধৰিলে। তেওঁ লৰমাৰি কুণ্ডিলৰ পানীত জপিয়াই পৰিছিল; কিন্তু ৰূপ সন্দিকৈয়ে আদিয়ে পাচ ভেটি ধৰি সকলোকে মাৰিলে। বিদ্ৰোহ সফল নহ'ল।*[২]

১৫৬৩ আৰু ১৫৬৪ খ্ৰীঃত চুতীয়াসকলে পুনৰ বিদ্ৰোহ কৰিছিল। চুতীয়াসকলে খিৰেমত (বৰ্তমান ডিব্ৰুগড়ত) প্ৰথমে সেই বিদ্ৰোহত সফল হৈছিল। "এনেতে আঘোনৰ দিনত চুতীয়াই আহি আমাৰ খেৰেম (ডিব্ৰুগড়ত খেৰেমীয়া মৌজা আছে) নামৰূক দুই ৰাজ্য ভাঙিলেহি। পাছে ৰজাদেৱক দদায়েক চুক্লেং টিপাম ৰজা গৈ যুদ্ধ ধৰিলেগৈ। টিপাম ৰজা উঠা হাতীত চুতীয়াই তিনিপাট কাড় মাৰি লগালত বলে নোৱাৰা হেন দেখি টিপাম ৰজা দিহিং পাৰ হৈ সুহকি আহিল। ৬৯*[৩] কিন্তু আহোমসকলে সেই বিদ্ৰোহ দমন কৰিলে। অৱশেষত স্বৰ্গদেৱৰ আদেশ মতে চাৰিং ৰজা, বুঢ়াগোঁহাই আৰু ৰূপ সন্দিকৈয়ে কান্ত্যাৰ পৰা চুতীয়া সেনাপতিক বন্দী কৰি ধৰি আনিলে।"*[৪]

তথাপিও ১৬৬৫ খ্ৰীঃত বান চাঙ্গীয়া আৰু বানপৰীয়া নগাসকলৰ মাজত যুদ্ধ হোৱাত সেই যুদ্ধত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ সহায় বিচৰাত বানপৰীয়া নগাসকলক সহায় কৰিবলৈ স্বৰ্গদেৱে সেনা পঠায়। আহোম সেনা নগা সেনাৰ লগত যুদ্ধত ব্যস্ত হৈ থকাৰ সুযোগতে মিৰি (বৰ্তমান মিচিং) ডফলা আৰু চুতীয়া লগলাগি আহোম ৰজাৰ বিপক্ষে এটা বিদ্ৰোহ কৰে। কিন্তু সেই বিদ্ৰোহ ফলৱতী নহ'ল।*[৫]

১৬৭২ খ্ৰীঃ—১৬৭৩ খ্ৰীঃত চুতীয়াবিলাকে পুনৰ বিদ্ৰোহ কৰে। লুকতেং নামৰ চুতীয়া খেল এটাই দুখন মিৰি গাঁও ধ্বংস কৰি আহোম ৰজাক বছেৰেকীয়া কৰ দিবলৈ বাধা দিয়ে। পিছত দেউৰী, টাই কাফি, টাইকাতেং আদি অন্যান্য চুতীয়া খেলবোৰেও বিদ্ৰোহত যোগ দিয়ে। স্বৰ্গদেও উদয়াদিত্যই চুতীয়াসকলক দমন কৰিবৰ বাবে এদল সৈন্য পঠায়। কিন্তু ইতিমধ্যে উদয়াদিত্য ৰজাৰ মৃত্যু হোৱাত ৰামধ্বজ সিংহ ৰজা হয়। তেওঁ চুতীয়াৰ বিৰুদ্ধে পুনৰ এদল সৈন্য পঠায়। এইবাৰ চুতীয়াসকলে আহোম ৰজাক কৰ দিবলৈ মান্তি হয়।

---

১ *"পাচে বৈশাখৰ দিনত চুতীয়া আহি চুংহননক দিচাঙত মাৰি ল'ৰা তিৰোতা ধৰি লৈ গ'ল দিচাঙৰ পৰা। পাচে ৰজাদেৱে এই কথা শুনি লঙ্কিপ্লেক দিশকত থাওমুঙ তিপামক কছাৰী ৰাজ্যৰ পৰা আনি দিচাঙত চুলেং টিপমীয়া গোঁহাইৰ হতুৱাই থোৱালে।" ৩৫ দেওধাই অসম বুৰঞ্জী।*

২ *সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জী — সম্পাঃ সূৰ্য কুমাৰ ভূঞা — পৃঃ ২৬*

৩ *দেওধাই অসম বুৰঞ্জী— সম্পাদনা — সূৰ্য কুমাৰ ভূঞা — পৃঃ ৪৭*

৪ *অসমৰ বুৰঞ্জী— পদ্মনাথ গোঁহাই বৰুৱা— পৃঃ ৪৭*

৫ *সমৰ বুৰঞ্জী — পদ্মনাথ গোঁহাই বৰুৱা — পৃঃ ১৪১*

কিন্তু চুতীয়া বৰুৱাই এই বিদ্ৰোহত উচটনি দিয়া বুলি তেওঁক নানাভাবে অত্যাচাৰ কৰাৰ উপৰিও চুতীয়াৰ বলবান মানুহবোৰক বন্দী কৰি আনে।

চাৰ এডবাৰ্ড গেইটৰ বুৰঞ্জীৰ মতে এই বিদ্ৰোহৰ বাবে চুতীয়া, দেউৰী আৰু মিৰিসকলে (বৰ্তমান মিচিং) এই বিদ্ৰোহৰ বাবে ৭৫০০ মানুহ সংগ্ৰহ কৰিছিল কিন্তু আহোমসকলৰ মানুহ তাতোকৈও সৰহ হোৱাত সেই বিদ্ৰোহ ফলৱতী নহ'ল।

এই বিদ্ৰোহত দফলাবিলাকেও চুতীয়াসকলক সহায় কৰিছিল।

এই যুদ্ধৰ ফলত চুতীয়াসকলে বছৰি বৰঙণি হিচাপে নাও দিবলৈ গাত লয়।*১

হিতেশ্বৰ বৰবৰুৱাদেৱৰ আহোমৰ দিন নামৰ গ্ৰন্থত এই বিদ্ৰোহৰ বিৱৰণ এনে ধৰণেৰে আছে--

"১৫৯৬ শকৰ (১৬৭৩ খ্ৰীঃ) আহাৰ মাহত; পূৰ্বে উদয়াদিত্য সিংহদেৱে আহোঁতে শদিয়লীয়া ওলগুীয়া চুতীয়া ভাগি আহি, আবৰ চুতীয়াৰ টেমিৰে, নানাইৰে, লাইচেঙ্গৰে গাঁৱলৈ গ'ল। এইকথা স্বৰ্গদেৱে শুনি তামুলী ডেকা ৰামধন প্ৰমুখ্যে কৰি ঘৰ বন্দী হাজৰিকা খৰা গামৰ পুতেক আনো লোকজন সহিতে ডেবেৰা বৰবৰুৱাক তিনিমুনিৰ দুৱাৰে আবৰ চুতীয়াক ধৰিব দিলেগৈ। ইবোৰো গৈ তিনিমুনি হাটত গৈ কোঠ দি ৰহিলগৈ। শদিয়াৰ দুৱাৰেও ৰূপসন্দিকৈৰ তিপমীয়া ফুকনে পকা গোঁহাইকে দানহৰ ফুকনকে কছাৰী বৰুৱাকে দিচিঙ্গ দিৰিঙ্গেদি পাছ ভেটা দিব দিলে। ইবোৰো গৈ দিচিঙ্গ দিৰিঙ্গেদি ৰহিলগৈ। তাৰ পৰা গৈ চুতীয়াৰ গাঁৱৰ ওচৰতে কোঠ দি ৰহি চুতীয়াৰ গাঁও উঠি মাৰি, ঘৰকো জুই দি পুৰি, পুণৰ্বাৰ তিনিমুনিতে ৰহিলগৈ। টেমিৰ ভায়েকক মিৰিগামৰ পুতেককে পলাই যাওঁতে ৰূপ সন্দিকৈৰ তিপমীয়া ফুকনে বিহ গোঁহায়ে পাই ধৰি লৈ আহিলে। সিহঁতক আনিবৰ দেখি আমাৰ দেওগৰীয়া চুতীয়া যি ভাগি গৈছিল বৰবৰুৱাৰ ঠাইত আবৰ চুতীয়াইঁতে সকলোখিনি আনি দিলেহি; আৰু স্বৰ্গদেৱকো ভেটি ঘাটিখান দিলে।" -- আহোমৰ দিন -- পৃঃ ১৯৪।

এইদৰে চুতীয়াসকলে ১৬৭৩ খ্ৰীঃলৈকে কৰা বিদ্ৰোহবোৰ ফলৱতী নহ'ল। ইয়াৰ কাৰণ হ'ল আহোম ৰজাই চুতীয়াসকলক কুটনৈতিকভাবে বিভিন্ন ঠাইত স্থাপন কৰি বিচ্ছিন্ন কৰি পেলাইছিল। গতিকে সামূহিকভাৱে কোনো বিদ্ৰোহ কৰিব নোৱৰা হ'ল। যিবিলাক বিদ্ৰোহ হৈছিল সেইবিলাক স্থানীয়হে আছিল। গোটেই জাতিটো ঐক্যবদ্ধ হ'ব পৰা নাছিল।

চুতীয়া ৰজাক পৰাজয় কৰি উঠাৰ পাছত আহোম ৰজাই চুতীয়াসকলক প্ৰধানকৈ দুই শ্ৰেণীত বিভক্ত কৰি ৰজাঘৰীয়া বিষয়ত নিযুক্ত কৰিছিল। প্ৰধান দুই শ্ৰেণী হ'ল চমুৱা আৰু কাঁড়ী। চমুৱাসকলক এইবিলাক বিষয়ত ৰাখিছিল। (১) খনিকৰ (২) দোলা কাষৰীয়া (৩) শলাল (৪) গজপুৰীয়া (৫) অভয়পুৰীয়া (৬) নাম দেয়ঙীয়া আদি।*২

---

১ *A History of Assam — Sir Edward Gait. — Page 152-160*

২ *সদৌ চুতীয়া সন্মিলনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ-- লক্ষেশ্বৰ চুতীয়া--পৃঃ ২৭*

চুতীয়া ৰজাৰ শেষ বংশধৰ সাধক নাৰায়ণক চুতীয়া ৰাজ্যৰ বাহিৰত বৌতাত স্থাপন কৰাত বা নিৰ্বাসন দিয়াত আৰু ৰাজবংশৰ কোনো সৰ্বজন স্বীকৃত লোক বা নেতা নথকাত চুতীয়াসকলে সকলো ঠাইৰ পৰা সমৰ্থন পাব পৰাকৈ কোনো নেতৃত্ব থিয় কৰাব নোৱাৰিলে।

চুতীয়াৰ শক্তিশালী লোকসকলক আৰু বিচক্ষণ লোকসকলক আহোম ৰজাই বিভিন্ন ঠাইত শাসনৰ দায়িত্বপূৰ্ণ বিষয় বাব দি স্থাপন কৰাত তেওঁলোক আহোম শাসনৰ সমৰ্থন হ'ল।

এইদৰে চুতীয়াসকলৰ এই বিদ্ৰোহবোৰ ফলৱতী নহ'ল। "চুতীয়াসকলক অসমৰ চাৰিওফালে সিঁচৰতিকৈ থিতাপি কৰি সিবিলাকৰ পুনৰুত্থানৰ শক্তি হ্ৰাস কৰা হয়"।*১

আহোম ৰজাই চুতীয়াসকলক এনেদৰে বিভাজন আৰু বিচ্ছিন্ন কৰাৰ ফলত তেওঁলোকে পুনৰ একত্ৰিত হৈ বিদ্ৰোহ কৰিব নোৱৰা হোৱাই নহয় তেওঁলোকৰ জনজাতীয় গাঁঠনিটোতে কুঠাৰাঘাট কৰি ধ্বংস কৰিলে আৰু তেওঁলোকৰ মাজত কোনো কল্যাণমূলক কামৰ বাবেও অসম্ভৱ কৰি তুলিলে। ইয়াৰ ফলত আজিও চুতীয়াসকলে ক'তো সামাজিক বা ৰাজনৈতিক ভাবে শক্তিশালী হ'ব পৰা নাই আৰু গণতান্ত্ৰিকভাৱে পাব পৰা সুযোগ সুবিধাবোৰো গ্ৰহণ কৰিব পৰা নাই। প্ৰকৃতপক্ষে তেওঁলোকে এক শ্ৰমিক শ্ৰেণীতহে পৰিণত হ'ল; যি কেৱল কাম কৰে কিন্তু কামৰ ফল ভোগ কৰে আনে।

## চুতীয়া বিদ্ৰোহৰ অন্য এক অধ্যায়

১৫২৩ খ্ৰীঃত চুতীয়াসকলৰ স্বাধীনতা যোৱাৰ পাছত কেনেকৈ তেওঁলোকে সেই স্বাধীনতা উদ্ধাৰৰ বাবে ১৬৭৩ খ্ৰীঃলৈকে সশস্ত্ৰ বিদ্ৰোহ কৰিছিল সেই কথা ইয়াৰ আগৰ অধ্যায়ত কোৱা হৈছে। সেই বিদ্ৰোহবোৰ কিয় ফলৱতী নহ'ল সেই কথাও আলোচনা কৰা হৈছে। ইয়াৰ পাছত চুতীয়াসকলে ১৭৬৯ খ্ৰীঃলৈকে এই ৯৬ বছৰ কাল কোনো বিদ্ৰোহৰ বেহু ৰচনা কৰিব নোৱাৰিলে। চুতীয়াসকলক আহোম ৰজাই বিভিন্ন ঠাইত বিচ্ছিন্ন কৰি পেলোৱাই ইয়াৰ প্ৰধান কাৰণ। ১৭৬৯ খ্ৰীঃত চুতীয়াসকলৰে অন্য এটা শাখা মৰাণসকলে আহোম শক্তিৰ বিৰুদ্ধে পুনৰ বিদ্ৰোহ ঘোষণা কৰে। এই বিদ্ৰোহক অসম বুৰঞ্জীত সাধাৰণতে মোৱামৰীয়া বিদ্ৰোহ বা মৰাণ বিদ্ৰোহ বুলি বৰ্ণনা কৰা হৈছে। কিয়নো এই বিদ্ৰোহৰ নেতৃত্ব লৈছিল চুতীয়াৰে মৰাণ শাখাৰ ৰাঘৱ নেওগ আৰু নাহৰখোৱা শইকীয়াই। তেওঁলোক ধৰ্মীয়ভাৱে মোৱামৰীয়া সম্প্ৰদায়ৰ লোক আছিল;

---

১ *অসম দেশৰ বুৰঞ্জী— পদ্মনাথ গোঁহাই বৰুৱা— পৃঃ ১৪১*

আৰু এই বিদ্ৰোহত ধৰ্মীয় আৱেগ আছিল; সেয়েহে এই বিদ্ৰোহক সাধাৰণতে মোৱামৰীয়া বিদ্ৰোহ বুলি বুৰঞ্জী সমূহত বৰ্ণনা কৰা হয়। কিন্তু এই বিদ্ৰোহ চুতীয়া বিদ্ৰোহেই কিয়নো এই বিদ্ৰোহৰ নেতৃত্ব লৈছিল চুতীয়াসকলেই আৰু আহোম ৰাজ সিংহাসন দখল কৰাৰ পাছত সেই সিংহাসনত বহিছিল চুতীয়াৰ নাহৰখোৱা শইকীয়াৰ পুত্ৰ ৰমাকান্তই।

এইখিনিতে মোৱামৰীয়া সম্প্ৰদায়ৰ বিষয়ে এটি চমু পৰিচয় দাঙি ধৰা হ'ল।

অনিৰুদ্ধদেৱে অসমত মায়ামৰীয়া ধৰ্ম প্ৰৱৰ্তন কৰে। তেওঁ উত্তৰ লক্ষীমপুৰ মহকুমাৰ (বৰ্তমান লক্ষীমপুৰ জিলা) নাৰায়ণপুৰ অঞ্চলৰ বালিকুছি গাঁৱৰ কায়স্থ গোবিন্দগিৰি আৰু শ্ৰীমন্তশঙ্কৰদেৱৰ খুৰাকৰ জীয়েক আজলী দেৱীৰ পুত্ৰ। তেওঁ ১৫৫৩ খ্ৰীঃত জন্ম গ্ৰহণ কৰি ১৬২৬ খ্ৰীঃত ইহলীলা সম্বৰণ কৰে। তেওঁ মহাপুৰুষ মাধবদেৱৰ শিষ্য ভবানীপুৰীয়া গোপালদেৱৰ পৰা কালজাৰত শিক্ষা লাভ কৰি তেওঁৰ শিষ্য হৈছিল। বংশাৱলী পুথিয়ে কয় যে তেওঁৰ পুৰাণ পুৰুষ ভগৱন্তৰ চৰণত ভক্তি থকাৰ বাবে আৰু গোপালদেৱৰ ওচৰলৈ নবাট এৰি পুৰণি বাটে অহাৰ বাবে গোপালদেৱে তেওঁক "পুৰণি ভকত" বোলে। এই কাৰণেই মায়ামৰীয়া সত্ৰৰ শিষ্যসকলে নিজ পুৰণি ভকত বুলি চিনাকি দিয়ে। কোনোৱে কয় যে ১৭৬৯ খ্ৰীঃত যেতিয়া চাওফা চুএঞেউ ওৰফে স্বৰ্গদেউ লক্ষ্মী সিংহৰ পৰা মায়ামৰীয়া মৰাণে ৰাজ্য কাঢ়ি লৈছিল তেতিয়া মৰাণৰ ৰাখবৰ বৰুৱা হৈ "ৰজাৰ ধৰ্মই প্ৰজাৰ ধৰ্ম" কৰিবৰ অৰ্থে অমায়ামৰীয়াবিলাকক জোৰ কৰি ধৰি আনি মায়ামৰীয়া মহন্ত অষ্টভূজৰ শৰণ লোৱাইছিল। আগৰ মায়ামৰীয়াবিলাকে নতুনকৈ মায়ামৰীয়া হোৱাবিলাকক "নতুনভকত" আৰু নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ নিজক পুৰণি ভকত বুলি চিনাকি দিছিল। স্বৰ্গদেউ লক্ষ্মী সিংহই ছমাহৰ মূৰত নিজৰ ৰাজ্য লাভ কৰাত নতুনকৈ মায়ামৰীয়া হোৱাসকলে মায়ামৰীয়া ধৰ্ম এৰি পুনৰ নিজ নিজ ধৰ্ম গ্ৰহণ কৰাত নতুন ভকত নোহোৱা হ'ল। কিন্তু পুৰণি ভকত থাকি গ'ল।*[১]

অনিৰুদ্ধদেৱে "ধাতু তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰ"*[২] নামৰ এক শাস্ত্ৰৰ সহায়ত বহুতো অলৌকিক কাৰ্য কৰিব পাৰিছিল। স্বৰ্গদেউ খোৰা ৰজাই অনিৰুদ্ধ দেৱক ধৰাই নি তেওঁৰ মাহাত্মা পৰীক্ষা কৰিছিল। অনিৰুদ্ধদেৱে ৰাজসভাত মায়া সৰ্প সৃষ্টি কৰি সেই সৰ্প নাইকীয়া কৰাত স্বৰ্গদেৱে তেওঁক মায়ামৰা উপাধি দিয়ে। তেতিয়াৰ পৰা তেওঁৰ ধৰ্ম, সত্ৰ আৰু শিষ্যসকল মায়ামৰা নামে জনাজাত হ'ল। এই "মায়ামৰীয়া" শব্দৰ পৰাই মোৱামৰীয়া শব্দৰ উৎপত্তি হয়।

---

১ *চুতীয়া ভূএঞা আৰু মটক ৰাজ্য -- সৰ্বানন্দ ৰাজকুমাৰ -- পৃঃ ৬৩-৬৪।*

২ *"ধাতু তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰ" -- প্ৰথমে দেউৰীসকলৰহে আছিল বুলি জনা যায়। গুৱাহাটী মহানগৰী চুতীয়া সম্মিলনৰ সাধনী উৎসৱ উদ্‌যাপন সমিতিৰ স্মৃতিগ্ৰন্থত (১৯৯০) শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীৰ এম,এ দেৱৰ এক প্ৰবন্ধমতে এই ধাতু তাম্ৰাক্ষৰী শাস্ত্ৰ ভূএঞাসকলৰ হাতত আছিল। এইসকল ভূএঞা চুতীয়া জাতিৰ ধেমাজীৰ চিচি বৰগাঁৱত এতিয়াও ভূএঞা উপাধিধাৰী চুতীয়া মানুহ আছে। এই গ্ৰন্থই হাত বাগৰি গৈ নিশ্চয় আহি অনিৰুদ্ধদেৱৰ হাত পাইছিলগৈ।*

মায়ামৰীয়া মহন্তৰ শিষ্যসকলে সদায় এক মতত চলিছিল আৰু সেই কাৰণেই তেওঁলোকক "মতেক" বা "মটক" বুলিও কোৱা হয়। এই "মটক" বুলি কোৱা লোকসকলৰ ভিতৰত কোঁচ, কলিতা, চুতীয়া, বামুন, কায়স্থ, মৰাণ, আহোম, কছাৰী, কৈবৰ্ত, বনিয়া, আদি অসমৰ প্ৰায় সকলো জাতৰ মানুহ পোৱা যায়। এতেকে মটক্ শব্দই কোনো এটা বিশেষ জাতিক বুজায় বুলি ক'ব নোৱাৰি। ই মহাপুৰুষীয়া ধৰ্মৰ দৰে এটি ধৰ্ম সম্প্ৰদায় ভুক্ত"।*[১] বহুতো মৰাণ চুতীয়া এই মোৱামৰীয়া মহন্তৰ শিষ্য আছিল।

আহোম ৰজা স্বৰ্গদেউ লক্ষ্মী সিংহৰ দিনত কীৰ্তিচন্দ্ৰ বৰবৰুৱা অসীম ক্ষমতাশালী হৈ উঠিছিল। তেওঁ সামান্য কাঁড়ীৰ পৰা ৰাজানুগ্ৰহত বৰবৰুৱা হৈছিল। এবাৰ ৰজা লক্ষ্মীসিংহই কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰে সৈতে ব্ৰহ্মপুত্ৰইদি নাৱেৰে ফুৰিবলৈ যাওঁতে মোৱামৰীয়া মহন্তই নৈৰ পাৰৰ পৰা দেখা পাই ৰজাক সেৱা জনালে কিন্তু কীৰ্তিচন্দ্ৰ বৰবৰুৱাক নজনালে। ইয়াতে অপমানিত হৈ মহন্তক বহুত তিৰস্কাৰ কৰে।

ইয়াৰ কিছুদিনৰ পাচত ১৭৬৯ খ্ৰীঃৰ চেপ্তেম্বৰ মাহৰ ১৫ তাৰিখে হাতীচুঙ্গী মৰাণৰ নেতা নাহৰখোৱা শইকীয়া আৰু ৰাঘব নেওগে বছৰি আহোম ৰজাক দিবলগীয়া হাতী কীৰ্তিচন্দ্ৰ বৰবৰুৱাক নি দিলেগৈ। (মৰাণসকলে ৰজাঘৰত খাজনাৰ পৰিবৰ্তে হাতী, ৰং, মৌ, ধাৰী, ইত্যাদি নানাৰকমৰ বস্তু যোগান ধৰিছিল।) তেওঁলোকে বৰবৰুৱাৰ উগ্ৰ আৰু খিতখিতীয়া স্বভাৱৰ কথা ভালদৰে জানিছিল আৰু সেই কাৰণে এইবাৰ তেওঁলোকে আটাইতকৈ ভাল হাতী যোগান ধৰিছিল। কিন্তু বৰবৰুৱাক সহজে সন্তুষ্ট কৰিব পৰা মানুহ নাছিল। তেওঁ হাতী কেইটাত নানা খুট উলিয়াই নাহৰখোৱা শইকীয়া আৰু ৰাঘব নেওগক বান্ধি আনি মাৰপিট কৰিলে; মূৰ খুৰালে আৰু কাণ কটাই পঠিয়াই দিলে।"*[২]

বৰবৰুৱাৰ ব্যৱহাৰত ক্ষুণ্ণ হৈ দুয়ো তেওঁলোকৰ গুৰু মোৱামৰীয়া মহন্তৰ ওচৰলৈ গৈ আহোমৰ বিপক্ষে বিদ্ৰোহ কৰিবলৈ অনুমতি বিচাৰিলে। মোৱামৰীয়া মহন্তই আগেয়ে অপমান পাই আছিল; তথাপিও সীমিত ভাবেহে বিদ্ৰোহ কৰিবলৈ অনুমতি দিলে। ইয়াৰ আগতেও ৰাণী ফুলেশ্বৰীৰ হাতত মোৱামৰীয়া মহন্তসকলে বহু অপমান পাইছিল। গতিকে প্ৰজাৰ অন্তৰত জুই জ্বলি আছিল। সহজে সকলোৱে বিদ্ৰোহত যোগ দিলে। লক্ষ্মীসিংহৰ ককায়েক মোহনমালা গোঁহাইক বিদ্ৰোহীসকলে ৰজা পাতিব বুলি কোৱাত তেৰোঁ বিদ্ৰোহত যোগ দিলে। এইদৰে বিদ্ৰোহ শক্তিশালী হৈ উঠিল। তথাপিও মোৱামৰীয়াসকল প্ৰথমে পৰাজিত হৈছিল কিন্তু পাছত ৰাঘব নেওগৰ নেতৃত্বত মোৱামৰীয়াসকলে ৰজাৰ সৈন্যক পৰাস্ত কৰিবলৈ সক্ষম হয়। ৰজাই ৰংপুৰ এৰি পলাই যাবলৈ ঠিক কৰি ৰংপুৰ এৰি যাওঁতে বাটতে চুতীয়া সৈন্যৰ হাতত ধৰা পৰাত তেওঁক জয়দ'লত বন্দী কৰি থলে। ১৭৬৯ খ্ৰীঃত।

এই যুদ্ধত নাহৰখোৱা শইকীয়াৰ দুই পত্নী ৰাধা আৰু ৰুক্মিণীয়ে অসীম বীৰত্বেৰে

---

১ *চুতীয়া ভূএগ আৰু মটক ৰাজ্য — সৰ্বানন্দ ৰাজকুমাৰ — পৃঃ ৬৫-৬৬*

২ *অসম দেশৰ বুৰঞ্জী — ডঃ লক্ষ্মীদেৱী — পৃঃ ৩০৩*

যুদ্ধ কৰিছিল। তেওঁলোকে এনে সুন্দৰভাবে অস্ত্ৰ চালনা কৰিছিল যে বন্দুকৰ গুলী তেওঁলোকৰ গাত নেলাগিছিল। সেয়েহে ৰাধা-ৰুক্মিণী মানৱী নহয় দেৱীহে; তেওঁলোকে আচল পাতি বন্দুকৰ গুলীবোৰ ধৰে বুলি জনৰব উঠিছিল আৰু আহোম সৈন্যই যুদ্ধক্ষেত্ৰ এৰি পলাইছিল।

বিদ্ৰোহত আহোম ৰজা পৰাজিত হোৱাত চুতীয়াসকলে আহোম সিংহাসন দখল কৰে। তেওঁলোকে গুৰুপুত্ৰক সিংহাসনত বহিবলৈ অনুৰোধ কৰিছিল কিন্তু পিতৃৰ নিৰ্দেশত তেওঁ সিংহাসন গ্ৰহণ নকৰিলে। নাহৰখোৱা শইকীয়াৰ পুত্ৰ ৰমাকান্তক ৰজা বুলি ঘোষণা কৰা হ'ল। ৰাঘবে বৰবৰুৱা বাব ললে। ৰমাকান্ত ৰজা হ'লেও কাৰ্যতঃ ৰাঘব বৰবৰুৱাই সকলো ক্ষমতাৰ গৰাকী হ'ল। তেওঁ ৰাজেশ্বৰ সিংহৰ বিধবা পত্নী মণিপুৰৰ ৰাজকন্যা কুৰঙ্গনয়নীক নিজৰ পত্নী কৰি ললে। চুতীয়াসকলে আহোম বিষয়াসকলক খেদি বা হত্যা কৰি নিজ মানুহক বৰগোঁহাই, বুঢ়াগোঁহাই, বৰপাত্ৰগোঁহাই আৰু বৰুৱা ফুকন আদি বিষয় বাব দি পাতি ললে আৰু আগৰ বিষয়াসকলক খেদি তেওঁলোকৰ ঘৰবোৰতে থাকিবলৈ দিলে। ৰজা ৰমাকান্তৰ নামত আহোমৰ আঠচুকীয়া মোহৰৰ ঠাইত নচুকীয়া মোহৰ মৰালে।

ৰমাকান্ত ৰজা হ'লেও প্ৰজাৰ প্ৰিয় পাত্ৰ হ'ব নোৱাৰিলে। প্ৰজাসকলৰ মনোভাব বুজি আহোম বিষয়াসকলে ষড়যন্ত্ৰ কৰি ৰমাকান্তক আৰু বিষয়াসকলক হত্যা কৰিবৰ সিদ্ধান্ত কৰিলে।

ইতিমধ্যে বহাগৰ বিহুৰ ওচৰ পালেহি। বিহু চুতীয়াসকলৰ পৰম্পৰাগত ৰং ৰহইচৰ উৎসৱ। সেয়েহে প্ৰায় সকলোবোৰ চুতীয়া লোকেই ৰাজধানী এৰি নিজ ঘৰলৈ গ'ল। অতি অলপ সংখ্যক লোকহে ৰাজধানীত থাকিল। ৰজা আৰু বিষয়াসকলো অৰক্ষিত অৱস্থাতেই ৰল।

চ'তৰ বিহুৰ সংক্ৰান্তিৰ দিনা আহোম ষড়যন্ত্ৰকাৰীসকলে হুচৰী গোৱাৰ চলেৰে গৈ ৰাঘবৰ ঘৰ আগুৰি পেলালেগৈ। প্ৰচলিত ৰীতি অনুসৰি আৰু পত্নী কুৰুঙ্গনয়নীৰ নিৰ্দেশ মতে ৰাঘব বৰবৰুৱাই ছদ্মবেশী হুচৰী গোৱাসকলক সেৱা কৰোতেই কুৰঙ্গনয়নীয়ে ৰাঘবক কাটি পেলালে। ইয়াৰ পাছতে ৰমাকান্ত, ৰাধা-ৰুক্মিণী আৰু অন্যান্য চুতীয়া বিষয়াসকলক আৰু মোৱামৰীয়া মহন্ত আদিকো হত্যা কৰি ৰজা লক্ষ্মীসিংহক মুক্ত কৰি আনি পুনৰ ৰজা পাতিলেহি। চুতীয়াসকল পুনৰ বিদ্ৰোহী হৈ উঠিল; কিন্তু আহোমসকলে এই বিদ্ৰোহ দমন কৰিলে। এইদৰে ৰমাকান্ত বা চুতীয়াসকলে ছমাহৰ পাছতে পুনৰ ৰাজত্ব হেৰুৱালে।

১৭৮০ খ্ৰীঃত ৰজা লক্ষ্মী সিংহৰ মৃত্যু হোৱাত পুত্ৰ গৌৰীনাথ সিংহ আহোম ৰাজপাতত বহে।

তেওঁ মোৱামৰীয়াসকলক ল'ৰা তিৰোতা নিৰ্বিশেষে নানা অত্যাচাৰ কৰাত তেওঁলোক পুনৰ একগোট হৈ বিদ্ৰোহৰ বাবে সাজু হয়। ইয়াৰ দুবছৰৰ পাছত ১৭৮২ খ্ৰীঃত এদিন ৰাতি গৌৰীনাথ সিংহ ৰজা মাছমাৰি গড়গাবলৈ ঘূৰি যাওঁতে বাটত জোৰ

ধৰি আগুৱাই নিয়া মানুহৰ লগতে এদল বিদ্ৰোহী লোকেও জোৰ ধৰি গৈ শিঙৰী ঘৰত জুই লগাই দিয়ে। তাৰ পাচতে অন্যান্য বিষয়াসকলৰ ঘৰতো জুই জ্বলাই দিয়ে। কিন্তু মন্ত্ৰী ঘনশ্যাম বুঢ়াগোঁহায়ে অতি কৌশলেৰে বিদ্ৰোহ দমন কৰিলে।

বিদ্ৰোহীসকল ইমানতে ক্ষান্ত নহ'ল। তেওঁলোকে পুনৰ বিদ্ৰোহ কৰিলে। ইতিমধ্যে মন্ত্ৰী ঘনশ্যাম বুঢ়াগোঁহাইৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ পূৰ্ণানন্দ বুঢ়াগোঁহাই মন্ত্ৰী হ'ল। বিদ্ৰোহীসকলে ইয়াতে মনোবল পাই চাৰিওফালে জাগি উঠিল। পূৰ্ণানন্দ বুঢ়াগোঁহায়ে স্বৰ্গদেউ গৌৰীনাথ সিংহক গুৱাহাটীৰ ফালে পলুৱাই পঠাই নিজে ৰংপুৰ নগৰ ৰক্ষা কৰি থাকিল। বিদ্ৰোহীসকলে ৰাজকীয় সৈন্যসকলক বহুঠাইত পৰাস্ত কৰিলে আৰু ৰংপুৰ আৰু গড়গাঁও দখল কৰিলে। তেওঁলোকে ৰংপুৰত ভৰত সিংহ (মৰাণ চুতীয়া) আৰু দিহিঙৰ পূবে বেংমৰাত (বৰ্তমান তিনিচুকীয়া) সৰ্বানন্দ সিংহক (বুৰুক বা বৰাহী চুতীয়া) ৰজা পাতিলে। দুয়ো ৰজা হৈ নিজ নামত মোহৰ মৰালে। ভৰত সিংহৰ নামত থকা ১৭৯১, ১৭৯২, ১৭৯৩, আৰু ১৭৯৭ চনৰ মোহৰ আৰু সৰ্বানন্দ সিংহৰ নামৰ ১৭৯৪ আৰু ১৭৯৫ চনৰ মোহৰ এতিয়াও আছে।*[১]

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ভৰত সিংহৰ ৰাজত্ব ১৭৯১ চনৰ পৰা আৰম্ভ হৈছিল। ছবছৰৰ পাচত ভৰত সিংহৰ পৰা আহোমে ৰংপুৰ উদ্ধাৰ কৰে কিন্তু সৰ্বানন্দ সিংহৰ ৰাজত্ব বৃটিছ ৰাজত্বৰ আৰম্ভলৈকে থাকিল।*[২]

১৭৮৬ খ্ৰীঃত স্বৰ্গদেৱ গৌৰীনাথ সিংহ গুৱাহাটীলৈ পলাই গৈছিল। তেতিয়াৰ পৰা নানা ভাবে চেষ্টা কৰিও তেওঁ গড়গাঁও উদ্ধাৰ কৰিব নোৱাৰিলে। ইতিমধ্যে গুৱাহাটীৰ প্ৰজায়ো পলৰীয়া শক্তিহীন আহোম ৰজাক তাৰপৰাও খেদিবৰ চেষ্টা কৰিলে। ১৭৯০ চনত এই বিদ্ৰোহে প্ৰকাশ্য ভাবে দেখা দিলে। কিন্তু আহোম ৰজাই সেই বিদ্ৰোহ দমন কৰিলে। এই বিদ্ৰোহত সহায় কৰা দৰঙী ৰজা দ্বিতীয় হংস নাৰায়ণক আহোমে হত্যা কৰে আৰু তেওঁৰ পুত্ৰ কৃষ্ণ নাৰায়ণক বঞ্চিত কৰি তেওঁৰ বংশৰে বিষ্ণু নাৰায়ণ বুলি এজনকহে ডেকা ৰজা পাতে। এই কাৰ্যত মৰ্মাহত হৈ কৃষ্ণনাৰায়ণে আহোমৰ বিপক্ষে বিদ্ৰোহ কৰিবলৈ সাজু হয় আৰু বঙ্গদেশৰ ৰংপুৰৰ পৰা প্ৰায় ৩০০০ মান লোকৰ বঙ্গালী আৰু হিন্দুস্থানী বৰকান্দাজ সৈন্য দল এটা ভূটান আৰু বিজনীৰ পথেৰে আনি বিষ্ণুনাৰায়ণক খেদি উত্তৰ কামৰূপ দখল কৰে আৰু গুৱাহাটীৰ ফালে যায়। গুৱাহাটীত বিপদ ঘনীভূত হোৱাত গৌৰীনাথ সিংহ ১৭৯০ খ্ৰীঃত নগাঁৱলৈ যায়, কিন্তু তাতো কোনো সুবিধা কৰিব নোৱাৰি পুনৰ ১৭৯২ খ্ৰীঃত গুৱাহাটীলৈ আহে।

---

১ *A History of Assam — Sir Edward Gait — Page 200*

২ *"ৰংপুৰে ভৰথি মৰাণ নামক ব্যক্তিকে ৰাজাসনে নিবিষ্ট কৰাইলেন এবং বেংমৰা নামক স্থানে — তাহাদেৰি একজন সৰ্বানন্দ নামে ৰাজা হইলেন" — আসাম বুৰঞ্জী — হলিৰাম ঢেকীয়াল ফুকন — পৃঃ ৪৪। সম্পাদনা — যতীন্দ্ৰমোহন ভট্টাচাৰ্য— এম,এ, (বঙালী ভাষা)।*

ইতিমধ্যে কৃষ্ণ নাৰায়ণে কামৰূপ দখল কৰিছিল। গতিকে গৌৰীনাথ সিংহই উপায় নেপাই কলিকতালৈ মানুহ পঠাই বৰকান্দাজ সৈন্যই দেশত উৎপাত কৰিছে বুলি বৃটিছৰ সহায় বিচাৰে। ১৭৯২ খ্ৰীঃত বৃটিছে কেপ্তেইন ৱেলচৰ তলত ছয়টা কোম্পানীৰ এটা সৈন্য দল পঠায়। বৃটিছ সৈন্যই বিদ্ৰোহীবোৰক পৰাস্ত কৰি গুৱাহাটী উদ্ধাৰ কৰে। পাছত বৃটিছ সৈন্যই কৃষ্ণ নাৰায়ণৰ বৰকান্দাজ সৈন্যবোৰকো পৰাস্ত কৰে। ইয়াৰ পাচত গৌৰীনাথ সিংহৰ অনুৰোধত কেপ্তেইন ৱেলচে মোৱামৰীয়াসকলকো দমন কৰি ৰংপুৰ উদ্ধাৰ কৰে। কিন্তু গবৰ্ণৰ জেনেৰেলৰ নিৰ্দেশমতে কেপ্তেইন ৱেলচে ১৭৯৫ খ্ৰীঃত অসম এৰি গুচি যায়।

ৰংপুৰ বৃটিছ সৈন্যই উদ্ধাৰ কৰি গৌৰীনাথ সিংহক দিলেও তেওঁ ৰংপুৰ ৰক্ষা কৰা সম্ভৱ নহ'ব বুলি যোৰহাটলৈ ৰাজধানী তুলি নিয়ে।

এই সময়চোৱাত আহোম ৰাজ্যৰ চাৰিওফালে সকলোৱে বিদ্ৰোহ কৰিছিল। ৰংপুৰত ভৰত সিংহ আৰু বেংমৰাত সৰ্বানন্দ সিংহই নিজকে ৰজা বুলি ঘোষণা কৰাৰ কথা আগতে লিখা হৈছে। পূৰ্ণানন্দ বুঢ়াগোঁহায়ে তেওঁলোকক দমন কৰিবৰ চেষ্টা কৰিছিল; কিন্তু কৃতকাৰ্য হ'ব নোৱাৰিলে। ইতিমধ্যে বৃটিছৰ সহায়ত ৰংপুৰ আহোমে উদ্ধাৰ কৰিলেও সৰ্বানন্দৰ হাতৰ পৰা ক্ষমতা দখল কৰিব নোৱাৰিলে। উপায়হীন হৈ পূৰ্ণানন্দই বিদ্ৰোহীসকলৰ প্ৰতি কঠোৰতা কমাই দি সৰ্বানন্দ সিংহক বৰসেনাপতি উপাধি দি আহোমৰ কৰতলীয়া হিচাপে শদিয়াৰ দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু বুঢ়ীদিহিঙৰ মাজৰ ঠাইত শাসন কৰিবলৈ এৰি দিলে। কিন্তু কাৰ্যত তেওঁ স্বাধীন ৰজা হ'ল। এইদৰে চুতীয়া ৰাজ্যৰ পুনৰ এক নতুন অধ্যায় আৰম্ভ হ'ল।

## সৰ্বানন্দ সিংহৰ চুতীয়া ৰাজ্য

ইয়াৰ আগৰ অধ্যায়ত সৰ্বানন্দ সিংহই কেনেকৈ পুনৰ ৰাজ্য স্থাপন কৰিলে সেই কথা কোৱা হৈছে। আহোমে সৰ্বানন্দ সিংহৰ পৰা কোনোমতে ক্ষমতা দখল কৰিব নোৱাৰি তেওঁক বৰ সেনাপতি উপাধি দি আহোমৰ কৰতলীয়া হিচাপে স্বীকৃতি দিলেও কাৰ্যতঃ তেওঁ স্বাধীন হ'ল। সৰ্বানন্দ সিংহ মটক সম্প্ৰদায়ৰ হোৱাত এই ৰাজ্যক মটক ৰাজ্য বুলিও কোৱা হয়।

এই সম্বন্ধে সৰ্বানন্দ ৰাজকুমাৰ দেৱে তেখেতৰ চুতীয়া ভূঞা আৰু মটক ৰাজ্য নামৰ গ্ৰন্থত লিখিছে— "কিছুমান বুৰঞ্জীয়ে সৰ্বানন্দ সিংহক মৰাণ বুলিছে। বৰ্তমান ডিব্ৰুগড় মহকুমাৰ (বৰ্তমান ডিব্ৰুগড় জিলা) চাবুৱা পোলোঙা মৌজাৰ পোলোঙা গাঁৱত বাস কৰা সৰ্বানন্দ সিংহৰ বংশধৰ শ্ৰীলক্ষেশ্বৰ গোঁহায়ে আমাক জনায় যে তেখেতবিলাক

মৰাণ নহয় "বুৰুক" চুতীয়াহে।*১ আমি জনাত তেখেতসকলৰ মৰাণৰ লগত কোনো সামাজিক সম্বন্ধ নাই। আহোম ৰজাৰ অনুকৰণ কৰি সৰ্বানন্দ সিংহই স্বৰ্গদেও উপাধি গ্ৰহণ কৰিছিল আৰু তেওঁৰ বংশধৰসকলে আহোমক অনুকৰণ কৰি গোঁহাই উপাধি গ্ৰহণ কৰে। পূৰ্ণানন্দ বুঢ়াগোঁহায়ে সৰ্বানন্দ সিংহক বৰসেনাপতি উপাধি দিছিল। সেয়েহে তেওঁৰ বংশধৰসকলে "সেনাপতি" নাইবা "গোঁহাই সেনাপতি লিখে।"*২

বৰ্তমানৰ তিনিচুকীয়াই বেঙমৰা। ৰজা সৰ্বানন্দ সিংহৰ বৰবৰুৱা গোধা গোপীনাথে আহোমক অনুকৰণ নকৰি এটি তিনিচুকীয়া পুখুৰী খন্দায়। এই পুখুৰী ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়ালৈ গ'লে তিনিচুকীয়া নগৰৰ মুখতে পায়। এই পুখুৰীৰ নাম অনুযায়ী সেই অঞ্চল তিনিচুকীয়া নামে জনাজাত হোৱাত বেঙমৰা নাম তল পৰিল।

সৰ্বানন্দ সিংহৰ ৰাজ্যৰ পশ্চিম আৰু উত্তৰ সীমা ব্ৰহ্মপুত্ৰ আৰু ডাঙৰী নৈ, দক্ষিণ সীমা বুঢ়ীদিহিং আৰু পূব সীমা চৈখোৱাৰ পৰা বুঢ়ী দিহিং নৈলৈ আছিল। এই ৰাজ্যখনো প্ৰায় তিনিচুকীয়া আছিল। অৰাজকতাৰ সুবিধালৈ চিংফৌবিলাকে এই ৰাজ্যত উৎপাত কৰিব আৰু ইয়াৰ পৰা বন্দী বেটী ধৰি নিব নোৱাৰিছিল। সেয়েহে চিংফৌবিলাকে এই খণ্ডক 'মটক' অৰ্থাৎ বলী বুলিছিল। সেই নাম অনুসৰিয়ে ৰাজ্যৰ নাম আৰু তাৰ বাসিন্দাসকলৰ নাম 'মটক' হ'ল। সেই সময়ত এই খণ্ডত মোৱামৰীয়া সংখ্যাই অধিক আছিল। সেই কাৰণেই মোৱামৰীয়াবিলাকে মটক বুলিহে চিনাকি দিয়ে।*৩

এইদৰে মোৱামৰীয়াসকলক মটক বুলি কোৱাৰ দুটা সংজ্ঞা আমি পাওঁ।

সৰ্বানন্দ সিংহই ১৭৯৪-৯৫ চনত নিজ নামে মোহৰ মৰায়। এতেকে সৰ্বানন্দ সিংহৰ ৰাজত্ব তেতিয়াৰ পৰাই আৰম্ভ বুলি ধৰা হৈছে।

বৃটিছ সৈন্য গুচি যোৱাৰ পাচত স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত পূৰ্ণানন্দ বুঢ়াগোঁহাই ডাঙৰীয়াই বৃটিছৰ কোম্পানীৰ আৰ্হিৰে এদল সৈন্য তৈয়াৰ কৰে। সেই সৈন্যই ভৰত সিংহৰ ৰাজ্য পুনৰ দখল কৰে। কিন্তু সেই সৈন্যই সৰ্বানন্দ সিংহৰ ৰাজ্য দখল কৰিব নোৱাৰিলে।

১৮০৫ খ্ৰীঃত মোৱামৰীয়াসকলে মৰাণৰ লগ লাগি পুনৰ আহোমৰ বিপক্ষে বিদ্ৰোহ কৰিছিল। কিন্তু কৃতকাৰ্য নহ'ল। গতিকে ভৰত সিংহই পুনৰ ক্ষমতা হস্তগত কৰিব নোৱাৰিলে। আনহাতে সৰ্বানন্দ সিংহৰ ৰাজ্য আহোমে হস্তগত কৰিব নোৱাৰি তেওঁক বৰসেনাপতি উপাধি দি ব্ৰহ্মপুত্ৰ আৰু বুঢ়ীদিহিঙৰ মাজৰ খণ্ডত স্বীকৃতি দিবলৈ বাধ্য হ'ল।

---

১ *বৰাহী চুতীয়াসকলকে বুৰুক চুতীয়াও বোলে।*
*"The Bar Senapati was a chutiya by tribe" — A History of Assam — Sir Edward Gait — Page 190.*

২ *চুতীয়া, ভূঞা আৰু মটক ৰাজ্য — সৰ্বানন্দ ৰাজকুমাৰ — পৃঃ ৮৪।*

৩ *চুতীয়া, ভূঞা আৰু মটক ৰাজ্য — সৰ্বানন্দ ৰাজকুমাৰ — পৃঃ ৮৩।*

১৮১৬ খ্রীঃত বদন চন্দ্ৰ বৰফুকনে পূৰ্ণানন্দ গোঁহাইৰ বিপক্ষে মানসেনা আনে। বুঢ়াগোঁহায়ে উপায় নেপাই আত্মহত্যা কৰে। চন্দ্ৰকান্ত সিংহই পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পুতেক ৰুচিনাথক বুঢ়াগোঁহাই পাতিলে। বদনে ৰাজধানী অধিকাৰ কৰি পুনৰ চন্দ্ৰকান্ত সিংহকে ৰজা পাতি নিজে মন্ত্ৰীফুকন হ'ল। ৰাজমাৱে মন্ত্ৰণা কৰি বদন চন্দ্ৰক গুপ্তভাবে হত্যা কৰি ৰুচিনাথক মাতি আনিলে। তেওঁ ৰাজেশ্বৰ সিংহৰ পৰি নাতিক ৰজা পাতিলে। চন্দ্ৰকান্ত সিংহ পলাই গ'ল। ৰুচিনাথে পুনৰ পুৰন্দৰ সিংহক ৰজা পাতিলে। চন্দ্ৰকান্ত সিংহই পুনৰ মান আনি ১৮১৯ খ্ৰীঃত সিংহাসন দখল কৰিলে। সেই সুযোগতে মানে অসমৰ ধন সম্পদ লুট কৰি লৈ গ'ল।

চন্দ্ৰকান্ত সিংহই বিদ্ৰোহী সৰ্বানন্দ সিংহৰ পুতেক কলিবৰক বুঢ়াগোঁহাই খেলত ভুক্ত কৰি মন্ত্ৰী বুঢ়াগোঁহাই পাতিলে। সেই কলিবৰেও ৰজাই তেওঁৰ ওপৰত কৰা বিশ্বাস চিৰদিন অটুট ৰাখিলে।

চন্দ্ৰকান্ত সিংহক মানে ৰজা পাতিলেও মানৰ জনসাধাৰণৰ ওপৰত কৰা পাশৱিক অত্যাচাৰ তেওঁ সমৰ্থন নকৰিলে। মানৰ ওপৰতো কঠোৰতা অৱলম্বন কৰাৰ অজুহাতত মানে পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰিলে। কলিবৰ বুঢ়াগোঁহাইৰ ওপৰত ৰাজ্য ৰক্ষাৰ ভাৰ দি ৰজা চন্দ্ৰকান্ত সিংহ ভটিয়াই গ'ল। মান সেনাই বুঢ়াগোঁহাইক যুদ্ধত পৰাস্ত কৰি হত্যা কৰিলে। কলিবৰৰ যি পৰিয়াল যোৰহাটলৈ উঠি গৈছিল সিহঁতকো মানে হত্যা কৰিলে। কিন্তু সৰ্বানন্দ সিংহৰ ৰাজ্যত এৰি যোৱা পৰিয়াল থাকি গ'ল।

মানে আহোম ৰাজ্য আক্ৰমণ কৰাৰ সময়ত সৰ্বানন্দ সিংহৰ ৰাজ্যত সৰ্বানন্দ সিংহৰ অন্য এক পুত্ৰ মাটিবৰ বৰসেনাপতি আছিল। মাটিবৰ বৰসেনাপতি ৰজাই আহোম ৰজাক হাতীদাঁত, মুগা কাপোৰ আদি যোগাইছিল। সেই সময়ত সেই ৰাজ্যৰ মাটিকালি প্ৰায় ১৮০০ বৰ্গ মাইল আছিল। ৰাজ্যৰ সীমা উত্তৰে আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ. দক্ষিণে বুঢ়ীদিহিং আৰু পূবে কুণ্ডিল নদীৰ মুখৰ পৰা বুঢ়ীদিহিংঙলৈ আছিল। অৰ্থাৎ সৰ্বানন্দ সিংহই প্ৰতিষ্ঠা কৰা ৰাজ্যৰ লগত প্ৰায় একেই আছিল। ৰাজ্যৰ জনসংখ্যা আছিল ৯৬০০০ জন। তিনিচুকীয়াতে তেওঁৰ ৰাজধানী আছিল। সেয়া ১৮২৬ খ্ৰীঃত; ঠিক বৃটিছে সেই ৰাজ্য দখল কৰাৰ সময়ত। মানে অসম আক্ৰমণ কৰোতে মান সৈন্যক তেওঁ খাদ্য আৰু মজদুৰ দি সহায় কৰিছিল। কিন্তু সৈন্য দিয়া নাছিল। এইদৰে মানৰ লগত মিত্ৰতা কৰি তেওঁ নিজ ৰাজ্য মানৰ আক্ৰমণৰ আৰু জঘন্য অত্যাচাৰৰ পৰা ৰক্ষা কৰিছিল। তেওঁৰ এজনী জীয়ৰী মান ৰজালৈ দিয়া বুলিও তেওঁৰ বংশধৰসকলে কয়; আৰু সেই জীয়ৰীৰ সতি-সন্ততি এতিয়াও মান দেশত থকা বুলি কয়।

বৃটিছ কেপ্তেইন হোৱাইটৰ মতে মাটিবৰ বৰসেনাপতি ৰজা অতি বিশ্বাসী আছিল।

মানে আহোম ৰাজ্যত অত্যাচাৰ কৰি ইংৰাজ ৰাজ্যতো অত্যাচাৰ কৰাত বৃটিছে মানৰ বিপক্ষে যুদ্ধ ঘোষণা কৰে। মান সেনাক যুদ্ধত পৰাস্ত কৰি খেদি নিয়ে আৰু ব্ৰহ্মদেশৰ কিছু অংশ অধিকাৰ কৰে। মান ৰজাই উপায় নেপাই ১৮২৬ খ্ৰীঃৰ ২৬ ফেব্ৰুৱাৰীত ইয়াণ্ডাবুত বৃটিছৰ লগত সন্ধি কৰে। ইয়াৰ পাছতে সেই চনৰে ১৩ মে'ত

বৰসেনাপতিৰ লগতো বৃটিছে এক সন্ধি কৰে। সেই সন্ধিমতে বৰসেনাপতিয়ে ইংৰাজৰ বশ্যতা স্বীকাৰ কৰে আৰু এইদৰে বৰসেনাপতিৰ শেষ চুতীয়া ৰাজ্য ইংৰাজৰ দখললৈ যায়। ইংৰাজে বৰসেনাপতিক সেই খণ্ডৰ অধিনায়ক পাতে।

বৰসেনাপতিৰ লগত হোৱা চুক্তি মতে বৰসেনাপতি সেই খণ্ডৰ অধিনায়ক হয়। বৰসেনাপতিয়ে ইংৰাজক যুদ্ধ আৰু শান্তিৰ সময়তো ৩০০ সৈন্য দিবলৈ গাত লয়; কিন্তু এবাৰত ১০০ সৈন্যহে নিব পাৰিব। তেওঁৰ ৰাজ্যত এজন বৃটিছ বিষয়া ৰখা হয়। বৰসেনাপতিয়ে সৰু সৰু দেৱানী আৰু ফৌজাদাৰী গোচৰ সোধাৰ ক্ষমতা পাইছিল। পলিটিকেল এজেন্টে ৫০ টকাৰ ওপৰৰ চুৰি-ডকাইটি, গুৰুতৰ জখম, আদিৰ গোচৰ সুধিছিল।

বৰসেনাপতি বৃদ্ধ হোৱাত ১৮৩৮ খ্ৰীঃত তেওঁৰ ৰাজ্য সাতজন পুতেকক ভাগ কৰি দিয়াৰ প্ৰস্তাৱ দিছিল। কিন্তু বৃটিছ গভৰ্ণমেন্টে তাত অনুমোদন নিদিয়াত মাজুগোঁহাইক (তেওঁৰ তৃতীয় পুত্ৰ) তেওঁৰ কাৰ্যনিৰ্বাহক মনোনীত কৰিবলৈ অনুৰোধ কৰিছিল।

১৮৩৯ খ্ৰীঃৰ জানুৱাৰী মাহত বৰসেনাপতিৰ মৃত্যু হোৱাত মেজৰ হোৱাইট তাত উপস্থিত হ'লগৈ। বহুকথা বিবেচনা কৰি শ্যানবিলাকে আক্ৰমণ কৰাৰ আশংকাত মেজৰ হোৱাইটে মাজু গোঁহাইক মটকৰ নায়ক বুলি ঘোষণা কৰি বন্ধুত্ব স্থাপন কৰিলে; কিন্তু তেওঁক বছৰি দহহেজাৰ টকা কৰ দিবলৈ আৰু তেওঁৰ পতিত মাটিত চাহ খেতি কৰিবলৈ আচুতীয়া কৰি ৰাখিবলৈ আৰু এজন বৃটিছ কৰ্মচাৰী ৰাখিবলৈ কোৱা হ'ল।

খামটি বিদ্ৰোহত মেজৰ হোৱাইট নিহত হোৱাত কেপ্তেইন ভেট্‌চ্ উজনী অসমৰ পলিটিকেল অফিচাৰ হয়। বৰসেনাপতিৰ বৰপুত্ৰ বৰগোঁহাইয়ে নিজে সৈন্য লৈ বৃটিছক সহায় কৰিছিল। মেজৰ জেনকিন্‌চে বৰসেনাপতিৰ পৰা দহ হেজাৰ টকা কৰ বাধ্য কৰিব খুজিছিল কিন্তু তেনে কৰিলে মাজুগোঁহায়ে মজদুৰ দিবলৈ অসন্মত বুলি প্ৰকাশ পোৱাত পাইকৰ পিয়ল কৰি তিনিভাগৰ দুভাগ পাইকে ইংৰাজক খাটি দিবলৈ নতুবা তাৰ সলনি কৰ দিবলৈ প্ৰস্তাৱ কৰিলে। মাজুগোঁহায়ে প্ৰস্তাৱ মানি ললেও সৈন্যৰ সহায় নোলোৱাকৈ শান্তিপূৰ্ণভাৱে পিয়ল কৰিবলৈ আবেদন জনালে। কে. ভেট্‌চে সেই প্ৰস্তাৱ মানি লৈ ৰাজ্যৰ উজনী খণ্ড তাৰ প্ৰজাৰ ইচ্ছামতে তাত থকা জংঘলী আৰু পতিত মাটি ইষ্ট ইণ্ডিয়া কোম্পানীক গটাই দিয়াৰ বাবে এক চুক্তি কৰিবলৈ আদেশ দিলে। কেপ্তেইন ভেট্‌চে ১৮৩৯ চনৰ ১২ নৱেম্বৰত তিনিশ লাইট্ ইনফেন্‌ট্ৰি আৰু এশ পঞ্চাচ চিভান্দি সৈন্য লৈ ৰঙাগড়াত উপস্থিত হ'ল। কিন্তু মাজুগোঁহায়ে সেই প্ৰস্তাৱ মানি নোলোৱাত বৰসেনাপতিৰ ৰাজ্য ইংৰাজৰ চামিল কৰিলে।

১৮৪০ খ্ৰীঃৰ মে মাহত বৃটিছ গভৰ্ণমেন্টে জানিব পাৰিলে যে বৰসেনাপতিৰ ৰাজ্যৰ প্ৰজাই সীমান্তৰ জনজাতিৰে সৈতে লগলাগি বিদ্ৰোহ কৰিবলৈ আৰম্ভ কৰিছে, সেই কাৰণে ৩৬ তম্ ৰেজিমেন্টৰ দুই কোম্পানী সৈন্য উজনী অসমলৈ নিয়া হ'ল আৰু বৰসেনাপতিৰ ক্ষমতাশালী তিনিজন পুতেকক জামিন স্বৰূপে গুৱাহাটীত ৰখা হ'ল। কেপ্তেইন জেন্‌কিন্‌চে প্ৰস্তাৱ কৰিলে যে বৰসেনাপতিৰ পুত্ৰসকলে পেঞ্চন হিচাপে মুঠ

খাজনাৰ এক তৃতীয়াংশৰ এভাগ টকা হিচাপে আৰু আন ভাগ গাইপতি এহেজাৰৰ পৰা পোন্ধৰশ একৰ (এক একৰ = ৩.০২৫ বিঘা) মাটি হিচাপে পাব। গুৱাহাটীত থকা সেনাপতিৰ তিনিজন পুত্ৰই সেই প্ৰস্তাৱত মান্তি হ'ল কিন্তু নিজ ৰাজ্য পাই সকলোৱে একেঠাইতে মাটি বিচাৰিলে। এজেন্টে সেই প্ৰস্তাৱ মানি নললে। বৰসেনাপতিৰ পুত্ৰসকলে আন্দোলন চলালে। তাৰ ফলস্বৰূপে বৰসেনাপতিৰ সকলো পুত্ৰ আৰু উপদেষ্টাসকলক বিশ্বনাথলৈ স্থানান্তৰ কৰিলে। তাত বৰসেনাপতিৰ পুত্ৰসকলক বৃটিছৰ সৈন্য নিবাসৰ ওচৰত কিছু মাটি দিয়া হ'ল। বৰসেনাপতিৰ ৰাজ্যৰ ইমানতে সামৰণি পৰিল। বৰসেনাপতিৰ পুত্ৰসকলে বিশ্বনাথত নেথাকি পুনৰ পিতৃ ৰাজ্যলৈ ঘূৰি আহিল।

মাটিবৰ বৰসেনাপতিৰ পুত্ৰসকলে বৃটিছৰ পৰা পেঞ্চন পাইছিল। সৰ্বানন্দ সিংহৰ বংশধৰসকলৰ ভিতৰত প্ৰথমতে প্ৰায় সাতহেজাৰ টকা পেঞ্চন দিছিল। কলিবৰ আৰু কমলেশ্বৰৰ পুতেকসকলেও পেঞ্চন পাইছিল। কিন্তু তেওঁলোকৰ মৃত্যুৰ লগে লগে সেই পেঞ্চন বন্ধ হ'ল। মাটিবৰ বৰসেনাপতিৰ দহজন ল'ৰা, পাঁচজনী ছোৱালী আৰু তিনিগৰাকী বিধবা আছিল। তেওঁলোক সকলোৱে পেঞ্চন পাইছিল। ছোৱালী কেইগৰাকীৰ মৃত্যুৰ লগে লগে তেওঁলোকৰ পেঞ্চনৰ অন্ত হয়। মাটিবৰৰ পুত্ৰসকলৰো এইদৰে লাহে লাহে পেঞ্চনৰ অন্ত হয়।

মাটিবৰ বৰসেনাপতিৰ পুত্ৰ ভগীৰথ; ভগীৰথৰ পুত্ৰ বিৰবৰ; বিৰবৰৰ পুত্ৰ লক্ষেশ্বৰ গোঁহাইয়েও পেঞ্চন পাইছিল। লক্ষেশ্বৰ গোঁহায়ে ভাৰত স্বাধীন হোৱাৰ পাচত কেন্দ্ৰীয় চৰকাৰৰ পৰা মাহে ৬.৪০ পইচা পেঞ্চন পাইছিল। ১৯৭৪ চনলৈকে সেইদৰে ভগীৰথৰ অন্য পুতেক বিৰোবৰ, বিৰোবৰৰ পুতেক ভক্তিবৰেও কেন্দ্ৰীয় চৰকাৰৰ পৰা মাহে ১১.৪০ পইচা পেঞ্চন পাইছিল।

সৰ্বানন্দ সিংহৰ ৰাজ্যৰ ৰাজধানী বেংমৰাত আছিল। বৰ্তমানৰ তিনিচুকীয়াই আগৰ বেংমৰা। এসময়ত দেশত অনাবৃষ্টি হৈ পানী নোহোৱা হোৱাত সৰ্বানন্দ সিংহই এটা পুখুৰী খন্দালে। পুখুৰী আৰু পাৰ মিলি তাৰ মাটি কালি প্ৰায় সাত বিঘা। কিন্তু তাত পানী নোলাল। পানী বিচাৰি অহা অনেক বেং পৰি মৰিলহি। সেইবাবেই সেই পুখুৰী আৰু ঠাইৰ নাম বেংমৰা হ'ল। এই পুখুৰী তিনিচুকীয়া আছিল। সেয়েহে পাছত বেংমৰা নাম তল পৰি তিনিচুকীয়া হ'ল।

সৰ্বানন্দ সিংহ আৰু তেওঁৰ বংশধৰসকলে নিজ ৰাজ্যত অনেক পুখুৰী খন্দাইছিল। সেই পুখুৰীবোৰ এতিয়াও আছে।

## ১৫২৩ খ্ৰীঃৰ পাছৰ পৰা
## স্বাধীন ভাৰতৰ গণতান্ত্ৰিক শাসনৰ তললৈকে
### চুতীয়া জাতি (এটি চমু আলোচনা)

ইয়াৰ আগৰ তিনি অধ্যায়ৰ পৰা আমি দেখিবলৈ পাওঁ যে চুতীয়া জাতিৰ মূল সুঁতিটোৱে ১৫২৩ খ্ৰীঃত স্বাধীনতা হেৰুৱালেও আৰু তাৰ পাছৰ ডেৰশ বছৰত আঠবাৰ বিদ্ৰোহ কৰিও হেৰুৱা স্বাধীনতা উদ্ধাৰ কৰিব নোৱাৰিলে কিন্তু চুতীয়াৰ অন্য এটা শাখা মৰাণসকলে মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি আহোম সিংহাসনকে অধিকাৰ কৰিবলৈ সমৰ্থ হৈছিল। মোৱামৰীয়া বিদ্ৰোহ যি সমগ্ৰ আহোম শাসন থৰক-বৰক কৰি পেলাইছিল আৰু যি বিদ্ৰোহ পাছত আহোম শক্তিৰ অৱসানৰ কাৰণ হৈ পৰিছিল, সি প্ৰকৃততে চুতীয়া বিদ্ৰোহহে। তাত ধৰ্মীয় আৱেগ থাকিলেও তাত চুতীয়া জাতিৰ অৱদমিত স্বাধীনতাৰ আকাংক্ষাই যে কাম কৰিছিল সেইটো থিক। সেই বিদ্ৰোহৰ নেতৃত্ব কৰিছিল চুতীয়াৰ নাহৰখোৱা শইকীয়া আৰু ৰাঘৱ নেওগে। ৰজা হৈছিল নাহৰখোৱা শইকীয়াৰ পুত্ৰ ৰমাকান্ত।

চুতীয়াৰ স্ত্ৰীশক্তিয়েও যে যুদ্ধ ক্ষেত্ৰত বীৰাঙ্গণাৰ বেশলৈ উপকথাৰ সৃষ্টি কৰিব পাৰে সেই কথাও আমি বীৰাঙ্গণা সাধনী আৰু ৰাধা ৰুক্মিণীৰ সমৰ ক্ষেত্ৰৰ কাৰ্যাৱলীৰ পৰাই দেখিবলৈ পাওঁ। ৰাধা-ৰুক্মিণীৰ অস্ত্ৰচালনাৰ ফলত তেওঁলোকৰ গাত বন্দুকৰ গুলীও নেলাগিছিল আৰু সেয়েহে তেওঁলোকে আহোম সেনাৰ মাজত দেৱী বুলি প্ৰচাৰিত হৈছিল আৰু আহোম সেনাই ৰণ এৰি পলাইছিল।

চুতীয়াসকলে আহোম সিংহাসন দখল কৰি নিজৰ মাজৰ পৰা বৰগোঁহাই, বুঢ়াগোঁহাই, বৰপাত্ৰগোঁহাই, বৰবৰুৱা, বৰফুকন আদি বিষয়বাব দি নিজ বিষয়া নিয়োগ কৰিছিল। পৰৱৰ্তী কালত এওঁলোকৰ বহুতে নিজকে আহোম বুলি পৰিচয় দিলেও সেইসকল আহোম নহয়।

ৰাঘৱ নেওগে বৰবৰুৱা বাব লৈ সেই চুতীয়া ৰাজ্যৰ প্ৰশাসক হৈছিল। তেওঁ ৰাজেশ্বৰ সিংহৰ বিধবা পত্নী মণিপুৰ ৰাজকন্যা কুৰঙ্গনয়নীক পত্নী কৰি লৈছিল। কিন্তু কুৰঙ্গনয়নীৰ আনুগত্যৰ বিষয়ে অৱগত হ'ব নোৱাৰাৰ পৰিণাম যে কি ভীষণ হ'ব পাৰে সেই কথা তেওঁ বুজিব পৰা নাছিল। ফলত অবিশ্বাসী পত্নী কুৰঙ্গনয়নীৰ হাততে তেওঁৰ মৃত্যু হৈছিল। কিন্তু ইয়াৰ বাবে কুৰঙ্গনয়নীক দোষী কৰিব নোৱাৰি। দোষী ৰাঘৱ বৰবৰুৱাহে। ফলত ছমাহৰ পাছতে তেওঁলোকৰ ৰাজ্য গৈছিল। দুৰ্নীতিৰ পৰিণাম কি ভীষণ হ'ব পাৰে এই কথাই তাকে প্ৰমাণ কৰে।

এই ৰাজ্যৰ পতনৰ আন এটা কাৰণ হ'ল বিহুৰ উলাহ-মালহত উত্ৰাৱল হোৱা চুতীয়াসকলে বহাগৰ বিহুৰ সময়ত ৰজা আৰু ৰাজধানী অৰক্ষিত অৱস্থাত এৰি প্ৰায় সকলোবোৰেই ঘৰা-ঘৰি যোৱাটো। বিহুৰ ঢোলৰ মাত শুনি উত্ৰাৱল হৈ পৰা চুতীয়াসকলৰ যুদ্ধ ক্ষেত্ৰৰ শিথিলতাৰ বাবেই বীৰপাল বংশৰ মূল চুতীয়া ৰাজ্যৰো পতন

ঘটিছিল।

আহোম ৰজা চুকাফাই ১২২৮ খ্ৰীঃত মৰাণ আৰু বৰাহীসকলৰ ৰাজ্য দখল কৰিছিল; কিন্তু তাৰ পাঁচশ বছৰৰ পাছতো তেওঁলোকৰ পুনৰ ক্ষমতা দখল আৰু সৰ্বানন্দ সিংহৰ ৰাজ্য স্থাপনে আৰু বৃটিছৰ সময়লৈকে সেই ৰাজ্য ভোগ কৰাই তেওঁলোকৰ মাজত লুপ্ত হৈ থকা বিদ্ৰোহৰ শক্তিকে প্ৰমাণ কৰে। এই কথা মন কৰিবলগীয়া যে মানৰ নৃশংস অত্যাচাৰ অসমৰ অন্যান্য ঠাইত হ'লেও সৰ্বানন্দ সিংহৰ চুতীয়া ৰাজ্যত তেওঁ প্ৰজাসকলক সেই অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল।

আজি চুতীয়া জাতি অতি পিচপৰা (M.O.B.C.) বুলি চৰকাৰৰ দ্বাৰা স্বীকৃত হৈছে। ইয়াৰ কাৰণবোৰ আমি আগতে আলোচনা কৰিছো। সেই চুতীয়া জাতিৰ অন্তৰ্নিহিত শক্তি কেনেকৈ বাৰে বাৰে প্ৰকাশ পাইছে তাকো আমি দেখিবলৈ পাইছো। হাতীয়ে নিজ শৰীৰটোৰ বিষয়ে অৱগত নোহোৱাৰ ফলতেই আনৰ দাস হৈ থকাৰ দৰে চুতীয়া জাতিৰ মাজত নিজ বুৰঞ্জীৰ জ্ঞানৰ অভাৱেই ইয়াৰ কাৰণ বুলি ভাবিব পাৰি। সেয়েহে চুতীয়া জাতিৰ কামৰ ফল আনে ভোগ কৰে আৰু এখন গণতান্ত্ৰিক দেশতো চুতীয়া জাতিয়ে উপযুক্ত প্ৰতিনিধিত্ব পোৱা নাই বুলি তেওঁলোকে ভাবে। কোনো জাতিয়ে কেতিয়াও সদায় প্ৰতাৰিত হৈ থাকিব নোৱাৰে। তেওঁলোকৰ পুঞ্জীভূত বেদনা ৰাশিয়ে এদিন শক্তি হৈ প্ৰকাশ পালে তাত আচৰিত হ'ব লগা একো নাই।

ইয়াৰ আগৰ এক অধ্যায়ত আমি চুতীয়া জাতি সম্ভূত তিনিজন মহান সন্তানৰ নাম উল্লেখ কৰিছিলো যি কেইজনৰ অসমীয়া জাতিৰ প্ৰতি অৱদান চিৰস্মৰণীয়। সেই কেইজনৰ জীৱনবুৰঞ্জী এই বুৰঞ্জীত লিপিবদ্ধ নকৰিলে চুতীয়া জাতিৰ বুৰঞ্জী অসম্পূৰ্ণ হৈ ৰব বুলি ইয়াৰ পাছত সেই তিনিজন মহান সন্তান মোমাই তামুলী বৰবৰুৱা, লাচিত বৰফুকন আৰু কুশল কোঁৱৰৰ জীৱন বুৰঞ্জী ইয়াৰ পাছত সন্নিবিষ্ট কৰা হ'ল।

## বিখ্যাত সমাজ নিবন্ধকাৰ মোমাই তামুলী বৰবৰুৱা

মোমাই তামুলী বৰবৰুৱা আহোম ৰাজত্বৰ স্বৰ্গদেউ প্ৰতাপ সিংহৰ শাসন কালৰ এজন বিখ্যাত সমাজ নিবন্ধকাৰ; সেনাপতি, বৰবৰুৱা, বিচক্ষণ ৰাজনীতিজ্ঞ আৰু প্ৰশাসক। সামান্য লগুৱাৰ পৰা নিজ গুণেৰে কেনেকৈ বৰবৰুৱা হ'বগৈ পাৰি তাৰেই নিদৰ্শন।

১৬০৩ খ্ৰীঃত চুচেংফা বা প্ৰতাপ সিংহ আহোম ৰাজপাটত উঠে। (১৬০৩ খ্ৰীঃৰ পৰা ১৬৪১ খ্ৰীঃলৈ)। এওঁ বুদ্ধি স্বৰ্গনাৰায়ণ আৰু প্ৰতাপ সিংহ বুলিও খ্যাত।

প্ৰতাপ সিংহ স্বৰ্গদেৱৰ দিনত দৌল, দেৱালয় নিৰ্মাণ, গড় বন্ধোৱা, পুখুৰী

খন্দোৱা, সমাজ নিবন্ধন আদি বহুতো ভাল কাম হয়। তেওঁৰ দিনতে প্ৰথমে আহোম ৰাজ্যৰ মানুহ পিয়ল কৰা হয়। "প্ৰতাপ সিংহৰ প্ৰায়বোৰ সজ কামৰ গুৰিতে আছিল মোমাই তামুলী বৰবৰুৱা। মোমাই তামুলী লুখুৰাখন খেলৰ মানুহ আছিল।"*১ মোমাই তামুলী বৰবৰুৱা এই সকলোবোৰ কামৰেই পৰামৰ্শদাতাই নহয় উদ্যোক্তা, আঁচনিকাৰ, কাৰ্যনিৰ্বাহক আৰু প্ৰশাসক।

সূৰ্যকুমাৰ ভূঞাদেৱৰ লাচিত বৰফুকন নামৰ গ্ৰন্থত আছে— "তেওঁৰ নাম শুকুতি কিন্তু মোমাই বুলিহে বেছিকৈ জনাজাত। তেওঁ পোনতে সাধাৰণ বনুৱা হিচাপে চাৰি টকা ৰূপৰ কাৰণে ভাগিনীয়েকৰ ঘৰত বন্ধা হৈ কাম কৰিছিল। মানুহৰ গুণৰ প্ৰতি স্বৰ্গদেৱৰ দৃষ্টি চোকা আছিল। স্বৰ্গদেৱে মোমাইক ভাগিনীয়েকৰ পৰা মোকোলাই নি পোনতে তিপমীয়া ৰাজখোৱা আৰু পাছলৈ বাৰীচোৱা বৰতামুলী পাতিলে।"

এদিন স্বৰ্গদেউ প্ৰতাপ সিংহই থাওম্যুং সন্দিকাই বৰবৰাৰ পত্নীক মাতি পঠালে। কিন্তু তেওঁ নাহি এই বুলি কৈ পঠালে বোলে— ৰজাদেৱে আগতে ৰজা হ'লে তোৰ ভাল কৰিম বুলি কৈছিল। কিন্তু ইমান দিনৰ মূৰত এতিয়াহে মনত পৰিল নে? ৰাজ সভাৰ পৰা মেল কৰি উঠি গধুলি ৰজা ঘৰলৈ যোৱাত শুকুতি তামুলীয়ে বিশ্বাসত ক'লে বোলে সন্দিকাই বৰবৰাণীয়ে নিজে নহাকৈ থকা নাই তাইৰ গিৰিয়েকে মানা কৰাতহে নাহিল। ৰজাই এই কথাকে মানি সন্দিকাই বৰবৰাক বৰবৰা ভাঙি শুকুতিক মোমাই তামুলী নাম দি বৰবৰা পাতিলে। সন্দিকাই বৰবৰা আৰু ঘৈণীয়েকক আনি টঙনীয়াই মাৰিলে। য'ত মাৰিলে তাতে এটা গড় বন্ধালে। সন্দিকাইৰ ঘৈণীয়েক লাহদৈৰ নামানুসাৰে সেই গড়ৰ নাম হ'ল লাহদৈ গড়।

মোমাই তামুলীয়ে বৰবৰা হৈ দিহিঙত মথাউৰি বন্ধালে, মেছাগৰত, তেলীয়া ডোঙাত, গজপুৰত এইবোৰত পুখুৰী খন্দালে আৰু গড় মৰাই বাইঁগড়া বান্ধি দুখন দুৱাৰ দিলে; তিনি ঠাইত সিংহ দুৱাৰ দিলে; ইয়াতে সন্তুষ্ট হৈ ৰজাই মোমাই তামুলী বৰবৰাক বৰবৰুৱা পাতিলে। এৱেঁ আহোম ৰাজত্বৰ প্ৰথম বৰবৰুৱা। তেতিয়াৰ পৰাই বৰবৰুৱা বিষয় চলিল।*২

বৰবৰুৱা হোৱাৰ পাছত মোমাই তামুলীয়ে উত্তৰে চণ্ডী দেওঘৰৰ পৰা কপালী কাটিলৈ আৰু দক্ষিণে লুইতৰ পৰা পাকৰি গুৰি পৰ্বতলৈ গড় বন্ধালে পাছত তেওঁ বিশ্বনাথত দৌল সজালে।*৩ ১৬২০ খ্ৰীঃত।

---

১ *অসম দেশৰ বুৰঞ্জী— ডঃ লক্ষ্মী দেৱী— পৃঃ ২৩১।*
*লুখুৰাখন ঃ— লুখুৰাখন আহোম ৰজা চুকিনফাৰ (১২৮১ৰ ১২৯৩ খ্ৰীঃ) দিনত নিবন্ধন কৰা এটা খেল। এই খেলৰ মানুহে ৰজাৰ মৃত্যু হ'লে ককঁডাঙ ঘৰলৈ নিব লাগে আৰু তাত শৱৰ ৰখীয়া হ'ব লাগে। ৰজা দেৱে এওঁলোকক সাজ খাবলৈ মাতে। বৰাহীসকলক লৈয়ে প্ৰথমে এই খেলৰ সৃষ্টি হৈছিল। (ককঁডাঙ ঘৰ-- মৃত ৰজাসকলৰ শৱ ৰখা ঘৰ)*

২ *আহোমৰ দিন— হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৮২-৮৩।*

৩ *সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী -- সম্পাদনা -- সূৰ্যকুমাৰ ভূঞা— পৃঃ ৫৪।*

স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত মুছলমানে কেইবাবাৰো অসম আক্ৰমণ কৰিছিল। আহোম ৰাজ্যৰ পশ্চিমে কমতা ৰাজ্য থকাত প্ৰথমে মুছলমানৰ সন্মুখীন হ'ব লাগিছিল কমতা ৰাজ্যই। কেতিয়াবা অসমীয়া সৈন্য জিকিছিল কেতিয়াবা হাৰিছিল। এইদৰে কমতা ৰাজ্য কিছুদিন মুছলমানৰ অধীনত আছিল আৰু পাছত মুছলমানে আহোম ৰাজ্যও আক্ৰমণ কৰিছিল।

নেওগ বৰফুকনৰ নেতৃত্বত আহোম আৰু মুছলমানৰ যুঁজ হয়। যুঁজত মুছলমান সেনাৰ পৰাজয় হোৱাত গুৱাহাটীৰ পৰা পাণ্ডু শৰাইঘাটলৈকে আহোম সেনাই মুছলমানক খেদি নিয়ে। পানীৰ যুঁজত আমৰাজুৰিৰ বৰশিলত উঠি বৰফুকনে বঙালৰ লোকজন চাইছিল। এনেতে বঙালৰ গুলী লাগি তেওঁৰ মৃত্যু হ'ল।

নেওগ বৰফুকন মৰাত ফুকন ৰাজখোৱাইঁতে আলচ কৰি স্বৰ্গদেৱে নতুন এজন বৰফুকন নপতালৈকে লাম লাখৰু চেতিয়াই কাম-কাজ চাই থাকিল। পাছত স্বৰ্গদেৱে ফুকন ৰাজখোৱাইঁতৰ কথাতে লাম লাখৰু চেতিয়াকে বৰফুকন পাতিলে। কিন্তু এমাহ কাল ইটো সিটো কৰি পলম কৰি থকাত স্বৰ্গদেৱৰ খং উঠিল আৰু মোমাই তামুলী বৰবৰুৱাক সকলোৰে ওপৰত নেওগ পাতি লগত গনাই বৰুৱাক দি পঠাই দিলে।*১ তেওঁলোকে গৈ স্বৰ্গদেৱৰ খণ্ডৰ কথা কোৱাত বঙালক বামে নাৱে খেদি গ'ল। বঙাল পলাই গ'ল। অসমীয়া সৈন্যই সিহঁতক বগৰীবাৰীলৈকে খেদি নিলে। বহুত মুছলমান সেনা বন্দী হ'ল আৰু বয়-বস্তুও বহুত পালে।

যুদ্ধত বন্দী হোৱা কিছুমানে ফুকনৰ খণ্ডত ৰজাৰ ওচৰত গোচৰ দিলে বোলে বাদচাহে মহাৰাজৰ কাৰণে চন্দন কাঠৰ চালপিৰা (ৰূপৰ খুটা সোণৰ চিৰিমৰা) আৰু কচি গুটীয়া পোৱাল, মুক্তা আৰু এটা পেৰাত বহুত বস্তু ভৰাই দিছিল; গুৱালকুছিৰ আঠকুৰি তাঁতীৰ হতুৱাই কাপোৰ বোৱাইছিল। এইবোৰ মহাৰাজে পাইছেনে নাই? মহাৰাজে সোধাত বৰফুকনে নাই পোৱা বুলি ক'লে আৰু সেই দায়তে লাম লাখৰু বৰফুকনক কাটি পিকচাই চেতিয়াক বৰফুকন পাতিলে।*২ গনাই বৰুৱা আৰু মোমাই তামুলী বৰবৰুৱাৰ লাম লাখৰু বৰফুকনৰ লগত বৰ মিল থকা দেখি তেওঁলোক দুয়োকে বন্দী কৰি থলে।*৩

পিকচাই চেতিয়া বৰফুকন হৈ ৰণলৈ গ'ল। অসমীয়া সৈন্যই বহু ঠাইতে জয়লাভ কৰিলে; কিন্তু ইঠাই সিঠাইত যুঁজদি থাকোতে প্ৰায় দুমাহ গ'ল। ৰত্ন কন্দলী, মাধৱ কন্দলী আৰু বিৰিণা এই তিনি কটকীয়ে আগত বৰফুকনক কিবা খুজি নোপোৱাৰ আখেজত ৰজাৰ ওচৰত গোচৰ দিলেহি বোলে বৰফুকনৰ দুজনী ঘৈণীয়েক। দুয়ো সদায় চুলিয়া-চুলি লাগে আৰু বৰফুকনে ফুলচন্দন পিন্ধি বহি থাকে। নিজৰ তিৰীকে শাসন কৰিব নোৱাৰাজনে কি যুঁজ কৰিব।

---

১ *সুঃমঃ ঘৰত পোৱা অসম বুৰঞ্জী -- সম্পাঃ -- সূৰ্য কুমাৰ ভূএগ্ৰা-- পৃঃ ৫৮*

২ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১১০*

৩ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১১০-১১১*

সিহঁতৰ কথাতে ৰজাই পিকচাই বৰফুকনক বন্দী কৰি থলে। অৱশ্যে ৰাণীৰ কথা মতে পাছত ৰজাই তেওঁক মুক্তি দিলে।

ইতিমধ্যে মুছলমানে পুনৰ অসম আক্ৰমণ কৰিছিল। সেই আক্ৰমণত অসমীয়া সৈন্যৰ পৰাজয় হোৱাত পিকচাই চেতিয়াক পুনৰ বৰফুকন পাতি যুঁজলৈ পঠালে। লগতে মোমাই তামুলী বৰবৰুৱাকো ফুকন পাতি পিকচাই চেতিয়াৰ লগত দিলে। পিকচাই চেতিয়া বৰফুকনক ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আৰু মোমাই তামুলী বৰবৰুৱাক ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিলে।

দুয়োগৈ দেখে যে তেতিয়াও অসমীয়া সৈন্যৰ আয়োজন পূৰা হোৱা নাই। ডা-ডাঙৰীয়াসকলৰ লগত আলোচনা কৰি দুয়ো কিছুদিন পত্ৰ বিনিময় কৰি সময় লোৱাকে থিক কৰিলে। সেইমতে বঙালৰ ওচৰলৈ দুজন কটকী পঠালে। মুছলমান সেনাপতিয়ে কটকী দুজনক মাতি নি সোধাত কটকীয়ে ক'লে বোলে নবাব সকলনো কি কাৰণে আহিছে তাকে জানিবৰ মনেৰেহে আহিছে। পাৎশাই পাৎশাইহে যুঁজ। যদি অন্য কিবা লাগে তাকো জনাওক। তেতিয়া বঙালে ক'লে বোলে তেওঁলোকে যদি হাতী, আগৰ কাঠ, মৰিচ, সোণ এইবিলাক পায় তেন্তে যুঁজ নকৰে; মিত্ৰ হৈ গুচি যাব। কটকীয়ে সেই কথাকে ৰজাক ক'বলৈ বুলি গুচি আহিল। ইতিমধ্যে ফুকনসকলে গড় তৈয়াৰ কৰি সম্পূৰ্ণ কৰি বঙাললৈ কৈ পঠালে বোলে হাতীহে নেলাগে লাডকো দিব নোৱাৰে; আগৰৰ বদলি বাহজেং, মৰিচ বদলি চৈ, আৰু সোণৰ বদলি লোহিতৰ বালিকো দিব নোৱাৰে।"[১]

সেনাপতিসকলৰ উত্তৰ পোৱাৰ পাছত চামধৰা গড়ত দুয়োপক্ষৰ যুদ্ধ হ'ল। চাৰিদণ্ড বেলা থকাৰে পৰা গধুলিলৈকে বৰমাইৰ যুদ্ধ হ'ল। বঙালৰ ঘোঁৰা মানুহৰ শৰেৰে খাবৈ ওপচি গ'ল। নোৱাৰি হোহকি গ'ল। পাচে আৰু দুদিন যুদ্ধ কৰি নোৱাৰি সকলো বঙাল ভটিয়াই গুৱাহাটীত ৰ'লগৈ। ১৫৬০ শকত। (১৬৩৮ চন)

পাছত কলিয়াবৰৰ দক্ষিণে মোমাই তামুলী বৰবৰুৱা আৰু উত্তৰে পিকচাই চেতিয়া আছিল। স্বৰ্গদেৱে তেওঁলোকলৈ খবৰ দিলে বোলে এনেদৰে যুঁজি থাকোতেই বাৰ বছৰ গ'ল। ভঁৰালৰ আহিলা-পাতি শেষ হৈছে। গতিকে দুই-চাৰি বছৰ মিলা-প্ৰীতিৰে থাকিব পাৰিলে ভাল হয়। স্বৰ্গদেৱৰ আজ্ঞা পাই দুয়ো বঙালৰ লগত সন্ধি কৰিলে। সেই সন্ধিমতে উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলিক আহোম আৰু মুছলমানৰ সীমা কৰিলে।

এই সন্ধিৰ পাছত প্ৰতাপ সিংহ স্বৰ্গদেৱৰ দিনত বঙালৰ লগত আৰু যুদ্ধ নহ'ল। প্ৰীতি স্থাপন হোৱাৰ পাছত মোমাই তামুলী বৰবৰুৱাই চামধৰাৰ পৰা হাৰণি দাকনি পৰ্বতত লগাকৈ গড় বান্ধিলে।

১ *সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী -- সম্পাদনা -- সূৰ্য কুমাৰ ভূঞা চৈ-জালুকৰ নিচিনা গুটিলগা এবিধ লতা।*

মোমাই তামুলী বৰবৰুৱা কলিয়াবৰত থাকোতেই কছাৰী ৰজা ইন্দ্ৰনাৰায়ণে দুজন কটকী যোগে পত্ৰ সন্দেশ পঠাই বৰবৰুৱাৰ নামৰ ঠাইত নামজাৰী ৰজা বুলি লিখিছিল। বৰবৰুৱাই দুই কটকীক আনি বোলে "মন্ত্ৰিও বন্দীৰ পত্ৰত ৰজা বুলি লিখিছে। এনে বিধাৰণ পত্ৰ মোক বিষমকৈ কিয় লিখিব?" -- বুলি স্বৰ্গদেৱত গোচৰ দিলে। স্বৰ্গদেৱে শুনি বোলে-- "মোৰ বৰবৰুৱাক যে পত্ৰত ৰাজা নাম বুলি লিখিছে মোৰ যশস্যা ডাঙৰ হৈ আহিছে ইয়াত একো নাই।"*১

এইবিলাক কামৰ পৰা দেখা যায় যে-- মোমাই তামুলী বৰবৰুৱা কেৱল এজন বিচক্ষণ ৰাজনীতিজ্ঞই নাছিল তেওঁ এজন সুদক্ষ সেনাপতিও। মোগল সেনাপতিসকলৰ লগত কৰা পত্ৰ বিনিময়বোৰৰ পৰাও তেওঁৰ কূটনৈতিক আৰু ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় পোৱা যায়।

কিন্তু যুদ্ধতকৈও মোমাই তামুলী বৰবৰুৱাৰ কৃতিত্ব সমাজ নিবন্ধনতহে। তেওঁৰ সমাজ নিবন্ধনৰ কামবোৰৰ বিষয়ে হিতেশ্বৰ বৰবৰুৱা দেৱৰ আহোমৰ দিন নামৰ গ্ৰন্থত লিখিছে-- "এইজনা স্বৰ্গদেৱ (প্ৰতাপ সিংহ) পূৰ্বে মোমাই তামুলী আদি ডাঙৰীয়াবোৰকো ৰাজ পাতিব দিলে। উত্তৰে মৰঙ্গী, খৰঙ্গী, দৈয়াং, ধনুধৰা, ঔৱা, তেতৈয়া, দোলামাৰী, বৰচৈৰীয়া আৰু আনো আনো গাঁও মানে মোমাই তামুলী বৰবৰুৱাই পাতিলে।

পাচে মোমাই তামুলী বৰবৰুৱাই এক দিন মহাৰাজক বুলিলে বোলে পাইকৰ ঘৰমূৰি এপোৱা দুপোৱাকৈ যদি স্বৰ্গদেৱত খাতে বা চাৰি ভাগৰ এভাগ যদি মহাৰাজলৈ দিয়ে তাত ৰাইজেনো কি দুখ পায়? এই বুলি মহাৰাজত কলত স্বৰ্গদেৱে বোলে ভাল কৈছে, তয়ে এটা নিয়ম কৰি দে। পাচে সেই বছৰতে মোমাই তামুলী বৰবৰুৱাই নিয়ম কৰিলে, হাটৰ, বাটৰ, ফাটৰ, মুগা চোঙৰ, বিলৰ, দুখ নোপোৱা কৰি কাটল লগালে; তাৰে পৰাই কাটল হ'ল। সেই বেলা লুইতৰ পুথিখাতিৰ শুকান সুতিৰ মুখত পাইকৰ মানুহ দুনুহটো তাতে এঠাইত হুই থাকিবলৈ আজ্ঞা কৰিলে। পাচে স্বৰ্গদেৱে গৈ সেই ঠাইতে আগতে থাকি মানুহ আপুনি লেখিব ধৰিলে। এক দুইকৈ লেখি একুৰি হ'লে তাৰে মাজৰ এটা আনি বৰা পাতে। এশ হ'লে তাৰ ঘৰতে চাৰিপোৱা থকা এটাক বাচি আনি শইকীয়া পাতে, হাজাৰ হ'লে তাৰ ভাল চহকী চাই এটাক আনি হাজৰীকা পাতে। এইৰূপে এইজনা স্বৰ্গদেৱে চাৰিপোৱা গোট পাইক কৰালে। তাৰ পৰাই আমাৰ দেশত মানুহ পিয়ল হ'ল। পাঁচ কুৰিয়ে এশ, দহশই এহেজাৰকৈ মানুহ লেখি হাজাৰী বন্ধীয়া কৰি ডা-ডাঙৰীয়াসকলকো নিয়মকৈ দিলে আৰু গজ-পুৰত নগৰ কৰিলে, ৰূপহী পুখুৰী খন্দালে, আৰু গজপুৰৰ পৰা গড়গাঁৱলৈ আলি বন্ধালে।"*২

সমাজ নিবন্ধন কৰি দিয়াৰ পাচত মোমাই তামুলী বৰবৰুৱাই প্ৰত্যেক পুৰুষ তিৰোতাৰ বাবে দৈনিক কিছুমান কাম নিৰ্দিষ্ট কৰি দিলে। প্ৰত্যেক পুৰুষে দিনটোৰ

---

১ *সুঃ মহত্তৰ ঘৰত পোৱা অসম বুৰঞ্জী-- সম্পাদনা-- সূৰ্য কুমাৰ ভূঞা-- পৃঃ ৬৫।*

২ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১২২-১২৩।*

ভিতৰত শোৱাৰ আগতে নিৰ্দিষ্ট পৰিমাণৰ হাতৰ কাম, যেনে— পাচী-খৰাহী সজা, ধনু-কাড় তৈয়াৰ কৰা আদি আৰু তিৰোতাৰ বাবে সূতা কটা বা সূতলাহি পকোৱা এনে ধৰণৰ কাম নিৰ্দিষ্ট কৰি দিলে আৰু সেইবোৰ বৰা, শইকীয়া আদিয়ে প্ৰতিদিনে পৰীক্ষা কৰাৰ নিয়ম কৰি এহাতে যেনেকৈ সমাজ নিবন্ধন কটকটীয়া কৰিলে সেইদৰে সমাজৰ আৰ্থিক উন্নয়নৰ লগতে ৰাজকোষ চহকী কৰাৰো ব্যৱস্থা কৰিলে।

বৰবৰুৱাৰ দেশপ্ৰেম অতি নিভাজ। মোগল সেনাপতিলৈ লিখা-- "হাতীছাৰি লাডকো নিদিওঁ, আগৰছাৰি বাহজেওকো নিদিওঁ" ইত্যাদি কথাই তেওঁৰ দেশ আৰু সমাজৰ প্ৰতি থকা গভীৰ প্ৰেমৰ পৰিচয় দিয়ে।

প্ৰতাপ সিংহ স্বৰ্গদেৱৰ গোটেই ৰাজত্ব কালতে তেওঁ বৰবৰুৱা হৈ থাকিল। পাচত চুৰম্‌ফা ৰজা হয়। চুৰম্‌ফাই মোমাই তামুলীৰ ঠাইত লাহো বৰবৰুৱাক বৰবৰুৱা পাতে।

চুৰম্‌ফাৰ ৰাজত্ব কালৰ আৰম্ভণীতে এইজনা প্ৰধান ৰাজনীতিজ্ঞ পুৰুষ মোমাই তামুলী বৰবৰুৱাৰ মৃত্যু হয়। ১৬৪৯ খ্ৰীঃত।

মোমাই তামুলী বৰবৰুৱাৰ পিতৃ কোন জনা নেযায়। কিন্তু তেওঁ মচাইচেং কালুকৰ পত্নী পাটৰ কুন্তী মৰাণ (চুতীয়াৰ শাখা) ফৈদৰ নাগেশ্বৰী আইদেউ আৰু ৰাজ মহিষী গন্ধেশ্বৰী আইদেউৰ ভ্ৰাতৃ।

## "দেশতকৈ মোমাই ডাঙৰ নহয়" মন্ত্ৰেৰে সমগ্ৰ দেশকে জাগ্ৰত কৰি তোলা

### লাচিত বৰফুকন

লাচিত বৰফুকন মহান দেশপ্ৰেমিক, সমাজ নিবন্ধকাৰ আৰু বিচক্ষণ ৰাজনীতিজ্ঞ মোমাই তামুলী বৰবৰুৱাৰ সুযোগ্য পুত্ৰ। পিতৃয়ে যি অসমীয়া সমাজক সুশৃঙ্খল কৰি সামাজিক আৰু অৰ্থনৈতিক স্থিতি দি গ'ল সেই অসমীয়া সমাজক, অসমীয়া জাতিক, বীৰ লাচিতে মহান ত্যাগ আৰু দেশপ্ৰেমৰ আদৰ্শৰে উদ্বুদ্ধ কৰি গ'ল; যি আদৰ্শই আজিও অসমীয়া জাতিক প্ৰেৰণা যোগাই আছে আৰু ভৱিষ্যতেও থাকিব।

স্বৰ্গদেউ প্ৰতাপ সিংহৰ পাচত আহোম সিংহাসনত ক্ৰমে চুৰম্‌ফা, চুতিঙফা আৰু চুতামফা বহে। ১৬৫৪ খ্ৰীঃত চুতামফা ৰজাই হিন্দু ধৰ্মত দীক্ষিত হয় আৰু জয়ধ্বজ সিংহ নাম লয়।

জয়ধ্বজ সিংহৰ ৰাজত্ব কালতে মুছলমানে আগৰ পৰাজয়ৰ প্ৰতিশোধ লবৰ মনেৰে অসম আক্ৰমণ কৰে। এই আক্ৰমণৰ নেতৃত্ব কৰে দিল্লীৰ সম্ৰাট আওৰংজেবৰ

প্ৰতিনিধি, বঙ্গৰ শাসনকৰ্তা নবাব মীৰজুমলাই। ১৬৬১ খ্ৰীঃত। এই আক্ৰমণত অসমীয়া সৈন্যই যথাযোগ্য প্ৰতিৰোধ দিব নোৱাৰিলে। সেনাপতিসকলৰ ভিতৰতে বিৰোধৰ কাৰণেই অসমীয়া সৈন্যই মীৰজুমলাৰ আক্ৰমণৰ সম্মুখীন হ'ব নোৱাৰিলে বুলি জনা যায়। মীৰজুমলাই অতি সহজে অসম জয় কৰি গড়গাঁওৰ ৰাজকাৰেং দখল কৰিলেহি। স্বৰ্গদেউ জয়ধ্বজ সিংহ প্ৰথমে চৰাইদেউ আৰু পাচত নামৰূপলৈ পলাই গ'ল।

কিন্তু কিছুদিনৰ পাচতে বাৰিষা কাল অহাত মুছলমান সৈন্যসকলৰ মাজত নানা আলৈ আহুকালে দেখা দিলে। বহুতো মুছলমান সেনাৰ কলেৰা, গ্ৰহণী আদিত মৃত্যু হ'ল। সেই সুযোগতে কিছুমান সৈন্য লৈ জয়ধ্বজ সিংহই মুছলমান সেনাক বেঢ়ি ধৰিলেহি। মীৰজুমলাই বিষম বিপদত পৰি সন্ধি কৰিবলৈ বাধ্য হ'ল। এই সন্ধিমতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৰলী নদী আৰু দক্ষিণ পাৰে কলং নদী আহোম আৰু মোগল ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰা হ'ল।

সন্ধিৰ সূত্ৰমতে বহুতো ধন-সোণ বন্দীবেটী দি সালংকৃতাকৈ ৰজাৰ জীয়েক আইদেউ ৰমণী গাভৰুক দিল্লীৰ বাদচাহলৈ পঠালে। লগত ৯০টা হাতী আৰু তিনিলাখ টকা পেচ্‌কচ্‌ দিবলৈ স্বৰ্গদেউ জয়ধ্বজ সিংহই গাত ল'লে। ১৬৬৩ খ্ৰীঃৰ ৯ জানুৱাৰীত এই সন্ধি হয়।

কিন্তু মনৰ দুঃখত সেই বছৰতেই ৰজা জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ মৃত্যু হয়।

জয়ধ্বজ সিংহৰ মৃত্যুৰ পাচত ডাঙৰীয়াসকলে চাৰিঙ্গীয়া ফৈদৰ চুপুংমুঙক ৰজা পাতে। ৰজা হৈ তেওঁ চক্ৰধ্বজ সিংহ নাম লয়।

চক্ৰধ্বজ সিংহ বৰ সাহসী আৰু অভিমানী ৰজা আছিল। জয়ধ্বজ সিংহৰ লগত হোৱা সন্ধি সূত্ৰে আহোম ৰজাই ৰমণী গাভৰুৰ লগত যৌতুক দিয়া ২০,০০০ সোণ, ২০,০০০ ৰূপ, ২০টা হাতী, ১০০ বন্দী আৰু ১০০ বেটীৰ ওপৰিও যি ৯০টা হাতী আৰু তিনিলাখ টকা দিয়াৰ চুক্তি হৈছিল তাৰে ১৯,০০০ টকা আৰু ৫০টা হাতী তেতিয়াই দিব নোৱাৰাত বাকী থকা পেচ্‌কচ্‌ সাধি গুৱাহাটীৰ মুছলমান ফৌজাদাৰ ফিৰোজখাই কটকীৰ মুখে আহোম ৰজালৈ টান কথা কৈ পঠালে। কিন্তু চক্ৰধ্বজ সিংহই সেইবোৰ একো দিব নোৱাৰে বুলি কৈ জনাই দিলে যে বাদচাহৰ লগত আগতে হোৱা চুক্তিমতে যি সীমা কৰা হৈছিল সেই সীমা বাদচাহে ৰখা নাই আৰু বন্দীবোৰকো ওভোটাই পঠোৱা নাই; গতিকে ৰজাই আগৰ চুক্তি মানি থাকিব নোৱাৰে। তথাপিও মোগলৰ চৈয়দ ফিৰোজখাই বাৰে বাৰে বাকী থকা কৰৰ বাবে তাগিদা দি থকাত চক্ৰধ্বজ সিংহ স্বৰ্গদেৱে অতীষ্ঠ হৈ উঠিল আৰু চাম ধৰা আৰু পাতা কলঙৰ গড় মেৰামতি কৰাই মোগলৰ লগত পুনৰ যুঁজ দিবলৈ সাজু হ'ল।

সেই সময়ত দেশত দুৰ্ভিক্ষ হৈছিল; গতিকে মন্ত্ৰীসকলে সেই সময়ত যুদ্ধত লিপ্ত নহ'বলৈ ৰজাক পৰামৰ্শ দিছিল। কিন্তু স্বৰ্গদেৱে বাৰে বাৰে অপমান সহ্য কৰি "বঙালৰ তলত থকাতকৈ মৰণেই শ্ৰেয়" বুলি ততালিকে যুদ্ধ দিবলৈ থিক কৰিলে। যুদ্ধৰ সকলো আহিলাপাতি থিক কৰি ১৬৬৭ চনৰ আগষ্ট মাহত আহোম সেনাই গুৱাহাটীৰ ফালে

খোজ ললে। মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ লাচিত বৰফুকনৰ হাতত সেনাপতিৰ ভাৰ অৰ্পণ কৰা হ'ল। লাচিত বৰফুকনৰ লগত ভেবা ফুকন, চাৰিঙ্গীয়া পেলন ফুকন, মিৰি সন্দিকৈ ফুকন, লালুক ফুকন, এই সকলো গ'ল। সকলোৰে গুৱাহাটীৰ ফালে আগবাঢ়িল।

প্ৰথমে তেওঁলোকে গৈ বাহবাৰীৰ কোঠ আক্ৰমণ কৰি মুছলমানক খেদাই পঠালে। তাৰ পাচত কাজলী, সোণাপুৰ, তাতীমৰা আদিৰ পৰাও মুছলমান সেনাক খেদাই দি বৰনদীৰ পশ্চিম পাৰে কোঠ মাৰিলেগৈ। তাতে দুয়ো পক্ষৰ এখন যুদ্ধ হ'ল। তাতো মুছলমান সেনা পৰাজয় হোৱাত জয়দুৱাৰ কোঠ পালেগৈ। তাতো মুছলমান সেনা তিষ্ঠিব নোৱাৰাত ইটাখুলীত পুনৰ কোঠ মাৰিলেগৈ। ইটাখুলীৰ ৰণতো মুছলমান সৈন্য পৰাস্ত হোৱাত পুনৰ ভটিয়াই গ'ল। অসমীয়া সৈন্যই পানী আৰু বামেদি মুছলমান সৈন্যক খেদি নিলে। চৈয়দচানা আৰু পীৰোজখাঁক বন্দী কৰি আনিলে আৰু মানাহ নৈলৈকে দুয়ো পক্ষৰ সীমা কৰিলে।

চক্ৰধ্বজ সিংহ স্বৰ্গদেৱে অসমীয়া সৈন্য জিকাৰ খবৰ পাই অতি আনন্দিত হ'ল। "এতিয়াহে মঞি সুখে ভাত এক গৰাহ খাওঁ। বন্দী বঙ্গালে সিয়া কাপৰ দি জায়গিৰি টকা নিলে।" এইবুলি ডাঙৰীয়াসকললৈ বঁটা বাহন দি পঠালে। বঙালৰ ৰূপ কাপৰ যি পাইছিল ৰাইজকে দিলে।*১

১৬৬৭ খ্ৰীঃৰ ডিচেম্বৰ মাহত মুছলমান সেনাৰ অসমত পৰাজয়ৰ কথা সম্ৰাট আওৰংজেবৰ কাণত পৰাত তেওঁ খঙত অতীষ্ঠ হৈ উঠিল আৰু এইবাৰ অম্বৰৰ ৰজা ৰাম সিংহক সেনাপতি পাতি অসমৰ বিপক্ষে পঠালে। এইবাৰ ৰামসিংহই ওঠৰ হেজাৰ অশ্বাৰোহী, ত্ৰিশহেজাৰ পদাতিক আৰু পোন্ধৰ হেজাৰ ধনুৰ্ধাৰী সৈন্য লৈ অসম অভিমুখে আগবাঢ়ি আহিল। ১৬৬৯ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত তেওঁ ৰঙামাটি পালেহি। ৰামসিংহৰ নৌবাহিনীটোৱেই আছিল আটাইতকৈ দুৰ্বল। তাত আছিল মাত্ৰ চল্লিছখনমান যুদ্ধ জাহাজ।*২

মানাহ নৈৰ মুখতে সীমান্ত চকীত মুছলমান সৈন্যক আহোম সৈন্যই বাধা দিবৰ চেষ্টা কৰি অকৃতকাৰ্য হয়। ইয়াৰ পাচত সকলো হোহকি আহি গুৱাহাটীতে উপযুক্ত ভাবে মুছলমানক বাধা দিবৰ বাবে প্ৰস্তুত হ'ল।

ফুকনে সকলো ঠাই চাই ক'ত গড় দিলে ভাল হ'ব নিৰ্ণয় কৰিলে। কোনো কোনোৱে চামধৰাত থকা কোঠৰ পৰাই যুঁজ দিয়াৰ কথা কৈছিল। "আতে বৰফুকনে বোলে— চামধৰাত হোহকি ধৰাত কৰি ঐয়াত হলে বহাত থাকি যুদ্ধ কৰিব পাৰি।" স্বৰ্গদেৱক জনালে— "অনেক যত্ন কৰি বঙাল শত্ৰুক খেদি অনেক উপায়ে গুৱাহাটীখন লৈছোঁ। এতেকে এটা যুদ্ধৰ নিমিত্তে গড় কৰিবলৈ বন্দীৰ মনে চল যেন দেখোঁ।"*৩

---

১ *সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী -- সম্পাঃ সূৰ্য কুমাৰ ভূঞা*

২ *অসম দেশৰ বুৰঞ্জী— ডঃ লক্ষ্মী দেবী – পৃঃ ২৫৯*

৩ *সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী— সম্পাঃ সূৰ্য কুমাৰ ভূঞা— পৃঃ ৯৩।*

স্বৰ্গদেৱৰ অনুমতি পাই ফুকনসকলৰ লগত আলোচনা কৰি "উত্তৰে দক্ষিণে বিশ্বকৰ্মে নিৰ্মিত হেন গড় বান্ধিলে।" তাৰ পাচত ভিন ভিন সন্ধিস্থলত তেওঁলোকৰ সৈন্য সামন্ত আৰু সেনাপতিসকলক স্থাপন কৰিলে। লাচিত বৰফুকনে নিজে গুৱাহাটীৰ ইটাখুলি বা শুক্রেশ্বৰ পাহাৰৰ নামনিত বাহৰ পাতি থাকিল। ঠায়ে ঠায়ে বৰ হিলৈ পাতিলে। গড়ত বেঞ্জত মানুহটো পৰ্বতত তিনি বেঞ্জত মানুহ দুটাকৈ দিলে।

আতন বুঢ়াগোঁহাইক পাণ্ডুৰ বিপৰীতে ব্রহ্মপুত্রৰ উত্তৰ পাৰে থকা শৰাই বা আমিনগাঁও দুৰ্গৰ অধিনায়ক পতা হ'ল। বৰপাত্ৰ গোঁহাইক সেইদৰে সঙ্কটপূৰ্ণ ঠাই কুৰুৱাত স্থাপন কৰা হ'ল; নৌ বিভাগৰ ভাৰ দিয়া হ'ল নাওবৈচা ফুকনৰ ওপৰত। গুৱাহাটী নগৰৰ পূবে থকা নৰকাসুৰ পাহাৰলৈকে বিস্তৃত অসুৰ আলিৰ পহৰা দিয়াৰ ভাৰ দিয়া হ'ল কলীয়াবৰীয়া ফুকনৰ ওপৰত।"[১]

ৰামসিংহই বিনা বাধাই ব্রহ্মপুত্রৰে উজাই আহি উত্তৰ পাৰে থকা হাজো দখল কৰিলে আৰু তাতে শিবিৰ পাতিলে।

ইতিমধ্যে লাচিত বৰফুকনে মোগলক ভেটা দিবৰ বাবে শৰাইঘাটৰ কোঠৰ চাৰিওফালে এটা গড় মৰাৰ আৱশ্যকতা অনুভৱ কৰি তাৰ ভাৰ দিলে মোমায়েকৰ ওপৰত; আৰু কিছুদিন মোগল সেনাপতিৰ লগত কটকী বিনিময় কৰি সময় কটোৱাৰ সিদ্ধান্ত কৰিলে।

পাচে ৰামসিংহই ৰঙা মাটিৰ পৰা উজাই অহা বুলি জানিব পাৰি বৰফুকনে তিনিটা লগুৱাক ৰাতি হ'লে জুই লগাই দেখুৱাই পুৱা গা দেখা দি হোহকি আহিবলৈ দিলে। এদিন তাৰে দুটা লগুৱাক বঙালে ধৰি নি ৰামসিংহৰ আগত হাজিৰ কৰাত ৰামসিংহই সিহঁতক এৰি দি এই বুলি কৈ পঠালে বোলে "তইঁত যা, ফুকনে মোক এক ঘড়ি লেড়াই দিয়ক।" ফুকনে এইকথা শুনি গড় তেতিয়াও হৈ নুঠাত বঙালক কেইদিনমান থমাই ৰাখিবৰ বাবে কটকীৰ আগতকৈ পঠালে বোলে– "ভাই ৰামসিংহ ৰাজ্যাত এইখান কৰিগৈ তাঞিও কি কাৰ্যে আহিছে আমিও জান পাব লাগে। সাম, দান, দণ্ড, ভেদ এই চাৰিটা কথা আৰু শাস্ত্ৰমৰ্যদা সৰ্বকালে প্ৰবৰ্তা গৈছে। এতেকে প্ৰস্তুত কাৰ্য বুলিলেহে জ্ঞাতা বুলি।" "উত্তৰত ৰামসিংহই পীৰোজখাঁক পঠাই কোৱালে বোলে "আহলাৰখাঁয়ে বৰবৰুৱা সহিতে যি নিবন্ধ অসুৰ আলি, বৰনদী যি সীমা কৰি গৈছে সেই নিবন্ধকে লৈ গুৱাহাটী চাৰি দিয়ক, তেহে গোব্ৰাহ্মণ ৰক্ষা পৰিব। আমি ৰাজা মান্ধাতাৰ নাতি ৰামসিংহ আহিছোঁ। তেওঁ বৰবৰুৱাৰ পুত্ৰ ডাঙৰ মানুহ; আৰু যদি চৰমজান নাই মোলৈ কৈ পঠাব; দি পঠাম। ভাই ফুকনে এক ঘড়ি লেড়াই দিয়ক।"

কটকীৰ মুখে এই কথা শুনি লাচিত বৰফুকনে উত্তৰত এই বুলি কৈ পথালে বোলে "আহলাৰখাঁ বৰবৰুৱাৰ প্ৰীতিৰ কথা যি কৈছে, গুৱাহাটী কামৰূপ তাঞিৰ নহয়। পূৰ্বে কোছক খেদি লোৱা গৈছে। দৈব গতিৰে গোটাচাৰেক দিন আমাৰ পৰা লৈছিল।

---

১ *অসম দেশৰ বুৰঞ্জী– ডঃ লক্ষ্মী দেৱী – পৃঃ ২৫৯*

ইদানী ঈশ্বৰে দিলত আমি পাইছোঁ। যেখন ভাই ৰাজাক দিয়ে তেখন পাব। আৰু এক ঘড়ি লড়াই দিবৰ যি কথা কৈছে শৰীৰ থাকে মানে যুদ্ধ কৰা যাব। আৰু যুদ্ধৰ সামগ্ৰী দিম বুলি যি কৈছে তাঞিও পথশ্ৰমে আহিছে। আপোনাকে নোজোৰে। দেবৰ কোন বস্তু অপ্ৰাপ্য আছে? যদি নাই তাঞিও খুজিব মই দিম।"

বাৰ্তা পাই ৰামসিংহই খঙত জ্বলি উঠি হাজোত ৰলহি আৰু দেবকীনন্দন কটকীৰ হাতত এটোপোলা আফুগুটি দি কৈ পঠালে বোলে-- "গো ব্ৰাহ্মণ কুশল চিন্তি গুৱাহাটী চাৰি দিয়ক। নিদিবহে এই পেস্তাৰ গুটি যিমান সৈন্য সিমান আহিছে।" বৰফুকনে পুনৰ বাৰ্তা পঠালে বোলে "গোবাহাটী চাৰি দিবৰ যি কথা কৈছে ৰাজা পাৎচাৰ যি আজ্ঞা তাক আনে বাধিত নাপাৰি। আৰু মনুষ্যৰ যি প্ৰমাণ কৈছে এখন পটা দিছোঁ পেস্তাৰ গুটি ইয়াতে পাটিলে পানী হ'ব। আৰু ঘোঁৰা যি পশু তাক মানুহে চলায়-- "আৰু এটোপোলা বালি দি বোলে-- আমাৰ সৈন্যৰ এনুৰা লক্ষণ।"[1]

ইতিমধ্যে অসমীয়া সৈন্যৰ গড় প্ৰায় সম্পূৰ্ণ হৈ উঠিছিল। বৰফুকনে ৰাম সিংহলৈ দিয়া উত্তৰৰ পাচত যুদ্ধ আসন্ন হৈ পৰিল। সিদিনাই ৰাতি বৰফুকনে মোমায়েকৰ ওপৰত দায়িত্ব দি বন্ধাবলৈ দিয়া গড় চাবলৈ গ'ল। কিন্তু বৰফুকনে দেখি আচৰিত হ'ল যে গড়ৰ কাম তেতিয়াও বহুত বাকী। ৰাতিৰ ভিতৰতে গড়ৰ কাম শেষ নহ'লে পিচদিনা হয়তু সেই ফালেদিয়ে মোগল সৈন্যই অসমীয়া সৈন্যৰ বেহু ভেদ কৰিবলৈ সুবিধা পাব। ইয়াৰ অৰ্থ অসমীয়া সৈন্যৰ পৰাজয়। অথচ মানুহবোৰ তেতিয়াও টোপনিত লালকাল।

বৰফুকনে মোমায়েকক মাতি সোধাত মোমায়েকে ক'লে যে দিনৰ দিনটো কাম কৰি মানুহবোৰ ভাগৰি পৰি অলপ বিশ্ৰাম লৈছে।

বৰফুকনে ভাবি আচৰিত হ'ল, য'ত এখন যুদ্ধৰ জয় পৰাজয়ৰ প্ৰশ্ন, য'ত এখন দেশৰ স্বাধীনতাৰ প্ৰশ্ন, তাত আকৌ বিশ্ৰামৰ প্ৰশ্ন উঠিব পাৰে কেনেকৈ। তেওঁ মোমায়েকক ক'লে-- "আপোনাৰ কৰ্তব্যৰ এই অবহেলাৰ পৰিণতি কি জানে? ইয়াৰ পৰিণতি হ'ল যুদ্ধত পৰাজয় আৰু দেশৰ স্বাধীনতাৰ অবসান।"

বৰফুকনে খঙত অতীষ্ঠ হৈ ক'লে-- "কৰ্তব্যৰ প্ৰতি আপোনাৰ এই অবহেলাক দেশদ্ৰোহিতাৰ বাহিৰে অন্য কি বুলি ক'ব পাৰি? আৰু দেশদ্ৰোহিতাৰ শাস্তি হৈছে প্ৰাণদণ্ড। সেই শাস্তি স্বৰ্গদেৱে দিব বুলি মই বাট চাব নোৱাৰো।" এই বুলি খাপৰ পৰা তৰোৱাল উলিয়াই চিঞৰি চিঞৰি কৈ উঠিল-- "দেশতকৈ মোৰ মোমাই ডাঙৰ নহয়।" আৰু লগে লগে তৰোৱালেৰে মোমায়েকৰ শিৰচ্ছেদ কৰিলে।

ইতিমধ্যে বনুৱাবোৰে টোপনিৰ পৰা সাৰ পাই উঠিছিল। সিহঁতে এই কাণ্ড দেখি ভীতি বিহ্বল হৈ যেয়ে যেনেকৈ পালে কামত ধৰিলেগৈ আৰু ৰাতিপুৱাৰ আগতেই গড়ৰ কাম শেষ কৰিলে। এই গড়ৰ নামেই মোমাই কটা গড়।

বৰফুকনৰ কঠোৰ উত্তৰ পাই ৰামসিংহে যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল; কিন্তু

---

১ *সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী-- সম্পাঃ সূৰ্য কুমাৰ ভূঞা-- পৃঃ ৯৫*

কোনো ফালে সন্ধি নাই। আচৰিত সৈন্য সমাবেশ।

সৈন্য সমাবেশ দেখি ৰামসিংহই ৰচীদখাঁক ক'লে-- "পাহাৰৰ ওপৰত গড় কৰিছে; আগত মৈদামো অল্প, ভালেতো আচামক যুদ্ধ নোৱাৰে। চক্রাকৃতি বেহু; একোঠাইলৈ তিনিআলি মাইৰে নেপায়। তীৰ কামায়ন ঘোঁৰা যুদ্ধ নাই। ধন্য মন্ত্রী, ধন্য সেনাপতি ধন্য পদাতি। একে পর্বত তাতে এনয় দুর্গম বেহু কৰিছে।" এইদৰে প্রশংসা কৰি ক'লে-- "উপায় মন্ত্রণা কৰি হিলৈ পাতি যি কৰিব পাৰি।"

কটকীৰ মুখে এনে উক্তি শুনি বুঢ়াগোঁহাই আদিয়ে শত্রুৰ মনোবল হ্রাস হোৱাৰ কথা জানিব পাৰি আলচ কৰি ক'লে বোলে-- "বৰফুকনে মাত্র দৃঢ় কৰিব আমি প্রাণ পৰিশ্রমে যুঁজিম।"

দুয়োপক্ষই যুদ্ধৰ বাবে প্রস্তুতি চলাবলৈ ধৰিলে। ৰামসিংহই খনা গড়খাৱৈবোৰত বাৰিষাৰ পানীৰে ভৰি পৰিল। চুৰ্চুৰীয়াকৈ যুঁজ চলিয়ে থাকিল। অসমীয়া সৈন্যৰ গড় কোনোফালে ৰামসিংহৰ সেনাৰ দ্বাৰা বা বৰষুণত ভাগিলেও তৎক্ষণাত পূৰা কৰি পেলায়। এইদৰে জেঠ মাহৰ পৰা গৈ মাঘ মাহ পালেগৈ।

অসমীয়া সৈন্যই যুঁজিবলৈ উচপিচাই আছিল। গড়ৰ পৰা ওলাই গৈ বাহিৰত যুঁজ দিবলৈ বৰফুকনে নিদিয়াত স্বর্গদেৱৰ হুকুম আনি ঘোঁৰা কোঁৱৰে যুঁজ দিবলৈ ওলাল। বৰফুকনে ক'লে-- "বঙাল এঠাই হৈ সাৱধানে আছে; কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান হ'ব। তেওঁ ˇদেৱৰ আজ্ঞা হৈছে কি বুলিম।" কিন্তু যুঁজত আহোম সেনা হাৰি পলাই আহিল। ইয়াকে দেখি ৰামসিংহই ৰঙ্গমহলত কাণুৰ আগত লেখা এখন মাৰিলে-- "মই হেন ৰামসিংহক মৈদামত যুঁজ কৰে কতনা লোক পৰিল।"

তাকে দেখি বৰফুকনে লেখা এখন পুনৰ কাণুৰ আগত মাৰিলে-- "দাতীয়াল ৰজা অনেক আহিছে কোনোজনে আমাত নুসুধি মৈদামত আনন্দ কৰিলে। এফৈদ পৰিছে সপ্তগুণ সপ্তম হৈ আছে।"

পানীয়ে বামে যুদ্ধ কৰিবলৈ কোনো ছিদ্র উলিয়াব নোৱাৰি তিনিলাখ টকা ক্ষতি পূৰণ হিচাপে দিও ৰামসিংহই বৰফুকনৰ লগত মিত্রতা কৰিবৰ চেষ্টা কৰি পণ্ডিত ৰায়কো লগতে পঠাই মাধবচৰণ কটকীৰ হাতত বৰফুকনলৈ দুগদুগী বাখৰপতা কণ্ঠাভৰণ ১ খান দি বোলে-- "উদয় গিৰিৰ স্বর্গ মহাৰাজা অস্তগিৰিৰ পাৎশা দুইজনে প্রীতিহলে তবে আজ্ঞা চাৰি দিব পাৰো, তোমাৰ বঙ্গলা দেশকো ছাৰি দিব। চন্দ্রদিবাকৰ থাকে মানে প্রীতিৰহে। সেৱক নিবন্ধ স্বামীজনে কিসক ৰাখিব?"

পণ্ডিত ৰায় গৈ পালত ৰামসিংহই সুধিলে বোলে-- "গড় প্রাঞ্চিত কেনে দেখিলি"? পণ্ডিত ৰায়ে ক'লে-- "সকলো তিয়াৰ কিন্তু আমজুৰিৰ ওপৰে আন্ধাৰু বালিত বালিগড় নাই। বৰফুকনলৈ দিয়া কণ্ঠাভৰণো পিন্ধা দেখা নাই।" কথাটো কৌপতীয়া কটকীকো সুধিলে। কৌপতীয়াই বোলে-- "বৰ লোকৰ কথা বৰেহে জানে।"*১

---

১ সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী-- সম্পাঃ সূর্য কুমাৰ ভূঞা-- পৃঃ ৯৭-৯৯

এনে সময়তে স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ মৃত্যু হ'ল। ১৬৭০ খ্ৰীঃত। তেওঁৰ পাচত চুন্যংফা ৰজাহে উদয়াদিত্য নাম ললে। ইতিমধ্যে চলি থকা সান্ধিৰ প্ৰস্তাৱ উদয়াদিত্যৰ দিনতো আলোচনা হ'ল। দুয়োপক্ষই যুঁজ কৰি ভাগৰি পৰিছিল। ৰামসিংহই গুৱাহাটী এৰি দিবলৈ অনুৰোধ কৰি বাৰে বাৰে সন্ধিৰ প্ৰস্তাৱ দিছিল। অৱশেষত বৰফুকনো প্ৰায় সন্মত হৈছিল। কিন্তু বাহগৰীয়া আতন বুঢ়াগোঁহায়ে বোলে "তোমালোকে যি বুলিছা ইও এক কথা; কিন্তু এতিয়া গুৱাহাটী এৰি দিব লাগিলে আগেনো এৰিছিদি কি নিমিত্তে যুদ্ধ কৰি আহিলা পাতি হানি কৰিলা; ৰামসিংহৰ কথা পাৎশাহে নাৰাখিবও পাৰে। গুৱাহাটী এৰিদি তেতিয়া আমি কি কৰিম?"

বুঢ়াগোঁহাইৰ কথাতে স্বৰ্গদেৱেও হয়ভৰ দিয়াত সন্ধি আৰু নহ'ল। ইতিমধ্যে ৰচিপখাঁৰ যোগে পাৎশাৰ পৰাও যুদ্ধৰ বাবে তাগিদা আহিল। ৰামসিংহই বোলে— "যুদ্ধ কৰি চালো যুদ্ধত নোৱাৰি। বন্দুক, যাঠি, বৰ্চিৰ যুদ্ধও প্ৰয়োজন নাই। মৈদাম নহয়; উত্তৰে দক্ষিণে বেহু গড় কৰিলে। কিন্তু পানীয়ে এটি যুদ্ধ আছে।"

পণ্ডিত ৰাইৰ কথামতেই আম্বাৰু বালিত গড় নাই বুলি সেই ফালেই যুদ্ধ কৰিবৰ মনেৰে নাৱত তুলি তালৈ ঘোঁৰা পঠাই দিলে। কিন্তু ইতিমধ্যে বালিগড় বান্ধিলত ঘোঁৰা নমাব নোৱাৰি উত্তৰে জুৰিয়ালৈ পাৰ হ'ল। আহোমৰ নাৱো হোহকাই আনি অশ্বক্লান্ত পোৱালেহি।

মিৰি সন্দিকৈৰ পুতেক হাজৰিকায়ে খবৰ দিলেহি বোলে "ৰাজ্য ভাগিল; ফুকনদেও নাহিলেই নহয়।" ফুকনে উত্তৰত কৈ পঠালে বোলে— "কবি চিলাৰ পৰ্বতত চাৰি কড়াৰ মাটি কিনিছোঁ; মঞি নাযাঞে লৰাৰ কাল আছে; যদি যায় ৰাজ্যতকৈ পাচতহে যাব।"

বাকী বহুতে নাৱত বয়-বস্তু ভৰাইছিলেই। ফুকনৰ বয়-বস্তুও নাৱত ভৰাইছিল। বৰফুকনৰ তেতিয়া নৰিয়া। বঙালৰ নাও আহি জুৰিয়া পাইছিলহি। বৰফুকনে এইবোৰ শুনি অতিষ্ঠ হৈ উঠিল। তেওঁ ক'লে— "মোক পীৰাৰে বাট ঘৰলৈ নে, বঙাল কিমান পাইছেহি চাওঁ।" বৰফুকনক বাটচৰালৈ নিলে। ফুকনে উজাই অহা ৰামসিংহৰ নাওঁবোৰ খেদি ধৰিবৰ মন কৰিলে। তেতিয়া অচ্যুতানন্দ দলৈয়ে ক'লে— "এতিয়াও শুভ সময় হোৱা নাই।" ফুকনৰ তীব্ৰ খং উঠিল; তেওঁ ক'লে— "গণক দেৱে নৌকাটোতেই ময়ে কাটিম।" বাটঘৰতে থাকি ফুকনে খবৰ লৈ আছিল। পুনৰ ক'লে— "বঙাল দেখো আমৰাজুৰি পাৰ হ'ল। গণক তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল কানি মাৰিলি।" গণকে গতি বিষম দেখি ক'লে— "স্বৰোদয়ত উত্তম পাইছোঁ। এতিয়া বঙালক ধৰিব লাগে।"

বৰফুকনে নৰিয়া গাৰেই খৰঙ্গিৰ নদাইৰ গাত ধৰি নাৱত উঠিল। ৰাজ্য ভাগিব বুলি ভাবি নাৱৰীয়াই নাও উজাই মেলিব খুজিছিল। বৰফুকনে বোলে— "মোক দেৱে বঙ্গালক যুদ্ধৰ নিমিত্তে এই থল খানৰ সকলো লোক মোৰ হাতত দি থৈছে; নুযুজি ল'ৰা তিৰোতাৰ লগলৈ যাম নেকি? বন্দী চহিয়ালে মোত নুসুধি নাও কিয় উজাই মেলিব।"

এই বুলি চাৰিটা চহিয়ালক গদিয়াই পানীত পেলালে। চাউডাঙকো টঙনীয়াই পানীত পেলালে আৰু ক'লে বোলে-- "বঙালে মোক ধৰি নিলেও নিয়ক ৰাজ্য সুখে যা।" এইবুলি সাতখন নাও হিলৈ মাৰি একেলগে বঙ্গালৰ সমুখলৈ মেলি দিলে। পাচে উত্তৰে দক্ষিণে সকলোৱে বৰফুকনৰ নাও বঙ্গালৰ সমুখে হিলৈ মাৰি যাবৰ দেখি নাৱৰীয়াবোৰে ভটিয়াই ফুকনৰ গালৈ নাও মেলিলে। তৰুবাও দুয়োপাৰে গুলী কাণ্ড মাৰিব ধৰিলে। অসমীয়া সৈন্যৰ বৰতোপৰ শব্দত আকাশ বতাহ নিনাদিত হ'ল।

বঙ্গালৰ ৰচিপখাঁই এইফাললৈ পিঠি কৰি হোকা টানি আছিল। বোলে-- "অচমক বিমুখেভঙাম" পিচে অসমীয়া সৈন্যৰ গুলী লাগি ৰচিপখাঁ বাগৰি পৰিল। অসমীয়াৰ নাও বঙ্গালৰ মাজত সোমালগৈ। সিহঁতৰ পলাই যাবলৈও বাট নোহোৱা হ'ল। বহুত বঙ্গাল ৰণত পৰিল। সকলোকে খেদি নি পাণ্ডুত পোৱালেগৈ।

অসমীয়া সৈন্যৰ বীৰত্ব দেখি ৰামসিংহই ক'বলৈ বাধ্য হ'ল-- "ধন্য ৰাজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা একে আদমীয়ে সকলো সেনা চলাইতে পাৰে। মইহেন ৰামসিংহ থলত থাকিও ছিদ্ৰক নেপাওঁ।"

বুঢ়াগোঁহাই ৰণ থলিৰ পৰা অহাৰ পাচত ৰাতি যিবিলাকে উজাই যাবলৈ নাৱত বস্তু-বাহানি উঠাইছিল সকলোকে দণ্ড দিলে। সেই ৰাতি শত্ৰু সৈন্যৰ প্ৰতি সকলোৱে সজাগ দৃষ্টি ৰাখিলে। ৰাতি শত্ৰুৰ বাহৰৰ ধোঁৱা দেখি পিচদিনা পুনৰ যুঁজে নেকি লক্ষ্য কৰি থাকি বৰফুকনে খাপে খাপে মানুহ সজাই ৰাখিছিল। কিন্তু পিচদিনা শত্ৰু সৈন্যৰ সকলোৱে তামীঘৰা ভাঙি ভটীয়াই গ'ল।

অসমীয়া সৈন্যৰ বহুতে বঙ্গালক খেদি যাব খুজিছিল। কিন্তু বৰফুকনে নিদিলে। ১৬৭১ চনৰ এপ্ৰিলৰ ৬ তাৰিখে (চ'ত মাহৰ ২৩) ৰামসিংহৰ সৈন্য অসম এৰি গুচি গ'ল।

এই খবৰ স্বৰ্গদেৱত দিয়াত স্বৰ্গদেৱে অতি আনন্দিত হৈ সকলোকে উচিত বঁটা দিলে। সেই বছৰতেই এই মহান ত্যাগী, অসীম সাহসী, কূটনীতিবিদ বীৰ সেনাপতিজনৰ মৃত্যু হ'ল। কিন্তু লাচিত বৰফুকনৰ শৰাইঘাটৰ বিজয়ে অসমীয়া জাতিক আজিও চিৰ গৌৰৱান্বিত আৰু অনুপ্ৰাণিত কৰি ৰাখিছে।

লাচিত বৰফুকনৰ এই বিজয়ৰ মূল মন্ত্ৰ হ'ল অসীম সাহস; ধৈৰ্য, কৰ্তব্যপৰায়ণতা, উপস্থিত বুদ্ধি, কঠোৰ সিদ্ধান্ত আৰু সবাৰো উপৰি দেশপ্ৰেম আৰু আত্মোৎসৰ্গ। লাচিত বৰফুকনৰ এই আদৰ্শই অসমীয়া জাতিক তথা সমগ্ৰ মানৱ সমাজকে চিৰদিন অনুপ্ৰেৰণা যোগাই থাকিব।"[১]

---

১ *মোমাই তামুলী বৰবৰুৱা আৰু লাচিত বৰফুকনৰ গোষ্ঠী পৰিচয়ৰ বাবে ওপৰঞ্চি অধ্যায় ১ দ্ৰষ্টব্য।*

# '৪২ৰ গণ বিপ্লৱৰ শ্বহীদ
## কুশল কোঁৱৰ

ভাৰতৰ যিসকল বীৰ বীৰাঙ্গণাই পৰাধীন ভাৰত জননীক শৃংখল মুক্ত কৰিবৰ বাবে হাঁহি হাঁহি জীৱন আহুতি দিলে, যিসকল বীৰ সন্তানে তেওঁলোকৰ ভৱিষ্যত সন্তান-সন্ততিসকলৰ বাবে, আমাৰ বৰ্তমান আৰু ভৱিষ্যতবোৰৰ বাবে তেওঁলোকৰ নিজৰ বৰ্তমানবোৰ হাঁহিমুখে উচৰ্গি দিলে সেইসকলৰেই অন্যতম ১৯৪২ চনৰ গণ বিপ্লৱৰ বীৰ শ্বহীদ কুশল কোঁৱৰ।

সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা ইংৰাজসকল আহিছিল ভাৰতত বেপাৰ কৰিবলৈ। ভাৰতৰ পৰা নানা ধৰণৰ কাপোৰ, মচলা আদি নি নিজ দেশত বিক্ৰী কৰিছিল। ভাৰতলৈ অহা খালী জাহাজবোৰত সাগৰৰ ঢৌৰ পৰা ৰক্ষা পাবলৈ নিমখ ভৰাই আনি ভাৰতত বিক্ৰী কৰিছিল। শিল্প বিপ্লৱৰ ফলত বিলাতত কল কাৰখানা স্থাপন হোৱাত ভাৰতৰ পৰা কপাহী সুতা, কপাহ নি কাৰখানাত বোৱা কাপোৰ ভাৰতত সস্তা দৰত বিক্ৰী কৰিছিল। বেপাৰ ক্ৰমে বাঢ়ি গৈছিল। সেই সময়ৰ ভাৰতৰ বিভিন্ন ৰাজ্যবোৰৰ মাজত থকা বিবাদমান অৱস্থাৰ সুযোগ লৈ তেওঁলোকৰে অনুমতিৰে নিজৰ বেপাৰৰ সুৰক্ষাৰ বাবে আনিছিল ইংৰাজ সেনা। সেই সেনাসকলৰ লগতে নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰা কোনো কোনো স্থানীয় ৰজাৰ সহায়ত ইখনৰ পাচত সিখন ৰাজ্য সেই বেপাৰীসকলেই হস্তগত কৰি লৈছিল আৰু এইদৰেই এসময়ত দুৰ্বল মোগল সম্ৰাটৰ পৰাও সাম্ৰাজ্য কাঢ়ি লৈ সমগ্ৰ ভাৰতবৰ্ষৰে অধিকাৰী হৈ পৰিছিল ইংৰাজ। সৰ্বশেষত ১৯২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে লাভ কৰিছিল অসমকো।

যেতিয়া ভাৰতীয় শাসকসকলে তেওঁলোকৰ নিজৰ অৱস্থা আৰু ভুলৰ বিষয়ে বুজিব পাৰিলে তেতিয়া সেই শাসন দলিয়াই পেলাবৰ বাবে ১৮৫৭ চনত ইংৰাজৰ বিপক্ষে বিপ্লৱ কৰিলে। কিন্তু স্বাধীনতাৰ এই প্ৰথম সংগ্ৰাম ফলৱতী নহ'ল। ফলস্বৰূপে ভাৰতৰ শাসনভাৰ বেপাৰী ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ব্ৰিটিছ ৰাজ্যলৈ হস্তান্তৰ কৰা হ'ল। ভাৰতৰ পৰাধীনতা স্থায়ী হ'ল।

এইবাৰ জাগি উঠিল ভাৰতৰ জনগণ। ১৮৮৫ চনত উদাৰ ইংৰাজ এ.অ. হিউমৰ চেষ্টাত স্থাপিত হ'ল ভাৰতৰ জাতীয় কংগ্ৰেছ। ১৯১৫ চনত এই জাতীয় কংগ্ৰেছত যোগদান কৰিলে দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ ন্যায্য স্থানৰ দাবীত অহিংস প্ৰতিৰোধ আন্দোলন কৰি গোটেই পৃথিৱীৰে দৃষ্টি আকৰ্ষণ কৰা জগতবৰেণ্য মহাত্মা গান্ধীয়ে। মহাত্মা গান্ধীৰ নেতৃত্বত অহিংসভাৱে বৃটিছ চৰকাৰৰ লগত সৰ্বতোভাৱে অসহযোগৰ মন্ত্ৰ লৈ আগুৱাই গ'ল ভাৰতৰ জনগণ। অহিংসভাৱে, ত্যাগেৰে, প্ৰেমেৰে, প্ৰত্যেক জাতিৰ জন্মস্বত্ব স্বাধীনতা লাভৰ বাবে কৰা এই সংগ্ৰামৰ নাম দিলে সত্যাগ্ৰহ। কিয়নো ই এক সত্য প্ৰতিষ্ঠাৰ সংগ্ৰাম; সত্যৰ বাবে প্ৰেমেৰে জীৱন আহুতি দিয়াৰ সংগ্ৰাম। জগতবাসীয়ে এই সংগ্ৰামৰ সফলতাৰ ফালে ঔৎসুক্যৰে চাই ৰল।

ভাৰতবাসীৰ এই সংগ্ৰাম প্ৰেম আৰু ত্যাগৰ, ব্ৰিটিছ চৰকাৰৰ কঠোৰ নিৰ্যাতন হাঁহিমুখে বৰণ কৰাৰ, এক অভূতপূৰ্ব ইতিহাস।

১৯৩৯ চনত পৃথিৱী জুৰি দ্বিতীয় মহাসমৰৰ বহ্নি জ্বলি উঠিল। ইংৰাজ, ফ্ৰান্স, ৰুচীয়া, আমেৰিকা আৰু পৃথিৱীৰ সৰহভাগ ৰাষ্ট্ৰই মিত্ৰশক্তিৰূপে আৰু জাৰ্মান, ইটালী, শত্ৰু শক্তিৰূপে যুদ্ধত অৱতীৰ্ণ হ'ল। কিন্তু পৃথিৱীৰ সৰহভাগ শক্তিয়ে লগ হৈয়ো জাৰ্মানী আৰু ইটালীৰ এই দ্বিশক্তিৰ হাতত বিপৰ্যয়ৰহে সম্মুখীন হ'ল। শেহতীয়াকৈ এই যুদ্ধত শত্ৰুপক্ষৰ লগত যোগ দিলেহি জাপানে ১৯৪১' চনত।

জাপানে যুদ্ধত যোগদিয়েই প্ৰশান্ত মহাসাগৰীয় যুদ্ধত অতি সফলতাৰে আগবাঢ়ি আহি ব্ৰিটিছৰ অভেদ্য নৌবহৰ বুলি খ্যাত প্ৰশান্ত মহাসাগৰীয় নৌ শক্তিক পৰাজিত কৰি ছিঙ্গাপুৰ, মালয়েচীয়া, ব্ৰহ্মদেশ আদি ব্ৰিটিছ উপনিবেশবোৰ জয় কৰি অসম তথা ভাৰতৰ পূৱ সীমান্তত সমবেত হৈ যুদ্ধৰ হুংকাৰ দিলেহি।

ভাৰতবাসীৰ মত নোলোৱাকৈয়ে ইংৰাজ ৰাজপ্ৰতিনিধি আৰু ভাৰতৰ গভৰ্ণৰ জেনেৰেলে ১৯৩৯ চনত যুদ্ধৰ আৰম্ভণীতেই এক ঘোষণাৰে ইতিমধ্যে ভাৰতকো ইংৰাজৰ লগতে যুদ্ধত যুক্ত কৰিছিল। কিন্তু এই যুদ্ধত ব্ৰিটিছ জয়ী হ'লে ভাৰত চিৰদিনৰ বাবে ইংৰাজৰ অধীন হৈয়ে থাকিব লাগিব; আনহাতে ইংৰাজ পৰাজিত হ'লে ভাৰত নতুনকৈ আকৌ জাপানৰ দাস হ'ব লাগিব; গতিকে ভাৰতৰ উভয় সঙ্কট।

ভাৰতবৰ্ষৰ এই উভয় সঙ্কট আৰু অনিশ্চিত ভৱিষ্যতৰ প্ৰতি লক্ষ্য কৰি নিজৰ পথ নিজে বাচি লবৰ বাবে ১৯৪২ চনৰ ৮ আগষ্টত মুম্বাইত ভাৰতৰ জাতীয় কংগ্ৰেছ কমিটীৰ অধিবেশন বহিল। সকলো কথা বিচাৰ কৰি ইংৰাজে এইদেশ এৰি যোৱাই ভাৰতৰ বাবে মঙ্গল বুলি বিবেচনা কৰি ভাৰতে নিজৰ পথ নিজে বাচি লবৰ বাবে ইংৰাজৰ ওচৰত স্বাধীনতাৰ দাবী জনাই এক প্ৰস্তাব গ্ৰহণ কৰি ইংৰাজ জাতিৰ প্ৰতি দাবী জনালে– "ইংৰাজ ভাৰত এৰি যোৱা– Britishers quit India" আৰু মহাত্মাগান্ধীক এই সংগ্ৰামৰ নেতৃত্ব দি আগবাঢ়ি যাবলৈ সাজু হ'ল। মহাত্মাগান্ধীয়ে সেই সংগ্ৰামৰ দায়িত্বলৈ জনগণৰ প্ৰতি– "হয় কৰিম নহয় মৰিম" "do or die" এই মন্ত্ৰেৰে দীক্ষিত হৈ সংগ্ৰামত জপিয়াই পৰিবলৈ আহ্বান জনালে। ভাৰতবাসীৰ কোটি কণ্ঠত নিনাদিত হ'ল সেই ৰণধ্বনি-- 'ইংৰাজ গুচি যোৱা", "হয় কৰিম নহয় মৰিম।"

কিন্তু ১৯৪২ চনৰ ৯ আগষ্টৰ ৰাতি নৌপুৱাওতেই বৃটিছ চৰকাৰে মহাত্মাগান্ধীকে আদিকৰি সকলো নেতাকে বন্দী কৰি ভাৰতবাসীক নেতৃত্ব বিহীন কৰিবলৈ চেষ্টা কৰিলে। কিন্তু ভাৰতৰ স্বাধীনতা সংগ্ৰাম ৰুদ্ধ নহ'ল। ভাৰতৰ জনগণে হাতত তুলি ললে সেই সংগ্ৰাম।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসম কোনোদিনেই পাচ পৰি থকা নাছিল; এতিয়াও নেথাকিলে। ওলাই আহিল কণকলতা, মুকুন্দ কাকতি, বৃদ্ধা ভোগেশ্বৰী ফুকননী, তিলক ডেকা, বীৰ কুশল কোঁৱৰ আৰু বহু সহস্ৰজন। গাঁৱে গাঁৱে প্ৰতিষ্ঠা কৰিলে গ্ৰাম্য স্বৰাজ। আজিৰ আমাৰ এই আলোচনাৰ নায়ক বীৰ কুশল কোঁৱৰ এই বিপ্লৱৰে বীৰ শ্বহীদ।

কুশল কোঁৱৰৰ জন্ম হৈছিল ১৯০৫ চনৰ ২১ মাৰ্চ তাৰিখে গোলাঘাট মহকুমাৰ ঘিলাধাৰী মৌজাৰ চাউদাং চাৰিআলিত। তেওঁৰ পিতৃৰ নাম সোণাৰাম কোঁৱৰ।

তেৰ বছৰ বয়সত ১৯১৮ চনত তেওঁ প্ৰাথমিক স্কুলত নাম লগায়। কিন্তু তেতিয়াই তেওঁ শুনিবলৈ পায় বাপুজীৰ অসহযোগৰ আহ্বান। ১৯২১ চনত জালিয়ানবালা বাগৰ হত্যাকাণ্ডৰ প্ৰতিবাদত বাপুজীয়ে দিয়া অসহযোগৰ আহ্বানত কোঁৱৰে চিৰদিনৰ বাবে স্কুল ত্যাগ কৰে। কিন্তু ৰাইজৰ অনুৰোধত ১৯২৫ চনত ৰেংমাই প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰ বাবে সোমায়। কিন্তু শিক্ষকতায়ো তেওঁক ব্ৰিটিছৰ গোলামী কৰি ৰাখিব নোৱাৰিলে। ২৬ বছৰ বয়সত ১৯৩১ চনত স্কুলৰ চাকৰিও ত্যাগ কৰে। ইয়াৰ মাজতে ১৯২৭ চনৰ পৰা তেওঁ চাহ কৰ্মচাৰী হিচাপে বাগানৰ কেৰাণী কামত সোমায়। ১৯২৯ চনত সেই কামো এৰি কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হিচাপে দেশৰ কামত ব্ৰতী হয় আৰু সৰুপথাৰ কংগ্ৰেছ কমিটীৰ সভাপতি হয়। ১৯৪২ চনত বাপুজীৰ আহ্বানত-- "হয় কৰিম নহয় মৰিম" মন্ত্ৰেৰে দীক্ষিত হৈ ভাৰতৰ স্বাধীনতাৰ কাৰণে জীৱন পণ কৰে।

মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলন আছিল সদায় অহিংস। কিন্তু ব্ৰিটিছ চৰকাৰে জনতাক সদায়ে হিংসাৰ বাবে প্ৰৰোচনা দিছিল। এতিয়াও এই গণ-সংগ্ৰামক হিংসাৰ বাবে প্ৰৰোচনা দিলে; যাতে এই সংগ্ৰাম কঠোৰভাৱে দমন কৰিব পাৰে। আনহাতে জনসাধাৰণেও ব্ৰিটিছৰ যুদ্ধ প্ৰচেষ্টাক সৰ্বতোভাৱে বিফল কৰি তোলা আৰু গাঁৱে গাঁৱে গ্ৰাম্য স্বৰাজ স্থাপনৰ বাবে বদ্ধপৰিকৰ হ'ল। ব্ৰিটিছ চৰকাৰৰ শাসন সৰ্বতোভাৱে অচল কৰি তুলিবৰ বাবে সংগ্ৰামী জনতাই টেলিগ্ৰামৰ তাঁৰ কটা, ৰেল লাইন উঠাই দিয়া, পথৰ দলং ধ্বংস কৰি যাতায়ত অচল কৰা, থানা ঘৰ, কাছাৰী ঘৰ আদি ধ্বংস কৰি শাসন যন্ত্ৰ অচল কৰা, আদি কামতো লিপ্ত হ'ল। এই কাৰ্যত বিশেষকৈ কংগ্ৰেছৰ সমাজবাদী দলে প্ৰেৰণা যোগালে; উদ্দেশ্য ইংৰাজক এই দেশ এৰি যাবলৈ বাধ্য কৰা।

কিন্তু পৃথিৱীজুৰি এখন সংগ্ৰামত লিপ্ত হোৱা ব্ৰিটিছ চৰকাৰে যিকোনো প্ৰকাৰে জনতাৰ এই সংগ্ৰাম মষিমূৰ কৰাৰ বাবে কাৰ্যপন্থা হাতত ললে। পূব সীমান্তৰ যুদ্ধৰ বাবে অসমত সমবেত কৰা লাখ লাখ সৈন্য এই কামত নিয়োগ কৰিলে।

১৯৪২ চনৰ ৯ অক্টোবৰ তাৰিখে গোলাঘাটৰ সৰুপথাৰ ষ্টেচনৰ ওচৰত তেতিয়াৰ অসম বেঙ্গল ৰেলৰ (বৰ্তমান নৰ্থ ফ্ৰন্টিয়াৰ ৰেল) ৩২৯ নং উজনীমুৱা যাত্ৰীবাহী (সেই সময়ত সৈন্যবাহী কিয়নো তেতিয়া সকলো যাত্ৰীবাহী ৰেল সৈন্যবাহী হিচাপেহে ব্যৱহাৰ কৰা হৈছিল) ৰেলখন এক মাৰাত্মক দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনাত অফিচাৰকে আদি কৰি বহুতো সৈন্য নিহত হয়। ব্ৰিটিছ চৰকাৰে সেই দুৰ্ঘটনাৰ কাৰণ আন্দোলনকাৰীসকলৰ কুটাঘাটমূলক কাম বুলিয়ে স্থিৰ কৰিলে আৰু তাৰ বাবে দোষী সাব্যস্ত কৰে কুশল কোঁৱৰকে মুখ্য কৰি বহুতো স্থানীয় লোকক।

এটি মধ্যবিত্ত পৰিয়ালৰ অতি সাহসী আৰু উৎসাহী যুৱক কুশল কোঁৱৰ। যি সময়ত অন্য বহুতো যুৱকে অসমত যুদ্ধ আয়োজনৰ সুযোগ লৈ সৈন্য বাহিনীৰ ঠিকা কাম কৰি হেজাৰ হেজাৰ টকা উপাৰ্জন কৰিছিল সেই সময়ত কুশলে সকলো

প্ৰলোভন হাঁহিমুখে জয় কৰি, নেখাই নলৈও পত্নী-পুত্ৰক এৰি জপিয়াই পৰিছিল জনতাৰ সংগ্ৰামত, জগাই তুলিছিল জনতাক। ওখ ডাঙৰ হটঙা শৰীৰৰ বলীষ্ঠ যুৱক কুশল কোঁৱৰৰ আহ্বানত সকলোৱে সিংহৰ শক্তি লাভ কৰিছিল।

ৰেল দুৰ্ঘটনাত বহুতো সৈন্য নিহত হোৱাই নহয়, যুদ্ধৰ প্ৰচেষ্টাত আৰু সৈন্যৰ যাতায়তত প্ৰত্যক্ষভাবে বাধা পৰিছিল। চৰকাৰৰ দৃঢ় সিদ্ধান্ত নিশ্চয় ই স্বাধীনতা সংগ্ৰামীৰে পশ্চাৎঘাটি কাম আৰু দায়ী তাৰবাবে এই সংগ্ৰামীসকলৰে কাৰবাক কৰিবই লাগিব; যি কাৰ্যই দেশত যে এখন চৰকাৰ আছে সেই কথা দেশবাসীক চিৰদিনৰ বাবে সোঁৱৰাই থাকে আৰু স্বাধীনতা সংগ্ৰামত যোগ দিয়াৰ পৰিণতি যে কি ভয়াবহ হ'ব পাৰে সেই কথা সকলোৱে উপলব্ধি কৰে। সেই দুৰ্ঘটনাৰ বাবে দায়ী সেইজনেই যি নিৰ্ভীক, যি গাঁৱে গাঁৱে যুদ্ধৰ প্ৰচেষ্টাৰ বিৰুদ্ধে জনগণক আহ্বান দি ফুৰিছে আৰু সেইজন কুশল কোঁৱৰ নহৈ আন কোন হ'ব পাৰে?

কুশল কোঁৱৰৰ বিচাৰ হ'ল সৈনিকৰ আদালতত। কোঁৱৰে নিৰ্ভীকভাৱে উত্তৰ দিলে-- তেওঁ কেতিয়াও দোষী নহয়। দোষী কোঁৱৰ কেতিয়াও হ'ব নোৱাৰে; যদি ভাৰতক চিৰ পৰাধীন কৰি ৰাখিবৰ বাবে ব্ৰিটিছ চৰকাৰে যুদ্ধত হাজাৰ হাজাৰ মানুহ গুলীয়াই মাৰিলেও দোষী নহয়; যদি বিপক্ষৰ ঘৰ-দুৱাৰ-গাঁও বোমা দি ধুলিসাৎ কৰি দিলেও দোষী নহয়, যদি ভাৰতৰ স্বাধীনতাকামী শ শ বীৰক গুলীয়াই মাৰিলেও দোষী নহয়, যদি আন্দোলনকাৰী বুলি নিজৰ প্ৰজাৰে ঘৰ-দুৱাৰ ভাঙি পেলালেও দোষী নহয়, যদি জালিয়ানৱালাবাগৰ শ শ নিৰ্দোষী নিৰীহ নৰ-নাৰীক গুলিয়াই মাৰিলেও দোষী নহয়, তেন্তে ব্ৰিটিছৰ যুদ্ধ প্ৰচেষ্টাৰ বিপক্ষে ভাৰতৰ স্বাধীনতাৰ বাবে আহ্বান দিলে কুশল কোঁৱৰ দোষী হ'ব পাৰে কেনেকৈ? সৰুপথাৰ ৰেলপথৰ ফিচ্‌প্লেট কোনোবাই উঠাওকেই বা নুঠাওকেই ইয়ো স্বাধীনতা সংগ্ৰামৰে অংশ বিশেষ; ইয়াৰ বাবে কোঁৱৰেই হওক বা আন কোনোবাই হওক তেওঁ কেতিয়াও দোষী হ'ব নোৱাৰে। কোঁৱৰে বাৰে বাৰে নিৰ্ভীকভাৱে উত্তৰ দিলে তেওঁ নিৰ্দোষ।

কিন্তু ব্ৰিটিছ চৰকাৰৰ বিচাৰ-- "আগে ফাঁচী পাছত বিচাৰ।" কুশল কোঁৱৰক দোষী সাব্যস্ত কৰা হ'ল আৰু তাৰ শাস্তি হ'ল ফাঁচী কাঠৰ প্ৰাণদণ্ড। সেই প্ৰাণদণ্ড কোঁৱৰে হাঁহিমুখে গ্ৰহণ কৰিলে। মাত্ৰ তেওঁৰ কামনা তেওঁৰ এই ত্যাগে যেন ভাৰতৰ স্বাধীনতা সংগ্ৰাম শক্তিশালী কৰে, অচিৰে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে সঁচাকৈয়ে কুশল কোঁৱৰৰ দৰে শ শ বীৰ শ্বহীদৰ ত্যাগৰ ফলতেই ভাৰতবৰ্ষ তাৰ চাৰি বছৰৰ পাছতেই স্বাধীন হ'ল।

কুশল কোঁৱৰৰ জীৱন দৰ্শন-- "যি জন্মগ্ৰহণ কৰিছে তেওঁৰ মৃত্যু অনিবাৰ্য আৰু দেশৰ বাবে ভগবানে তেওঁকেই বাচি লৈছে; তেওঁ তাৰ বাবে অত্যন্ত সুখী, ভগবানে তেওঁক ভাল পায়।"

কাৰাগাৰতে তেওঁক প্ৰাথমিক মৃত্যুদণ্ডৰ হুকুম শুনোৱা হৈছিল। কিন্তু ই তেওঁক ভীতি বিহ্বল বা চিন্তিত কৰিব পৰা নাছিল। তেওঁ যেন স্থিতপ্ৰজ্ঞ অৱস্থা লাভ

কৰিছিল। মৃত্যুৰ সময়লৈকে তেওঁ গীতাখন লগত ৰাখিছিল আৰু বাপুজীৰ আদৰ্শৰে সূতা কাটিবলৈও অভ্যাস কৰিছিল। তেওঁৰ মুখমণ্ডল উদ্ভাসিত হৈ উঠিছিল; আৰু মৃত্যুৰ সময়ত তেওঁৰ ওজন বাঢ়িছিল। কিন্তু তেতিয়ালৈকে ৩৮ বছৰ বয়সতো তেওঁ শৰণ লোৱা নাছিল। সেই সময়ত শ্ৰীশ্ৰীগড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুও কাৰাগাৰত স্বাধীনতা সংগ্ৰামৰ সমৰ্থক বুলি নজৰ বন্দী হিচাপে আছিল। কোঁৱৰৰ অনুৰোধত গুৰুজনাই কোঁৱৰক কাৰাগাৰতে শৰণ মন্ত্ৰেৰে দীক্ষিত কৰে।

১৯৪৩ চনৰ ১৪ জুনৰ শেষ ৰাতি ৪-৩০ বজাত কোঁৱৰক আদালতৰ মৃত্যুদণ্ডৰ শেষ হুকুম শুনোৱা হয়। তাৰ পাছতেই ১৫ জুনৰ ঢলপুৱাতে তেওঁক ফাঁচী দিয়া ঠাইলৈ নিয়া হয়।

কোঁৱৰে পত্নী-পুত্ৰক শেষবাৰৰ কাৰণে অতি শান্তভাৱে দৰ্শন কৰে। তেওঁ ভগৱানক প্ৰাৰ্থনা জনায়—

"ভৱহৰি তাৰহ মুকুণ্ড মুৰাৰী
জনম মৰণ ক্লেশ সহতে নাপাৰি।"

সেই বীৰ শ্বহীদসকল ভাৰতবাসীৰ চিৰ নমস্য। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত তেওঁলোকৰ নাম চিৰদিনৰ বাবে সোণালী আখৰেৰে লিখা থাকিব।*[১]

## চুতীয়া জাতিৰ অন্যান্য স্বাধীনতা সংগ্ৰামী আৰু শ্বহীদসকল

সদ্যহতে স্বাধীনতা সংগ্ৰামত জীৱন আহুতি দিয়া চুতীয়া জাতিৰ আৰু কেইগৰাকীমান শ্বহীদৰ নাম জানিব পৰা হৈছে, তেওঁলোক হ'ল উত্তৰ লক্ষীমপুৰৰ গোলাপী চুতীয়ানী আৰু ঢেকীয়াজুলিৰ কণ চুতীয়ানী। সেইদৰেই ঢেকীয়াজুলিৰ গুলি চালনাত মৃত্যু হোৱা লোকসকলৰ অন্যতম সোমনাথ চুতীয়া। ঢেকীয়াজুলিৰ গুলি চালনা ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত হৈছিল।

সৰুপথাৰ ৰেল দুৰ্ঘটনাৰ বাবে আৰু বহুজনক আটক কৰা হৈছিল। তেওঁলোকৰ ভিতৰত চুতীয়া জাতিৰ নগেন চুতীয়া, বীৰধন চুতীয়া, গুণকান্ত চুতীয়া, দেহীৰাম চুতীয়া আৰু মহেন্দ্ৰ চুতীয়া অন্যতম। ইয়াৰে নগেন চুতীয়াৰ দহ বছৰ কাৰাদণ্ড হয়।

অসমৰ বিভিন্ন ঠাইৰ পৰা স্বাধীনতা সংগ্ৰামত অন্যান্য বহুজন চুতীয়া লোকেও কাৰাবৰণকে আদি কৰি নিৰ্যাতন ভোগ কৰে। তেখেতসকলক ভাৰত চৰকাৰৰ পৰা মুক্তি যুঁজাৰু হিচাপে স্বীকৃতি দি তাম্ৰপত্ৰ দিয়া হৈছে।

---

*১. কুশল কোঁৱৰৰ বংশাৱলী ওপৰঞ্চি অধ্যায় (২)ত দিয়া হৈছে।*

# সদৌ চুতীয়া জাতি সন্মিলন অসম

১৫২৩ খ্ৰীঃত চুতীয়া জাতিৰ মূল সুঁতিটোৰ স্বাধীনতা যোৱাৰ পাচত হেৰুৱা স্বাধীনতা উদ্ধাৰ কৰিবৰ বাবে চুতীয়া জাতিয়ে কেনেকৈ ১৬৭২-৭৩ চনলৈকে আঠবাৰ বিদ্ৰোহ কৰিছিল সেইকথা আগতে আলোচনা কৰা হৈছে। সেইবোৰ কিয় সফল হ'ব নোৱাৰিলে সেই কথাও আলোচনা কৰা হৈছে। ১৬৭২-৭৩ খ্ৰীঃৰ পাচত চুতীয়া জাতিৰ মূল সুঁতিটোৱে পুনৰ কোনো বিদ্ৰোহ ৰচনা কৰিব নোৱাৰিলে। কিন্তু ১৭৬৯ খ্ৰীঃত মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি চুতীয়া জাতিৰে অন্যতম শাখা মৰাণসকলে এক নতুন বিদ্ৰোহৰ সূচনা কৰে আৰু ৰাঘব নেওগ আৰু নাহৰখোৱা শইকীয়াই আহোম সিংহাসন হস্তগত কৰি নাহৰখোৱা শইকীয়াৰ পুত্ৰ ৰমাকান্তক ৰজা পাতে। কিন্তু সেই ৰাজত্বও ছমাহৰ বেছি স্থায়ী নহ'ল।

আহোম ৰাজত্বৰ বিৰুদ্ধে বিদ্ৰোহৰ সিমানতে শেষ নহ'ল। পুনৰ হোৱা বিদ্ৰোহত চুতীয়াৰ সৰ্বানন্দ সিংহই বেংমৰাত পুনৰ চুতীয়া ৰাজ্য স্থাপন কৰে। অৱশ্যে সেই ৰাজ্যৰ পৰিসৰ অতি ঠেক আৰু বেংমৰা (বৰ্তমান তিনিচুকীয়া) অঞ্চলতে আৱদ্ধ থাকিল। এই সকলো কথাই আগৰ অধ্যায়বোৰত আলোচনা কৰা হৈছে। চুতীয়া জাতিৰ মূল সুঁতিটোৱে ১৫২৩ খ্ৰীঃত চুতীয়া ৰাজ্য হেৰুৱাৰ পাছত সামগ্ৰিকভাৱে সেই ৰাজ্য পুনৰ উদ্ধাৰ কৰিব নোৱাৰিলে। গতিকে ইয়াৰ পাচত ১৮২৬ খ্ৰীঃত আহোম ৰাজ্য ইংৰাজৰ অধীনলৈ নোযোৱালৈকে চুতীয়াসকলে পৰাধীন আৰু পদদলিত জাতি হিচাপে আহোম ৰাজ্যৰ বিভিন্ন স্থানত বিভিন্ন জনগোষ্ঠীৰ মাজত সোমাই আত্মগোপন কৰি থকাৰ দৰেই থাকিল। চুতীয়াসকলে এই সময়চোৱাত যাতে বিদ্ৰোহ কৰিব নোৱাৰে তাৰ বাবে গোটেই মানুহবোৰকে আহোম ৰজাই কেনেকৈ বিভিন্ন ঠাইত স্থাপন কৰি গোটেই জাতিটোৰ ককাল ভাঙিলে সেই কথাও আলোচনা কৰা হৈছে। গতিকে আত্মসন্মান থকা প্ৰায়বোৰ চুতীয়া লোকেই দাতিকাষৰীয়া ঠাইলৈ গৈ পৰাধীনতাৰ গ্লানি আৰু বেদনা মূৰত লৈ অৱক্ষয়ৰ দাবানলত জাহ যাবলৈ ধৰিলে। শাসিত জাতি হিচাপে শাসকসকলৰ পৰা যি অলপ সুযোগ সুবিধা পায় তাতেই সন্তুষ্ট থাকি সকলোৰে অৱহেলাৰ পাত্ৰ হৈ দিনক দিনে সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছ পৰি গৈ থাকিল।

অৱশ্যে বৰবৰুৱা বৰফুকন আদি বিভিন্ন ডাঙৰ বাবো যে পোৱা নাছিল তেনে নহয়। কিন্তু কেইজনমানৰ উন্নতিয়ে জাতিটোৰ সামূহিক উন্নতি হ'ব নোৱাৰে। তদুপৰিও আহোমৰ বিষয়-বাব পোৱা বহুতে পাছত নিজকে আহোম বুলিয়ে পৰিচয় দি জাতিটোৰ অৱক্ষয়ৰ সোপানহে ৰচনা কৰিলে।

১৮২৬ খ্ৰীঃত ইয়াণ্ডাবু সন্ধিমতে আহোম ৰাজ্যও ইংৰাজৰ হাতলৈ যোৱাত চুতীয়াসকলৰ অৱস্থা আৰু শোচনীয় হ'ল। আহোমসকলে শাসক জাতি হিচাপে ইংৰাজ চৰকাৰৰ পৰা কিছু সা-সুবিধা আৰু মৰ্যাদা পালেও তাৰ তিনিশ বছৰৰ আগতে ৰাজ্য

হেৰুৱা আৰু ইতিমধ্যে অতি দুৰ্বলহৈ পৰা এটা জাতিৰ কথা কোনোৱে চিন্তা কৰাৰ কথা উঠিবই নোৱাৰে। গতিকে গাঁওবুঢ়া আদি সৰু-সুৰা কাম আৰু কিছু মৰ্যাদা পোৱাৰ আশাত বহুতো চুতীয়াই নিজৰ মাটিৰ পট্টাৰ চুতীয়া উপাধি কাটি সংশোধন কৰি আহোম ৰজাৰ দিনৰ কিবা এটা উপাধি লিখাই লৈ আত্মগোপন কৰিবলৈ লয়। এয়া চুতীয়াসকলৰ তৃতীয় পৰ্যায়ৰ অৱক্ষয়। কেৱল সবল মনৰসকলেহে কোনো আশা নকৰি নিজ জাতিৰ পৰিচয়ৰ গৌৰৱেৰে আগৰ দৰে চুতীয়া হৈয়ে থাকিল।*১

অৱশেষত পৰাধীন ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে স্বাধীনতাৰ সংগ্ৰাম আৰম্ভ হ'ল। ১৯১৯ চনৰ পৰা মহাত্মাগান্ধীৰ নেতৃত্বত এই সংগ্ৰাম দিনে দিনে জনমুখী হোৱাত গাঁৱেভূঞে স্বাধীনতাৰ বাণী আৰু কংগ্ৰেছৰ কাৰ্যসূচী প্ৰচাৰিত হোৱাত চুতীয়াসকলেও মুক্তিৰ এক নতুন পোহৰ দেখা পালে।

চুতীয়াসকলৰ মাজতো ইমান দিনে অৱদমিত হৈ থকা স্বাধীনতাৰ প্ৰেৰণা জাগি উঠিল। এইবাৰ সেই প্ৰেৰণাৰে কেৱল চুতীয়া জাতিৰ স্বাধীনতাৰ বাবে নহয় সমগ্ৰ ভাৰতবাসীৰ স্বাধীনতাৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আহিল। অন্যান্য ভাৰতবাসীৰ লগতে চুতীয়াসকলেও স্বাধীনতা সংগ্ৰামত অসমৰ ঘাই সুঁতিৰ লগত যোগ দিলে।

চুতীয়া জাতিৰ মাজলৈ এক নতুন আত্ম সচেতনতা আহিল। ভ্ৰমৰ চন্দ্ৰ শইকীয়া দেৱে "চুতীয়া জাতি" নামেৰে এখনি সৰু পুস্তিকা লিখি প্ৰকাশ কৰে। ভুৰাম বৰুৱা, বিষ্ণুৰাম নেওগ, ইন্দ্ৰেশ্বৰ চুতীয়া, আৰু ভ্ৰমৰ শইকীয়াৰ চহীৰে এখনি গোহাৰি প্ৰকাশ কৰে। ডিব্ৰুগড়ৰ ধনঞ্জয় শইকীয়া, কেনুধৰ দাস, চাফ্ৰাইৰ কেশৰাম ধুনীয়া, নামৰূপৰ বি.এচ. দত্ত, গোলাঘাটৰ ঋষেশ্বৰ বৰা, মানিক চন্দ্ৰ দাস, হলিৰাম পাত্ৰ বৰা, দুৰ্গাৰাম বৰা, নাৰায়ণপুৰৰ ভেবেলা বৰা, লাহোৱালৰ ধনীৰাম দাস, শিলঘাটৰ গোলোক চন্দ্ৰ বৰা, ঢেকীয়ালৰ ৰঙাই হাজৰীকা, শিলপণীয়াৰ বলোৰাম শইকীয়া, ৰঙাই ফুকন, বাদুলী পুখুৰীৰ আদিৰাম শইকীয়া আদিয়ে ইয়াত সহযোগৰ সহাৰি দিয়ে।

অৱশেষত ভ্ৰমৰ চন্দ্ৰ শইকীয়া, হেমধৰ পাত্ৰ বৰা, এম.এল.চি, মানিক চন্দ্ৰ দাস, যোগানন্দ বৰা, আদিৰাম শইকীয়া, ইন্দ্ৰেশ্বৰ চুতীয়া, সৰুকণ চুতীয়া, আদিৰ চেষ্টাত হেমধৰ পাত্ৰ বৰাক অভ্যাৰ্থনা সমিতিৰ সভাপতি হিচাপে লৈ চুতীয়া সন্মিলনৰ প্ৰথম উদ্বোধনী অধিবেশনৰ অভ্যাৰ্থনা সমিতি গঠন কৰা হয়। এই অভ্যাৰ্থনা সমিতিৰ প্ৰচেষ্টাত গোলাঘাটৰ ঢেকীয়াল মৌজাৰ নপমুৱা চাৰিআলিৰ কাষত ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ দেৱৰ সভাপতিত্বত চুতীয়া জাতি সন্মিলনৰ প্ৰথম অধিবেশন সম্পন্ন হয়।

চুতীয়া জাতিৰ বাহিৰেও অন্যান্য জাতিৰো অসংখ্য দৰ্শকলোকে এই সন্মিলনত যোগ দিয়ে। ১৯২৫ চনৰ ১০ এপ্ৰিল তাৰিখে এই অধিবেশন বহে।*২

---

১ *"চুতীয়া জাতি সন্মিলনৰ জন্মৰ সংক্ষিপ্ত ইতিবৃত্ত" — শ্ৰীমতী কৃষ্ণলতা বৰুৱা।*

২ *সদৌ চুতীয়া জাতি সন্মিলনৰ বিংশতিতম্ অধিবেশনৰ স্মৃতিগ্ৰন্থত-- মোহন ৰাম শইকীয়াৰ প্ৰবন্ধ।*

১৯২৯ চনত এই সন্মিলন চৰকাৰী পঞ্জীয়ন ভুক্ত হয়। পঞ্জীয়ন ভুক্তিৰ সময়ত এই সন্মিলনৰ উদ্দেশ্য এইদৰে ঘোষণা কৰা হয়।

১) চুতীয়া জাতিৰ পুৰাতনীয়া কথা উদ্ধাৰ কৰি চুতীয়া জাতিৰ এখন বুৰঞ্জী উলিওৱা।

২) কোনো সদ উপায়েৰে চুতীয়া জাতিৰ লোকৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষালৈ ধাউতি জন্মোৱা।

৩) কুসংস্কাৰ আদি আঁতৰাই সামাজিক অৱস্থাৰ উন্নতি কৰিবলৈ যত্ন কৰা।

৪) স্বজাতীয় ধনৰ ভঁৰাল খোলা ইত্যাদি।"[১]

সন্মিলন ১৯২৫ চনত আৰম্ভ হ'বৰে পৰা এতিয়ালৈকে (১৯৮৯ চন) প্ৰতিবছৰে নহ'লেও প্ৰতি দুই তিনি বছৰৰ মূৰে মূৰে সন্মিলনৰ মূল সভা বহি আছে। অৱশ্যে বৰ্তমানৰ নিয়মাৱলীমতে মূল সভা প্ৰতি দুবছৰৰ অন্তৰত বহিব লাগে। সেয়ে হ'লেও এই চৌষষ্ঠী বছৰৰ ভিতৰত এতিয়ালৈকে সন্মিলনৰ মূল সভাৰ তেইশখন অধিবেশনহে বহিছে। ১৯৭৪ চনত সন্মিলনৰ অষ্টাদশ অধিবেশন সোণালী জয়ন্তী অধিবেশন হিচাপে শিৱসাগৰৰ চাৰিঙত অনুষ্ঠিত হয়। এই অধিবেশনৰ সভাপতিত্ব কৰে পুণিৰাম হাজৰিকাই।

এই তেইশখন অধিবেশনৰ মূল সভাৰ সভাপতি আৰু সম্পাদকসকলৰ নাম এই গ্ৰন্থৰ পৰিশিষ্টত ওপৰঞ্চি হিচাপে দিয়া হৈছে।

এই সন্মিলনবিলাকৰ ভিতৰত এইটো মন কৰিবলগীয়া যে প্ৰথম পাঁচখন সন্মিলনৰ সভাপতিসকল চুতীয়া জাতিৰ লোক নাছিল। অসমৰ বিশিষ্ট লোকসকলক এই সন্মিলনৰ সভাপতি পতা হৈছিল। সেইসকল বিশেষকৈ বুৰঞ্জীবিদ বা প্ৰত্নতত্ত্ববিদ লোক আছিল। বোধহয় প্ৰথম অৱস্থাত সন্মিলনৰ গুৰুত্ব বঢ়াই সৰ্বসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা আৰু চুতীয়া জাতিৰ ঐতিহাসিক দিশত কিছু পোহৰ পোৱাৰ আশাৰেই এইটো কৰা হৈছিল।

ইয়াৰ পাছৰ পৰা সভাপতিসকলক চুতীয়া জাতিৰ মাজৰ পৰাই নিৰ্বাচন কৰা হৈছে। অভিজ্ঞতাই প্ৰমাণ কৰে যে নিজ জাতিৰ অভাৱ-অসুবিধা, আশা-আকাঙ্খা আৰু আবেগ-অনুভূতিবোৰ উপলব্ধি কৰি তাৰ বাবে কাৰ্য কৰিবলৈ নিজ জাতিৰ মাজৰ মানুহৰ দ্বাৰাহে সম্ভৱ। উনবিংশ অধিবেশনলৈকে অধিবেশনবোৰত চুতীয়া জাতিক ঐক্যবদ্ধ কৰা, অৱক্ষয়ৰ পৰা ৰক্ষা কৰা, ইত্যাদি কামতে ব্যস্ত হৈ থাকিব লগা হৈছিল। কিয়নো পৰাধীন হোৱাৰ পাছৰ পৰাই চুতীয়া জাতিৰ অৱক্ষয় আৰম্ভ হৈছিল। ইয়াৰ মাজতে চুতীয়া জাতিৰ পিছপৰা অৱস্থাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি চুতীয়া জাতিৰ উপযুক্ত লোকক চৰকাৰী চাকৰি আৰু ছাত্ৰক বৃত্তি আদি দিয়াৰ বাবেও চৰকাৰৰ ওচৰত আবেদন জনোৱা হৈছিল; যদিও সেইবোৰৰ পৰা বিশেষ ফল হৈছিল বুলি ক'ব নোৱাৰি।

এই সময়ছোৱাত ভাৰতৰ স্বাধীনতা আন্দোলন প্ৰবল হোৱাত চুতীয়াসকলেও

---

১ *চুতীয়া জাতি সন্মিলনৰ সংক্ষিপ্ত ইতিবৃত্ত — শ্ৰীমতী কৃষ্ণলতা বৰুৱা।*

অসমৰ ঘাই সুঁতিৰ পৰা জাতিৰ মত আঁতৰি গ'লে ভাৰতৰ স্বাধীনতা আন্দোলন দুৰ্বল হয় বুলি চাইমন কমিচনৰ ওচৰতো চুতীয়া জাতিয়ে সংৰক্ষণ বা সুকীয়া প্ৰতিনিধিত্ব আদি দাবী কৰা নাছিল।

এই সন্মিলনবোৰৰ বিশেষ উল্লেখযোগ্য কাম হ'ল চুতীয়া জাতিৰ শেষ ৰাণী সতীসাধনী উৎসৱ সকলো ঠাইতে পালন কৰা। সেই উৎসৱৰ মাজেদি মহান বীৰাঙ্গণা আৰু পৰিত্ৰতাৰ প্ৰতীক ৰাণীগৰাকীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰাৰ লগতে চুতীয়া জাতিক আত্মসচেতন কৰা আৰু অতীত ঐতিহ্যৰ প্ৰতি সজাগ কৰি আত্মশক্তিক জগাই তোলা, মানসিক দুৰ্বলতা আঁতৰ কৰা।

বৰ্তমান চুতীয়া জাতিৰ জনসংখ্যা প্ৰায় দহলাখ হ'ব বুলি অনুমান কৰা হৈছে। কিন্তু জনসংখ্যা অনুপাতে চুতীয়া জাতিয়ে বিধানসভাত শাসনৰ বিভিন্ন স্তৰত, সৰ্বভাৰতীয় চাকৰি বা ৰাজ্যিক চৰকাৰী চাকৰি আদিতো উপযুক্ত প্ৰতিনিধিত্ব পোৱা নাই। চৰকাৰত প্ৰতিনিধিত্ব পোৱাৰ ক্ষেত্ৰতো এতিয়ালৈকে চল্লিছ বছৰৰ ভিতৰত বিধান সভাৰ অধ্যক্ষ এজন শ্ৰীদণ্ডেশ্বৰ হাজৰিকা, পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰী এজন শ্ৰীসোণেশ্বৰ বৰা, ৰাজ্য মন্ত্ৰী দুজন শ্ৰীদুৰ্গেশ্বৰ শইকীয়া আৰু শ্ৰীনগেন নেওগ, বিধান সভাৰ সদস্য শ্ৰীজয়চন্দ্ৰ বৰা, শ্ৰীতৰুণ চুতীয়া, শ্ৰীধৰ্মেশ্বৰ হাজৰিকা আৰু শ্ৰীবলোভদ্ৰ তামুলী মাত্ৰ। ইয়াতকৈ কম জনসংখ্যাৰ জাতিয়েও বেছি প্ৰতিনিধিত্ব পাইছে। সেইদৰে সৰ্বভাৰতীয় কোনো সেৱাতেই এতিয়াও এজনো চুতীয়া লোকে স্থান পোৱা নাই।

ইত্যাদি কাৰণত চুতীয়া জাতিয়ে বৰ্তমান ভাবিবলৈ বাধ্য হৈছে যে এইদৰে উন্নতিশীল জাতিসমূহৰ মাজত থাকি সাংবিধানিক সুৰক্ষা নেপালে কোনোদিনেই চুতীয়া জাতিয়ে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত উৎকৰ্ষ লাভ কৰিব নোৱাৰে আৰু আনৰ সমপৰ্যায়ৰ হোৱাৰ কথা কল্পনা হৈয়ে থাকিব। ই চুতীয়া জাতিৰ বাবে আৰু সামগ্ৰিক ভাবে অসম তথা ভাৰতৰ বাবেও কোনোৰূপেই মঙ্গলজনক নহয়।

অন্যহাতে চুতীয়া জাতিৰ মাজত যি অৱক্ষয় অতীতৰে পৰা চলি আহিছে সংৰক্ষণ নেপালে সেইদৰে গৈ শেষত চুতীয়া জাতিৰ অস্তিত্বই বিলোপ হ'ব। এখন গণতান্ত্ৰিক দেশত অন্যৰ হেঁচাত এটা জাতি সম্পূৰ্ণ বিলুপ্ত হৈ যোৱাটো এটা অতি পৰিতাপৰ কথা।

সেয়েহে চুতীয়া জাতিয়ে বৰ্তমান ভৈয়ামৰ এটা জনজাতি হিচাপে সাংবিধানিক সুৰক্ষা বিচাৰিছে; আৰু ১৯৮০ চনৰ পৰা এতিয়ালৈকে ভাৰতৰ সংবিধানৰ ষষ্ঠ সূচীত অন্তৰ্ভুক্ত কৰিবৰ বাবে ভাৰত চৰকাৰৰ ওচৰত আবেদন জনাই হেঁচা দিছে।

এই ইতিহাস পঢ়োতাসকলক চুতীয়া জাতি যে অতীতৰ পৰা এতিয়ালৈকে এটা জনজাতি সেই কথা বুজাবৰ আৱশ্যক নাই। ১৮৮১ চনৰ পৰা ১৯৬১ চনলৈকে ভাৰত চৰকাৰৰ লোকপিয়ল আৰু ডিষ্ট্ৰিক্ট গেজেটীয়াৰবোৰতো চুতীয়া জাতিক জনজাতি হিচাপে চিহ্নিত কৰা আৰু নথিভুক্ত কৰা হৈ আছে। গতিকে চুতীয়া জাতিৰ এই দাবী অমূলক বুলি ক'ব নোৱাৰি।

তেতিয়াৰ পৰা এতিয়ালৈকে কেইবাটাও সজাতি দলে ভাৰত চৰকাৰ আৰু অসম

চৰকাৰৰ ওচৰতো সেই দাবী প্ৰতিপন্ন কৰিবৰ চেষ্টা কৰি আহিছে। শেষতীয়া ভাবে ১৯৮৮ চনৰ ১২ জুনত গুৱাহাটীত বহা বিশেষ অভিৱৰ্তনেও এই দাবীৰ ওপৰত গুৰুত্ব দি ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ওচৰত পুনৰ স্মাৰক পত্ৰ দিবৰ সিদ্ধান্ত লয় আৰু সেইদৰে দুয়োটা চৰকাৰৰ ওচৰতে সজাতী দল গৈ এই দাবী প্ৰতিপন্ন কৰিবৰ চেষ্টা কৰিছে।

বৰ্তমান চুতীয়া জাতিৰ মাজত এক অভূতপূৰ্ব জাগৰণ দেখা গৈছে। তেওঁলোকে বৰ্তমান বিভিন্ন শাখা প্ৰশাখাৰ নামেৰে চিনাকি নিদি সকলোৱে সাধাৰণ ভাবে চুতীয়া বুলিয়ে চিনাকি দিয়ে। যোৱা ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহত গোলাঘাটৰ কমাৰ বন্ধাত বহা বাৰ্ষিক অধিবেশনলৈ অহা বিভিন্ন জিলাৰ প্ৰতিনিধসকলৰ উৎসাহ উদ্দীপনা অতি মন কৰিবলগীয়া। তেওঁলোকে নিজ জাতিৰ দুখ-দুৰ্দশাৰ কথা এতিয়া উপলব্ধি কৰিছে আৰু ঐক্যবদ্ধভাৱে নিজ জাতিৰ উন্নতিৰ বাবে কাম কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে।

বৰ্তমান চুতীয়া জাতিৰ চাৰিটা প্ৰধান দাবী হৈছে--

১) চুতীয়া জাতিক ভৈয়ামৰ জনজাতি হিচাপে স্বীকৃতি দি সংবিধানৰ ৬ষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা আৰু সাংবিধানিক সুৰক্ষা দিয়া।

২) সাধনী উৎসৱৰ দিন সাত বহাগৰ দিনটো চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰি চুতীয়া জাতিৰ ঐতিহ্যৰ স্বীকৃতি দিয়া আৰু বীৰাঙ্গণা সতী গৰাকীৰ ত্যাগ আৰু আত্মোৎসৰ্গৰ আদৰ্শ জনসমাজত দাঙি ধৰা।

৩) চুতীয়াৰ শেষৰাণী বীৰাঙ্গণা সতী সাধনীৰ স্মৃতিৰক্ষাৰ্থে ব্ৰহ্মপুত্ৰৰ ওপৰত ডিব্ৰুগড়ৰ ওচৰত দিব খোজা চতুৰ্থখন দলঙৰ নাম "সাধনী সেতু" দিয়া।

৪) চুতীয়া জাতিৰ ইতিহাসৰ ওপৰত গৱেষণাৰ ব্যৱস্থা কৰা।

এই সকলোবোৰৰ সাৰ্থকতা চুতীয়া জাতিৰ নিজৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ ওপৰতহে নিৰ্ভৰ কৰে।

*ওপৰঞ্চি ১*

## মোমাই তামুলী বৰবৰুৱা আৰু লাচিত বৰফুকনৰ গোষ্ঠী পৰিচয়

চুতীয়া জাতিৰ পৰম্পৰাগত বিশ্বাস আৰু প্ৰচলিত জনশ্ৰুতিমতে মোমাই তামুলী বৰবৰুৱা চুতীয়া জনগোষ্ঠীৰ। গতিকে তেওঁৰ সৰু পুত্ৰ লাচিত বৰফুকনো চুতীয়া জনগোষ্ঠীৰ। এই কথা চুতীয়া জাতিয়ে চিৰদিন ৰাজহুৱা ভাবে প্ৰকাশ কৰি আহিছে। চুতীয়া জাতি সন্মিলনৰ সভাপতিসকলৰ বিভিন্ন ছপা ভাষণাৱলীবোৰতো সেই কথা প্ৰকাশ পাই আহিছে।

চুতীয়া জাতিৰ এসময়ৰ বিধান সভাৰ সদস্য আৰু পাচত কেবিনেট পৰ্যায়ৰ মন্ত্ৰী হোৱা সোণেশ্বৰ বৰাদেৱে ১৯৬৫ চনতে বিধান সভাৰ মজিয়াতো সেই কথা প্ৰকাশ কৰিছিল। এই সম্বন্ধে তেতিয়া বা এতিয়ালৈকে কোনেও প্ৰশ্ন কৰা নাছিল। বা কৰা নাই।

সদ্যহতে চাও ইন্দ্ৰমোহন বৰুৱাই লিখা আৰু ১৯৮৭ চনত প্ৰকাশিত "মহাবীৰ লাচিত বৰফুকনৰ জীৱন বুৰঞ্জী আৰু বংশাৱলী" নামৰ এখনি সৰু পুস্তিকাত বীৰ লাচিত বৰফুকনৰ বুলি এখনি বংশাৱলী সন্নিবিষ্ট কৰা হৈছে। সেইমতে লাচিতৰ পূৰ্বপুৰুষ মুংৰি মুংৰামৰ আৰু চুকাফাৰ লগত অহা বুলি দেখুৱা হৈছে।

সেই পুস্তিকাত লাইলিট বুৰঞ্জীৰ সহায়েৰে লাচিতৰ বংশ পৰিচয় যেনে ধৰণেৰে দিয়া হৈছে সেয়া এনে ধৰণৰ--

অক্‌কাই মহঙৰ পুত্ৰ, মহং (ছেংত্যাংম্যুং); তেওঁৰ পুত্ৰ পুজাক্‌জি (হিটখুনমান্‌); তেওঁৰ পুত্ৰ মুচেন্টং (মুংৰিমুংৰাম); তেওঁৰ পুত্ৰ টওমুন্‌লাইচেং (চুকাফাৰ লগত); তেওঁৰ পুত্ৰ মহং; তেওঁৰ পুত্ৰ (ৰাজগুৰু) মচাই কা চেংডাম্‌; তেওঁৰ পুত্ৰ মচাইচেং কালুক। মচাইচেং কালুকৰ সাতজন পুতেকৰ জীৱিত পাঁচজন হ'ল ১। মাইচেং ২। মবাওলা ৩। টাউমুন্‌চেন্‌ ৪। লাচিত লাও ৫। লাপেটলাও। এই লাচিত লাওকে মহাবীৰ লাচিত বুলি কোৱা হৈছে। লাচিতৰ পাচত বৰ্তমানলৈকে অন্যসকলৰ নাম বংশাৱলীত দেখুৱা হোৱা নাই।

লাচিতৰ পিতৃয়ে দুগৰাকী বিয়া কৰাইছিল; এগৰাকী টিউৰা (কছাৰী); অন্যগৰাকী পাটৰ কুণ্ডী মৰাণ ফৈদৰ নাগেশ্বৰী আইদেউ।"[১]

লাচিতৰ পিতৃ মচাইচেং কালুকৰ লাচিতৰ সৰু অৱস্থাতে মৃত্যু হোৱাত লাচিতৰ মোমায়েক লাজুৱে ভিনিহিয়েকৰ ঘৰত থাকি সহায় কৰিছিল। লাজু মোমাইৰ বাৰী ঘৰৰ কাৰ্য দেখি ভাল পাই ৰজাই তেওঁক ৰাজকাৰেঙলৈ নি তামুলী বাব দিছিল। এওঁৰ অন্য এটা নাম শুকুতি। এওঁৱে পাছত মোমাই তামুলী বৰবৰুৱা নামে খ্যাত হয়।

লাচিতৰ বাল্যকাল চেংলুং অৰ্থাৎ চিলঙত কটোৱা বুলি কোৱা হৈছে। তাতে তেওঁ শৰীৰ চৰ্চা আৰু অস্ত্ৰ শিক্ষা কৰিছিল। পাচত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই তেওঁক বিচাৰি নি বৰসেনাপতি পাতি মুছলমানৰ বিৰুদ্ধে যুদ্ধলৈ পঠায়।

চাও ইন্দ্ৰমোহন বৰুৱাৰ এই পুস্তিকামতে মোমাই তামুলী বৰবৰুৱা লাচিতৰ মোমায়েক আৰু শৰাইঘাটৰ যুদ্ধত লাচিতে "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি এই মোমাইকে কাটিছিল।

শৰাইঘাটৰ যুদ্ধৰ পাচতে লাচিতৰ অন্তৰ্ধান হোৱা বুলি কোৱা হৈছে। আনহাতে মোমায়েকক কটা বাবে মোমায়েকৰ পুত্ৰসকল লাচিতৰ শত্ৰু হোৱাত লাচিতৰ পুত্ৰ পৰিয়ালসকল পলাই ফুৰিছিল আৰু তেওঁলোকৰ বংশ পৰিচয়ো গুপুত কৰি বংশাৱলীৰ পাতবোৰ অ'ত এখিলা ত'ত এখিলা কৰি ৰখা হৈছিল। চাও ইন্দ্ৰমোহন বৰুৱাই সেইবোৰৰ

---

১ *টিউৰা-টিউৰা, চুতীয়াৰে অন্য এটা নাম। কছাৰী, চুতীয়া একে বড়ো গোষ্ঠীৰ লোক। সেইদৰে মৰাণসকলো একে বড়ো গোষ্ঠীৰে আৰু চুতীয়াৰে এটা শাখা।*

পৰাই শুংসূত্ৰ উলিয়াই “লাইলিট” বুৰঞ্জীৰ সহায়ত ‘মহাবীৰ লাচিতৰ জীৱন বুৰঞ্জী আৰু বংশাৱলী” লিখা বুলি কৈছে। এইক্ষেত্ৰত এখিলা পাতত চাৰিটা শব্দ আৰু আন এখিলা পাতত দুটা শব্দ পাই তাকে সংযোগ কৰি অৰ্থ উলিয়াই লাচিতৰ জীৱন বুৰঞ্জীৰ সূত্ৰ পোৱা বুলি কৈছে।

এইক্ষেত্ৰত বিভিন্ন গ্ৰন্থ আৰু বুৰঞ্জীৰ মত এনে ধৰণৰ–

বিভিন্ন বুৰঞ্জীত পোৱামতে লাচিত বৰফুকনৰ পিতৃ মোমাই তামুলী বৰবৰুৱাহে, মচাইচেং কালুক নহয়। মোমাই তামুলী বৰবৰুৱা শৰাইঘাটৰ বীৰ লাচিত বৰফুকনৰ মোমায়েক নহয়; পিতৃহে।

পদ্মনাথ গোঁহাই বৰুৱাদেৱৰ অসম বুৰঞ্জীত শ্ৰীনাথ দুৱৰাৰ তুংখুঙীয়া বুৰঞ্জীৰ উদ্ধৃতিৰে লাচিত বৰফুকনক মোমাই তামুলী বৰবৰুৱাৰ সৰু ঘৈণীয়েকৰ সৰু পুত্ৰ বুলি লিখিছে।

তুংখুঙীয়া বুৰঞ্জীত আছে– “এওঁৰ পিছত ভায়েক চাৰিঙীয়া ৰজাই উদয়াদিত্য নামলৈ ৰাজপাটত বহে। এওঁৰ দিনত সেনাপতি মীৰ্জা ৰাজা জয় সিংহৰ পুতেক অম্বৰাধিপতি ৰামসিংহ মোমাই তামুলী বৰবৰুৱাৰ সৰুটো পুতেক লাচিত বৰফুকনৰ হাতত শৰাইঘাটৰ ৰণত পৰাস্ত হয়। ইয়াৰ পিছতে লাচিত বৰফুকনৰ মৃত্যু হোৱাত ককায়েক লালুক নিমাতী ফুকন বৰফুকন হ'ল।”

শ্ৰীনাথ দুৱৰা সম্ভ্ৰান্ত আহোম বংশৰ ৰঙাচিলা দুৱৰা পৰিয়ালৰ ৰঙাচিলা ফুকনৰ পৰিণাতি। ৰঙাচিলা ফুকনৰ মেচা, এজন বৰবৰুৱা আছিল। তেওঁৰ পুত্ৰ নন্দলাল। নন্দলালৰ পুত্ৰই হ'ল শ্ৰীনাথ দুৱৰা। শ্ৰীনাথ দুৱৰা প্ৰথমে ভিতৰুৱাল ফুকন আছিল আৰু বিভিন্ন উচ্চ পদবী পোৱাৰ পিছত ১৮০০ চনত বৰবৰুৱা হয়। ১৮০৪ চনৰ ৬ মাৰ্চত তুংখুঙীয়া বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰে। তেওঁ এজন উচ্চ পদস্থ বিষয়া হোৱাত আৰু ৰজা ঘৰৰ লগত পিতৃ পিতামহৰ দিনৰ পৰাই গভীৰভাৱে জড়িত থকাত ৰজাঘৰৰ কোনো কথাই নজনা নাছিল আৰু ৰজাঘৰীয়া সকলো নথি-পত্ৰ আৰু পুৰণি বুৰঞ্জী আদি সহজে চাব পাৰিছিল। বিশ্বস্ত মানুহৰ মুখেও সকলো খা-খবৰ সংগ্ৰহ কৰিব পাৰিছিল; গতিকে তেখেতৰ বৰ্ণনা ভুল বুলি ভাবিবৰ অৱকাশ নাই।

হিতেশ্বৰ বৰবৰুৱাদেৱে তেখেতৰ “আহোমৰ দিন” নামৰ গ্ৰন্থত মোমাই তামুলী বৰবৰুৱাৰ সাতজন পুতেক বুলি লিখিছে। তেওঁলোক হ'ল– (১) লালুকী সোলা বৰফুকন (২) বাদুলী (ৰজা শহুৰ) (৩) লাচিত বৰফুকন (৪) ভাৰধৰা (৫) অক্কা (৬) মৰঙ্গী (৭) দন্তকাৰী।

এই নামবোৰৰ ভিতৰত চাও ইন্দ্ৰ মোহন বৰুৱাদেৱৰ পুঁথিকাৰ নামৰ লগত কেৱল লাচিতৰ নামৰ বাহিৰে অন্য কোনো নামৰ মিল নাই। নিমিলিবৰে কথা; কিয়নো এই দুয়োটা সুকীয়া পৰিয়াল। চাও ইন্দ্ৰ মোহন বৰুৱা দেৱৰ মতে লাচিতৰ পিতৃ মচাইচেং কালুকহে।

চাও ইন্দ্ৰমোহন বৰুৱাদেৱৰ পুঁথিকাৰমতে লাচিত বৰফুকনে মোমাই তামুলী

বৰবৰুৱাকে দায়িত্বহীনতাৰ বাবে কাটিছিল। কিন্তু অন্য কোনো বুৰঞ্জীয়ে সেই কথা কোৱা নাই। মাত্ৰ মোমায়েকক কাটিছিল বুলিহে কৈছে।

মোমাই তামুলী বৰবৰুৱা নিজেই এজন ফুকন আছিল। তদুপৰিও তেখেত আহোম ৰাজত্বৰ এজন অতি উচ্চখাপৰ বিষয়া আৰু প্ৰশাসক আছিল; গতিকে লাচিত বৰফুকনৰ তলত তেওঁকে গড় মেৰামতিৰ দায়িত্ব দিছিল বুলি বিশ্বাস নহয়। মোমাই তামুলী বৰবৰুৱাই কোনো দায়িত্বহীন কাম কৰাৰ কথাও বিশ্বাস কৰিব নোৱাৰি। গতিকে লাচিতে কটাজন তেওঁৰ মোমায়েকহে মোমাই তামুলী বৰবৰুৱা নহয়। তদুপৰিও মোমাই তামুলী বৰবৰুৱাক কটা হ'লে তেওঁৰ জীৱনৰ ঘটনাৱলীৰ ক্ষেত্ৰতো কোনো নহয় কোনো বুৰঞ্জীত উল্লেখ থাকিলহেঁতেন।

গতিকে লাচিতে কটাজন মোমাই তামুলী বৰবৰুৱা হ'বই নোৱাৰে। মোমাই তামুলী বৰবৰুৱা লাচিতৰ পিতৃহে।

সেয়ে হ'লেও ইয়াৰ বাবেই লাচিতৰ বংশ পৰিচয় পুথি তিনিশ বছৰলৈ গুপুত কৰাৰ কোনো কাৰণ হ'ব নোৱাৰে।

গোলাপ চন্দ্ৰ বৰুৱা সম্পাদিত টাই ভাষাৰ আহোম বুৰঞ্জীৰ ইংৰাজী অনুবাদত আছে– Lachit Phukan, the son of Barbarua of Lanphima family to proceed to Kaliabar to construct a fort there. এই মতেও লাচিত বৰফুকন মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ।

১৭ শ শতিকাৰ পৰা আহোম বুৰঞ্জীবোৰ অসমীয়া ভাষাতে লিখিবলৈ লৈছিল। গতিকে টাই ভাষাৰ আহোম বুৰঞ্জীখন লাচিতৰ সময়তে লিখা হ'ব লাগিব; আৰু সেয়ে হ'লে লাচিতৰ সমসাময়িক। গতিকে তাত মোমাই তামুলী বৰবৰুৱা আৰু লাচিতৰ সম্বন্ধৰ বিষয়ে ভুল হোৱাৰ কোনো সম্ভাৱনা নাই।

পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত "পুৰণি অসম বুৰঞ্জী"ত আছে "সেই বেলা বৰবৰুৱাৰ পুতেক লাচিতক বৰফুকন পাতিলে" এই মতেও লাচিত মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ।

হিতেশ্বৰ বৰবৰুৱাদেৱে লিখা 'আহোমৰ দিন' নামৰ গ্ৰন্থৰ অন্য এঠাইত আছে – "তাত পাছে চেংধৰা লুথুৰীকো বৰফুকন ভাঙি মহাৰাজা স্বৰ্গদেৱে এক শহুৰ (এওঁৰ নাম বাদুলী; মোমাই তামুলী বৰবৰুৱাৰ পুতেক, বিখ্যাত লাচিত বৰফুকনৰ ককায়েক) বাদুলীক ৰজা– শহুৰ নাম দি বৰফুকন পাতিলে।

সূৰ্য কুমাৰ ভূঞাদেৱৰ "লাচিত বৰফুকন" নামৰ গ্ৰন্থত আছে–

"লাচিত বৰফুকন কোন? তেওঁ আছিল দিল্লীৰ সম্ৰাট জাহাংগীৰ আৰু চাজাহান বাদচাহৰ দিনৰ মোগলৰ লগত হোৱা যুদ্ধত অসমৰ সেনাপতি মোমাই তামুলী বৰবৰুৱাৰ নুমলীয়া পুতেক। সামান্য অৱস্থাৰ পৰা মোমাই তামুলী বৰবৰুৱা হৈছিল। ৰাজ্যৰ সৰ্বপ্ৰধান কাৰ্য, বিচাৰক, এই দুয়ো বিষয়ৰ ভাৰ আছিল বৰবৰুৱাৰ গাত।"

"তেওঁৰ নাম শুকুতি, কিন্তু মোমাই বুলিহে বেছিকৈ জনাজাত। তেওঁ সাধাৰণ

বনুৱা হিচাপে চাৰি টকা ৰূপৰ কাৰণে ভাগিনীয়েকৰ ঘৰত বন্ধা হৈ কাম কৰিছিল।"

সেই গ্ৰন্থতে আছে– "মোমাই তামুলীৰ জীয়েক পাখৰী গাভৰু স্বৰ্গদেউ জয়ধ্বজ সিংহৰ কুঁৱৰী আছিল। সম্রাট ঔৰংজেবৰ তৃতীয় পুত্ৰ চুলতান আজম তৰাৰ মহিষী ৰমণী গাভৰু জয়ধ্বজ সিংহ আৰু পাখৰী গাভৰুৰ সন্তান। মোমাই তামুলীৰ পুত্ৰসকলেও ৰাজ্যৰ ওখ বিষয় ভোগ কৰিছিল।"

আৰু আছে– "দেউতাক মোমাই তামুলী বৰবৰুৱাৰ ৰাজধানীত, থকা ঘৰ, চ'ৰাৰ দৈনন্দিন কাৰ্যাৱলীৰ পৰাই লাচিতে পোনপ্ৰথমে শিক্ষা পাইছিল। এই চ'ৰাই তেওঁৰ পক্ষে শিক্ষা বাহৰ আৰু বিদ্যালয় স্বৰূপ।"

এইবিলাক উক্তিয়ে প্ৰমাণ কৰে যে লাচিত বৰফুকন মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ।

গোলাপ চন্দ্ৰ বৰুৱা সম্পাদিত টাই ভাষাৰ আহোম বুৰঞ্জীৰ এঠাইত আছে-- Thakumtha was created Lukhurakhan. Railing of a Borahi family as he came to pay his annual tribute was established in a place which was named after him. Lanphima was made Tamuly and after him. Lanphima was made Tamuly and afterwards Barbaruah. Mumai Tamuly was of Lukhurakhan family" থাকুমথা বৰাহীসকলৰ ৰজা আছিল। গতিকে তেওঁ চুতীয়া জনগোষ্ঠীৰেই। লুখুৰাখন খেল যে প্ৰথমে চুতীয়া জনগোষ্ঠীৰ লোকেৰে গঠিত এই কথাই ইয়াকে সূচায়। লুখুৰাখন খেলত প্ৰথমে বৰাহী বা চুতীয়া জনগোষ্ঠীৰ লোকেই প্ৰধানকৈ আছিল।

সূৰ্য কুমাৰ ভূঞা সম্পাদিত সাতসৰি অসম বুৰঞ্জীত আছে– "দুজনা গোঁহায়ে বোলে ল'ৰাৰে একে শাৰীতে বহিব দিছে; ভাল বহিম; হাতীমূৰ আহোম দিব নোৱাৰোঁ। ৰজাদেৱে বোলে– নেলাগে সিহঁতৰ মানুহ। এই বুলি বৰাহী, চুতীয়া, লুখুৰাখন, আৰে দহ হাতীমূৰ পাতি দিলে।"

ইয়াৰ পৰা দেখা যায় যে লুখুৰাখন খেলৰ মানুহবোৰ প্ৰথমে আহোম নাছিল। সেয়েহে লুখুৰাখন খেল প্ৰথমে সাতঘৰীয়া আহোমৰো অন্তৰ্ভুক্ত নাছিল।

সাতসৰি বুৰঞ্জীৰে অন্য এঠাইত আছে– "সকলোৱে (বাইলুংসকলে) চাই বোলে -- স্বৰ্গদেৱৰো পাত্ৰমন্ত্ৰীৰো কিছু নাই; স্বৰ্গদেৱৰ মুখ্যমন্ত্ৰীটো মৰিব। ৰজাদেৱে বোলে-- মোৰ মন্ত্ৰী জেঠেৰীহে; সেয়ে যদি মৰিব মইনো ৰজা কোনেৰে হম? আৰ ৰক্ষাৰ কি উপায় আছে? সিহঁতে বোলে যদি স্বৰ্গদেৱে কেৱে নজনাকৈ তাৰ ল'ৰা-তিৰোতা বন্দী বেটী ধন সৰ্বস্ব সকলো আনি-- বৰুৱাক ভাঙি ঘৰতে এক বৎসৰ হ'ব তেবে ৰক্ষা পৰিব। ৰজাদেৱে বোলে ভাল।"

মোমাই তামুলী বৰবৰুৱা ৰজাৰ জেঠেৰীয়েক আছিল। মোমাই তামুলীৰ এজনী ভনীয়েক গন্ধেশ্বৰী আইদেউ ৰাজ মহিষী হৈছিল। তেওঁক প্ৰতাপ সিংহ স্বৰ্গদেৱে বিবাহ কৰিছিল।

চাও ইন্দ্ৰ মোহন বৰুৱা দেৱৰ পুথিকামতে লাজু মোমায়েই মোমাই তামুলী বৰবৰুৱা। মোমাই তামুলীৰ বায়েক নাগেশ্বৰী আইদেউক মচাইচেং কালুকে আৰু

ভনীয়েক গন্ধেশ্বৰী আইদেউক ৰজাই বিয়া কৰিছিল। এওঁলোক পাটৰকুন্তী মৰাণ ফৈদৰ; আৰু চুতীয়া জনগোষ্ঠীৰ। গতিকে মোমাই তামুলী বৰবৰুৱা চুতীয়া জনগোষ্ঠীৰ।

হেমচন্দ্ৰ গোস্বামী সম্পাদিত পুৰণি অসম বুৰঞ্জীত আৰু আছে– "পণ্ডিত মঙ্গ এঘৰ, তাৰেপৰা অহা ফমফিন এঘৰ। হাতীমাউত মোমাই তামুলী মহাৰাজাৰ বেটীৰ ল'ৰা।"

লুখুৰাখন খেলৰ কথা লিখোতে এওঁলোককে লুখুৰাখন বুলি লিখিছে। ৰজাসকলে লোৱা বন্দী বেটীবোৰ বৰাহী, মৰাণ, চুতীয়া আদি চুতীয়া জনগোষ্ঠীৰেই আছিল।*[১]

এইবিলাক উক্তিৰ পৰা দেখিবলৈ পোৱা যায় যে লাচিত বৰফুকন মোমাই তামুলী বৰবৰুৱাৰ. পুত্ৰ আৰু তেওঁ চুতীয়া জনগোষ্ঠীৰে। অৱশ্যে লাচিতৰ বৰ্তমান বংশ পৰিয়ালসকলে আহোম বুলি পৰিচয় দিব পাৰে। এইটো সৰ্বজনবিদিত যে আহোম ৰজাই নিবন্ধ কৰা খেলবোৰত ভুক্ত কৰা প্ৰায়বোৰ চুতীয়া জনগোষ্ঠীৰ লোকেই পাছত নিজকে আহোম বুলিয়ে পৰিচয় দিয়া হৈছে বা দিছে। এতিয়াও তেনে অনেক পৰিয়াল আছে যিবোৰে বৰ্তমানে গগৈ, কোঁৱৰ, বৰা, বৰুৱা আদি উপাধি লিখি আহোম বুলি পৰিচয় দিয়ে কিন্তু সৌ সিদিনালৈকে তেওঁলোকৰ পিতৃসকলে চুতীয়া উপাধিহে লিখিছিল। ভূমি বন্দবস্তিৰ জমাবন্দী চালেও সেইবোৰ ওলাই পৰিব।

বুৰঞ্জীত কেইবাজনো লাচিতৰ নাম উল্লেখ পোৱা যায়।

হিতেশ্বৰ বৰবৰুৱা দেৱে লিখা আহোমৰ দিন নামৰ গ্ৰন্থত আছে– "ডাউকী, ডাউচী, ইহঁতৰ দুই জীয়ৰীক ৰজা দেৱে নি ধলা (ধবলা) কুঁৱৰী, কলীয়া কুঁৱৰী বুলিছিল। দুয়ো অপুত্ৰক আছিল, দুটা নগা ল'ৰাক তোলনীয়াকৈ ললে। পাছে দুই কুঁৱৰীৰ মৃত্যু হ'লত সেই দুই কুঁৱৰীৰ ভাত বঢ়াবলৈ সেই নগাৰ এক ল'ৰাক দিলে; নাম দিলে থাওপাম। তাকে জপৰাজল চেটিয়া বুলিলে। ৰজাদেৱে থাওপামক পো বোধে তুলিলে আৰু উজনীয়া খেল দিলে। ইটো ল'ৰাৰ নাম দিলে লাচিত। তাক নি দিহৈত মাটিবাৰী দি পতিলে। ঘোঁৰা কোঁৱৰ নাম দিলে।"

এই গ্ৰন্থৰে (আহোমৰ দিন) আন এঠাইত আছে– "তাৰ পুতেকইঁতক কলীয়াবৰত পানী সিয়া পাতিলে। তাৰে এটাক হাজোৰ যুদ্ধত আপাহ পাই নাম দিলে লাচিতৰ ডেকা; কুলত এইঘৰ চুতীয়া।"

এইদৰে মচাইচেং কালুকৰ এজন পুত্ৰৰ নামো নিশ্চয় লাচিত আছিল। এই লাচিতৰ মোমায়েক মোমাই তামুলী বৰবৰুৱা; কিন্তু সেই লাচিত শৰাইঘাটৰ বীৰ লাচিত নহয়।

মোমাই তামুলী বৰবৰুৱাই এই লাচিত ভাগিনিয়েকৰ ঘৰত বা মচাইচেং কালুকৰ ঘৰতে প্ৰথম অৱস্থাত বন্ধা হৈ কাম কৰাটো সম্ভৱ। সূৰ্য কুমাৰ ভূঞা দেৱৰ 'লাচিত বৰফুকন' নামৰ গ্ৰন্থত আছে– "এদিন তেওঁ চৰাইদেওলৈ যোৱা আলিৰ কাষত পথাৰত

---

১ *লুখুৰাখন– "চুতীয়াৰ চান্দ ভৰালী ঘৰে ৰজাদেৱক কচু লক্ষা দিব লাগে। মৰাণৰ ঘৰে খৰি দিব লাগে; লুখুৰাখনে মৰা নিব লাগে, মৰাৰ লগত যাব লাগে।"*

*-- আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা পৃঃ ১২৪*

আলি দিবলৈ কোৰেৰে কাম কৰি আছিল। .........স্বৰ্গদেউ প্ৰতাপ সিংহ মহাৰাজে বাটেৰে যাওঁতে শুকুতিক কাম কৰি থকা দেখা পালে আৰু তেওঁ ধাননি পথাৰত চিকুণকৈ আলি দিয়া দেখি স্বৰ্গদেৱে সন্তোষ পালে। মানুহৰ গুণৰ প্ৰতি স্বৰ্গদেৱৰ দৃষ্টি অতি চোকা আছিল। স্বৰ্গদেৱে মোমাইক ভাগিনীয়েকৰ পৰা মোকোলাই নি পোনতে তিপমীয়া ৰাজখোৱা আৰু পাছলৈ বাৰীচোৱা বৰতামুলী পাতিলে।"

১৯৮৯ চনৰ ৮ মাৰ্চ তাৰিখৰ অগ্ৰদূত কাকতত শ্ৰীৰিপুনাথ বুঢ়াগোঁহাইদেৱে "চকৰী ফেটী" বুৰঞ্জীৰ উদ্ধৃতি দি লিখিছে— "স্বৰ্গৰাজাৰ লগত অহা ফিমাকৰ ঘৰকে বোলে মোমাই তামুলীৰ ঘৰ। এই মৰাৰ লগত দিব লগা লুখুৰাখন। মোমাই তামুলীৰ পুতেক লালুকি, লাচিত, ভাৰধৰা, অঙ্কা, মৰঙ্গী, বাদুলী আৰু দন্তকৰীয়া, এই সাত পুতেক জাতত লুখুৰাখন।"

স্বৰ্গদেউ চুকাফা আহোতে তেওঁৰ লগত ১০৮০ জন পুৰুষ লোক মাত্ৰ অহা বুলি বুৰঞ্জীত উল্লেখ আছে। বাটত আহোতে বিভিন্ন ঠাইৰ পৰাও বহুলোকে তেওঁৰ লগ লৈছিল। যাকে য'তে ভাল পাইছিল লগত লৈ আহিছিল। সেই কথা উল্লেখ কৰি হিতেশ্বৰ বৰবৰুৱাদেৱে তেখেতৰ আহোমৰ দিন নামৰ গ্ৰন্থত লিখিছে— "আহোতে বাটত কতো দহ, কতো বাৰ, কতো তিনি; কতো দুই, কতো এক এই ক্ৰমে মানুহ পাই তাকো হাত কৰি মেৰাই লৈ আহিল। সেই মানুহ কতো চুতীয়া, কতো মৰাণ, কতো বৰাহী। এই মানুহ বিস্তৰ হ'ল।" (পৃঃ ১৯)

গতিকে স্বৰ্গদেউ চুকাফাৰ লগত অহা সকলো মানুহ টাই জাতিৰ নাছিল। বাটত লগ পোৱা চুতীয়া, মৰাণ, বৰাহীসকলো আহিছিল।

মোমাই তামুলী আৰু সাত পুতেকক "জাতত লুখুৰাখন" বুলিছে। এই কথাই ইয়াকে সূচায় যে লুখুৰাখনসকল টাইজাতিৰ নহয়। লুখুৰাখন খেল স্বৰ্গদেউ চুকাফাই প্ৰথমে বৰাহী আদি চুতীয়া জনগোষ্ঠীৰ লোকেৰেহে সৃষ্টি কৰিছিল। সেয়েহে তেওঁলোক প্ৰথমে সাতঘৰীয়া আহোমৰ ভিতৰত নাছিল। সেইদৰে সাতসৰি অসম বুৰঞ্জীত আছে — "আমাৰ ৰজায়ো বঁটা বাহন বিস্তৰ দিলে; কন্যাকো দিলে। পূৰ্বে যি চুকাফায়ে যি বৰাহী মৰাণ পালে থামিথুমা, থাকুনথা, থাকুনখুন এতিয়া তাৰ নাতি পুতিক চৰগুৱা পাইবেলাত, দিহিঙত, জাজিত, বাঘচৌত কতোক লঙ্ককত পাতিলে। আনো থানে থানে পাতিলে। এই চাৰিক চুতীয়া নাম দিলে। সামান্য বৰাহী, মৰাণ, চুতীয়া, কছাৰী, লুখুৰাখন, ইইঁতৰ যি মানুহ হই তাৰ নাম নাকাটিব, চেতিয়া বুলিব। আহোমক নুবুলিব। চুতীয়া হিন্দুমতে। পূৰ্বতে আহোমৰ নাম হৰাল। পুৰণি মিহলি হ'ল। জনাবোৰতে চিন ৰ'ল। তাক ৰাখিব দিলে।"[১] এই মতেও লুখুৰাখনসকল টাই জাতিৰ আহোম নহয়।

---

১ *সাতসৰি অসম বুৰঞ্জী— সম্পাদনা সূৰ্য কুমাৰ ভূঞা— পৃঃ ১৫।*
*৮-১০-৯০ তাৰিখৰ অসম বিধান সবাত বিধায়ক শ্ৰীবিনয় খুংগুন বসুমতাৰীৰ উক্তিৰ "নতুন দৈনিক'ত প্ৰকাশিত (৯-১০-৯০) বাতৰিৰ অংশবিশেষ "তেওঁ কয় যে বিৰাম বড়োৰ হাতত কিছুমান সাচিপতীয়া নথি আছিল। এই সাচিপাতবোৰত লাচিত বৰফুকন কছাৰী জাতিৰ চুতীয়া সম্প্ৰদায়ৰ বুলি উল্লেখ আছে।"*

আনহাতে মোমাই তামুলী বৰবৰুৱা পাটৰ কুন্তী মৰাণ ফৈদৰ মচাইচেং কালুকৰ পত্নী নাগেশ্বৰী আইদেউ আৰু ৰাজ মহিষী গন্ধেশ্বৰী আইদেউৰ ভ্ৰাতৃ। গতিকে তেওঁ, তেওঁৰ সুযোগ্য পুত্ৰ লাচিত বৰফুকন যে চুতীয়া জনগোষ্ঠীৰ ইয়াত কোনো সন্দেহ থাকিব নোৱাৰে।

অসম দেশৰ বুৰঞ্জী নামৰ গ্ৰন্থৰ ২৯৯-৩০০ পৃঃত ডঃ লক্ষ্মী দেবীয়ে লিখিছে — "কীৰ্তি চন্দ্ৰ বৰবৰুৱাই এই কথা জানিব পাৰি পুথিখন অনাই স্বৰ্গদেৱৰ আগত দেখুৱালে আৰু লগতে নৰা দেশৰ পৰা নিজৰ আত্মীয় মানুহ আনি প্ৰমাণ কৰিলে যে তেওঁ পুৰণি সম্ভ্ৰান্ত আহোম পৰিয়ালৰ লোকসকল আহোম নহয়।"

এইক্ষেত্ৰত এই উক্তি যথেষ্ট তাৎপৰ্যপূৰ্ণ।

## ওপৰঞ্চি ২

# কুশল কোঁৱৰৰ বংশ পৰিচয়

কুশল কোঁৱৰ চুতীয়াৰ বীৰপাল বংশৰ নৱম ৰজা সত্যনাৰায়ণৰ পৰিনাতি। ৰজা সত্যনাৰায়ণৰ চাৰি পুত্ৰ-- ৰজা ধীৰনাৰায়ণ (১০ম ৰজা), কাচীতৰা (মন্ত্ৰী), নামচিং আৰু কাপোৰতৰা। আহোমৰ লগত শেষ যুদ্ধত ধীৰনাৰায়ণ আৰু কাচীতৰাৰ মৃত্যু হয়। নামচিং আৰু কাপোৰতৰা পলাই যায়। ঘটনাক্ৰমে আহোম ৰজাই তেওঁলোকৰ সম্ভেদ পাই তেওঁলোকক মতাই নিয়ে আৰু আশ্ৰয় দিয়ে, নামচিঙৰ এক সন্তানৰ মাতৃ, সুন্দৰী বিধবা কন্যাক চমুৱা কুঁৱৰী হিচাপে ৰজাই বিয়া কৰায় আৰু নামচিং আৰু কাপোৰতৰাক গজপুৰত স্থাপন কৰে।

নামচিং আৰু কাপোৰতৰাৰ সাতজন পুতেক হয়। তাৰে ২য় জনৰ মৃত্যু হয়। বাকী কেইজন শক্তিশালী হ'লে আহোম ৰজাৰ সিংহাসন প্ৰত্যাহ্বান কৰে বুলি ভয় কৰি সাতজন ককাই ভাইৰ (১) এজনক যোৰহাট ন-গড়ৰ চুক তৰাজানৰ ওচৰত (বৰ্তমানৰ উচ্চ বালিকা বিদ্যালয়) (২) এজনক যোৰহাটৰ চাৰিঙ্গীয়াত (৩) এজনক তিতাবৰৰ বচা পথাৰৰ ওচৰত (৪) এজনক শিৱসাগৰৰ আমগুৰিত (৫) এজনক নগাঁৱৰ এডলীয়াবৰ বোলা ঠাইত আৰু (৬) এজনক উত্তৰ লক্ষীমপুৰত পৃথক পৃথক খেলত সুমুৱাই ঠাই ঠাই কৰি নিঠৰুৱা কৰি পেলালে। সেইদিন ধৰি চুতীয়া ৰাজকুমাৰৰ সতি-সন্ততি ৰাজসম্মান ৰহিত হ'ল আৰু ৰাজপৰিয়ালৰ লোক বুলি কোনেও চিনি নোপোৱা হ'ল। এইসকলৰ সতি-সন্ততি ঠায়ে ঠায়ে এতিয়াও আছে।

বচা পথাৰৰ বৰহোলাৰ ফালে মেলা পৰিয়ালৰ সতি-সন্ততি বৰ্তমান সৰুপথাৰ গহ্বকৰই গাঁৱত বসতি কৰিছে। ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামৰ বীৰ কুশল কোঁৱৰ এই

ফৈদৰ সন্তান। এওঁৰ সমাধি যোৰহাট জেলৰ ওচৰতে উত্তৰ পূব ফালে আছে।

ওপৰত উল্লেখ কৰা সাতজন ককাই-ভাইৰ ভিতৰত ইতিপূৰ্বে পৰলোকপ্ৰাপ্ত হোৱাজনৰ বিধবাগৰাকীৰ সৈতে পৰিয়ালটি যোৰহাট অঞ্চলৰ ন-গড়ৰ চুকৰ তৰাজানত থোৱাজনৰ লগত জাপি দিয়া হৈছিল। এই দুই পৰিয়ালৰ জীৱিত থকাজনৰ পৰিয়ালটি "চকৰী ফেটী" আৰু মৰাণৰটি "বলিয়া পৰিয়াল" বুলি প্ৰখ্যাত।

যোৰহাটৰ ন-গড়ৰ চুক তৰাজানত থোৱাজনৰ বিধবাগৰাকীৰ সৈতে চাউদাং খেলত সুমাই দিয়া হৈছিল। সেইদেখি এই দুটা পৰিয়ালৰ সতি-সন্ততিসকল "চুতীয়া চাউদাং" নামেৰে জনাজাত হ'ল। এইসকলৰ নাতিপুতি বৰ্তমান যোৰহাট অঞ্চলৰ জেইলৰ ওচৰতে আছে আৰু তেওঁলোকক "চুতীয়া চাউদাং" বোলে। এওঁলোক যোৰহাটবাসী অন্য চাউদাঙৰ পৰা স্বভাৱতে পৃথক। এওঁলোকৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ, ভাব-গতি আন চাউদাঙতকৈ অলপ ওখ ধৰণৰ। এওঁলোক আৰু অন্য চাউদাঙৰ মাজত জাতীয় সহানুভূতি বহুত অভাৱ দেখা যায়। পাৰিতপক্ষে এওঁলোকে অইন চাউদাঙৰ লগত বৈবাহিক সম্বন্ধ ৰাখিবলৈ ইচ্ছা নকৰে।

যোৰহাট অঞ্চলৰ চাৰিঙ্গীয়াত থোৱাজনক চাৰিঙ্গীয়া খেলত সুমুৱাই দিয়া হয়। এইজনৰ নাতিপুতি বৰ্তমান সেই ঠাইতে চুতীয়া খেলতে আছে। এই পৰিয়ালৰ বৰ্তমান ঘাইজনৰ নাম ভৰালী চুতীয়া।

বচা পথাৰৰ বৰহোলাত মেলাজনক কোন খেলত সুমাই দিয়া হৈছিল তাক জনা নেযায়। কিন্তু এই পৰিয়ালৰ সতি-সন্ততিয়ে বৰ্তমান আহোম বুলিহে পৰিচয় দিয়ে আৰু নামৰ পাচত কোঁৱৰ আৰু কোনোৱে বৰুৱা লিখে। আটাইৰে গৌৰৱৰ স্থল কুশল কোঁৱৰ এই পৰিয়ালতে জন্ম। কিছু বছৰৰ পূৰ্বে এই পৰিয়ালৰ প্ৰধান মানুহ আছিল মনি বাহাদুৰ। যেনে নাম তেনে কাম আছিল। মনি বাহাদুৰ, থাটাং, সোণাৰাম, কুশল। এওঁলোক দৰব ধৰা ফৈদৰ সন্ততি।"*১

(বংশ পৰিচয়ৰ ৰেখা চিত্ৰ ইয়াৰ পাছত দিয়া হৈছে)

## ওপৰঞ্চি ৩

# বেংমৰাৰ চুতীয়া ৰজা সৰ্বানন্দ সিংহৰ বংশ পৰিচয়

ডঃ পবন চন্দ্ৰ শইকীয়াৰ "দেউৰী চুতীয়া" নামে গ্ৰন্থত পোৱা মতে সৰ্বানন্দ সিংহৰ বংশ পৰিচয় তলত দিয়া হ'ল।

---

১ *অসমৰ খণ্ড বুৰঞ্জী-- তোলন চন্দ্ৰ শইকীয়া-- পৃঃ ৪৭, ৪৮। (অধ্যায়-- চুতীয়া বুৰঞ্জীৰ এক আধ্যা)। অসম সাহিত্য সভা পত্ৰিকা ২য় বছৰ ২য় সংখ্যা-- পৃঃ ৭১।*

# কুশল কৌৱৰৰ বৈখিক বংশ চিত্ৰ

**চুতীয়াৰ ৯ম সত্যনাৰায়ণ বা কৰ্মধ্বজপাল**

- চুতীয়াৰ দশম ৰজা ধীৰনাৰায়ণ বা ধৰ্মধ্বজপাল
- মন্ত্ৰী কাচিতৰা
  - (দুয়ো) আহোমৰ লগত শেষ যুদ্ধত মৃত্যু হয়
- নামচিং
- কাপোৰতৰা
  - (দুয়ো) দুয়ো যুদ্ধৰ শেষত পলাই যায় পাচত আহোম ৰজাই দুয়োকে আশ্ৰয় দি গজপুৰত স্থাপন কৰে

**দুয়োৰে সাতজন সন্তান**

- নামচিঙৰ বিধবা কন্যা (এক সন্তানৰ মাক)ক আহোম ৰজাই চমুৱা কুৱৰী ৰূপে গ্ৰহণ কৰে
  - বিধবা কন্যাৰ আগৰ সন্তানক হাতীবৰুৱা বিষয় দান। এওঁ চুতীয়াৰ এফৈদ
  - এই ফৈদত ৰোহিনীকুমাৰ হাতী বৰুৱাৰ জন্ম
- (১) যোৰহাটৰ চৰাজানত (দেপাতত) স্থাপন
  - চকৰীফেটী পৰিয়াল
- (২) এওঁৰ মৃত্যু পোৱাত ১ম পৰিয়ালৰ কাষত স্থাপন
  - বলিয়া পৰিয়াল
  - এই দুই পৰিয়াল চুতীয়া চাউদাং নামে খ্যাত
  - চকৰীফেটী পৰিয়ালৰ ঘিনাই মানৰ হাতত বন্দী
- (৩) যোৰহাটৰ চাকিলীয়াত স্থাপন
  - এওঁলোক চুতীয়া খেলত
  - এই পৰিয়ালৰ ঘাইজনৰ নাম ভৰালী চুতীয়া
- (৪) তিতাবৰ বচা পথাৰত স্থাপন
  - বচাপথাৰ বৰহোলাৰ এই পৰিয়ালৰ সতি সন্ততিসকলৰ পাচত সৰু পথাৰৰ গঞ্জকৰই গাঁৱত বসতি
  - কুশল কৌৰৰ এই ফৈদৰ সন্তান; বৰ্তমান আহোম বুলি পৰিচয় দিয়ে কৌৱৰ বৰুৱা আদি উপাধি লিখে
- (৫) শিৱসাগৰৰ আমগুৰিত স্থাপন
  - এওঁলোক চাৰিকীয়াখেলত সতি সন্ততিসকল এতিয়াও চুটী
- (৬) নগাঁৱৰ এডেলীয়াত স্থাপন
  - কোন খেলত সুমুৱ জনা নেযায় বৰ্তমানেও চুতীয়া? খেলত
- (৭) উত্তৰ লক্ষীমপুৰত স্থাপন
  - এই পৰিয়ালৰ বিষয়ে জনা নেযায়

*(বৈখিক বংশ চিত্ৰ তোলন চন্দ্ৰ শইকীয়া লিখিত অসমৰ খণ্ড বুৰঞ্জীৰ সহায়ত কৰা হৈছে।)*

বীৰবৰ (১০৯১-১১১৬), সৰ্গনাৰায়ণ (১১১৬-১১৪৪), শঙ্খনাৰায়ণ (১১৪৪-১১৬৯), নীতিপাল (১১৬৯-১১৯৪), অনীতিপাল (পখিধৰ) (১১৯৪-১২১৯), দেপালসেন (১২১৯-১২৪৪), চন্দ্ৰচুত (১২৪৪-১২৬৯), ভীম (১২৬৯-১২৯৪), ভীষ্মক (১২৯৪-১৩১৯), ৰুক্মবাহু (১৩১৯-১৩৪৪), বীৰবাহু (১৩৪৪-১৩৬৯), কুন্তভুজ (কুন্তি) (১৩৬৯-১৩৯৪), বীৰসেন (১৩৯৪-১৪১৯), মাধয়সেন (১৪১৯-১৪৪৪), মধু (১৪৪৪-১৪৬৯), হৰিদাস (১৪৬৯-১৪৯৪), বিতিবিজ (১৪৯৪-১৫১৯), সম্ভু (১৫১৯-১৫৪৪), জয়মালি (১৫৪৪-১৫৬৯), অহিবৰ (১৫৬৯-১৫৯৪), খিকবৰ (১৫৯৪-১৬১৯), ৰাতিবৰ (১৬১৯ ১৬৪৪), সিন্ধু (১৬৪৪-১৬৬৯), মৃত্যুঞ্জয় (১৬৬৯-১৬৯৪), মতিমান (১৬৯৪-১৭১৯), মধুপুৰি (১৭১৯-১৭৪৪), মধুৰি (১৭৪৪-১৭৬৯), মৰুত মন্দন (১৭৬৯-১৭৯৪), সৰ্বানন্দ সিংহ বা মেজেৰা (১৭৯৪-১৮০৫), মাটিবৰ (১৮০৫-১৮৩৯), মাটিবৰৰ পুত্ৰ— চুৰত, পেলন, পিৰিকা, খোৰা, (জুতবৰ), ভোগবৰ, ভগিৰথ, ৰবিবৰ, ভগিৰথ (১৮৩৯-১৮৪), ভগিৰথৰ পুত্ৰ-- মালিবৰ, বিৰোবৰ, বিৰবৰ মনোবৰ, মাইলন; বীৰবৰৰ পুত্ৰ— লক্ষেশ্বৰ গোঁহাই, বিৰোবৰৰ পুত্ৰ-- ভক্তিবৰ।

**লক্ষেশ্বৰ আৰু ভক্তিবৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা মাহিলি পেঞ্চন পাইছিল। ভক্তিবৰৰ ১৯৫২ চনত মৃত্যু হয়।**

## ওপৰঞ্চি ৪

**১৯২৫ চনৰ পৰা ১৯৮৯ চনলৈকে বহা চুতীয়া সন্মিলনৰ মূল ২৩টা অধিবেশনৰ অভ্যৰ্থনা সভাৰ সভাপতি; মূল সভাৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল।**

**১ম অধিঃ— ১৯২৫ গোলাঘাট (ঢেকীয়াল); অঃসঃ— হেমধৰ পাত্ৰ এম,এল,চি; মূঃসঃ -- ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ; সাঃসঃ— ভ্ৰমৰ চন্দ্ৰ শইকীয়া।**

**২য় অধিঃ— ১৯২৭ নগাঁও (ৰহা); অঃসঃ— গোপীনাথ বৰদলৈ; মূঃসঃ— নীলমনি ফুকন; সাঃসঃ-- ভ্ৰমৰ চন্দ্ৰ শইকীয়া (পুনঃ)**

**৩য় অধিঃ-- ১৯২৮ যোৰহাট (পীৰাকটা); অঃসঃ— মনিৰাম শইকীয়া; মূঃসঃ-- গোলাপ চন্দ্ৰ বৰুৱা; সাঃসঃ-- ভ্ৰমৰ চন্দ্ৰ শইকীয়া (পুনঃ)**

৪র্থ অধিঃ- ১৯৩০ শিৱসাগৰ (বানমুখ), অঃসঃ - শিৱৰাম শইকীয়া; মূঃসঃ-- সৰ্বেশ্বৰ শৰ্মা কটকী; সাঃসঃ-- ভ্ৰমৰ চন্দ্ৰ শইকীয়া (পুনঃ)

৫ম অধিঃ-- ১৯৩৫ শিৱসাগৰ (চাংৰিং); অঃসঃ-- বেথাৰাম খনিকৰ; মূঃসঃ-- ৰায় বাহাদুৰ বৃন্দাবন গোস্বামী; সাঃসঃ-- ভ্ৰমৰ চন্দ্ৰ শইকীয়া (পুনঃ)

৬ষ্ঠ অধিঃ-- ? গোলাঘাট (বেঙেনা খোৱা); অঃসঃ-- ; মূঃসঃ-- পূৰ্ণচন্দ্ৰ শইকীয়া; সাঃসঃ-- গোলোক চন্দ্ৰ বড়া বি,এ, বি,টি

৭ম অধিঃ-- ১৯৪৬ ডিব্ৰুগড় (মৰাণ); অঃসঃ-- গয়াৰাম নেওগ; মূঃসঃ-- গোপীনাথ বৰদলৈ; সাঃসঃ-- তিলেশ্বৰ হাজৰীকা।

৮ম অধিঃ-- ১৯৪৭ উঃ লক্ষীমপুৰ; অঃসঃ-- কণ নাথ ৰাজখোৱা; মূঃসঃ-- ইন্দ্ৰেশ্বৰ চুতীয়া; সাঃসঃ-- কমল চন্দ্ৰ চুতীয়া।

৯ম অধিঃ-- ১৯৪৮ ডিব্ৰুগড় (ৰহমীয়া); অঃসঃ-- দুলিবৰ শইকীয়া; মূঃসঃ-- ইন্দ্ৰেশ্বৰ চুতীয়া (২য় বাৰ); সাঃসঃ-- কমল চন্দ্ৰ চুতীয়া (পুনঃ)

১০ম অধিঃ-- নগাঁও (ফুলগুৰি); অঃসঃ-- ; মূঃসঃ-- গকুলেশ্বৰ হাজৰিকা; সাঃসঃ -- দেবেন বৰদলৈ।

১১শ অধিঃ-- ১৯৫৬ যোৰহাট (মনাই মাজি); অঃসঃ-- নগেন্দ্ৰ নাথ নেওগ; মূঃসঃ-- পূৰ্ণ চন্দ্ৰ শইকীয়া; সাঃসঃ-- যোগেন্দ্ৰ নাথ বড়া।

১২শ অধিঃ-- ১৯৬১ গোলাঘাট (শালিকীহ), অঃসঃ-- মনেশ্বৰ শইকীয়া; মূঃসঃ -- পূৰ্ণ চন্দ্ৰ শইকীয়া; (পুনঃ) সাঃসঃ-- ধৰ্মেশ্বৰ বৰুৱা।

১৩শ অধিঃ-- ১৯৬৩ উঃ লক্ষীমপুৰ (ভাতমৌ); অঃসঃ-- ঘনকান্ত ফুকন; মূঃসঃ -- দেহীৰাম বড়া; সাঃসঃ-- অন্ন শইকীয়া।

১৪শ অধিঃ-- ১৯৬৮ যোৰহাট (পীৰাকটা); অঃসঃ-- লোকনাথ শইকীয়া; মূঃসঃ -- লক্ষ্মীনাথ শইকীয়া; সাঃসঃ-- কোযেশ্বৰ বৰুৱা।

১৫শ অধিঃ-- ১৯৬৯ গোলাঘাট (বৰপথাৰ); অঃসঃ-- যোগেশ্বৰ শইকীয়া; মূঃসঃ-- লক্ষ্মীনাথ শইকীয়া (পুনঃ); সাঃসঃ-- কুল চুতীয়া।

১৬শ অধিঃ-- ১৯৭০ যোৰহাট (চৰাইবাহী); অঃসঃ-- হেমধৰ হাজৰিকা; মূঃসঃ -- গোলোক চন্দ্ৰ বড়া; সাঃসঃ-- কুল চুতীয়া (পুনঃ)

---

*অঃসঃ = অভ্যৰ্থনা সভাপতি, মূঃসঃ = মূল সভাপতি, সাঃসঃ = সাধাৰণ সম্পাদক।*

১৭শ অধিঃ— ১৯৭২ গোলাঘাট (ফৰকাটিং); অঃসঃ— কেশৰাম নেওগ; মূঃসঃ — গোলোক চন্দ্ৰ বড়া (পুনঃ); সাঃসঃ— কুল চুতীয়া (পুনঃ)

১৮শ অধিঃ— ১৯৭৪ শিৱসাগৰ (চাৰিং); সোণালী জয়ন্তী অধিবেশন; অঃসঃ— কমল চন্দ্ৰ চুতীয়া; মূঃসঃ— পুনি হাজৰিকা; সাঃসঃ— কুল চুতীয়া (পুনঃ)

১৯শ অধিঃ— ১৯৭৬ মৰাণ; অঃসঃ— তৰুণ চুতীয়া; মূঃসঃ— বুদ্ধীন্দ্ৰ কুমাৰ ৰাজ খনিকৰ; সাঃসঃ— কুল চুতীয়া (পুনঃ)

২০শ অধিঃ— ১৯৭৯ উঃ লক্ষীমপুৰ (চুতীয়া কাড়ী); অঃসঃ— বংশী শইকীয়া; মূঃসঃ— কোযেশ্বৰ বৰুৱা; সাঃসঃ— মুক্তানাথ ভৰালী।

২১শ অধিঃ— ১৯৮১ উঃ লক্ষীমপুৰ (কেকুৰী বেবেজীয়া); অঃসঃ— কুলনাথ চুতীয়া; মূঃসঃ— কোযেশ্বৰ বৰুৱা (পুনঃ); সাঃসঃ— মুক্তানাথ ভৰালী (পুনঃ)

২২শ অধিঃ— ১৯৮৪ যোৰহাট (নগৰ); অঃসঃ— জয় চন্দ্ৰ বড়া এম,এল,এ,; মূঃসঃ— কোযেশ্বৰ বৰুৱা; (পুনঃ) সাঃসঃ— প্ৰদীপ চুতীয়া, পুণ্যেশ্বৰ শইকীয়া।

বিশেষ অধিঃ— ১৯৮৮ গুৱাহাটী; অঃসঃ— বলোভদ্ৰ তামুলী এম,এল,এ,; মূঃসঃ — কোযেশ্বৰ বৰুৱা; সাঃসঃ— প্ৰদীপ চুতীয়া, পুণ্যেশ্বৰ শইকীয়া।

২৩শ অধিঃ— ১৯৮৯ গোলাঘাট (কমাৰ বন্ধা); অঃসঃ— দীননাথ তামুলী; মূঃসঃ — কোযেশ্বৰ বৰুৱা; সাঃসঃ— কুলনাথ চুতীয়া, নীল হাজৰিকা।

* * *

# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

## দ্বিতীয় খণ্ড

## লোক-সংস্কৃতি

# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

## দ্বিতীয় খণ্ড– লোক-সংস্কৃতি

### জাতীয় চৰিত্ৰৰ বিশ্লেষণত লোক-সংস্কৃতিৰ গুৰুত্ব

লোক-সংস্কৃতি এটা জাতিৰ অলিখিত ইতিহাস। দাপোনত যিকোনো বস্তুৰ প্ৰতিবিম্ব দেখাৰ দৰেই লোক-সংস্কৃতিৰ দাপোনত জাতিটোৰ অতীত-বৰ্তমানৰ সকলো কথা জলজল পটপটকৈ প্ৰতিফলিত হৈ থাকে। ই এখন বাকহীন চলচ্চিত্ৰৰ দৰে কিন্তু সেই বুলি ভাষাহীন নহয়। পঢ়িব জনাসকলে ইয়াৰ পৰাই জাতিটোৰ এখন সমুজ্জল চিত্ৰ আৰু ঐতিহাসিক সকলো তথ্য আহৰণ কৰিব পাৰে।

"ধৰ্ম, অনুষ্ঠান, পূজা-পাতল, লোক-বিশ্বাস, নিয়ম-কানুন, সাধু, উপন্যাস, পুৰাণকাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য, নাট, অভিনয়, ক্ৰীড়া-কৌশল এই সকলোৰে সমাৰোহত লোক-সংস্কৃতি সম্পূৰ্ণ। লোক-সাহিত্য আৰু লোক-বিশ্বাস জনসাধাৰণ সম্পৰ্কীয় বিজ্ঞান নহয় ই পৰম্পৰাগত ভাবে চলি অহা লোক-বিজ্ঞানহে; মানৱ জাতিয়ে যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিলে, যি সমূহ বিষয় চৰ্চা কৰিলে, সেই সকলোৰে সঞ্চয় ভাণ্ডাৰ হ'ল– লোক-সাহিত্য আৰু লোক-বিশ্বাস। লোক-সাহিত্য আৰু লোক-বিশ্বাসৰ মাজতেই জাতিৰ মনোজগত আৰু জীৱন যাপন আদৰ্শৰ পৰিচয় ওলায়। জাতিৰ ধাৰ্মিক, সামাজিক, মনস্তাত্বিক, বিষয়সমূহৰ উপলব্ধিত লোক-সাহিত্যই মূল উপাদান। জাতিৰ চৰিত্ৰ বিশ্লেষণ কৰিবলৈ সেই কাৰণেই লোককথাবিদসকলে জাতিৰ এই অলিখিত তথ্যসমূহ সংগ্ৰহ কৰে।"[১]

কোনো এজন প্ৰসিদ্ধ লিখকৰ লিখনিৰ পৰাও আমি সেই সময়ৰ সমাজ ব্যৱস্থা, আচাৰ-নীতি, ব্যৱহাৰ, ৰাজনৈতিক, অৰ্থনৈতিক আৰু লোক চৰিত্ৰৰ বিষয়ে জানিব পাৰোঁ। কিন্তু সকলো সময়তে সেইবোৰ নিৰপেক্ষ হ'ব বুলি ক'ব নোৱাৰি। তদুপৰিও সেইবোৰ এজনৰ দৃষ্টিকোণৰ পৰা দেখাহে। তেওঁৰ আদৰ্শৰ প্ৰতিফলনে তাত বেছিকৈ ঠাই পোৱাটো স্বাভাৱিক। কিন্তু লোক-সাহিত্য, লোক-বিশ্বাস আৰু তেওঁলোকৰ প্ৰচলিত আচাৰ-নীতি, লোক-সাহিত্য, লোক-কলা আদিৰ পৰা যি বুজিব পৰা যায় সি নিভাজ আৰু নিৰপেক্ষ। সেইবাবেই এটা জাতিৰ চৰিত্ৰ বিশ্লেষণৰ ক্ষেত্ৰত এই লোক-সংস্কৃতিৰ মূল্য অতি গুৰুত্বপূৰ্ণ।

---

১ *অসমৰ লোক-সংস্কৃতি– বিৰিঞ্চি কুমাৰ বৰুৱা– পৃঃ ১।*

অসমৰ জনজাতিসমূহৰ ইতিহাস এতিয়াৰ পৰাও চাৰি পাঁচ হেজাৰ বছৰৰ পুৰণি। ক্ৰম বিবৰ্তনৰ মাজেদি বাগৰি আহি আজিও এই জাতি আৰু জনজাতিসমূহে নিজৰ সত্বা আৰু বৈশিষ্ট্য জীয়াই ৰাখিছে। এই জাতি বা জনজাতিবোৰে কৰা প্ৰত্যেক কামৰ মাজতে অসমৰ জাতীয় পৰিচয় লুকাই আছে। আজিৰ অসমৰ জাতিসত্বাৰ বিশ্লেষণ কৰিবলৈ হ'লে অসমৰ এই আদিম জাতিসমূহৰ লোক-সংস্কৃতিৰ বিশ্লেষণ অতি প্ৰয়োজন আৰু এই বিশ্লেষণৰ মাজেদিয়েহে অসমৰ প্ৰকৃত পৰিচয় পোৱা যাব পাৰে।

সেয়েহে চুতীয়া জাতিৰ (জনজাতিৰ) লোক-সংস্কৃতি বা কথাকোৱা, খোৱা-বোৱা, খেলা-ধূলা কৰা, আহাৰ সংগ্ৰহ কৰা, পিন্ধা-উৰা, নাচি-বাগি আনন্দ কৰা, সামূহিকভাৱে কৰা উৎসৱ, পূজা-পাতল, দলগত শাসন ইত্যাদি সকলো কথাৰ মাজতো কেৱল চুতীয়া জাতিৰ পৰিচয়েই নহয় অসমীয়া জাতিৰো প্ৰকৃত পৰিচয় লুকাই আছে। এই জাতিসমূহৰ প্ৰকৃত সাংস্কৃতিক পৰিচয় আৰু প্ৰশংসাৰ দ্বাৰা পাৰস্পৰিক আত্মীয়তা গঢ়ি তুলিব পাৰিলেহে অসমক এখন ৰাজ্য বুলি কোৱা সম্ভৱ হ'ব পাৰে। নহ'লে অসমক অসম নাম হোৱাৰ আগতে থকা বিভিন্ন অংশ সমূহহে আমি দেখিবলৈ পাম।

# অসমৰ লোক-গাঁথনিত চুতীয়া জাতি

## চুতীয়া জাতিৰ বিৱৰ্তন আৰু শাখা, প্ৰশাখা

জাতীয় চৰিত্ৰৰ বিশ্লেষণত লোক-সংস্কৃতিৰ বিশেষ ভূমিকাৰ কথা মনত ৰাখি যদি আমি চুতীয়া জাতিৰ লোক-সংস্কৃতিৰ বিশ্লেষণ কৰিবলৈ যাওঁ তেতিয়া খ্ৰীষ্টজন্মৰ প্ৰায় তিনি হেজাৰ বছৰৰ আগলৈ ঘূৰি চোৱাৰ উপৰিও সেই সময়ৰে পৰা অসমৰ লোক গাঁথনিটোলৈও চাব লাগিব।

"অসমীয়া জাতিটো বিভিন্ন সংস্কৃতি আৰু বহুজাতি উপজাতিৰ সংমিশ্ৰণত গঠিত হৈছে। বৰ্তমান অধিবাসীসকলৰ উপৰিপুৰুষসকলে এৰি থৈ যোৱা পৃথক দানৰ ইয়াত মধুৰ সমন্বয় ঘটিছে। কিন্তু অসমৰ লোক-সাহিত্য আৰু সংস্কৃতিৰ ওপৰত সকলো প্ৰভাৱৰ প্ৰধান হ'ল চীনীয় বা তিব্বতীয় বা তিব্বতবৰ্মীয় প্ৰভাৱ। কিয়নো খ্ৰীষ্টীয় বহু শতাব্দীৰ পূৰ্বেই চীনৰ দক্ষিণাঞ্চলৰ দেশ আৰু দেশবাসীৰ লগত অসমৰ সম্বন্ধ ঘটিছিল। চীন, তীব্বত, ভুটান আৰু ব্ৰহ্মদেশৰ লগত আমাৰ এতিয়াও ঘনিষ্ঠ যাতায়ত আছে।"[১]

শেহতীয়া গৱেষণা মতে এই ব্ৰহ্মপুত্ৰ সভ্যতাৰ প্ৰথম আৰম্ভ কৰোঁতাসকল হ'ল পূব ভূমধ্যসাগৰীয় অঞ্চলৰ পৰা অহা প্ৰটো-অষ্ট্ৰলয়ড্‌সকলহে, তেওঁলোকৰ আগমনৰ

---

১ *অসমৰ লোক-সংস্কৃতি – বিৰিঞ্চি কুমাৰ বৰুৱা– পৃঃ ৩।*

সময় খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দ। প্ৰটো-অষ্ট্ৰলয়ড্‌সকলৰ এটা দলে প্ৰথমে খাচী পাহাৰলৈ আহি তাতে ধানৰ আবিষ্কাৰ কৰি। এটা সময়ত কুশুিল পাইছিলগৈ। তাতে পাচত চীনৰ পৰা অহা মঙ্গোলয়ড্‌ বড়ো চুতীয়াসকলৰ লগত মিলি গৈছিল। ফলত প্ৰটো-অষ্ট্ৰলয়ড্‌ আৰু চুতীয়া সংস্কৃতিৰ মিলন ঘটিছিল। এই সংস্কৃতিৰ মিলনৰ স্বাক্ষৰ বৰ্তমান উজনী অসমৰ অসমীয়া ভাষাত থকা অজস্ৰ খাচী শব্দ। চুতীয়াসকলৰ উন্নত ধনুকাড় শিক্ষা, হাতীক পোহ মনোৱা কাৰ্য প্ৰটো-অষ্ট্ৰলয়ড্‌ সংস্কৃতিৰ প্ৰভাৱ।

প্ৰাগ ঐতিহাসিক যুগৰ জন প্ৰব্ৰজনৰ আগতে এই অসমৰ বিস্তীৰ্ণ অঞ্চল এক অৰণ্যময় অঞ্চলহে আছিল বুলি অনুমান কৰিব পাৰি। প্ৰাগ ঐতিহাসিক যুগৰ জন প্ৰব্ৰজনৰ ফলত আজিৰ পৰা চাৰি পাঁচ হেজাৰ বছৰৰো আগতে আহি যিসকল লোকে প্ৰথমে অসমৰ বিস্তীৰ্ণ বন-ভূমিত থিতাপী লৈছিলহি সেইবিলাকেই যে অসমৰ আদিবাসী বা আদিমতম অধিবাসী ইয়াত কোনো সন্দেহ নাই। সেই বিচাৰত অসমৰ পশ্চিমৰপৰা অহা প্ৰটো-অষ্ট্ৰলয়ড্‌সকল উত্তৰ পূব পথেদি খ্ৰীঃপূঃ প্ৰায় তিনি হেজাৰ বছৰ মানতে অহা এষ্ট্ৰলয়ড গ্ৰুপৰ মন্‌খ্‌মেৰসকল আৰু তাৰ পাছৰ তিব্বতো-বাৰ্মানসকলেই যে অসমৰ আদিমতম অধিবাসী এই কথাত কোনো দ্বিমত হ'ব নোৱাৰে বা হোৱা নাই।

প্ৰটো-অষ্ট্ৰলয়ড আৰু অষ্ট্ৰিকসকলেই অসমলৈ অহা প্ৰথম দল হ'লেও পাছত অহা শক্তিশালী তিব্বতো-বাৰ্মান বড়ো চুতীয়াসকলো সমানে অংশীদাৰ।

প্ৰটো-অষ্ট্ৰলয়ড্‌ খাচীসকলৰ পাছতে খ্ৰীঃপূঃ প্ৰায় দুহেজাৰ বছৰৰো আগতে অহা তিব্বতো-বাৰ্মান লোকসকলেও অসমৰ জনবসতি বিহীন বিস্তীণ ভূমিখণ্ডৰ পাহাৰ অঞ্চল আৰু উৰ্বৰ উপত্যকা অঞ্চলৰ হাবি-বন কাটি জুই লগাই পুৰি চাই কৰি বসবাসৰ উপযোগী কৰি লৈছিল। খাচী ভাষাত "কমুইট" মানে ভূত-প্ৰেত বা মৰা শ। বোধহয় খাচীসকলে এই জনবসতিহীন অৰণ্য অঞ্চল অতীততে ভূত-প্ৰেতৰ বাসস্থান বুলিহে ভাবিছিল আৰু এই অঞ্চলৰ নাম কামুই বা কামুইট দিছিল; সেইদৰে পাচত অহা তিব্বত-বাৰ্মানসকলেও সেই নামকে ৰাখি অলপ পৰিবৰ্তন কৰি তেওঁলোকৰ মতে ইয়াৰ নাম "খামৰু" কৰিছিল। কিয়নো তেওঁলোকেহে অসমৰ হাবি-বন কাটি, পুৰি চাই কৰি, সেই চাইৰ ওপৰতে বাস কৰিছিল আৰু কৃষি কৰিছিল। সেয়েহে তেওঁলোকৰ মতে তেওঁলোকৰ আদিমতম ভাষাৰে এই ঠাইৰ নাম হৈছিল "খাম্‌ৰু"। খাম্‌-বসতি লোৱা, ৰু-চাই, ভস্ম। এই "খামৰু" শব্দৰ পৰাই এই অঞ্চলৰ নাম পাচত কামৰূপ হৈছিলগৈ বুলি ভাবিবৰ যথেষ্ঠ স্থল আছে। অৱশ্যে আৰ্যসকলে পাচত ইয়াৰ নাম কামৰূপ কৰি এক উপকথাৰ সৃষ্টি কৰিছিল।

অতীজৰ কামনাৰ সৌন্দৰ্যপুৰী এই অঞ্চলৰ বন-বনানী পুৰি চাই কৰি সেই চাই ভস্মৰ ওপৰত সৃষ্টি হোৱা নতুন জনবসতি, মহাদেৱৰ কোপত ভস্ম হোৱা কামদেৱেই সেই ভস্মৰ পৰা নতুন ৰূপ পোৱা বা নৱজন্ম পোৱা কল্পনাৰে উপকথাৰ সৃষ্টি কৰি এই বিস্তীৰ্ণ খাম্‌ৰু অঞ্চলক কামৰূপ নাম দিয়াৰ উপকথাটো তিব্বতো-বাৰ্মানসকলে এই অঞ্চলক খামৰু বোলাৰ ইতিহাসৰ লগত সম্পূৰ্ণ সাদৃশ্য থকা। আৰ্যসকলৰ ৰচিত ৰামায়ণ, মহাভাৰত, পুৰাণ আদি অতীতৰ ইতিহাসসমূহ এনেদৰেই প্ৰকৃত তথ্যৰ ভিত্তিত উপকথাৰ

মাজেৰে প্ৰকাশ পাইছে। সেইকথা ডঃ ডি.ডি. কৌশম্বীৰ 'ভাৰতৰ ইতিহাস' নামৰ গ্ৰন্থ পঢ়োতাসকলে নিশ্চয় উপলব্ধি কৰিব পাৰিব। ইয়াৰ পৰা দেখা যায় যে অতীত কামৰূপ নামৰ মূল খামৰু নামটো খাচীসকলৰ কামুই বা কামুইট নামটোকে অনুকৰণ কৰি তিব্বতো-বাৰ্মান বা বড়োসকলে দিয়া নামহে।

পশ্চিমৰপৰা অহা প্ৰটো-অষ্ট্ৰলয়ড্সকলৰ পাছত অসমৰ উত্তৰ-পূব পথেদি অসমলৈ অহা লোকসকলৰ প্ৰথম দলটো হ'ল পূব এচিয়াৰ ইণ্ডোচীনৰ পৰা অহা অষ্ট্ৰিক বা এষ্ট্ৰলয়ডসকল। ভাষাগোষ্ঠীৰ ফালৰ পৰা এওঁলোকক মন্খ্মেৰ বুলি কোৱা হয়। এষ্ট্ৰলয়ডসকলে কুশ্চিলৰ পাহাৰ অঞ্চলত বসবাস কৰিছিল। সেইদৰে তেওঁলোকৰ পাছতে অহা তিব্বতো-বাৰ্মানসকলেও অসমৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বিস্তীৰ্ণ অঞ্চলত বসতি লোৱাৰ উপৰিও উত্তৰ বঙ্গ আৰু বিহাৰ পৰ্যন্ত বিস্তৃত হৈছিল।

তিব্বতো-বাৰ্মান লোকসকলে অসমত বসতি লোৱাৰ পাছতে অসমলৈ অহা লোকসকল হ'ল ইৰাণী আৰ্য বা ককেচইড্সকল, দ্ৰাবিড়সকল*[১] আৰু বৈদিক আৰ্যসকল। ইয়াৰ বহু পাছত খ্ৰীষ্টাব্দ ত্ৰয়োদশ শতাব্দীত অসমৰ দক্ষিণ-পূব পথেদি পাটকাই পৰ্বত পাৰহৈ আহিছিল টাই জনজাতীয় লোকসকল, যাক বৰ্তমান আহোম বুলি কোৱা হয়।

পূব আৰু পশ্চিমৰ পৰা অহা এই বিভিন্ন লোকসকলৰ অসমৰ সৌমাৰ খণ্ডতে মিলন ঘটিছিল। সেয়েহে এই সৌমাৰ খণ্ডৰ লোক-সংস্কৃতিৰ অধ্যয়ন গোটেই অসমৰ লোক-সংস্কৃতিৰ অধ্যয়নৰ বাবেই অতি প্ৰয়োজনীয়। এই অঞ্চলৰ লোক-সংস্কৃতিয়ে পৰৱৰ্তী কালত কেনেকৈ সমগ্ৰ অসমৰ লোক-সংস্কৃতিক প্ৰভাবান্বিত কৰিছে সেইটো আমি পাছত দেখিবলৈ পাম। কিন্তু দুৰ্ভাগ্যবশতঃ এই অঞ্চলৰ লোক-সংস্কৃতিৰ অধ্যয়ন পৰ্যাপ্তভাৱে এতিয়াও হোৱা নাই।

ওপৰত উল্লেখ কৰা খাচী প্ৰটো-অষ্ট্ৰলয়ড্সকল, মন্খ্মেৰ ভাষাগোষ্ঠীৰ এষ্ট্ৰলয়ডসকল, বড়ো ভাষাগোষ্ঠীৰ তিব্বতো-বাৰ্মানসকল, ইৰাণী আৰ্য বা ককেচইড্সকল, দ্ৰাবিড়সকল, বৈদিক আৰ্যসকল আৰু টাই জনজাতীয় আহোমসকল কেনেকৈ অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ বিভিন্ন নামেৰে পৰিচিত হৈছে সেই কথা এই গ্ৰন্থৰ ১ম খণ্ড (বুৰঞ্জী খণ্ড)তে আলোচনা কৰা হৈছে। এই লোকসকলৰ ভিতৰত তিব্বতো-বাৰ্মান বড়োসকলেই প্ৰধান। এই জনগোষ্ঠীৰ লোকসকল বৰ্তমান সমগ্ৰ অসমতে বড়ো, মেচ, ৰাভা, কোঁচ, কছাৰী, চুতীয়া, তিৱা, দেউৰী, সোণোৱাল আদি বিভিন্ন নামেৰে পৰিচিত হৈ আছে। ইতিমধ্যে প্ৰটো-অষ্ট্ৰলয়ড্সকল চুতীয়াসকলৰ লগত মিলি গৈছিল।

বৰ্তমান এই বড়োগোষ্ঠীৰ লোকসকলৰ এক অঞ্চলৰ এজন বড়োলোকৰ অন্য অঞ্চলৰ এজন বড়োগোষ্ঠীৰ লোকৰ লগত নতুবা কেতিয়াবা দুজন চুতীয়া লোকৰ মাজতে মুখাবয়বৰ কিছু অমিলো দেখিবলৈ পোৱা যায়। এই কাৰণেই চুতীয়াসকলৰ নাক

---

১ *প্ৰকৃততে দ্ৰাবিড় এটা ভাষাগোষ্ঠীৰ নামহে। জনগোষ্ঠীৰ ফালৰ পৰা তেওঁলোকো ককেচিয়ানেই। কিন্তু ইৰাণী আৰ্য বা ককেচইড্সকলৰ ভাষা সংস্কৃত।*

মুখৰ গঢ়-পিট চাই কোনো কোনোৱে চুতীয়া জাতিক বড়োগোষ্ঠীৰ হয়নে নহয় বুলি সন্দেহ প্ৰকাশ কৰে। প্ৰটো-অষ্ট্ৰলয়ড্ খাচীসকল চুতীয়াসকলৰ লগত সম্পূৰ্ণ মিলি গৈ এক জাতি হৈ যোৱাই ইয়াৰ কাৰণ।

আমি আগতে উল্লেখ কৰিছো যে বড়ো এই নামাকৰণ ভাষাগোষ্ঠীৰ ফালৰ পৰাহে, জনগোষ্ঠীৰ ফালৰ পৰা তেওঁলোক সকলো মঙ্গোলয়ড্। এই লোকসকলে হাজাৰ বছৰৰ মাজেদি বাগৰি আহোতে অন্য জনগোষ্ঠীৰ লোকৰ লগত তেজৰ সংমিশ্ৰণ হৈও বা স্থানীয় কাৰণতো বিভিন্ন দলৰ মাজত এই ভিন্নতাৰ সৃষ্টি হ'ব পাৰে। কিন্তু চুতীয়াসকলৰ অতীতৰ জনজাতীয় ভাষা, যিটো এতিয়াও তেওঁলোকৰ পুৰোহিত দেউৰীসকলে ব্যৱহাৰ কৰি আছে সেই ভাষা নিৰ্ভুল ভাবে বড়োমূলীয় বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। গতিকে চুতীয়াসকল যে মূলতঃ বড়োগোষ্ঠীৰ লোক ইয়াত কোনো সন্দেহ নাই।

ভাৰতত আৰ্য বসতিৰ সময়ত সেই আৰ্যসকলৰ অন্যান্য জনগোষ্ঠীৰ লগত কেনেকৈ মিলন ঘটিছিল আৰু ফলত পৰিবৰ্তন ঘটিছিল সেই কথা উল্লেখ কৰি ড° ডি.ডি. কৌশম্বীয়ে ভাৰতৰ ইতিহাস নামৰ গ্ৰন্থত লিখিছে— "নতুন জীৱন ধাৰণ প্ৰণালীৰ অভ্যাস আৰু নিয়মিতভাৱে যথেষ্ঠ খাদ্য যোগানৰ ফলত মানুহৰ দৈৰ্ঘ, নাকৰ জোখ, (Naval Index) আনকি বৰণৰো সলনি ঘটে। মোৰ ধাৰণা মতে প্ৰত্যেকটো বসতি অঞ্চললৈকে পোনতে কিছু সংখ্যক আৰ্য উঠি গৈছিল। কিন্তু আৰম্ভণিতে বসতিৰ কষ্টৰ সন্মুখীন হোৱাত অনাৰ্যসকলৰ লগত যুটীয়া পাম পাতিছিল। তেওঁলোকেই একোটি আচুতীয়া আৰ্য জনজাতি সৃষ্টি কৰিছিল। এনে নতুন জনজাতিৰ ভাষাও আৰ্য ভাষাই আছিল। কাৰণ আদিবাসী অনাৰ্যসকলৰ সমাজ আৰু ভাষা সাধ্যাতীত সম্পূৰ্ণৰূপে বেলেগ।" পৃঃ ১২৩

"নতুন জাতিবোৰৰ বিকাশ সম্পূৰ্ণৰূপে আভ্যন্তৰীণ আছিল যেন বোধহয়। কিছু সংখ্যক আৰ্য পমুৱাৰ লগত অনাৰ্য আদিবাসীৰ সম্ভৱপৰ সংমিশ্ৰনৰ ফলত এই বিকাশ ঘটিছিল। এনে এটি ধাৰা ঋকবেদৰ যুগতো প্ৰচলিত আছিল" (১২৯ পৃঃ)

চাৰ এডৱাৰ্ড গেইটৰ A History of Assam নামৰ গ্ৰন্থত আছে— "চুতীয়া বিলাকে প্ৰধানকৈ বৰ্তমান লক্ষীমপুৰৰ (অবিভক্ত) আৰু শিৱসাগৰ (অবিভক্ত) জিলাৰ ওচৰৰ অংশবোৰতে বাস কৰে; তেওঁলোকৰ সংখ্যা বৰ্তমান (১৯০৫ চন) প্ৰায় ৮৫ হেজাৰ (one twelveth of a million)। তেওঁলোকৰ ভাষা এতিয়াও পুৰোহিত দেউৰীসকলে কয় আৰু ই নিৰ্ভুলভাৱে বড়ো; কিন্তু তেওঁলোকৰ চেহেৰাত শ্যান জাতিৰ তেজৰ যথেষ্ঠ সংমিশ্ৰণ হোৱা বুলি ভাবিব পাৰি। তেওঁলোকে য'ত আছিল সেই ঠাই শ্যানসকলৰ বাসভূমিৰ পৰা সুদূৰবৰ্তী নহয়। সম্ভৱতঃ তেওঁলোকে আগতে অহা সেই জাতিৰ যথেষ্ঠ সংখ্যকলোকক নিজ জাতি ভুক্ত কৰি লৈছিল; এতিয়াও যেনেকৈ আহোমসকলৰ লগত তেওঁলোকৰ সহজভাৱে বিয়া বাৰু হয় আৰু তাৰ ফল স্বৰূপে ১৮৯১ চনৰ লোকপিয়লত আগতে এই জাতি (চুতীয়া) ভুক্ত বুলি কোৱা প্ৰায় এক

তৃতীয়াংশ লোকে নিজকে আহোম চুতীয়া বুলি চিনাকি দিছে।*১

এই আহোম-চুতীয়া সকলেযে পাছত সম্পূৰ্ণ আহোম বুলিয়ে পৰিচয় দিয়া হ'ল ইয়াত কোনো সন্দেহ নাই।

সেইদৰে বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে দূৰবীন পুথিত উল্লেখ কৰিছে-- "চুতীয়া ৰজাৰ প্ৰজাসকল মিচিমিতে সোমাই মিচিমি হৈছিল। সিইঁতক আনি পচলামুখৰ উজনীয়ে পাতি মেমেহতীয়া নামদি হাটৰ গৰাকী পাতিলে।" গতিকে চুতীয়াসকলৰ লগত মিচিং আৰু মিচিমিসকলৰ তেজৰ সংমিশ্ৰণ ঘটা বুলি ঠাৱৰ কৰিব পাৰি।"

এইদৰে চুতীয়াসকলৰ লগত বিভিন্ন জনগোষ্ঠীৰ তেজৰ সংমিশ্ৰণো ভিন্নতাৰ কাৰণ হ'ব পাৰে।

পৰিবেশৰ ভিন্নতাৰ ফলত একেটা জনগোষ্ঠীৰ লোকৰ মাজতো দৈহিক, সামাজিক আৰু কৃষ্টিৰ ভিন্নতা হ'ব পাৰে। ডঃ ডি.ডি. কৌশম্বীৰ দৰেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ডঃ বি.এম. দাস দেৱে ১৯৮৮ চনৰ ৬ নবেম্বৰ তাৰিখৰ Assam Tribune কাকতৰ এটা প্ৰবন্ধত লিখা কথাখিনি প্ৰণিধান যোগ্য। তেখেতে লিখিছে-- "এইটো স্বীকৃত কথা যে পৰিবেশৰ বিভিন্ন অবস্থাত আৰু কিছুমান জৈৱিক কাৰণত একেটা জনগোষ্ঠীৰে বিভিন্ন মানুহৰ মাজত দৈহিক, সামাজিক আৰু কৃষ্টিৰ ভিন্নতা দেখা যায়।"*২

"এই বিবৰ্তনমূলক পৰিবৰ্তনবোৰ অতি সূক্ষ্মভাবে বা অতি ধীৰে ধীৰে হয়। তাৰ প্ৰতিফলন পৰিদৃশ্য হওতে বহু দীঘলীয়া সময়ৰ আৱশ্যক হয়। এনে পৰিবৰ্তনৰ বহুতো কাৰণো আছে আৰু তাৰে এটা হ'ল 'জিন (gene)ৰ সংমিশ্ৰণ।"*৩

---

১ *The chutiyaws now number about twelveth of a million and are found chiefly in Lakhimpur and adjacent part of Sibsagar. Their language which is still known to to the Deories or priest section of the tribe is unmistakably Bodo, but their appearence suggests that they have in their frames a considerable infusion of shan blood. They occupied a tract not far remote from the shans, and the Probability is that they absorbed considerable numbers of the earlier immigrants of that race, just as in more recent times they have intermarried with Ahoms, to such an extent that at the census of 1891 one third of those who recorded their Sub-tribe described themselves as Ahom-Chutiyas "*

*A History of Assam — Edward Gate — Page-40*

২ *"It is an established fact that because of varied environmental conditions and to certain biological reasons variation in respect of physical features (also in socio-cultural aspects) among various populations of the same ethnic origin becomes apparent"*

*Assam Tribune— 6th Nov. 1988. Article— By Dr. B M Das*

৩ *"Evolutionary change always proceed at a very lower rate. A very long period is needed to reveal the results. Several factors are involved in the process. One being gene flow of admixture."*

*Dr. B.M. Das— Article in Assam Tribune— 6th Nov 1988*

ড° ডি.ডি. কৌশম্বীয়ে ভাৰতৰ ইতিহাস নামৰ গ্ৰন্থতো লিখিছে— "জীৱন যাত্ৰাৰ পদ্ধতিৰ পৰিবৰ্তন ঘটিলে কেইপুৰুষমানৰ ভিতৰতে লাওখোলা আৰু নাসিকা-নিদৰ্শনৰ জোখ-মাপ বদলে।" (পৃঃ ৮৮)

ওপৰত উল্লেখ কৰা বিভিন্নজনৰ মতামতৰ পৰাই একে বড়োগোষ্ঠীৰে বিভিন্ন উপজাতিসমূহৰ মাজত কেনেকৈ ভিন্নতা হ'ব পাৰে সেইটো উপলব্ধি কৰিব পাৰি। সেই একে কাৰণতেই একেটা উপজাতিৰ মাজতো দৈহিক ভিন্নতা হ'ব পাৰে। চুতীয়াসকলৰ অন্য বড়োগোষ্ঠীৰ লগত হোৱা দৈহিক ভিন্নতাও এনে কাৰণতে হোৱা বুলি ভাবিব পাৰি। কিন্তু তেওঁলোক যে আৰ্য বংশোদ্ভুব নহয় সেই কথা ১৫শ শতিকাৰ চুতীয়া ৰজা সত্যনাৰায়ণৰ তামৰ ফলিত নিজকে "সুৰৰিপু বংশোদ্ভৱ" বুলি লিখা কথাৰ পৰাই নিশ্চয় কৰিব পাৰি।

চুতীয়া জাতি মহাভাৰতৰ দিনৰ পৰাই এটা ৰাজকীয় জাতি হোৱাত আৰু আৰ্যসকলৰ সংস্পৰ্শলৈ অহাত অতীতৰ পৰাই তেওঁলোকৰ মাজত সামাজিক, কৃষ্টি, সংস্কৃতি আৰু পৰিবেশৰ এটা সুকীয়া বৈশিষ্ট্য আছিল আৰু ইও তেওঁলোকক দৈহিক বিৱৰ্তনৰ পথত পৃথক এটা বৈশিষ্ট্য দিয়া সম্ভৱ।

বড়োগোষ্ঠীৰ লোকসকলৰ আদি বাসস্থান আছিল পশ্চিম চীনৰ ইয়াংচিকিয়াং আৰু হোৱাংহু নদীৰ মাজৰ অঞ্চলত। চীনদেশক আগতে চাও-থিয়াচ বা চৌ-থিয়াচ্ (Chao-Theus) বোলা হৈছিল। এই চৌ-থিয়াচ্ শব্দৰ অৰ্থ হ'ল স্বৰ্গভূমি বা দেৱতাৰ বাসভূমি (Heaven land of Gods)। গতিকে আদি বাসস্থানৰ ফালৰ পৰা এই লোকসকল সৌমাৰত চাও-থিয়া = চৌ-থিয়া = চুহ-থিয়া = চুতীয়া (অৰ্থাৎ চীনৰ লোক বা স্বৰ্গভূমিৰ লোক বুলি অভিহিত হৈছিল। সেই কথা এই গ্ৰন্থৰ ১ম খণ্ডত (ইতিহাস খণ্ডত) ২য় আৰু তৃতীয় অধ্যায়ত বহুল ভাবে আলোচনা কৰা হৈছে।

এই চুতীয়া বা বড়োসকলৰেই পিচত অহা বিভিন্ন দলবোৰে সৌমাৰ খণ্ডত ৰ'ব নোৱৰাবোৰে ব্ৰহ্মপুত্ৰৰ গতিকে অনুধাৱন কৰি ধুবুৰী পৰ্যন্ত পায়গৈ আৰু পুনৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে গৈ গাৰোপাহাৰ, কাছাৰ, লুচাই, মণিপুৰ আৰু সৌমাৰৰ দক্ষিণাঞ্চল পায়গৈ।

এই বড়ো বা চৌ-থিয়া বা চুতীয়াসকলেই অসমৰ বিভিন্ন ঠাইত বসতি লওতে স্থানীয় কাৰণত সেই ঠাইৰ প্ৰতিবেশীসকলৰ দ্বাৰা কোচ, কছাৰী, ডিমাছা, লালুং বা তিৱা, গাড়ো, ৰাভা, মেছ, হাজং, টিপ্ৰা, চুতীয়া, বৰাহী, মৰাণ আদি নামেৰে খ্যাত হয়। এইসকলৰ যিসকল সৌমাৰ খণ্ডতে ৰৈ গ'ল সেইসকলেহে মাত্ৰ চুতীয়া নামেৰে খ্যাত হৈ থাকিল। তেওঁলোকে সেই খণ্ডতে ৰাজ্য স্থাপন কৰিলে। তাৰ পাচত ১৫২৩ খ্ৰীঃত সেই ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হ'লেও পাছত প্ৰায় ডেৰশ বছৰলৈকে চুতীয়াসকলে বিদ্ৰোহ কৰে। চুতীয়াৰে মৰাণসকলে মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি পুনৰ অতি কম দিনৰ বাবে হ'লেও আহোম ৰাজ্য দখল কৰিবলৈ সমৰ্থ হয়। সেইদৰে চুতীয়াৰে সৰ্বানন্দ সিংহই তিনিচুকীয়া অঞ্চলত চুতীয়া ৰাজ্য স্থাপন কৰি ব্ৰিটিছ ৰাজত্বৰ দিনলৈকে ৰাজ্য শাসন কৰে।

এই চুতীয়া ৰাজ্যৰ কাষতে দক্ষিণ পশ্চিম ফালে বড়ো বা চুতীয়াগোষ্ঠীৰে অন্যতম কছাৰীসকলে কছাৰী ৰাজ্য স্থাপন কৰি ১৮৩২ খ্ৰীঃলৈকে ৰাজ্য শাসন কৰি থাকিল। চুতীয়া আৰু কছাৰী দুখন সুকীয়া ৰাজ্য হ'লেও আৰু দেখাত বেলেগ যেন দেখালেও গোষ্ঠীগতভাৱে তেওঁলোক একেগোষ্ঠীৰে আৰু ভিন্ন নামত মাত্ৰ একেটা জাতিৰে লোক। চুতীয়া ৰাজ্যৰ কাষতে থকাত সেই ৰাজ্যক 'কাষৰীয়া' ৰাজ্য বোলা হৈছিল আৰু তাৰ পৰাই কাষৰীয়া বা কাষৰী শব্দ অপভ্ৰংশ হৈ কছাৰী হৈছেগৈ বুলি কোনো কোনো পণ্ডিতে কয়। কিন্তু কছাৰী শব্দ খৰছাৰী (খৰছাৰী = জ্যেষ্ঠ সন্তান) শব্দৰ অপভ্ৰংশহে অৰ্থ- আদিম মানৱ।

সৌমাৰ খণ্ডত থকা চুতীয়াসকলেই আকৌ চুতীয়া, তীয়া বা তীৱা বা লালুং, দেউ-তিউৰা বা দিউৰা বা দেউৰী, নামত বিভাজন হ'ল। সেইদৰেই বিভিন্ন স্থানীয় কাৰণত বা বৃত্তিগত কাৰণত মৰাণ, বৰাহী, বিহীয়া, সোণোৱাল আদি নামত এই চুতীয়াসকলেই পৰিচিত হ'ল। মৰাণ আৰু বৰাহী নামে পৰিচিত হোৱাসকলে চুতীয়া ৰাজ্যৰ দক্ষিণ-পশ্চিমে আৰু কছাৰী ৰাজ্যৰ পূবে মৰাণ আৰু বৰাহী নামৰ দুখন সৰু ৰাজ্য স্থাপন কৰিলে। এই মৰাণ আৰু বৰাহী ৰাজ্যকে পাছত আহোমসকলে দখল কৰি আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে। তিৱা, দেউৰী, মৰাণ, বৰাহী, বিহীয়া, সোণোৱাল এইসকল বৰ্তমানেও চুতীয়া জাতিৰে অন্তৰ্ভুক্ত বা এইবিলাক চুতীয়া জাতিৰে শাখা মাত্ৰ।

চুতীয়া, তিৱা বা লালুং, দেউৰী, সোণোৱাল, মৰাণ, বৰাহী, বিহীয়া আদি নামবোৰ কি কাৰণত কেনেকৈ হ'ল সেই কথা ইতিহাস খণ্ডতে আলোচনা কৰা হৈছে। ইয়াৰ পাছতো এই জাতিৰ আৰু কিছুমান বিভাজন হয়। এইবিলাক কিয় আৰু কেনেকৈ হ'ল সেই কথা বৰ্তমান আলোচনা কৰা হ'ব। কিন্তু আমি মনত ৰাখিব লাগিব যে এইবোৰ চুতীয়াৰে শাখা-প্ৰশাখাহে আৰু বৃহৎ চুতীয়া বা বড়ো গছজোপাৰ অংশ বিশেষ মাত্ৰ।

ইতিমধ্যে প্ৰথম খণ্ডত আলোচনা কৰা চুতীয়াৰ শাখা কেইটা হ'ল—

**দেউৰী চুতীয়া ঃ** চুতীয়াৰ পুৰহিত শ্ৰেণী। চুতীয়াসকলেই তিৱা আৰু তিউৰা নামে অভিহিত হোৱাত তেওঁলোকৰ পুৰহিত শ্ৰেণী দেউ-তিউৰা নামে অভিহিত হৈ পাচত দিউৰা বা দেউৰী নামে পৰিচিত হয়। এই বিষয়েও ১ম খণ্ডত বিস্তৃত আলোচনা কৰা হৈছে।

**তিৱা বা লালুং চুতীয়া ঃ** চুতীয়াসকলেই তিৱা আৰু তিউৰা নামে পৰিচিত হোৱাৰ পাচত স্থান বিশেষত কপিলিৰ পাৰত বসবাস কৰাসকল তিৱা বা লালুং নামে পৰিচিত হয়। এই কথাও ১ম খণ্ডত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

**বৰাহী চুতীয়া ঃ** চুতীয়া জাতিৰে এটা দলে সৌমাৰ খণ্ডৰ দক্ষিণ পশ্চিমে নিজে ৰাজ্য স্থাপন কৰি ৰাজ্যৰ প্ৰতীক স্বৰূপে বৰাহৰ মোহৰ মৰাইছিল। তেওঁলোকেই বৰাহী চুতীয়া। তেওঁলোকৰ ৰাজ্য পাচত কৌশলেৰে, আহোম ৰজা চুকাফাই দখল কৰে।

বৰাহীসকলে মৃতকৰ শব সংস্কাৰ কৰোতে সাতজাপ খৰিদি দাহ কৰে। কিন্তু সাধাৰণ চুতীয়াসকলে ছয় জাপহে দিয়ে।"[1]

---

১ *চুতীয়া, ভূঞা আৰু ঘটক ৰাজ্য— সৰ্বানন্দ ৰাজকুমাৰ— পৃঃ ১৮।*

**মৰাণ চুতীয়া ঃ** মৰাণ শব্দৰ উৎপত্তি সম্বন্ধে থকা কিম্বদন্তীটো ইতিমধ্যে ইতিহাস খণ্ডৰ তৃতীয় অধ্যায়ত উল্লেখ কৰা হৈছে। এওঁলোকেও বৰাহী ৰাজ্যৰ কাষতে সুকীয়া ৰাজ্য, স্থাপন কৰিছিল। পাছত সেই ৰাজ্য আহোম ৰজা চুকাফাই কৌশলেৰে হস্তগত কৰে; সেই কথাও ইতিহাস খণ্ডতে আলোচনা কৰা হৈছে।

**বিহীয়া চুতীয়া ঃ** বিহ উৎপাদন আৰু কাড়ৰ আগত বিহ দিব জনা চুতীয়াসকলক আন চুতীয়াসকলে ভয় কৰিছিল আৰু সাধাৰণতে তেওঁলোকৰ পৰা আঁতৰি চলিছিল। এসময়ত তেওঁলোক সামাজিকভাৱে বিচ্ছিন্ন হৈ পৰিছিল। এওঁলোকেই বিহীয়া চুতীয়া। ৰাজকীয় বাহিনীৰ কাড়ৰ আগত বিহদিয়া এওঁলোকৰ কাৰ্য আছিল।

**সোণোৱাল চুতীয়া ঃ** সোৱণশিৰি, দিহিং, দিবং আদি নদীৰ বালিৰ পৰা চুতীয়া ৰজাসকলৰ দিনত আৰু পাছতো সোণ উৎপাদন কৰা হৈছিল। এই সোণ উৎপাদনৰ কাৰ্যত নিয়োজিত লোকসকলেই সোণোৱাল। তেওঁলোক চুতীয়া কিন্তু বৃত্তি হিচাপে তেওঁলোকক সোণোৱাল বুলি কোৱা হয়।

পাছত কছাৰীসকলৰ দৰেই ভাৰতৰ সংবিধানৰ ৬ষ্ঠ অনুসূচীত ভুক্ত হোৱাত আৰু চুতীয়াসকল নোহোৱাত তেওঁলোকক সোণোৱাল কছাৰী বুলি কোৱা হয়।

আমি আগতেই উল্লেখ কৰিছো যে কছাৰী আৰু চুতীয়া একেটা জাতিৰেই স্থানীয় কাৰণত দুটা নাম।

এই বিভাজনবোৰৰ পাচতো চুতীয়া জাতিৰ মাজত আৰু কিছুমান বিভাজন হৈছিল সেইবোৰ হ'ল ঃ–

**হিন্দু চুতীয়া ঃ** সুদূৰ অতীততে চুতীয়াসকলৰ ওপৰত আৰ্য প্ৰভাৱ বা হিন্দু প্ৰভাৱ পৰিলেও সাধাৰণভাৱে চুতীয়াসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ কোনো উল্লেখ ক'তো দেখা নেযায়। আৰ্য প্ৰভাৱৰ ক্ষেত্ৰতো চুতীয়া ৰজা আৰু ৰাজপৰিয়ালৰ মাজতেহে ই আবদ্ধ থকা যেন অনুমান হয়। অৱশ্যে এই প্ৰভাৱৰ ফলত সম্ভ্ৰান্তসকলে অতীতৰ পৰা বিষ্ণু পূজা কৰিবলৈ লৈছিল। আনহাতে শিৱ আৰু পাৰ্বতী বা বুঢ়া-বুঢ়ীৰ পূজাও তেওঁলোকে এৰা নাছিল। কেচাইখাতীৰ পূজা তেওঁলোকৰ ধৰ্মীয় বৈশিষ্ট্য।

চুতীয়া ৰাজত্বৰ বহু পাছত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে যেতিয়া সমগ্ৰ অসম ঢৌৱাই পেলাইছিল তেতিয়া কিছুমান লোকে আনুষ্ঠানিক ভাৱে গুৰুসকলৰ ওচৰত হিন্দু ধৰ্ম গ্ৰহণ কৰি নিজকে "হিন্দু চুতীয়া" বুলি আখ্যা দিছিল। এইদৰে চুতীয়াসকলৰ ভিতৰতে "হিন্দু চুতীয়া" আৰু অন্য চুতীয়া দুটা ভাগ হৈ পৰিছিল।

হিন্দু চুতীয়াসকলে বৈষ্ণৱ ধৰ্মৰ নিয়মমতে ধুতি-নীতিৰ নিয়মবোৰ কঠোৰভাৱে মানি; শাল, শিঙি, কুচিয়া, কেঁকোৰা, গাহৰী, কুকুৰা, মদ, লেতা আদি এৰি ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা বিয়া-বাৰু আৰু মৃতকৰ শ্ৰাদ্ধাদি কৰি নিজকে বৰ্ণহিন্দুৰ শাৰীৰ বুলি গণ্য কৰিছিল আৰু নিজৰে অন্য চুতীয়াসকলক নীহ বুলি গণ্য কৰিছিল; এই সকলেই হিন্দু চুতীয়া।

বৰ্ণহিন্দুসকলে চুতীয়াসকলক জনজাতীয় হিচাপে সদায় নীহভাৱে ব্যৱহাৰ

কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সকলো শ্ৰেণীৰ মাজতে নামধৰ্ম প্ৰচাৰ কৰি হিন্দুধৰ্মৰ মাজত থকা অস্পৃশ্যতা আঁতৰ কৰিবৰ চেষ্টা কৰিছিল। ইয়াৰ ফলতে ৰাজনৈতিক ক্ষমতা আৰু প্ৰভাৱহীন, সমাজত অৱহেলিত চুতীয়াসকলেও নিজক সামাজিকভাৱে উচ্চতৰ খাপলৈ নিব পৰাৰ আশাত বহুতে হিন্দু চুতীয়া হৈছিল আৰু নিজৰে অন্যসকলক ঘৃণা কৰিছিল। এই প্ৰক্ৰিয়াটো ইংৰাজ শাসনৰ সময়তহে সাধাৰণ ভাৱে হৈছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰতিষ্ঠিত সত্ৰসমূহৰ গুৰুসকলৰ দ্বাৰা হিন্দু ধৰ্মত দীক্ষিত হ'লেও তেওঁলোকৰ সৰহ সংখ্যকেই তেতিয়াও দেব-দেবীৰ পূজা বাদ দিয়া নাছিল আৰু এতিয়াও দিয়া নাই।

হিন্দু চুতীয়া শব্দটোৰ ব্যৱহাৰৰ পৰাই এইটো সহজে অনুমান কৰিব পাৰি যে তেতিয়াও চুতীয়াসকলৰ সৰহভাগে সাধাৰণভাৱে হিন্দুধৰ্ম গ্ৰহণ কৰা নাছিল।

**আহোম চুতীয়া ঃ** যিসকল চুতীয়াৰ আহোমৰ লগত বিয়া-বাৰু আদিৰ সম্বন্ধ ঘটিছিল, আহোমসকলৰ দৰেই মদ, গাহৰী, কুকুৰা আদি বৰ্ণহিন্দুৰ নিষিদ্ধ বস্তুবোৰ ব্যৱহাৰ কৰি আছিল আৰু সামাজিক উৎসৱ, পূজা আদিতো সেইবোৰ বস্তু ব্যৱহাৰ কৰি থাকিছিল, তেওঁলোকেই আহোম-চুতীয়া বুলি অভিহিত হৈছিল।

বৰ্তমান আহোম চুতীয়া কোনো নাই। যিবিলাকে আগতে আহোম চুতীয়া বুলি পৰিচিত হৈছিল তেওঁলোকে পাছত নিজকে আহোম বুলিয়ে পৰিচয় দিয়া হ'ল।

**মিচিং চুতীয়া বা মিৰি চুতীয়া ঃ** মিচিংসকলৰ সীমান্তবৰ্তি অঞ্চলত থকা চুতীয়াসকলৰ যিসকলে মিচিংসকলৰ লগত বিয়াবাৰু আদিৰে সংমিশ্ৰিত হৈ পৰিছিল; নতুবা যুদ্ধ বিগ্ৰহৰ সময়ত আত্মৰক্ষা কৰিবৰ বাবে যিসকল চুতীয়াই মিচিংসকলৰ মাজত সোমাই আত্মগোপন কৰি আছিল; সেইসকল পাছত মিচিং চুতীয়া (মিৰি চুতীয়া) নামে পৰিচিত হ'ল। এইসকলে নামৰ পাচত "চুতীয়া মিৰি" বুলি উপাধি লিখিছিল। অসমৰ উত্তৰ পূব অঞ্চলৰ সোৱণশিৰি অঞ্চলত এতিয়াও তেনে চুতীয়া মিৰি বহুত আছে। তেওঁলোক এতিয়া মিচিংসকলৰ দৰেই ষষ্ঠ অনুসূচীভুক্ত সংবিধানৰ সংৰক্ষণ প্ৰাপ্ত মিচিং। এয়া লিখকৰ নিজৰে অভিজ্ঞতা।

**খাচী চুতীয়া, জয়ন্তীয়া চুতীয়া, জিন্টেং চুতীয়া, নগা চুতীয়া ঃ** মিচিং চুতীয়াসকলৰ ক্ষেত্ৰত উল্লেখ কৰা কাৰণতে যিসকল চুতীয়া মানুহে খাচী, জয়ন্তীয়া বা নগাসকলৰ সীমান্তবৰ্তি অঞ্চলত সেই লোকসকলৰ লগত বিয়াবাৰু আদি কৰি মিলি গৈছিল সেইসকল সময়ত খাচী চুতীয়া, জয়ন্তীয়া বা জিন্টেং (চিন্টেং) চুতীয়া, নগা চুতীয়া আদি নামেৰে পৰিচিত হ'ল আৰু সেই জনজাতিগোষ্ঠীৰ লগত অনুসূচীভুক্ত হৈ সংবিধানৰ দ্বাৰা সংৰক্ষণ প্ৰাপ্ত হ'ল। এইসকল লোকে বৰ্তমান নিজকে সেই জাতিৰ বুলিয়ে পৰিচয় দিয়ে।

ইয়াৰ উপৰিও মানৰ আক্ৰমণৰ সময়ত বহুতো চুতীয়া লোকে নিজৰ ঘৰ-দুৱাৰ, গাঁও এৰি দাতিকাষৰীয়া পৰ্বতে পাহাৰে জনজাতিসকলৰ লগত মিশ্ৰিত হৈ আত্মগোপন কৰি আছিল। সেইসকলে বহুদিনলৈকে নিজৰ নামৰ পাছত চুতীয়া লিখি চুতীয়া বুলি

পৰিচয় দি আছিল। পাছত স্থানীয় জনজাতিৰ নামতে পৰিচয় দি নিজ পৰিচয় বিলুপ্ত কৰে।

মানৰ আক্ৰমণৰ সময়তে নিজ ঠাই এৰি গৈ কাছাৰত আশ্ৰয় লৈ থকা বহুতো চুতীয়া লোকৰ তাৰাপুৰ নামে এখন ডাঙৰ গাঁও বৰ্তমানেও আছে। তেওঁলোকে এতিয়াও চুতীয়া বুলিয়ে পৰিচয় দিয়ে আৰু চুতীয়া জাতিৰ নীতি-নিয়ম ৰক্ষা কৰি আছে। কিন্তু তেওঁলোকেও অতি সোনকালে স্থানীয় লোকসকলৰ লগত মিলি গৈ নিজৰ অতীত পৰিচয় বিলুপ্ত কৰি দিবলৈ বেছি দিন নাই যেন লাগে।

**হাড় চুতীয়া ঃ** যিবিলাক চুতীয়া হিন্দু ধৰ্মত আনুষ্ঠানিকভাৱে দীক্ষিত নহয় অথচ বৰ্তমানে হিন্দু বুলিয়ে পৰিচয় দিয়ে আৰু চুতীয়াৰ অন্য কোনো শাখাভুক্ত নহয় অথবা অন্যকোনো জাতিৰ লগত বিয়াবাৰু আদিৰেও মিশ্ৰিত হোৱা নাই তেওঁলোকে নিজকে হাড় চুতীয়া বুলি বা প্ৰকৃত চুতীয়া বুলি পৰিচয় দি গৌৰৱ কৰিছিল। তেওঁলোকেই হাড় চুতীয়া।

বৰ্তমান কোনো চুতীয়াই কোনো শাখানামেৰে পৰিচিত নহয়। সকলোৱে নিজকে সাধাৰণভাৱে চুতীয়া বুলি গণ্য কৰে আৰু কেৱল চুতীয়া বুলিয়ে পৰিচয় দিয়ে।

**বুৰুক চুতীয়া ঃ** চুতীয়াসকলৰে এটা শাখা। মৰাণসকলৰ দৰে এওঁলোকেও ছাগলী নেখায়। চুতীয়া ৰাজ্যত এওঁলোকে বৰ্তমানৰ আৰক্ষীসকলৰ দৰে কাম কৰিছিল।

এই ক্ষেত্ৰত "চুতীয়া ভূএগ আৰু মটক ৰাজ্য" নামৰ গ্ৰন্থত সৰ্বানন্দ ৰাজকুমাৰদেৱে লিখা এষাৰ কথা মন কৰিবলগীয়া। তেখেতে ৰজা সৰ্বানন্দ সিংহৰ বংশধৰ শ্ৰীলক্ষেশ্বৰ গোঁহাইৰ সৈতে হোৱা সাক্ষাৎকাৰৰ কথা এনেদৰে লিখিছে-- "চাবুৱা পুলুঙা মৌজাৰ (ডিব্ৰুগড় জিলাত) মটকৰ ৰজা সৰ্বানন্দ সিংহৰ বংশধৰ শ্ৰীলক্ষেশ্বৰ গোঁহায়ে আমাক জনায় যে বুৰঞ্জীত লিখা মতে সৰ্বানন্দ সিংহ মৰাণ নহয়; বুৰুক চুতীয়াহে।" পৃঃ ১৮ (পাচৰ অধ্যায়ৰ বুৰুক চৈটীয়া দ্ৰষ্টব্য)

**মটক চুতীয়া ঃ** সৰ্বানন্দ ৰাজকুমাৰদেৱৰ "চুতীয়া ভূএগ আৰু মটক ৰাজ্য" নামৰ গ্ৰন্থত আছে– "মটক বুলি চিনাকি দিয়া লোকসকলৰ ভিতৰত কোঁচ, কলিতা, চুতীয়া, বামুণ, কায়স্থ, মৰাণ, আহোম, কৈৱৰ্ত, বনিয়া আদি অসমৰ প্ৰায় সকলো জাতৰ মানুহ পোৱা যায়। এতেকে মটক শব্দই কোনো এটি বিশেষ জাতিক বুজায় বুলি ক'ব নোৱাৰি। ই মহাপুৰুষীয়া ধৰ্মৰ দৰে এটি ধৰ্ম সম্প্ৰদায়ভুক্ত।" (পৃ ৬৩)

এই মটক সম্প্ৰদায়ভুক্ত চুতীয়াসকলেই মটক চুতীয়া।

**মিচিমি চুতীয়া ঃ** মিচিমিসকলে নিজকে ভীষ্মক ৰজাৰ বংশধৰ বুলি গৌৰৱ কৰে। বহুত পণ্ডিতে মিচিমিসকলক চুতীয়াৰ এটা শাখা বুলি কয়। ই একো অসম্ভৱ নহয়। অৱশ্যে তেওঁলোকে আদিম জনজাতীয় চৰিত্ৰটো এতিয়াও অতীতৰ দৰেই ৰাখিছে।

এই "মিচিমিসকলৰ তিনিটা গোষ্ঠী দেখা যায়। ইদু বা মিথি বা চুলিকটা, তৰাতন বা টাইন বা টাওৰা বা পিগাৰু, আৰু কামান বা মিজু। মিথুন বা বেবেজীয়া নামে চুলিকটা ইদুসকলৰ এটা ডাঙৰ খেল আছে। এইসকলে মাজ মূৰত চুলি ৰাখি চাৰিওফালে চুলি

কাটি পেলায়।"*১

"নেফাৰ যিসকল উপজাতি আছে এই মিচিমিসকলেই সকলোতকৈ ধুনীয়া; সোণবৰণীয়া, তিৰোতাসকল লাবণ্যময়ী"।*২

ৰজা ভীষ্মকৰ বংশধৰ বুলি মিচিমিসকলে নিজে কৰা দাবীৰ পৰাই তেওঁলোকক মিচিমি চুতীয়া বুলি ক'ব পাৰি।

অসমৰ বিভিন্ন ঠাইত বেবেজীয়া বুলি কেইবাটাও অঞ্চল আছে। এই বেবেজীয়া শব্দটো মিচিমিসকলৰ বেবেজীয়া শব্দৰ পৰা অহানেকি অনুসন্ধান কৰিবৰ আৱশ্যকতা আছে। কছাৰী বেবেজীয়া কছাৰীসকলৰ এটা খেলহে। অতীতত এই কছাৰীসকল যি অঞ্চলত বাস কৰিছিল বাবেই বৰ্তমান অসমৰ বিভিন্ন অঞ্চলত বেবেজীয়া বুলি স্থান আছে।

বৰ্তমান উত্তৰ লক্ষীমপুৰত থকা সোৱণশিৰি বেবেজীয়া আৰু কেকুৰী বেবেজীয়া বুলি থকা দুটা অঞ্চলৰ শতকৰা এশঘৰ মানুহেই চুতীয়া। ইয়াৰে মানৰ দিনত শিৱসাগৰৰ চাৰিঙৰ পৰা ভাগি অহা দুজন ভাই ককাইৰ দুটা পৰিয়ালৰ প্ৰথমটো পৰিয়াল সোৱণশিৰি বেবেজীয়াত আৰু দ্বিতীয়টো পৰিয়াল কেকুৰী বেবেজীয়াত বাস কৰে। এই দুই অঞ্চলৰ শতকৰা আশী ঘৰ মানুহ এই দুটা পৰিয়ালৰে। বাকীখিনি তাৰ স্থানীয় ভাবে আগৰ পৰা থকা মানুহ।

এই অঞ্চলৰ চুতীয়াসকলে চুতীয়াৰ অতীত জনজাতীয় চৰিত্ৰটো এতিয়াও সম্পূৰ্ণভাবে ৰক্ষা কৰি আছে।

**চাউদাং চুতীয়া ঃ** আহোম ৰজাৰ দ্বাৰা নিৰ্বন্ধন কৰা চাউদাং খেল বিভিন্ন লোকেৰে গঠিত। যিসকল চুতীয়া লোক এই চাউদাং খেলত অন্তৰ্ভুক্ত হৈছিল সেইসকলেই চাউদাং চুতীয়া। চাউদাংসকলৰ কাম বৰ্তমানৰ আৰক্ষীসকলৰ দৰে।

**বহতীয়া চুতীয়া ঃ** চুতীয়া ৰাজ্যৰ স্বাধীনতা যোৱাৰ পাচত যিবিলাক সাধাৰণ চুতীয়া লোকক আহোমৰ ডা-ডাঙৰীয়াসকলৰ খাতৰ মাটিত বহিবলৈ দিয়া হৈছিল তেওঁলোকে তাৰ পৰিবৰ্তে ডা-ডাঙৰীয়াসকলৰ ঘৰত গা-খাতি কাম কৰি দিব লাগিছিল। সেই মাটি ডা-ডাঙৰীয়াসকলে বিক্ৰী কৰিলে বা অন্য প্ৰকাৰে কাৰোবাক হস্তান্তৰ কৰিলে সেই লোকসকলো লগতে বিক্ৰী হৈছিল। গতিকে তেওঁলোকক বহতীয়া বোলা হৈছিল। বহতীয়াসকল সকলোৱেই এতিয়াও আদিম জনজাতীয় নীতি নিয়মমতে চলে আৰু

---

১ *বিষ্ণুৰাভা গ্ৰন্থাৱলী — বিষ্ণুপ্ৰসাদ ৰাভা — পৃঃ ৪৩৫।*

২ *বিষ্ণুৰাভা গ্ৰন্থাৱলীৰ — পৃঃ ৪৩৫।*

*ইয়াৰ উপৰিও এই গ্ৰন্থৰে ৪৩৫-৪৩৭ পৃঃত তলৰ কথাখিনিও পোৱা যায়— "উভতি চাওঁ এজন জনজাতীয় মানুহ। লগতে এগৰাকী ছোৱালী। সুধো— "মোক"? ইঙ্গিতেৰে বুজাওঁ— থমকি মুখামুখী হওঁ। "বহক" বুলি কোৱাৰ লগে লগে তেওঁ আৰু সেই ছোৱালীজনী বহে। থাহনিৰ দলিচাৰ ওপৰতে মযো লেপেটা কাঢ়ি বহো।" আচৰিত হও- "মিচিমি"।*

সকলো কাম কৰে। তেওঁলোক পকা পক্ষী আৰু মদ, গাহৰী, কুকুৰা আদি এতিয়াও ভক্ষণ কৰে; সেইবোৰ খাদ্যৰে ধৰ্মীয় অনুষ্ঠান পালন কৰে।

চুতীয়াসকলৰ এই শাখাবোৰৰ ভিতৰত দেউৰী চুতীয়া, লালুং চুতীয়া, সোণোৱাল চুতীয়াসকল সংবিধানৰ তালিকাভুক্ত সংৰক্ষণ প্ৰাপ্ত জনজাতি। অন্য খাচী চুতীয়া, জয়ন্তীয়া চুতীয়া, মিচিং চুতীয়া, নগা চুতীয়া আদি সকলো সেই জনজাতি ভুক্ত হিচাপে সংবিধানৰ দ্বাৰা সংৰক্ষণ প্ৰাপ্ত জনজাতি।

## আহোম ৰজাই নিৰ্ধাৰণ কৰা বিভিন্ন খেলত চুতীয়াসকল

আহোমৰ প্ৰথম ৰজা স্বৰ্গদেউ চুকাফা অসমলৈ আহোতে তেওঁৰ লগত ১০৮০ জন মাটি ৰণুৱা, ৮ জন বিষয়া আৰু ৩০০ জন ঘোঁৰা ৰণুৱা আৰু দুটা হাতী আহিছিল। কোনো তিৰোতা মানুহ তেওঁলোকৰ লগত নাছিল। বৰাহী আৰু মৰাণ ৰাজ্য জয় কৰাৰ পাচত তেওঁলোকৰ লগত মিত্ৰতা কৰি মৰাণৰ চাৰিগৰাকী কুঁৱৰী বিয়া কৰায়।*[১]

অন্যান্য সকলেও বৰাহী আৰু মৰাণৰ তিৰোতাকে গ্ৰহণ কৰি বংশ বৃদ্ধি কৰে। পাচত আহোম ৰাজ্য স্থায়ী আৰু শক্তিশালী হোৱাৰ লগে লগে ৰজাই সমাজ নিৰ্বন্ধন কৰি বিভিন্ন কামৰ বাবে খেল পাতি দিয়ে। এই খেলবোৰত স্বাভাৱিকতে স্থানীয় মানুহেই নিযুক্ত হৈছিল।

---

*“অহ্ মিচিমি। ভীষ্মক ৰজাৰ বংশ। ৰুক্মিণী (ৰুক্মী) গোঁহানীৰ ভাই আৰু।” “ৰুক্মিণী গোঁহানী অহ্! অহ্! ৰুক্মিণী গোঁহানী যাঁৰ ৰুকমৰ ভনী।”*

*মোৰ মন উৰি যায় দ্বাপৰ যুগলৈ— সেই পুৰণি বিদৰ্ভ ৰাজ্যলৈ। মনত পৰে ভীষ্মক ৰজাৰ কাহিনী। বিদৰ্ভ কুঁৱৰী ৰুক্মিণী গোঁসানীলৈ। সুধো— “এইগৰাকী কোন?”*

*“মোৰেই ঘৈণী, মই বাৰজনী বিয়া কৰাইছোঁ।”*

*"The Kirata was perhaps the generic name of the mongoloid people but the name Chine was probably applied particularly to the Tibetan and Bhutanis."*

*— Early History of Kamrup — K.L. baruah — Page 2*

*“ককেচইড্‌সকলৰ অসম আগমন খৃঃপূঃ ৯ম শতিকা বুলি অনুমান কৰা হয়।” – অঃসাঃ সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ ভাষণ— ৰায় বাহাদুৰ কনকলাল বৰুৱা (ভ্ৰাতকৰ কথা বহুৰ বৰা)।*

১ *অসমৰ বুৰঞ্জী -- পদ্মনাথ গোঁহাই বৰুৱা -- পৃঃ ৩১।*

চুকাফা "আহোতে বাটত কতো দহ, কতো বাৰ, কতো তিনি, কতো দুই, কতো এক, এই ক্ৰমে মানুহ লগ পাই তাকো হাত কৰি মেৰাই লৈ আহিল। সেই মানুহ কতো চুতীয়া, কতো মৰাণ, কতো বৰাহী। এই মানুহ বিস্তৰ হ'ল।"[১]

এইদৰে বাটত লগ লৈ অহা আৰু নিজৰ লগত অহা সকলো মানুহ মিলি "এই ৰূপে দুঃখ ভাগৰ পাহৰাই আনন্দ কৰি ফুৰে। যাকে যাকে বাটত লগ পালে সিহঁতৰো আপাহ পাই আপাহৰ অনুসৰি তাহাতৰো নাম থলে। যি চুতীয়া, বৰাহী, কছাৰী, মৰাণ মানুহ পাই লগত ললে সিহঁতৰো কাৰ্য বুজি সেই অনুসৰি নাম থৈ গ'ল। নামি অহা সকলতকৈ হৰা পোৱা মানুহৰহে আপাহ সৰহ পায়। সেই বেলা মানুহবোৰ মিহলি হ'ল। পূৰ্বে আহোতে আমাৰ মানুহৰ তিৰোতা অহা নাই, এতেকেহে হৰা পোৱা মানুহৰ জিয়ৰীবোৰহে তিৰোতা হ'ল।"[২]

ইয়াৰ পৰাই বুজিব পাৰি যে আহোম ৰজাই নিৰ্বন্ধন কৰা খেলবোৰত লগত অহা এই স্থানীয় মানুহবোৰ আৰু তেওঁলোকৰ সতি-সন্ততিবোৰেই ঠাই পাইছিল। স্বাভাৱিকতে এই খেলবোৰৰ মানুহবোৰ প্ৰথমে আহোম নাছিল; পাচত আহোম ৰজাই কিছুমানক নিজ জাতি ভুক্ত কৰি লয়; আৰু অন্য বহুতে ৰাজ অনুগ্ৰহৰ বাবে আৰু ৰাজকীয় জাতিৰ বুলি গৰ্বীত হ'বৰ বাবে নিজকে আহোম বুলি পৰিচয় দিয়ে।

চুতীয়া জাতিৰ সংগঠন বিশ্লেষণ কৰোঁতে আহোম ৰজাই বিভিন্ন খেলত অন্তৰ্ভুক্ত কৰা চুতীয়াসকলৰ বিষয়ে জনা অতি প্ৰয়োজন। সেয়েহে আমি ইয়াৰ পাচত আহোম ৰজাই নিৰ্বন্ধন কৰা বিভিন্ন খেলত প্ৰথমে অন্তৰ্ভুক্ত কৰা চুতীয়াসকলৰ পৰিচয় এটা দাঙি ধৰিবৰ চেষ্টা কৰিছো।

**সাতঘৰীয়া আহোম :** "স্বৰ্গদেউ চুকাফা চিকাৰলৈ যাওঁতে এদিন এখন সৰু নৈ পালে। সেই নৈ পাৰ হ'বৰ বাবে তেওঁৰ লগতে পূৰ্বে নৰা দেশৰ পৰা অহা থাওমুং ত্যাওৱে এদাল গছৰ দীঘল সাকো পাৰি দিলে। "পাচে ৰজাদেৱে থাওমুং ত্যাওক সন্ধিকাই বুলিলে; ছুন্-দি-কাই (ছুন্=দীঘল গড়, দি-কাই=পৰা) অৰ্থাৎ গড় পৰা, সাকো দিয়া মানুহ। বুদ্ধি সন্ধি কৰি পাৰ কৰিলে বুলি সন্ধিকাই বুলিলে বুলিও কোনোৱে কয়।

থাইমুংকাংৰায়, থাওমুংকা, আৰু থাওমুংকাংখুংমুং এই তিনিঘৰ মানুহ পূৰ্বে চুকাফাৰ লগতে অহা। ই কেইঘৰৰ সতি-সন্ততিক ৰজাদেৱে আনি বুঢ়াগোঁহাই আৰু বৰগোঁহাই ফৈদত দিলে। থাওমুংখন্থুং, থাওমুংখন্তাইকেনচুকা, আৰু কেৰংখাম্ এই তিনিঘৰো গোঁহাইবোৰৰ পো ভাই পূৰ্বে নৰা দেশৰ পৰা চুকাফা ৰজাৰ লগতে অহা। এই তিনি ঘৰকো থাওমুংত্যাওৰ লগতে সন্ধিকাই পাতিলে। তাত পাচে আইমুংকংৰায়, থাওমুংকা, আৰু থাওমুংকাংখুংমুং আৰু থাওমুংত্যাও— এই চাৰিঘৰে সহিতে লগ কৰি কেওঘৰকে সাতঘৰীয়া আহোম পাতিলে।"[৩]

---

১ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা — পৃঃ ১৯।*

২ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা — পৃঃ ২০।*

৩ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা — পৃঃ ২৫-২৬।*

স্বৰ্গৰাজা চুকাফাৰ পাচত ৰজা চুবিনফা, দিহিঙ্গীয়া ৰজা আৰু জয়ধ্বজসিংহ ৰজাৰ দিনত এই সাতঘৰীয়া আহোমৰ পুনৰ সালসলনি হয়।

"আহোম এটা জাত বা কুল নহয়। কলিতা, কোচ, কেওট বুলিলে যেনেকৈ এজাত মানুহক বুজায় আহোম বুলিলে পূৰ্বতে থিক তেনে নুবুজাইছিল। আহোম এটা সম্প্ৰদায় বা এফৈদ মানুহৰ নাম; এই ফৈদ মানুহৰ মাজত নানাবিধৰ (বা জাতৰ) মানুহ আছিল। আহোমৰ ভিতৰত যেনেকৈ ৰজা আছিল, তেনেকৈ সেই আহোমৰ ভিতৰতে মৰংচোৱা, খৰিভাৰী, ইত্যাদিও আছিল। মুঠতে ক'বলৈ গ'লে আহোম এটা কুলৰ বা জাতৰ নাম নহয় আৰু সকলোবিলাক আহোমো একে শ্ৰেণীৰ আহোম নহয়। উচ্চ শ্ৰেণীৰ ভদ্ৰবংশীয় আহোমবিলাকক সাতঘৰীয়া আহোম বোলে। চুকাফা ৰজা স্বৰ্গদেৱে সাতঘৰ প্ৰধান সেৱক লগত লৈ নামি আহিছিল, সেই সাতঘৰকেই সাতঘৰীয়া আহোম বুলিছিল।"*১

**লুখুৰাখন ঃ** "মাউত ফম্‌কিন্ আৰু বৰাহীৰ কালুঙ্গ বৰা, ইহঁতৰে বহুত সন্ততি হ'ল। ৰজাদেৱে পাই (চুবিনফা) ইহঁতকে লুখুৰাখন বুলিলে। সিহঁতৰ যি ছোৱালী নিয়ে সিহঁতেও ল'ৰা হ'লে লুখুৰাখনলৈ দিব লাগে আৰু যদি ছোৱালী হয় ৰজাৰ ঘৰৰ বেঁটীকৈ দিব লাগে। এই নিৰ্বন্ধ কৰিলে। লুখুৰাখনে ৰজাৰ শৱ ৰুঙ্গডাঙ্গ ঘৰৰ তললৈ নিব লাগে। আৰু ৰজাদেৱে সিহঁতকে সততে সাজ খাবলৈ মাতে। এতেকেহে বহুত মানুহ লুখুৰাখন খেলত সোমাল। লুখুৰাখনো বিস্তৰ হ'ল। গাম এঘৰ, লখাই এঘৰ, মংপুংবন্তি এঘৰ, হাঠাই ঠাকুৰ এঘৰ, ৰখাম এঘৰ, বৰকুমাৰ এঘৰ, এই ছঘৰ মানুহ বৰাহী; পূৰ্বে চুকাফা ৰজা নামি আহোতে পৰ্বতত পাই অনা। ৰজাদেৱে ইহঁতৰ এঘৰক কুকুৰাচোৱা ফৈদত দিলে; এঘৰক বেজ ভৰালী পাতিলে"।*২

ৰায়বাহাদুৰ গোলাপ বৰুৱা সম্পাদিত টাই ভাষাৰ আহোম বুৰঞ্জীত পোৱা যায় যে বৰাহীসকলৰ ৰজা থাকুমথাক লুখুৰাখন পাতিছিল। (পৃঃ ৩২)

ইয়াৰ পৰা দেখা যায় যে লুখুৰাখন খেল বৰাহী আদি স্থানীয় চুতীয়া জনগোষ্ঠীৰ লোকেৰেই গঠিত হৈছিল। প্ৰথমে তেওঁলোক সাতঘৰীয়া আহোম নাছিল। পাছত জয়ধ্বজ সিংহইহে লুখুৰাখন খেল সাতঘৰীয়া আহোমত ভুক্ত কৰে।

সৰ্বানন্দ ৰাজকুমাৰ দেৱে— "চুতীয়া ভূঞা আৰু মটক ৰাজ্য" নামৰ গ্ৰন্থত ১৮ পৃঃত লিখিছে "বৰাহী চুতীয়াৰ কথা বিশেষকৈ জনা নেযায়। ১২২৮ খৃঃত চাওলুং

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৫০৪।*

২ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ২৬।*

*ৰুঙ্গডাঙ্গ ঘৰ— "আহোমবিলাকে মৰাক পোৱাৰ নিয়ম নাছিল; তেওঁলোকে আগৰ কালত (অৰ্থাৎ হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পূৰ্বে) মৰাক পুতিহে থৈছিল। ৰজাসকলৰ হ'লে কোনো পাটত উঠা ৰজা বা কুঁৱৰী মৰিলে কাঠৰ তক্তাৰে (ইংৰাজ বিলাকৰ কফিনৰ দৰে) দীঘলে দীঘলে শৱটো সুমাব পৰাকৈ এটা বাকচ বা পেৰা তৈয়াৰ কৰে। এই পেৰাটোক আহোমৰমতে "ৰুঙ্গডাঙ্গ" বোলে।" আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৩৯৯।*

চুকাফাই সৌমাৰৰ মৰাণ ৰজা থাকুমথাক জয় কৰি আহোম ৰাজ্যৰ ভেটি স্থাপন কৰিছিল। এই বৰাহীসকল বড়ো জাতীয় আছিল আৰু তেওঁবিলাকৰ ৰাজ্য চৰাইদেউৰ চাৰিওকাষে আছিল। বৰাহীসকলৰ পৰামর্শমতেই চাওলুং চুকাফাই চৰাইদেউত ৰাজধানী পাতিছিল। আহোমসকলে বৰাহীসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি বৰাহীসকলক আহোম কৰি আহোম জাতিৰ ভিতৰত ভুক্ত কৰি ললে। চাওলুং চুকাফাই (১) গম (২) লখাই (৩) মুংপুং বা মঙপেঙ (৪) ৰাঙি বা ৰাংখি (৫) হাঠাই ঠাকুৰ (৬) বাখাম আৰু (৭) বৰকুমাৰ নামে চিলনীমৰীয়া গাঁৱত বাসকৰা সাতঘৰ বৰাহীৰ পৰা কাঠকটীয়া, পানী যোগনীয়া, চাংমাই (ৰান্ধনী), বেজ ভৰালী, কুমাৰ, কুকুৰাচোৱা, জৰা ধৰা, বাটিৰখীয়া (bowl keeper) আদি পাতিলে (হৰকান্ত বৰুৱা সদৰামিনৰ আসাম বুৰঞ্জী ১৭ পৃঃ আৰু আহোম বুৰঞ্জী ৩৪ পৃঃ) চাংমাই বেজভৰালী, কুকুৰাচোৱা, জৰাধৰা, আহোমৰ খেল এতিয়াও আছে। সেই বৰাহীসকলেই বৰাহী চুতীয়া হয়নে নহয় জনা নাযায়।"

ইয়াৰ পৰা দেখা যায় যে বৰাহীসকলক আহোম ৰজাই আহোম জাতি ভুক্ত কৰি ললে বুলি লিখিছে। আদিতে এওঁলোক বড়ো বা চুতীয়া জনগোষ্ঠীৰ। হিতেশ্বৰ বৰবৰুৱা দেবৰ মতে আহোম এটা জাতি নহয় সম্প্ৰদায়হে; তাত বিভিন্ন জাতিৰ মানুহ আছিল। আহোম কৰি ললেও চুতীয়া, বৰাহী, মৰাণ বা চুতীয়াসকলৰ পূৰ্বৰ জাতিগোষ্ঠীৰ জাতীয়ত্ব বিলোপ হ'ব নোৱাৰে। ধৰ্মান্তৰৰ দ্বাৰা ধৰ্মহে বদলি কৰিব পাৰি; জাতিগোষ্ঠীৰ চিনাকি কেতিয়াও বদলি কৰিব নোৱাৰি।

**লান্‌মাখ্ৰু** ঃ "পূৰ্বে চুকাফা ৰজা নামি আহোতে তিপামত ৰওতে 'খোঙ্গ' নামে মৰাণ মানুহ এঘৰ পালে। তাৰ পুতেকৰ ঘৰত চুবিন্‌ফা ৰজাদেৱে বহুত যাঠী দা পালে। আহোম মতেৰে 'খিম্‌তৰ' মানে দা; 'খেঙ্গাৰু' মানে যাঠী; সেই হেতুকে এই ঘৰৰ নাম খিম্‌তৰ খেঙ্গাৰু দিলে। পূৰ্বে তিপামতে চুকাফা ৰজাক এক মৰাণে বেঙেনা যোগাইছিল। আহোম কথাৰে বেঙেনাক 'মক্‌খু' বোলে। সেই মানুহ ঘৰে চুতেউফা ৰজাৰ দিনত নগাৰ যুঁজত আগৰণুৱা হৈ ফুৰিছিল। সেই আপাহতে চুবিন্‌ফা ৰজাদেৱে সিহঁতক 'লানমাখ্ৰু' নাম দিলে।"[১]

**চোমচিৰিং** ঃ "চুকাফা ৰজাৰ দিনত চুতীয়া ৰজাৰ নিলগীয়া গাঁৱৰ এটা মানুহ ধৰি আনিলে। পাচে সেই ৰজাদেৱে সেই মানুহক মানসকৈ চোমদেউলৈ বুলি উচৰ্গী দিছিল আৰু তাৰে নাম থৈছিল 'চোমচিৰিং', আহোমতকৈ কুলত হীন। পাচে ক'তদিন থাকি তাৰ পাঠ পুতেক আৰু এক জীয়েক হ'ল। তাৰে নাম খাতমুং, পানমুং, গ্ৰামুং, চাইমুং, টেঙ্গফামুং, লুচিং আৰু নজিউ; এই আঠ পুতেক। পাচে নজিউৰ ভনীয়েকৰে বাদ উঠিল। সিহঁত ভায়েকে এই কথা জানি তাক খুচি মাৰিব খুজিলে, বোলে সি আমাৰ দুৰ্যশস্যা আনিব কিয়? পাচে নজিউৱে ভনীয়েকৰ মুখে এই কথা শুনি দিখৌ পাৰ হৈ পলাল। বৰগোঁহাইত, শৰণ পশিলেগৈ বোলে— মোক সাত ভায়ে খুচি মাৰ; মোক ৰক্ষা কৰক; মই হাঁহ কুকুৰা ৰখীয়া হৈ থাকিম। এই কথা চুতেওফা স্বৰ্গদেৱৰ দিনত। পাচে বৰগোঁহায়ে

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা — পৃঃ ২৬।*

ৰাখি ঘৰ দিলে। ক'তদিন থাকি তাক হাঁহৰখীয়া পাতিলে। নাম দিলে 'পিত্হান্'। পাচে ক'ত দিন থাকি সেয়ে মৰিল, চুবিন্ফা ৰজাদেৱে সিহঁতকে পাই 'লাংহান্' (লাহন নহয়) বুলিলে। তাৰে পুতেক নাতিয়েকহঁত হাঁহৰখীয়া হৈ আছিল। পাছলৈ সেই বঙহকে "হাঁহপনীয়া" বুলিলে। লাংহান আৰু হাঁহপনীয়া আহোম একে বঙহেই। লাংহানবোৰ পূৰ্বতে চেতীয়া দুৱৰাৰে এফৈদ।"*১

**লাহন পিতহান ঃ** "আহোম কথাত 'পিত' মানে হাঁহ 'হান' মানে ৰখীয়া। এতেকে পিতহান মানে হাঁহৰখীয়া, পিতহান মৰিলত তাৰ পুতেকে হাঁহ চাইছিল। আহোম কথাত পুতেকক 'লুক' বোলে। এতেকে তাৰ নাম হ'ল 'লুকহান'। সি মৰিলত তাৰ পুতেকে হাঁহ চাইছিল। আহোম কথাতে নাতিয়েকক 'লা' বোলে। সেই নিমিত্তে চোমচিৰিঙৰ পৰিনাতিৰ নাম হ'ল 'লাহান'।"

"খাতোৱাল চেটীয়াৰে লাহানেৰ একে বঙহ"।*২

"নজিউৰ বাকী সাত ভায়েকৰ সতি-সন্ততিক চুবিন্ফা ৰজাদেৱে খাতোৱাল নাম দিলে। পাচলৈ সিবোৰকেং খাটোৱাল চেতীয়া বুলিলে। আহোম মাতেৰে 'চামচিঙ্গ' বুলিছিল"।*৩

**চেটীয়া ঃ** "পূৰ্বে চুকাফা ৰজাই যি মৰাণ বৰাহী পালে 'থামিথুমা' (থাকুম্থা), থকুম্থনা, এই জনা ৰজাই (দিহিঙ্গীয়া ৰজা) তাৰে নাতিপুতিক চৰগুৱা, মাইবেলা, দিহিঙ্গ, জাঁজী, বাঘচোং আদি আনো ঠায়ে ঠায়ে পাতিলে। আৰু বোলে বৰাহী, মৰাণ, চুতীয়া, কছাৰী, লুখুৰাখন, ইহঁতৰ যি ভাল মানুহ হয় তাহাতৰ নাম নাকাঢ়িব; চেটীয়া বুলিব। আৰু পূৰ্বে যে আমাৰ নাম হৰাল ন পুৰণি মিহলি হ'ল এতিয়া জনাবোৰত চিন কৰক। এই বুলি বৰা বুৰুকক মাততে চিন ৰাখিব দিলে।"*৪

অৰ্থাৎ সকলোৱে চেটীয়া বুলিয়ে জনাজাত হ'ব। কিন্তু কোন নতুন মানুহ আৰু কোন পুৰণি অৰ্থাৎ ৰজাৰ লগত নৰা ৰাজ্যৰ পৰা অহা মানুহ তেওঁলোকৰ কথা বতৰাতে চিন ধৰিব। যেহেতু ৰজাই স্থানীয় ভাষাকে গ্ৰহণ কৰিছিল নতুনকৈ স্থানীয় ভাষা শিকা মানুহ আৰু পুৰণি স্থানীয় ভাষাৰে কথা কোৱা মানুহৰ ভিতৰত কথা কোৱাত সদায় এটা পাৰ্থক্য থাকেই।

**চুতীয়াৰ চান্দভৰালী ঃ** "পূৰ্বে চুতীয়া ৰাজ্যত "দলদশং" বুলি এক শুকান মঙ্গহৰ ভৰালী আছিল। চুতীয়া ৰাজ্য মাৰোতে দিহিঙ্গীয়া ৰজাদেৱে তাকে ধৰি আনিলে। তাৰ পো-নাতিকে পাই এইজনা ৰজা স্বৰ্গদেৱে (গৰগঞা ৰজা) চুতীয়াৰ "চান্দভৰালী" নাম দিলে। সিহঁতৰ পৰিয়ালক এতিয়াও "চান্দভৰালীৰ ঘৰ" বুলি কয়। কুলত পূৰ্বে কোঁচ। দলদশঙ্গৰ চাৰি পুতেক মাৰি কোঁচ, চিকনৰাই, চান্দ আৰু মেক। ৰজাদেৱে চিকন ৰাইক

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা – পৃঃ ২৬-২৭।*

২ *পুৰণি অসম বুৰঞ্জী -- সম্পাদক হেমচন্দ্ৰ গোস্বামী – পৃঃ ২৩-২৪।*

৩ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা – পৃঃ ২৬-২৭।*

৪ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৫৬-৫৭।*

ভৰালী কৰি ৰাইডাং মেলত নিলে। ই তিনি বৰ টেকেলা হৈ থাকি। সেই চিকন ৰাইৰ বঙহকে "আহোম ভৰালী" বোলে। জাতত কোঁচ। পূৰ্বে চুতীয়া ৰজাৰ পৰা ধৰি অনা মানুহ।"*১

চুতীয়াৰ চান্দভৰালী ঘৰে ৰজাদেৱক কচু লঙ্কা দিব লাগে। মৰাণৰ ঘৰে খৰি দিব লাগে; লুখুৰাখনে মৰা নিব লাগে; মৰাৰ লগত যাব লাগে।

ইয়াৰ পৰাও দেখা যায় যে লুখুৰাখন বিলাক আদিতে আহোম নাছিল। অৱশ্যে পাচত তেওঁলোকক সাতঘৰীয়া আহোমত ভুক্ত কৰি লোৱা হয় (জয়ধ্বজ সিংহৰ দিনত)।

**চলিহা :** "পূৰ্বে গড়গঞা ৰজাই এক মৰাণ পালে আৰু তাৰ কাৰ্য কাম ভাল পাই তাৰ নাম দিলে "চলি-হাবিঙ্গ"। ইয়াৰ সতি-সন্ততি "চলিহা" যি বাঢ়িছিল তাকে এইজনা ৰজা দেৱে (খোৰা ৰজা) পাই মঠাডাঙত পাতিলে আৰু ইহঁতকে "চলিহা" বা "চালহাৰ ডেকা" নাম দি ডেকাবোৰৰ খেলত খেলুৱাকৈ দিলে।

বৰগোহাঁই ফৈদৰ অৰুশং অপুত্ৰক আছিল। সেয়ে মহঙৰ পৰা আহোমৰ দিকিৰ পেটত যোৱা এক ল'ৰা আনি তুলিলেহি। ৰজাদেৱে তাৰে নাম দিলে "পাওলা-পাম"। পাওলাপামৰ সতি সন্ততিকে চালহাবি সন্দিকৈ বোলে।"*২

**চুতীয়া চিৰিং :** "পূৰ্বে শদিয়া মাৰি অনা চুতীয়া ক্যোওমংনা, তাৰে নাতি পুতিক ৰজাদেৱে (খোৰা ৰজা) চুতীয়া চিৰিং বুলিলে।"*৩

**আহোম বৰুৱা :** "আহোম বৰুৱা ঘৰো চুতীয়া মানুহ ইহঁত পূৰ্বতে চুতীয়া ৰাজ্যলৈ অহা যোৱা কৰা আমাৰ ৰজাৰ কটকী আছিল, 'টংটে' বুলিছিল। ইহঁতৰ ঘৰকে এইজনা ৰজা দেৱে আহোম বৰুৱা বুলিলে।"*৪

**লেচাম চেটীয়া আৰু ঘোঁৰা চোৱা :** "লেচাম চেটীয়া এই ঘৰ বুঢ়াগোহাঁই ফৈদীয়া বন্দী, ভাগ সলাই আই কুঁৱৰীৰ ফালে গৈ লেচাম টেকেলাৰ বৰা হৈছিল। তাৰ পৰা বুঢ়া ফৈদকে 'লেচাম চেটীয়া' বোলে। পাচে ৰজা দেৱে (খোৰা ৰজা) লেচামক নি খোকোৰাত পাতিলে। তাৰে দুই পুতেক লাইপুং আৰু লাঙ্গীপুং। পূৰ্বে তন্‌খাম বৰগোঁহাইৰ জীয়েক লাংচু গাভৰুক যেতিয়া ৰজা দেৱলৈ দিলে সেই লাঙ্গীপুঙ্গকো গাভৰুৰ যৌতুকত দিছিলে। পাচে কতো দিন থাকি সেয়ে গাভৰুৰ ভৰালী হ'ল; আৰু তাৰে ককায়েক লাইপুং বৰগোহাঁইৰ খেলত "ঘোঁৰা চোৱা" হৈ থাকিল। লাঙ্গীপুং থাকিল লেচাম চেটীয়াৰ ফৈদত। এই দুয়োঘৰ কুলত চুতীয়া।"*৫

**লিক্‌চন :** "বৰপাত্ৰ খেলত লাচু বুলি এটা ডাঙৰ বৰাহী আছিল। সেয়ে 'চাওৰোক' হৈছিল। পাচে ৰজাদেৱে তাক ভাল পাই লিক্‌চনৰ ওপৰত নেওগ পাতিলে।

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৫।*

২ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৯।*

৩ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৭০।*

৪ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৭১।*

৫ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৭১।*

লিক্‌চনবোৰো বৰাহীয়েই জাতুৰা আহোম নহয়। ইহতে ৰজাসকলৰ লিক্‌চৌৱান কাম কৰিছিল, এতেকেহে লিকচন নাম পালে"।*১

**ভাণ্ডাৰী গোঁহাই :** "জেউৰা ভেটিবৰ বৰ ভাল দেখি ৰৌমৰীয়া গণকক ভাণ্ডাৰী বৰুৱা পাতিলে। আৰু খাটোৱাল চেটীয়াৰ জী ৰজা দেৱৰ বৰ কুঁৱৰীক মেছা ঘৰ দিলে। পাচে ৰজা দেৱে পৰ্বতীয়া গোঁহাইৰ জীয়েকক বিবাহ কৰালে। এই ঘৰকে 'ভাণ্ডাৰী গোঁহাইৰ' ঘৰ বোলে; কিন্তু আচলতে গোহাঁই নহয়, জাতত পূৰ্বে চুতীয়া।"*২

**ফুল বৰুৱা :** "পূৰ্বে তন্‌খাম বৰগোঁহাইৰ এহেজাৰ বন্দী আছিল। সিহঁতকে বুঢ়া ৰজা স্বৰ্গদেৱে গোঁহাইঘৰৰ বন্দী গুচাই নি এৰালিতলিত কাৰীকৈ "খণ্ডীয়া হাজাৰ" নাম দি পাতিলেনি। তাৰে তিনিকুৰি মানুহ নি খোকোৰা ফুলবাৰীত বাৰীচোৱাকৈ দিলে। তাৰে ভিতৰত গুটিমালিক মুখ্য কৰি অধিকাৰ পাতি দিলে। পাচে ৰজাদেৱে কাৰ্য কামত ভাল পাই গুটিমালিক ফুলবৰুৱা নাম দিলে। কুলত এইঘৰ মৰাণ; এই ঘৰকে গুটিমালিৰ ঘৰো বোলে"।*৩

**ভাণ্ডাৰী চেটীয়া :** "পূৰ্বে তন্‌খাম বৰগোঁহাইৰ জীয়েক নাঙ্গচং গাভৰুক খোৰা ৰজা স্বৰ্গদেৱলৈ দিওঁতে বৰগোঁহায়ে লাঙ্গিমুঙ্গ নামে এক চুতীয়াক দিছিলে সেয়ে বৰগোঁহাইৰ জীয়ৰীৰ খাটনিত ঘোঁৰা চোৱা হৈ আছিল। পাচে কতো দিন থাকি সি মৰিল। বুঢ়া ৰজাদেৱে তাৰে পো-নাতিৰ এঘৰক আপাহ পাই বৰগোঁহাইৰ ঘৰৰ যৌতুকীয়া গুচাই "ভাণ্ডাৰী চেটীয়া" নাম দিলে।"*৪

**লুথুৰী চেটীয়া :** "জেটিং চুতীয়া পূৰ্বে চুতীয়া মাৰি অনা লুখুন্তুৰ বংশৰ; বুঢ়া ৰজাদেৱে তাকো লুথুৰী চেটীয়া নাম দিলে; চেটীয়াৰ খেলত দিলে। জাতত পূৰ্বতে চুতীয়া।"*৫

**পিকচাই চেটীয়া :** "গড়গয়া টুকুৰীয়াৰ ঘৰ ভাণ্ডাৰী গোঁহাইৰ ভায়েকৰ পৰা বঢ়া; জাতত আগৰ চুতীয়া; পূৰ্বে শদিয়া মাৰি অনা থাওৰতুৰ চুতীয়া। তাহাঁতৰ পৰিনাতিকে বোলে পিকচাই চেটীয়া।"*৬

**বিহপৰুৱা চেটীয়া :** "থাওৰতুৰৰ ভায়েকৰ পুতেকহঁতৰ পাচনীত খাটতি হ'ল; এই হেতুকে ৰজাদেৱে সিহঁতক বিহপৰুৱা চেটীয়া বুলিলে।"*৭

**ৰজা-শহুৰ :** "চেংধৰা লুথুৰীকো বৰফুকন ভাণ্ডি মহাৰজা স্বৰ্গদেৱে এক শহুৰ (এওঁৰ নাম বাদুলি; মোমাইতামুলী বৰবৰুৱাৰ পুতেক বিখ্যাত লাচিত বৰফুকনৰ

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৭১।*

২ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৮৩।*

৩ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১২৫।*

৪ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১২৬।*

৫ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১২৬।*

৬ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১২৬।*

৭ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ১২৬।*

ককায়েক) বাদুলিক ৰজা-শহুৰ নাম দি বৰফুকন পাতিলে পূৰ্বত এইঘৰ লুখুৰাখন।"*১

**লালুকীসোলা বৰফুকন :** "লালুকী কচলুখোৱাক সলাল গোঁহাই গুচাই লালুকীসোলা নাম দি বৰফুকন পাতিলে। লালুকী লাচিতৰ ককায়েক; জাতত লুখুৰাখন।"*২

**খনিকৰ :** "খনিকৰ বুলিও এখেল মানুহ আছিল। সেই খনিকৰ বিলাকৰ কেইবাটাও ভাগ আছিল আৰু প্ৰত্যেক ভাগেই পৃথক কাম কৰিছিল। এভাগে কুমাৰ মাটিৰ প্ৰতিমা সাজিছিল, সেই ভাগকে মানুহে সাধাৰণতে খনিকৰ বুলি জানিছিল। এই দেশত পূৰ্বে মাটিৰে গোসানী সাজিব নাজানিছিল; স্বৰ্গদেউ বুদ্ধি স্বৰ্গনাৰায়ণ মহাৰজাই কিছুমান মৰঙ্গীয়াল মানুহক কোঁচবিহাৰলৈ পঠাই মৃন্ময় মূৰ্তি সাজিবলৈ শিকাই আনি এই ফৈদ খনিকৰ সৃষ্টি কৰে। এই ভাগত কেইবাজাতৰো মানুহ আছিল।"*৩

বৰ্তমান খনিকৰ উপাধি লিখা মানুহবিলাক প্ৰায় সকলোৱেই চুতীয়া। অন্য জাতিৰ খুব কমেইহে আছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে খনিকৰবিলাক সকলো চুতীয়াই আছিল।

"কাঠ কাটি খুলি বিন্ধি ফালি কুন্দি যিবিলাকে কাঠৰ সৰঞ্জাম আদি তৈয়াৰ কৰিছিল সেইভাগ খনিকৰৰ বাঢ়ৈ বা 'বাঢ়ৈখনিকৰ' বুলিছিল। পূৰ্বে ৰজা স্বৰ্গদেউসকলৰ দিনত এই বাঢ়ৈ খনিকৰবিলাকে সাধাৰণতে মানুহৰ দৈনিক ব্যৱহাৰ্য বস্তু বিলাকতকৈও ধৰ্মৰ লগত সংস্ৰব থকা আৰু ধৰ্ম ভাবোদ্দীপক নামঘৰ কীৰ্তনঘৰ আৰু গোসানীঘৰ আদিৰ সিংহাসন কৰণি আৰু পুৰানাদি ধৰ্মপুথিৰ কোনো উপাখ্যানৰ লগত সম্বন্ধ থকা গৰুড়, অনন্ত, হনুমন্ত আদিৰ প্ৰতিমূৰ্তিবিলাক সজাত বৰ আগ্ৰহ ৰাখিছিল, আৰু ৰজা ঘৰৰ পৰাও সেই বিষয়ে অনেক প্ৰকাৰৰ উৎসাহ পাইছিল।*৪

পহুৰ শিং আৰু হাতী দাতৰ কাম কৰা এভাগ খনিকৰ আছিল। সেই ভাগক "বক্তাৰ" বা বক্তাৰ খনিকৰ বোলা হৈছিল। আহোম স্বৰ্গদেউসকলৰ দিনত হাতী দাতৰ ফণি, কাকৈ, সিংহাসন, কৰণি, সেন্দুৰৰ টেমা ইত্যাদি বস্তুবিলাকৰ ওপৰত ৰজা ডাঙৰীয়া আৰু বৰুৱা ফুকন আদি বিষয়াসকলৰ বৰ আদৰ আছিল। বক্তাৰ খনিকৰবিলাকে সেইবিলাক বস্তু প্ৰস্তুত কৰি যাৰ যি আৱশ্যক যোগাব লাগিছিল।

এই বক্তাৰ খনিকৰবিলাক সাধাৰণতে মুছলমান আছিল।*৫

এইখিনিতে উল্লেখ কৰিব পাৰি যে এই গ্ৰন্থৰ লিখক নিজে খনিকৰ খেলৰ। সৰুতে ককাদেউতাইঁতৰ পৰা শুনামতে আমাৰ খেলে ৰজাঘৰক হাতীদাতৰ ফণি, কাকৈ, হাতীদাতৰ ম'ৰা, মূৰ্তি আৰু কাঠ আৰু সোণৰ মূৰ্তি, সিংহাসন, শৰাই; সেইদৰে দোলা,

---

১ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ১৩৯।*
২ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ১৮৮।*
৩ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৪৬৮-৪৬৯।*
৪ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৪৬৯।*
৫ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ১৬৯।*

নাও, চৰানাও, খেলনাও, চৰাই, পশু আদি নানা বস্তু; হেঙুল হাইঠাল দিয়া নানাবিধৰ কাঠৰ বস্তু, বছৰি নিৰ্দিষ্ট পৰিমাণে দিব লাগিছিল। অৱশ্যে বৰ্তমান আমাৰ গাঁৱত সোণ-ৰূপৰ কাম কৰিব জনা মানুহ নাই। কিয়নো মানৰ দিনত ভাগি অহা দুজন ভাই-ককাইৰ পৰিয়ালবোৰেই এতিয়া দুখন গাঁও হৈছে। হয়তো তেওঁলোক দুজন সেই কামত পাৰদৰ্শী নাছিল। হাতীদাঁত বা সোণ-ৰূপৰ কাম তেওঁলোকে নেজানিলেও তেওঁলোকৰ নাতি পৰিণাতিসকলৰ সাধাৰণ কামবোৰ অতি সুন্দৰ আৰু চালে চকু নৈ যোৱা। তেওঁলোকে একেডাল কাঠকে কাটি নাও সজা কামত অতি পাৰদৰ্শী। সেই অঞ্চলৰ এশখন নাৱৰ ভিতৰতো খনিকৰ পৰিয়ালে কোনখন নাও তৈয়াৰ কৰিছে সেই কথা চালেই কৈ দিব পাৰি।

শ্ৰীভবকান্ত চুতীয়া এম,এ, দেৱে "চুতীয়া সকল" নামৰ গ্ৰন্থত লিখাৰ দৰে আমিও কওঁ যে, পাচত দৌল দেৱালয় তৈয়াৰ কৰাৰ সময়ত আহোম ৰজাই অনা কোনো মুছলমান খনিকৰ আছিল যি হাতীদাঁতৰ কাম কৰিব জানিছিল। তেওঁলোকক বক্তাৰ খনিকৰ বোলা হৈছিল।*১

চুতীয়া ৰাজ্যত পূৰ্বে অনেক খনিকৰ লোক আছিল। কোযেশ্বৰ বৰুৱা সম্পাদিত ছোটকোঁৱৰৰ বুৰঞ্জী নামৰ গ্ৰন্থত উল্লেখ আছে যে চুতীয়া ৰাজ্য জয় কৰি আহোমে ২০০০ খনিকৰ পাইছিল। এই খনিকৰ বিলাক যে বিভিন্ন কামত পাৰদৰ্শী চুতীয়া লোক আছিল তাত কোনো সন্দেহ নাই। বুৰঞ্জীত উল্লেখ থকা, চুতীয়া ৰজাৰ পৰা আহোম ৰজালৈ উপহাৰ দিয়া, হাতীদাঁতৰ বন কৰা পাটী, সৰুদৈয়া জাপি আদি যে এই খনিকৰ সকলেই তৈয়াৰ কৰিছিল তাত কোনো সন্দেহ নাই।*২ খনিকৰ, বৰুৱা, বৰা, শইকীয়া, হাজৰিকা আদি খেল চুতীয়া ৰাজ্যত অতীতৰ পৰাই আছিল।

**মৰাণ বৰুৱা ঃ** "মৰাণবিলাক ৰজাৰ খৰিভাৰী; মৰাণ বৰুৱাজন ইহঁতৰ ওপৰৰ বিষয়া, আৰু স্বৰ্গদেৱৰ খৰি ঘৰৰ তত্বাৱধায়ক।"*৩

**চুতীয়া কাঁৰী বৰুৱা ঃ** "চুতীয়া ৰাজ্য মাৰি অনা মানুহবোৰক কাঁৰী শ্ৰেণীত ভুক্ত কৰা হৈছিল। এওঁ সেই কাঁৰীবিলাকৰ ওপৰত বিষয়া। চুতীয়া কাঁৰীবিলাক স্বৰ্গদেৱৰ ঘৰ বনুৱা ৰূপে ব্যৱহৃত হৈছিল"*৪

**আৰোৱান ধৰা ঃ** "আহোম ৰজাৰ দিনত ৰাজচ'ৰাত বা ৰজাসকল অন্য ঠাইলৈ যাওঁতে, ছত্ৰ আৰু আৰোৱান ধৰা খেলৰ মানুহক আৰোৱান ধৰা বুলিছিল। আৰোৱানে ছত্ৰই একে নহয়। আৰোৱান দুবিধ; শুকুলা (বা বগা) আৰু ৰঙা।

প্ৰথমতে আৰোৱান ধৰা বিলাক আহোম মানুহৰ ভিতৰতে হৈছিল; পাচলৈ কিন্তু

---

১ *চুতীয়াসকল — ভবকান্ত চুতীয়া এম,এ, -- পৃঃ ৩০-৩১।*

২ *'ছোটকোঁৱৰৰ বুৰঞ্জী — সম্পাঃ কোযেশ্বৰ বৰুৱা এম,এ, — পৃঃ ১৫।*

৩ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৫৭।*

৪ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা — পৃঃ ৫৬১।*

এই খেলত বামুণ, কলিতা, কোচ, কেওট আৰু অনেক চুতীয়া মানুহ সোমাল।"*১

**আহোম বৰুৱা আৰু চুতীয়া চিৰিং :** "নামত আহোম বৰুৱা হ'লেও আদিতে এই বিষয়াগৰাকী জাতত চুতীয়া আছিল। চুতীয়া ৰাজ্য আহোমৰ হস্তগত হ'লত এই ঘৰ মানুহ আমাৰ লগত পলাই আহে। পাচে চুতীয়াৰ ফালৰ বা-বাতৰি জনাই থাকিবলৈ আমাৰ স্বৰ্গদেৱে বৰুৱা পাতিলে আৰু আহোম ৰজাৰ তলে বৰুৱা হ'ল কাৰণে চুতীয়াবোৰে 'আহোমৰ বৰুৱা' বা 'আহোম বৰুৱা' বুলিলে। চুতীয়া চিৰিঙৰ এয়ে আদি।"*২

(আহোম বৰুৱা আৰু চুতীয়া চিৰিঙৰ বিষয়ে আগতে লিখা হৈছে। তথাপি কিছু নতুন কথা থকাত পুনৰ লিখা হ'ল-- লিঃ)

**লাই চেটীয়া :** "ইবিলাক পূৰ্বতে তন্‌খাম্ বৰগোঁহাইৰ ভাগ সলোৱা বন্দী, জাতত আদিতে চুতীয়া আছিল, খোৰা ৰজা স্বৰ্গদেৱে পাই চমুৱাকৈ লৈ লাই চেটীয়া নাম দিলে।"*৩

**খেলুঙীয়া চেটীয়া :** "চুতীয়া ৰাজ্য মাৰোতে চুতীয়া ৰজাৰ ভাণ্ডাৰী এটাই দা আৰু বাৰু এখন চুৰি কৰি লৈ বৰগোঁহাইৰ ফৈদৰ ম্ৰাহাচুংখুং গোঁহাইক সেই দা খনে বাৰু পাটে ভেটিছিলহি। গোঁহায়ে তাকে লগত আনি আপোনাৰ খেলুৱাকৈ ললেহি। পাচে তাৰ পো-নাতিক খোৰা ৰজা স্বৰ্গদেৱে পাই "খেলুঙীয়া চেটীয়া বুলিলে।"*৪

**দৌল চেটীয়া :** "দিহিঙীয়া ৰজা স্বৰ্গদেৱে ডিমাৰ নামে এক বৰাহীৰ হতুৱাই এক দৌল বন্ধালে। সেই দৌল বৰ সুন্দৰ হল। ৰজাদেৱে চাই ভাল দেখি পাচে সেই ডিমাৰক বটাবাহন দি তাৰ নাম দিলে "দৌল চেটীয়া"। তাৰ বংহক এতিয়াও দৌল চেটীয়া বুলি কয়।"*৫

**বুৰুক চেটীয়া :** "এইবোৰ পূৰ্বত চুতীয়াবিলাকৰ বংহ। ভাটীফালে বৰফুকনৰ তলত ইহঁত উজনীৰ চাউদাং বিলাকৰ নিচিনা কাম কৰিছিল। এইবিলাকৰ বসতি আজিকালি তেজপুৰ, গুৱাহাটী আদি ঠাইত, শিৱসাগৰ, যোৰহাট আদি ঠাইত এই বংশৰ মানুহ অতি কম পৰিমাণেহে দেখিবলৈ পোৱা যায়। নামনি অসমত থকা বিলাকে এতিয়াও "বুৰুক চুতীয়া" বুলিহে পৰিচয় দিয়ে। কিন্তু উজনী বিলাকে তেনে নুবুল "বুৰুক চেটীয়া" বুলি কয়।"*৬

**হলাহল বা শিয়ালী পাতৰ :** "পাছে সেই চুতীয়াক মহা ৰজা জানি লগ ললেনি। তাক কাৰ্যকামত ভাল পাই ৰজাদেৱে নাম দিলে "হলাহল পাতৰ"; পূৰ্বে জাতত চুতীয়া। বুঢ়া ৰজাদেও খামজাঙলৈ যাওঁতে আগেদি শিয়াল এটা লৰ মাৰিলে, পাচে হলাহল

---

১ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৫৬৩।*
২ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৫৬৩।*
৩ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৬৭৭।*
৪ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৬৭৭।*
৫ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৬৭৯।*
৬ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৬৭৯।*

পাতৰে শিয়ালৰ মাতে মাত মাতি সেই শিয়ালক খেদি ধৰিলে। পাছে ৰজাদেৱে ৰং পাই বোলে ই "শৃকালি শৃকাল' (শৃগালি, শৃগাল)। সেই মাতে তাৰ নাম ৰ'ল শৃগালী বা শিয়ালী। এতেকেহে সেই ঘৰক "শিয়ালী পাতৰ" বুলিও কয়।"*১

**গড়গয়া টুকৰীয়াৰ ঘৰ ঃ** "এইঘৰ ভাণ্ডাৰী গোঁহাইৰ ভায়েকৰ পৰা বঢ়া। জাতত আগৰ চুতীয়া।"*২

**লাঙি বৰফুকনৰ ঘৰ ঃ** "ইবিলাক হলাহল পাতৰৰে একে বঙহৰ। হলাহল পাতৰৰ এক পুতেকক কলিয়াবৰত পানী সিয়া (বা পানী সিঙীয়া) পাতিদি বুঢ়া ৰজা স্বৰ্গদেৱে ৰনকপ নাম দিছিল। পাছে তাৰে হাজোৰ যুদ্ধত আপাহ পাই লাঙি নাম দি, সোণৰ খাৰু, টেমি দি, বৰফুকন পাতিলে। সেই দিনৰ পৰাহে বৰফুকনৰ বিষয় চলিল। তেওঁৰে পো-নাতিক লাঙি বৰফুকনৰ ঘৰৰ বুলি কয়। কুলত এই ঘৰ পূৰ্বত চুতীয়া। এই ফৈদকে "লাঙিৰ ডেকা" বুলিও কয়।"*৩

**ঘোঁৰা কোঁৱৰ ঃ** পূৰ্বে বুঢ়া ৰজা দেৱক দোপগৰিয়া নগাই তিনটি ল'ৰা ভেটিলে। এটিৰ নাম আও, এটিৰ নাম আপম, এটিৰ নাম লাচিত। এটি মৰিল কতদিন থাকি। মহাৰজা লাচিতক দিবৈত মাটিবাৰী দি পাতিলে, চাওদাঙৰ বৰুৱা পাতিলে। আৰু দেৱতাই (ৰজাই) আওক নি পো বুলি তুলিছিল। তাৰ নাম দিলে আও গোঁহাই। মো তোলনীয়া পো বুলি উজনী জখলা দিলে, খাব চুবলৈ হাতী মাউত ঘোঁৰা চোৱাৰ গিয়াতি পাতি দিলে। ঘোঁৰৰ বৰুৱা পাতি ঘোঁৰা কোঁৱৰ নাম দিলে। এই ফৈদ পূৰ্বত জাতত চুতীয়া।"*৪

**খিমতৰ খেঙাৰুৰ ঘৰ ঃ** "পূৰ্বে চুকাফা ৰজা নামি আহোতে তিপামত ৰওতে খেঙ্গ নামে মৰাণ মানুহ এঘৰ পালে। তাৰে পুতেকৰ ঘৰত চুৰিন্‌ফা ৰজাদেৱে বহুত যাঠি, দা, পালে। আহোম মাতেৰে খিম্‌তৰ মানে দা, খেঙাৰু মানে যাঠি। সেই হেতুকে এই ঘৰৰ নাম "খিম্‌তৰ খেঙাৰু" দিলে। ইহঁতে পূৰ্বতে জাতত মৰাণ।"*৫

**ৰেৱতীগয়া বাঘৰ ঘৰ ঃ** "ৰেৱতীগয়া এই ঘৰ চুতীয়া। মহঙ্গ খোৱাৰে বন্দী ভাগ সলাই সেয়ে আহোমৰ লগত সোমাই থাকিল। জাতত হ'লে পূৰ্বে চুতীয়া। বাঘৰঘৰ-- এই ঘৰো বৰগোঁহাই ঘৰৰে ভাগ সলোৱা বন্দী। জাতত আদিতে চুতীয়া।"*৬

**চাওৰোক লিক্‌চন্ ঃ** "বৰপাত্ৰ খেলত লিচু বুলি এটা ডাঙৰ বৰাহী আছিল, সেয়ে খোৰা ৰজাৰ দিনত চাওৰোক হ'ল। চাওৰোকবিলাকে দীঘলকৈ হাতৰ আঙ্গুলিৰ নখ ৰাখিব লাগে; সেই নখেৰে মানুহৰ চকু কাঢ়িব লাগে। পাচে ৰজাদেৱে তাকে ভাল পাই লিক্‌চনৰ ওপৰত নেওগ পাতিলে। লিক্‌চনবোৰো বৰাহীয়ে; জাতুৱা আহোম নহয়।

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৮৪।*

২ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৮৯।*

৩ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৮৯।*

৪ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৯০।*

৫ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৯১।*

৬ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৯২।*

স্বৰ্গদেউসকলৰ ইহঁতে লিক্‌চৌৱান কাম কৰিছিলে বুলি পাচলৈ লিক্‌চৌৱানৰ সলনি লিক্‌চন্ বুলিবলৈ ধৰিলে।"*১

**চাংমাই ঃ** "চুকাফা ৰজাদেৱৰ পূৰ্বে বৰাহী মৰাণৰ চাৰিজনী কুঁৱৰী আনিছিল। মৰাণৰ জীয়ৰীক চাংমাই শালত ৰান্ধিবলৈ দিলে। সেইবোৰ কুঁৱৰীয়ে খৰিপাত যোগান দিয়া মানুহক কৰকৰা ভাত খুৱায়, পাচে আপোনাৰ ঘৰলৈ পঠাই দিয়ে। আৰু কোনে কি কয় তাকে শুনিবলৈ গোপ্য কৰি মানুহ দিলে। মৰাণে একো নকয়; বৰাহীয়ে বোলে ৰান্ধিব বাঢ়িব নেজানে; ভাল বস্তুকো বেয়া কৰে; এই বুলি গ'ল। তাকে শুনি আমাৰ মানুহে ৰজাত ক'লে। পাচে মহাৰজা বৰাহীৰ কুঁৱৰীক ভাত সিজাব দিলে। ভাত খাই ৰজাদেৱে ভাল পালে। পাচে মহাৰজা বোলে-- তই কেতেক ভাত ৰান্ধিবি বাঢ়িবি, পো-ভাই এটা ভাত ৰান্ধিবলৈ দে। আই কুঁৱৰীয়ে বোলে-- "তেনে মোৰ বঙহক চাংমাই লব লাগিব।" পাচে ৰজাদেৱে বৰাহীক চাংমাই ললে। চাংমাইবোৰ দুফৈদ-- খৰি পাত যোগনীয়বোৰক কাঠ-কণ্টীৰুয়া চাংমাই বুলিলে; আৰু ভাত ৰন্ধাবোৰক "ৰান্ধনী চাংমাই" বুলিলে। চাংমাইবোৰ আদিতে বৰাহী আছিল।"

কামৰূপ অনুসন্ধান সমিতিৰ দ্বাৰা প্ৰকাশিত পুৰণি অসম বুৰঞ্জীত লিখিছে 'মৰাণে আলু, কচু, ঢেকীয়া, মেটেকা, নেফাপু, মেচাকি, মেজাঙ্কৰী, ভেটৈ তাক দেৱে (অৰ্থাৎ চুকাফা ৰজা স্বৰ্গদেৱে) খাব নেজানে। লগত থকা বৰাহীত সোধে বোলে "তইঁতে কেনেকৈ খা আমোকো সিজাই দে।" পাছে সিইঁতেও সিজাই দিলে। ভাল পাই খালে; (আৰু স্বৰ্গদেৱে) বোলে-- আজিৰ পৰা তইঁতক ৰান্ধনী পাতিলোঁ। এতেকেহে অদ্যাপি বৰাহী চাংমাই হ'ল। বৰাহী ৭ ঘৰ, মৰাণ ১২ ঘৰ।" (পুৰণি অসম বুৰঞ্জী পৃঃ ১২)।

সিহঁতৰে (বৰাহীবোৰে) কতোক আনি জৰাধৰা কতোক কুঁৱৰীচোৱা পনুৱা কৰি ললে।"

**চাউদাং ঃ** "ইহঁত আহোম মানুহেই; কুকুৰাচোৱা বিলাকৰে একে বঙহৰ। ইহঁতৰ ফৈদ কেবাটাও যেনে-- (১) চুতীয়া, (২) বাঘমৰীয়া, (৩) টিপৰ্মীয়া বা টিংখঙীয়া, (৪) হাবুঙীয়া, (৫) পানগিৰীয়া, (৬) উলুতলীয়া, (৭) গুৰগুৰীয়া, (৮) জেলেপ, (৯) কোৱাং।"

এই নিৰ্বন্ধনবোৰৰ পৰা দেখা যায় যে আহোম ৰজাই নিৰ্ধাৰণ কৰা খেলসমূহৰ বেছিভাগতে আগতে কেৱল চুতীয়া লোকহে আছিল আৰু অন্যাবোৰতো বেছিভাগ লোক চুতীয়া জনগোষ্ঠীৰ আছিল যিবোৰ খেল বা ফৈদৰ আৰম্ভণীৰ প্ৰথম মানুহজন বা মানুহবোৰ চুতীয়াই আছিল সেইবোৰ হ'ল লানমাখু, চোম্‌চিৰিং, চলিহা, চুতীয়াচিৰিং, আহোম বৰুৱা, ঘোঁৰাচোৱা, লিক্‌চন, ভাণ্ডাৰী গোঁহাই, লাচিতৰ ডেকা, ফুল বৰুৱা, ভাণ্ডাৰী চেটীয়া, দৌল চেটীয়া লুথুৰী চেটীয়া, পিক্‌চাই চেটীয়া, হলাহল বা শিয়ালী পাতৰ, গৰগা টুকুৰীয়াৰ ঘৰ, বুৰুক চেটীয়া, লাঙি বৰফুকনৰ ঘৰ, ঘোঁৰা কোঁৱৰ, খিম্‌তৰ

---

১ *আহোমৰ দিন -- হিতেশ্বৰ বৰবৰুৱা -- পৃঃ ৬৯৩।*

খেঙাৰুৰ ঘৰ, ৰেৱতী গয়া বাঘৰ ঘৰ, চাওৰোক, লিকচন, চাংমাই।

ইয়াৰ বাহিৰেও চেটীয়া, খনিকৰ, আৰোৱান ধৰা, চাউদাং আদি খেলত চুতীয়া লোক যথেষ্ট পৰিমাণে আছিল।

বুৰুক চুতীয়াবোৰে বহুতে চেটীয়া লিখি বৰ্তমান আহোম বুলি পৰিচয় দিলেও তেওঁলোক চুতীয়াই। লাই চেটীয়া, দৌল চেটীয়া, খেলুঙীয়া চেটীয়া, এই চেটীয়া খেলবোৰো চুতীয়া লোকেৰে গঠিত।

সেইদৰে পিটহান, লাংহান বা লাহন, খাটোৱাল চেটীয়া এইবোৰ খেলৰো প্ৰথম মানুহবোৰ চুতীয়া জনগোষ্ঠীৰে আছিল।

লুখুৰাখন খেলৰ প্ৰথম মানুহবোৰ বৰাহী আৰু মৰাণ অৰ্থাৎ চুতীয়া জনগোষ্ঠীৰে আছিল। বুৰঞ্জীত লুখুৰাখনক বৰাহী, চুতীয়া, কছাৰীৰ দৰে এটা জাত বুলিহে লিখিছে। ইয়াৰ পৰা বুজিব পাৰি যে লুখুৰাখন মূলতঃ চুতীয়া জনগোষ্ঠীৰ লোকৰে এটা শাখা মাত্ৰ বা লুখুৰাখন খেলত ভুক্ত সেই গোষ্ঠীৰ লোকসকলকে এটা বেলেগ জাত বুলি কোৱা হৈছে।

বৰ্তমান গোঁহাই, চাংমাই, চেটীয়া, কোঁৱৰ উপাধিধাৰী প্ৰায় সকলো লোকেই নিজকে আহোম বুলিয়ে পৰিচয় দিয়ে। ইয়াৰ পৰা সঠিক পৰিচয় প্ৰতিফলিত নহয়।

আহোমে চুতীয়া ৰাজ্য নিজ ৰাজ্য ভুক্ত কৰাৰ পাছত শাসক শ্ৰেণীৰ মৰ্যদা আৰু সা-সুবিধা লাভ কৰিবৰ বাবেই আহোম ৰজাই নিৰ্বন্ধন কৰা খেল সমূহত ভুক্ত কৰা লোকসকলৰো বহুতে নিজকে আহোম বুলি পৰিচয় দিছিল। এইদৰে এক বুজন সংখ্যক চুতীয়া লোকে বৰ্তমান নিজকে আহোম বুলি পৰিচয় দিয়া হৈছে।

ভাৰতবৰ্ষ বৃটিছ শাসনৰ তললৈ যোৱাৰ পাছত বৃটিছ চৰকাৰৰ শাসনত ইংৰাজী শিক্ষা পোৱা আৰু উচ্চ চৰকাৰী চাকৰি পোৱা বহু ভাৰতীয় লোকেও সেইদৰে ইংৰাজসকলৰ আচাৰ-নীতি ধৰ্ম অতি ওপৰ বুলি ধাৰণা কৰি সেই চাম মানুহে ইংৰাজৰ আচাৰ-নীতি সুবহু অনুকৰণ কৰি নিজকে দেশী চাহাব সাজিবৰ চেষ্টা কৰিছিল। সৌভাগ্যবশতঃ স্বামী বিবেকানন্দ, দয়ানন্দ সৰস্বতী, ৰাজা ৰামমোহন ৰায়, আৰু সৰ্বশেষত মহাত্মাগান্ধী আদি মহান পুৰুষসকলে যেতিয়া ভাৰতীয় জাতিসত্বাৰ মহান আদৰ্শ, ভাৰতীয় ঐতিহ্যৰ উজ্জ্বল ছবি, ভাৰতবাসীৰ আগত দাঙি ধৰিলে, তেতিয়াহে গীতাৰ সেই বাণী ঃ-

"স্বধৰ্মে নিধনং শ্ৰেষ্ঠঃ পৰধৰ্মো ভয়াবহঃ।"

ভাৰতবাসীৰ মনত পৰিল আৰু সকলোৱে, ভাৰতীয় আদৰ্শবাদৰ উজ্জ্বল আৰু মহান দিশটো দেখিবলৈ পালে আৰু মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় আদৰ্শবাদৰ ভিত্তিত ভাৰতৰ স্বাধীনতা সংগ্ৰামত সকলো জপিয়াই পৰিল।

চুতীয়া জাতিয়েও নিজৰ গৌৰৱময় জাতীয় ইতিহাস আৰু ঐতিহাসিক পটভূমিৰ বিষয়ে জানিব পাৰিলে নিজ জাতিৰ পৰিচয়েৰে পৰিচিত হ'বলৈ নিশ্চয় গৌৰৱবোধ কৰিব।

# চুতীয়া জাতিৰ ভাষা

ভাৰতৰ উত্তৰ-পূব পথেদি অসমত প্ৰৱেশ কৰা তিব্বতো-বাৰ্মানসকলৰ ভিতৰত বড়োগোষ্ঠীয়েই প্ৰধান। চুতীয়া জাতি এই বড়োগোষ্ঠীৰেই লোক। এই কথা আমি ইতিহাস খণ্ডতে আলোচনা কৰিছো।

বড়ো এটা ভাষা গোষ্ঠীৰ নামহে। গতিকে বড়োগোষ্ঠীৰ সকলো লোকেই আদিতে বড়োগোষ্ঠীৰ ভাষাৰেই কথা কৈছিল; অৱশ্যে ইটো-সিটো দলৰ ভিতৰত তেওঁলোকৰ কোৱা কথাৰ মাজত পাৰ্থক্য থকাটোৱেই স্বাভাৱিক।

বড়োসকল অসমৰ সৌমাৰ খণ্ডত খ্ৰীঃপূঃ ২০০০ বছৰৰো বহু পূৰ্বে প্ৰৱেশ কৰিছিলহি বুলি অনুমান কৰা হয়। ইয়াৰ আগতেই এই উত্তৰ-পূব পথেদি অসমত প্ৰৱেশ কৰা লোকসকল হ'ল প্ৰটো-অষ্ট্ৰলয়ড্ আৰু অষ্ট্ৰিক ভাষা গোষ্ঠীৰ। ভাষাৰ ফালৰ পৰা অসমত প্ৰৱেশ কৰা অষ্ট্ৰিকসকলক মন্‌খ্‌মেৰ বুলি কোৱা হয়। অসমৰ খাচী আৰু জয়ন্তীয়াসকল এই ভাষা গোষ্ঠীৰ অন্তৰ্গত কিন্তু প্ৰটো-অষ্ট্ৰলয়ড্।

অসমলৈ বড়োগোষ্ঠীৰ লোকসকল পাচত অহাত তেওঁলোকৰ ভাষাত খাচী ভাষাৰো নিশ্চিত ভাবে প্ৰভাৱ পৰিছিল।

বড়োসকল অসমলৈ অহাৰ পাছত বহু শ বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গোটেই অসমতে বিস্তৃত হৈ পৰে আৰু স্থানীয়ভাবে চুতীয়া, কছাৰী, ডিমাছা, মেচ, কোঁচ আদি নামেৰে জনাজাত হয়। এইদৰে বিভিন্ন স্থানত থাকোতে স্থানীয় প্ৰভাৱত তেওঁলোকৰ বড়ো মূলীয় ভাষাৰ মাজতো স্থানীয় প্ৰভেদ হোৱাটো স্বাভাৱিক।

অসমৰ পাহাৰ অঞ্চলত থকা জনজাতিসকলৰ মাজত এতিয়াও প্ৰায় প্ৰত্যেক জনজাতিৰে নিজস্ব কথিত ভাষা আছে। ইয়াৰে কোনোবাটো মন্‌খ্‌মেৰ গোষ্ঠীৰ, কোনোবাটো বড়োগোষ্ঠীৰ; কিন্তু ভৈয়াম অঞ্চলত বসবাস কৰা বহুতে শ শ বছৰৰ পাচত তেওঁলোকৰ নিজস্ব কথিত জনজাতীয় ভাষা এসময়ত হেৰুৱাই পেলাইছিল। এসময়ত বড়ো ভাষা কোৱা বড়োগোষ্ঠীৰ, ভৈয়ামত বাস কৰা চুতীয়া, কছাৰী, কোঁচ, সোণোৱালসকলে এতিয়া আৰু জনজাতীয় ভাষাৰে কথা নকয়! আনহাতে আকৌ চুতীয়াৰে পুৰোহিত শ্ৰেণী, দেউৰীসকলে, চুতীয়াৰে অন্য তিৱা বা লালুংসকলে আৰু ডিমাচা, বড়ো, ৰাভা, খাচী, কাৰ্বি, মিছিং আদি জনজাতিসকলে এতিয়াও নিজস্ব জনজাতীয় ভাষাতে কথা কয়। ইয়াৰে খাচী, বড়ো, কাৰ্বি, ৰাভা, মিচিং আদিসকলে তেওঁলোকৰ কথিত ভাষাক আধুনিক লিপিৰ সহায়ত ব্যাকৰণ সিদ্ধ ভাষালৈ ৰূপ দি পূৰ্ণ পৰ্যায়ৰ ভাষা সাহিত্যৰ সৃষ্টি কৰিছে বা কৰিবলৈ অগ্ৰসৰ হৈছে।

চুতীয়াসকলৰ অতীতৰ নিজৰ ভাষা এতিয়া তেওঁলোকৰ পুৰোহিত দেউৰীসকলৰ মাজতহে আবদ্ধ আছে আৰু তেওঁলোকেহে সেই ভাষা ৰক্ষা কৰি আছে।"[১] দেউৰীসকলৰ

---

১ *"দেউৰীভাষা চীন-তিব্বতীয় ভাষা পৰিয়ালৰ পৰিধি ভুক্ত তিব্বতীয় বিভাগৰ বৃহত্তৰ বড়ো ভাষাৰ অন্তৰ্গত সুৰ বিশিষ্ট এক ভাষা।" –*

*দেৱী– ড° নিৰ্মলপ্ৰভা বৰদলৈ– পৃঃ ১২৭*

জনসংখ্যা অতি কম হোৱাত আৰু চাৰিওফালে অজনজাতীয় ভৈয়ামৰ অসমীয়া ভাষাকে সাধাৰণ ভাবে সকলো কামতে ব্যৱহাৰ কৰাৰ আৱশ্যক হোৱাত চুতীয়া ভাষা বা দেউৰী ভাষাৰ সাধাৰণ ব্যৱহাৰ নিষ্প্ৰয়োজন হৈ পৰিছে।

আমাৰ ব্ৰাহ্মণসকলে সকলো সময়তে অসমীয়া ভাষাতে কথা ক'লেও বা ব্যৱহাৰ কৰিলেও পূজা সেৱাৰ বাবে সংস্কৃত ভাষা ব্যৱহাৰ কৰাৰ দৰেই দেউৰীসকলেও পূজা সেৱাৰ ব্যৱহাৰৰ মাজেদিয়ে চুতীয়া (দেউৰী) ভাষাক এতিয়াও জীয়াই ৰাখিছে। কিন্তু এসময়ত ই বিলুপ্ত হৈ যোৱাৰ সম্ভাৱনাই বেছি।

এতিয়া প্ৰশ্ন হ'ব পাৰে চুতীয়া, কছাৰী, কোঁচ আদি একে গোষ্ঠীৰ লোকসকলেনো তেওঁলোকৰ নিজস্ব জনজাতীয় ভাষা হেৰুৱালে কেনেকৈ? বা পাচতনো কি ভাষাৰে কথা ক'বলৈ ললে বা কিয় ললে?

আমি আগতেই আলোচনা কৰিছো যে অসমলৈ বড়োসকল অহাৰ পাচত পশ্চিমৰ পৰা ইৰাণী আৰ্যসকল (ককেচইড্), দ্ৰাবিড়সকল আৰু তাৰ পাচত বৈদিক আৰ্যসকল আহিছিল। দ্ৰাবিড়সকল সংখ্যাত বোধহয় অতি কম আছিল। তেওঁলোকৰ অসমৰ ভাষাৰ ক্ষেত্ৰত কোনো প্ৰভাৱ পৰা আমি লক্ষ্য কৰা নাই। ড° বাণীকান্ত কাকতিদেৱে তেখেতৰ Assamese its Formation and Development নামৰ গৱেষণা গ্ৰন্থত অন্যান্য বহুতো ভাষাৰ প্ৰভাৱ অসমীয়া ভাষাত পৰা বুলি উল্লেখ কৰিলেও দ্ৰাবিড় ভাষাৰ প্ৰভাৱৰ কথা উল্লেখ কৰা নাই। কনকলাল বৰুৱাদেৱেও অসমীয়া ভাষাত দ্ৰাবিড় ভাষাৰ কোনো প্ৰভাৱ নাই বুলি উল্লেখ কৰিছে।

অসমৰ ভৈয়াম অঞ্চলৰ ভাষা-কৃষ্টিৰ ওপৰত বিশেষ প্ৰভাৱ পৰিছিল আৰ্যসকলৰ। বৰ্তমান অসমৰ অসমীয়া ভাষা আৰ্য ভাষাগোষ্ঠী সম্ভূত। এই আৰ্য ভাষাৰ প্ৰভাৱতে চাৰিওফালে জনজাতিৰে বেঢ়ি থকা জনজাতীয় কথিত ভাষাৰ মাজতো অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে এটা নতুন ভাষাই বিকাশ লাভ কৰি নিজস্ব ৰূপত প্ৰকাশ হ'বলৈ সমৰ্থ হয়।

ডঃ বাণীকান্ত কাকতিদেৱৰ মতে আমাৰ বৰ্তমানৰ অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ অপভ্ৰংসৰ পৰা উৎপত্তি হৈছে। এই মাগধী প্ৰাকৃতৰ আদি স্থান হ'ব মগধ। তেখেতে Assamese its Formation and Development নামৰ গৱেষণা গ্ৰন্থত লিখিছে যে উত্তৰবঙ্গ, (কোচ বিহাৰ, আদি) আৰু অসমৰ ভাষাৰ ক্ষেত্ৰত মিল থকাৰ কাৰণ হ'ল পূব ভাৰতৰ কথিত ভাষাসমূহৰ মূল উৎস হ'ল মাগধী ভাষা। পূৰ্বদেশসমূহৰ পুৰণি প্ৰাকৃত ভাষাসমূহৰ লগত মিল থকা প্ৰধান কথিত ভাষা হৈছে মাগধী।*১

---

১ *"The great author of Linguistic survey did not leave unnoticed the Linguistic unity of North Bengal and Assam and he pointed to Magadhi as the common source of all the eastern dialects. Magadhi was the principal dialect which Corresponded to the old eastern Prakrit"*

*— Assamese its formation and Development*
*Dr. B.K. Kakati— Page 4 (Introduction)*

এইখিনিতে পাঠকসকলৰ ওচৰত মাগধী আৰু লগে লগে পালি, প্ৰাকৃত আৰু সংস্কৃত ভাষা সম্বন্ধে অলপ পৰিচয় দাঙি ধৰাটো নিশ্চয় অপ্ৰাসঙ্গিক নহ'ব।

মগধ দেশৰ ভাষাই হৈছে মাগধী। অতীতত মগধ দেশৰ ৰাজধানী আছিল পাতলি পুত্ৰ যাক বৰ্তমান পাটনা বুলি কোৱা হয়। এই মগধতেই পৃথিৱীৰ পোহৰ স্বৰূপ হিন্দুৰ এক অৱতাৰ বুলি স্বীকৃত বুদ্ধদেৱৰ জন্ম হৈছিল। বুদ্ধদেৱে ৰাজপুত্ৰ হৈয়ো জগতৰ মানৱ সমাজৰ দুঃখ মোচনৰ বাবে কেনেকৈ ৰাজ সিংহাসন ত্যাগ কৰি সন্যাসী হৈছিল আৰু শেষত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিছিল সেই কথা ভাৰত বুৰঞ্জীৰ পাঠক মাত্ৰেই জানে।

বুদ্ধদেৱে জ্ঞান পোৱাৰ পাছতে তেখেতৰ জ্ঞানৰ বাণী আৰু পুথিসমূহ সৰ্বসাধাৰণৰ বোধগম্য হ'বৰ বাবে মাগধী পালি ভাষাত প্ৰকাশ আৰু প্ৰচাৰ কৰিছিল। কিয়নো পালি ভাষা আছিল সেই সময়ৰ মগধৰ কথিত ভাষা।

সেই সময়ৰ ব্ৰাহ্মণ পণ্ডিতসকলে আৰু শিক্ষিতসকলে ধৰ্ম শাস্ত্ৰৰ ভাষা আৰু শিক্ষিত শ্ৰেণীৰ ভাষাত জনগণৰ কথিত ভাষাৰ পৰা পৃথক কৰি ৰাখিবৰ চেষ্টা কৰিছিল। সেইবাবে সকলো শাস্ত্ৰ সংস্কৃত ভাষাতে লিখিছিল।

ঋক বেদকেই প্ৰাচীনতম্ আৰ্য ভাষা বুলি কোৱা হৈছে। এই ভাষাক ইণ্ডো-এৰিয়ান ভাষা বুলি কোৱা হয়। কিয়নো এই ভাষা ভাৰতলৈ অহা আৰ্য বা এৰিয়ানসকলৰ ভাষা। এই ইণ্ডো-এৰিয়ান ভাষাক তিনিটা স্তৰত বিভক্ত কৰা হৈছে। (ক) প্ৰাচীন (খ) মধ্য ও (গ) পৰৱৰ্তী। প্ৰাচীন ইণ্ডো-এৰিয়ান ভাষাৰ উদাহৰণ হৈছে সংস্কৃত ভাষা। মধ্য ইণ্ডো-এৰিয়ানকো আকৌ তিনিটা স্তৰত ভাগ কৰা হৈছে। (ক) পালি সাহিত্যৰ ভাষা (খ) জৈন সাহিত্যৰ ভাষা (প্ৰাকৃত) আৰু (গ) অপভ্ৰংশ। এই অপভ্ৰংশৰ পাছত বিভিন্ন প্ৰাদেশিক ভাষাৰ মাজেদি ইণ্ডো-এৰিয়ান ভাষাই পৰৱৰ্তী ৰূপ গ্ৰহণ কৰিছে।*[১]

অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেই প্ৰথমে সংস্কৃত সাহিত্য আৰু ধৰ্ম শাস্ত্ৰ মন্থন কৰি লাভ কৰা ধৰ্মৰ তথ্যসমূহ জনসাধাৰণৰ বোধগম্য কথিত অসমীয়া ভাষাত প্ৰচাৰ কৰে। তথাপিও তেখেতে সম্পূৰ্ণ কথিত ভাষাকে অৱলম্বন নকৰি "ব্ৰজাবলি" নামৰ এক নতুন সৰ্বভাৰতীয় সাধাৰণ ভাষাৰ সৃষ্টি কৰিবৰ চেষ্টা কৰিছিল; যাতে তেখেতৰ লিখনিসমূহ সৰ্বভাৰতৰ মানুহৰ বোধগম্য হয়। আনহাতে উজনী অসম আৰু নামনি

---

১ *"ঋক বেদৰ ভাষাই হইল প্ৰাচীনতম আৰ্যভাষা।"........... "ইণ্ডো এৰিয়ান ভাষাকে তিনিটি স্তৰে বিভক্ত কৰা যায় (ক) প্ৰাচীন (খ) মধ্য ও (গ) পৰবতী। প্ৰাচীন ইণ্ডো এৰিয়ান ভাষাৰ উদাহৰণ হইল সংস্কৃত। মধ্য এৰিয়ানো তিনটি সুনিৰ্দিষ্ট স্তৰে বিভক্ত। (ক) পালি সাহিত্যেৰ ভাষা (খ) জৈন ধৰ্ম সাহিত্যেৰ ভাষা (প্ৰাকৃত) ও (গ) অপভ্ৰংশ। অপভ্ৰংশেৰ পৰ বিভিন্ন প্ৰাদেশিক ভাষাৰ মধ্য দিয়া ইণ্ডো-এৰিয়ান ভাষা পৰবতী ৰূপ পৰিগ্ৰহ কৰিয়াছে।*

*ভাৰতবৰ্ষেৰ ব্ৰাহ্মণ গণ বৰাবৰই ধৰ্ম শাস্ত্ৰেৰ ভাষাকে এবং শিক্ষিত শ্ৰেণীৰ ভাষাকে সাধাৰণেৰ কথ্য ভাষা হইতে ৰক্ষা কৰিবাৰ চেষ্টা কৰিয়াছিলেন। ফল এই দড়াইয়াছিল যে শিক্ষিত শ্ৰেণীৰ ভাষা জন-গনেৰ কথ্য ভাষা ছিলনা। জনগণেৰ ভাষাযে স্বতন্ত্ৰ খাতে নিজস্ব ৰূপে বহিয়াছিল তাহাই শেষ পৰ্যন্ত পালি প্ৰাকৃত অপভ্ৰংসে পৰিণতি লাভ কৰে।"*

*সংস্কৃত সাহিত্যেৰ ৰূপ ৰেখা-- ডঃ বিমান চন্দ্ৰ ভট্টাচাৰ্য-- পৃঃ ১৭৮ ১৭৯*

অসমৰ কথিত ভাষাৰ মাজতো কোঁৱাৰ ক্ষেত্ৰত যথেষ্ট প্ৰভেদ আছে। এই প্ৰভেদৰ মাজত এক উমৈহতীয়া ভাষাৰ সৃষ্টি কৰাও আৱশ্যক আছিল।

প্ৰথম অৱস্থাত সংস্কৃতজ প্ৰাদেশিক ভাষাসমূহৰ মাজতো পাৰ্থক্য বৰ বেছি নাছিল আৰু এক প্ৰদেশৰ ভাষা অন্য প্ৰদেশত বুজা অসুবিধা নহৈছিল। কিন্তু পাছত এই পাৰ্থক্য বাঢ়ি গ'ল আৰু সংস্কৃতকেই সৰ্বভাৰতীয় ভাষাৰূপে গ্ৰহণ কৰাৰ আৱশ্যক হৈ পৰিল।*১

**পালিভাষা ঃ** যি ভাষাত বুদ্ধদেৱৰ ত্ৰিপিটক ৰচিত হৈছিল সেই ভাষাই পালি ভাষা। ভগবান বুদ্ধ মগধৰ লোক আছিল; গতিকে তেখেতৰ কথিত ভাষা হিচাপেই ইয়াক মাগধী বোলা হয়; যদিও ই সম্পূৰ্ণৰূপে শুদ্ধ পালি ভাষা নহয়। পালি এটা মিশ্ৰিত ভাষা আৰু প্ৰাকৃতৰ প্ৰাচীনতম্ ৰূপ।*২

**প্ৰাকৃত ভাষা ঃ** জনসাধাৰণৰ কথিত বা বোধগম্য ভাষাই হ'ল প্ৰাকৃত ভাষা। সুদূৰ বৈদিক যুগত বোধহয় এই ভাষাই জনসাধাৰণৰ কথিত ভাষা আছিল। ইয়াৰ পৰিমাৰ্জিত আৰু শিষ্ট প্ৰথম ৰূপেই হ'ল বৈদিক সংস্কৃত আৰু তাৰ পাছৰ সংস্কৃত।

সংস্কৃতৰ পৰা যি বিকৃত আৰু সংস্কৃতৰ পৰা উদ্ভূত নহয় আনহাতে সৰ্বসাধাৰণৰ কথিত ভাষা তাকেই প্ৰাচীন কালত প্ৰাকৃত বোলা হৈছিল। গতিকে প্ৰাকৃত ভাষা বুলিলে মধ্য ভাৰতৰ কথিত আৰ্য ভাষাবোৰকে বুজাইছিল। এই অৰ্থত ব্যাপক ভাবে মহাৰাষ্ট্ৰী, সৌৰসেনী, মাগধী, অৰ্ধমাগধী, পৈশাচী, চুলিকা পৈশাচী, অপভ্ৰংশ, আনকি পালি ভাষাকো বুজায়।"*৩

---

১ *"প্ৰথম দিকে মধ্য ইণ্ডো-এৰিয়ান ভাষা গুলিৰ মধ্যে সাদৃশ্য এত বেচি ছিল যে একটি জানিলে আৰ একটিকে বুঝিতে অসুবিধা হইত না। অশোক এই কাৰণেই তাহাৰ লিপিসমূহে তিনটি ভাষাকেই গ্ৰহণ কৰিয়াছিলেন। ক্ৰমশঃ স্থানীয় ভাষা গুলিৰ মধ্যে পাৰ্থক্য এত বেশী হইতে লাগিল সে সৰ্বভাৰতীয় ভাষাৰূপে সংস্কৃতকে গ্ৰহণ না কৰিয়া আৰ উপায় ছিলনা।" সংস্কৃত সাহিত্যেৰ ৰূপ ৰেখা-- ডঃ বিমান চন্দ্ৰ ভট্টাচাৰ্য-- পৃঃ ১৮০-১৮১।*

২ *"পালি ভাষা বলিতে আমৰা কি বুঝি? মোটামুটি সহজ জবাব এই যে, যে ভাষায় ত্ৰিপিটক ৰচিত সেই ভাষাকেই আমৰা পালি ভাষা বলিয়া জানি। XX ভগবান বুদ্ধ মগধেৰ লোক বলিয়া তাহাকে মাগধ বোলা হইত; এবং তাহাৰ কথিত ভাষা বলিয়া পালি ভাষাকে বলা হইত মাগধী। পালি একটি মিশ্ৰিত ভাষা এবং প্ৰাকৃতেৰ প্ৰাচীনতম্ ৰূপ।"*
*সংস্কৃত সাহিত্যেৰ ৰূপ ৰেখা-- ডঃ বিমান চন্দ্ৰ ভট্টাচাৰ্য- পৃঃ ১৮২*

৩ *"প্ৰাকৃত বলিতে সাধাৰণতঃ আমৰা জন সাধাৰণেৰ কথ্য ও বোধগম্য ভাষা বুঝিয়া থাকি। সুদূৰ বৈদিক যুগে এই ভাষাই হয়ত জন সাধাৰণেৰ কথ্য ভাষা ছিল। এবং ইহাৰই পৰিমাৰ্জিত বা শিষ্ট প্ৰথম ৰূপ হইতেছে বৈদিক সংস্কৃত এবং তাহাৰ পৰ সংস্কৃত।*
*+ + প্ৰকৃত জনানাং ভাষা প্ৰাকৃতম্।*
*আসল কথা এই যে সংস্কৃত হইতে যাহা বিকৃত (সংস্কৃত হইতে উদ্ভূত নহে) অথচ সৰ্ব সাধাৰণেৰ কথ্য ভাষাৰূপে যাহা স্বীকৃত তাহাই সেই প্ৰাচীন কালে প্ৰাকৃত ভাষা বলিয়া বিবেচিত হইত। সুতৰাং ব্যাপক অৰ্থে প্ৰাকৃত শব্দটি মধ্য ভাৰতীয় আৰ্য ভাষাসমূহকে বুঝাইয়া থাকে। এই অৰ্থে উহা মহাৰাষ্ট্ৰী, সৌৰিসেনী, মাগধী, অৰ্ধমাগধী, পৈশাচী, চুলিকা পৈশাচী, অপভ্ৰংশ, এমন কি পালি ভাষাকেও বুঝাইয়া থাকে।"*
*সংস্কৃত সাহিত্যেৰ ৰূপ ৰেখা-- ডঃ বিমান চন্দ্ৰ ভট্টাচাৰ্য-- পৃঃ ১৮৩।*

প্ৰাকৃত ভাষা সম্বন্ধে এই কথা কোৱা হৈছে যে সংস্কৃত ভাষা পুৰুষ (কৰ্কশ) আৰু প্ৰাকৃত ভাষা সুকোমল। পুৰুষ আৰু মহিলাৰ মাজত যি প্ৰভেদ সংস্কৃত আৰু প্ৰাকৃতৰ মাজতো সেই প্ৰভেদ।*১

সকলো ভাষাই প্ৰাকৃততে প্ৰৱেশ কৰে আৰু প্ৰাকৃতৰ পৰাই সকলো ভাষাৰ উৎপত্তি, যেনেকৈ সকলো জল সমুদ্ৰতে প্ৰৱেশ কৰে আকৌ সমুদ্ৰৰ পৰাই সকলো জলৰ উৎপত্তি হয়।

আমি আগতে উল্লেখ কৰিছিলো যে আধুনিক অসমীয়া ভাষাৰ উৎপত্তিৰ মূল মাগধী ভাষাৰ আদি স্থান হ'ল মগধ। এই মাগধী অপভ্ৰংশই মগধ দেশৰ পৰা তিনি দিশত গতি কৰিছিল। উত্তৰ-পূব দিশলৈ প্ৰসাৰিত হোৱাৰ ফলত উত্তৰ বঙ্গৰ (কোচবিহাৰ আদি) বঙালী ভাষা আৰু অসমীয়া ভাষালৈ ৰূপান্তৰিত হৈছিল; দক্ষিণলৈ সম্প্ৰসাৰিত হোৱাৰ ফলত উৰিয়া ভাষা আৰু অসমীয়া, উত্তৰ বঙ্গ আৰু উৰিয়াৰ মাজত বঙ্গালী ভাষাৰ সৃষ্টি হৈছিল। মুঠতে ওৰিয়া, বঙ্গালী আৰু "উত্তৰবঙ্গ-অসমীয়া" ভাষাই মূল মাগধী ভাষাৰ পৰাই উৎপন্ন হৈ সুকীয়া ভাৱে সমৃদ্ধি লাভ কৰিছিল। সেয়েহে উত্তৰবঙ্গ আৰু অসমৰ ভাষাৰ পৰস্পৰৰ মাজত মিল আছে (উত্তৰবঙ্গৰ ভাষা বঙ্গালী ভাষাতকৈ অসমীয়া ভাষাৰ লগতহে মিল। কিয়নো উত্তৰ বঙ্গৰ কোচবিহাৰ আদি ৰজা নৰনাৰায়ণৰ দিনলৈকে কামৰূপ ৰাজ্যৰ লগতহে আছিল আৰু তাত থাকিয়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া ভাষাৰ অপূৰ্ব ভাণ্ডাৰসমূহ সৃষ্টি কৰিছিল। তদুপৰি আৰ্যসকল অসমলৈ অহাৰ সময়ত বঙ্গদেশৰ দক্ষিণাঞ্চল সমুদ্ৰ গৰ্ভতেই আছিল বা বসবাসৰ অনুপযোগী আছিল)। কিন্তু উৰিয়া ভাষাৰ পৰা ই সম্পূৰ্ণ সুকীয়া।*২

অসমলৈ প্ৰটো-অষ্ট্ৰলয়ড্ আৰু বড়োগোষ্ঠীৰ লোকসকল অহাৰ পাছত আৰ্য গোষ্ঠীৰ লোকসকল আহিছিল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাকে আশ্ৰয় কৰি তেওঁলোকে সুদূৰ শদিয়া পৰ্যন্ত বিস্তৃত হৈ পৰিছিল। কিন্তু তেওঁলোকৰ এই বিস্তৃতি উপত্যকা অঞ্চলতে

---

১ *"পুৰুসা সক্কয়া বন্ধা পাউ অবন্ধো বিহোই সুউমাৰো। পূৰিস মহিলানাং জেত্তিঅ বিহন্তৰং তেত্তিঅ মিমানাং।। সয়ালঅো ইমং বায়ো বিসন্তি এত্তো যনেন্তি বায়াঅো। এন্তি সমুদ্দংচিয় নেন্তি সায়ৰা সোচ্চিয় জলাইং।।"*

*সংস্কৃত সাহিত্যৰ ৰূপ ৰেখা— ডঃ বিমান চন্দ্ৰ ভট্টাচাৰ্য— পৃঃ ২১২।*

২ *"Magadhi Apabhrangsa in fact may be considered as spreading out eastwards and southwards in three directions. To the north it developed into Northern Bengali and Assamese, to the south into Oriya and between the two into Bengali. Each of these three descendants is equally directed with the common immediate parent and hence we find North Bengal agreeing in some respects rather with Oriya spoken far away to the south than with the Bengali of Bengal proper which it is usually classed as a sub-dialect."*

*Assamese its Formation and Development.*
*Dr. B.K. Kakati— Page 5-6 (Introduction)*

আবদ্ধ আছিল আৰু নগৰ অঞ্চলসমূহত ই ঘনীভূত বা কেন্দ্ৰীভূত হৈছিল; নতুবা তেওঁলোকৰ বসতিক কেন্দ্ৰ কৰিয়ে নগৰ অঞ্চলসমূহ গঢ়ি উঠিছিল।

এইটো স্বীকাৰ কৰিব লাগিব যে তেওঁলোকৰ ভাষা আৰু কৃষ্টি স্থানীয় লোকৰ ভাষা কৃষ্টিতকৈ যথেষ্ট উন্নত আছিল। বিশেষকৈ তেওঁলোকৰ ভাষাৰ লিপি থকাত ভাৱৰ আদান প্ৰদানৰ বাবে থকা সুবিধা স্থানীয় শাসক সকলে আৰু জনাবুজা লোকসকলে লক্ষ্য নকৰাকৈ থকা নাছিল। ফলত তেওঁলোকে আৰ্যসকলৰ ভাষাৰ প্ৰতি আকৃষ্ট হৈ তাৰ পোষকতা কৰিছিল। সেইবাবেই আমি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা ঠাইবোৰৰ নাম ৰাজপৰিয়ালৰ মানুহবোৰৰ নাম আৰু তীৰ্থস্থানবোৰৰ নামবোৰত সেই প্ৰাকৃত বা অপভ্ৰংশ বা সংস্কৃত ভাষাৰ প্ৰভাৱ দেখিবলৈ পাওঁ। কিন্তু প্ৰকৃততে সেই নামবোৰ অতীত খাচী বা বড়ো নামৰ আৰ্যীয়কৰণহে।

আৰ্য ভাষা কৃষ্টিৰ এই শক্তিশালী প্ৰভাৱে কেৱল অসমকে নহয় সমগ্ৰ উত্তৰ ভাৰত, পশ্চিম ভাৰত, মধ্য ভাৰত আৰু পূব ভাৰত জয় কৰিছিল। এইদৰে সমগ্ৰ উত্তৰ ভাৰত বিয়পি পৰোতে স্থানীয় পাৰ্থক্যও সৃষ্টি নোহোৱাকৈ থকা নাই। পণ্ডিতসকলে এই বিস্তৃতি আৰু পাৰ্থক্যক তিনিটা ভাগত ভাগ কৰিছে। (১) মধ্যাংশ (২) সীমান্ত আৰু মধ্যাংশৰ মাজৰ অংশ আৰু (৩) বহিৰাংশ।"১

আনহাতে তেতিয়া বড়ো ভাষাৰ কোনো লিপি নাছিল বা এতিয়াও নাই। অন্য কোনো জনজাতীয় ভাষাৰো লিপি নাই। পাহাৰ অঞ্চলত থকা জনজাতীয় মানুহবোৰ অতি সংৰক্ষণশীল আছিল আৰু এতিয়াও সংৰক্ষণশীল হৈয়ে আছে। আনহাতে ভৈয়াম অঞ্চলত থকা মানুহবোৰৰ নতুনকৈ অহা আৰ্য গোষ্ঠীৰ মানুহবোৰৰ লগত সঘনে দৈনন্দিন বা ব্যৱসায়িক কাৰ্যত ভাৱৰ আদান প্ৰদান কৰিব লগা হৈছিল। এই আদান প্ৰদান শাসনত

---

১ *"The phiologists have divided the Indo Aryan languages of India into three groups (1) Midland (2) Intermediate and (3) Outer, according to their linguistic characteristics (1) Midland group comprises western Hindi of the Gangetic Doab and the eastern part of the Punjab. It was in this country that the hymns of the Rig-Veda were composed (2) Round this country there is a land of territary where mixed languages, the intermediate group prevail. This includes Gujrati, Marwari, Central Punjabi, Nepali, and Eastern Hindi of Oudh and the country to its south (3) Round the Intermediate group is the belt of Outer languages. These include on the North Kasmiri, Western Punjabi, and Sindhi, on the south Marathi, and on the east Bihari, Oriya, Bengali and Assamese"— Assamiya Byakaran aru Bhasa tawa— By Kali Ram Medhi, A.C.S. — Page-3*

*"Like Hindusthani Assamese is Vedic or Pre-Vedic Sanskrit in a new form, although it has greatly assimilated various other elements into its body notably of the Bodo group of the Tibato-Barman Family."*

*অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব -- কালীৰাম মেধি এ.চি.এছ (Introduction)*

থকা লোকসকলৰ লগতেই বেছিকৈ হৈছিল আৰু লিপিৰ আৱশ্যকতাৰ প্ৰভাৱতেই শাসকসকলে আৰ্যসকলৰ ভাষাৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰিব লগা হৈছিল। অন্যসকলেও তাৰ প্ৰভাৱতেই প্ৰভাৱান্বিত হৈছিল। এইদৰে বহুশ বছৰ যোৱাৰ পাছত স্থানীয় লোকসকলৰ ভাষা আৰ্য ভাষাৰ সংমিশ্ৰণত আজিৰ অসমীয়া ভাষাৰ জন্ম হৈছিল।

সেই ভাষা কেৱল কথিত ৰূপতে নাছিল; আৰ্য ভাষাৰ লিপিৰ অনুকৰণতে তেওঁলোকে এক নিজস্ব লিপিৰো উদ্ভাৱন কৰিছিল; আৰু সেই ভাষাই আছিল বৰ্তমান প্ৰচলিত অসমীয়া ভাষাৰ শৈশবাৱস্থা আৰু এই ভাষাৰ জন্মস্থান আছিল সৌমাৰ খণ্ড বা চুতীয়া ৰাজ্য ক্ষেত্ৰ; কিয়নো বৰ্তমান অসমত প্ৰচলিত অসমীয়া ভাষা সৌমাৰ খণ্ডত বা অতীতৰ চুতীয়া ৰাজ্য ক্ষেত্ৰত প্ৰচলিত ভাষাহে। সেয়েহে প্ৰত্নতাত্বিক আৰু বুৰঞ্জীবিদ মেজৰ হেনে চাহাবে ১৮৪৮ চনৰ "এচিয়াতিক চচাইটি অব বেংগল" পত্ৰিকাৰ জুন মাহৰ সংখ্যাত ৫৬৮ পৃঃত লিখিছিল "আহোমসকল অহাৰ আগেয়ে কেৱল চুতীয়া ভাষাই লিখিত ভাষা আছিল।" এই একে কথাকে ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়েও Assam Tribune কাকতৰ ১৯৮৮ চনৰ ১৬ অক্টোবৰ তাৰিখৰ এটা প্ৰবন্ধত লিখিছে "চুতীয়াসকল অতীত কামৰূপৰ এটা সমৃদ্ধিশালী কৃষক জনজাতি। তেওঁলোকে এটা স্বাধীন জাতি বুলি বিশেষ ভাৱে গৌৰৱবোধ কৰিছিল। তেওঁলোকৰ নিজস্ব এক ৰাজনৈতিক আৰু সামাজিক পৰম্পৰা আছিল। তেওঁলোক অতি সুন্দৰ শিলাকুটী আৰু স্থাপত্য শিল্পী আছিল। তেওঁলোকৰ নিজস্ব লিপি আছিল; আৰু বুৰঞ্জীবিদসকল এই বিষয়ত মেজৰ হেনে চাহাবৰ লগত একমত। তেওঁ এচিয়াটিক চচাইটি অব বেংগল পত্ৰিকাৰ জুনৰ সংখ্যাত লিখিছিল যে (P 568, 1848) আহোমসকল অহাৰ আগতে এই অঞ্চলত কেৱল চুতীয়া লিপিয়েহে লিখিত ভাষা আছিল।""[১] এই অসমীয়া লিপি এচিৰিয় লিপিৰ লগত মিল আছে। আৰ্যসকলে খ্ৰীঃপূঃ ১ম সহস্ৰাব্দত লিপিৰ আৱিষ্কাৰ কৰাৰ পাছতে সেই আৰ্যসকলৰ মাজেদিয়ে প্ৰথমে চুতীয়া বা কুণ্ডিল ৰাজ্যতেই প্ৰথম অসমীয়া লিপিৰ আৱিষ্কাৰ বা প্ৰচলন হৈছিল।

গতিকে পৰৱৰ্তী যুগত এই লিখন প্ৰথা আৰু ভাষা সমগ্ৰ অসমৰ লিপি আৰু লিখিত ভাষাৰূপে ব্যৱহৃত হৈছিল আৰু ইয়াৰ ফলতে সমগ্ৰ অসমৰ ব্যৱসায়িক লেনদেন আৰু নিজ ভাষাতে ভাৱৰ আদান-প্ৰদান সূচল হৈছিল।

---

১ *"The Chutiyas were originally inhabitants of Ancient Kamrupa, a wealthy agrarian tribe who took special pride in being independant heirchy. They also were good sculptures and architacts and had their own script. The archeologists along with historians agree with Major Hene who wrote in June issue of the Asiatic Society of Bengal Journal (P 568, 1848) that before the Ahomes came to Assam the Chutiya script was the only written one in this part of the country."*

*— Devi Kesaikhati of Tamreswari —*
*Article by Dr. Nirmal Prava Bordoloi*
*— Assam Tribune, October 16-1988.*

পুৰণি অসমীয়া সাচিপাতৰ পুথিত এই লিপিৰ নমুনা এতিয়াও আছে। পাছত বেপ্তিষ্ট মিচনেৰীসকল আহি ছপাখানাৰ সুবিধাৰ বাবে বঙ্গালী ভাষাৰ লিপিকে ব্যৱহাৰ কৰাত বৰ্তমান অসমীয়া ভাষাৰ লিপি বঙ্গালী লিপিহে। অৱশ্যে দুই লিপিৰে মূল এক হোৱাত তাৰ ভিতৰত বহুত আখৰৰ সাদৃশ্য আছে।

এই ক্ষেত্ৰত "সংস্কৃতি সঞ্চয়ন" নামে গ্ৰন্থত ডঃ লীলা গগৈদেৱে "সমন্বয়ৰ সংস্কৃতি অসমীয়া" নামৰ প্ৰবন্ধত লিখা তলৰ কথাখিনি আমি চাব পাৰো। তাত লিখিছে– "অসমীয়া লিপিৰ এই ইতিহাস হয়তো খ্ৰীষ্টীয় পঞ্চম শতিকাতে আৰম্ভ হৈছে। এয়া সম্পূৰ্ণ ব্ৰাহ্মী আখৰ। অশোকৰ শিলালিপিত দেখা পোৱা ব্ৰাহ্মীলিপিয়ে কুশান যুগত অলপ চেহেৰা সলনি কৰি গুপ্ত যুগত সোমায়। এই সময়ৰে পৰা অসমত ভালেমান তামৰ শাসন পত্ৰ দিয়া হয়। পৰৱৰ্তী যুগত গঢ় লোৱা সেই লিপিৰ দুই চাৰিটা বৰ্ণই এই সময়তে গঢ় লবলৈ আৰম্ভ কৰিছিল। ত্ৰয়োদশ শতিকাত সম্পূৰ্ণ স্বতন্ত্ৰ হৈ অসমীয়া লিপিয়ে নিজা ৰূপ-ৰীতি ঘোষণা কৰে। (পৃঃ ৪-৫)

কিন্তু হেনে চাহাবৰ ওপৰৰ কথালৈ মন কৰিলে দেখা যাব যে অসমীয়া লিপিয়ে ত্ৰয়োদশ শতাব্দীৰ বহু আগতেই নিজস্ব ৰূপ ধাৰণ কৰিছিল আৰু সি চুতীয়া ৰাজ্য-ক্ষেত্ৰত প্ৰচলিত আছিল বা ব্যৱহৃত হৈছিল।

ডঃ ডি.ডি. কৌশম্বীৰ "ভাৰতৰ ইতিহাস নামৰ গ্ৰন্থৰ কেইটামান কথা ইয়াতে উল্লেখ কৰিব পাৰি। তেখেতে লিখিছে– "প্ৰত্যেকটো বসতি অঞ্চললৈকে পোনতে কিছুসংখ্যক আৰ্য উঠি গৈছিল, কিন্তু আৰম্ভণীতে বসতিৰ কষ্টৰ সম্মুখীন হোৱাত অনাৰ্যসকলৰ লগত যুতীয়া পাম পাতিছিল। এনে নতুন জনজাতিৰ ভাষাও আৰ্য ভাষাই আছিল; কাৰণ আদিবাসী অনাৰ্যসকলৰ সমাজ আৰু ভাষা সাধ্যাতীত সম্পূৰ্ণ বেলেগ।" (পৃঃ ১২৩) অন্য এঠাই আছে "নতুন জনজাতিবোৰৰ বিকাশ সম্পূৰ্ণৰূপে আভ্যন্তৰীণ আছিল যেন বোধহয়। কিছুসংখ্যক আৰ্য পমুৱাৰ লগত অনাৰ্য আদিবাসীৰ সম্ভৱপৰ সংমিশ্ৰণৰ ফলত এই বিকাশ ঘটিছিল।" "এনে এটি ধাৰণ ঋকবেদৰ যুগতো প্ৰচলিত আছিল।" (পৃঃ ১২৯) আৰু আছে– "নতুন পুৰোহিত শ্ৰেণীয়ে আৰ্য আৰু অনাৰ্য জাতিসমূহৰ সংমিশ্ৰণত গঠিত হোৱা সমাজৰ বিকাশত প্ৰভাৱ বিস্তাৰ কৰিছিল। এই ভূমিকা সচেতন, পৰিকল্পিত আৰু সংকল্পিত নাছিল; পেটৰ ভোকৰ তাগিদাতহে এই কাম কৰিছিল; তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য আছিল জীৱিকা উলিওৱা।" (পৃঃ ১৪৮)

ইয়াৰ পৰা বুজিব পাৰি যে এনে সংমিশ্ৰণ আৰু বাধ্যবাধকতাৰ পৰাই আৰ্যভাষা আৰু স্থানীয় বড়ো চুতীয়া ভাষাৰ সংমিশ্ৰণত সৌমাৰ খণ্ডতো আজিৰ প্ৰচলিত অসমীয়া ভাষাৰ ভিত্তি প্ৰস্তুত হৈছিল।

*ব্যৱসায়িক আদান প্ৰদান বা ভাবৰ আদান প্ৰদানৰ আৱশ্যকতা শাসক শ্ৰেণী আৰু শাসক গোষ্ঠীৰ লোকসকলৰ মাজতেই বেছি সঘনে হৈছিল আৰু ফলত একে বড়ো গোষ্ঠীৰে অন্য বহুতে নিজ জনজাতীয় ভাষা ৰক্ষা কৰিব পাৰিলেও ভৈয়াম অঞ্চলত বাস কৰা চুতীয়া, কোচ, কছাৰী আদি শাসক গোষ্ঠীৰ লোকসকলে নিজৰ জনজাতীয় ভাষা*

ৰক্ষা কৰিব নোৱাৰিলে।

এই ক্ষেত্ৰত অন্য এটা মন কৰিবলগীয়া কথা এই যে সৌমাৰ খণ্ডৰ মাজেদি এই উত্তৰ-পূব পথেই কাশ্মীৰলৈকে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা চীন, তিব্বত, ব্ৰহ্মদেশ, ইণ্ডোচীন আদি ঠাইলৈ যোৱা আৰু সেইবিলাক ঠাইৰ পৰা ভাৰতলৈ অহা বাণিজ্য পথ আছিল আৰু অসম পাট, মুগা, এড়ি আদিৰ আৰু উন্নত কাপোৰ আৰু অন্য বস্তুৰ উন্নত বজাৰ আছিল। গতিকে বাণিজ্যৰ বিনিময়ৰ উমৈহতীয়া নতুন লিখন প্ৰথাৰ অসমীয়া ভাষাটো চুতীয়াসকলে অনিবাৰ্য কাৰণতে সঘনে ব্যৱহাৰ কৰোতে নিজৰ জনজাতীয় ভাষা পাহৰি গৈছিল।

শাসক গোষ্ঠীৰ পোষকতাত ভাৰতত কেনেকৈ ইংৰাজী শিক্ষা আৰু ভাষাৰ প্ৰচলন হৈ আজি সমগ্ৰ ভাৰততে ইংৰাজীৰ প্ৰতি শিক্ষিত শ্ৰেণীৰ অহৈতুক প্ৰীতি বাঢ়ি গৈছে সেইটো আমি এতিয়াও দেখিবলৈ পাইছো। আনকি আইন প্ৰণয়ন কৰিও চৰকাৰী কাৰ্যালয়ত আঞ্চলিক ভাষাৰ প্ৰচলন নিয়মীয়া কৰিব পৰা নাই।

আমি আগতে উল্লেখ কৰিছো যে এনে মাগধী প্ৰাকৃতেই উত্তৰবঙ্গ আৰু অসমলৈকো বিস্তৃত হৈছিল কিন্তু স্থানীয় প্ৰভাৱত ইয়াৰ মাজতো কথিত ভাষাৰ ক্ষেত্ৰত ওচৰৰে ইঠাই সিঠাইৰ মাজত বহুতো প্ৰভেদ হৈছিল; যি প্ৰভেদ আজিও উজনী আৰু নামনি অসমৰ কথিত ভাষাৰ মাজত আছে। সেয়েহে অসম, বঙ্গ আৰু উৰিষ্যাত তিনিটা সুকীয়া ভাষাৰ সৃষ্টি হোৱাটো অতি স্বাভাৱিক।

কথিত ভাষাৰ ক্ষেত্ৰতো উজনী অসমৰ গুৱাহাটীৰ পূবে শদিয়ালৈকে সামান্য প্ৰভেদ থাকিলেও সাধাৰণ ভাৱে মিল আছে। কিন্তু নামনি অসমত শব্দ সংগঠন বা বাক্য সংগঠনত সাধু ভাষাত বৰ বেছি প্ৰভেদ নাথাকিলেও গ্ৰামাঞ্চলৰ ভাষাত কথিত ভাষাৰ শব্দ সংযোজন আৰু সংগঠন আৰু কোৱাৰ সুৰত যথেষ্ট পাৰ্থক্য আছে। ফলত উজনী অসমৰ এজন মানুহৰ পক্ষে নামনি অসমৰ কথিত ভাষা বুজাত যথেষ্ট অসুবিধা হয়। নামনি অসমৰ ভিতৰতে আকৌ নলবাৰী, বৰপেটা, পলাশবাৰী, গোৱালপাৰা আদিৰ কথিত ভাষাৰ মাজত যথেষ্ট প্ৰভেদ আছে।

উজনী অসমৰ ভিতৰতো স্থান বিশেষৰ কথিত ভাষাৰ মাজত কিছু প্ৰভেদ আছে। এই প্ৰভেদ সাধাৰণতে সেই সময়ৰ ৰাজ্য ক্ষেত্ৰৰ ভিতৰত নিৰ্ভৰ কৰি হোৱা; কিন্তু পৰস্পৰৰ আবোধ্য নহয়।

সুদূৰ অতীতৰ কথা বাদ দিলেও ত্ৰয়োদশ শতাব্দীত আহোমসকল অসমলৈ অহাৰ সময়ত উজনী অসমত যি কেইখন ৰাজ্য আছিল সেই কেইখন হৈছে সৌমাৰ খণ্ডত চুতীয়া ৰাজ্য, তাৰ দক্ষিণ পশ্চিম অংশত চুতীয়া জনগোষ্ঠীৰে বৰাহী আৰু মৰাণ ৰাজ্য, বৰাহী ৰাজ্যৰ দক্ষিণ পশ্চিমত কছাৰী ৰাজ্য, চুতীয়া আৰু কছাৰী ৰাজ্যৰ পশ্চিমত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ভূঞাসকলৰ ৰাজ্য।

চুতীয়া ৰাজ্য আৰু চুতীয়া জনগোষ্ঠীৰ বৰাহী আৰু মৰাণ ৰাজ্যৰ সেইসময়ৰ কথিত ভাষা বা লিখিত ভাষা একেই আছিল বুলি সহজে অনুমান কৰিব পাৰি। কাৰণ

বৰাহী আৰু মৰাণ ৰাজ্য দীৰ্ঘস্থায়ী নাছিল। আহোমসকলে বৰাহী আৰু মৰাণ ৰাজ্যকে জয় কৰি আহোম ৰাজ্যৰ পাতনি মেলিছিল। তেওঁলোকৰ ১০৮০ জনীয়া (বিষয়া আৰু ঘোঁৰা ৰণুৱা মিলি ১৩৮৮ জন) দলটোত তিৰোতা সমূলি নাছিল।*১ বৰাহী আৰু মৰাণসকলৰ লগত মিত্ৰতা কৰি তেওঁলোকৰ তিৰোতাকে গ্ৰহণ কৰিহে বংশবৃদ্ধি কৰিছিল। গতিকে দৈনন্দিন প্ৰয়োজনৰ হেচাত তেওঁলোকে স্থানীয় ভাষাকে ব্যৱহাৰ কৰিব লগা হৈছিল আৰু শাসনৰ সুবিধাৰ বাবেই ৰাজকাৰ্যতো নিজস্ব লিপি থকা স্থানীয় চুতীয়া ভাষাকেই ব্যৱহাৰ কৰিছিল। গতিকে তেওঁলোকে সেই সময়ৰ চুতীয়াসকলৰ ভাষাকে ব্যৱহাৰ কৰিছিল আৰু চুতীয়া তিৰোতা গ্ৰহণ কৰাৰ ফলত তেওঁলোকৰ সতি-সন্ততিসকলৰ বাবে চুতীয়া ভাষাই মাতৃ ভাষা আছিল। স্বাভাবিকতে চুতীয়া কৃষ্টিৰ প্ৰভাবো তেওঁলোকৰ ওপৰত পৰিছিল।

আৰ্যগোষ্ঠীৰ লোকসকল অসমলৈ অহাৰ পাচত ভৈয়াম অঞ্চলত যেনেকৈ তেওঁলোকৰ ভাষা কৃষ্টিৰ প্ৰভাব পৰিছিল সেইদৰেই আহোমসকল আহি স্থানীয় ভাষা আৰু তিৰোতাকে গ্ৰহণ কৰাত আৰু আহোম ৰাজ্যৰ পৰিসৰ ক্ৰমাৎ বৃদ্ধি হৈ যোৱাত ৰাজকীয় পৃষ্ঠপোষকতাতে আহোম চুতীয়া কৃষ্টিৰ সমন্বয়ৰ এক নতুন যুগ আৰম্ভ হৈছিল আৰু আহোমসকলে ব্যৱহাৰ কৰা চুতীয়া ভাষাৰ বিস্তৃতি ঘটিছিল। চুতীয়া ৰাজ্য আহোম ৰাজ্য ভুক্ত হোৱাত ভাষা কৃষ্টিৰ এই সমন্বয় আৰু বিস্তৃতি ঘনীভূত আৰু প্ৰকট হৈ পৰিছিল।

আহোমসকলৰ বুৰঞ্জী লিখাৰ প্ৰথা আগৰে পৰাই আছিল। কিন্তু অসমত প্ৰথম অৱস্থাতে তেওঁলোকে বুৰঞ্জীসমূহ টাই ভাষাতহে ৰচনা কৰিছিল। কিন্তু ১৭শ শতাব্দীৰ পৰা বুৰঞ্জীসমূহ তেওঁলোকে স্থানীয় ভাষাতে লিখিবলৈ লয়। অসমীয়া গদ্য সাহিত্যৰ এয়ে আৰম্ভণী নহ'লেও অসমীয়া গদ্য সাহিত্যৰ ৰূপটো ইয়াৰ মাজেদি দৰ্শনীয় ভাবে প্ৰকাশ পায়। কিয়নো আহোমসকলে যথেষ্ট সংখ্যক বুৰঞ্জী ৰচনা কৰিছিল।*২

১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধি মতে অসম ইংৰাজ শাসনৰ তললৈ যোৱাৰ পাছত ইংৰাজৰ লগত অহা বঙ্গালী কৰ্মচাৰীসকলৰ প্ৰৰোচনাত অসমীয়া ভাষা বঙ্গালী কৰ্মচাৰীসকলৰ প্ৰৰোচনাত অসমীয়া ভাষা বঙ্গালী ভাষাৰে অপভ্ৰংশ বুলি প্ৰথমে অসমৰ কাছাৰী আৰু স্কুলসমূহত ইংৰাজ শাসকসকলে বঙ্গালী ভাষাকে ব্যৱহাৰ কৰিছিল। পাছত অসমীয়া এক সুকীয়া মৌলিক ভাষা বুলি প্ৰমাণ কৰি অসমত অসমীয়া ভাষা প্ৰচলন কৰিবৰ বাবে এক আন্দোলনৰ প্ৰয়োজন হৈছিল।

আমেৰিকান ধৰ্ম প্ৰচাৰকসকলে আহি শিৱসাগৰৰ পৰাই ধৰ্ম প্ৰচাৰ আৰম্ভ

---

১ *অসম বুৰঞ্জী – পদ্মনাথ গোঁহাই বৰুৱা – পৃঃ ৩১।*

২ *"From the beginning of the seventeenth century onwards court chronicles were written in large numbers."*

*— Assamese its Formation and Development.*
*Dr. B.K. Kakati — Page 14 (Introduction)*

কৰিবলৈ লোৱাত তেওঁলোকেই ইংৰাজ শাসনৰ দিনত প্ৰথমে অসমৰ থলুৱা ভাষা ব্যৱহাৰ কৰে। এই ভাষা আহোম চুতীযাসকলে ব্যৱহাৰ কৰা থলুৱা ভাষা বা অতীতৰ চুতীয়া ভাষাই আছিল। তেওঁলোকে এই ভাষাতে গদ্যতে ১৮১৯ চনত প্ৰথম অসমীয়া বাইবেল, ১৮৪৬ চনত অৰুণোদয় নামে এখন প্ৰথম অসমীয়া আলোচনী আৰু ১৮৪৮ চনত এন্ ব্ৰাউনে প্ৰথম অসমীয়া ব্যাকৰণ প্ৰকাশ কৰে। সেইদৰে ১৮৬৭ চনত এম্ ব্ৰাউনে প্ৰথম ইংৰাজী অসমীয়া অভিধান প্ৰকাশ কৰি অসমীয়া ভাষাৰ এক নতুন যুগৰ সূচনা কৰে।*১

ইয়াৰ পৰা দেখা যায় যে আৰ্যগোষ্ঠীৰ লোকসকল আহি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত বিস্তৃত হৈ পৰাৰ পাছত কুণ্ডিল ৰাজ ভীষ্মকক আৰম্ভ কৰি সেইসময়ৰ ৰজাসকলে আৰ্য ভাষা কৃষ্টিৰ পোষকতা কৰিছিল। সৌমাৰ খণ্ড সেই সময়ৰ চীন, তিব্বত, কম্বোদিয়া, উত্তৰ ভাৰত, কাশ্মীৰ আদি পূব-পশ্চিমৰ দেশসমূহৰ ব্যৱসায়ৰ কেন্দ্ৰস্থল হোৱাত সৌমাৰ খণ্ডৰ ভৈয়ামত থকা চুতীয়া জনজাতিৰ লোকসকলৰ আৰ্যগোষ্ঠীৰ লোকসকলৰ লগত সঘনে ভাবৰ আদান প্ৰদান আৰু ব্যৱসায়িক লেনদেন হৈছিল।*২ ইয়াৰ ফলতেই আৰ্যগোষ্ঠীৰ প্ৰাকৃত অপভ্ৰংশ আৰু চুতীয়া ভাষাৰ সংমিশ্ৰণত

---

১ *"With the publication of the Bible in Assamese prose by the American Baptist Missionaries in 1819 the modern period of Assamese begins The Missionaries made Sibsagar in Eastern Assam the centre of activities and used the dialect of Sibsagar for their literary purposes In 1846 they started a monthly periodical Aronudava and in 1848 N. Brown published the first Assamese grammar The first Assamese English Dictionary Completed by M Brown was published by the Missionaries in 1867."*

*Assamese its Formation and Development.*
*Dr. B.K. Kakati -- Page 14-15 (Introduction)*

২ *"Assam was situated at the central crossing of land rontes from Eastern Kamuboj to western Kashgar and from Northern china to southern Cylon. Aryan, Dravidian, Tai and Austric races communicated with each other through Assam. For nearly 2500 years 90 B C to A D. 1600 it was placed in the midst of world commerce Products of China or Cylon, of Tokharistan or Kamboj passed hands and borders through this safe and secure market yard. Moreover during this period Assam was highly and widely industrialised All the major tribes of Assam earned their living on the looms The weaving industry brought in good wealth. Its Silk was as famous as chinese silk or Tibetan Pashma. Only one item constituted imports— the Tibetan salt It was indeed in great demand."*

*— Assam the Indian Conflict -- Mohesh Joshi -- Page 1*

*(সমগ্ৰ অসমত নিমখৰ অভাৱ হ'লেও চুতীয়া ৰাজ্যত নিমখৰ অভাৱ নাছিল। চুতীয়া ৰাজ্যৰ শদিয়া আৰু বৰহাটত নিমখ পোৱা গৈছিল— লিখক)*

এক নতুন ভাষাৰ সৃষ্টি হৈছিল য'ত চুতীয়া ভাষাৰ শব্দ সম্ভাৰ আছিল অজস্ৰ আৰু যি ভাষাৰ লিপিয়ে এক স্বতন্ত্ৰ ৰূপত প্ৰকাশ পাইছিল। সেই ভাষাকেই পাছত আহোমসকলে ৰাজকাৰ্যত ব্যৱহাৰ কৰাত আজিৰ অসমীয়া ভাষাৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠিত হৈছিল; আৰু দুজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অভূতপূৰ্ব লিখনীৰে সি সৌন্দৰ্যশালী হৈ উঠিছিল। সেয়েহে আমি আজি অসমীয়া ভাষাক উত্তৰ ভাৰতৰ সংস্কৃতজ ভাষাসমূহৰ লগত একে গোষ্ঠীৰ অথচ এক সম্পূৰ্ণ সুকীয়া মৌলিক আৰু উন্নত ভাষা হিচাপে দেখিবলৈ পাইছো।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে এটা প্ৰবন্ধত লিখিছে; "শ্যান বুৰঞ্জীত আছে সৌমাৰত শ্যানবিলাক প্ৰবেশ কৰোতে চুতীয়াবিলাকেহে লিখা-পঢ়া চৰ্চা কৰিছিল। এই কথা কৰ্ণেল শ্বেইক্সপীয়েৰে উনুকিয়াই গৈছে যে খ্ৰীষ্টাব্দৰ একাদশ শতাব্দীৰ আগছোৱাত লুইতৰ উত্তৰ-পূব খণ্ডত লেখা-পঢ়া কৰা কোনো এটা সভ্য জাতি যদি আছিল সেইটোৱেই চুতীয়া জাতি।"*১

স্বৰ্গীয় পূৰ্ণকান্ত বুঢ়াগোঁহাইদেৱে ১৯৫৭ চনৰ ৬ অক্টোবৰৰ "নতুন অসমীয়াত" প্ৰকাশ হোৱা এটা প্ৰবন্ধত লিখিছিল-- "পুৰণি কথা বাদ দিলেও সিদিনালৈকে চুতীয়া জাতিয়ে অসমীয়া সভ্যতা আৰু সংস্কৃতি গঠনত যে মৌলিক আৰু চহকী অবদান দি আহিছে তাক অলপ চিন্তা কৰিলেই আমি দেখিবলৈ পাওঁ। চুতীয়াই কোৱা অসমীয়া ভাষাই প্ৰাকৃত আৰু সংস্কৃতৰ পৰা বেলেগ গঢ় লোৱা সময়ত এই ভাষাই চুতীয়া জাতিৰ মুখেদিয়েই যে গঢ় লৈছিল ই ধ্ৰুৱপ।"*২

আজিৰ অসমীয়া ভাষা সেইসময়ৰ এই উত্তৰ-পূৰ্বাঞ্চলৰ চুতীয়া জাতিৰ কথিত ভাষাৰ অজস্ৰ শব্দ সম্ভাৰেৰেই যে ভৰপূৰ এনে নহয় ইয়াৰ শব্দ গাঠনি আৰু ব্যাকৰণ নীতিৰ দ্বাৰাও প্ৰভাবান্বিত হৈছিল।

কালীৰাম মেধিদেৱে 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' নামৰ গ্ৰন্থৰ ৪৩ পৃঃত লিখিছে-- "It will be contrary to the law of human speech not to expect in Assamese some traces of the language spoken by such people. As a matter of fact they have left permanent marks in the Assamese language. The Bodo group specially forming as they do a large proportion of the population of Assam have left unmistakably large traces of their language. The elements of such language may be classed under two main heads. Viz 1) glossarial affinities and 2) grammatical affinities. The former may be sub-divided into a) vocabulary and b) Geography."

---

১ *সদৌ চুতীয়া জাতি সন্মিলনৰ বিংশতিতম অধিবেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ — বেণুধৰ শৰ্মা -- পৃঃ ১৪।*

২ *সদৌ চুতীয়া জাতি সন্মিলনৰ মৰাণ অধিবেশন (ঊনবিংশ অধিবেশন)ৰ স্মৃতিগ্ৰন্থৰ পৰা উদ্ধৃত -- পৃঃ ৯।*

কথিত ভাষাত ব্যৱহৃত কিছুমান চুতীয়া আৰু কছাৰী শব্দ :

| অসমীয়া শব্দ | অৰ্থ | চুতীয়া | কছাৰী |
|---|---|---|---|
| আই | Mother | যোযো | আই |
| আতি | ওখঠাই | আতিগো | আফা |
| আপা | ল'ৰা | আপা (father) | -- |
| কুৰুবা | পূব | চা-কৰবা (বোল উঠা) | --- |
| খং | Anger | খং | |
| জিক | তিতা (Wet) | জিকু | --- |
| তেকেলি | Pot | --- | তিংখলি |
| দলং | Bridge | --- | দলং |
| দাবৰ | Basin | --- | দাবাৰ |
| ডেকা | youth | ডেকাগো | --- |
| নগুলা | gate | --- | নগুলা |
| পেংলাই | উপহাস কৰা | - | পেংলাই |
| পোলোঙা | straight | পুলুঙা | --- |
| ফটিকা | মদ | --- | ফিটিকা |
| ফাইদং | run | --- | ফাইদং |
| বৰলা | widower | --- | বৰলা |
| মাইকী | woman | মিগিগো | --- |
| মেকুৰী | cat | মিদিজ | মাউজি |
| মেচেকা | an animal | মেচেকা | |
| ৰাপ | (আহোম শব্দ) | | |
| ৰমলীয়া | (নগা শব্দ ৰমলা) | | |
| লিকচৌ | servant | (আহোম লিকচো) | |
| লিটিকাই | (খাটী-লাইটকাই) | | |
| লেখীয়া | নিচিনা | লাকিয়া | --- |
| হজুৱা | Labourer | হজীয়া | --- |
| হিলৈ | gun | (আহোম-হিলৈ) | [1] |

সেইদৰে চুতীয়া অধ্যুষিত অঞ্চল বা আগৰ চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰৰ বা চুতীয়াসকলৰ ভাষা সম্প্ৰসাৰিত অঞ্চলবোৰৰ নদীবোৰৰ নামৰ আগত 'দি' লগা দেখিবলৈ পোৱা যায়। চুতীয়া বা বড়ো ভাষাত দি বা দৈ মানে পানী। দি লগা এই সকলো নদীৰ নাম চুতীয়া (বড়ো) জাতিয়ে দিয়া। সেইবোৰ যেনে— দিবং, দিহিং, দিচাং, দিখৌ, দিফু, (দিফু নদীৰ নামৰ পৰা দিফু নগৰ হৈছে), দিকৰাই, দিক্রং, ভোগদৈ ইত্যাদি। সেইদৰে

---

১ অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ — কালীৰাম মেধি -- পৃঃ ৪৩-৪৪।

শেষত গুৰিলগা সকলো ঠাইৰ নাম চুতীয়া জাতিয়ে দিয়া। সেইবোৰ যেনে-- আমগুৰি, শিমলুগুৰি, টেঁপৰগুৰি, আহতগুৰি, জৰিগুৰি, তেতেলিগুৰি, পাৰলিগুৰি ইত্যাদি। বহুতো নাম আগতে খাচীসকলে দিয়াহে। নদীৰ নামৰ ক্ষেত্ৰত তাৰ আগতে দি লগাই চুতীয়াসকলে পুনৰ নামাকৰণ কৰিছিল।

নামৰ শেষত পুৰলগা ঠাইবোৰৰ নামো চুতীয়াসকলে দিয়া। সেইবোৰ যেনে-- কুণ্ডিলপুৰ, ৰতনপুৰ বা ৰত্নপুৰ, নাৰায়ণপুৰ, ডিমাপুৰ, ভোগপুৰ, জয়পুৰ, গহপুৰ, ধলপুৰ ইত্যাদি।"[১]

ছোৱালীৰ নামৰ শেষত লগোৱা দৈ শব্দও চুতীয়াৰ। সেইবোৰ যেনে-- তৰাদৈ, কলীদৈ, কনদৈ, ৰহদৈ, লাহদৈ, (আহোমৰ দিনত এগৰাকী বৰবৰুৱাৰ পত্নীৰ নামেৰে লাহদৈ গড় হৈছিল) মাদৈ ভাদৈ (ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ)।

চুতীয়াসকলে তাম্ৰেশ্বৰী মন্দিৰৰ গোঁসানীক মা-দৈ বুলি মাতিছিল। তাৰ পৰাই চুতীয়াসকলৰ ছোৱালী বা তিৰোতাৰ নামৰ শেষত এই দৈ শব্দটো অতি হৃদয় স্পৰ্শী।

"শিৱসাগৰ জিলাৰ প্ৰাচীন চুতীয়া পৰিয়াল এটাত 'দৈ' লগা নামৰ তেৰজনী ছোৱালী লগ পাইছিলোঁ। আমি যে প্ৰকৃতি সেৱক আছিলো এই কৃষ্টিয়েই সূচাই দিয়ে।"[২]

এইবোৰ হ'ল স্থান বা নদীৰ নাম, মানুহৰ নাম আদিৰ কথা। সাধাৰণ ব্যৱহাৰৰ মাজতো অজস্ৰ চুতীয়া শব্দ আছে। মৌলিক ভাৱে সংস্কৃত নোহোৱা আৰু জনজাতীয় মূলৰ সকলো শব্দই চুতীয়া জাতিৰ কথিত ভাষাৰ মাজেদিয়ে অসমীয়া ভাষাত স্থান পাইছিল যি অসমীয়া ভাষাক এটা স্বতন্ত্ৰ আৰু সমৃদ্ধ ভাষাৰূপে প্ৰতিপন্ন কৰি ৰাখিছে। বৰ্তমান শিক্ষিতসকলে কবিতা বা কথা সাহিত্যতো সংস্কৃত শব্দৰ বৰ বেছিকৈ প্ৰয়োগ কৰাৰ ফলত অসমীয়াৰ নিজস্ব ৰূপটো বহুত ম্লান হৈছে।" "জ্ঞানমালিনী" এনে এখন সুন্দৰ কবিতাৰ পুথি য'ত নিভাজ অসমীয়া শব্দৰে অতি কোমল ভাষাৰে অতি গভীৰ ভাব প্ৰকাশ কৰা হৈছে।

প্ৰটো-অষ্ট্ৰলয়ড্ বা অষ্ট্ৰ-এচিয়াতিক গোষ্ঠীৰ প্ৰভাৱত চুতীয়াসকলৰ কথিত ভাষাত প্ৰচলিত হোৱা কিছুমান শব্দ তলত দিয়া হ'ল।

কাবউ, কিংখাপ, খামোচ, খং, কমা (ঘূৰি ফুৰা), দিঙা (নাও), ডোং (খাল ডোং) হেনো (সি হেনো আহিব), জপা (বাঁহৰ কাপোৰ থোৱা বাকচ) জাপি (মূল্যবান বস্তু থোৱা খৰাহী, মূৰৰ ওপৰত ৰ'দ বৰষুণৰ পৰা ৰক্ষা পাবলৈ পিন্ধা আবৰণ), জঞ্জাল, জহা, (জহাচাউল; বৰকৈ প্ৰশংসা কৰ), মেথন (বনৰীয়া গৰু), এনেই (কোনো কাৰণ নোহোৱাকৈ) চকৰা (কণীৰ ওপৰৰ খোলা), শালমন, নোদোকা, সজ্জাত (বিশ্বাস), চুত-

---

১ *সদৌ চুতীয়া জাতি সন্মিলনৰ গুৱাহাটীত বহা বিশেষ অভিবৰ্তনত (১২-৬-৮৮) মূখ্য অতিথিৰ ভাষণত অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী অধ্যাপক থানেশ্বৰ বড়ো এম,এ, দেৱৰ মৌখিক ভাষণৰ পৰা।*

২ *সদৌ চুতীয়া জাতি সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ -- বেণুধৰ শৰ্মা -- পৃঃ ৭।*

(গৰুৰ গল ধনৰ ওপৰত থকা চুত), ভুৰ (কেইবাডালো বাঁহ বা কল একেলগে বান্ধি নাওৰ দৰে ওপঙাই পানীত ইফালে সিফালে যাবৰ কাৰণে ব্যৱহাৰ কৰে)।

সম্বন্ধ বাচক শব্দ : বাপা, বোপাই, ককাই, আমৈ, তাবৈ ইত্যাদি।

অন্যান্য শব্দ : অকণ, অকণি, আচুসূতা, আঁকৰ (মুখমেল) বগা, বেটী, বোকা, বেজবেজা (গাটো বেজবেজাইছে— বিষাইছে), বাইদে (সুমুৱাইদে), বিলা (ভগাইদে), বিলাক (বহুবচন বুজাবলৈ ব্যৱহাৰ কৰা) বাও (দলাৰ বাও— চাৰিওফালে দিয়া বাঁহৰ বান্ধনি), বাতলুগুটি, বাক (ঢালি দে), ভোদা (মুৰ্খ), বদুৰা (ধাৰ নথকা), বেতমেল (বহুল হৈ যা), বুটল (তুলি ল), বুটি (ক্ষয় গৈ শেষ হোৱা বুটি কোৰ), চেলাউৰী (চকুৰ চেলাউৰী), চিয়ঁৰ (ডাঙৰকৈ মাত), চেৰ্চা (ঠাণ্ডা) ইত্যাদি।"[১]

সংস্কৃতি সঞ্চয়ন নামৰ গ্ৰন্থৰ এটা প্ৰবন্ধত ডঃ লীলা গগৈ দেৱে লিখিছে— "ইণ্ডো ইউৰোপীয় মূলৰ সংস্কৃত ভাষা হ'ল অসমীয়া ভাষাৰ মূল ভেটি। সেয়ে হ'লেও আৰু শতকৰা সত্তৰ ভাগ বা তাতকৈ অধিক সংস্কৃত তৎসম শব্দ থাকিলেও সম্পূৰ্ণ থলুৱা আৰু আনকি জনজাতীয় উপ-ভাষাৰ পৰা অহা প্ৰত্যয়ো আছে। সেইদৰে জাক, মখা, বোৰ, বিলাক, আদি বহুবচন মূলক প্ৰত্যয়ৰ মূলো থলুৱা ভাষাৰ পৰাই অহা। তদ্ধিত প্ৰত্যয়ৰ ক্ষেত্ৰতো OIA বা MIA মূলৰ পৰা নহা কেতবোৰ প্ৰত্যয় আছে। সেইদৰে স্বাৰ্থিক প্ৰত্যয়ৰ চোন, হবলা, জানোচা, গৈ আদিও সংস্কৃত শব্দৰ পৰা অহা নাই। দ্বি ধন্যাত্মক শব্দ আৰু ধাতু ৰূপো অনাৰ্য মূলীয়া। ক্ৰিয়াৰ আগত নিষেধাৰ্থক নবহি ধাতু বা ক্ৰিয়াৰ প্ৰথম স্বৰক অনুসৰণ কৰা ৰীতিও অন্য ভাৰতীয় ভাষাত নাই। পদান্তিক নিৰ্দেশসমূহৰ কণ, খন, চটা আদি গোটা চেৰেকৰ বাহিৰে টা, টো, টি, ডাল, গৰাকী, টাৰ, বিৰা, খিলা, ফেৰা, আটি, পোলা, চিটা, জেৰা, চলা, ফাল, বকলা, ওহালি, আদি শব্দবোৰ বিভিন্ন অনাৰ্য মূলৰ পৰা অহা। সাধাৰণ শব্দৰ ক্ষেত্ৰতো খাচী অষ্ট্ৰিক, বড়ো, টাই, খাচী আদি মূলৰ অসংখ্য শব্দ আছে। তাঁত শালৰ সঁজুলি, হাতী বিষয়ক শব্দ, মাছ আৰু গছ-বন-লতাৰ নামৰ ভিতৰত বহুতো অনাৰ্য মূলীয় শব্দই ওৰাপাতি বহি আছে। ধাতু বা ক্ৰিয়াৰ ক্ষেত্ৰতো চেলেক, চেৰা, গম, জিৰা, ৰেপ, গছক, ভেকুৰ আদি; খামবান্ধ, গবামাৰ, বিৰদি, গমপা, আদি বড়ো বা তিব্বতো-বৰ্মান মূলৰ বুলি ঠাৱৰ কৰা হৈছে। সেইদৰে মা, মা, চা, ঙ, আদি তদ্ধিত প্ৰত্যয়ো থলুৱা বড়ো মূলীয়া। অসমীয়া ক্ষুদ্ৰ বাচক শব্দবোৰ অনাৰ্য মূলীয়া। মাছ— জোলি, টিলা, টিলিকা, চিৰিকা, চিটিকা, ঠাৰি, মৰালি, পোনা; জন্তু— গেঁৰা, চেউৰী, দমৰা, চাকিন, কিৰিঙা; ফল— জালি, কলি, মুচি, মল, আদি সংস্কৃত বা অন্য ভাৰতীয় ভাষাৰ পৰা অহা নাই।""[২]

অসমীয়া ভাষাৰ এই শব্দবোৰ বড়ো মূলীয়ই হওক বা অন্য অষ্ট্ৰিক জনজাতি

---

১ *Assamese its Formation and Development.*
*— Dr. B.K. Kakati— Page 33-34*

২ *সংস্কৃতি সঞ্চয়ণ — সম্পাদনা — সূৰ্যকান্ত হাজৰীকা; প্ৰবন্ধ — সমন্বয়ৰ সংস্কৃতি অসমীয়া — ডঃ লীলা গগৈ।*

গোষ্ঠী মূলীয়ই হওক প্ৰথমে চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে ব্যৱহৃত হৈয়েহে অসমীয়া ভাষাক নিজস্ব ৰূপ দিছিল আৰু পাছতো আহোম চুতীয়াৰ ব্যৱহাৰৰ মাজেদি অসমীয়া ভাষাক সমৃদ্ধ কৰিছিল এইটো ঠিক। কিয়নো আহোমৰ ৰাজ্য ক্ষেত্ৰৰ বিস্তৃতিৰ লগে লগে ৰাজকীয় ভাষাৰো বিস্তৃতি ঘটিছিল। অলপ মন কৰিলেই বুজিব পাৰি যে ওপৰত উল্লেখ কৰা শব্দবোৰ উজনী অসমৰ চুতীয়া ৰাজ্য ক্ষেত্ৰত ব্যৱহৃত শব্দ আৰু সেইবোৰ বৰ্তমান অসমীয়া ভাষাৰে মৌলিকত্ব অৱদানত অমূল্য সম্পদ।

**ব্যাকৰণৰ প্ৰভাৱ ঃ** ওপৰত ডঃ লীলা গগৈ দেৱৰ উদ্ধৃতিত ব্যাকৰণৰ প্ৰভাৱৰ বহু কথাই উল্লিখিত হৈছে। ইয়াৰ উপৰিও কালীৰাম মেধিদেৱৰ অসমীয়া ভাষাতত্ব আৰু ব্যাকৰণৰ পৰা কিছুকথা উদ্ধৃত কৰা হ'ল।

"অসমীয়াত কছাৰী আৰু গাৰো ভাষাৰ নিয়মে ঘোঁৰাটো, (the horse), ঘোঁৰাজনী (the mare) আদি লিঙ্গ বাচক 'টো', 'জনী' আদি শব্দ প্ৰতিপাদিকৰ পাছত ব্যৱহাৰ কৰা হয়। কিন্তু গাৰো চুতীয়াৰ নিয়মে পঠা-পাঠী, বোন্দা-বুন্দী, পেৰা-পেৰী আদি লিঙ্গ বাচক শব্দ প্ৰতিপাদিকৰ আগত বহুৱা হয়। যেনে-- পাঠী ছাগলী বা ছাগলী (she goat) পেৰা মৈহ (he baffallow) ভুৰা বৰা, (wild boar)" ইত্যাদি।"[১]

ওপৰত উল্লেখ কৰা নিয়ম উজনী অসমৰ চুতীয়া অধ্যুষিত অঞ্চলবোৰত এতিয়াও ব্যৱহৃত-- মতা ল'ৰা, মাইকী ল'ৰা, মতা মানুহ, মাইকী মানুহ, মতা গৰু, মাইকী গৰু, মতা ম'হ, মাইকী ম'হ আদিৰ লগত তুলনা কৰিব পাৰি।

সেইদৰে কালিৰাম মেধিদেৱে বহুবচন বুজোৱা "বিলাক" শব্দটো গাৰো "ফিলাক" বা মিছিমি "কা-ফ্লাক" শব্দৰ পৰা অহা বুলি অনুমান কৰিছে।

এই দুয়োটা জাতি এসময়ত সৌমাৰ খণ্ডতে আছিল আৰু গাৰোসকল সৌমাৰ খণ্ডৰ পৰাই বৰ্তমানৰ বাসস্থান পাইছিলহি। মিছিমিসকল এতিয়াও অতীতৰ চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে আছে।

সেইদৰে ব্যাকৰণৰ বহু চৰিত্ৰতো চুতীয়া বা বড়ো ভাষাৰ চৰিত্ৰ বৰ্তমানৰ অসমীয়া ভাষাত আছে। তাৰ দুই এটা উদাহৰণ হ'ল যেনে-- অসমীয়া ভাষাৰ পঞ্চমী বিভক্তিৰ চিন হ'ল "পৰা"; 'ৰামৰ পৰা কিতাপখন লোৱা হ'ল।' সাধাৰণ ভাবে 'পৰা' বিভক্তি যোগ হ'লে হ'ব লাগিছিল 'ৰাম পৰা কিতাপখন লোৱা হ'ল।' কিন্তু সেয়ে নহৈ 'ৰাম'ত পৰাৰ আগতে 'ৰ' এটা যোগ হ'ল। এইটো বড়ো বা চুতীয়া ভাষাৰ চৰিত্ৰ।

কালীৰাম মেধিদেৱে তেখেতৰ "অসমীয়া ভাষাতত্ব আৰু ব্যাকৰণ" নামৰ গ্ৰন্থত লিখিছে-- "বড়ো ভাষাৰ আন এটি বিশেষত্বৰ কথা ইয়াত কোৱা উচিত। অসমীয়া ভাষাৰ এনে বিশেষত্ব যে ভিৰ্যক বিভক্তি, তাৰ কথা আগেয়ে কোৱা হৈছে। বড়ো ভাষাত পঞ্চমী বিভক্তি যোগ কৰাৰ আগেয়ে প্ৰতিপাদিকৰ পাছত ষষ্ঠী বিভক্তি যোগ কৰা হয়। কছাৰী পঞ্চমী বিভক্তি 'ফ্ৰাই' আৰু চুতীয়া পঞ্চমী বিভক্তি 'বাছাপি'। ষষ্ঠী বিভক্তি কছাৰী 'নি'

---

১, *অসমীয়া ভাষাতত্ব আৰু ব্যাকৰণ -- কালীৰাম মেধি -- পৃঃ ১২১।*

চুতীয়াত 'য়ো'। এই ষষ্ঠী বিভক্তি নি নিজ পঞ্চমী বিভক্তিৰ আগত যোগ হয়; আৰু লক্ষ্ম পঞ্চমী বিভক্তি কছাৰীত "নি ফ্রাই" আৰু চুতীয়াত "য়ো-বাছাপি" হয়। যেনে কছাৰী-- নু (a house), নু-নি (of a house), নু-নি-ফ্রাই (from a house), চুতীয়া-- ন্যা (a house), ন্যা-য়ো (of a house), 'ন্যায়োবাছাপি' (from a house); গাৰো ষষ্ঠী বিভক্তি 'নি' আৰু পঞ্চমী বিভক্তি 'অনি' বা 'অনিথে'। শেষোক্ত বিভক্তিৰ 'নি' ষষ্ঠী বিভক্তি হ'ব পায়। অসমীয়া পঞ্চমী বিভক্তিৰ "পৰা" যোগ হোৱাৰ আগেয়ে এইদৰে প্রতিপাদিকৰ পাছত ষষ্ঠী বিভক্তিৰ 'ৰ' যোগ হয়। বড়ো ভাষাৰ এই বিশেষত্বৰ ছাঁ অসমীয়া ভাষাত সোমোৱা অসম্ভৱ নহয়।"[১]

বাচ্য পৰিবৰ্তন কৰাৰ ক্ষেত্ৰতো চুতীয়া ভাষাৰ চাৰত্ৰে অসমীয়া ভাষাত সোমোৱা দেখা যায়। এই বিষয়ে কালিৰাম মেধিদেৱে "অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ" নামৰ গ্রন্থত এনেদৰে লিখিছে-- "(গ) অসমীয়া কৰ্ম বাচ্যৰ এই প্ৰকৃতি বড়ো ভাষাতো দেখা যায়। কছাৰী ভাষাত প্রধান ধাতুটোৰ নিত্যকৃৎ (past participle)ৰ পাছত সহায়কাৰী 'হ' (কছাৰী জা-অনু-to be, to become) ধাতু যোগ কৰি আৰু এই সহায়কাৰী ধাতুৰ ৰূপ কৰি কৰ্মবাচ্য সিদ্ধ কৰা হয়। যেনে-- কছাৰী 'নুন' ধাতু (to see), তাৰ নিত্যকৃৎ 'নুনই' (seen); কছাৰী-- আং নুনই জ-অই অ; অসমীয়া-- মই দেখা যাও (I am seen), আং নুনই জা অবাই; অসমীয়া-- মই দেখা গ'লো (I have been seen); আং নুনই জা অগম; অসমীয়া-- মই দেখা যাম (I shall be seen) চুতীয়া ভাষাতো তেনে। চুতীয়া ভাষাত নিত্যকৃৎ কৰ্তৃ আৰু কৰ্ম উভয় বাচ্যতে ব্যৱহৃত হয় আৰু আচল ধাতুৰ নিত্যকৃতৰ পাছত সহায়কাৰী 'হ' ধাতু (চুতীয়া 'চ'= to be) যোগ কৰি কৰ্মবাচ্য সিদ্ধ কৰা হয়। যেনে চুতীয়া-- লবে বা লবি (to give) ধাতু, তাৰ নিত্যকৃৎ লবিবা (given)

চুতীয়া-- ৰাজালা আটিগো জাৰুনা লবেম। (কৰ্তৃবাচ্য)

অসমীয়া-- ৰজাই এই গাঁও আমাক দিছে।

Eng— The king this village has gave.

চুতীয়া-- ৰজায়ো দিনহালা আটিগো জাৰুনা লবিবা চাৰোম (কৰ্মবাচ্য)

অসমীয়া-- ৰজাৰ দিনত এই গাঁও আমাক দিয়া হৈছে।

Eng— In Rajas days, this village us given was.

এতেকে বড়ো ভাষাৰ পৰা কৰ্মবাচ্যৰ এই প্ৰকৃতি অসমীয়াত সোমাইছে বুলি ভাবিব পাৰি। কেৱল এটা আঁসোৱাহ এই যে এই প্ৰকৃতি হিন্দী বঙালী আদি প্ৰাকৃতিক ভাষাতো আছে। কিন্তু বড়ো ভাষাৰ প্ৰভুত্ব একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি"।[২]

ওপৰৰ এই আলোচনাবোৰৰ পৰা দেখা যায় যে আজি আমি যি অসমীয়া ভাষা ব্যৱহাৰ কৰিছো সেই ভাষা প্ৰথমে প্ৰাকৃত অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ ৰূপ লওঁতে চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে লৈছিল আৰু লিখিত ৰূপ পাইছিল। স্বাভাৱিকতে সেই

---

১ *অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ -- কালীৰাম মেধি -- পৃঃ ১৫৩।*

২ *অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ -- কালীৰাম মেধি -- পৃঃ ৩২৭।*

অপভ্ৰংশ ভাষাই স্থানীয় চুতীয়া বা বড়ো ভাষাৰ শব্দৰে সমৃদ্ধ হৈছিল আৰু বহুক্ষেত্ৰত ব্যাকৰণ নীতিৰ প্ৰভাৱেৰেও প্ৰভাৱান্বিত হৈছিল। সেই ভাষাকে আহোমসকলে ৰাজ কাৰ্যত ব্যৱহাৰ কৰিছিল আৰু আহোমৰ ৰাজ্যক্ষেত্ৰ বিস্তৃত হোৱাৰ লগে লগে সেই ভাষাৰো বিস্তৃতি ঘটিছিল। পাছত আমেৰিকান মিচনেৰীসকলে শিৱসাগৰৰ কথিত ভাষাকে ধৰ্ম প্ৰচাৰ কৰিবলৈ ব্যৱহাৰ কৰাত আৰু ব্যাকৰণ, অভিধান, আলোচনী আদি প্ৰকাশ কৰাত সেই ভাষাই আজি সমগ্ৰ অসমৰ অসমীয়া ভাষা ৰূপে ব্যৱহৃত হৈছে। মূলতঃ এই ভাষা চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে প্ৰথম দেখা দিয়া অপভ্ৰংশ অসমীয়া ভাষা; গতিকে এই ভাষাক চুতীয়া জাতিৰ ভাষা বুলি ক'লে নিশ্চয় ভুল নহ'ব নতুবা অতীতৰ চুতীয়া ভাষা আৰু প্ৰাকৃতৰ মিশ্ৰিত হৈ অপভ্ৰংশ হোৱা পৰৱৰ্তী ভাষাই আজিৰ অসমীয়া ভাষা।

## চুতীয়া জাতিৰ ধৰ্ম

ধৰ্ম বুলিলে আমি সাধাৰণতে হিন্দু ধৰ্ম, মুছলমান ধৰ্ম, খ্ৰীষ্টান ধৰ্ম, শিখ ধৰ্ম. বৌদ্ধ ধৰ্ম আদি ধৰ্ম মতাৱলম্বী লোকসকলৰ শাস্ত্ৰ সম্মত নীতিকে বুজোঁ। এই ধৰ্মবিলাকৰ প্ৰত্যেকৰে কিছুমান শাস্ত্ৰ সম্মত নিয়ম নীতি আছে যিবোৰক আশ্ৰয় কৰি, যিবোৰ পালন কৰি চলিলে নিজকে পবিত্ৰ কৰিব পাৰি বুলি তেওঁলোকে ভাবে আৰু তাৰ দ্বাৰা ঈশ্বৰৰ উপলব্ধি আৰু ঈশ্বৰৰ সান্নিধ্য পাব পাৰি বুলিও ভাবে। সেয়েহে প্ৰত্যেকে নিজ ধৰ্ম নিয়মমতে আৰু কঠোৰভাৱে কায়মনোবাক্যে পালন কৰিবৰ চেষ্টা কৰে বা কৰা কৰ্তব্য বুলি ভাবে। .

অন্য অৰ্থত ধৰ্ম (ধৃ + মন্ = ধৰ্ম) এক জাগতিক আধাৰ যাৰ দ্বাৰা সকলোৱেই ধৃত ৰক্ষিত আৰু পৰিবৰ্ধিত। জগতৰ কোনো প্ৰাণী বা বস্তুৱে ধৰ্মৰ আধাৰৰ বাহিৰত নাই। জগতৰ প্ৰত্যেক প্ৰাণী বা বস্তুৱেই নিজস্ব নীতি বা প্ৰকৃতি অনুসৰি উৎকৰ্ষৰ পথত গতিশীল।

জগতৰ এই ধৰ্মৰ বাবেই প্ৰত্যেক জীৱই গতি কৰোতে নিজ জ্ঞানেৰে অভিজ্ঞতা লাভ কৰি প্ৰতিদিনে বেছি জ্ঞানী হৈ গৈ থাকে আৰু নিজকে পূৰ্ণতাৰ পথেদি আগুৱাই নিয়ে। কিন্তু এই গতি অতি ধীৰ। কিয়নো ই নিজৰ জীৱনৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল। মানুহে এই ধীৰ গতিতে সন্তুষ্ট হ'ব নোৱাৰে। তদুপৰিও ই বাধাহীন নহয়; যেতিয়া এই গতিত বাধা পৰে তেতিয়া ই আৰু মন্থৰ হয় নতুবা বিপৰীতমুখী হৈ ধ্বংসৰ কাৰণো হ'ব পাৰে। সেয়েহে মানুহে এনে কিছুমান নিয়ম নীতি আবিষ্কাৰ কৰিছে যাক আশ্ৰয় কৰি বা অনুসৰণ কৰি কায়মনোবাক্যে পালন কৰি জাগতিক আৰু আধ্যাত্মিক- উৎকৰ্ষৰ গতি ত্বৰান্বিত কৰিব পাৰে; ভগৱৎ উপলব্ধিৰ পথত অগ্ৰসৰ হ'ব পাৰে বা

সত্যৰ উপলব্ধিৰ পথত আগুৱাই যাব পাৰে; সমাজৰ মঙ্গলৰ বাবে পৰস্পৰে ইজনে সিজনক অতি আপোন বুলি ভাবি প্ৰেমেৰে সকলোকে আকোৱালি লব পাৰে; এই সংসাৰত থকা দিন কেইটা অতি আনন্দেৰে কটাব পাৰে। কাৰণ মানুহৰ জীৱনৰ পৰমলভ্য হ'ল অম্লান আনন্দ আৰু সেই আনন্দ কেবল সত্যৰ উপলব্ধি, ভ্ৰাতৃত্ব, প্ৰেম আৰু ত্যাগৰ মাজেদিহে পাব পাৰি।

মহান মনিষীসকলৰ জীৱনজোৰা ধ্যান সাধনাৰ উপলব্ধিৰে সকলোৱে যাতে উপকৃত হ'ব পাৰে তাৰবাবে তেওঁলোকৰ এই উপলব্ধিৰ কথা সৰ্বসাধাৰণক জ্ঞাত কৰি তাৰবাবে কিছুমান নিয়ম নীতিৰে একোটা পথ তৈয়াৰ কৰি থৈ গৈছে। সেই নীতি সমূহেই একোটা ধৰ্ম নামে পৰিচিত হৈছে। এইদৰেই আমি বুদ্ধদেৱৰ পৰা বৌদ্ধ ধৰ্ম, মহাবীৰৰ পৰা জৈন ধৰ্ম, যীশুখ্ৰীষ্টৰ পৰা খ্ৰীষ্টান ধৰ্ম, হজৰত মহম্মদৰ পৰা ইছলাম ধৰ্ম, গুৰুনানকৰ পৰা শিখ ধৰ্ম ইত্যাদি ধৰ্মবোৰ পাইছো। এই প্ৰত্যেক ধৰ্মৰে নিয়ম-নীতিত যি ভিন্নতাই নেথাকক মানৱ সমাজত যে পৱিত্ৰতা আৰু প্ৰেম প্ৰতিষ্ঠা হ'ব লাগে সকলোৰে মাজত ভ্ৰাতৃত্ব হ'ব লাগে সেই কথাত সকলো একমত।

অৱশ্যে হিন্দু ধৰ্ম কোনো প্ৰচাৰকৰ নামত জড়িত নহয়। হিন্দু ধৰ্মৰ প্ৰকৃত নাম হ'ল 'সনাতন' ধৰ্মহে আৰু এই ধৰ্মৰ মূল বা নিয়ম নীতি বেদত প্ৰতিষ্ঠিত। এজন হিন্দুৰ বাবে বেদোক্ত নীতি কায়মনোবাক্যে পালন কৰা কৰ্তব্য। এই বেদ কোনো প্ৰচাৰকৰ দ্বাৰা লিখিত নহয়। ঋষিসকলে সেই সত্যক মাত্ৰ দৰ্শনহে কৰিছে। যেয়ে সত্য দ্ৰষ্টা তেওঁকে ঋষি বুলি কোৱা হয়।

বেদ অপৌৰুষেয়। বেদক ভগবানৰ নিজ মুখৰ বাক্য বুলি হিন্দুসকলে জ্ঞান কৰে। ভগবান যেনেকৈ অনাদি অনন্ত সেইদৰে বেদো অনাদি অনন্ত। আৰ্যসকলে প্ৰকৃতি ধৰ্মৰ সাধাৰণ নিয়মমতে অগ্ৰসৰ হৈ যাওঁতে যিবোৰ সত্য চিৰন্তন সত্যৰূপে প্ৰতিপন্ন হৈছিল বা ধ্যান আৰু কঠোৰ সাধনাৰ দ্বাৰা যিবোৰ সত্য উপলব্ধি কৰিছিল, সেইবোৰকে তেওঁলোকে শ্ৰুতি হিচাপে পৰম্পৰাগত ভাবে তেওঁলোকৰ সন্ততিসকলক দি গৈছিল আৰু তেওঁলোকে তাকে পালন কৰিছিল। এই ক্ৰিয়া কেতিয়া আৰম্ভ হৈছিল কোনেও ক'ব নোৱাৰে; হয়তো মানৱ ক্ৰমবিকাশৰ লগে লগেই; সেয়েহে অনাদি আৰু যেহেতু কোনো এজন ব্যক্তিয়ে ইয়াক প্ৰকাশ কৰা নাই সেয়েহে ই অপৌৰুষেয়। সেই উপলব্ধিৰ শেষ নাই; গতিকে ই অনন্তও।

মৌখিক ভাবে চলি অহা এই নীতিবোৰ যিবোৰে মানুহৰ মঙ্গল সাধনা কৰিছিল, পৰম সত্যৰ উপলব্ধিৰ পথত সহায় কৰিছিল, সমাজত অহিংসা আৰু প্ৰেমৰ সঞ্চাৰ কৰিছিল, সেইবোৰকে যেতিয়া লিখিত ভাবে ৰক্ষা কৰা হ'ল তাৰ নামেই হ'ল বেদ। বেদৰ অৰ্থ হ'ল জ্ঞান। সনাতন বা হিন্দু ধৰ্মমতে এই বেদোক্ত নীতি আচৰণ কৰিলেই ধৰ্ম সাধন কৰা হয়, সমাজৰ মঙ্গল হয়।

তৃতীয়া জাতিৰ ধৰ্মৰ বিষয়ে বিচাৰ বিবেচনা কৰিবলৈ হ'লে ধৰ্মৰ এই সংজ্ঞামতেই বিচাৰ কৰিব লাগিব।

চুতীয়াসকল খ্ৰীঃপূঃ প্ৰায় ২০০০ বছৰৰো আগতেই অসমৰ উত্তৰ-পূব পথেদি সৌমাৰ খণ্ডত প্ৰৱেশ কৰিছিলহি। সেই সময়ত পৃথিবীৰ প্ৰাচীনতম বৌদ্ধ ধৰ্মৰ প্ৰচাৰক বুদ্ধদেৱৰ জন্মই হোৱা নাছিল। বুদ্ধদেৱৰ জন্ম খ্ৰীঃপূঃ ৫৬৬ চনহে, বড়ো চুতীয়াসকলৰ আদিভূমি চীন আদিত মহাৰাজ অশোকে খ্ৰীঃপূঃ তৃতীয় শতিকা (খ্ৰীঃপূঃ ২৭৩-২৩২)তহে বৌদ্ধধৰ্ম প্ৰচাৰ কৰিছিল। গতিকে সেই সুদূৰ অতীতত তথাকথিত কোনো ধৰ্মৰেই জন্ম হোৱা নাছিল।

আৰ্যসকলৰ হিন্দু (সনাতন) ধৰ্মক অনাদি বুলি কোৱা হৈছে। কিন্তু সেই ধৰ্ম আৰ্য ধৰ্মহে। আৰ্যসকল ভাৰতলৈ অহাৰ সময় খ্ৰীঃপূঃ ২০০০ বুলিহে থাবৰ কৰা হৈছে। আৰ্যসকলেও ভাৰতবৰ্ষৰ বাহিৰে অন্য ঠাইত ধৰ্ম প্ৰচাৰ কৰা নাছিল। গতিকে চুতীয়াসকলে অসমত প্ৰৱেশ কৰোতে স্বাভাৱিকতে তেওঁলোকে তথাকথিত কোনো ধৰ্মৰ অন্তৰ্ভুক্ত নাছিল। কিন্তু আমি আগতে আলোচনা কৰিছো যে ধৰ্ম হ'ল প্ৰাণীৰ জাগতিক আধাৰ; আৰু মানুহৰ উৎকৰ্ষৰ সোপান। সকলো প্ৰাণী বা মানুহ ধৰ্মৰ দ্বাৰা ধৃত ৰক্ষিত আৰু পৰিবৰ্ধিত। গতিকে চুতীয়াসকলেও ধৰ্মৰ দ্বাৰা ধৃত ৰক্ষিত আৰু পৰিবৰ্ধিত নোহোৱাকৈ থাকিব নোৱাৰে। ধৰ্ম হ'ল সামাজিক বিৱৰ্তনৰ প্ৰবাহ।

চুতীয়া সন্মিলনৰ এসময়ৰ কোষাধ্যক্ষ শ্ৰীললিত চুতীয়া (এম,এ,) দেৱে ধেমাজী জিলা চুতীয়া সন্মিলনৰ নৱম বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ এটা প্ৰবন্ধত এই বিষয়ে আলোচনা কৰি চুতীয়াসকলক মহাভাৰত, ভাগৱত আদিত কিৰাত বুলি অভিহিত কৰাৰ কাৰণে তেওঁলোকৰ ধৰ্মক কৈৰাতজ ধৰ্ম বুলি আখ্যা দিছে। কিৰাত শব্দটো সেই পুৰণি গ্ৰন্থসমূহত গুহাবাসী বা অৰণ্যবাসী অৰ্থত ব্যৱহাৰ কৰিছে। আৰ্য লিখকসকলে কিৰাত, (গুহাবাসী বা অৰণ্যবাসী) ৰাক্ষস, অসুৰ, অনাৰ্য আদি শব্দবোৰ অসমৰ এই আদিম লোকসকলৰ প্ৰতি প্ৰয়োগ কৰিছিল ন-আৰ্য=অনাৰ্য; ন-সুৰ=অসুৰ, এই ভাবে শব্দবোৰৰ অৰ্থ দেখাত শুদ্ধ হ'লেও আৰ্যসকলে সেই শব্দবোৰ আদিম জাতিসকলৰ প্ৰতি হীনাত্মক ভাবতহে ব্যৱহাৰ কৰিছিল। গতিকে সেই নামাকৰণ আজিৰ উত্তৰ পুৰুষৰ বাবে গ্ৰহণযোগ্য নহয়। অৱশ্যে প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথ দেৱৰ মতে 'কিৰাত' শব্দৰ অৰ্থ হ'ল চিল্ক বা পাট ব্যৱসায়ীহে।

চিল্ক (silk) শব্দটো মঙ্গোলীয়াৰ 'চিৰকেক' কোৰিয়াৰ 'চিৰ' চীনৰ 'চ্চি', গ্ৰীকৰ 'চেৰ', লেটিন 'চেৰিকাম', (Mongolian Serkek, Korean Sir, Chinese ssi, greek ser, Latin Sericum) শব্দৰ পৰাহে উৎপত্তি হৈছে। তিৰোতাই পিন্ধা শাৰী শব্দটোও শেৰ (চেৰ) শব্দৰ পৰাহে উৎপত্তি হৈছে। গতিকে Scyritae, Cirrhadae, and kirat শব্দ কেইটাই চিল্ক ব্যৱসায়ীকহে বুজায়, সেয়েহে আদিতে 'কিৰাত' শব্দটোৱে চিল্ক (পাট) ব্যৱসায়ীকহে বুজাইছিল।"[১] কিন্তু আৰ্যসকলে কিৰাত শব্দটো গুহাবাসী বা অৰণ্যবাসী অৰ্থতহে ব্যৱহাৰ কৰিছিল; গতিকে আমি চুতীয়াসকলৰ ধৰ্মক "কৈৰাতজ" নুবুলি "আদ্য ধৰ্ম" বুলি কোৱাহে উচিত হ'ব বুলি ভাবো।

---

১ *Background of Assamese Culture — R.M. Nath — Page 14.*

যিসকল জাতি আদিম অৱস্থাৰে পৰা কোনো তথাকথিত ধৰ্মৰ গণ্ডিৰ ভিতৰত যেতিয়ালৈকে সোমোৱা নাছিল বা এতিয়াও সোমোৱা নাই-- মেঘালয়, অৰুণাচল, নাগালেণ্ড আদিত এতিয়াও তেনে বহুলোক আছে-- তেওঁলোকে যি নীতি ধৰ্মৰ মাজেদি উৎকৰ্ষৰ প্ৰৱাহত আগুৱান হৈছিল বা হৈছে সেই ধৰ্মক "আদ্য ধৰ্ম" বুলি অভিহিত কৰিলে পৃথিৱীৰ আদিম ধৰ্মমতে চলা সকলো মানুহকে আকোৱালি ধৰে। গতিকে চুতীয়াসকলৰ সুদূৰ অতীতৰ সেই আদিম অৱস্থাৰ ধৰ্মক আমি "আদ্য ধৰ্ম" বুলিয়ে অভিহিত কৰিছোঁ।

শ্ৰীললিত চুতীয়া দেৱৰ দৰেই আমিও ভাবো যে মঙ্গোলীয়ান গোষ্ঠীৰ এই চুতীয়াসকলৰ নিজস্ব আদ্য ধৰ্ম, ভাষা আৰু সংস্কৃতিয়ে সেই দিশ এতিয়াও উজ্জ্বল কৰি ৰাখিছে। চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলে এই ধৰ্ম, আৰু সংস্কৃতি এতিয়াও অবিকৃত কৰি জীয়াই ৰাখিছে।

চুতীয়া ধৰ্ম সম্পৰ্কে শ্ৰীডম্বৰুধৰ দেউৰীদেৱে তেখেতৰ দেউৰী সংস্কৃতি নামৰ গ্ৰন্থত এইদৰে উল্লেখ কৰিছে-- "দেউৰী বিলাকৰ মূল ধৰ্ম অনুযায়ী এই বিশ্বব্ৰহ্মাণ্ডত যি মহাশক্তিৰ সৃষ্টি চক্ৰৰ বিচিত্ৰ লীলা খেলা প্ৰকট হৈছে, যি মহাশক্তিৰ আজ্ঞানুসাৰে জড়জগতৰ ক্ৰিয়া আৰু চৈতন্য জগতৰ প্ৰাণ শক্তিৰ প্ৰবাহ নিয়ত চলিব লাগিছে সেই অচিন্ত্য, অব্যক্ত, মহাশক্তি যি, তেৱেঁই ব্ৰহ্মাৰূপী পৰম পুৰুষ আৰু সেই পৰম পুৰুষৰ মূলাধাৰ আদ্যা ব্ৰহ্মাময়ী শক্তি অথবা পৰমা প্ৰকৃতি এই অনাদি অনন্ত অসীম মহাশক্তিৰ প্ৰতিমূৰ্তিয়েই "কুণ্ডি মামা" (আদি পুৰুষ প্ৰকৃতি)। এই নিৰ্গুণ, নিৰাকাৰ পৰম পুৰুষ আৰু পৰমা প্ৰকৃতি দুয়ো নহ'লে জগত প্ৰকাশ হ'ব নোৱাৰে। প্ৰাণশক্তি সম্পন্ন সমগ্ৰ প্ৰাণী জগত আৰু উদ্ভিদ জগতত পুৰুষ প্ৰকৃতিৰ সত্বা আছে। পুৰুষ প্ৰকৃতিৰ শক্তিৰ সমষ্টি পূৰ্ণ সত্বাই সৃষ্টিশক্তি। গতিকে "কুণ্ডিমামা" স্বৰূপ পুৰুষ প্ৰকৃতিয়েই হৈছে সকলো সৃষ্টিশক্তিৰ মূল। এই শক্তিৰেই জগতৰ আধাৰ, ইয়েই বিশ্বৰ বীজ স্বৰূপ।""[১]

ধৰ্মৰ স্বাভাৱিক প্ৰক্ৰিয়াতে মানুহৰ সমাজ আগুৱাই গৈছিল। মানুহৰ মনত স্বাভাৱিকতে প্ৰশ্ন হৈছিল পৃথিৱীত সকলোতকৈ শক্তিশালী কি? সৃষ্টিৰ শক্তিৰ উৎস ক'ত? মাতৃৰ মাজতে তেওঁলোকে সেই আদিম শক্তিৰ ক্ৰিয়া দেখিবলৈ পাইছিল; সেয়েহে সেই মাতৃৰ প্ৰতি প্ৰশংসা মুখৰ হৈ পৰিছিল। কল্পনা কৰিছিল সেই মাতৃক উপাস্য দেৱী ৰূপে। সেয়েহে আমি পৃথিৱীৰ সৰ্বস্থানতে আদিম ধৰ্ম হিছাপে মাতৃ বা দেৱীৰ উপাসনা দেখিবলৈ পাওঁ। মহেঞ্জোদাৰো আৰু হৰপ্পাত আৱিষ্কৃত হোৱা মাতৃ মূৰ্তিয়েও প্ৰমাণ কৰে যে বৈদিক আৰ্যসকলৰ আগতেই ভাৰতত দেৱী পূজা প্ৰচলিত হৈছিল। আনহাতে বৈদিক আৰ্যসকল তেতিয়াও দেৱীৰ উপাসক নাছিল।

সিন্ধু উপত্যকাত পোৱা দেৱীমূৰ্তি আৰু পশ্চিম এচিয়াত পোৱা দেৱীমূৰ্তিৰ তুলনামূলক অধ্যয়ন কৰি 'মাৰ্চালে' কৈছিল যে পশ্চিম এচিয়াত পোৱা মূৰ্তিবোৰৰ লগত মিল নেথাকিলেও এইটো সবল ভাবে ধাৰণা কৰিব পাৰি যে মহেঞ্জোদাৰো, হৰপ্পা আৰু

---

১ *দেউৰী সংস্কৃতি – ডম্বৰুধৰ দেউৰী – পৃঃ ৯-১০।*

বেলুচিস্থানৰ মূৰ্তিবোৰ সেই মহিয়সী দেৱী মূৰ্তিৰেই বা তেওঁৰে অন্য স্থানীয় ৰূপ। কিয়নো পৃথিৱীৰ অন্য কোনো দেশতে ভাৰতবৰ্ষৰ দৰে সেই দেৱী মাতৃৰ কল্পনা হৃদয় ইমান অটলত প্ৰতিষ্ঠিত নহয়। সেই দেৱীৰ মন্দিৰ ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে দেখা যায়।

লুচিয়াচ্ এপুলিয়াচ্ (Lucius Apulius)অৰ মতেও যি মহিয়সী দেৱীয়ে গোটেই পৃথিৱীতে স্ত্ৰী সৌন্দৰ্যৰে উদ্ভাসিত কৰিছিল সেই দেৱীক ৰোমানসকলেও উপাসনা কৰিছিল। তেওঁ দিয়া চিত্ৰত সেই দেৱীমূৰ্তি প্ৰচুৰ সুদীৰ্ঘ মুক্তকেশমালা যুক্তা, কপালত চন্দ্ৰমণি শোভিতা, দেখিলে কোনো সন্দেহ নেথাকে যে সেই দেৱীয়েই ভাৰতৰ মহিয়সী উপাস্য দেৱী মাতৃ।

ভাৰতৰ বৈদিক সাহিত্য আৰু তাৰ পাছৰ সাহিত্যৰ পৰা দেখা যায় যে সেই দেৱীপূজাৰ প্ৰথা ক্ৰমে সম্প্ৰসাৰিত হৈছিল। সেই দেৱী পুলিন্দসকলৰ, সবৰসসকলৰ, কিৰাতসকলৰ আৰু অন্য অৰণ্যবাসীসকলৰ উপাস্য দেৱী আছিল। আনহাতে সেই দেৱীয়ে ৰজা, ৰাজপুৰুষ আৰু উচ্চ শ্ৰেণীৰ লোকসকলৰ পৰাও শ্ৰদ্ধা আৰু সেৱাৰ্ঘ নোপোৱাকৈ থকা নাছিল।*১

মানুহৰ মাজত জ্ঞান বুদ্ধিৰ বিকাশ স্বাভাৱিকতে যেতিয়া আগবাঢ়ি গৈছিল মানুহ তাতেই সন্তুষ্ট হ'ব পৰা নাছিল। তেওঁলোকৰ মনত বাৰে বাৰে প্ৰশ্ন হৈছিল এই সৃষ্টি

---

১ *The worship of the Mother Godess is considered to be the oldest and the most persistent religion all over the world. The discovery of the images of the Mother at Mohenjodaro conclussively proves that the existance of this cult in India in Pre-Vedic and Pre-Aryan times. While making Comparative study of the statues of the Mother Godess found in the Indus velley region with those of Western Asia, Marshall remarks— "Even however without the analogy of these images from western Asia there would be a strong presumption in favour of the examples from Mohenjodaro, Harappa and Belushistan being images of the great Mother godess of one of her local manifastation. For, in no country in the world has the worship of the devine mother been from time immemorial so deep rooted and uliquitious as in India. Her shrines are found in every town and hamlet throughout the length and breadth of the land. (Marshall : Mohenjodaro and the Indus civilization 1. PP 50,51) According to Lucius Apuleius (11th book of the golden Ass) the great Godess which illuminates all the world by its faminine frame was worshipped all over the Roman Empire. He gives the picture of her "as one garlanded with abundance of flowing hair, with a moon jewel on her forehead leaves no doubt that she was same great Mother that was and is the object of worship in India.*

*The gradual development of the cult of the Mother godess can be seen through the Vedic and post vedic literature in India. It has been stated that she was the godess of the Pulindas, Sabaras, Kiratas and other wild tribes. Nevertheless she did not fail to command respect and adoration from the upper classes of the society including the noble and kings." Article by— Dr. J. Sarma M.A.M.Lib.Sc.Ph.D. Head of the Deppt. of Library Science, Gauhati University, in the souvenir — National Academy of Sciences India — 1978.*

কেনেকৈ হৈছে? তেওঁলোকে দেখিছিল সৃষ্টিৰ মূল কাৰণ হ'ল পিতৃ আৰু মাতৃ। পিতৃ বা মাতৃ কোনো এজন নহ'লেই সৃষ্টি সম্ভৱ হ'ব নোৱাৰে। এইকথা কেৱল মানুহৰ ক্ষেত্ৰতে নহয় প্ৰত্যেক প্ৰাণীৰ বা জীৱৰ ক্ষেত্ৰতেই সঁচা। সেয়েহে তেওঁলোকে পিতৃ আৰু মাতৃকে সৃষ্টিৰ আদি শক্তি বুলি নিৰ্ণয় কৰি সেই দুই শক্তিক পুৰুষ আৰু প্ৰকৃতি বুলি নামাকৰণ কৰিলে আৰু সেই পৰম পুৰুষ আৰু প্ৰকৃতিক উপাসনা কৰিবলৈ আৰম্ভ কৰিলে; লিঙ্গ আৰু যোনিক প্ৰতীক ৰূপে স্থাপন কৰি। কিন্তু সেই লিঙ্গ আৰু যোনি সাধাৰণ পুৰুষ স্ত্ৰীৰ কল্পনাৰে নহয়; সেয়া আছিল তেওঁলোকৰ বাবে পৰম পিতৃ আৰু পৰমা মাতৃৰ কল্পনাৰে, যি পাছত দেৱ আৰু দেৱী ৰূপে অভিহিত হৈছিল; অভিহিত হৈছিল পুৰুষ আৰু প্ৰকৃতি নামেৰে।

এই সম্বন্ধে কালীৰাম মেধিদেৱে তেখেতৰ "অসমীয়া ভাষাৰ ব্যাকৰণ আৰু ভাষা তত্ব" নামৰ গ্ৰন্থৰ পাতনিত (Introduction) এনেদৰে লিখিছে-- Recent excavations at the ancient site of Mohenjodaro and Harappa have shown that the Indus Valley was inhabited by a Pre-Aryan race some thousand years before Aryan invasion of India. They were worshippers of the Mother goddess and phallic symbols typified by the linga which is associated now with the worship of Siva. It is quite probable that the Aryan settlers who entered India about 1000 years afterwards, had to fight against the premitive beliefs and cults practised by the inhabitants of the Indus Valley and had eventually to reconcile them with those of their own. It is probably for this reason that we find traces of such primitive cults and beliefs in the Atharva Veda, latter computed into the Tantric form of Hinduism and in the later phase of Buddhism." (Page 67)

এই দুই শক্তিকে চুতীয়াসকলৰ নিজৰ ভাষাৰে অভিহিত কৰিছিল কুণ্ডি-মামা, বা গিৰা-গিৰাচী নামেৰে, পাছত প্ৰাকৃত অপভ্ৰংশত বুঢ়া-বুঢ়ী নামেৰে; মিচিমি-চুতীয়াসকলৰ মাজত গাথুন্দা-গাথুন্দী নামেৰে আৰু পাছৰ আৰ্যসকলৰ সংস্কৃত ভাষাৰে হৰ-পাৰ্বতী বা শিৱ-পাৰ্বতী নামেৰে।

এই কুণ্ডি-মামাৰ পূজা চুতীয়াসকলে আৰ্য সংস্কৃতিৰ লগত পৰিচিত হ'বৰ আগৰে পৰাই কৰিছিল। অতীজৰ পৰাই চীন দেশৰ লোকৰ মধ্য এচিয়া, ইজিপ্ত আৰু চুমেৰীয় সভ্যতাৰ লগত বাণিজ্যিক লেন-দেনৰ বাবে পৰিচিত আছিল আৰু তাৰ পৰাই তেওঁলোকে কুণ্ডি-মামা বা পুৰুষ-প্ৰকৃতিৰ কল্পনা কৰাটো সম্ভৱ।"[1] চুতীয়াসকলৰ

---

১ *"Several Mongolian tribes living in the hills on the western border of China headed by Chao tribe invaded China in about 1122 B.C. and ousted the powerful Tsang dynasty of that powerful empire. The Chaos who had intercourse with Egypt and other countries in central Asia in connection with trade imbibed a lot of Egyptian culture and now mixing the Tsang culture known in history as Chao culture."*
*Background of Assamese Culture — R.M. Nath— Page 124*

দেৱীপূজা দেউৰী পূজাৰীসকলেহে কৰিছিল। ইয়াৰ পৰাই এইটো অনুমান কৰিব পাৰি যে দেৱীপূজা চুতীয়াসকলৰ মাজত সুদূৰ অতীতৰ পৰাই আছিল আৰু এই কল্পনা তেওঁলোকৰ নিজস্ব। আৰ্যসকলে পাছত এই কুণ্ডিমামাকে শিৱ-পাৰ্বতী নামে অভিহিত কৰিছিল বুলি অনুমান কৰিব পাৰি।"[১]

সেই পূজা লিঙ্গ বা যোনিপূজা হ'লেও তাত লজ্জিত হ'বৰ কোনো কাৰণ নাছিল। কাৰণ সেয়া আছিল বিশ্ব সৃষ্টিৰ দুটা মূল শক্তি; পদাৰ্থ বিজ্ঞানৰ মতে Energy আৰু matter.[২]

এইবিলাক চিন্তাৰ পৰিপ্ৰেক্ষিতত আমি যদি চুতীয়াসকলৰ আদ্য-ধৰ্মৰ ফালে এবাৰ ঘূৰি চাওঁ দেখিবলৈ পাম যে আমাৰ আদ্য মাতা ৰুক্মিণী দেৱীয়ে কম্পোনাদ হ্ৰদৰ পাৰত থকা কুণ্ডিমামা বা বুঢ়া-বুঢ়ীৰ থানত মাতৃক কাতৰ প্ৰাৰ্থনা জনাইছিল শ্ৰীকৃষ্ণক পতিৰূপে পাবৰ বাবে আৰু শিশুপালৰ হাতৰ পৰা ৰক্ষা পাবৰ বাবে। মাতৃয়ে তেওঁৰ সেই কাতৰ প্ৰাৰ্থনা শুনিছিল আৰু বুঢ়া-বুঢ়ীৰ থানত মাতৃক সেৱা কৰি স্বয়ম্বৰ সভালৈ ঘূৰি অহাৰ পথৰ পৰাই শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি উদ্ধাৰ কৰিছিল।

ইয়াতে আমি চুতীয়াসকলৰ মাজত সুদূৰ অতীততে বৈষ্ণৱ ধৰ্ম বা সংস্কৃতিৰ প্ৰভাৱো দেখিবলৈ পাওঁ। বৰ্তমান উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা সত্ৰাধিকাৰৰ মতে চুতীয়াসকল তান্ত্ৰিক বৈষ্ণৱ[৩] আছিল; বিষ্ণু শক্তি আৰু শিৱৰ উপাসনা কৰিছিল।

বৰ্তমান ঘাৰমৰা সত্ৰত থকা চতুৰ্ভুজ বিষ্ণুমূৰ্তি, এটা পিতলৰ দবা, কাহ, এটা ঘণ্টা আৰু এখন দোলা, চুতীয়া ৰজাৰ বুলি তেওঁলোকে কয় আৰু যে মাতৃ ৰুক্মিণীয়ে সেই চতুৰ্ভুজ মূৰ্তিত পূজা দিছিল।

---

১ *"তদুপৰি হিন্দুশাস্ত্ৰ আৰু ব্ৰাহ্মণ্য প্ৰসিদ্ধিত পবিত্ৰ বুলি বিবেচিত ভালেমান অনুষ্ঠান মূলতে শাস্ত্ৰীয় অব্ৰাহ্মণ্য পূজা পাতলৰ পৰা সংগ্ৰহ কৰা বুলি ধৰিব পাৰি। গতিকে পাৰস্পৰিক সংমিশ্ৰণৰ প্ৰবাহ এটি আদি যুগৰে পৰা চলি আহিছে আৰু এইটোৱেই ভাৰতৰ অপূৰ্ব বৈশিষ্ট্য।"*

*ভাৰতৰ ইতিহাস — ডঃ ডি.ডি. কৌশাম্বী — পৃঃ ২৬*

২ *"Although they are realistically phallic, it is claimed that there is nothing to be ashamed of the two great generatic principles of the universe, Siva and Sakti, or Purusa and Prakriti, the father and mother of all creations, the energy and matter of the physical scientists, are symbolised briefly in the form of Linga and Yoni."*

*—Extract quoted from the article of Dr. J.N. Sarma M.A. M. Lib SS. Ph.D. in the Souvenir, National Academy of Sciences India. 48th Session — 1978. Page-46*

৩ *"The Chutiyas originally a tribe of Bodo race. Their kings being Hinduised accepted the Tantric Path." — Early History of Kamrup — K.L. Baruah — Page-83.*

চুতীয়া ৰজা ধৰ্মধ্বজে নীতিপালক ৰাজ্য দিয়াৰ পাছত কুণ্ডিল নদীৰ পাৰতে আশ্ৰম কৰি আছিল আৰু তাতে সেই চতুৰ্ভুজ বিষ্ণুমূৰ্তি, পূজাৰী হিচাপে তেওঁলোকৰ লগত আছিল। চুতীয়া ৰজা ধৰ্মধ্বজ সেই আশ্ৰমতে বৈকুণ্ঠগামী হয়। এনেতে চুতীয়াসকলৰ ৰাজ্য যোৱাত পূজাৰীয়ে সেই মূৰ্তি আৰু অন্যান্য বস্তু দবা, কাহ, ঘণ্টা আৰু দোলা সহ উত্তৰ লক্ষীমপুৰৰ ধেনুথানত থকা তেওঁলোকৰ দেৱোত্তৰ মাটিলৈ আহে। তাত ২০০০ বিঘা খেৰাজ মাটি আছিল। পাছত আহোম ৰজাই তালৈ ব্ৰাহ্মণ যদুমণি দেৱক পূজাৰী হিচাপে আনে আৰু শঙ্কৰদেৱৰ ভাগৱতী ধৰ্মমতে সত্ৰ প্ৰতিষ্ঠা কৰে। তাত এটা মাহধোৱা পুখুৰী, এটা দৌল আৰু এটা নামঘৰ আছে। ইংৰাজ ৰাজত্বৰ সময়ত ধেনুথানৰ পৰা সেই মূৰ্তি আদি আনি বৰ্তমানৰ স্থানত ঘাৰমৰা সত্ৰত প্ৰতিষ্ঠা কৰে। চুতীয়া ৰজাই দিয়া দোলাখনৰ এফালে গৰুড় আৰু আনফালে এটা চক্ৰ আছে। চক্ৰটো শক্তিৰ প্ৰতীক শক্তিচক্ৰ বুলি কয়।

এইদৰে চুতীয়াসকল তান্ত্ৰিক বৈষ্ণৱ আছিল বুলি কয়। কোবেশ্বৰ বৰুৱা সম্পাদিত ছোটকোঁৱৰৰ বুৰঞ্জীতো ১০ম পৃষ্ঠাত সেই কথাৰ উল্লেখ আছে। আহোম ৰজাসকলৰ দিনতো শিৱসাগৰত একে ঠাইতে শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱীদ'ল থকাই আহোম ৰজাসকলো আগতে তেনে মতাবলম্বী থকাৰ কথাকে সূচায়। ই চুতীয়া সংস্কৃতিৰে পৰম্পৰা আৰু প্ৰভাৱ বুলি ভাবিব পাৰি।

এয়া শঙ্কৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগৰ কথা। ইয়াৰ দ্বাৰাও চুতীয়াসকলৰ মাজত সুদূৰ অতীতৰে পৰা আৰ্য সংস্কৃতিৰ প্ৰভাৱ থকাৰ কথাকে বুজায়।

আনহাতে তেওঁলোকে নিজ আদ্যধৰ্ম আৰু সংস্কৃতিৰ ওপৰতো গভীৰ বিশ্বাসী আছিল। বৰঞ্চ পৰৱৰ্তী কালত শক্তিৰ ঘোৰ উপাসক হিচাপেহে আমি চুতীয়া ৰজা আৰু প্ৰজাসকলকো দেখিবলৈ পাওঁ।

উত্তৰ লক্ষীমপুৰৰ ঢকুৱাখানাৰ পৰা প্ৰায় ৫ কিঃমিঃ পূবে থকা হাৰ্হি দেৱালয়ত এতিয়াও হাঁহ, পাৰ, ছাগলী, ম'হ আদি বলি দি দেৱীপূজা কৰা হয়। এই দেৱালয় কেতিয়া স্থাপিত হৈছিল জনা নেযাব। এই দেৱালয়ো চুতীয়াসকলৰে আছিল। কিয়নো ইয়াতো আগতে দেউৰী পূজাৰীৰ দ্বাৰা নৰবলি দি পূজা দিয়া হৈছিল। স্বৰ্গদেউ শিৱ সিংহৰ দিনৰ পৰাহে নৰবলি বন্ধ হয়।

স্বৰ্গদেউ শিৱ সিংহৰ দিনত কৃষ্ণকান্ত বিদ্যা ভূষণ ঠাকুৰক এই দেৱালয়ৰ পূজাৰী পাতে। তেতিয়াৰ পৰাই নৰবলি বন্ধ হয়। বৰ্তমান এই দেৱালয়ৰ পূজাৰীসকল কৃষ্ণকান্ত বিদ্যাভূষণ ঠাকুৰৰ অষ্টম পুৰুষ।

চুতীয়াসকলৰ ক্ষেত্ৰত এই কথা মন কৰিবলগীয়া যে তেওঁলোকে আৰ্য বা হিন্দু সংস্কৃতিৰ প্ৰভাৱতে ব্ৰাহ্মণ পূজাৰীৰ দ্বাৰা বিষ্ণুপূজা কৰিলেও কুণ্ডি-মামাৰ বা শিৱ-পাৰ্বতীৰ পূজা দেউৰী পুৰোহিতৰ দ্বাৰাহে কৰিছিল। এইদৰে আমি চুতীয়াসকলৰ মাজত আৰ্য ধৰ্ম-সংস্কৃতি আৰু আদ্যধৰ্ম সংস্কৃতিৰ সমন্বয় দেখিবলৈ পাওঁ।

হাৰ্হি দেৱালয়ত এতিয়াও দেও উঠে, এই দেওসকল চুতীয়া। এওঁলোকক

দেৱলীয়া বুলি কোৱা হয়। হাৰ্হি দেৱালয়ৰ লগতে দেৱলীয়া গাঁও বুলি দেৱলীয়া চুতীয়াসকলৰ এখন গাঁও আছে। বৰ্তমান দেৱলীয়াসকলে দেৱালয়ত পূজাৰ বাহিৰে অন্য সকলো কাম কৰে।

দেওসকলে নতুন ধুতি পিন্ধে আৰু ককালত গামোচাৰে টঙালী বান্ধে। একেজন বা দুজন মানুহেই প্ৰায় বছৰি দেও উঠে। অৱশ্যে সময়ত তেওঁলোক বদলিও হয়। বৰ্তমানৰ দেওজন ৮/১০ কিঃমিঃ দূৰৰ গাঁৱৰ পৰা আহে। আহিয়ে দেৱালয়ৰ নামঘৰৰ চাৰিওফালে এপাক ঘূৰাৰ পাছত এখন আগলী কলপাতত বহিবলৈ দিয়া হয়। তেতিয়াই বাদ্য বাদকসকলে দেও উঠাৰ চাপৰ মাৰে আৰু দেৱে নাচি নাচি নামঘৰৰ ভিতৰৰ মুকলি অংশত ঘূৰি ফুৰে। মাজে মাজে গোসানীলৈ উচৰ্গা কৰা একোটা হাঁহ পাৰৰ পাকমাৰি ডিঙি চিঙি তেজ খায়। মাজে মাজে জিৰণি লয়। এইদৰে পুৱা নটামান বজাৰ পৰা প্ৰায় সন্ধ্যালৈকে নাচে। মাজে মাজে ভূত ভৱিষ্যতৰ কথা কয়।

দেৱালয়ৰ মণিকুটৰ মাজ অংশত (মাজৰ কোঠাত) ভগৱতীৰ বিগ্ৰহ আছে। সেই বিগ্ৰহ অষ্ট ধাতুৰে নিৰ্মিত অষ্টভূজা দুৰ্গা, তিনিফুটমান ওখ। দ্বিভূজা ভৱানী, দ্বিভূজা চন্দ্ৰিকা, শিলৰ ভৈৰৱী আৰু মহাভৈৰৱীৰ মূৰ্তিও আছে।

সোঁফালে বিষ্ণু, লক্ষ্মী, সৰস্বতী, ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি, গৰুড়, ডাঙৰ বিষ্ণু মূৰ্তি, বংশীবদন কৃষ্ণ, উদ্ধৱ, মৈত্ৰেয় আদিৰ মূৰ্তি আছে।

বাওঁফালে পঞ্চানন শিৱ; দশভূজ শিৱ মগৰবাহন গঙ্গা, বৃষভবাহন শিৱ, পাৰ্বতী, কাৰ্তিক, গণপতি আৰু এটা গৰুড় মূৰ্তি আছে।

ইয়াৰ পৰাও চুতীয়াসকলৰ মাজত থকা বিষ্ণু, শিৱ আৰু শক্তি পূজাৰ সমন্বয় দেখা যায়; যদিও তেওঁলোকে নিজৰ আদ্য ধৰ্মৰ ওপৰতহে গভীৰ বিশ্বাসী আছিল।

শ্ৰীকৃষ্ণলৈ ৰুক্মিণীক বিবাহ দিয়াৰ ক্ষেত্ৰত বৃদ্ধৰাজ ভীষ্মক আৰু জ্যেষ্ঠ পুত্ৰ ৰুক্মবীৰ আৰু ৰুক্মিণীৰ মাজতো মতভেদ হৈছিল, কন্যাৰ মততে হয়ভৰ দি বৃদ্ধ পিতৃ-মাতৃয়ে ৰুক্মিণীক শ্ৰীকৃষ্ণলৈ বিবাহ দিবলৈ মন কৰিছিল। কিয়নো শ্ৰীকৃষ্ণ সেই সময়ৰ সমগ্ৰ ভাৰতৰ ধৰ্মৰ ৰক্ষক হিচাপে পৰিগণিত আৰু পূজিত হৈছিল। আনহাতে ৰুক্মিণীৰ ভ্ৰাতৃ ৰুক্মবীৰ আছিল নিজৰ আদ্যধৰ্মৰ ওপৰত বিশ্বাসী আৰু সেই ধৰ্মৰ শক্তিৰে বলবান। ৰুক্মবীৰৰ মতে কৃষ্ণ সামান্য গোৱালৰ ল'ৰা; বীৰৰ ভনী, ৰাজ কন্যা ৰুক্মিণীক শক্তিশালী ৰজা আৰু বীৰ শিশুপাললৈ নিদি কৃষ্ণক দিব কিয়? এইখিনিতেই আৰ্য ধৰ্ম-সংস্কৃতি আৰু আদ্যধৰ্মৰ কৃষ্টিৰ লগত এক সংঘাট আমি দেখিবলৈ পাওঁ। অৱশ্যে ভাগৱত শাস্ত্ৰৰ শ্ৰীকৃষ্ণ স্বয়ং ভগবান আৰু সৰ্বশক্তিমান। সেয়েহে স্বয়ম্বৰত উপস্থিত থকা সকলো বীৰ আৰু ৰজা মহাৰজাৰ সন্মুখৰ পৰাই শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি লৈ গুচি গৈছিল।

ভাগৱতত সৰ্বজনৰ মাজত শ্ৰীকৃষ্ণ আৰু আৰ্য ধৰ্ম সংস্কৃতিৰ শ্ৰেষ্ঠত্ব আৰু প্ৰভাৱকে দেখুৱা হৈছে; আৰু বৈষ্ণৱ ধৰ্মক সৰ্ব-জনপ্ৰিয় হিচাপে প্ৰতিপন্ন কৰা হৈছে।

পদ্মনাথ গোঁহাই বৰুৱাদেৱৰ অসম বুৰঞ্জীৰ ২৬ পৃষ্ঠাত আছে— "কামৰূপ আৰু সৌমাৰৰ কিয়দংশত সেই ধৰ্মৰ (শংকৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্ম) ৰজাকৈ প্ৰচাৰ

হোবাৰ পাছত তেওঁ চুতীয়াৰ ৰাজধানী ৰত্নপুৰলৈ যাত্ৰা কৰে। সেই যাত্ৰাত আগৰ দিনৰ ভীষ্মক ৰজাৰ ৰাজধানী কুণ্ডিল নগৰৰ পৰা বাসুদেৱৰ মূৰ্তি এখন লাভ কৰি আনেগৈ।" ইয়াৰ পৰাও আমি কুণ্ডিলত সুদূৰ অতীততে বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰাৰ কথা বুজিব পাৰোঁ। আনহাতে চুতীয়াসকলৰ ৰাজ্য যোৱাৰ পাছতহে যে তাত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিছিল এই কথাও ইয়াৰ পৰাই বুজিব পাৰি।

ভীষ্মক ৰাজৰ পাছৰ বহু যুগৰ কথা আমি নেজানো। তাৰ পাছত আমি যেতিয়া ঐতিহাসিক যুগলৈ আহোঁ তেতিয়া চুতীয়াসকলৰ মাজত আৰ্য ভাষা সংস্কৃতিৰ যথেষ্ট প্ৰভাৱ দেখিবলৈ পালেও ধৰ্মৰ ক্ষেত্ৰত আদ্যধৰ্মৰ মতত তেওঁলোকক অতি শক্তিশালী দেখিবলৈ পোৱা যায়। তেওঁলোকে ফাগুন মাহৰ কৃষ্ণা চতুৰ্দশীত আৰ্যদেৱতা কুবেৰৰ যজ্ঞ কৰিছিল সঁচা, ব্ৰাহ্মণসকলৰ দ্বাৰা নিশ্চয় বিষ্ণু পূজাও কৰিছিল, আনহাতে তেওঁলোক আছিল ঘোৰ শক্তি উপাসক। দেৱী তাম্ৰেশ্বৰী বা কেচাইখাতীৰ*[১] পূজা কৰিছিল নিজ আদ্যধৰ্মৰ মতেৰে; তেওঁলোকৰ পুৰোহিত দেউৰীসকলৰ দ্বাৰা। সেয়েহে বুৰঞ্জী প্ৰণেতা চাৰ ই-গেইটে A History of Assam নামৰ গ্ৰন্থত লিখিছে— "চুতীয়াসকলৰ ধৰ্ম এক আচৰিত ধৰণৰ আছিল। তেওঁলোকে কালীক বিভিন্ন ৰূপত পূজা কৰিছিল। কিন্তু সেই পূজা ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা নহয়; তেওঁলোকৰ জনজাতীয় দেউৰী পুৰোহিতৰ দ্বাৰাহে। তেওঁলোকৰ বাবে এই দেৱীৰ প্ৰিয় ৰূপ আছিল কেচাইখাতী, যি কেচা মাংস ভক্ষণ কৰিছিল; তেওঁক প্ৰদান কৰা হৈছিল নৰৰক্ত। আহোমে তেওঁলোকৰ ৰাজ্য দখল কৰাৰ পাছতো দেউৰী পুৰোহিতসকলক এই জঘন্য পূজা কৰি থাকিবলৈ দিয়া হৈছিল। কিন্তু এই উদ্দেশ্যে মৃত্যুদণ্ডেৰে দণ্ডিত দোষীকহে এইদৰে বলি দিবলৈ দিয়া হৈছিল। অন্যথাই সেই বলিসকলক কোনো এক বিশেষ বংশৰ পৰা লোৱা হৈছিল আৰু তাৰ বাবে তেওঁলোকে কিছু ৰজাঘৰীয়া সা-সুবিধা ভোগ কৰিছিল। দেৱীৰ উপযুক্ত সুখাদ্য কৰি তুলিবৰ বাবে সেই বলিক সুন্দৰ ভাৱে খাবলৈ দিয়া হৈছিল; আৰু পাছত শদিয়াৰ তাম্ৰেশ্বৰী বা সেই জনজাতিৰ অন্য মন্দিৰত তেওঁক বলি দিয়া হৈছিল। তিপেৰা, কোঁচ, জয়ন্তীয় আৰু অন্য জনজাতিসকলেও আগতে নৰ বলি দিছিল।"*[২] (ইংৰাজীৰ অনুবাদ)

চাৰ এডৱাৰ্ড গেইটৰ এই একে গ্ৰন্থৰে ৫৮ পৃঃত আছে— "When the new temple of Kamakhya was opened, the occasion was celebrated by the immolation of no less than a hundred and forty men, whose heads were offered to the Goddess on salvers made of copper. Similar sacrifices were offered to various aboriginal deities."

ইয়াৰ পৰা দেখা যায় যে কেৱল চুতীয়াসকলেই নহয় সেই সময়ৰ বড়োগোষ্ঠীৰ সকলো জনজাতীয় লোকেই দেৱীৰ সন্তুষ্টিৰ বাবে নৰবলি দিছিল। এইবিলাক কথাই চুতীয়াসকলৰ মাজত আদ্যধৰ্মৰ প্ৰতি থকা গভীৰ বিশ্বাসৰ কথাকে সূচায়।

---

১ *কেচাইখাতী-কা-চেই-খা, গাভৰু গোঁসানী, গোঁসানীৰ জী, পিশাচী দেয়া।*

২ *A History of Assam — Sir Edward Gait — Page-42*

'দেৱী' নামৰ গ্ৰন্থত ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে এই কেচাইখাতী পূজা সম্বন্ধে লিখিছে— "নামেই উগ্ৰ। তীক্ষ্ণদন্তা তেওঁ কেচাইখাতী। শিলচৰৰ পৰা সাত মাইলমান উত্তৰলৈ কুমিগ্ৰামত থকা তান্ত্ৰিক পীঠৰ অধিষ্ঠাত্ৰী কছাৰী ৰজাৰ উপাস্য দেৱীৰূপে তেওঁ 'কেচাখান্তী' নামত অভিহিতা। উত্তৰ লক্ষীমপুৰ নগৰৰ পৰা আঢ়ৈ মাইলমান দূৰত থকা কৰ্চন বকল গাঁৱৰ দেৱালয়খনিও কেচাইখাতীৰ থান ৰূপে প্ৰসিদ্ধ। হিডিম্বিয়াল কছাৰীসকলৰ শেষ ৰাজধানী খাচপুৰত কেচাইখাতী মন্দিৰ এতিয়াও আছে।

সবাতোকৈ প্ৰসিদ্ধ শদিয়াৰ পৰা ওঠৰ মাইল উত্তৰ-পূবে ঢল নদীৰ পাৰৰ তাম্ৰেশ্বৰী মন্দিৰৰ অধিষ্ঠাত্ৰী দেৱীৰূপে থকা কেচাইখাতী গোঁসানীৰ কথা।

এটি কৌটিকলীয়া প্ৰবাদ— এসময়ত কেচাইখাতী গোঁসানীয়ে তেওঁৰ মাহাত্ম্য প্ৰকাশৰ কাৰণে শিলাৰূপে দিব্ৰাং নৈত ওপঙি আছিল। তাকে দেখি কুণ্ডিলৰ ভীষ্মক ৰজাই দেশৰ সকলো লোকক মতাই আনি শিলাৰূপী দেৱীক পানীৰ পৰা তুলিবলৈ নিৰ্দেশ দিলে। কিন্তু মহাশক্তি ৰূপা ৰহস্যময়ী দেৱীক কোনেও লৰাবকে নোৱাৰিলে। শেষত নিৰুপায় হৈ ৰজাই ঢোল পিটি জাননী দিলে যে যেয়ে এই শিলামূৰ্তি নিব পাৰিব তেৱেঁই ৰাজপুৰোহিত হৈ বিখ্যাত বুঢ়া-বুঢ়ী, বলিয়া বাবা আৰু তাম্ৰেশ্বৰী মন্দিৰৰ পূজাৰী হ'ব। এই বাতৰি প্ৰচাৰ হোৱা মাত্ৰকে নানা জাতিৰ মানুহ বিধে বিধে গোটখাই, মূৰ্তি খনি নিয়াৰ চেষ্টা কৰিলে। কিন্তু ভগৱতীৰ কি ইচ্ছা তেওঁ ইমান গধুৰ হৈ পৰিল যে সেইমূৰ্তি দাঙিবৰ কাৰো শক্তি নহ'ল। শেষত চাৰিজন চুতীয়া মানুহে গা পা ধুই অতি শুদ্ধভাৱে দেৱীক স্তুতি নতি কৰি দাঙিব খোজাত শিলাৰূপী দেৱী তেনেই পাতল হৈ পৰিল আৰু তেতিয়া দেৱী মূৰ্তিক চুতীয়া চাৰিজনে দোলাত তুলি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপনা কৰিলে। তেতিয়াৰ পৰা সেই চাৰিজন আৰু বংশধৰসকল তাম্ৰেশ্বৰী মন্দিৰ প্ৰমুখ্যে চাৰিদেৱালয়ৰ পুৰোহিত, আঠপৰীয়া আদি হ'ল।

এই চুতীয়াসকল আছিল প্ৰাচীন কামৰূপৰ উত্তৰ-পূবত বাস কৰা উন্নত কৃষ্টি সম্পন্ন শৌৰ্য বীৰ্যশালী স্বাধীন পৰাক্ৰমী জাতি। তেওঁবিলাকৰ ৰাজ্য আছিল সমৃদ্ধিশালী। চুতীয়াসকলৰ নিজস্ব ৰাজনৈতিক আৰু সামাজিক পদ্ধতি আছিল। ভাস্কৰ্য আৰু স্থাপত্য বিদ্যাত তেওঁবিলাক পাৰ্গত আছিল আৰু তেওঁবিলাকৰ নিজা লিপিও আছিল। প্ৰত্নতাত্বিক আৰু বুৰঞ্জীবিদ পণ্ডিতসকলৰ মতে আৰু মেজৰ হেনে চাহাবেও ১৮৪৮ খৃঃত এচিয়াতিক চচাইটি অব বেঙ্গল পত্ৰিকাৰ জুন মাহৰ সংখ্যাত ৪৬৮ পৃঃত লিখিছে— "আহোমসকল অহাৰ আগেয়ে কেৱল চুতীয়া ভাষাই লিখিত ভাষা আছিল।"

চুতীয়াসকল আছিল শক্তি উপাসক। মাতৃতান্ত্ৰিক এই চুতীয়াসকলৰ ভিতৰত জনাবুজা বিদ্বান আৰু শ্ৰেষ্ঠ বিলাকেই দেউৰী নাম লৈ গোঁসাই গোঁসানীৰ পূজাসেৱা চলাইছিল। দেউৰী শব্দ সংস্কৃত 'দেৱ-গৃহিকা" শব্দৰ পৰা হৈছে বুলি সংস্কৃতজ্ঞসকলে ক'ব খোজে।"[১] এই কথাও চিন্তনীয়। দেউৰী ভাষা চীন তিব্বত-বৰ্মী বিভাগৰ বৃহত্তৰ বড়ো ভাষাৰ অন্তৰ্গত সুৰ বিশিষ্ট এক ভাষা।

---

১ *দেউৰী শব্দৰ উৎপত্তি সম্বন্ধে এই গ্ৰন্থৰ প্ৰথম (ইতিহাস) খণ্ডত আলোচনা কৰা হৈছে।*

এতিয়াও অসমৰ সকলো মঠ মন্দিৰতে দেউৰী শব্দটোৰ প্ৰচলন আছে।

"১৯০১ চনৰ লোকপিয়লত দেউৰীসকলৰ প্ৰাচীন বসতি শদিয়াৰ পূবত থকা কুণ্ডিলপানী নৈৰ পাৰ বুলি উল্লেখ কৰা হৈছে। ১৮৩৭ চনত ব্ৰাউন চাহাবে লিখা "দেউৰী চুতীয়া ব্যাকৰণ"ত কোৱা হৈছে যে শদিয়াৰ সিপাৰে দেউৰীবিলাকৰ বাসস্থান আছিল। প্ৰায় এক শতিকাৰ আগতে তেওঁবিলাক তাৰ পৰা বৰ্তমান থকা ঠাইলৈ আহে আৰু কিছুমান এতিয়াও ধৰ্ম সংক্ৰান্ত বিষয়ত শদিয়ালৈ অহা যোৱা কৰে।

বৰ্তমান শদিয়াৰ অলপ দূৰতে দিকৰাই দিক্ৰুপানী বা দিকৰ নদী। এই দিকৰ নদীৰ পাৰতবাসকৰা দেৱীৰ নামহে দিকৰ বাসিনী। দিকৰ নদী প্ৰাচীন কামৰূপৰ সীমা আছিল — "কৰতোয়াং সমাৰভ্য যাবদ্ দিক্কৰ বাসিনীম্।" যোগিনী তন্ত্ৰ মতে প্ৰাচীন কামৰূপৰ সীমা নিৰ্ণয় হৈছিল পশ্চিমে কৰতোৱা, পূবে দিক্কৰ বাসিনী, উত্তৰে হিমালয়, দক্ষিণে সাগৰ। বৰ্তমান অসম আৰু তেতিয়াৰ কামৰূপৰ পূব সীমাত আবৰ, মিচিমি পৰ্বত মালাৰ সৌন্দৰ্য যেনেকৈ অপৰূপ আছিল ই তেনেকৈ দুৰ্গম। এই দুশাৰী দুৰ্গম পৰ্বতৰ ওপৰতে তিব্বত দেশ।

কুণ্ডিল পানী নৈ য'ত বৈ আছে তাৰে পাৰতে আছিল পুৰণি বিদৰ্ভ ৰাজ্যৰ ৰাজধানী কুণ্ডিল নগৰ। তাতে ৰাজত্ব কৰিছিল ভীষ্মক ৰজাই আৰু ভীষ্মক কন্যা ৰুক্মিণীক শ্ৰীকৃষ্ণই বিবাহ কৰাইছিল বুলি কিম্বদন্তী আছে।

দেউৰীসকলৰ বিশ্বাসত জগতৰ অসীম মহা শক্তিৰ প্ৰতীক সৃষ্টি শক্তিৰ মূল পুৰুষ প্ৰকৃতি হ'ল কুণ্ডি-মামা। কুণ্ডি পুৰুষ, মামা প্ৰকৃতি। কুণ্ডি-মামাৰে অন্য নাম গিৰা-গিৰাচী, বা বুঢ়া-বুঢ়ী অথবা শিৱ-শক্তি। উল্লেখযোগ্য যে কছাৰীসকলৰো উপাস্য মূল দেৱ-দেৱী। (কুণ্ডি-মামা)

কুণ্ডি-মামাৰে বৰ পুত্ৰ পিশাডেমা বা বলিয়া বাবা। কন্যা হ'ল পিশাদেমা; বৰজীয়েক তথা তাম্ৰেশ্বৰী। সৰ্বতো প্ৰকাৰৰ শৌৰ্য, বীৰ্য, ঐশ্বৰ্য বিভূতি, দীৰ্ঘায়ু, সুস্থতা পাবৰ কাৰণে, অপমৃত্যু, ভয়, ব্যাধি ৰোধ হ'বৰ অৰ্থে চুতীয়া দেউৰীসকলে শক্তিপূজা অনাদি কালৰে পৰা কৰি আহিছে বুলি কয়। দেউৰীসকলৰ তিনিটা খেল— দিবঙীয়া খেলে কুণ্ডিমামাক, টেঙাপনীয়া খেলে বলিয়া বাবাক, আৰু বৰগঞা খেলে তাম্ৰেশ্বৰী মাতৃক বেলেগে বেলেগে তিনিখন দেবালয়ত পূজা কৰে। লগতে পাটৰ শালো এক দেবালয়। এই দেবালয় কেইখনিত মূৰ্তিত পূজা নহয়। চন্দ্ৰতাপ তৰা পীঠতহে পূজা হয়।

উল্লেখযোগ্য যে দেউৰীসকলে প্ৰকৃত পূজালৈ সাতদিনমান থকাৰ পৰা মন্ত্ৰ পাঠৰ দ্বাৰা দেৱী জাগৰণ আৰু আহ্বান কৰে। এই নিয়ম এতিয়াও প্ৰচলিত হৈ আছে। আগতে আটাইকেইখন দেবালয়ৰ পুৰোহিত গোট খাই পাটৰ শালত একে লগে দেৱ-দেৱীৰ জাগৰণ আৰু নিয়ন্ত্ৰণ কাৰ্য সম্পাদন কৰিছিল।

বহাগ বিহুৰ সময়ত দেবালয়ত যি পূজা উৎসৱ হয় তেতিয়া দেও নমাই আনিবৰ কাৰণে তাত আবৰৰ নাম গোৱা হয়। সেই আবৰৰ নামত স্থানীয় বিশ্বাস স্পষ্ট হৈ উঠিছে।

গোৰতে*১ গোৰোহা, হাজোত কঁকালি
পাট শদিয়াত মূৰে কিনা,
সদায় বিৰাজে সতীৰ পবিত্ৰ
চৰণ কমল তাতে কিনা।
শদিয়া ৰাজ্যতে চাৰিশাল গোঁসানী
দেউৰীয়ে সদা পূজে কিনা।

পাট শদিয়াত মূৰ তথা দেবীৰ মস্তক পতিত হৈছিল বুলি বিশ্বাস কৰা হয়, যেতিয়া

চক্ৰেন বিষ্ণুনা ছিন্ন দেব্যা অবয়া বস্তুতে
নিলেতু ধৰণৌ বিপ্ৰ সা সা পুণ্যতৰা ক্ষিতিঃ
ক্বচিৎ পাদৌ ক্বচিদ্ জঙ্ঘে ক্বচিদ জিহ্বা ক্বচিন্মুখম্,
ক্বচিৎ স্তনৌ, ক্বচিদ্বক্ষঃ ক্বচিদ্বাহু ক্বচিৎ কৰৌ
ক্বচিৎ পাৰ্শ্বে, ক্বচিদ যোনিঃ পপাত শিব মস্তকাৎ।

— বৃহৰ্ধম্ পুৰাণ-মধ্যখণ্ড।

পূৰ্বে কামাখ্য বুলি খ্যাত এই কেচাইখাতী দেবালয় সম্পৰ্কত স্থানীয় লোকৰ মাজত আৰু প্ৰবাদ আছে যে এই দেবালয়ত কামাখ্যাৰ দৰেই যোনি পূজা প্ৰচলন হৈ আহিছে। কোনো কোনো কিম্বদন্তীমতে ১২০৪ খ্ৰীঃত*২ চুতীয়া ৰাজ্য স্থাপন হোৱাৰ পূৰ্বে কছাৰীসকলে সেই ঠাইত ৰাজত্ব কৰি কেচাইখাতী গোঁসানীৰ পূজা কৰিছিল। কিন্তু চুতীয়াতকৈ কছাৰীৰ ৰাজ্য ভোগ কৰা কথাটো আগ বুলি দেউৰীসকলে স্বীকাৰ নকৰে। শদিয়াৰ পৰা দহমাইল উত্তৰে ডিব্ৰাং আৰু দেওপানী নৈৰ সঙ্গম স্থলত তৰাণি নামে নিৰ্জন হাবিত অবস্থিত বুঢ়া-বুঢ়ী মন্দিৰ এটি আছে। এই মন্দিৰক গিৰা-গিৰাচীৰ মন্দিৰ বুলি কোৱা হয়। গিৰা-গিৰাচী নামেৰে কছাৰীসকলে শিৱ-শক্তিকে পূজা কৰে। গিৰা-গিৰাচী শব্দ দুটা চুতীয়াসকলেও বুঢ়া-বুঢ়ী বুজোৱা অৰ্থত ব্যৱহাৰ কৰে। সেইফালৰ পৰা কেচাইখাতী গোঁসানী থকা অঞ্চল ৰাজ্যভোগত আগপাচ হ'লেও কছাৰী আৰু চুতীয়া উভয়ৰে সম্মিলিত স্থান আছিল বুলি ক'ব পাৰি।

জন-বিশ্বাসমতে দেৱীয়ে কেচাই তেজ খায়, কেচাই বলি লয়; সেয়ে তেওঁৰ নাম কেচাইখাতী, কাঁচাখাতী।*৩

দেউৰীসকলৰ মতে ৰজাই শক্তি পূজা নকৰিলে দেশত বিঘিনি ঘটে। দেশৰ মংগলৰ কাৰণে কেচাইখাতী দেবী পূজাত নৰবলি দি সমূহৰ কল্যাণ কামনা কৰা হৈছিল। নৰবলিয়ে সুখ শান্তি সমৃদ্ধি অনাৰ দৃঢ় বিশ্বাস ভাৰতৰ বিভিন্ন স্থানৰ আদিম সম্প্ৰদায়ৰ মাজত আছিল। উৰিষ্যাৰ মৰিয়াসকল, অসমৰ নগাসকলৰ মাজতো এই বিশ্বাস থকাৰ

---

*১ গোৰ — গৌৰদেশ — লিখক।*

*২ চুতীয়াৰ বীৰপাল বংশৰ ৰাজ্য স্থাপন ১১৯৮ খৃঃতহে ১২০৪ খৃঃত নহয়— লিখক।*

*৩ প্ৰকৃতত খাচী "কা-কৃচিক-জাকা"-সন্ততিস্থান শব্দৰ পৰাহে এই শব্দ অপভ্ৰংশ বা আৰ্যীয় বচন।*

প্ৰমাণ স্পষ্ট। এইক্ষেত্ৰত আমি চুতীয়াৰ মাজত ভাৰতত আদিম প্ৰটো-অষ্ট্ৰলয়ড় জন বিশ্বাসৰ প্ৰভাব দেখিবলৈ পাওঁ।

নৰবলিৰ বাহিৰেও হাতী, ঘোঁৰা, ম'হ, ছাগলী, গাহৰী, কুকুৰা, হাঁহ, পাৰ, কেকোৰা, মাছ, কোমোৰা, কচু, কুঁহিয়াৰ আদি সকলো বলিৰূপে গণ্য হৈছিল। মাইকী মানুহ আৰু কুকুৰ অৱশ্যে বলিৰ অন্তৰ্ভুক্ত নহয়।

যোল শতিকাৰ আদিতেই চুতীয়া ৰাজ্য আহোমৰ হাতলৈ যোৱাৰ পাছত চুতীয়া ৰজাই বছৰি চলাই অহা ৰীতি অনুসৰি বছৰেকীয়া পূজা উৎসৱত বলি দিয়া নিয়ম প্ৰবৰ্তাইছিল। স্বৰ্গদেউসকলেও দেউৰী পূজাৰীৰ নিৰ্দেশ আৰু পৰামৰ্শ ক্ৰমে চুতীয়া ৰজাসকলৰ পৰম্পৰাগত ভাবে চলি অহা বিধি বিধান ৰীতি-নীতি আদিকে বাহাল ৰাখিছিল। বহাগ বিহুৰ পূজা উৎসৱত বছৰি একোটা নৰবলি দিয়া বাবে এই মন্দিৰ বিখ্যাত আছিল। স্বৰ্গদেউসকলে এই পূজা উৎসৱত ৰাজভঁৰালৰ পৰা প্ৰচুৰ অৰ্থ ব্যয় কৰিছিল। সেইবুলি যাকে তাকে বলি দিয়া নহৈছিল। বলি পতা ডেকাজনৰ গাত কিছুমান বিশেষ গুণ থাকিব লাগিব। তেনে গুণ নেথাকিলে বলিৰ অনুপযুক্ত বুলি বলি দিব নোৱাৰিছিল। গাত ঘূণ নলগা, বিয়া নকৰোৱা, চফল 'ষাড়'ৰ ঘৰৰ ডেকাহে বলিৰ যোগ্য বুলি বাচনিত উঠিছিল। কিন্তু কণীয়া, জাৰজ, পয়ালগা, কুকুৰ, শিয়াল, সাপ, আদিয়ে কামোৰা, অঙ্গ ক্ষত থকা, বসন্তৰ দাগ থকা, কাণ বিন্ধোৱা, উচ্ছিষ্ট আৰু অখাদ্য ভক্ষণ কৰা, 'ষাড়'ৰ বংশজাত ডেকা হ'লেও অনুপযুক্ত বুলি বলিলৈ গ্ৰহণ কৰা নহৈছিল। আনকি চুলি পৰ্যন্ত কাটিব নোৱাৰিছিল। এনেকুৱা নিখুঁত, নিপোটল, পৰিপুষ্ট দেহযুক্ত, চফল পুৰুষহে দেৱতাৰ প্ৰীতিযুক্ত বুলি পৰিগণিত হৈছিল। বামুণ আৰু ৰাজবংশৰ মানুহে বলিৰ পৰা অব্যাহতি পাইছিল। ডোমসকল, হাৰীসকল, আৰু মুছলমানসকলকো বলিৰ অন্তৰ্গত কৰা নহৈছিল। (Brahmins and members of royal family were exempted as a privilege. Doms, Haris and Musalmans were excluded— Delton) দেউৰী পুৰোহিতৰ বাহিৰে সৰ্বসাধাৰণৰ এই মন্দিৰত প্ৰৱেশাধিকাৰ যে নাছিলেই ৰজা আৰু ব্ৰাহ্মণসকলৰো তাত অধিকাৰ নাছিল। এই নিয়ম আজিও অব্যাহত।

বলি দিব খোজা ডেকাজনে পূজাৰ সাতদিনমান আগৰেপৰা নিজে বলিৰূপে মন্দিৰলৈ গৈ গোসানীক গা দেখুৱাই তাতে থাকিবলৈ লৈছিল বুলি প্ৰবাদ আছে। বলেৰে ধৰি নিয়াৰ নিয়ম নাছিল পৰিয়ালসকলে ৰককাহ ৰজাই সকলোকে এই বাতৰি জনাই দিছিল। তেতিয়াৰপৰা তেওঁক নিৰ্ধাৰিত দিনলৈকে মন্দিৰৰ আচুতীয়া বেলেগ ঘৰত থৈছিল। মন্দিৰৰ বিষয়ববীয়া আৰু পৰীয়াই পূৰ্বাপৰ নিয়ম অনুযায়ী দৈনিক মাহ-হালধিৰে নোৱাই-ধোৱাই সন্তোষেৰে ৰাখিছিল। সেই কেইদিনত তেওঁ একোকে নেখাইছিল। কিন্তু খাবলৈ ইচ্ছা কৰিলে ভোগ, মাহ-প্ৰসাদৰ বাহিৰে একো দিয়া নিয়ম নাছিল। বলি দিবলৈ ৰচা ডেকাটিক দুদিনমান বেলেগে মন্দিৰত ৰাখি ভালকৈ খোৱাই-বোৱাই নিপোটল কৰা কথা দেউৰীলোকে নকয়।

তেওঁ প্ৰিয়জনক চাবলৈ বা কোনো আত্মীয়লোকৰ লগত কথা পাতিবলৈ হেঁপাহ কৰিলে সেইজনক তৎক্ষণাৎ অনাই দিয়া হৈছিল। ৰজায়ো ইয়াৰ অন্যথা কৰিব নোৱাৰিছিল।

পূজাৰ নিৰ্ধাৰিত দিনা নিৰ্দিষ্ট সময়ত বলি প্ৰাৰ্থী ডেকাজনক নোৱাই-ধোৱাই নতুন মূল্যবান সাজ-পাৰ, সোণ-ৰূপৰ অলঙ্কাৰ, মুকুট, কপালী আদি পিন্ধাই উৰাই ৰজা, প্ৰজাসকলোকে দেখুওৱা হৈছিল। তেতিয়া নানা বাদ্যাদি ধ্বনি কৰা হৈছিল। উপস্থিত ৰাইজৰ তুমুল হৰ্ষধ্বনিৰ মাজত মুখ্য পুৰোহিত বৰদেউৰীয়ে দেৱীৰ আগত বলি উচৰ্গা কৰিছিল। বৰ ভৰালীয়ে বলিক মন্দিৰৰ বাহিৰত থকা এটা কুণ্ডলৈ লুকুৱাই লৈ গৈছিল। তালৈ আন মানুহক যাবলৈ দিয়া নহৈছিল। তাত তেওঁ বলিৰ গাত থকা অলংকাৰপাতি খহাই দিছিল। পিছতহে নৰবলি দিয়া পুৰোহিতে বলি দিছিল। সেই মুহূৰ্ত্তটোৰ অতিশয় গাম্ভীৰ্য বঢ়াবলৈ বৰটোপ আৰু হিলৈৰ শব্দ কৰা হৈছিল। বলিৰ গাটো গংগা প্ৰৱাহিত কুণ্ডত পৰে আৰু মূৰটো তাতে থাকে। পূজাৰ সমানে স্তুতি পাঠৰ সময়ত শংখ, ঘণ্টাদি ধ্বনি কৰাৰ লগে লগে মূৰটো আপোনা আপুনি কুণ্ডত পৰেগৈ; আৰু তাতে বলিটো লুপ্ত হয়। (দেউৰী সংস্কৃতি— ডম্বৰুধৰ দেউৰী— পৃঃ ৬৮, ৬৯, ৭০)।

এই নৰবলি প্ৰথা স্বৰ্গদেউ গৌৰীনাথ সিংহই ওঠৰ শতিকাত (১৭৮০-৯৪ খ্ৰীঃ) বন্ধ কৰে। দেউৰীসকলে বিশ্বাস কৰে যে তাম্ৰেশ্বৰী মন্দিৰত মানুহ বলি দিবলৈ এৰা বাবেই আহোম ৰাজ্যৰ পতন হ'ল।

আগতেই উল্লেখ কৰা হৈছে— এই দেৱী কেঁচাইখাতীয়ে তীক্ষ্ণদন্তা ৰূপে কালিকা পুৰাণত প্ৰসিদ্ধি লাভ কৰিছে।

দেৱী কেঁচাইখাতীৰ তীক্ষ্ণক্ৰোধৰ পৰা ৰক্ষা পাবলৈ, তেওঁৰ কৃপাৰ ছত্ৰছায়া পাবৰ কাৰণে দূৰ-দূৰণিৰ হেজাৰ-বিজাৰ যাত্ৰীৰ সমাগম হৈছিল। পূজা উৎসৱৰ অন্যতম আকৰ্ষণীয় আৰু অবিচ্ছেদ্য অংগ হৈছে দেওধনীৰ দৈৱবাণী আৰু বলি কটা তীক্ষ্ণ অস্ত্ৰৰ ওপৰত নৃত্য প্ৰদৰ্শন কৰা। দেশৰ বা ব্যক্তিগত জীৱনৰ অপায় অমঙ্গল খণ্ডন হ'বৰ কাৰণে উপায় বিচাৰি, ভূত-ভৱিষ্যতৰ কথা সুধিবৰ কাৰণে, ইপ্সিত ফল লাভৰ আশাৰে, কেঁচাইখাতী গোসানীৰ বছৰেকীয়া পূজা উৎসৱলৈ অশেষ যাত্ৰী গৈছিল।"[১]

চুতীয়াসকলে এতিয়াও চৈখোৱাৰ আইথান, তাম্ৰেশ্বৰী শাল বা কেঁচাইখাতী শাল, বলিয়া বাবাৰ শাল (টেঙাপানী নদীৰ পাৰত পুৰুষ শক্তিক প্ৰাধান্য দি পূজা কৰা হয়), দিবাং নদীৰ পাৰত বুঢ়া-বুঢ়ীৰ শাল বা থানত (পুৰুষ-স্ত্ৰী দুই শক্তি), লোহিত নদীৰ পাৰত পাতৰ শালত (সকলো শক্তিৰ মিলন থান), দেউৰী পূজাৰীৰ দ্বাৰা পূজা দিয়ে।

যি মাহত যি পূজা হয়— সেই মাহৰ প্ৰথম বুধবাৰটোতে পূজাবোৰ কৰা হয়। আইথানৰ পূজাত বহাগৰ প্ৰথম বুধবাৰে বহাগ বিহু পূজা, কাতি মাহৰ প্ৰথম বুধবাৰে কাতি বিহুৰ কোমোৱা পূজা, মাঘ মাহৰ প্ৰথম বুধবাৰে মাঘ বিহু পূজা আৰু আঘোণ মাহৰ শেষৰ দেওবাৰে ৰাজহুৱা পূজা হয়। শদিয়াৰ পৰা দেউৰী পূজাৰী আনি পূজা কৰা

---

১ *দেৱী— ডঃ নিৰ্মলপ্ৰভা বৰদলৈ— পৃঃ ২১৬-২২২।*

হয়। অন্য দিনত দেৱালয়ৰ দুৱাৰ বন্ধ থাকে।

মণিকূটৰ ভিতৰত উত্তৰ-দক্ষিণ মুৱাকৈ ডেৰ ফুটমানৰ আয়তাকাৰ এক বেদীৰ ওপৰত প্ৰকৃতিয়ে নিজে গঢ়া তিনিটা বিগ্ৰহ থাকে। বেদীৰ চাৰিওফালে কাহুৰ আঙুলিৰ চিন অঁকা থাকে। শালখনত সোণ, ৰূপ আৰু তামৰ ফুল থাকে; দুই তিনিখন বলি কটা দা, তিনিযোৰা তামৰ কোশা-অৰ্ঘা, এখন কাহৰ, তিনিখন তামৰ থাল, শঙ্খ তিনিটা, তামৰ কলচি তিনিটা, মিঠা তেলৰ চাকি তিনিটা আৰু তিনিটা ঘণ্টা থাকে।

পূজাৰ দিনা শদিয়াৰপৰা দুজন দেউৰী আহি মণিকূটৰ দুৱাৰ খুলি পূজাৰ কাম কৰে। এওঁলোকৰ বাদে আৰু দুজন দেউৰী আৰু সহায় কৰিবলৈ চাৰিজন; মুঠ আঠজন দেউৰী থাকে। তেওঁলোকে মণিকূটৰ ভিতৰত সোমাব পাৰে।

পুৱাৰ ভাগত কেঁচা পূজা হয়। অৰ্থাৎ ইয়াৰ নৈবেদ্য কেঁচা; কল, কুঁহিয়াৰ, নাৰিকল ইত্যাদি। গাখীৰ, ঘিউ, মৌ আদি ব্যৱহাৰ নহয়। এইবোৰক কেঁচা বুলি ধৰা নহয়। সৎফুল অপৰিহাৰ্য। চুতীয়াসকলৰ এই কেঁচা পূজা অৰ্থাৎ মাহ-প্ৰসাদ, কল-কুঁহিয়াৰ, নাৰিকল আদি নৈবেদ্যৰ পূজা পৰম্পৰাগত আৰু সুদূৰ অতীতৰ পৰা প্ৰচলিত নাম প্ৰসঙ্গত কেঁচা প্ৰসাদৰ ব্যৱহাৰ বৰ্তমানৰ নাম প্ৰসঙ্গত এই পৰম্পৰাৰেই প্ৰভাৱ বুলি অনুমান কৰিব পাৰি।

কেঁচা পূজাৰ অন্তত সিজোৱা বা পকা বস্তুৰ পূজা হয়। ইয়াৰ উপকৰণ পাৰৰ মাংস, হাঁহ, চাউল, মাটিমাহ, ঘৃণ নলগা পঠা ছাগলী। কাতি মাহৰ কোমোৰা পূজাতো নিঘূণী কোমোৰাহে ব্যৱহাৰ কৰা হয়।

পূজাৰ বাবে শুদ্ধ বগাফুল আৱশ্যকীয়। পঠা ছাগলীৰ পিৰা এটা, কলিজা, আমঠু, জালুক, মা-মচলা, নিমখ নিদিয়াকৈ সিজাই শঙ্খ-ঘণ্টা বজাই মন্ত্ৰপাঠ কৰি আগবঢ়াই দিয়া হয়; ঘৰুৱা মদহে ব্যৱহাৰ কৰা হয়।

পূজা অৰ্চণা কৰাৰ পাচত ভক্তসকলে গ্ৰহণ কৰে।"[১]

সুদূৰ অতীতত চুতীয়াসকলে কেতিয়াবা নিয়মিতভাৱে আৰু সামূহিকভাৱে হিন্দুধৰ্ম গ্ৰহণ কৰিছিল বুলি জনা নেযায়। পাছত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে স্থাপন কৰা সত্ৰসমূহৰপৰা হিন্দুধৰ্ম গ্ৰহণ কৰাসকলক "হিন্দু-চুতীয়া" বুলি আখ্যা দিয়াৰ পৰা তেওঁলোকে অতীতত নিয়মিতভাৱে হিন্দুধৰ্ম গ্ৰহণ নকৰা বুলিহে ধৰিব পাৰি। তাৰ পৰিবৰ্তে তেওঁলোকে দেউৰী পূজাৰীসকলৰ দ্বাৰা পূজাৰ কাম সম্পাদন কৰাৰপৰা তেওঁলোকে নিজ আদ্য ধৰ্মহে ৰক্ষা কৰি আহিছিল বুলি অনুমান কৰিব পাৰি।

সঃ চুঃজাঃ সন্মিলনৰ ২৩ তম্ (কমাৰবন্ধা) অধিবেশনৰ স্মৃতিগ্ৰন্থৰ এটা প্ৰবন্ধত শ্ৰীললিত চুতীয়া এম,এ,বি,টি, দেৱে লিখিছে— "এচাম জনজাতীয় লোকে হিন্দুধৰ্মত দীক্ষিত হোৱাৰ পাছত কোঁচ হোৱাৰ দৰে চুতীয়াসকল আনুষ্ঠানিকভাৱে হিন্দু হোৱাৰ কোনো উল্লেখ নাই।"

---

১ *সঃচুঃজাঃ সন্মিলনৰ ২৩তম, (কমাৰ বন্ধা) অধিৱেশনৰ স্মৃতিগ্ৰন্থত – শ্ৰীকনীন্দ্ৰ নাথ চুতীয়াৰ প্ৰবন্ধৰ সহায়ত।*

চুতীয়াসকলৰ ৰাজ্য আহোমৰ হস্তগত হোৱাৰ পাছতো নিজ ধৰ্মৰ নিয়মমতে তাম্ৰেশ্বৰী মন্দিৰত দেউৰী পুৰোহিতসকলৰ দ্বাৰা নৰবলি দি পূজা কৰি থকাই প্ৰমাণ কৰে যে তেতিয়ালৈকে চুতীয়াসকলে সামূহিকভাৱে আৰু আনুষ্ঠানিকভাৱে হিন্দুধৰ্ম গ্ৰহণ কৰা নাছিল।

যোড়শ শতিকাত সমগ্ৰ অসম জুৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্লাৱনে আহোম চুতীয়া সকলোৱে মাজতো জাগৰণ অনা নাছিল বুলি ভাবিব নোৱাৰি। ইয়াৰ ফলত কিছু লোকে শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মত আৰু হিন্দুধৰ্ম, গ্ৰহণ কৰিছিল বুলি অনুমান কৰিব পাৰি। আৰু "হিন্দু চুতীয়া" শব্দটোও তেতিয়াৰ পৰাহে ব্যৱহাৰ হোৱা সম্ভৱ।

আহোম ৰজা প্ৰতাপসিংহ স্বৰ্গদেৱে (১৬০৩ খ্ৰীঃৰ পৰা ২৬৪১ খ্ৰীঃ) হিন্দুধৰ্ম গ্ৰহণ কৰিছিল। কিন্তু তেৰোঁ শক্তি মতহে অনুসৰণ কৰিছিল। তেওঁ বিশ্বনাথত শিৱ দৌল নিৰ্মাণ কৰাইছিল; আৰু ব্ৰাহ্মণক দেৱোত্তৰ আৰু ব্ৰাহ্মোত্তৰ মাটি দান কৰিছিল। কোঁচ ৰাজ্যৰ অনুকৰণত দেৱীৰ প্ৰতিমা সজাই দেৱী পূজা কৰিছিল।

স্বৰ্গদেউ গদাধৰ সিংহয়ো বৈষ্ণৱসকলক অত্যাচাৰহে কৰিছিল। কিন্তু তেওঁৰ পুত্ৰ ৰুদ্ৰসিংহই বৈষ্ণৱসকলৰ প্ৰতি সদায় ব্যৱহাৰ কৰিছিল; আৰু গোঁসাই মহন্তসকলক মাজুলীত নি স্থাপন কৰিছিল। মহাৰাজ ৰুদ্ৰসিংহই হিন্দুধৰ্মক ৰাজধৰ্ম কৰাত ৰজাৰ মনোৰঞ্জনাৰ্থে বহুতো চুতীয়া লোকেও হিন্দুধৰ্ম গ্ৰহণ কৰা সম্ভৱ।

কিন্তু ১৮২৬ খ্ৰীঃত আহোম ৰাজ্যও ইংৰাজৰ তললৈ যোৱাত বিভিন্ন জাতিসমূহৰ মাজত জাতিগত উচ্চ-নীচ ভাব প্ৰকটভাৱে দেখা দিয়া যেন অনুমান হয়। চুতীয়াসকলে নিজ ৰাজ্য হেৰুৱাৰ পাছত শাসক শ্ৰেণী আহোমসকলৰ দ্বাৰা সাধাৰণ শ্ৰেণীৰ চুতীয়াসকল উপেক্ষিত হৈছিল; কিন্তু ইংৰাজ শাসনৰ তলত আৰু আগতেও তথাকথিত উচ্চ শ্ৰেণীৰ হিন্দুসকলৰ দ্বাৰা ঘৃণিত আৰু অৱহেলিত হৈছিল। তেতিয়া তেওঁলোকৰ বহুতে কোনো বৈষ্ণৱ সত্ৰৰ অন্তৰ্ভুক্ত হৈ হিন্দুধৰ্মত নিয়মিতভাৱে বা আনুষ্ঠানিকভাৱে দীক্ষিত হৈ উচ্চ হিন্দুসকলৰ দৰে ধৰ্মীয় ৰীতি-নীতি গ্ৰহণ কৰি হিন্দু হোৱাত "হিন্দু-চুতীয়া" বুলি অভিহিত হৈছিল; আৰু তেওঁলোকে নিজকে উচ্চ শ্ৰেণীৰ হিন্দু হোৱা বুলি গণ্য কৰিছিল। তেতিয়াৰ পৰাই সেই হিন্দু-চুতীয়াসকলে অন্যসকলক অৰ্থাৎ যিসকলে তেতিয়াও আনুষ্ঠানিকভাৱে হিন্দুধৰ্ম গ্ৰহণ নকৰি পূৰ্বৰ দৰেই মদ, গাহৰি, কুকুৰা আদি ভক্ষণ কৰি আছিল আৰু সেই দ্ৰব্যসমূহ ধৰ্মীয় অনুষ্ঠানতো ব্যৱহাৰ কৰি থাকিল সেইসকল চুতীয়াক হীন ভাবি তেওঁলোকৰ পৰা আঁতৰি চলিছিল। সময়ত সেই অৱহেলিত বা নিজ জাতিৰ দ্বাৰাই নিন্দিত চুতীয়াসকলৰ বহুতে নিজকে প্ৰথমে আহোম-চুতীয়া বুলি আৰু পাছত আহোম বুলিয়ে পৰিচয় দিয়া হৈছিল। এয়া আছিল চুতীয়াসকলৰ অৱক্ষয়ৰ দ্বিতীয় পৰ্যায়। আহোম ৰজাই বিষয়বাব দি বা আহোম ৰজাই পাতি দিয়া খেলত অন্তৰ্ভুক্ত হোৱাৰ পাছত আহোম বুলিয়ে পৰিচয় দি শাসক শ্ৰেণীৰে মিলি গৈ শাসক শ্ৰেণীৰ মৰ্যাদা লাভ কৰিবলৈ কৰা

চেষ্টাতেই প্ৰথম পৰ্যায়ৰ অৱক্ষয় আৰম্ভ হৈছিল। চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পাছৰে পৰাই এইটো হৈছিল।

জগতবৰেণ্য মহান মনিষী মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰম্ভ হওঁতে হিন্দুধৰ্মৰ কলংক অস্পৃশ্যতা বৰ্জনৰ কাৰ্যসূচীয়ে হিন্দুসকলৰ ধৰ্মীয় চিন্তা ধাৰাতো এক নতুন জাগৰণ আনিছিল সঁচা; ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত আৰু সংবিধানত অস্পৃশ্যতা এক দণ্ডনীয় অপৰাধ বুলি গণ্য হোৱাত আৰু ৰাজনৈতিক অধিকাৰৰ পৰিপ্ৰেক্ষিতত শিক্ষিত আৰু আৰ্থিক ভাৱে উন্নতসকলৰ প্ৰতি তথাকথিত উচ্চশ্ৰেণীৰ লোকসকলে নগৰ অঞ্চলত এতিয়া দেখ দেখকৈ হীন ভাব নেদেখুৱালেও গ্ৰামাঞ্চলত সেইভাব নিৰ্মূল হোৱা নাই। আনহাতে সেই তথাকথিত উচ্চশ্ৰেণীৰ লোকসমূহ শাসনৰ উচ্চ স্থানত বা সুচল স্থানত আৰু সংখ্যাধিক্য হৈ থকাত স্বজন প্ৰীতি বা স্বজাতি প্ৰীতিৰ মাজেদি উচ্চশ্ৰেণীৰ লোকসকলে এতিয়াও সদায় সামাজিক ৰাজনৈতিক আৰু আৰ্থিক সুবিধা ভোগ কৰি আহিছে বা আৰ্থিক বা সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীসমূহ এতিয়াও অবহেলিত হৈয়ে আছে বুলি সকলোৰে গভীৰ ধাৰণা। আনুষ্ঠানিকভাৱে হিন্দুধৰ্ম গ্ৰহণ কৰক বা নকৰক আজি চুতীয়াসকলক হিন্দু বুলিয়ে গণ্য কৰা হয়। কিন্তু গ্ৰাম্য অঞ্চলৰ নিৰীহ, অশিক্ষিতসকলৰ প্ৰতি তথাকথিত উচ্চ হিন্দুসকলে এতিয়াও অস্পৃশ্যৰ দৰেই ব্যৱহাৰ কৰে। চুতীয়াসকলেও শিক্ষাৰ অভাৱত ইয়াৰ বিৰুদ্ধে মূৰদাঙি উঠিব পৰা নাই। অন্যহাতে কিছুমানে নিজৰ আত্ম পৰিচয় গোপন কৰি উচ্চশ্ৰেণীৰ হিন্দুসকলৰ কাষে কাষে থাকিয়ে আত্মতৃপ্তি অনুভৱ কৰা দেখা যায়।

বৰ্তমান মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ শাস্ত্ৰীয় মতসমূহ সত্ৰসমূহে নিয়মমতে পালন কৰা নাই বুলি আৰু সেই নীতি আৰু আদৰ্শসমূহ উচিত ভাৱে পালন কৰিবৰ চেষ্টাৰে সত্ৰসমূহৰ বাহিৰত "শংকৰসংঘ" প্ৰতিষ্ঠিত হৈছে আৰু সংঘৰ জৰিয়তে দীক্ষা আৰু শৰণ আদি দি একশৰণ নামধৰ্ম প্ৰচাৰৰ এক নতুন পদ্ধতি শংকৰসংঘৰ দ্বাৰা গ্ৰহণ কৰা হৈছে। সেইদৰে জন্ম-মৃত্যুৰ অশৌচ, শুদ্ধি আৰু শ্ৰাদ্ধ, বিবাহ আদি নাম-প্ৰসঙ্গৰ দ্বাৰাই সম্পন্ন কৰা হৈছে। গভীৰ অধ্যয়নশীল, আৰু শাস্ত্ৰজ্ঞ শ্ৰীযুত সোনাৰাম চুতীয়াদেৱ*[১] বহু বছৰ সংঘৰ সভাপতি বা পদাধিকাৰ থকাত বহু চুতীয়া লোকেও শংকৰসংঘ ভুক্ত হোৱাতো পৰিলক্ষিত হৈছে। মহাপুৰুষজনাৰ আদৰ্শৰে সমাজত উচ্চ-নীচ, ভেদাভেদ আঁতৰ কৰি একাত্মবোধ গঢ়ি তুলিবৰ চেষ্টা কৰাটো অতি উত্তম কথা। বৰ্তমান সামাজিকভাৱে পিছপৰা শ্ৰেণীসমূহক আগুৱাই নি সকলোৰে সমকক্ষ কৰা আৰু সকলোৰে মাজত আবেগিকভাৱে একাত্মবোধ গঢ়ি তোলাটোৱেই সমাজৰ প্ৰধান সমস্যা। কোৱা বাহুল্য যে আৰ্থিক আৰু শিক্ষাৰ অনগ্ৰসৰতা দূৰ নহ'লে, শাসনত উপযুক্ত আৰু দায়িত্বশীল প্ৰতিনিধিত্ব নেপালে ই কেতিয়াও সম্ভৱ নহয়।

---

১ *সোণাৰাম চুতীয়াক পাছত অসম চৰকাৰে শংকৰদেৱ বঁটাৰে সম্মানিত কৰিছে।*

# অন্যান্য ধৰ্মীয় অনুষ্ঠান

প্ৰকৃতিৰ ৰোষৰ পৰা ৰক্ষা পাবৰ আশাৰে বা উদ্দেশ্যৰে কোনো দেৱতাৰ নামত যিবোৰ অনুষ্ঠান পালন কৰা হয়, সেইবোৰকে আমি ধৰ্মীয় অনুষ্ঠান বুলি আখ্যা দিছোঁ। ইতিমধ্যে ধৰ্মৰ অধ্যায়তে মূল অনুষ্ঠানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ বাহিৰেও চুতীয়াসকলে ব্যক্তিগত বা সামূহিকভাৱে যিবোৰ অনুষ্ঠান পালন কৰে সেইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

চুতীয়াসকলৰ অন্যান্য ধৰ্মীয় অনুষ্ঠানৰ ভিতৰত গৃহস্থীসকলে ব্যক্তিগত ভাৱে গৃহত পালন কৰা অনুষ্ঠানসমূহ হ'ল-- প্ৰতি বছৰে বহাগ বিহুৰ সময়ত মৃতক আৰু পূৰ্বপুৰুষসকলৰ প্ৰতি শ্ৰদ্ধা আৰু সোঁৱৰণী হিচাপে পালন কৰা বিহু-সকাম, পিতৃ-মাতৃৰ মৃত্যু তিথিত কৰা বাৰ্ষিক মৃতকৰ সকাম বা শ্ৰাদ্ধ। পিতৃ-মাতৃ আদিক স্বপ্নত দেখিলে দিয়া মৃতকৰ জলপান, আই সকাম বা গোপিনী সবাহ, ওপৰৰ গোপিনী বা অপেছৰীৰ সকাম, ডাঙৰীয়াৰ সকাম, জল-ডাঙৰীয়াৰ সকাম, বা জলখাই চাউলখোৱা, সেৱা সকাম ইত্যাদি। সেইদৰে ৰাজহুৱা ভাৱে কৰা, বৰ সেৱা বা বৰসবাহ। দেউকুবেৰৰ সন্তুষ্টিৰ বাবে কৰা যজ্ঞ বৰ্তমান উৎসৱ হিচাপেহে পালন কৰা হয় সেইবাবে উৎসৱৰ ভিতৰত ধৰা হৈছে। বাকী অন্যান্য পূজা পাৰ্বন যিবোৰ কৰা হয় সেইবোৰ হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পাছত ব্ৰাহ্মণ, দৈৱজ্ঞ আৰু পুৰোহিতৰ নিৰ্দেশমতে কৰা বা বৈষ্ণৱমতে কৰা অনুষ্ঠান। সেইবোৰত চুতীয়া জাতিৰ জাতীয় বিশেষত্ব একো নাই, গতিকে সেইবোৰ ইয়াত উল্লেখ কৰা হোৱা নাই।

এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে চুতীয়াসকলৰ এই অনুষ্ঠানবোৰ বৰ্তমান যিসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পাচত হিন্দু-চুতীয়া নামে অভিহিত হৈ উচ্চ হিন্দুসকলৰ দৰে মদ, গাহৰি, কুকুৰা, শাল, শিঙি আদি ভক্ষণ নকৰি, উচ্চ হিন্দুসকলে পালন কৰা ধুতি-নীতিৰ নিয়মবোৰ কঠোৰ ভাৱে পালন কৰি কৰে তেওঁলোকে ধৰ্মীয় অনুষ্ঠানতো সেইবোৰ দ্ৰব্য ব্যৱহাৰ নকৰে; তেওঁলোকক কেঁচাপন্থী বুলি কোৱা হয় আৰু আনহাতে বাকী যিসকলে হিন্দুধৰ্ম গ্ৰহণ কৰি বা নকৰি নিজৰ আদ্যধৰ্মৰ নিয়মমতে ধৰ্মীয় অনুষ্ঠানবোৰত মদ, গাহৰি, কুকুৰা আদি উপকৰণ হিচাপে দিয়ে সেইসকলক পকাপন্থী বুলি কোৱা হয়। ভাগৱতী বৈষ্ণৱ ধৰ্ম আৰু সেই ধৰ্মৰ ধুতি-নীতি গ্ৰহণ কৰা আহোমসকলৰ মাজতো পকাপন্থী আৰু কেঁচাপন্থী আছে বা আছিল।

**বিহু-সকাম ঃ** চুতীয়া জাতিৰ সকলো লোকে প্ৰতি গৃহস্থিতে বহাগ বিহুত বিহু-সকাম পাতে। এই বিহু-সকাম হ'ল চুতীয়াসকলৰ পিতৃ পিতামহ আদি পূৰ্বপুৰুষসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱা অনুষ্ঠান। এই অনুষ্ঠানত গাঁৱৰ বয়সস্থসকলক নিমন্ত্ৰণ কৰা হয়।

গৃহস্থই ঘৰ-দুৱাৰ সুন্দৰকৈ মচি এটা কোঠাত কেঁচাপন্থীসকলে কোমল চাউল, দৈ বা এৰা গাখীৰ, চিৰা, গুৰ, সান্দহ আদি উপকৰণ মাজতে দিয়ে। এগছি বন্তি জ্বলাই ভকতসকলে চাৰিওফালে বহে। গৃহস্থই সেৱা লয়; ভকতসকলে আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত ভকতসকলৰ এজনে উপকৰণ ভাগ কৰি দিয়ে। খোৱাৰ পাছত ঘৰাঘৰি যায়।

সেইদৰে একে নিয়মে পকাপন্থীসকলে মদ আৰু মাংস বা মাছ উপকৰণ হিচাপে দিয়ে।

এয়াই অতীতৰ পৰা চলি অহা নিয়ম। বৰ্তমান ইয়াত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ নিয়ম সোমাইছে আৰু কেঁচাপন্থীসকলৰ বিহু সকামত কীৰ্তনৰ ঘোষা আদিৰে নামো লোৱা হয়। পকাপন্থীসকলৰ উপকৰণ অৰ্থাৎ মদ বা সাজ খোৱাৰ সময়ত দিয়া আৰু খোৱাৰ সময়ত গোৱা কিছুমান মৌখিক ভাৱে চলি অহা নাম আছে। সেইবোৰ দিওতাই গাই উচৰ্গা কৰে আৰু খাওতায়ো গাইহে গ্ৰহণ কৰে।

**গোপিনীসবাহ বা আইসকাম ঃ** গৃহস্থৰ কোনো ল'ৰা-ছোৱালীৰ অসুখ হ'লে আইৰ দোষ বুলি ভাবিলে বা মঙ্গলতীয়ে মঙ্গল চাই আইৰ দোষ বুলি ক'লে বা কোনো ল'ৰা-ছোৱালী বা ডাঙৰৰ আই ওলালে ঘৰত আইসকাম কৰা হয়। কোৱা বাহুল্য যে ঘৰত কাৰো অসুখ হ'লে ডাক্তৰৰ ওচৰলৈ যোৱাৰ আগতে মঙ্গলতীৰ ওচৰলৈ যোৱা হয়। মঙ্গলতীৰ নিৰ্দেশমতে যি দেৱতাৰ দোষ বুলি কোৱা হয় সেই দেৱতাৰ বাবে সকাম পাতে। বৰ্তমানেও গাঁও অঞ্চলত এই নিয়ম আছে; যদিও নগৰত বা শিক্ষিত সমাজত ডাক্তৰৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

আইসকাম পাতিবৰ বাবে গাঁৱৰ বৃদ্ধা আৰু বয়সীয়া তিৰোতাসকলক নিমন্ত্ৰণ কৰা হয়। সকামৰ প্ৰধান উপকৰণ হ'ল গাখীৰৰ পায়স, কেঁচা পিঠাগুৰিৰ মিঠৈ, কল, গুৰ।

কাপোৰ কানি ধুই, ঘৰ সুন্দৰকৈ মুচি, এটা কোঠাত নিমন্ত্ৰীত গোপিনীসকলক বহুওৱা হয়। গোপিনীসকলে কোঠাৰ চাৰিওফালে বহে; তাৰে এগৰাকীয়ে পায়স বান্ধে। তাৰ পাছত এগছি বন্তি জ্বলাই এখন আগলি কলপাতৰ ওপৰত ফুলেৰে সজাই তিনিখন বা পাঁচখন থুৰিয়া তামোল দিয়া হয়। পায়স আৰু আন সকলো উপকৰণ মাজতে ৰখা হয়। সকলোতকৈ বৃদ্ধা আৰু অভিজ্ঞ এগৰাকীয়ে পূব বা দক্ষিণফালে এখন শৰাইৰ ওপৰত ভগৱতী বা আইৰ বাবে আসন পাতে।

আসন পাতিবৰ বাবে কলপাতৰ ওপৰত এটা ডাঙৰ বটা বা শৰাই সেৱা-সংকাৰ কৰি থৈ সেই শৰাইৰ ওপৰত এখন নতুন ফুলাম গামোচাৰ ফুলটো সমুখলৈ ওলোমাই দি পাৰি দিয়া হয়। তাৰ ওপৰত পাট বা মুগাৰ মেখেলা, ৰিহা, চাদৰ সজোৱা হয়; তাৰ ওপৰত দুফালে দুপাত সোণ খতোৱা গামখাৰু ৰাখি মাজত সোণৰ মণি, ডুগডুগী বা বেনা এখন সমুখৰ ফালে ওলোমাই দিয়া হয়। গামখাৰুৰ কাষতে কাণৰ অলংকাৰো দিয়া হয়, আৰু অন্যান্য অলংকাৰ দি সজোৱা হয়। এই সকলোবোৰ আয়ে পিন্ধিছে বুলি বা পিন্ধিব বুলি ধৰা হয়। যিগৰাকী ল'ৰা-ছোৱালীৰ বাবে সকাম কৰা হয় তেওঁকো গোপিনীসকলৰ লগতে শৰাইৰ ওচৰত সুসজ্জিত আসনত ওখ বেদীত বহুৱা হয় আৰু তেওঁকে সাক্ষাৎ ভগৱতী বা আই বুলি গণ্য কৰা হয়।

এইদৰে সজোৱা শেষ হ'লে গৃহস্থৰ তিৰোতাগৰাকীয়ে সেৱা কৰি উচৰ্গা কৰে। গোপিনীসকলে স্তুতি প্ৰাৰ্থনা কৰি আইনাম গায়। এই আইনামবোৰ অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদ।

আইনাম গাই স্তুতি-মিনতি কৰাৰ পাছত উপকৰণ ভাগ কৰি সেৱা-সংকাৰ কৰি

এভাগ আগলি কলপাতৰ ওপৰত থুৰিয়া তামোলেৰে সৈতে যাৰ বাবে সকাম কৰা হয় তেওঁক অৰ্পণ কৰা হয়; আৰু লগতে আইৰ সন্তুষ্টিৰ বাবে স্তুতি-মিনতি কৰা হয়। সেই উপকৰণ আয়ে চুৱাৰ পাচতহে অন্য গোপিনীসকলে গ্ৰহণ কৰে।

সকামলৈ অহা সকলো তিৰোতাকে গোপিনী বুলি কোৱা হয়।

এই সকাম সাধাৰণতে দিনৰ ভাটিবেলা পতা হয়। শেষত আইৰ প্ৰতি সেৱা জনাই সকলো ঘৰা-ঘৰি যায়।

এই সকামত ফটিকা বা মদ আদিৰ ব্যৱহাৰ নাই। কিন্তু আই ওলোৱা গৰাকীৰ ইচ্ছা হ'লে ফটিকা বা কুকুৰাৰ মাংসও খাবলৈ দিয়া হয়। (সকামত নহয় অন্য সময়ত)

**ওপৰৰ গোপিনী বা অপেছৰীৰ সকাম ঃ** এই সকাম কেৱল কল, গুৰ, কেঁচা পিঠাগুৰি, এৰাগাখীৰ আদিৰে কৰা হয়।

ঘৰৰ কাপোৰ-কানি ধুই নিকা কৰাৰ পাছত মুচি-কাচি লোৱা ঘৰৰ আগচোতালত এই সকাম কৰা হয়। এই সকাম দিনৰ আগভাগত কৰা হয়। সকামলৈ পাটগাভৰু ছোৱালীকহে নিমন্ত্ৰণ কৰা হয়। অৱশ্যে দুই এগৰাকী বয়স্কা তিৰোতাকো নিমন্ত্ৰণ কৰা হয়।

গোপিনীসকল চোতালত মণ্ডলাকাৰে বহে। মাজত উপকৰণ ৰাখি চাকি জ্বলাই থুৰিয়া তামোল কলপাতৰ ওপৰত দিয়া হয়। যাৰ বাবে সকাম কৰা হয় তেওঁ সেৱা কৰে। বয়স্কা তিৰোতা গৰাকীয়ে আশীৰ্বাদ দিয়ে। আই সকামৰ দৰে আগলি কলপাতত ফুল, থুৰিয়া তামোল আৰু বন্তি ৰখা হয়। কিন্তু শৰাই পতা নহয়।

ওপৰৰ গোপিনীৰ দোষ লাগিছেনে নাই মঙ্গলতীয়ে মঙ্গল চাই কয় আৰু সকাম পাতিবলৈ নিৰ্দেশ দিলেই পাতে।

এই সকামতো সাজ বা ফটিকা আদিৰ ব্যৱহাৰ নাই।

**ডাঙৰীয়াৰ সকাম ঃ** প্ৰতি গাঁৱৰে ৰখীয়া এজন দেৱতা আছে বুলি জনসাধাৰণৰ বিশ্বাস। এওঁ ডাঙৰীয়া দেৱতা। তেওঁ গাঁৱৰ উপকাৰৰ বাহিৰে কাৰো অপকাৰ নকৰে। তেওঁ গোটেই গাঁওখনকে সকলো বিপদ-আপদৰ পৰা ৰক্ষা কৰি থাকে। সন্ধিয়াৰ পাছত বগা কাপোৰ পিন্ধা, মূৰত বগা পাগ মৰা আৰু হাতত এডাল দীঘল লাখুটি লৈ এজন অশৰীৰী দেৱতাই প্ৰতি ঘৰলৈকে পদূলি মুৰলৈ গৈ চাই ফুৰে; কাৰোবাৰ ঘৰত কিবা অপকাৰ হ'বৰ সম্ভাৱনা দেখিলে লাখুটি দালেৰে নঙলাত একোটা ডাঙৰ কোব মৰাও বহুতে শুনিবলৈ পায়। সেইদৰে লাখুটিৰে কোব মৰা শুনিলে সেই ঘৰৰ মানুহে সাৱধান হ'ব লাগে আৰু ডাঙৰীয়া দেৱতাৰ বাবে সকাম কৰে। ডাঙৰীয়া দেৱতা সন্তুষ্ট থাকিলে অন্য কোনো অপ-দেৱতাই অপকাৰ কৰিব নোৱাৰে বুলি সকলোৰে বিশ্বাস।

তেওঁ অশৰীৰী যদিও কেতিয়াবা জোনাক ৰাতি কোনোবা মানুহ বাহিৰ ওলালে বহু দূৰত তেওঁক ছায়াৰ দৰে দেখা পায়। গাঁৱৰ ওচৰত থকা সকলোতকৈ ডাঙৰ আৰু ওখ গছ জোপাত তেওঁ থাকে বুলি মানুহে ভাৱে আৰু সেইবাবে দোকমোকালিতে, দুপৰীয়া বা সন্ধিয়া, ভিনিমুনি বেলি, সৰু ল'ৰা-ছোৱালীক তালৈ যাবলৈ নিদিয়ে। সেই

গছৰ তললৈ গৈ কোনো ল'ৰা-ছোৱালীয়ে ভয় খালে বা ৰাতি দূৰত ডাঙৰীয়া দেৱতাক দেখিলে বা নঙলাত লাখুটিৰে কোব মৰাৰ শব্দ শুনিলে বা মঙ্গলতীয়ে মঙ্গল চাই ডাঙৰীয়াৰ দোষ বুলি ক'লে ডাঙৰীয়াৰ সকাম কৰে। গাঁৱত কোনো মাৰি মৰক হ'লেও ডাঙৰীয়া দেৱতা সন্তুষ্ট হৈ থাকিলে গাঁৱৰ কোনো ভয় নাই বুলি ভাবে।

ডাঙৰীয়া দেৱতাৰ সকামৰ উপকৰণ কেঁচা পিঠাগুৰি, কল আৰু এৱা গাখীৰ। পকাপন্থীসকলে সাজ বা ফটিকা আৰু মাছ, মাংস আদি দি পাতে। এই সকাম দিনৰ আগভাগতে পাতে।

গাঁৱত মাৰিমৰক হ'লে গাঁৱৰ মুখীয়ালজনে গোটেই গাঁও ঘূৰি চাৰিওসীমাত চাৰিটা খুটি মাৰি গাঁৱলৈ অন্য দেৱতা সোমাব নোৱৰাকৈ মন্ত্ৰেৰে গাঁও বান্ধে।

**জল-ডাঙৰীয়াৰ সকাম ঃ** কোনো মানুহে জলত দোষ লাগিছে বুলি ভাবিলে বা মঙ্গলতীয়ে চাই জলৰ দোষ লাগিছে বুলি ক'লে জল-ডাঙৰীয়াৰ সকাম পাতে।

সাধাৰণভাৱে এখন কলপটোৱাৰ এটা দোনাত এখন চাকি জ্বলাই তাত ফুল দি সেৱা কৰি উটাই দিয়ে।

অপৰাধ গুৰুতৰ বুলি ক'লে মঙ্গলতীৰ নিৰ্দেশমতে বগা চাউল বৰালী মাছেৰে ভকতক চাউল খোৱায়। অন্য বগা মাছ যেনে আৰি, চিতল হ'লেও হয়। এই সকামক "জলখাই চাউল খোৱা" বুলিও কয়।

হাত ভৰিত খজুৱতী হ'লে সাধাৰণতে জল-ডাঙৰীয়াৰ দোষ বুলি ভাবে।

**ভকতসেৱা ঃ** ওপৰোক্ত সকামবোৰৰ বাহিৰেও গৃহস্থিসকলে বছৰত একোবাৰ একোটা সেৱা সকাম পাতে। পকাপন্থীসকলে এই সকামত ফটিকা বা সাজ, গাহৰী, কুকুৰা, মাছ আদি দিয়ে। এয়া অতীতৰ নিয়ম। পাছত সাজ, গাহৰী, কুকুৰা আদি এৰাসকলে কেঁচা জলপান অৰ্থাৎ কোমলচাউল, গুৰ, দৈ আদি উপকৰণেৰে নাম হিচাপে পাতে। এয়া ভাগৱতী বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছৰ পৰিবৰ্তন।

ভকতসেৱাৰ মুখীয়ালজনক বা সকাম পৰিচালনা কৰাজনক সাধু বুলি কোৱা হয়। এই সকামৰো আগতে উল্লেখ কৰা ধৰণেৰে মৌখিক চলি অহা কিছুমান নাম আছে।

বৰ্তমান কেঁচাপন্থীসকলে এই সকাম নাম কীৰ্তন হিচাপে পালন কৰে।

**বৰসেৱা ঃ** প্ৰতি বছৰে বা প্ৰতি তিনি চাৰি বছৰৰ মূৰে মূৰে গাঁৱৰ সকলো ৰাইজ মিলি পথাৰত ৰভা দি এই সকাম পতা হয়। এই সকামৰ প্ৰধান উপকৰণ সাজ বা ফটিকা, আৰু মাংস। ভকতসেৱাৰ দৰেই অনুষ্ঠান কৰা হয়। মাত্ৰ ই সমূহীয়া; এয়ে পাৰ্থক্য।

বৰ্তমান কেঁচাপন্থীসকলে এই সকাম বৰসবাহ হিচাপে কেঁচা উপকৰণেৰে অৰ্থাৎ বুট, মগু, কল, কেঁচাপিঠাৰ মিঠৈ আদিৰে ৰাজহুৱা নাম-কীৰ্তন হিচাপে নামঘৰত পালন কৰে। তেওঁলোকে এই সকামক "বৰসবাহ" বুলি কয়।

পকাপন্থীসকলৰ এই সকামবোৰ পতাৰ নিয়মবোৰ পৰম্পৰাগত, কিন্তু কেঁচাপন্থীসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পাছতহে তেওঁলোকৰ গুৰুৰ নিৰ্দেশমতে এই সকামৰ নিয়মবোৰ পালন কৰে। কাৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত সেই পন্থা গ্ৰহণ কৰাৰ

পাছতহে চুতীয়াসকলে সাজ বা ফটিকা আৰু গাহৰী-কুকুৰা আদি বৰ্জন কৰিবলৈ লয়। গতিকে এই নিয়মবোৰ চুতীয়াসকলৰ মাজত পাছৰ যুগৰ।

**ভুৰ উটোৱা ঃ** প্ৰায় পঞ্চাছ যাঠী বছৰৰ আগলৈকে গাঁৱত ভুৰ উটোৱাৰ নিয়ম আছিল। নিচেই সৰুতে আমি নিজেই এইদৰে ভুৰ উটোৱা দেখিবলৈ পাইছিলোঁ।

গাঁৱত মাৰিমৰক হ'লে ভুৰ উটোৱাৰ নিয়ম। আগতে গাঁওবোৰত চিকিৎসাৰ বৰ প্ৰচলন নাছিল; সেইদৰে সুবিধাও নাছিল। গাঁও অঞ্চললৈ যোৱাৰ উপায়ো নাছিল। তেতিয়া গাঁৱত কোনো মাৰিমৰক হ'লে জনসাধাৰণে সেয়া গোঁসানীৰ খঙৰ বাবে হোৱা বুলিয়ে ভাবিছিল। গতিকে গোঁসানীক সেই গাঁও এৰি যাবৰ বাবে তুতি প্ৰাৰ্থনা কৰি ভুৰ উটাইছিল।

গাঁৱৰ মানুহে মিলি কোনো এঠাইত চাকি বন্তি জ্বলাই সেৱা সৎকাৰ কৰি কলপটোৱাৰ দোনাৰ দৰে কৰি সাতখলপীয়া নখলপীয়াকৈ আগৰ দিনৰ পালতৰা জাহাজৰ দৰে ভুৰ সাজে। ভুৰখন গড়গাঁৱৰ কাৰেংটোৰ দৰে হয়। তাৰ ওপৰত গোঁসানী বহিবৰ বাবে সুন্দৰকৈ এখন ৰঙা-বগা কাপোৰেৰে আসন পাতে। ফুল-সেন্দুৰ দি সজায়; এডাল লাঠীৰ ওপৰত এখন ৰঙা নিচান আৰি দিয়ে। সকলোৱে স্তুতি প্ৰাৰ্থনা আৰু সেৱা-সৎকাৰ কৰি গোঁসানীক তাতে বহুৱায় (কল্পনাতে) আৰু মূৰত কৰি নি নদীৰ সোঁতত এৰি দিয়ে। ভুৰখন পোনে পোনে উটি গ'লে গাঁৱৰ পৰা গোঁসানী যোৱা বুলি সকলোৱে বিশ্বাস কৰে। কেনেবাকৈ চাকনৈয়াত পাক খাই পুনৰ ঘূৰি থাকিলে বা কৰবাত লাগি নগ'লে কিবা দোষ লাগিছে বুলি পুনৰ স্তুতি প্ৰাৰ্থনা কৰে। এইদৰে ভুৰ উটাই দিয়া ল'ৰা-ছোৱালী আদিক চাবলৈ নিদিয়ে। কোনো ঠাইত ভুৰ গৈ ৰলে তাতে গৈ গোঁসানী ৰোৱা বুলি ভাবে।

নদীৰ উজনী ফালৰ পৰা কোনো ভুৰ উটি আহিলে নামনি ফালৰ মানুহে দেখিলে বুজিব পাৰে যে উজনীত ক'ৰবাত মাৰিমৰক, কলেৰা, বসন্ত আদি হৈছে। তেতিয়া ভাটি ফালৰ মানুহ সাৱধান হয় আৰু মাছ, গাখীৰ, যাতায়ত আদি বন্ধ কৰে। গোঁসানীৰ দোষ লাগিব বুলি ঘৰ-দুৱাৰ পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখাত জোৰ দিয়ে। নদীৰ পানী নেখায়।

বৰ্তমান ভুৰ উটোৱা নিয়ম নাই। কলেৰা, বসন্ত আদি হ'লে চৰকাৰক খবৰ দি প্ৰতিষেধক লয়। অৱশ্যে তাৰ আগতে গোঁসানীৰ বাবে টোপোলা এটা বান্ধি থয়। চৰকাৰী ডাক্তৰখানা বৰ্তমান বহু ওচৰ হোৱাত চৰকাৰী চিকিৎসাৰ প্ৰতি মানুহ সজাগ হৈছে।

অন্যান্য অনুষ্ঠানবিলাকৰ ক্ষেত্ৰত নগৰবাসী আৰু শিক্ষিত চামে প্ৰায়ে তেনে অনুষ্ঠানবোৰ পালন নকৰে। অৱশ্যে কিছু সকাম অপৰিহাৰ্য। এই সকাম পূৰ্ণ নীতি নিয়মেৰে পালন কৰিব নোৱাৰিলেও সাধাৰণভাৱে হ'লেও যেনে-তেনে কৰেই। কিন্তু গাঁৱৰ সমাজত এই সকলো অনুষ্ঠানেই এতিয়াও নিয়মমতে পালন কৰে।

এই লিখকৰ চাক্ষুস অভিজ্ঞতাৰ পৰাই ক'ব পাৰি যে ভিতৰুৱা অঞ্চলত চুতীয়াসকলৰ গাঁওবোৰত শিক্ষাৰ প্ৰচাৰ এতিয়াও পঞ্চাছ বছৰৰ আগৰ অৱস্থাই আছে

অৱশ্যে দুই এজনে হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা পাছ নকৰা নহয়। কিন্তু বিভিন্ন অসুবিধাত বুদ্ধিজীৱী শ্ৰেণীৰ লোকৰ ছাত্ৰসকলৰ লগত প্ৰতিযোগিতা কৰিব নোৱাৰি নিয়োগৰ কোনো সুবিধা নেপায়। শিক্ষাই তেওঁলোকৰ বাবে হতাশাহে আনিছে আৰু অশিক্ষিত পিতৃ-মাতৃক শিক্ষা, বিমুখ হোৱাৰহে প্ৰৰোচনা যোগাইছে। কোনো এজন শিক্ষিত যুৱকে যদি উন্নত নিয়োগৰ কোনো সুবিধা নেপায়, ক্ৰমে সংকুচিত হৈ অহা মাটিতে, কৌটিকলীয়া নাঙলটোতেই ধৰিবলগীয়া হয়; তেন্তে তেওঁলোকৰ প্ৰতি শিক্ষাই কি উৎসাহ যোগাব পাৰে?

## চুতীয়া জাতিৰ ঋতু উৎসৱ বিহু

এটা জাতিয়ে সামূহিকভাৱে যিবোৰ কাম কৰে, যেনেকৈ থাকে, খায়, পিন্ধে-উৰে, সেয়ে সেই জাতিৰ কৃষ্টি কিন্তু জাতিটোৰ হৰ্ষ-বিষাদ, বীৰত্ব, সৌন্দৰ্যবোধ, চিন্তাৰ সূক্ষ্মতা, গভীৰতা আৰু কাৰ্যৰ নৈপুণ্যতাৰ ইঙ্গিত আদি যিবোৰ অনুষ্ঠানৰ মাজেদি কলাসুলভভাৱে প্ৰকাশ পায় সেয়ে সংস্কৃতি। সংস্কৃতি প্ৰদৰ্শনে মানুহক কেৱল আনন্দকে নিদিয়ে ইয়াৰ মাজেদি জাতিটোৰ অতীত ঐতিহ্য আৰু বৰ্তমানক প্ৰকাশ কৰাৰ উপৰিও জাতিটোৰ বা সমগ্ৰ মানব জাতিৰ প্ৰতি ভৱিষ্যতৰ কাৰ্যপন্থা বা ল'ব লগা কাৰ্যপন্থাৰ উৎসাহ-উদ্দীপনা আৰু প্ৰেৰণাৰ ইঙ্গিত থাকে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক Dr. D.N. Majumder দেৱে লিখিছে— "Tailor was the first anthropologist to define and make extensive use of the term. He said that culture stands for the beliefs, ideas, customs, laws, morals, arts and other capabilities and skills acquired by man as a member of society. What is emphasized in this definition is that culture is a social heritage, it is the gift of society to an individual. Others including Malinoski have paraphraged this definition to point out that the social heritage may be said to consist of a material part and a non-material, intangible, imponderable part. Or to put it in other words, culture is a total way of life and the instruments mental, social and material of which this way is constituted. On the one hand we have social culture and on the other material culture. This view has been extended and yet put in a summarised form by Bidney who defines as the product of agrofacts (product of cultivation) and mentifacts (Language, religion, art and so on). (An introduction to social Anthropology — By Dr. D.N. Majumdar and T.N. Madan, Department of Anthropology, Lucknow University)."

এই সংস্কৃতিয়ে এটা জাতিৰ সকলো দিশৰ কলাসুলভ প্ৰকাশকে সামৰি লয় যদিও আমি এতিয়া সেইবিলাক অনুষ্ঠানৰ বিষয়েহে আলোচনা কৰিম, যিবোৰৰ মাজেদি প্ৰাকৃতিক আৰু মানসিক পৰিবৰ্তনৰ লগতে চুতীয়া জাতিৰ আনন্দ উল্লাস, হাঁহি-কান্দোনবোৰ গীত, বাদ্য, নৃত্য হৈছে আৰু আচৰণৰ মাজেদি আত্মপ্ৰকাশ কৰিছে। চুতীয়া জাতিৰ তেনে অনুষ্ঠানৰ প্ৰথম নামটোৱেই হ'ল বিহু।

কিন্তু বিহু আজি চুতীয়া জাতিৰ নিজস্ব অনুষ্ঠান হৈ থকা নাই; ইয়াৰ অভিব্যক্তি আৰু প্ৰকাশ ইমান হৃদয়স্পৰ্শী যে ই আজি বৃহত্তৰ অসমীয়া জাতিৰ হৃদয় স্পৰ্শ কৰি সকলোৰে অন্তৰ আনন্দোল্লাসেৰে ভৰপূৰ কৰিবলৈ সমৰ্থ হৈছে। এই বিহু উৎসৱৰ ৰজনজননিয়ে অসমৰ ইমূৰৰপৰা সিমূৰ পৰ্যন্ত ৰজনজনাই গৈ সকলোকে এক সুৰে এক তালে নাচিবলৈ প্ৰেৰণা যোগাইছে।

সেয়েহে বিহু আজি সমগ্ৰ অসমৰে লোক-সংস্কৃতিত পৰিণত হৈছে। বিহু প্ৰাকৃতিক পৰিৱৰ্তনৰ লগত মানুহৰ মানসিক পৰিৱৰ্তনৰ অভিব্যক্তিৰ এক স্বাক্ষৰ। প্ৰকৃতি আৰু জীৱনৰ প্ৰত্যেক পৰিৱৰ্তনকে চুতীয়াসকলে অতি আৱেগিকভাৱে আদৰণি জনাইছিল। এই আৱেগিক আদৰণিৰ নিদৰ্শনকে আমি বিহু উৎসৱৰ বিভিন্ন স্তৰৰ মাজেদি দেখিবলৈ পাওঁ।

বিহু তিনিটা; কাতি বিহু বা কঙালী বিহু, মাঘ বিহু বা ভোগালী বিহু আৰু বহাগ বিহু বা ৰঙালী বিহু। এই বিহুবোৰ সাধাৰণভাৱে সকলো অসমীয়াই পালন কৰে। আনকি সংক্ৰান্তি হিচাপে গোটেই ভাৰতবৰ্ষতে ইয়াক পালন কৰা হয়। কিন্তু চুতীয়াসকলে এই বিহুবোৰ পালন কৰাত কিছু পাৰ্থক্য বা ভিন্নতা আছে। এই বিহুবোৰৰ মাজেদি চুতীয়াসকলে প্ৰকৃতিৰ লগত আৱেগিকভাৱে একীভূত হৈ যায়। বিহু প্ৰকৃতাৰ্থত চুতীয়াসকলৰ লোক-সংস্কৃতি।

কেউটা বিহুৰেই যে বিভিন্ন ঋতুত প্ৰকৃতিৰ পৰিবৰ্তন আৰু কৃষিজীৱী সমাজৰ কৃষিৰ লগত সম্বন্ধ আছে সেইটো সহজে অনুমান কৰিব পাৰি। অৱশ্যে অতীতত ধৰ্ম আৰু সামাজিক অনুষ্ঠানৰ মাজত কোনো পাৰ্থক্য নাছিল। কিয়নো সেয়া আছিল আদ্যধৰ্ম। চুতীয়াসকলৰ সেই আদ্যধৰ্মৰ সকলো অনুষ্ঠান বুঢ়া-বুঢ়ী বা শিৱ আৰু গোসানীক সন্তুষ্ট কৰিবৰ বাবেহে কৰা হৈছিল। পাছত আৰ্য সংস্কৃতি বা ব্ৰাহ্মণ্য সংস্কৃতিৰ প্ৰভাৱত এই অনুষ্ঠানবোৰ পালন কৰাত সময় আৰু নীতি-নিয়মত কিছু পৰিৱৰ্তন সোমাইছে।

কিন্তু অলপ মন কৰিলেই বুজিব পাৰি যে এই বিহুবোৰ কৃষিভিত্তিক উৎসৱহে। অসমৰ বিহু তিনিটালৈ লক্ষ্য কৰিলেই দেখা যায় যে শালি খেতিৰ আগে আগে, চ'ত আৰু বহাগৰ সন্ধিক্ষণতে, বহাগ বিহু বা ৰঙালী বিহু, শালি খেতি চপোৱাৰ শেষতে, আহুধান সিঁচাৰ আগে আগে, মাঘ বিহু বা ভোগালী বিহু। পুহৰ শেষত মাঘ বিহুৰ পাছতে আহুধান সিঁচা হয়। সেইদৰে শৰতৰ আগমনৰ লগে লগে মাহ-সৰিয়হ আদি শুকান খেতিৰ আগে আগে শালিধানৰ এচিৰা দুচিৰা ওলাওতেই কাতি বিহু বা কঙালী বিহু। কাতি বিহুৰ সময়ত খেতিয়কৰ ভঁৰাল প্ৰায় উদং, গতিকে এই বিহুৰ নাম কঙালী বিহু।

ইও অতীতৰ পৰা চুতীয়াসকলৰ আৰু অসমীয়া জনজীৱনৰ কৃষিজীৱী চৰিত্ৰটো দেখুৱাই দিয়ে।

ইয়াৰ পৰা দেখা যায় যে সুদূৰ অতীতৰ পৰাই অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু সুদূৰ অতীতৰ পৰাই চুতীয়াসকলৰ মাজত পানী খেতি বা শালি খেতিৰ প্ৰচলন আছিল।

“অসম দেশৰ বুৰঞ্জী” নামৰ গ্ৰন্থত ডঃ লক্ষ্মী দেৱীয়ে লিখিছে– “প্ৰাচীন কালৰেপৰা অসম এখন কৃষি প্ৰধান দেশ। হিউৱেন চাঙে লিখি থৈ গৈছে যে ইয়াৰ মাটি দ, সাৰুৱা আৰু নিয়মিতভাৱে খেতি হয়। পুৰণি কালতো খেতি পথাৰবোৰত পানী যোগোৱাৰ জলসিঞ্চন প্ৰণালীৰ ব্যৱস্থা আছিল। হিউৱেন চাঙেও জলসিঞ্চন প্ৰণালীৰ কথা উল্লেখ কৰি গৈছে। সম্ভৱতঃ আঙ্গামী নগাবোৰেই অসমত প্ৰথমে জলসিঞ্চন প্ৰণালী প্ৰৱৰ্তন কৰে।”

হিউৱেনচাং অসমলৈ ৬৩০ খ্ৰীঃত আহিছিল। গতিকে অসমত জলসিঞ্চন প্ৰথা তাৰ বহু আগৰে পৰাই আছিল। সেই পানী খেতি নিশ্চয় বড়োগোষ্ঠীৰ বা চুতীয়াগোষ্ঠীৰ লোকসকলেই কৰিছিল।

ডাকৰ বচনতো পানী খেতি আৰু জলসিঞ্চনৰ কথা উল্লেখ আছে। যেনে– “ঘন ঘনকৈ দিবা আলি, তেতিয়াহে ৰুবা শালি।” ডাক পুৰুষৰ সময় অষ্টম/নৱম শতাব্দী বুলি ধৰা হয়।

অসমবাণীত এটা প্ৰবন্ধত এজন লিখকে অসমত পানী খেতিৰ প্ৰচলন আহোমসকলেহে প্ৰৱৰ্তন কৰা বুলি লিখিছিল। আহোমসকল ১২২৮ খ্ৰীঃতহে অসমলৈ আহিছিল। কিন্তু ওপৰোক্ত উল্লেখবোৰৰ পৰা বুজিব পাৰি যে অসমত পানী খেতিৰ প্ৰচলন তাৰ বহু আগৰপৰাই আছিল।

স্বৰ্গদেউ চুকাফাৰ নেতৃত্বত ১২২৮ খ্ৰীঃত আহোমসকল আহোতে “অসমক মুংডুন্ চুন্ খাম্” অৰ্থাৎ সোণৰ বাগিছাৰ দেশ বুলি অভিহিত কৰিছিল। অসমৰ বিস্তীৰ্ণ পথাৰত সেউজীয়া আৰু সোণোৱালী পকাধানৰ খেতি দেখিয়ে তেওঁলোকে নিশ্চয় এই উক্তি কৰিছিল।*[১]

কৃষিৰ ক্ষেত্ৰতো বড়ো বা চুতীয়াসকলেই অসমত বা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথম প্ৰৱৰ্তক, এই কথা আমি কৃষিৰ ক্ষেত্ৰত আলোচনা কৰিছোঁ। গতিকে বিহুৰ ক্ষেত্ৰতো এই বিহু উৎসৱৰ প্ৰথম প্ৰৱৰ্তক বড়ো বা চুতীয়াসকলেই যে ইয়াত কোনো সন্দেহ নাই, আৰু সৌমাৰৰ চুতীয়াসকলৰ মাজতেই ইয়াৰ বিৱৰ্তন হৈ সংস্কৃত হৈছিল আৰু তাৰ মাজেদিয়ে আজিৰ অৱস্থা পাইছেহি।

সুদূৰ অতীততে অহা প্ৰটো-অষ্ট্ৰলয়ড্ অষ্ট্ৰিক আৰু বড়োগোষ্ঠীৰ লোকসকলেই অসমৰ আদিমতম্ অধিবাসী।

---

১ আমাৰ নিজৰ গৱেষণা মতে আমাৰ “ব্ৰহ্মপুত্ৰ সভ্যতা” নামৰ গৱেষণা গ্ৰন্থত তথ্যসহ দাবি ধৰিছোঁ যে অসম বা ব্ৰহ্মপুত্ৰ সভ্যতাত প্ৰথম ধানখেতিৰ আবিষ্কাৰক হ'ল বাচীসকল।

এই লোকসকলৰ লোক-কৃষ্টিয়েই অসমৰ লোক-কৃষ্টিবো ভেটি আৰু প্ৰায় চাৰি হেজাৰ বছৰৰ বিবৰ্তনৰ মাজেদি ইয়েই বিভিন্ন ৰূপ লৈছে। কিন্তু তাৰ মাজতো এটা সাধাৰণ ৰূপ সদায় আছে।

অসমত প্ৰটো-অষ্ট্ৰলয়ড্ অষ্ট্ৰিক আৰু বড়োসকলে ৰচনা কৰা, লোক-কৃষ্টিত যিসকল জনজাতি আৰ্যসকলৰ সঘন সংস্পৰ্শলৈ আহিছিল তেওঁলোকৰ ওপৰত আৰ্য প্ৰভাৱ পৰিছিল; কিয়নো জনসংখ্যাত অধিক নহ'লেও আৰ্যসকলৰ ভাষা-কৃষ্টি অতি উন্নত আছিল।

প্ৰটো-অষ্ট্ৰলয়ড্ আৰু অষ্ট্ৰিকসকলৰ পাছত অহা বড়োসকলৰ ওপৰত সুদূৰ অতীততেই চীন, বেবিলন আৰু ইজিপ্তৰ কৃষ্টিবো প্ৰভাৱ পৰিছিল। সেয়েহে সেইসকল লোকৰ ভিতৰত বহুক্ষেত্ৰত আমি সেই জাতিৰ কৃষ্টিৰ আভাসো দেখিবলৈ পাওঁ। অসমলৈ অহাৰ পাছত প্ৰটো-অষ্ট্ৰিক আৰু বড়োসকল অসমৰ বিভিন্ন অঞ্চলত বিস্তৃত হৈ পৰাৰ পাছত দুৰ্গম পাহাৰ অঞ্চলত অকলশৰীয়াকৈ বহুশ বছৰ থাকোতে সেই অঞ্চলৰ জনজাতিবোৰৰ একোটা সুকীয়া ৰূপ প্ৰকট হৈ পৰে আৰু একোটা সুকীয়া জনজাতি ৰূপে পৰিচিত হয়গৈ।

প্ৰটো-অষ্ট্ৰলয়ড্সকলৰ পাছতে চীনৰপৰা অহা বড়ো বা চুতীয়াসকলেই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত ধান খেতিৰ প্ৰবৰ্তক। ইয়াৰ পৰাই থাবৰ কৰিব পাৰি যে তেওঁলোক সুদূৰ অতীতৰ পৰাই কৃষিজীৱী আছিল আৰু কৃষিভিত্তিক বিহু উৎসৱো বিভিন্ন ঋতুত কৃষিৰ আৰম্ভণি বা সামৰণি আদিৰ আনন্দোল্লাসৰ স্বাভাৱিক প্ৰকাশৰে উৎসব হিচাপে সেই সুদূৰ অতীতৰপৰাই পালন কৰিছিল। এইখিনিতে ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে অলপতে চীন দেশ ভ্ৰমণ কৰি অহাৰ পাছত দূৰদৰ্শনত দিয়া এটা সাক্ষাৎকাৰৰ কথা ৮-১১-৯০ তাৰিখৰ দৈনিক অসমত প্ৰকাশ হোৱা মতে তেখেতে চীন দেশৰ বসন্তোৎসবৰ কথা এনেদৰে কৈছিল— "এই উৎসবত ব্যবহৃত ঢোল, গগণা নৃত্যৰ ভঙ্গীৰ লগত অসমৰ বিহু উৎসবৰ সাদৃশ্য আছে। তদুপৰিও সেই উৎসবক তেওঁলোকে "পিছু" বুলি কয়।"

ইয়াৰ পৰা দেখা যায় যে, ই বিহু শব্দৰ লগত সম্পূৰ্ণ সাদৃশ্য থকা আৰু ইয়াৰ পৰাই এই উৎসবৰ পৰম্পৰা যে চীনৰ পৰা অহা বড়ো বা চুতীয়াসকলৰ মাজত সুদূৰ অতীতৰপৰা আছিল তাক থাবৰ কৰিব পাৰি। এতিয়া আমি চুতীয়াসকলৰ তিনিটা বিহু সম্বন্ধে অলপ আলোচনা কৰোঁ।

**কাতি বিহু ঃ** যেতিয়া শীতৰ আগমনৰ সময় হয়, আকাশৰ ক'লা ডাৱৰবোৰ আঁতৰি যায়, পৃথিৱীলৈ এক স্নিগ্ধ নিৰ্মলতা নামি আহে, দিগ্বলয়ত কুঁৱলিৰ এক ক্ষীণ আবৰণে পুৱা আৰু সন্ধ্যা দেখা দিয়ে, চোতালৰ দুবৰিবনে নিয়ৰৰ মুকুতা পিন্ধে, পুখুৰীৰপৰা ভেট-পদুমৰ সুবদি গোন্ধ বতাহত উৰি ফুৰে, বালিমাহি চৰাইটোৱে চোতালৰ আগত দেউদি ফুৰে, তেতিয়াই কাতি বিহু কয়। এই সময়ত আহুধান কটা সম্পূৰ্ণ শেষ হয়, মাহ শস্য সিঁচাও শেষ হয়, শালি বা বাওধানৰ আগতীয়াবোৰৰ গেৰ হয়, হয়তো এচিৰা দুচিৰা থোক ওলায়ো, তেতিয়াই পথাৰত চাকি দিয়া হয়। মোৰ এতিয়াও মনত

আছে প্ৰায় ষাঠী বছৰৰ আগতে আইৰ লগত এই কাতি বিহুতে প্ৰত্যেকখন ধাননি পথাৰলৈকে গৈ মিঠাতেলৰ চাকি দি ধাননিবোৰ চাই ফুৰাৰ কথা। সেইদিনা কোনোবা পথাৰত দুচিৰা এচিৰা ধান ওলোৱা দেখিলে আমাৰ মন আনন্দতে নাচি উঠিছিল। সেইটো এটা শুভ লক্ষণ বুলি ধৰা হৈছিল।

গাঁৱত সেই বিহুতহে সামূহিকভাবে মিঠাতেলৰ চাকি জ্বলোৱা হৈছিল, দেৱালিত নহয়। দেৱালিত জ্বলাইছিল গাঁৱত থকা মাৰোৱাৰী দোকান কেইখনেহে।

সেইদিনা পথাৰত চাকি জ্বলালে, কীট-পতঙ্গৰপৰা শস্য ৰক্ষা পায় বুলি বিশ্বাস আছিল আৰু সেইবাবেই গাঁৱতো সমূহীয়াভাবে চাকি জ্বলোৱা হৈছিল। কিম্বদন্তী আছে যে সেইদিনা যাৰ ঘৰতে চাকি দেখে তালৈকেহে লখিমী যায়।

কাতি বিহুৰ দিনা তুলসী পুলি ৰোৱা হয় আৰু সিদিনাৰ পৰাই কাতি মাহটো তুলসীৰ তলত চাকি দিয়া হয়। এইটো নিশ্চয় বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱত পাছত হোৱা।

সুদুৰ অতীততেই যে চুতীয়াসকলৰ ওপৰত বৈষ্ণৱ সংস্কৃতিৰো প্ৰভাৱ পৰিছিল এই কথা বিভিন্ন ঠাইত আলোচনা কৰা হৈছে। খাদ্যবস্তুৰ কোনো প্ৰাচুৰ্য নাই বাবেই এই বিহুৰ নাম কঙালী বিহু।

**মাঘ বিহু ঃ** পুহৰ শেষত মাঘ বিহু হয়। এই সময়তো প্ৰকৃতিৰ পৰিবৰ্তন লক্ষণীয়। যেতিয়া প্ৰচণ্ড শীতৰ দিনবোৰ শেষ হ'বৰ সময় হয়, ৰ'দ চোকা হয়, মাজে মাজে দুই-এচাটি পচোৱা বতাহে আহি মনবোৰ উকণ্ঠা কৰে, কৃষকৰ পথাৰৰ ধান, মাহ আদি শস্যবোৰ চপোৱা শেষ হোৱাৰ আনন্দত মনত এক স্বস্তিৰ গাম্ভীৰ্যই দেখা দিয়ে, নিচেই দুখীয়াজনৰ ভঁৰালতো নতুন ধান সোমাইছি, অভাৱৰ দুঃখ-কষ্টবোৰ সাময়িকভাবে হ'লেও আঁতৰি যায়; তেতিয়াই সকলোৱে সামূহিকভাবে মনৰ আনন্দেৰে এসাজ খাবৰ বাবে আৰু শীতক বিদায় দিবৰ বাবে সমূহীয়া ভোজ-ভাত খাই, প্ৰকাণ্ড মেজিৰ জুই জ্বলাই উৎসৱ পাতে। এই মাঘ বিহুৰ পাছৰ পৰাই আহুধান সিঁচা আৰম্ভ হয়। পথাৰত প্ৰথম আহু ধান সিঁচাৰ দিনা পথাৰৰ পৰাই কচুৰ থুৰি কাটি আনি কৃষকৰ গাৰ বিষ মাৰিবৰ বাবে কচুৰে জালুকীয়া খায়। তিৰোতাৰ সন্তান প্ৰসৱৰ তিনি দিনৰ পাছতো এইদৰে প্ৰসূতি আৰু প্ৰসূতিক সহায় কৰা তিৰোতাসকলৰ গাৰ বিষ মাৰিবৰ বাবে জালুকীয়া খোৱাৰ নিয়ম চুতীয়াসকলৰ।

এই মাঘৰ বিহুৰ উৰুকাৰ দিনা, বাৰীৰ সকলো গছৰ গুৰিত দুহাতমান ওপৰত এডাল বচীৰে বা খেৰেৰে এটা বান্ধ দিয়ে। এনে নকৰিলে গছত ফল নধৰে বুলি চুতীয়াসকলে বিশ্বাস কৰে। সেইদিনাই হাবিৰ পৰা ডাঙৰ ডাঙৰ গছ কাটি আনি ফালি তিনিটাৰ পৰা নটালৈকে ডাঙৰ ডাঙৰ আকাশলঙঘা মেজি সাজে। গোটেই ৰাতিটো মেজিৰ তলতে ভোজ-ভাত খাই আনন্দ কৰি কটায়। ঢোল, পেপাৰ মাতে মেজিৰ তলি ৰজনজনায়।

মেজিবোৰ বিহুৰ দিনা খুব পুৱাতে কাউৰী কুকুৰা মাতিত পৰাৰ আগতে গা ধুই সেৱা সৎকাৰ কৰি জ্বলায়। সাধাৰণতে নদীৰ পাৰত আৰু নদী নেথাকিলে পুখুৰীৰ

পাৰতে মেজিবোৰ সাজে। জ্বলোৱা মেজিত নতুন মাহ আৰু নতুন বৰা চাউলৰ কড়াই ভাজি চটিয়াই আগতে জুইত দি পাছত নিজে খায়। মেজি জ্বলি থাকোতেই পুৱাৰ ভাগতে ডেকাবোৰে তাতে মালযুঁজ কৰে। সেইদিনা কোনেও ভাত নেখায়। নিজৰ ঘৰত আৰু ওচৰ চুবুৰীয়া পৰিয়াল আৰু মিটিৰ-কুটুমৰ ঘৰত জা-জলপান খায়ে কটায়। ই এটা সামূহিক উৎসব। কিন্তু প্ৰতি ঘৰতে চিৰা, পিঠা, সান্দহ, গুৰ, গাখীৰ, তিলপিঠা আদিৰে উলাহ-মালহেৰে পালন কৰে। কাঠ আলু অপৰিহাৰ্য। খাদ্যবস্তুৰ প্ৰাচুৰ্যৰ বাবেই এই বিহুৰ নাম ভোগালী বিহু। এই মাঘ বিহু উজনী অসমৰ অবিভক্ত লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত চুতীয়াসকলে যেনে ধৰণেৰে পালন কৰে তেনেধৰণে অন্য ঠাইত নহয়। নামনি অসমতো এই সংক্ৰান্তি পালন কৰা হ'লেও ইয়াৰ পালন কৰাৰ নিয়ম বহুত বেলেগ।

বৰ্তমান সমগ্ৰ অসমতে এই উৎসব পালন কৰা হয় যদিও সৌমাৰ খণ্ডৰ বড়ো বা চুতীয়াসকলৰ মাজতে সৃষ্টি হৈ ই বিৱৰ্তনৰ মাজেদি পৰিৱৰ্তিত হৈহে অসমৰ লোক-সংস্কৃতিৰূপে পৰিগণিত হৈছে।

বৰ্তমান কোনো কোনো ঠাইত "অগ্নিং প্ৰজ্বলিতং বন্দে" আদি মন্ত্ৰেৰে মেজিৰ জুইক বন্দনাও কৰা হয়। এয়া পাছৰ যুগৰ ব্ৰাহ্মণ্য সংস্কৃতিৰ প্ৰভাৱ। কিন্তু চুতীয়াসকলৰ মাঘ বিহুত এনে নহয়; ই এতিয়াও সম্পূৰ্ণ কৃষি ভিত্তিক উৎসব বা ঋতু পৰিৱৰ্তনৰ উৎসব।*[১]

**বহাগ বিহু বা ৰঙালী বিহু ঃ** চ'তৰ শেষত বহাগ বিহু বা ৰঙালী বিহু হয়। যেতিয়া বাটে পোৱালি মেলে, মৰা গৰুৱে হেম্বেলিয়ায়, ৰিব্ ৰিব্কৈ বতাহ বলি শিমলু তুলাবোৰ বহু ওপৰলৈকে উৰাই নিয়ে, গছে গছে কুঁহিপাত ধৰে, লঠঙা গছবোৰ নতুন ফুল পাতৰ আভৰণেৰে সজ্জিত হৈ পৰে, মাধৈ মালতীৰ গোন্ধে দশোদিশ আমোল মোলায়, গছে গছে কপৌফুল, ভাটৌ ফুল ফুলি চকু থৰ লগায়, চতুৰা চৰায়ে সুহুৰিয়ায়, কুলি কেতেকীয়ে ডালে ডালে পৰি কু-উ-উ, কু-উ-উ কৰি গীত গাই লগৰজনীক বিচাৰি ফুৰে, তেতিয়াই ডেকা-গাভৰুৰ মনবোৰো উকণ্ডা উকণ্ডা হয়; সিহঁতৰো শিমলু তুলাৰ দৰেই উৰি ফুৰিবৰ মন যায়। যেতিয়া এজাক দুজাক বৰষুণ আহে, গুৰু গুৰু কৰি মেঘ গাজে; তেতিয়াই ডেকাবোৰে সেই শব্দবোৰ নিজৰ ঢোলটোত ফুটাবৰ চেষ্টা কৰে; যেন তাৰ লগৰীজনীয়েও কৰবাত সেই শব্দ শুনি আপোন মনেৰে নাচে। ন ন কুঁহিপাতে, এজাক দুজাক বৰষুণে, মেঘৰ গাজনিয়ে, সিহঁতকো পথাৰত গৈ নতুন শস্য কৰাৰ ইঙ্গিত দিয়ে। এয়া ৰঙালী বিহুৰে জাননী। প্ৰকৃতিৰ এইবোৰ লক্ষণ দেখিলেই কৃষিজীৱীসকলে জানে এটা বছৰৰ পৰিৱৰ্তন আহিছে। পুৰণি বছৰটোক বিদায় দি নতুনক আদৰি আনিবৰ বাবে সিহঁতৰ মন তোলপাৰ লাগে। প্ৰকৃতিৰ লগতে চুতীয়াসকলেও নিজকে আনন্দত, ৰং ৰহইচত উটাই দিয়ে। এয়াই চুতীয়াসকলৰ ৰঙালী বিহু। ৰঙত মতলীয়া হবৰ দিন; পুৰণিৰ অবসাদ আঁতৰাই দি নতুনক আদৰি অনাৰ দিন; নতুনৰ বাবে সাজু হ'বৰ দিন আৰু

---

১ *মৌজি শব্দটো চুতীয়া ভাষাৰ মি-এঁঞ্জ-জী (মি=শস্য, এঁ=জুই; জী=পানী) শব্দৰ পৰা উৎপত্তি।*

পাৰিলে জীৱনৰ বাবে এজনী লগৰী বা এজন লগৰীয়া বাচি লবৰো দিন।

এই উৎসৱৰ বাবে চুতীয়াসকলক পঞ্জিকা চাই দিন বাৰ কোনেও থিক কৰি দিব নালাগে; প্ৰকৃতিয়ে নিজেই জনাই দিয়ে আৰু দিছিল হেজাৰ বছৰৰ আগতেই; যেতিয়া জ্যোতিষীয়ে গণনা কৰি দিয়াৰ আগতেই বিহু আৰম্ভ কৰিছিল। অৱশ্যে পাছত আৰ্য প্ৰভাৱত সূৰ্যৰ গতি নিৰীক্ষণ কৰি বিষুৱৰ লগত সূৰ্যৰ সম্বন্ধ বিচাৰি সংক্ৰান্তিৰ দিনত বিহুৰ দিন থিক কৰা হ'ল। কিন্তু আগতে চুতীয়াসকলে বহাগৰ প্ৰথম বুধবাৰতহে বিহু উদ্‌যাপন কৰিছিল; দেউৰী চুতীয়াসকলে এতিয়াও কৰে।

বৰ্তমান পণ্ডিতসকলে বিষুব শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি হোৱা বুলি কয়। কিন্তু আচলতে চুতীয়াৰ 'বিচু' (সৰ্বোচ্চ আনন্দ) বা চীনৰ 'পিহু' শব্দৰ পৰাহে বিহু শব্দৰ উৎপত্তি হৈছে।

চ'ত সোমালেই চুতীয়া গাভৰুহঁতে গাঁৱৰ কাষৰ বৰগছজোপাৰ তলত সন্ধিয়া ৰাতিবিহু পাতে। শিমলু গছৰ পৰা এপাহ দুপাহ তুলা উৰিলেই, কুলিজনীয়ে আম গছত মাতিলেই, গাভৰুজাকে জানে ৰাতিবিহু পাতিবৰ সময় হ'ল। সিহঁতৰ প্ৰিয়জনক দিবৰ বাবে দিনত বিহুৱান বৰৰ বাবে উখল-মাখল লাগে; গামোচাত সপোন ৰচে। লঠঙা আঁহত গছজোপাত কুঁহিপাত ওলালেই গাভৰুজাকে সন্ধিয়া হাতে হাতে বাঁহৰ টকালৈ সেই আঁহত জোপাৰ তলত ৰাতিবিহু মাৰিবলৈ জাকিমাৰি ওলাই যায়, বাঁহৰ টকা, গগণা, হাতচাপৰিৰ তালে তালে, বিহু গীতৰ সুৰত উতলাহে গাভৰুহঁতে গিপ্ গিপ্‌কৈ নাচে। নাচনীৰ দোপ দোপনিত, গোৰোহাৰ গিপ্ গিপ্‌নিত বিহুতলিখন যেন এহাত মান বহিহে যাব। এয়া চুতীয়া গাভৰুৰ ৰাতিবিহু। চ'তৰ সংক্ৰান্তিৰ আগদিনা অৰ্থাৎ উৰুকাৰ দিনাই ৰাতিবিহু শেষ হয়। বিহুৰ দিনৰ পৰা আৰম্ভ হয় দিনবিহু।

আজিকালি চুতীয়াসকলে চ'তৰ সংক্ৰান্তিৰ দিনাই বিহু বা গৰুবিহু পালন কৰে। বিহুৰ দিনা অতি পুৱাতে গৰুবোৰক মাহ হালধিৰে নোৱাই, গাঁৱৰ সকলো গৰুকে একে লগ কৰি, ওচৰৰ নদী বা পুখুৰীলৈ নি তাতে গা ধোৱায়। গা ধোৱাবলৈ নিওঁতে বাটত দীঘলতী বা মাখিলতীৰ ঠাৰিৰে কোবাই নিয়ে আৰু গায় ঃ—

"দীঘলতীৰ দীঘল পাত,
গৰু হবি জাক জাক।"

সেইদৰে গা ধোৱাবৰ সময়তো বাঁহৰ কাঠীৰ চাতত (তিনিফেৰেঙীয় বাঁহৰ কাঠী, — একেফালৰ পৰা ফালি উলিওৱা) চকল চকলকৈ কটা, লাও, বেঙেনা, থেকেৰা, হালধি, কেৰেলা আদি চিলাই নিয়া চকলবোৰ উলিয়াই গৰুৰ গাত মাৰি গায়—

"লাউ খা, বেঙেনা খা, থেকেৰা খা,
হালধি খা, মাৰ সৰু, বাপেৰ সৰু,
তইঁত হবি বৰ বৰ গৰু।"

ডেকাবোৰেও সেই লাউ, বেঙেনাবোৰ ইজনে সিজনৰ গাত মাৰি ধেমালি কৰে। তাত থকা অৱশিষ্টবোৰ চাতেৰে সৈতে গোহালি ঘৰত খুচি থয়। এয়াই নিয়ম।

ৰাতি আহিলে সন্ধিয়া, গোহালিৰ আগত ভাংগছেৰে জাগ দিয়ে, গৰুক তৰা গছৰ নতুন পঘা দিয়ে আৰু গৰুলৈ বুলি নিমখেৰে পোৰা পিঠা খোৱায়। ইয়াৰ মাজেদিয়ে চুতীয়া সমাজৰ গৰু আৰু মানুহৰ মাজত থকা এৰাব নোৱাৰা সম্বন্ধটো প্ৰকাশ পায়। সেয়েহে এইদিনাটো গৰুবিহু বুলি কোৱা হয়।

সিদিনাই গাভৰু আৰু বোৱাৰীহঁতে নিজৰ প্ৰিয়জনক আৰু মান্যজনক বিহুৱান দি আদৰণি জনায়, দৈ, চিৰা, সান্দহ, বিধে বিধে পোৰা পিঠা আদি খাই আৰু খোৱাই আনন্দ কৰে। সেইদিনা দুপৰীয়া ভাত নেখায়। গধূলি বাহৰ বিচনীৰে চাৰিওফালে সেইদিনা বিচি ঘৰ শাঁত কৰে আৰু সিদিনাৰ পৰাহে বিচনীৰে বিচাৰ দিন।

গৰুবিহুৰ পাছ দিনাহে মানুহবিহু আৰম্ভ হয়। অৰ্থাৎ বহাগৰ প্ৰথম দিন মানুহবিহু। গৰুবিহুৰ বা মানুহবিহুৰ দিনৰ পৰা গাভৰুহঁতে কলডিলীয়া খোপাত কপৌফুল একোপাহ মেৰিয়াই লৈ, সেই একেজোপা আইঁতৰ তলতে দিন বিহু আৰম্ভ কৰে। মানুহবিহুৰ দিনা এশএটা আগৰ শাক আৰু সাত তিতা খোৱাৰ নিয়ম। সিদিনাই বিহু সকামো পাতে।

মানুহবিহুৰ দিনাৰ পৰাই হুচৰীও আৰম্ভ হয়। অতীতত চুতীয়াসকলৰ বিহু বহাগৰ প্ৰথম বুধবাৰৰ দিনাৰ পৰাহে আৰম্ভ হৈছিল সেইকথা আগতে কোৱা হৈছে। সেইদৰে হুচৰীও বুঢ়া-বুঢ়ীৰ থানৰ পূজাৰ স্থলীৰ পৰাহে আৰম্ভ হৈছিল। এতিয়া দেউৰী চুতীয়াসকলৰ মাজত সেই নিয়ম প্ৰচলিত থাকিলেও অন্যান্য চুতীয়াসকলে চ'তৰ সংক্ৰান্তিৰ দিনৰে পৰাই বিহু আৰম্ভ কৰে আৰু হুচৰীও যিকোনো এঠাইত আৰম্ভ কৰি গাঁৱৰ মান্যবন্তজনৰ ঘৰতে প্ৰথমে গায় বা গাঁৱৰ এমূৰৰ পৰা গাই যায়; কিন্তু দুখীয়া নিচলা কাৰো ঘৰকে বাদ নিদিয়ে। আগতে হুচৰীৰ গীত-পদবোৰ শ্ৰীকৃষ্ণ আৰু হৰ-পাৰ্বতীক লৈ ৰচনা কৰা লোক-গীতেৰেহে হৈছিল। বৰ্তমান কীৰ্তনৰ ঘোষা পদো গায়। আগতে গোৱা হুচৰীৰ গীত-পদৰ এটা উদ্ধৃতি দিয়া হ'ল—

ঘোষা ঃ- কৃষ্ণাইৰ মূৰৰে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হয় ঐ গোবিন্দাই ৰাম।
পদ ঃ- তেতেলিৰ তলতে তাতেবৈ আছিলোঁ
পাহৰি আহিলোঁ কুচি ঐ গোবিন্দাই ৰাম,
কুচিৰে লগতে পগলাই কিলাব
যামে আইৰ ঘৰলৈ গুচি ঐ গোবিন্দাই ৰাম।
মাৰ ঘৰলৈ যাব তই পাগলী
বাটতে খপোৱা দিমে ঐ গোবিন্দাই ৰাম। ইত্যাদি গাভৰুহঁতৰ বিহু গাভৰুহঁতৰ সম্পূৰ্ণ নিজস্ব। গাভৰুহঁতে সাধাৰণতে হাতচাপৰি টকা, গগণা আদি বজাই গীত গায় আৰু এজনী বা বহুজনীয়ে নাচে। সাধাৰণতে ডেকা সকলে তাত যোগ নিদিয়ে কিন্তু দূৰৰ পৰা জুম বান্ধি বান্ধি চায়। গাঁৱে গাঁৱে অজস্ৰ বিহুতলিৰ বিহু চাই ফুৰে।

বিহুত বিহুগীত অপৰিহাৰ্য। কিন্তু ঘৰত বিহুগীত গোৱা বা বিহু নচা মাৰ্জিত ৰুচিৰ বাহিৰত; আৰু নিষিদ্ধ। বৰ্তমান ৰঙ্গমঞ্চত বিহুগীত গোৱা, নচা, সকলো হয়; ঘৰতো

বিহুগীতৰ আখৰা কৰে। বিহু বৰ্তমান সকলোৰে; কিন্তু অতীতত চুতীয়াসকলৰ বিহু আছিল লোক-সংস্কৃতি আৰু সম্পূৰ্ণ সুকীয়া।

গাভৰুহঁতৰ বিহুত যেনেকৈ বাঁহৰ টকা, হাতচাপৰি আৰু বিহুগীত অপৰিহাৰ্য; সেইদৰে ডেকাহঁতৰ বিহুতো ঢোল, তাল, পেপা, গগণা, বাঁহী, বাঁহৰ টকা, হাত চাপৰি আৰু বিহুগীত অপৰিহাৰ্য।

চুতীয়াসকলৰ বাবে বিহু এতিয়াও এটা জীৱন্ত লোক-সংস্কৃতি। চুতীয়াৰ সাত-আঠ বছৰৰ ল'ৰা এটায়ো ঢোল বজাব জানে, নাচিব জানে; সেইদৰে ছোৱালীৰো সাত-আঠ বছৰীয়া ছোৱালী এজনীয়েও সুন্দৰকৈ নাচিব জানে। সিহঁতক সেই বিহু কোনেও শিকাব নেলাগে; ই পৰম্পৰাগত।

বিহুযে এটা জনজাতীয় উৎসৱ ইয়াত কোনো সন্দেহ নাই। বিশ ত্ৰিশ বছৰৰ আগলৈকে বিহুক অজনজাতীয়সকলে অশ্লীল বুলি ভাবিছিল আৰু তেওঁলোকৰ দ্বাৰা নিন্দিত আছিল।

এইখিনিতে ১৯৮৮ চনৰ ১৩ এপ্ৰিল সংখ্যা দৈনিক অসমৰ সাক্ষাৎকাৰ শিতানত শ্ৰীযুগল দাসদেৱে কোৱা কেইটামান কথা উদ্ধৃত কৰা হয়।

"বিহু যদি বতৰৰ বিহুৱেই হয় তাৰ গুমগুমনি গুৱাহাটীত অকণো শুনা নগৈছিলনে? গৈছিল, আন প্ৰকাৰে তাৰ গুমগুমনি অনুভৱ কৰা হৈছিল। মানুহে বিহুত নামঘৰত নামগুণতে গাইছিল আৰু তাক বিহু নুবুলি চ'তৰ সংক্ৰান্তি বুলিছিল।"

"এই অনুষ্ঠান আচলতে আদিমবাসীৰ অনুষ্ঠান। এই অনুষ্ঠানৰ বতৰ হ'ল বসন্তকাল।"

"আদিমবাসীৰ গোন্ধ-ভাপ বৈ গ'ল বোধহয় জনজাতি আৰু অনুসূচীত জাতিৰ মাজত। গুৱাহাটীৰ সাতবিহুৰ দিনা গণেশগুৰিত পতা বিহুহাটখনিয়ে সেই কথা উদঙাই দিয়ে। গণেশগুৰিৰ সাতবিহুলৈ আমাৰ যাবলৈ মানা। ডাঙৰবোৰে গণেশগুৰিৰ সাতবিহু বুলিলেই নাম সিয়ৰায়। মই গুণাভিৰাম বৰুৱাদেৱৰ অসম বুৰঞ্জীখন পঢ়ি চাবলৈ পাঠক সমাজক অনুৰোধ জনালোঁ।"

"মই চুৰকৈহে সেই সাতবিহু চাবলৈ গৈছিলোঁ। নিশা ঘৰ সোমাওতে মায়ে যেনিবা গেগেৰা কিল দিলে। অ' তই সাতবিহুৰ মেলালৈ গৈছিলি? তোৰ ইমান সাহ। আৰু যদি তই কেনেবাকৈ সেইফালে মু-কৰ তোৰ মূৰ খুৰাই চূণ লিপি দি তোক ৰাইজৰ আগত মেলি দিম।"[১]

অসমৰ চুতীয়া আৰু আহোমসকলৰ বাহিৰে অন্যসকলৰ বিহুৰ প্ৰতি তেনেভাবেই আছিল। কিন্তু চুতীয়াসকলৰ বাবে বিহু আছিল জীৱনৰ অনুভূতিৰ একাংশ, এটা স্তৰ আৰু এতিয়াও।

সাতবিহু বিহু সামৰাৰ দিন। সাতবিহুৰ দিনাই ভোজ-ভাত খাই বহু ৰাতিলৈকে গছৰ তলত বিহু মাৰি বিহু উৰুৱায় অৰ্থাৎ বিহুৰ সামৰণি মাৰে।

---

১ *১৯৮৮ চনৰ ১৩ এপ্ৰিলৰ সাক্ষাৎকাৰ শিতানত দৈনিক অসমত — শ্ৰীযুগল দাস।*

চুতীয়াৰ শেষ ৰজা নীতিপালে আহোমৰ লগত চন্দনগিৰি বা চন্দ্ৰগিৰি পৰ্বতৰ ওপৰৰ পৰা যুঁজ কৰি থাকোতে আহোম সেনাপতিয়ে চুতীয়া সৈন্যক যুঁজত পৰাজয় কৰাৰ অন্য উপায় নেদেখি এদল লোকক ওখ ঘিলাগছৰ ওপৰত উঠাই ঢোল বজাবলৈ দিয়ে। সিদিনা আছিল সাতবিহুৰ দিন। বিহুৰ ঢোলৰ মাত শুনি চুতীয়া সেনাবোৰ উত্ৰাৱল হৈ পৰে। কিছুমানে ইয়াক যুদ্ধ জয়ৰ ইঙ্গিত বুলিও ভাবত যুদ্ধত শিথিলতা আহি পৰে। আনহাতে চুতীয়া ৰজা নীতিপালেও তেওঁৰ পাচফালে ঢোলৰ মাত শুনি "মোক পাচভেটি ধৰিলেহি" বুলি শ্ৰুতিহত হৈ পৰে। এনে দুধোৰ-মুধোৰ অৱস্থাতে এপাত কাড় লাগি ৰজাৰ মৃত্যু হয় ফলত চুতীয়া সেনাৰ পৰাজয় হয়। ইয়াৰ পৰাই বুজিব পাৰি চুতীয়াসকলৰ ওপৰত বিহুৰ কি প্ৰভাৱ।

আমি আগতে উল্লেখ কৰিছোঁ যে বিহু এটা জনজাতীয় উৎসৱ। উজনী অসমৰ সৌমাৰ খণ্ডই চুতীয়াসকলৰ আদিম কালৰ পৰাই বাসভূমি। উজনী অসমতে এই বিহু এতিয়াও লোক-সংস্কৃতি হৈয়ে আছে। গতিকে এই বিহু-উৎসৱ যে চুতীয়া সকলৰেই কৃষিভিত্তিক উৎসৱ ইয়াত কোনো সন্দেহ থাকিব নোৱাৰে।

উজনী অসমত থকা দেউৰী, কছাৰী, মিচিং, সোণোৱাল আদি জনজাতি সকলেও এই উৎসৱ পালন কৰে। নামনি অসমৰ জনজাতীয় সকলেও অলপ ইফাল সিফাল কৰি এই উৎসৱ পালন কৰে। আমি আগতে উল্লেখ কৰিছোঁ যে দেউৰীসকল চুতীয়াৰে পুৰোহিত শ্ৰেণী আৰু কছাৰী, সোণোৱাল সকলো চুতীয়াৰে স্থান বিশেষত ভিন্ন নাম।

কোকৰাঝাৰৰ বড়োসকলে এই বিহুক "বৈসাগু" বুলি পালন কৰে। তেওঁলোকেও বিহুত গৰুক গা ধোৱাৰ উজনী অসমৰ দৰেই গা ধোৱাবলৈ নিওতে তলৰ গীত গায়। এই গীত উজনী অসমৰ লগত কেনে মিল মন কৰিবলগীয়া।

**বড়ো গীত ঃ** দীঘলথী লাওথি মৌ সৌনি মুলি,
দুদালি জাগীন খাই খুলিছিল,
দীঘলথী লাওথি খ্রি খ্রি গাম্থি
জীংনি মী সী আ জাগীন বলদ জাথি,
জানায় নণ্ডা গাইদে থেমফ্রা,
মাৰখা জাগীণ ফালীনি বেহেৰা।

অৰ্থ—দীঘলতী এচাৰি গৰুৰ মহা ঔষধ; এই এচাৰিৰে কোবালে গাই গৰু গাখীৰতী হয়, দমৰা হয়, বলদ গৰু।

সেইদৰে ঃ লাওজা ফানথাওজা
বীসীৰ বীসীৰ এৰ হানজা হানজা।
বিমাণি খিথেৰ বিমাণি খিথেৰ
নীং সীৰ জাগীন হালুৱা গেদেৰ।
বিমা গাইদে বায়দি দাজা
বিফা বলদ বায়দি জা॥

অৰ্থ— লাউ খা বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, মাৰৰ দৰে চুটি-চাপৰ নহবি; বাপেৰৰ দৰে হবি বলদ জাতৰ।

পুনৰ ঃ বৈসাগু আই বৈসাগু
বৈসাগু বৈসাগু।
বীথীৰ গীজামআ থাংলায় বায়,
বীথীৰ গীদানআ ফৈলায় বায়,
বসাগু আই বৈসাগু।
বীথীৰ গীদানি বাৰ মীন নানৈ
দৈমা দৈলা বংফং লাইফাং দাউমা, দাউসা
ৰংজা খাংবায় হনৈ,
ফৈদী দিনৈ ফৈদী বয়বী
বীৰায় বুৰৈ সেংগ্ৰা সিঘাকা,
গথ' গ'থাই ৰংজা দিনি।

অৰ্থ—ৰঙালী বিহু ঐ ৰঙালী বিহু, পুৰণি বছৰ গ'ল,
নতুন বছৰ আহিল।
নতুন বছৰ বা লাগি
নদ নদী গছ বিৰিখৰ
চৰাই চিৰিকতি আটায়ে
আনন্দত উঠিছে নাচি।
আহা আজি আমিও
বুঢ়া-বুঢ়ী ডেকা-গাভৰু
ল'ৰা-ছোৱালী সকলোৱে
মিলি জুলি কৰো ৰং ধেমালি।"[১]

কোকৰাঝাৰৰ বড়োসকলো সৌমাৰ খণ্ডৰ মাজেদিয়ে আহিছিল। এই বড়োসকল সৌমাৰত থাকোতেও যে এই উৎসৱ পালন কৰা হৈছিল এই গীতবোৰেই তাৰ প্ৰমাণ। গোষ্ঠীগতভাৱে বড়ো আৰু চুতীয়াসকলৰ মাজত কোনো পাৰ্থক্য নাই। সেই কথা আগতেই কোৱা হৈছে।

চুতীয়াসকলৰ দৰেই সোণোৱালসকলেও বিহুৰ তিনিওটা উৎসৱকে পালন কৰে। অৱশ্যে প্ৰত্যেকটোৱে কিছু স্থানীয় পাৰ্থক্য আছে। বহাগৰ বিহু পালন কৰাৰ ক্ষেত্ৰত কিন্তু প্ৰায় একেই। মাত্ৰ সোণোৱালসকলে এই উৎসৱক "বলিৰজাৰ দুমাহী" বুলি কয়। তেওঁলোকেও গৰুক মাহ, হালধি ঘহি নোৱাই পুৰা নদী বা পুখুৰীৰ পাৰত গা ধোৱাবলৈ নিয়ে; নিওতে দীঘলতী বা মাখিলতীৰে কোবাই গায়—

---

১ *১৯৮৮ চনৰ অসমবাণীৰ বিহু সংখ্যাৰ প্ৰবন্ধ (৮-৪-৮৮) — শ্ৰীবত্ৰেশ্বৰ বসুমতাৰী।*

দীঘলতীৰ দীঘল পাত
মাখিয়তীৰ মাখি পাত
মাখি মাৰো জাত জাত।

সেইদৰে গৰু ধোৱাবলৈ নিওতে চাতৰ মাৰিত লাউ-বেঙেনা লৈ গৰুৰ গাত মাৰি গায়—

লাউ খা বেঙেনা খা,
থেকেৰা খা, হালধি খা,
দিনে দিনে বাঢ়ি যা,
মাৰ সৰু বাপেৰ সৰু
তই হবি বৰ বৰ গৰু।

অন্য কোনোৱে গায়,

লাউ খা বেঙেনা খা
থেকেৰা খা হালধি খা
সোণৰ নাঙল ৰূপৰ ফাল
তই ববি সৰ্ব্বতি কাল।

এইদৰে গা ধোওবাৰ সকলোৱে উৎসৱমুখৰ হৈ কাপোৰ-কানি লোৱা সকলো চুতীয়াসকলৰ লগত প্ৰায় একেই। অৱশ্যে তেওঁলোকে এই উৎসৱৰ দিনা গৰু, মানুহ, হাঁহ, পাৰ, কৃষিৰ সঁজুলি আদি সকলোৰে বাবে একোখন পাত আগবঢ়ায়। ভূত-প্ৰেতৰ উপদ্ৰৱৰপৰা ৰক্ষা পাবৰ বাবে কাইটীয়া গছৰ ডাল বেৰত বা বাৰীতে আৰে। লখিমীৰ ন ভনীৰ বাবে প্ৰাৰ্থনা জনায়। প্ৰাৰ্থনা ঃ

"অ' সোমবুঢ়ী আইকে ধৰি লুখুমী, লুমখী (লখিমী) আইক নভনী আজি তিনিশ তিনিকুৰি তিনিদিনৰ মূৰত বেলিৰজা দুমাহী পৰিছে, আজি দুমাহীৰ দিনা কোনজনী বা কেনেকৈ থিত হৈ আছে, আমি নেজানো লুম্‌খী আইৰ নভনী কুবেৰ, বুঢ়া-বুঢ়ী, আৰু ভৰালৰখীয়া দেও-দেৱতাসবৰ নামত আজি বলিৰজা দুমাহীৰ দিনা ইমানকে দিয়া হৈছে। ইয়াতে তুষ্ট হৈ মোৰ ভৰালৰখীয়া কুবেৰ, বুঢ়া-বুঢ়ীয়ে সাততৰপীয়া জেউৰা হৈ এটিও খুদ-চাউল হানি-বিঘিনী নকৰাকৈ ঘনচিৰিকা, নিগনি, পুথি পৰুৱাৰ পৰা ৰইখা কৰিব লাগে। অ' হৰি অ' ৰাম।"

সকলোৰে নামত একোখিলা পাত আগবঢ়োৱাৰ উপৰিও পিঠা, ফুল, পাত, চাকি, শলিতা দি বসুমতী, কুবেৰ, বুঢ়া-বুঢ়ীৰ নামতো পাত আগবঢ়োৱা হয়।

কাঠৰ তৰোৱাল, কৌপাতৰ ঢাল, হাতত তুলি লৈ বসুমতীক ফুৰাই "খিৰিং তাপ" বুলি তিনিবাৰ অথবা সাতবাৰ জপিয়াই গো কালিকা দেৱতাৰ নামত মূৰ দোৱাই এইদৰে স্তুতি প্ৰাৰ্থনা জনায়।

"অ' গোকালিকা দেৱতা, আজি বছেৰেক বলিৰজাৰ দুমাহীৰ দিনা আপোনাৰ নামে পাত এখিলা আগবঢ়োৱা হৈছে। ইয়াতে কৈছে—

গো লক্ষ্মী মহা লক্ষ্মী
কুবেৰ কালিকা
চাগে বাঘে চৰে বোলে
কাক পালে কোনে এৰে।"*১ ইতাদি।

সোণোৱালসকলে বলিৰাজাকে তেওঁলোকৰ আদি ৰজা বুলি মানে। তাৰ বাহিৰে বিহুৰ কৃষি ভিত্তিক ৰূপটো সকলো জনজাতিৰে একে। এই ক্ষেত্ৰত সোণোৱালসকলৰ প্ৰায় সকলো কথাতে আনকি গীতমাততো চুতীয়াসকলৰ লগত হুবহু মিল আছে। গতিকে আমি সোণোৱালসকলক চুতীয়াৰে এটা ডাল বুলি ধৰাৰ কথা আগতে বুৰঞ্জী খণ্ডতে উল্লেখ কৰা হৈছে।

ঠিক সেইদৰে বৰ্তমান নগাঁৱৰ কপিলি উপত্যকাত প্ৰবলভাবে থকা লালুং বা তিৱাসকলৰ লো-সংস্কৃতিও চুতীয়া সংস্কৃতিৰ লগত শতকৰা আশী ভাগেই মিল আছে। তেওঁলোকে আত্মীয় সকলক কৰা সম্বোধনবোৰো চুতীয়াসকলৰ লগত প্ৰায় মিল। আজা = আজুককা, বুঢ়ীআবি = বুঢ়ীআই, পাংফা = পিতা, আমাং = আই, কাকা = ককাই, দাদাই = দদাই, বাই = বাই, বাউজি = বৌ ইত্যাদি। তেওঁলোকেও কাতিবিহু, মাঘবিহু, বহাগবিহু পালন কৰে। বহাগৰ বিহুত চাটত লাউ-বেঙেনাৰে গৰুৰ গাত মাৰি গৰু গা ধোৱায়। তেওঁলোকৰ জন্ম মৃত্যুৰ সময়ত পালন কৰা অনুষ্ঠান, বিয়া ইত্যাদি চুতীয়াৰ লগত প্ৰায়ে মিলে। তেওঁলোকেও সোণোৱালসকলৰ দৰে বলি ৰজাক তেওঁলোকৰ ৰজা বুলি বিশ্বাস কৰে। কোৱা বাহুল্য যে বলি ৰজা অনাৰ্য, প্ৰহ্লাদৰ পৰিনাতি, বাণ ৰজাৰ পিতৃ। তেওঁলোকৰ কাপোৰ-কানি সাজ-পোছাকৰ নামবোৰ চুতীয়াৰ লগত একেই আৰু তিৰোতাসকলে মেখেলা-ৰিহা পিন্ধে। এইদৰে প্ৰায় সকলো ক্ষেত্ৰতে চুতীয়াসকলৰ লগত মিল আছে। সেইবাবে আমি লালুং সকলকো চুতীয়াসকলৰে এটা ডাল বুলি ধৰিছোঁ। পাঠকসকলে অধিক জানিব খুজিলে ড° জি, চি, শৰ্মা ঠাকুৰৰ ৰচিত "The Lalungs (Tiwa)" নামৰ গ্ৰন্থখন পঢ়ি চাবৰ বাবে অনুৰোধ জনোৱা হ'ল।*২

বিহু আদিম কৃষিজীৱী জনজাতি সকলৰ আনন্দ উৎসৱ। কেৱল সেয়ে নহয় ইয়াৰ মাজেদি তেওঁলোকে নিজৰ মাজত আৰু প্ৰকৃতিৰ মাজতো যৌন উত্তেজনা বৃদ্ধি কৰিবৰ চেষ্টা কৰে। কিয়নো প্ৰজননৰ বাবে পুৰুষ প্ৰকৃতিৰ মিলনৰ আৱশ্যক আৰু তাৰ বাবে লাগে যৌন উত্তেজনা। আদিম জনজাতিসকলে বিশ্বাস কৰিছিল ডেকা-গাভৰুৱে নৃত্য গীতৰ মাজেদি নিজৰ মাজত যৌন উত্তেজনা বৃদ্ধি কৰিব পাৰিলে তাৰ ফলত প্ৰকৃতিও উত্তেজিত হ'ব আৰু পৃথিৱী শস্যৰে নদন বদন হ'ব।

এইখিনিতে যবদ্বীপৰ জন বিশ্বাসৰ এটা কথা উল্লেখ কৰি ডঃ হেমন্ত কুমাৰ শৰ্মাই ৮/৪/৮৮ তাৰিখৰ অসমবাণীৰ এটা প্ৰবন্ধত লিখিছে— "নৃতত্ত্ববিদ জে, জি, ফ্ৰেজাৰে

---

১ *সংস্কৃতি সঞ্চয়ন — প্ৰবন্ধ — 'সংস্কৃতিৰ এখিলা পাত বালি ৰজা দুমাহী' — শ্ৰীগগন চন্দ্ৰ সোণোৱাল।*

২ *The Lalungs (Tiwa) — Dr. G.C. Sarma Thakur.*

'গোল্ডেন বাও' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে এনে বিশ্বাসৰ বসবৰ্তী হৈয়ে যবদ্বীপৰ কোনো কোনো ঠাইৰ খেতিয়কে ৰাতি ঘৈণীয়েকক নিজ পথাৰলৈ নি দৈহিক মিলন ঘটায়, যাতে পথাৰত শস্য অধিক নদন বদন হয়।"

এই বিহু উৎসৱ আৰু ইয়াৰ লগৰ নৃত্য, গীত বাদ্য, ঢোল, পেপা, গগণা, টকা, বিহুগীত এইবোৰ বড়ো বা চৌ-থিয়া বা চুতীয়া জাতিৰ মাজতে অতি প্ৰাচীন কালতে আৰম্ভ হৈ পাছত সৌমাৰ খণ্ডত চুতীয়া জাতিৰ লোক-সংস্কৃতি হিচাপে পৰম্পৰাগত ভাৱে বিৱৰ্তনৰ পথেদি সংস্কৃত হৈ আহিয়ে যে আজিৰ অৱস্থা পাই বৃহত্তৰ অসমৰ অসমীয়া লোক-সংস্কৃতি হিচাপে পৰিগণিত হৈছে ইয়াত কোনো সন্দেহ নাই।

বড়োসকলৰ কথা লিখোতে প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথদেৱে লিখিছে যে কলা-কৃষ্টিৰ ক্ষেত্ৰত বড়োসকল গীত, বাদ্য, নৃত্য আদিত অতি সিদ্ধহস্ত আছিল; মিশ্ৰিত ধাতুৰ কাহ, তাল আৰু ডাঙৰ ঢোল আছিল তেওঁলোকৰ প্ৰিয় বাদ্য। (In art— they are experts in songs, and dances and music and fond of bronge gongs, cymbals and big drums) বড়োসকলৰ মাজত এতিয়াও গীত নৃত্য বাদ্য আদিৰ প্ৰাচুৰ্য আছে।

চুতীয়াসকল এটা ৰাজকীয় জাতি হোৱাত তেওঁলোকৰ মাজত এই লোক-সংস্কৃতিৰ উৎকৰ্ষ হৈ অধিক সৌন্দৰ্যশালী হৈছিল। এই উৎকৰ্ষ তেওঁলোকৰ বিভিন্ন কাৰুকাৰ্যৰ মাজেদিও প্ৰকাশ পাইছিল; বুৰঞ্জীত তাৰ বিস্তৃত উল্লেখ আছে। চুতীয়া ৰাজ্য জয় কৰাৰ পাছত আহোম ৰজা সকলেও সেইবোৰ আয়ত্ব কৰি লোৱাৰ কথাও বুৰঞ্জীত আছে। আহোম সকল অহাৰ পাছত চুতীয়া লোক-সংস্কৃতি আহোম চুতীয়াৰ সমন্বয়ৰ সংস্কৃতি হিচাপে বিকাশ লাভ কৰিছে। এইদৰেই চুতীয়া সকলৰ লোক-সংস্কৃতি বিহুৱে আজি সমগ্ৰ অসমৰে লোক-সংস্কৃতি হিচাপে সকলো অসমীয়াৰে মাজত আলোড়ণ তুলিবলৈ সক্ষম হৈছে।

১৯৮৭ চনৰ বিহু সংখ্যা 'অসমবাণী'ত শ্ৰীমেদিনী মোহন চৌধুৰীদেৱে বিহু বড়োসকলৰ মাজতে প্ৰথম সৃষ্টি হোৱা লোক-সংস্কৃতি বুলি লিখিছে; আৰু লিখিছে যে বড়োসকলেই খ্ৰীঃপূঃ প্ৰথম শতিকাতে উত্তৰ-পূব ভাৰতত প্ৰথমতে পানী খেতিৰ প্ৰচলন কৰিছিল আৰু কৃষিৰ সম্ভাৱনাৰে হোৱা পৰিবৰ্তিত ঋতুৰ মাজত মেঘৰ গাজনি, বৰষুণ আৰু গছে পাতে দেখা দিয়া নতুন কুঁহিপাতে তেওঁলোকক মতলীয়া কৰি এই পৰিৱৰ্তনক আদৰি আনিবৰ বাবে নাচি-বাগি গীত গাই বিহুৰ সৃষ্টি কৰিছিল। ওপৰোক্ত মতৰ বিপৰীতে এজন লিখকে এই বিহু সংস্কৃতি টাই আহোমসকলৰ লগতহে অহা বুলি ক'বৰ প্ৰয়াস কৰে। ইয়াৰ বাবে ব্ৰহ্মদেশত বৰ্তমানেও প্ৰচলিত থিক তেনে ধৰণৰ লোক-সংস্কৃতি, গীতৰ সুৰ, ঢোল, পেপা, নৃত্য আদি থকা বুলি উল্লেখ কৰে।

সেইমতে উজনী অসমৰ আহোমসকলৰ মাজতহে বিহু এতিয়াও লোক-সংস্কৃতি হিচাপে পালন কৰা হয়। কিন্তু এই কথা শুদ্ধ নহয়। কাৰণ উজনী অসমৰ চুতীয়াসকলেও এই বিহু লোক-সংস্কৃতি হিচাপে আহোমসকল অসমলৈ অহাৰ আগৰে পৰাই পালন কৰি আহিছে আৰু এতিয়াও কৰে।

সেই লিখকে উজনী অসমৰ আহোম গাভৰুহঁতে চ'ত সোমালেই ৰাতিবিহু আৰু বহাগৰ প্ৰথম দিনাৰ পৰা দিনৰবিহু পালনৰ কথাও উল্লেখ কৰিছে। কিন্তু সেয়া কেৱল আহোম গাভৰুহঁতে নহয় চুতীয়া গাভৰুহঁতেও ৰাতিবিহু আৰু দিনবিহু পাতে। তেখেতে আৰু উল্লেখ কৰিছে যে গাভৰুহঁতে পতা ৰাতিবিহু বা দিনৰবিহু এটা লাজৰ বিষয় আৰু পুৰুষৰ অগোচৰতহে পাতে। এই কথা অৱশ্যে সঁচা আৰু সেই কথা আমি আগতেই উল্লেখ কৰিছোঁ।

আহোমসকল স্বৰ্গদেও চুকাফাৰ নেতৃত্বত অসমলৈ আহোতে এজনীও তিৰোতা লগত অনা নাছিল। এই কথা বিভিন্ন বুৰঞ্জীত উল্লেখ আছে। চুতীয়া, মৰাণ আৰু বৰাহী তিৰোতা গ্ৰহণ কৰিহে তেওঁলোকে বংশ বৃদ্ধি কৰিছিল। গতিকে গাভৰুহঁতৰ সেই ৰাতিবিহু বা দিনবিহু চুতীয়া তিৰোতা আৰু তেওঁলোকৰ ছোৱালীবোৰে স্থানীয় পৰম্পৰা মতেহে স্বতঃস্ফুৰ্তভাৱে পালন কৰিছিল। যিহেতু এইটো এটা লাজৰ বিষয় বুলি গণ্য কৰা হয় তেনেস্থলত গাভৰুহঁতক আহোম পুৰুষসকলে বিহুৰ গীত, নাচ শিকাই বিহু পাতিবলৈ পঠাইছিল বুলি ভাবিব নোৱাৰি।

গাভৰুহঁতৰ ৰাতিবিহু আৰু দিনৰবিহু বাঁহৰ ট'কা, গগণা আৰু হাত চাপৰিৰ তালে তালে বিহু গীতৰ সুৰে সুৰে কৰা হৈছিল। ডেকাহঁতে গাভৰুৰ ৰাতিবিহু চাবলৈ যোৱাটো নিয়ম নহয়। দিনৰ বিহুত ডেকাসকলে আঁতৰৰ পৰাহে চাইছিল। এই বিহু আৰু লগতে ইয়াৰ আনুষঙ্গিক বাদ্য বাঁহৰ ট'কা, গগণা আৰু বিহু নৃত্যও অতীতৰ পৰাই প্ৰচলিত আছিল।

নামনি অসমৰ বড়ো জনজাতিৰ লোকসকলৰ মাজত এতিয়াও তিনিওটা বিহুৰ প্ৰচলন আছে। বহাগৰ বিহুৰ গীত-মাতবোৰ চুতীয়াসকলৰ লগত কেনে মিল আছে আগতে দেখুৱা হৈছে। এই বড়োসকলৰ মাজত আহোমৰ প্ৰভাৱ কেতিয়াও পৰা নাই। গতিকে এই গীতবোৰ একাৰ্থক আৰু একে ধৰণৰ হোৱাই প্ৰমাণ কৰে যে সেইবোৰ সুদূৰ অতীতৰ আৰু বড়ো বা চুতীয়াসকল সৌমাৰ খণ্ডত থাকোতেই বা তাৰ আগতেই আৰম্ভ হোৱা।

১৯৮৮ চনৰ ৮ এপ্ৰিলৰ বিহুৰ পৰম্পৰা নামৰ প্ৰবন্ধত ড° হেমন্ত কুমাৰ শৰ্মাই লিখিছে— "অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত কৃষি-উৎসৱ উপলক্ষে এতিয়াও ভালেমান নৃত্য গীতৰ প্ৰচলন দেখা যায়। এনে নৃত্য গীতৰ লগত বিহুৰ বাদ্য ঢোল, ট'কা, গগণা আদিও যে বজোৱা হৈছিল তলত উল্লেখ কৰা দুফাকি বিহু গীতৰ পৰাই অনুমান কৰিব পাৰি।

"নগাৰে চাঙতে পেপাটি বজালে
ডফলাই ধৰিলে ট'কা,
মিকিৰ বৰেচাঙত বজায় বৰে কাঁহী
ভৈয়ামত বজালে ঢোল।"

ই যিকি নহওক আদিম কৃষি-উৎসৱৰ পৰাই কালক্ৰমত নৃত্য-গীত প্ৰধান বিহু

উৎসৱৰ উৎপত্তি হয়।*[১]

এতিয়া কথা হ'ল অসম ব্ৰহ্মদেশৰ ঢোল-পেপা আৰু বিহুৰ গীত, সুৰ কেনেকৈ একে হ'ব পাৰে? এই ক্ষেত্ৰত ইয়াকে ক'ব পাৰি যে চুতীয়াসকল সৌমাৰ খণ্ডত প্ৰায় চাৰি হেজাৰ বছৰ আগৰেপৰা থকাত এটা ৰাজকীয় জাতিৰ চিন্তা-চৰ্চাৰ মাজত উৎকৰ্ষ সাধিত হৈ সংস্কৃত ৰূপ লৈছিলগৈ। ব্ৰহ্মদেশৰ পৰা স্বৰ্গদেও চুকাফাৰ লগত অহা টাই আহোমসকলেই প্ৰথম লোক নহয়। বৰঞ্চ ব্ৰহ্মদেশ, চীন, তিব্বত, ইণ্ডোচীন আদিৰ লগত সুদূৰ অতীতৰ পৰাই অসমৰ যাতায়ত আছিল; আৰু বাণিজ্যিক লেনদেনো আছিল। এই কথা আগতে উল্লেখ কৰা হৈছে।*[২]

আনহাতে আহোমসকল অহাৰ আগতেও সৌমাৰ খণ্ডৰ লগত চীন ব্ৰহ্মদেশ আদিৰ যাতায়ত আছিল। এনে স্থলত চুতীয়াসকলৰ মাজত উৎকৰ্ষ লাভ কৰা বিহু সংস্কৃতিৰ প্ৰভাৱ ব্ৰহ্মদেশৰ মানুহৰ ওপৰতো পৰাটো একো অসম্ভৱ নহয়। সেই লিখকে এটি বিহু গীতৰ উল্লেখ কৰিছে —

> "মান দেশত আছিলে মান তৰা এযুৰি
> আছিলে নৰীয়াত পৰি,
> যেতিয়া শুনিলে বিহুৰে বতৰা
> আহিলে লাখুতি ধৰি।"

গীতটিয়ে মানসকলৰ মাজত বিহুৰ প্ৰতি থকা আকৰ্ষণৰ কথা কোৱাটো ঠিক কিন্তু সেই বিহু সৌমাৰ খণ্ডৰ চুতীয়াৰ বিহুহে।

ইত্যাদি নানা ফালৰ পৰা বিচাৰ কৰিলে বিহু যে বড়োসকলৰ অৱদান আৰু সৌমাৰ খণ্ডৰ চুতীয়াসকলৰ মাজত বিৱৰ্তনৰ মাজেদি সংস্কৃত হৈ আজিৰ অৱস্থা পাইছেগৈ এইটো সহজে বুজিব পাৰি।

এই ক্ষেত্ৰত শ্ৰীমেদিনী মোহন চৌধুৰীয়ে নিজমতৰ সমৰ্থনত ১৯৮৮ চনৰ ৬ মে তাৰিখৰ অসমবাণীত লিখা প্ৰবন্ধটোৰ কিছু উদ্ধৃতি তলত দিয়া হ'ল।

"বিহুৰ সুৰ যে থাইলেণ্ডৰ পৰা অহা নাই (নে ইয়াৰ পৰা তালৈ গৈছিল?) সেইটো সঙ্গীতৰ ওজা কীৰ্তিনাথ শৰ্মা বৰদলৈদেৱে কৈ গৈছে। তেখেতৰ মতে বিহু গীতৰ সুৰ বড়োমূলীয়া। বিহুৰ প্ৰাচীন সুৰ সম্প্ৰতি নাই। নতুনকৈ বাদ্য কিছুমানো সংযোজিত হৈছে। বিহুৰ ধাৰণাও বদলিছে। মুঠতে আদিম বিহুৰ 'ব' টোও নাই এতিয়া। বিহুপতা সমাজখনেই নতুন হৈছে সম্প্ৰতি। গণেশগুৰিৰ সাতবিহুলৈ গুৱাহাটীৰ তথাকথিত ভদ্ৰ সমাজৰ কোনেও নগৈছিল; আৰু আজি?"

"এটা কথা মনত ৰখা উচিত যে বড়োগোষ্ঠী ethnological integrity থকা জাতি নহয়। বড়োগোষ্ঠী আৰ্য গোষ্ঠীৰ দৰেই এটা ভাষাগত গোষ্ঠীহে। এওঁলোকে খেতিৰ

---

১ *অসমবাণীৰ বিহু সংখ্যা — (১৮/৪/৮৮) ডঃ হেমন্ত কুমাৰ শৰ্মাৰ প্ৰবন্ধ।*

২ *Cultural History of Assam. — B.K. Baruah — page 6. Assam the Indian Conflict — Mohesh Joshi — Page 1 & 11.*

কাম আৰম্ভ কৰিছিল বহাগত আৰু খেতি চপাইছিল পুহ মাহত। গতিকে পুহৰ পৰা বহাগলৈ খেতিৰ কাম নথকা সময়খিনি আছিল উৎসৱ আনন্দৰ সময়। এই সময়টোত যাৰে যেতিয়াই মন যায় বা সুবিধা হয় বিহু পাতিছিল। আহিনত ৰোবা শেষ। খেতিয়কে অকণ আহৰি পায়। মনত উদ্বেগো থাকে খেতি বা কেনে হয়। সেই সময়তে তেওঁলোকে নতুন বছৰ আৰম্ভ কৰে। বহুত নতুন কাম আৰু লগে লগে শস্যৰ সমৃদ্ধি কামনা কৰি চাকি জ্বলায়। মাইনাও শ্ৰীগ্ৰিমবুদা পূজা পাতে। সেয়ে এতিয়াৰ কাতি বিহু হ'ল। তিব্বত-বৰ্মী মঙ্গোলয়ডসকলৰ নতুন বছৰৰ এই উৎসৱৰে গইনা লৈ কবি কৃত্তিবাসে শাকম্বৰী দুৰ্গাৰ অকাল বোধনৰ কল্পনা কৰিছিল বুলি ধাৰণা কৰা হয়।"

"বড়োগোষ্ঠীৰ লোকেই বিহুৰ উদ্ভাৱক আছিল গুণে অসমৰ আদিমতম্ শাসক গোষ্ঠীৰ অন্যতম চুতীয়াসকলৰ বুৰঞ্জীত বিহু উদ্‌যাপনৰ উল্লেখ আছে। কিন্তু টাই আহোমসকলৰ বুৰঞ্জীত ক'তো তেনে উল্লেখ নাই; যদিও বুৰঞ্জী প্ৰণয়নত আমাৰ টাই আহোমসকলেই ভাৰতবৰ্ষৰ বাটকটীয়া স্বৰূপ।"

"তেখেতসকলে অসমলৈ আহিছিল বখ্‌তিয়াৰ খিল্‌জিৰ দলটোৰ দৰে। কোনো জনপ্ৰবাহ হৈ অহা নাছিল। একান্ত নিজস্ব আৰু প্ৰাচীন প্ৰজ্ঞাৰ মূল্যবোধ বৰ্তাই ৰাখিবলৈ সংখ্যাত তাকৰ হোৱাত সেই সকলৰ উপায়ো নাছিল। ফলত ভাষা লৈছিল ইয়াৰ, বিহু লৈছিল ইয়াৰ, সংস্কাৰ লৈছিল ইয়াৰ, ঢোল বজাইছিল ইয়াৰ। নিজৰ প্ৰাচীনবোৰ বাদ দি অসমৰ বোৰকে নিজা কৰি লৈছিল।"

"বৰষুণ, শস্যৰ সমৃদ্ধি, এনেবোৰ কামনা কৰি পুৰুষ আৰু মহিলাই নাচি গীতগোৱা প্ৰথা তিব্বত-বৰ্মী জনগোষ্ঠীৰ; বিশেষকৈ বড়ো, কোঁচ, ৰাভা আদি জাতিৰ অতিশয় প্ৰাচীন প্ৰথা। উত্তৰ-পূব ভাৰতৰ একমাত্ৰ তিৱা সকলক বাদে সকলো আদিম জাতিৰে মহিলা সকলেও নাচ-গীতত অংশ গ্ৰহণ কৰে। কাৰ্বি সকলৰ পুহ মাঘত পতা জগুৱা নাচত মহিলাই নচা পুৰুষ সকলৰ খোৱাৰ পৰিবেশন কৰাৰ নিয়ম আছিল।"

"বড়োগোষ্ঠীৰ সোণোৱাল, ঠেঙাল, চুতীয়া, দেউৰী, মৰাণ আদি লোকৰ পৰাই টাই আহোম সকলে বিহুটো লৈছিল যেন অনুমান হয়, কিয়নো আহোম প্ৰশাসনৰ সেনানী আৰু সাধাৰণ লোকৰ সৰহ সংখ্যক আছিল বড়োগোষ্ঠীৰ উক্ত লোকসকল।"

"পশ্চিমৰ পৰা অহা হিন্দু মুছলমান সকলেতো বিহু বহু দিনলৈকে সমাজত গ্ৰহণীয় বুলি গণ্য কৰা নাছিল।"*১

বড়োগোষ্ঠীৰ সোণোৱাল, মৰাণ, দেউৰী আদি সকলো চুতীয়াই। গতিকে বিহু বড়োগোষ্ঠীৰ মাজতেই প্ৰথমে সৃষ্টি হৈ সৌমাৰ খণ্ডৰ চুতীয়াসকলৰ লোক-সংস্কৃতি হিচাপে উদযাপিত হৈছিল আৰু চুতীয়াসকল এটা শাসক জাতি হোৱাত তেওঁলোকৰ মাজতে এই বিহুৰ বিবৰ্তনৰ পথেদি উৎকৰ্ষ, আৰু সমৃদ্ধিহে সৌন্দৰ্যশালী হৈছিল। চুতীয়া ৰাজ্যত এইদৰে অন্যান্য কৃষ্টি-কলাৰো উৎকৰ্ষ হৈছিল।

---

১ *প্ৰবন্ধটোৰ অংশ বিশেষ অসমবাণীৰ ১৯৮৮ চনৰ ৬ মে তাৰিখৰ কাকতৰ পৰা উদ্ধৃত কৰা হৈছে।*

বিহু আজি সমগ্ৰ অসমৰ লোক-সংস্কৃতি। যি সংস্কৃতি এসময়ত জনজাতীয় সকলৰ বাহিৰে অন্যৰ নিন্দনীয় আছিল সেই সংস্কৃতিয়ে আজি সমগ্ৰ অসমৰ আদৰণীয় হৈ একতাৰ ভেটি দৃঢ় কৰাটো অতি আনন্দৰ কথা।

"বিহু আজি কেৱল কৃষিজীৱী গাঁৱলীয়া লোকৰেই উৎসৱ হৈ থকা নাই, বিহু উৎসৱৰ স্থানো আজি নৈ, চাপৰি চৰণীয়া পথাৰ আঁহতৰ তল, বাৰীৰ চুক, বননি বা পৰ্বত পাহাৰতেই সীমিত হৈ থকা নাই; আজিৰ বিহু কালৰ বিৱৰ্তনত এনেবোৰ নৈসৰ্গিক স্থান আৰু সত্ৰ, ৰাজ হাউলি, গছকি নগৰৰ হেজাৰ হেজাৰ জনতাৰ মাজত সমাজৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। আজিৰ সমাজে বিহুত লাগি থকা ধূলি-মাকতিবোৰ ধুই নিকা কৰি তাত নিহিত হৈ থকা প্ৰাণ স্পন্দনকাৰিণী শক্তিক আদৰিবলৈ যত্ন কৰিছে। প্ৰকৃততে স্বাধীনতাৰ পিছত অৰ্থাৎ এই শতিকাৰ ষষ্ঠ দশকৰ প্ৰথম ভাগৰ পৰা বিহু বিশেষকৈ ৰঙালী বিহু উৎসৱে এটি নতুন ৰূপ লোৱা পৰিলক্ষিত হৈছে।"*[১]

বৃহত্তৰ অসমীয়া সংস্কৃতিলৈ চুতীয়াসকলৰ এই অৱদানৰ বাবে চুতীয়াসকলে চিৰদিনেই গৌৰৱবোধ কৰিব।

## দেউকুবেৰ উৎসৱ

চুতীয়াসকলে অতীতৰে ফাগুন মাহৰ কৃষ্ণা চতুৰ্দ্দশীৰ দিনা কুবেৰৰ যজ্ঞ কৰিছিল।*[২] কুবেৰৰ সেৱা আৰাধনাৰ ফলতে অপুত্ৰক বীৰবৰ পত্নী ৰূপৱতীয়ে পুত্ৰ লাভ কৰিছিল। কুবেৰৰ স্বপ্নাদেশ মতেই বীৰবৰে যজ্ঞস্থলীৰ গছৰ তলত খান্দি ঢাল, তৰোৱাল, সোণৰ মেকুৰী আৰু এঘাগৰী ধন-সোণ পাইছিল আৰু ইয়াৰ ফলতেই বীৰবৰৰ ৰাজ্য লাভ হৈছিল আৰু বীৰবৰ বংশৰ চুতীয়া ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। তেতিয়াৰ পৰাই কুবেৰ প্ৰদত্ত সেই ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী বীৰবৰ পত্নী ৰূপৱতীয়ে ধুপ বন্তি জ্বলাই পূজা কৰিছিল। চুতীয়াসকলে এতিয়াও সেই সম্পদকেইটিক চুতীয়া জাতিৰ সৌভাগ্যৰ প্ৰতীক বুলি গণ্য কৰে। চুতীয়াসকলে এতিয়াও ক'লা মেকুৰী মাৰিব নেপায় বুলি বিশ্বাস কৰে আৰু ক'লা মেকুৰী মাৰিলে সিপুৰীত গৈ সোণৰ মেকুৰী দিবগৈ লাগিব বুলি সৰ্বসাধাৰণে বিশ্বাস কৰে।

---

১ *বিহু উৎসৱৰ পৰম্পৰা — ডঃ হেমন্ত কুমাৰ শৰ্মা (১৯৮৮ চনৰ ৮ এপ্ৰিল তাৰিখৰ অসমবাণী) পৃঃ ১৭-১৮*

২ *ছোট কোঁৱৰৰ বুৰঞ্জী — সম্পাদনা — কোবেশ্বৰ বৰুৱা এম,এ, — পৃঃ ২।*

কুবেৰৰ আশীৰ্বাদত বীৰবৰৰ সন্তান হোৱাৰ বাবেই চুতীয়া সকলে নিজকে কুবেৰৰ সন্তান বুলি গণ্য কৰাৰো কিম্বদন্তী আছে।

বীৰবৰ বা বীৰপালৰ সন্তান ৰত্নধ্বজ পালে কুবেৰ প্ৰদত্ত সম্পদৰ দ্বাৰাই শক্তিশালী হৈ ইখন ৰাজ্যৰ পাছত সিখন ৰাজ্য জয় কৰি এখন বিশাল চুতীয়া ৰাজ্য স্থাপন কৰিছিল। তেওঁৰ ৰাজ্যৰ সীমা গৈ পশ্চিমে গৌৰ ৰাজ্যৰ সীমা চুইছিলগৈ।

দেউকুবেৰৰ আশীৰ্বাদতে তেওঁলোকৰ শক্তি আৰু ৰাজ্য লাভ হোৱা বুলি প্ৰতি বছৰে মাঘৰ পূৰ্ণিমা তিথিৰ দিনা ৰত্নধ্বজ পালে সেই সম্পদ কেইটা সুসজ্জিতভাবে স্থাপন কৰি ৰাজহুৱাভাৱে সেৱা সৎকাৰ কৰি দেউকুবেৰ আৰু জাতিৰ পূৰ্বপুৰুষ সকলৰ গুণানুকীৰ্তন কৰিছিল।

## চুতীয়াৰ শেষৰাণী বীৰাঙ্গণা সতী সাধনীৰ তিৰোধান তিথি সতী সাধনী উৎসৱ

আহোমৰ লগত শেষ ৰণত চুতীয়া ৰজা নীতিপালৰ মৃত্যুৰ পাছত আহোম সেনাপতি কনচেং বৰপাত্ৰ গোঁহায়ে চুতীয়া ৰজা নীতিপালৰ মহিষী ৰাণী সাধনীক চুতীয়াৰ কুবেৰদত্ত ৰাজ সম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰীৰে সৈতে আত্মসমৰ্পণ কৰিবলৈ আদেশ দিয়ে; কিন্তু বীৰাঙ্গণা ৰাণী গৰাকীয়ে সেই আদেশ আওকাণ কৰি যুদ্ধ চলাই যায়। কিন্তু যুদ্ধত পৰাজিত হৈ আত্মৰক্ষা আৰু প্ৰাণতকৈও অধিক প্ৰিয় চুতীয়া জাতিৰ চিৰ পূজিৰ পবিত্ৰ কুবেৰ প্ৰদত্ত ৰাজ সম্পদ আৰু নিজৰ স্বাধীনতা, সতীত্ব আৰু পবিত্ৰতা ৰক্ষাৰ অন্য কোনো উপায় নেদেখি, বীৰাঙ্গণা সতী গৰাকীয়ে কুবেৰ প্ৰদত্ত ৰাজ সম্পদ বুকুত বান্ধিলৈ চন্দনগিৰি পৰ্বতৰ শিখৰৰ পৰা তলৰ কুণ্ডত জপিয়াই পৰি আত্মোৎসৰ্গ কৰে; আৰু সিদিনাৰ পৰাই চুতীয়া জাতিৰ স্বাধীনতাৰ গৌৰৱ ৰবি কাৰ্যতঃ চিৰদিনৰ বাবে অস্ত যায়।

সিদিনা আছিল সাত বহাগ। এই দিনটো প্ৰকৃততে চুতীয়া জাতিৰ বাবে অতি দুঃখ আৰু বেদনাৰ দিন।

কিন্তু সিদিনাই এগৰাকী মহীয়সী নাৰীয়ে নিজৰ জীৱনৰ মমতা, আহোম ৰজাৰ ৰাজ মহিষী হৈ সুখত জীৱন কটোৱাৰ প্ৰলোভন, হাঁহিমুখে ত্যাগ কৰি, নিজৰ সতীত্ব আৰু পবিত্ৰতাকেই নহয়, চুতীয়া জাতিৰ চিৰ পূজিত কুবেৰ দত্ত সম্পদৰ পবিত্ৰতাও ৰক্ষাৰ বাবে আত্মোৎসৰ্গ কৰি চুতীয়া জাতিৰ বাবে জগতত ত্যাগ, মহান আদৰ্শ আৰু আত্মোৎসৰ্গৰ গৌৰৱময় এখন সুকীয়া ৰাজ্য প্ৰতিষ্ঠা কৰি যায়। সেইবাবে চুতীয়া জাতিয়ে এই দিনটোক চিৰপূজ্যা মাতৃগৰাকীৰ তিৰোধান তিথি হিচাপে পালন নকৰি "সতী সাধনী

উৎসৱ" হিচাপে পালন কৰে; যেন সেই মহীয়সী নাৰী আৰু বীৰাঙ্গণা মাতৃ গৰাকীৰ আদৰ্শ চুতীয়া জাতিৰ মাজত, তথা সমগ্ৰ মানৱ জাতিৰ মাজত দেশপ্ৰেম, ত্যাগ, পৱিত্ৰতা, সতীত্ব আৰু আত্মোৎসৰ্গৰ উৎস হৈ থাকে।

## অন্যান্য নৃত্যানুষ্ঠান

**দেওধনী নৃত্য ঃ** বড়ো বা চুতীয়া গোষ্ঠীৰ কোঁচ, কছাৰী, ৰাভা, বড়ো আদি প্ৰায় সকলো জনজাতিয়ে এসময়ত নৰবলি দি কেঁচাইখাতীৰ পূজা কৰিছিল। এই পূজাৰ সময়ত দেওধনীয়ে তেওঁৰ সত্বা দেৱতাৰ লগত বা দেৱীৰ লগত বিলীন কৰি দি নাচিছিল। এনেদৰেই দেওধনী নৃত্যৰ উৎপত্তি হৈছিল। দেৱীক সন্তুষ্ট কৰাই আছিল এই নৃত্যৰ উদ্দেশ্য। সময় পাৰ হোৱাৰ লগে লগে এই নৃত্য বৰ্তমান বিভিন্ন জনগোষ্ঠীৰ মাজত নৃত্য হিচাপেহে জীয়াই আছে।

চুতীয়াসকলে বিহু পূজাৰ আৰম্ভণিৰ সময়ত এই নৃত্য কৰিছিল আৰু ই বিহু পূজাৰ আৰম্ভণিৰ বিশেষ নৃত্য আছিল। বিহু কৃষি ভিত্তিক ঋতুৰ উৎসৱ হ'লেও এই বিহুনৃত্য চুতীয়াসকলে আৰু তেওঁলোকৰ পুৰোহিত দেউৰীসকলে তেওঁলোকৰ পূজাৰ থলীৰ পৰাহে আৰম্ভ কৰিছিল। বিহু বা বিহুনৃত্যৰ উদ্দেশ্য হ'ল ইয়াৰ দ্বাৰা তেওঁলোকৰ আৰাধ্য দেৱ-দেৱী, গিৰা-গিৰাচীক বা শিৱ-পাৰ্বতীক সন্তুষ্ট কৰা। সেইবাবে চুতীয়াৰ পূজাৰী দেউৰী সকলে এসপ্তাহৰ আগৰেপৰা মন্ত্ৰ মাতি স্বৰ্গৰপৰা দেৱীক নমায়। সময় পাৰহৈ যোৱাৰ পাছত এই নিয়মৰ বহুত ব্যতিক্ৰম হৈছে।

আগতে ৰাতিবিহু বা দিনবিহু আৰম্ভ কৰোতে পূজাৰ থলীত প্ৰথমে দেওধনীয়ে নৃত্য কৰিছিল। কেইবাজনীও ছোৱালীয়ে চুলি মেলি এই নৃত্য কৰিছিল। তেতিয়া তেওঁলোকৰ গাত গোসানী লম্ভা বুলি ভবা হৈছিল আৰু তেওঁলোকে ভূত-ভৱিষ্যতৰ কথা কৈছিল। ইয়াৰ পাছতহে ৰাতিবিহু বা দিনবিহু পতা হৈছিল। পাছৰ যুগত চুতীয়াৰ দিনবিহু বা ৰাতিবিহু পূজাৰ থলীৰ পৰিৱৰ্তে আগতে নিৰ্দিষ্ট কৰা ঠাইৰ পৰাহে আৰম্ভ কৰা হয় আৰু দেওধনী বিশেষ নৃত্য হিচাপেহে ৰৈ যায় আৰু চুতীয়াৰ পুৰোহিত দেউৰীসকলৰ মাজতে আবদ্ধ থাকে।

**দেওউঠা নৃত্য ঃ** অতীতত চুতীয়াসকলে গোসানীৰ থানত নৰবলি দিয়াৰ কথা আগতে লিখা হৈছে। পাছত নৰবলি প্ৰথা বন্ধ হ'লেও হাঁহ, পাৰ, ছাগলী, ম'হ আদি গোসানীৰ থানত বলি দিয়াৰ প্ৰথা এতিয়াও চলি আছে। সেই থানবোৰত পূজাৰ সময়ত এতিয়াও দেও উঠে আৰু বাদ্যৰ তালে তালে নৃত্য কৰে। দেওবোৰে সাধাৰণতে চুৰীয়া, এণ্ডাচোলা বা পাঞ্জাবী পিন্ধে, কঁকালত টঙালি বান্ধে। সাধাৰণতে দেও উঠে। কিন্তু গাত

গোসানী লম্ভিলে দূৰ-দূৰণিৰ গাঁৱৰ পৰাও কোনো ছোৱালী বা তিৰোতা মানুহে গোসানীৰ পূজাৰ থানলৈ নাচি নাচি আহে আৰু গোসানীৰ আগত নৃত্য কৰে; ভূত-ভৱিষ্যতৰ কথা কয়।

উত্তৰ লক্ষীমপুৰৰ ঢকুৱাখানাৰ পৰা পাঁচ কিল'মিটাৰ পূবলৈ থকা হাৰ্হি দেৱালয়ত এতিয়াও হাঁহ, পাৰ, ছাগলী, ম'হ, আদি বলি দিয়া হয়; তাত বাৰ্ষিক দুৰ্গা পূজাৰ সময়ত সামূহিকভাৱে পূজা হয় আৰু বিভিন্ন ঠাইৰ পৰা যাত্ৰীসকল আহি হাঁহ, পাৰ, ছাগলী আদি উচৰ্গা কৰে। সেই পূজাৰ কেইদিন দেও উঠে আৰু দেওসকলে গোসাঁনীৰ আগত নৃত্য কৰে; ভূত-ভৱিষ্যতৰ কথা কয়। বৰ্তমান থানৰ পূজাৰী ব্ৰাহ্মণ হ'লেও তাত দেও উঠা দেওসকল চুতীয়া। প্ৰতি বছৰে সাধাৰণতে একেজনেই বা একে কেইজনেই দেও উঠে। সময়ত এই সকলৰ বদলিও হয়। এই বিষয়ে ধৰ্ম অধ্যায়ত, অধিক লিখা হৈছে।

বিহুনৃত্য ঃ চুতীয়া সকলৰ বিহুনৃত্য অতি প্ৰাচীন। এই নৃত্য ডেকা আৰু গাভৰু উভয়ে কৰে। কিন্তু সাধাৰণতে ডেকা গাভৰুৱে বেলেগে বেলেগেহে বিহু পাতে। ছোৱালীয়ে বৰমথুৰীৰে তামোল খাই ওঁঠ ৰঙা কৰে; মুগাৰ ৰিহা মেখেলা পিন্ধে, আৰু খোপাত কপৌফুল এপাহ গোলকৈ মেৰিয়াই লয়, হাতত জেতুকাৰ বোল লগায়।

ছোৱালীয়ে হাত চাপৰি বাঁহৰ ট'কা আৰু গগণাৰ তালে তালে, বিহুগীতৰ সুৰে সুৰে, একেলগে এজনী বা বহুজনীয়ে নৃত্য কৰে।

ছোৱালীৰ নৃত্যত লাজুক ভাব আৰু অতি মাৰ্জিত আছিল। নাচৰ সময়ত সাধাৰণতে কেতিয়াবাহে মুখ-চকু ওপৰলৈ কৰিছিল আৰু সেই ওপৰলৈ মুখ-চকু কৰাৰ মুহূৰ্তটো অতি প্ৰতিক্ষিত আছিল। নাচনীয়ে কেতিয়াবা কঁকালত হাত দি, কেতিয়াবা ওপৰলৈ বাহুৰ সমানলৈকে হাত তুলি, জেতুকা বোলোৱা হাতেৰে হাতবাউল দিয়াৰ দৰে, হাত ভাঙি নাচিছিল। কঁকাল হালে জালে কিন্তু ধীৰ; সেইদৰে বুকুৰ আন্দোলনো ধীৰ।

ডেকাৰ নৃত্য উদ্দাল। ঢোল, ম'হৰ শিঙৰ পেপা, বাঁহৰ ট'কা, গগণা, ঢোপচুঙা, বীণ, বাঁহী, তাল এইবোৰ হ'ল ডেকাৰ বিহুৰ বাদ্য। ডেকাৰ নৃত্য পুৰুষ সুলভ আৰু গাভৰুৰ প্ৰতি আকৰ্ষণৰ ইঙ্গিত ইয়াত থাকে। ই যৌন উত্তেজক।

ডেকাই চুৰীয়া, এঙাচোলা, মূৰত ৰঙা সেল দিয়া গামোচা আৰু কঁকালতো গামোচাৰে টঙালি বান্ধি লয়।

বৰ্তমান নগৰীয়া ৰঙ্গমঞ্চৰ বিহুনৃত্যত ডেকা-গাভৰুৱে একেলগে নাচে আৰু উভয়ৰে নৃত্য যৌন আবেদনশীল। গাভৰুৱে মুখ ওপৰলৈ তুলি ডেকালৈ চাই চাই বুকু দাঙি নৃত্য কৰে; আৰু ডেকায়ো তাৰ সহাৰি দিয়ে, উৎফুল্লিত হৈ নাচে; ই বৰ্তমান পৰিবৰ্তিত অৱস্থাৰ অবদানহে। ই চুতীয়াৰ প্ৰাচীন লোক-সংস্কৃতি নহয়।

চুতীয়াৰ দেউৰী, মিচিং আদি সকলেও এই বিহুনৃত্য কৰে। তেওঁলোকৰ ঢোলৰ বোল আৰু নৃত্যত সামান্য পাৰ্থক্য আছে।

বৰ্তমান মুকলি বিহু চুতীয়াসকলৰ বাহিৰেও অসমৰ সকলো জাতিৰ লোকৰ মাজত প্ৰচলিত হৈছে। সেইটো বৰ্তমানৰ পৰিবৰ্তন।

হুচৰী নৃত্য ঃ গিৰা-গিৰাচিৰ সন্তুষ্টিৰ বাবেই এই নৃত্যৰ আয়োজন কৰা হৈছিল। প্ৰবাদমতে গিৰা-গিৰাচি বা শিব-পাৰ্বতীয়েই বিহুৰ শ্ৰষ্টা। সেয়েহে তেওঁলোকৰ সন্তুষ্টিৰ বাবে দেবালয়তে এই হুচৰী প্ৰথমে আৰম্ভ কৰা হৈছিল। দেবালয়ৰ হুচৰী শেষ হ'লে দেবালয়ৰ পূজাৰীয়ে ৰাইজৰ ববিয়াকৈ এখন শৰাই দিয়ে; তাৰ পাছতহে গাঁৱৰ অন্য মানুহৰ ঘৰত হুচৰী গাবলৈ যায়। প্ৰত্যেক মানুহৰ ঘৰতে গায়, দুখীয়া নিচলা কাকো বাদ নিদিয়ে।

আজিকালি হুচৰী দেবালয়ৰ পৰা আৰম্ভ নকৰে; পূৰ্বে নিৰ্দিষ্ট কৰা মতে যিকোনো এঠাইৰপৰা আৰম্ভ কৰে। এই ব্যতিক্ৰম সময়ৰ লগে লগে পাছৰ যুগত হোৱা বুলি অনুমান কৰিব পাৰি।

## বাদ্য

প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথে Background of Assamese Culture নামৰ গ্ৰন্থত বড়ো জাতিৰ বিষয়ে লিখোতে লিখিছে—

In art they were experts in Song and dances and music and fond of bronge gongs, cymbals and big drums. They reared silk cocuns and spun fine yarn out of them and made lusturous cloth dyed with blue, red and yellow pigments.

গতিকে চুতীয়াসকল যে এইবিলাক বিষয়ত সিদ্ধহস্ত আছিল সেইটো এতিয়াও তেওঁলোকৰ মাজত প্ৰচলিত থকা লোক-সংস্কৃতিৰ পৰাই অনুমান কৰিব পাৰি।

চুতীয়াসকলৰ বাদ্যসমূহ হ'ল— ঢোল, তাল, ম'হৰ শিঙৰ পেপা, বাঁহৰ ট'কা, গগণা, বীণ, ঢোপচুঙা, বাঁহী, সুতুলি, টোকাৰী, ৰামতাল, কৰতাল ইত্যাদি।

## লোক-সাহিত্য

চুতীয়াসকলৰ লোক-সাহিত্যৰ ভিতৰত বনগীত, বিহুগীত, আইনাম, বিয়ানাম, ফুলকোঁৱৰ মণিকোঁৱৰৰ গীত, মালিতা গীত, জনাগাভৰুৰ গীত, ঢোলৰ মালিতা, নিচুকনি গীত, বিভিন্ন মন্ত্ৰ এইবোৰ ধৰিব পাৰি।

**বনগীত ঃ** বনগীতবোৰ ঘৰৰপৰা আঁতৰত পথাৰ বা হাবিৰ মাজত, পথাৰ ৰখীয়া, ম'হ ৰখীয়াইঁতে অতি দীঘলকৈ উকিমাৰি গোৱা গীত। এই গীতৰ লক্ষ্য হ'ল দূৰতে বা ঘৰতে থাকিও যেন গায়কৰ প্ৰেয়সীয়ে বা তেনে শ্ৰোতাই শুনিবলৈ পায়। এইবোৰ সকলো প্ৰেমগীত। বনগীতৰ মাজেদি গাঁওতাৰ অন্তৰৰ আবেগ-অনুভূতি, বেদনা প্ৰকাশ কৰা হয়; আৰু সম্ভৱ হ'লে তেনেদৰে অন্য বান্ধৱীৰ লগত পথাৰত ধান দাই বা নিৰাই থকা প্ৰেয়সীয়েও গীতেৰেই গীতবোৰৰ প্ৰত্যুত্তৰ দিয়ে।

যেনে ঃ— ডেকাই গায়—

প্ৰথমে ঈশ্বৰে পৃথিৱী স্ৰজিলে
দ্বিতীয়ে স্ৰজিলে জীৱ,
সেইজন ঈশ্বৰে পীৰিতি কৰিলে
আমিনো নকৰিম কিয়!
তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুত পদুমৰ চকা,
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি হেন
ৰেচমৰ কাপোৰে ঢকা।
তোমাক চাই আমনি নেলাগে লাহৰী
নেখালে নুগুচে ভোক,
যেন সৰি যাব পকা সুমথিৰা
দলিয়াই দি যাবা মোক।
কিনো খাই পাহৰিম তোকে অ' লাহৰী
কিনো খাই পাহৰিম তোক,
মিচিমি আহিব বৰে বিহ আনিব
তাকে খাই পাহৰিম তোক।

সেইদৰে কোনো দূৰণিত বান্ধৱীৰ লগত পথাৰত থকা গাভৰুৱে প্ৰত্যুত্তৰত গায়—

ম'হৰ শিঙৰ পেপাটি নবজাবি ককাইটি
মোৰে মন উকণ্ডা কৰে,
পেপাৰে মাতে শুনি ৰবকে নোৱাৰো
হাতৰ বনে সৰি পৰে।
দিহিং নৈ ভেটিলে জেঙে ঐ জাবৰে
সোৱণশিৰি ভেটিলে কিহে
ভগা খোলাকটি কুমাৰে গঢ়িলে
যৌৱন গঢ়ি দিলে যিহে।
লুইতৰে বালি বগী ধকেধকী
কাছুই কণী পাৰে লেখি

গাতে জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক ম'হৰ পিঠিত দেখি।
নৈ চেঙেলীয়া গৰা কুমলীয়া
জৰা কুমলীয়া পাত,
শুনো শুনো বুলি থাকো কাণে পাতি
ধনৰ মোহনীয়া মাত।
ডিবৰুৰ আগলি নৈ ভেঙুৰীয়া
উটোৱাই পঠিয়াও ভুৰ,
ধনলৈ বুলি তামোল দি পঠিয়াও
পাণত চিন দি যাওঁ মোৰ।

এইবোৰত সঘনে উল্লেখ কৰা সোৱণশিৰি, লুইত আৰু ডিবৰু, ম'হৰ শিঙৰ পেপা, মিছিমি, বৰবিহ, ভুৰ উটোৱা, এইবোৰ শব্দই প্ৰমাণ কৰে যে গীতবোৰ ৰচনাৰ স্থান চুতীয়া ৰাজ্য ক্ষেত্ৰ আৰু ই চুতীয়াসকলৰ পৰম্পৰাগত গীত আৰু ই এতিয়াও গ্ৰাম্য সমাজত জীৱন্ত, লোক-সংস্কৃতি।

**বিহু গীত ঃ** বিহু গীতবোৰ বিহু মৰাৰ সময়তহে গোৱা হয়। সেইবোৰ মাৰ্জিত আৰু তাৰ সুৰ চুটি চুটি। কেতিয়াবা এটা গীত এটা সুৰত গোৱাৰ পাছত অন্য সুৰত গোৱা অন্য এটা গীতৰ তালত নাচে। কেতিয়াবা গীতৰ শেষত ঢোলত চাপৰ মাৰে আৰু তাৰ লগত ডেকা বা গাভৰু বা উভয়ে এজন বা বহুজনে বা বহুজনীয়ে নাচে। ডেকা-গাভৰুৰ বিহুৰ বিষয়ে বিহু অধ্যায়ত আলোচনা কৰা হৈছে।

এই বিহু গীতবোৰৰ দুটা ভাগ আছে। এটা ভাগ গীত আৰু আনটো ভাগ জাত। একেটা জাতকে কেইবাটাও গীতৰ লগত গাব পাৰি। জাতো বেলেগ বেলেগ আছে। তলত কেইটামান উদাহৰণ দিয়া হ'ল--

ঢোলৰে বৰতি, আই ঐ জালি জাপি,
টিলা সমনীয়া, আই ঐ জালি জাপি,
ঢোলৰে বৰতি টিলা হেই;
আই ঐ নো জালি জাপি ঐ
আকৌনো জালি জাপি ঐ
ভাঙোনো শলি কাঠি ঐ
গৰকাতে ভাঙি যাওঁ ভৰি।
কালিৰে এ পৰা, আই ঐ জালি জাপি,
ভাতে নাইকীয়া, আই ঐ জালি জাপি,
কংকালৰ কাচুটি টিলা হেই;
আই ঐ নো জালি জাপি ঐ
আকৌ নো জালি জাপি ঐ

ভাঙোনো সলি কাঠি ঐ
গৰকাতে ভাঙি যাওঁ ভৰি।

অন্য এটা —

আগলি বাঁহৰে, দিখৌ নদীৰ ওখ কুল,
লাহৰী গগণা, দিখৌ নদীৰ ওখ কুল,
বহি তাঁতৰ পাটত বাওঁ এ হেই;
দিখৌ নদীৰ ওখ কুল
খোপাত মাৰো কপৌ ফুল
হাততে ঐ জেতুকাৰ বোল।
আহেকি নাহেঅ', দিখৌ নদীৰ ওখ কুল,
মোৰে ঐ লাহৰী, দিখৌ নদীৰ ওখ কুল,
চিৰিপাতি মঙ্গলখন চাওঁ এ হেই;
দিখৌ নদীৰ ওখ কুল
খোপাত মাৰোঁ কপৌফুল,
ফুলি আছে পদুম ফুল
হাততে ঐ জেতুকাৰ বোল।

আৰু এটা —

বিহুৰে বিৰিণা, আহত পাত,
পাতে সমনীয়া, আহত পাত,
বিহুৰে বিৰিণা পাতে হেই;
আহত পাত পলাশ পাত
আইকণ অ' ওলাই মাত
যি হ'বৰ হৈছে শৰীলৰ গাত।
বিহু থাকে মানে, আহত পাত,
বিহুকে বিনাবি, আহত পাত,
বিহু গ'লে বিনাবি কাকে হেই;
আহত পাত পলাশ পাত
আইকণ অ' ওলাই মাত
যি হ'বৰ হৈছে শৰীলৰ গাত।

এই শেষৰ বাৰে বাৰে গোৱা অংশক জাত বুলি কোৱা হয় আৰু সেই অংশ অন্য বহু গীতৰ লগতো মিলাই গাব পাৰি। গাভৰুৰ বিহু আৰু বিহু গীতৰ লগতেই এনে ধৰণেৰে জাত মিলাই সাধাৰণতে গোৱা হয়। অৱশ্যে ডেকাৰ গীততো গায়।

এই বিহু গীতবোৰো প্ৰেম-বিৰহৰ গীতেই। কিন্তু ইয়াৰ মাজতো কিছুমানত জীৱনৰ গভীৰ উপলব্ধিৰ কথা আছে। তেনে দুই-এটি গীত উল্লেখ কৰা হ'ল।

তামোলৰ ঢকুৱা জোনাকী পৰুৱা
কিয় মনে মাৰি থাক,
থাকো মনে মাৰি লোকৰ ঘৰে বাৰী
কাইলৈ উলিয়াই দিব।
সৰুতে দেউতা জাকৈ সাজি দিলা
নালতে ধৰিলে ঘূণে,
নৈ পাৰে কৈ দিলা বিয়া কৰি
সৰুমাছ খোৱাব কোনে?

এইবোৰ সাধাৰণতে গাভৰুৱে গোৱা গীত। ডেকাৰ গীততো এনে গভীৰ ভাবৰ গীত আছে। ডেকাই গীত গাওতে এটা গীত গোৱাৰ শেষত ঢোলত চাপৰ মাৰে আৰু এই ঢোলৰ চাপৰৰ লগতহে নাচে।

বিহুৰ নৃত্য-গীতবোৰৰ মাজেদি সাধাৰণতে মনৰ বেদনা আৰু ভাৱকে প্ৰকাশ কৰা হয় আৰু ইঙ্গিতেৰে প্ৰিয়জনক বা প্ৰেয়সীক প্ৰেম নিবেদন কৰা হয়। আমি আগতে আলোচনা কৰিছো যে বিহু বড়ো বা চুতীয়াসকলৰ মাজত উদ্ভাৱন হোৱা আৰু অতি প্ৰাচীন। ই চুতীয়াসকলৰ মাজত উৎকৰ্ষ হৈ সৌন্দৰ্যশালী হোৱা। গতিকে বিহুৰ আনুসঙ্গিক বিহুৰ নৃত্য্-গীত অতি প্ৰাচীন আৰু চুতীয়াসকলৰ নিজস্ব সৃষ্টি। ই চুতীয়াসকলৰ বাবে এতিয়াও লোক-সংস্কৃতি। কিন্তু গীতবোৰ সময়ৰ পৰশ লাগি সদায় নতুন হৈছে আৰু সময়ৰ লগত ৰজিতা খুৱাই আধুনিক কৰা হৈ আছে।

আৰ্য গোষ্ঠীৰ লোকসকলে এই বিহু আৰু বিহু গীতক সিদিনালৈকে সদায় অশ্লীল বুলিয়ে বিবেচনা কৰিছিল আৰু সদায় নিন্দিত আছিল গতিকে এই গীতবোৰ চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে আৰু চুতীয়া জাতিৰেই সৃষ্টি ইয়াৰ অন্য কোনো প্ৰমাণৰ আৱশ্যক নাই। ইয়াৰ ভাব চুতীয়াৰ ভাষা চুতীয়াৰ প্ৰকাশৰ মাধ্যমো চুতীয়াৰ।

**আইনাম ঃ** চুতীয়াসকল অতীতৰ পৰাই দেৱীৰ উপাসক। ল'ৰা-ছোৱালীৰ অসুখ-বিসুখ হ'লে অন্য ঔষধপাতি খুওৱাৰ আগতে আই সকাম এভাগ কৰাটোৱেই চুতীয়াসকলৰ নিয়ম। এই আই সকামৰ তুতি প্ৰাৰ্থনাৰ প্ৰধান গীত হৈছে আইনাম। এই আই নামো অতি প্ৰাচীন আৰু চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে আৰু চুতীয়াসকলৰেই সৃষ্টি। অৱশ্যে আই নামবিলাকৰ কিছুমানৰ ৰচোতা বা সংগ্ৰাহক আৰ্যগোষ্ঠীৰ লোকো হ'ব পাৰে। কাৰণ পাছত মাতৃ পূজা আৰ্য গোষ্ঠীৰ লোকৰ মাজতো গৃহীত হৈছিল। কিন্তু ৰচনাৰ প্ৰধান উদ্দেশ্য হ'ল চুতীয়াৰ আই সকামত ভগৱতীক সন্তুষ্ট কৰিবৰ বাবে কৰা তুতি প্ৰাৰ্থনাহে। এই সংস্কৃতি চুতীয়া সংস্কৃতি।

আই নাম –

উজায়ে আহিলে আইৰে সাতে ভনী
বালিতে পাতিলে ৰভা
গোপিনীসকলে গাবকে নোৱাৰে
আয়ে লগাই দিয়া ঘোষা।

উজায়ে আহিলে আইৰে সাতে ভনী
বালিতে খপিলে ৰাতি
অজলা ঘাটেয়ে একোকে নাজানি
লগালে সুগন্ধি বাতি।

নাৱতে আনিলা ফুলৰে কৰণী
বঠাতে আনিলা দান,
কৈলাশত আছিলা আই ভগৱতী
শদিয়াত পাতিছা থান।

এই আই নামবোৰৰ মাজেদি ভগৱতী বা আই, লুইত বা সোৱণশিৰি নৈয়েদি উজাই অহাৰ কথা আৰু সোৱণশিৰিৰ বালিতে বাহৰ কৰি থকাৰ কথা আৰু শদিয়াত থান পতাৰ কথা কোৱা হৈছে। ইয়াৰ দ্বাৰাই সহজে অনুমান কৰিব পাৰি যে এই আই নামবোৰৰ ৰচনাৰ স্থান চুতীয়া ৰাজ্য ক্ষেত্ৰ। ইয়াৰ ভাষাও চুতীয়াৰেই।

আই নাম বহুত আছে। মুখে মুখে চলি অহা এই আই নামবোৰ বৰ্তমান সংগ্ৰহ কৰি ছপা কৰাও হৈছে। আৰু কেইটামান আই নামৰ ইয়াত উল্লেখ কৰা হ'ল।

দুখীয়াৰ ঘৰলৈ আই লোক আহিছে
দিবলৈ নাইকীয়া একো,
মূৰৰ কেশে চিণ্ডি পাৱ মলচিমে
দেহাৰ পাৰি দিমে শাকো।
দুখীয়াৰ পুতলাক আয়ে তুলি দিব
আইৰ মান মৰমী নাই,
আইৰ নাম শীতলা দুখীয়াৰ পুতলা
দি যোৱা বুকু জুৰাই।
গধূলিতে আই আহে পদূলিলৈ চাই,
মহামায়া আই আহে
সোণৰ বংশী বাই।
চহৰ ফুৰি আই আহে
জয় মালতী ফুল,
আম পাতৰ চাতি মাৰি
হৃদয় কৰে জুৰ।

এই আই নামবোৰৰ সুৰো বেলেগ বেলেগ আৰু অতি কোমল।

বৰ্তমান বহুতো লোকে আই নামৰ পুথি সংকলন কৰিছে। তেওঁলোক মৌখিকভাবে চলি অহা লোক গীতবোৰৰ সংগ্ৰাহকহে।

**বিয়া নাম ঃ** বিয়া নাম উজনী অসমৰ অবিভক্ত লক্ষীমপুৰ বা শিৱসাগৰ জিলাৰ বা অতীতৰ সৌমাৰ খণ্ডৰ বিয়াত আয়তীসকলে গোৱা গীত বা নাম। বিয়াৰ বিভিন্ন কাৰ্যসূচীৰ লগত ৰজিতা খোৱাই এইবোৰ ৰচনা কৰা। বৰ্তমানেও উজনী অসমৰ সকলো বিয়াৰে ই জনপ্ৰিয় গীত। বিয়া নাম নহ'লে উজনী অসমৰ বিয়াবোৰেই সেমেকা সেমেকা লাগে। এই বিয়া নামবোৰৰ বহুতবোৰ চুতীয়াসকলে আৰ্য পদ্ধতি গ্ৰহণ কৰাৰ পাছত ৰচনা কৰা ইয়াত কোনো সন্দেহ নাই। কিন্তু ৰচনাৰ স্থান অতীতৰ চুতীয়া ৰাজ্য আৰু কালো সেইদৰে সুদূৰ অতীততে আৰম্ভ হৈ এতিয়াও চুতীয়াসকলৰ মাজত চলি আছে আৰু সমৃদ্ধ হৈছে। চুতীয়াসকলৰ মাজত এতিয়াও ই জীৱন্ত লোক-সংস্কৃতি। ইয়াৰ ভাষাও সেইদৰে চুতীয়া ৰাজ্যৰ। এইবোৰ এতিয়া এই অঞ্চলৰ সমাজৰ সকলো লোকৰ মাজতে প্ৰচলিত।

এই বিয়া নামৰ অন্যবোৰৰ উপৰিও যোৰা নামবোৰ অতি উপাদেয়। ইয়াত দৰা পক্ষৰ আয়তীসকলে কন্যা পক্ষক আৰু কন্যা পক্ষৰ আয়তীসকলে বৰ পক্ষক নামেৰে আক্ৰমণ আৰু প্ৰত্যাক্ৰমণ কৰে বা ইপক্ষই সিপক্ষক যোৰে। কেতিয়াবা এই যোৰা নাম এনে চূড়ান্ত পৰ্যায়লৈ যায়গৈ যে দুয়োপক্ষৰ মাজত কাজিয়া পৰ্যন্ত হয়গৈ। তেনে ধৰণৰ এটা নামৰ উদাহৰণ হ'ল--

কেতেক কেল কেলাৰ চিলত,  
ভদীয়া কাউৰী চিলত,  
ধেনু আন গুটি আন  
মাৰোঁ কি অ' চিলত,  
তইহঁতক লৈ যাম মেখেলাৰ কিলত।

এনে ভাষাই প্ৰতিপক্ষক ক্ৰোধান্বিত নকৰাকৈ নেথাকে। আৰু সেই পক্ষত যদি এনে নামৰ নামেৰে উত্তৰ দিব পৰা নামতী নেথাকে তেতিয়া কাজিয়া হয়। নতুবা নামেৰেই উত্তৰ প্ৰত্যুত্তৰ দি থাকোতে এনে পৰ্যায় পাইগৈ যে তাতে কাজিয়াৰ সূত্ৰপাত হয়।

অৱশ্যে বুদ্ধিমতী নামতীয়ে অৱস্থা চাই সকলো চম্ভালি আকৌ সকলোকে শান্ত কৰে। তেনে এটা নামৰ উদাহৰণ হ'ল--

আইদেউ পিন্ধিছে ৰং দিলে ৰূপহী,  
পাটৰে মেখেলা ৰং দিলে ৰূপালী,  
সমাজক পেলাইছে জিনিহে  
ৰং দিলে ৰূপালী  
গুণা দিলে সোণালী  
বেয়া নেপাব ৰাইজ  
কৰিছিলোঁ ধেমালি। ইত্যাদি

এইবোৰ পৰিস্থিতি বুজি সাধাৰণতে স্থানতে ৰচনা কৰা হয়। কিছুমান যোৰা নাম

আকৌ অতি উপাদেয়। যেনে—

যঁতৰৰ বঁটীয়া চুটি হৰি হৰি
যঁতৰৰ বঁটীয়া চুটি,
খিতাপকৈ আহিছে দৰাৰে ককায়েক
পথৰা কুকুৰত উঠি।
দৰাৰে ভনীয়েক সমাজত বহিছে
ডলা যেন মুৰটো মেলি,
সমাজৰ মানুহে দেখি ভয় কৰে
যখিনী ওলালহি বুলি।
ভলুকা বাঁহৰে আখি হৰি হৰি
ভলুকা বাঁহৰে আখি,
দৰাটোৰ গাটো গোন্ধাই চিকাফুৰা
আইদেউ নবহে চাপি।
আনি থৈছোঁ সুগন্ধি তেল
ধৰাই থৈছোঁ কেচি,
সত্যে সত্যে বুঢ়া দৰাৰ
দাৰি কাটিম আজি।
সোণৰ বটা জালি কটা
ৰূপৰ বটা শাৰি,
আমাৰ আইদেউৰ মনৰ জোখাই
নেপালে বিচাৰি। ইত্যাদি

বিয়া নামত কইনাক ৰুক্মিণী বা সীতাৰ লগত আৰু দৰাক কৃষ্ণ বা ৰামৰ লগত তুলনা কৰা হয়।

ওলাই আঁহা দৈবকীয়ে ৰজাৰ মহাদৈ,
শুভক্ষণে যাত্ৰা কৰি জোৰোণ দিয়া গৈ।
খাৰু লোৱা মণি লোৱা কুণ্ডল সাতে সৰি,
তেল সেন্দুৰ ফনি কাকৈ লোৱা শৰাই ভৰি।
দ্বাৰকাৰে যত নাৰী জোৰোণ লৈয়া যোৱা
কৃষ্ণৰে অলংকাৰ আজি ৰুক্মিণীক পিন্ধোৱা।
ৰাম ৰাম কৃষ্ণৰে জননী,
ৰাম ৰাম পালেহি দৈৱকী,
ৰাম ৰাম পদুলি মুৰে শুৱাইহে;
ৰাম ৰাম জোৰণত আনিছে,
ৰাম ৰাম বিচিত্ৰ অলংকাৰ,
ৰাম ৰাম লোৱাহি মাথা দোৱাই হে। ইত্যাদি

এই বিয়া নামবোৰত কইনাক ৰুক্মিণী আৰু দৰাক শ্ৰীকৃষ্ণৰ লগত তুলনা কৰা, ৰজাৰ মহাদৈ আদি শব্দৰ উল্লেখে প্ৰতিপন্ন কৰে যে সেইবোৰ চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰতে সৃষ্টি হৈছিল। সেইবোৰৰ প্ৰাচীনত্ব আৰু ভাষাই প্ৰতিপন্ন কৰে যে সেইবোৰ চুতীয়াসকলৰে সৃষ্টি।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে এটা প্ৰবন্ধত লিখিছে– "আইনাম, শীতলা নাম আদি অসমীয়া নৃত্য শিল্প ললিত কলাৰ যিমান অঙ্গ আছে সেই আটাইবিলাকতে চুতীয়াৰ বহুমূলীয়া অৰিহণা আছেই আছে। বিয়া নামত ৰুক্মিণী, শ্ৰীকৃষ্ণৰ কথা নহ'লেই নহয়। এইবোৰ চুতীয়াসকলৰেই বস্তু।"*১

**মণিকোঁৱৰ ফুলকোঁৱৰৰ মালিতা ঃ** মণিকোঁৱৰ ফুলকোঁৱৰৰ মালিতা অতি প্ৰাচীন কালৰপৰা চলি অহা গল্প গীতি। পাছত ভদ্ৰসেন বৰাই এইবোৰ প্ৰথমে সংগ্ৰহ কৰিছিল। সেই পুথি সৰুতে পঢ়া আৰু বহুতে মুখে মুখে আবৃত্তি কৰা আমাৰ মনত আছে। পাছত যোগেশ তামুলীৰ সংগ্ৰহত আগৰ লগত কিছু অমিল থকা যেন লাগে।

সি যিকি নহওক এই গীত যে অতি পুৰণি আৰু প্ৰাচীন কালৰেপৰা মুখে মুখে চলি অহা ইয়াত কোনো সন্দেহ নাই।

শঙ্কলদেৱ ৰজাৰ পুতেক মণিকোঁৱৰ। অপুত্ৰক শঙ্কলদেৱে জলদেৱতাক তুতি কৰাত জলদেৱতাই নিজে পুত্ৰ হৈ আহিছিল যোল্ল বছৰৰ কাৰণে। মঙ্গলতীয়ে পুত্ৰ জন্ম হোৱাৰ পাছত মঙ্গল চাই সেই কথা পাইছিল আৰু পুনৰ জলে হৰি নিব বুলি ৰজাক কৈছিল। ৰজায়ো পুত্ৰক পানীৰপৰা আঁতৰত ৰাখিবৰ চেষ্টা কৰিছিল; কিন্তু নোৱাৰিলে।

শঙ্কলদেৱ ৰজাৰ পুতেক মণিকোঁৱৰ
কোলাতে খতিখন নাই,
এবেলা দোলাতে এবেলা ঘোঁৰাতে
এবেলা খেলি খেলায়।
খেলি খেলাই কোঁৱৰে ৰঙকে নেপালে
পাহঢাল খেলিবলে গ'ল,
পাহঢাল খেলিয়ে ৰঙকে নেপালে
ঘিলা খেলিবলৈ গ'ল।
ঘিলাকো খেলিয়ে ৰঙকে নেপালে
খেলা খেলিবলৈ গ'ল,
খেলি খেলাই কোঁৱৰে ৰঙকে নেপালে
নৈত গা ধুবলৈ গ'ল।*২

---

১ *সদৌ চুতীয়া সম্মিলন, অসমৰ সোণালী জয়ন্তী অধিবেশনৰ প্ৰবন্ধ -- চুতীয়া কৃষ্টি -- বেণুধৰ শৰ্মা – পৃঃ ৭।*

২ *বাৰ মাহৰ তেৰগীত সম্পাদনা – ডঃ প্ৰফুল্ল দত্ত গোস্বামী – পৃঃ ১৯৭-১৯৮।*

এইদৰে গা ধুবলৈ যাওঁতেই কোঁৱৰক জলে হৰি নিলে।

শঙ্কলদেৱ ৰজাই জলক পূজা কৰিহে পুত্ৰ সন্তান লাভ কৰিছিল। চুতীয়াসকলেহে জল ডাঙৰীয়াৰ পূজা কৰে। গতিকে শঙ্কলদেৱ ৰজা বীৰপাল বংশৰ চুতীয়া ৰাজ্যৰ আগৰ কোনোবা চুতীয়া ৰজা আছিল। কিয়নো এই মালিতা গীত অতি প্ৰাচীন আৰু মুখে মুখে চলি অহা। আনহাতে বীৰপাল বংশৰ চুতীয়া ৰাজ্যৰ আগতে সৌমাৰ খণ্ডত চুতীয়া গোষ্ঠীৰে বিভিন্ন সৰু সৰু ৰাজ্য আছিল আৰু বীৰপালে আৰু তেওঁৰ পুত্ৰ ৰত্নধ্বজে পালে এনে বহুতো ক্ষুদ্ৰৰাজ্য জয় কৰিহে এখন বিশাল চুতীয়া ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

এই মালিতা গীতত উল্লেখ থকা, ঘিলা খেল, দোলা-ঘোঁৰাৰ খেল আদিয়ে প্ৰমাণ কৰে যে সেইবোৰ চুতীয়া ৰাজ্যতে ৰচিত গীত। দোলা চুতীয়াসকলৰ নিজস্ব বস্তু। আহোমসকলে চুতীয়া ৰাজ্য জয় কৰি কেকোৰা দোলা পোৱাৰ, পাছতহে সেই দোলাৰ আৰ্হিৰে দোলা তৈয়াৰ কৰিছিল এইকথা বুৰঞ্জীত উল্লেখ আছে।"[১]

তদুপৰিও এই মালিতা গীতৰ ভাষা চুতীয়া ৰাজ্যৰ। গতিকে এই মালিতা গীত যে চুতীয়াসকলৰ মুখে মুখে চলি অহা লোকগীত তাত কোনো সন্দেহ নাই।

**জনা গাভৰুৰ মালিতা :** জনা গাভৰুৰ মালিতাও অতি পুৰণি আৰু মুখে মুখে চলি অহা। জনা গাভৰু সম্বন্ধে বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে 'চুতীয়া কৃষ্টি' নামৰ এটা প্ৰবন্ধত লিখিছে— "জনা গাভৰু চুতীয়া ৰাণী; চৈখোৱা ঘাটৰ ওচৰত থকা জনা পথাৰেই তাৰ চিন। এওঁ তিৰি হৈয়ো ৰাজপাট খাইছিল আৰু জুৰীয়া ঢাপমৰাই শ শ কোঁৱৰক বন্দী কৰি থৈছিল।""[২]

জনা গাভৰুৰ ৰাজ্যও চুতীয়া ৰজা বীৰপালৰ আগৰ সময়ৰ কোনো চুতীয়া ৰাজ্য। কোনো কোনোৱে জনা গাভৰুক কছাৰী বুলি ক'ব খোজে; সেইটো শুদ্ধ নহয়। অৱশ্যে এই লিখকৰ মতে চুতীয়া আৰু কছাৰী একেটা জাতিৰ বিভাজন বা নামান্তৰ মাত্ৰ; কিন্তু দুখন সুকীয়া ৰাজ্য। কামপুৰ চহৰৰ কলিধন নটে জনা গাভৰুক বুদ্ধিৰে বলে নোৱাৰি লাঞ্ছিত হৈ তেওঁৰ বন্ধু গোপীচন কোঁৱৰক লৈ যায়। গোপীচন কছাৰী ৰাজ্যৰ। গোপীচনে জনা গাভৰুক বুদ্ধি পৰীক্ষাত পৰাস্ত কৰি আৰু জনাৰ ককায়েক অভিমন কোঁৱৰক বধ কৰি, বুঢ়া ৰজাকো পৰাস্ত কৰি জনা গাভৰুক লৈ আহে। গতিকে পাছত জনা গাভৰু কছাৰী ৰাজ্যৰ বোৱাৰী হয়হি। সেই কাৰণেই বোধহয় কোনো কোনোৱে জনা গাভৰুক কছাৰী বুলি কয়।

জনা গাভৰু গৰুচৰ ৰাজ্যৰ ৰাজকুমাৰী আছিল। চৈখোৱা ঘাটৰ ওচৰত থকা জনা পথাৰে প্ৰমাণ কৰে যে গৰুচৰ ৰাজ্য বা জনা গাভৰুৰ ৰাজ্য তাতেই আছিল। চৈখোৱা শদিয়াৰ ওচৰত। শদিয়া চিৰদিনেই চুতীয়া ৰাজ্যৰ ভিতৰুৱা আছিল; গতিকে জনা গাভৰুৰ ৰাজ্যও চুতীয়া ৰাজ্যই আছিল। কোনো কোনোৱে সেই অঞ্চল এসময়ত কছাৰীৰ দখলত

---

১ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা — পৃঃ ৭৬।*

২ *সঃচুঃজাঃ সম্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ -- চুতীয়া কৃষ্টি -- বেণুধৰ শৰ্মা — পৃঃ ৮।*

আছিল বুলি ক'ব খোজে, সেইটো শুদ্ধ নহয়। আচলতে চুতীয়া আৰু কছাৰী একে জাতিৰে বিভাজন বাবেই সেই ভুল হ'ব পাৰে।

এই মালিতাত থকা জনা গাভৰুৰ উক্তিয়েও সেইটো প্ৰমাণ কৰে।

"কৰ পৰা আহিছ বঙাল কছাৰী
যাবি কোন দেশে তই,
আও মৰণেৰে মাৰিব খুজিছ–
বাপেৰৰ বুঢ়ীমাক মই।"[১]

এই গীত ফাকিয়ে প্ৰমাণ কৰে যে জনা গাভৰু কছাৰী নাছিল গোপীচনহে কছাৰী আছিল।

গোপীচনে জনা গাভৰুৰ ওচৰলৈ যাওঁতে চুতীয়া ৰাজ্যত কেচাইখাতীক সেৱা জনোৱা, পগলা-পাৰ্বতীক সেৱা জনোৱা, বাসুদেব থানত সেৱা জনোৱা, এইবোৰ কথায়ো প্ৰমাণ কৰে যে জনা গাভৰু চুতীয়া ৰাজ্যৰ আৰু চুতীয়া গাভৰু।

চন্দ্ৰত এসেৱা কৰে গোপীচনে
সূৰুযত এসেৱা কৰে,
পগলা পাৰ্বতী কেচাইখাতী গোসানী
তামৰ ঐ দেও ঘৰে।"[২]

ইত্যাদি বিভিন্ন উক্তিৰ পৰা জনা গাভৰুৰ গীতসমূহ যে চুতীয়া ৰাজ্যক্ষেত্ৰৰ ভিতৰতে ৰচিত আৰু বহু প্ৰাচীন কালৰে পৰা মুখে মুখে চলি অহা গীত ইয়াত কোনো সন্দেহ নাই। তদুপৰিও এই গীতসমূহ প্ৰধানকৈ চুতীয়াসকলৰ মাজতেই প্ৰচলিত গীত।

**ঢোলৰ মালিতা :** ঢোলৰ ওজাসকলেও বিভিন্ন বিষয়ৰ বৰ্ণনা কৰি চুটি চুটি একোটা মালিতা গায়। এইবোৰ অতি উপাদেয়। একোশাৰী গীতৰ অন্তত ঢোলত একোটা চাপৰ মাৰে আৰু অন্য এজনে খুটি তাল বজাই নাচি-বাগি তেওঁৰ লগত সঙ্গত কৰে। গাওঁতা ওজাজনেও নাচি-বাগি গায়। সাধাৰণতে এইবোৰ হাস্য ৰসাত্মক আৰু স্থানতে ৰচনা কৰি গোৱা। এইবোৰ এনে উপাদেয় যে কোনো বিয়াত গোটেই ৰাতিটো শুনি থাকিলেও আমনি নেলাগে।

আমি আগতেই আলোচনা কৰিছোঁ যে বিহু আৰু ঢোল চুতীয়াসকলৰ। গতিকে ঢোলীয়া ওজাৰ সৃষ্টি এই মালিতাবোৰো চুতীয়াসকলৰেই। অৱশ্যে বৰ্তমান অন্যলোকৰ মাজতো এইবোৰ প্ৰচলিত হৈছে। কিন্তু সেই প্ৰায়বোৰেই বড়োগোষ্ঠীৰ লোক।

**নিচুকনি গীত :** নিচুকনি গীতবোৰো মুখে মুখে চলি অহা গীত। বহুতো নিচুকনি গীত যে চুতীয়া ৰাজ্য ক্ষেত্ৰতে ৰচিত আৰু চুতীয়াসকলৰে ৰচিত তাত কোনো সন্দেহ নাই। চুতীয়াসকলৰ মাজত প্ৰচলিত এটি নিচুকনি গীত তলত দিয়া হ'ল–

---

১ *বাৰ মাহৰ তেৰ গীত -- সম্পাদনা -- ডঃ প্ৰফুল্ল দত্ত গোস্বামী -- পৃঃ ২০৯।*

২ *বাৰ মাহৰ তেৰ গীত -- সম্পাদনা -- ডঃ প্ৰফুল্ল দত্ত গোস্বামী -- পৃঃ ২১১।*

হালিকি এ বাপেৰ ক'লৈ গ'ল,
হাবুঙীয়া বুঢ়াৰ লগত কাঁহ কোবাই গ'ল।
হাবুঙীয়া বুঢ়ায়ে কি কি দিলে,
ধন দিলে ধান দিলে ভৰালৰ পৰা,
হাতীৰ ওপৰত উঠি গ'ল হাবুঙীয়া বুঢ়া।
হাবুঙীয়া বুঢ়াৰে পেটত লাগিল ভোক
একেমুঠি আৰৈ চাউল দেৰ কুৰি ৰূপ;
দেৰকুৰি ৰূপে বোলে টাং টিং কৰে,
হাবুঙীয়া বাঢ়েয়ে চ'ৰানাও সাজে
কুৰুলাৰ কেৰুহেন উৰো উৰো কৰে,
উৰিব নোৱাৰিহে সাগৰতে পৰে;
সাগৰতে চকা-মকা পদুমৰ কলি,
হালিকিয়ে সূতা কাটে নিতৌ গধূলি।

ওপৰৰ গীতটি সোৱণশিৰি আৰু চামপৰা নদীৰ মাজৰ হাবুং অঞ্চলৰ নিচুকনি গীত। হাবুং অঞ্চলৰ সকলো লোকেই চুতীয়া; গতিকে এই নিচুকনি গীতো চুতীয়াৰ। এইদৰে মুখে মুখে প্ৰচলিত আৰু বহুতো গীত আছে।

**বিভিন্ন মন্ত্ৰ ঃ** অসমত প্ৰচলিত মুখ-ভঙা মন্ত্ৰকে আদি কৰি বহুতো মন্ত্ৰ আছে। এই মন্ত্ৰবোৰ মুখ-ভঙা, বিষৰ মন্ত্ৰ, সৰ্পেদিকা মন্ত্ৰ, তেজৰখা মন্ত্ৰ, গাৰ বান্ধ কৰা কৰতি মন্ত্ৰ, ইত্যাদি। চুতীয়াসকলে কোনো অসুখ বিসুখ হ'লে আগতে আৰু এতিয়াও গ্ৰামাঞ্চলত অন্য ঔষধ পাতি খোবাৰ আগতে আই সকামলৈ টোপোলা এটা বান্ধি বেজৰ ওচৰত গৈ মন্ত্ৰৰে জৰায়। এই মন্ত্ৰবোৰ মুখে মুখে চলি অহা আৰু অতি পুৰণি। এই মন্ত্ৰবোৰৰ ভাষা সৌমাৰ খণ্ডৰ চুতীয়া ৰাজ্য ক্ষেত্ৰৰ আৰু তাত পাৰ্বতী-পগলাৰ আখ্যানেই প্ৰধান। য'ত পাৰ্বতী-পগলাৰ আখ্যান নাই তাতো পাৰ্বতী-পগলা আৰু বিষ্ণুৰ শপঠেৰে শেষ কৰা হয়। যেনে— 'মোৰ বচন লৰচৰ, পাৰ্বতী, পগলাৰ যতত ধৰ'; 'মোৰ বচন লৰচৰ বিষ্ণুৰ চক্ৰত পৰি মৰ, পাৰ্বতী মাওৰ মাথা খাও' ইত্যাদি।

চুতীয়াসকল সুদূৰ অতীতৰ পৰাই শিব-পাৰ্বতী বা বুঢ়া-বুঢ়ী বা গিৰা-গিৰাচীৰ, বা কুণ্ডি-মামাৰ ভক্ত আছিল সেইদৰে বিষ্ণুৰো উপাসক আছিল। গতিকে এই মন্ত্ৰবোৰ যে চুতীয়াসকলৰে ইয়াত কোনো সন্দেহ নাই।

## বিহুৰ বাহিৰেও কৃষিৰ লগত সম্বন্ধ থকা অন্য অনুষ্ঠান

**আহুধান সিচোতে জালুকীয়া খোৱা ঃ** আহু খেতি ঝুম খেতিৰ দৰেই ঠাই সলনি কৰি থাকিব লগা খেতি (Shifting cultivation)। একেডোখৰ মাটিতে চাৰি-পাঁচ বছৰৰ

বেছি একেৰাহে আহুখেতি নহয়। আগতে কেইবা বছৰো আহুখেতি কৰাৰ পাছত পুনৰ হাবি জংঘল হ'বৰ বাবে কেইবছৰমান মাটি ডোখৰ খেতি নকৰাকৈ এৰি থোৱা হৈছিল। এইদৰে মাটিডোখৰ "উঠাৰ" পাছত পুনৰ হাবি জংঘল কাটি আহুখেতি কৰা হৈছিল।

হাবি জংঘল কাটি নতুন মাটিত আহুখেতি কৰিবলৈ হ'লে শাওণ ভাদৰ পৰাই হাবিবোৰ কাটি চহ কৰিছিল। আঘোণ পুহত মাটি ভালকৈ চহ কৰি মাঘৰ বিহুৰ পাছতেই আহু সিচিছিল। এনে আহু ধানক মঘোৱাধান বুলিছিল। আহুখেতি অতি পৰিশ্ৰমৰ কাম। যোজনা আছে-- "আহুখেতি আহুকাল, শালি খেতি কপালভাল।" সেইবাবে খেতিয়কে আহুধান প্ৰথম সিচিবৰ দিনা গৃহস্থঘৰে পথাৰৰ পৰা বগা কচুৰঠুৰী (কোমলীয়া ঠাৰি) কাটি আনি শাল, শল বা কুঢ়ি মাছৰ লগত বা বৰালী মাছৰ লগত জালুকীয়া কৰি খায়। উদ্দেশ্য খেতিয়কৰ পৰিশ্ৰমৰ গাৰবিষ মৰা। এই উৎসৱত অন্য কাকো নেমাতে। অৱশ্যে হালৰ লগৰীয়া দুই এজনক মাতি খুৱায়।

**ধানৰ আগ বা লখিমী অনা ঃ** ধান পকিলে ধান দোৱাৰ পাছত পথাৰৰ পৰা ঘৰলৈ ধান আনিবলৈ হ'লে প্ৰথমে আগ আনে। ঘৰৰ প্ৰধান তিৰোতাগৰাকীয়ে গা-পা ধুই শুচি কাপোৰ পিন্ধি আগলি কলপাত এখনত তিনিখন থুৰীয়া তামোল দি, তাতে এটা ধানৰ মুঠি থৈ, সেৱা সৎকাৰ কৰি, আগলি কলপাতখনেৰে ধানৰ মুঠিটো মেৰিয়াই বান্ধি, মূৰত তুলি লৈ, হাতত এখন কাচিলৈ ভঁৰাললৈ আনে। আনোতে বাটত কাকো মাতিব নেপায়। মুঠিটো ভঁৰালত সেৱা-সৎকাৰ কৰি থয় আৰু ৰাতি চাকি জ্বলায়। আবেলিহে ধানৰ আগ আনে আৰু সোমবাৰ বা বুধবাৰৰ বাহিৰে অন্যবাৰে নানে। ইয়াকে লখিমী অনা বুলি কয়। লখিমী আনোতে কাকো মাতিব নেপায় কাৰণে দুষ্ট ল'ৰাবোৰে বাটত লখিমী অনা গৰাকীক নানা কথা কৈ হঁহোৱাবৰ চেষ্টা কৰে।

**ন খোৱা ঃ** আহু বা শালি ধানৰ নতুন ধান চপোৱা শেষ হ'লে বা চপাওতে বেছি দিন লাগিলে তাৰ মাজতে ন খায়। আহুধান হ'লে আহাৰ বা শাওন মাহত আৰু শালিধান হ'লে আঘোণ মাহত ন খায়। পুহ মাহত ন নেখায়।

ন খোৱাবৰ বাবে গাঁৱৰ সাতজন বা নজন ভকত আৰু ডেকা-গাভৰুকো মাতি নতুন ধানৰ চাউল আৰু মাছ-মাংস আদিৰে খোৱায়। পকাপষ্টীসকলৰ বাবে সাজ বা ফটিকা অপৰিহাৰ্য আৰু সিয়ে প্ৰধান উপকৰণ। কিন্তু সেই ফটিকা নতুন ধানৰ চাউলেৰে ঘৰতে তৈয়াৰ কৰে। সাজ বা ফটিকাক সাজপানী বা সাধাৰণতে "পানী" বুলিয়ে ইঙ্গিতেৰে কয়।

হীনাবস্থাৰ লোকে এই 'পানী'ৰ লগত জা-জলপান নোখোৱালেও হয়। চুতীয়াসকলে সোমবাৰ, বুধবাৰ এই দুটা বাৰকহে যিকোনো উৎসৱৰ বাবে অতি উত্তম দিন বুলি ভাবে। বুধবাৰ বেছি ভাল।

**নাঙলধোৱা পিঠা ঃ** শালি ধান ৰুই শেষ হ'বৰ দিনা নাঙলধোৱা পিঠা খায়। শালিধান ৰুই শেষ হ'বৰ দিনা চাউলৰ পিঠা খুন্দি তৰা গছৰ পাতেৰে মেৰিয়াই বান্ধি উতলা পানীত সিজাই খায়। পিঠাবোৰ চকল চকলকৈ কাটি গাখীৰৰ লগত বা তৰকাৰীৰ

লগতো খাব পাৰি। ইয়ালৈ ওচৰৰ দুই-এজনকো মাতে। অকলে খাব নেপায় বুলি কয়।

**গৰখীয়া সবাহ :** সাধাৰণতে ভাদ, আহিন, কাতি মাহত গৰুৰ পোৱালী হয়। তেনে সময়তে গৰখীয়া সবাহ পাতে। গৰখীয়া সবাহৰ উপকৰণ হ'ল কেঁচা পিঠাগুৰি আৰু কল। এই সবাহ গৃহস্থৰ চোতালত সন্ধিয়া পাতে।

চোতাল ভালকৈ মুচি কাচি তাতে এগচি বন্তি জ্বলাই সবাহৰ উপকৰণবোৰ ৰাখে। এই সবাহলৈ ১২/১৪ বছৰৰ পৰা তলৰ সৰু ল'ৰাকহে মাতে। ছোৱালী অহাতো বাধা নাই। ল'ৰাবোৰে হাতত হাতে হাতে এচাতি আনে। চ'তালত গোলাকাৰভাৱে তিনিবাৰ নাচি নাচি ঘূৰে পাছত আসনত বহে। গৃহস্থই সেৱা কৰি বস্তু উচৰ্গা কৰি দিয়াৰ পাছত এজন বয়সস্থ লোকে উপকৰণবোৰ কলপাতত সজাই সকলোৰে আগে আগে ভাগ কৰি দিয়ে। তাৰ পাছত গৃহস্থৰ তেনে সৰু ল'ৰা থাকিলে সেই ল'ৰাই বা নেথাকিলে গৃহস্থৰ যি কোনো এজনে বা সকলোৱে সেৱা কৰে। এজন বয়সস্থ লোকে গৰুক ৰোগ-ব্যাধি, হানি-বিঘিনি, বাঘেখোৱা ইত্যাদিৰ পৰা ৰক্ষা কৰি বৃদ্ধি হৈ গোহালি ভৰি পৰিবৰ বাবে আশীৰ্বাদ দিয়ে। শেষত 'জয় হৰি বোলা', 'জয় ৰাম বোলা' বুলি সামৰণি মাৰে। 'জয় হৰি বোলা', 'জয় ৰাম বোলা' বুলি বয়সস্থজনে লগাই দিয়াৰ লগে লগে সকলো ল'ৰাই সমস্বৰে অতি ডাঙৰকৈ সেইদৰে চিঞৰে। সেই ধ্বনি গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈকে শুনা যায়। কোনো ল'ৰাই এইদৰে চিঞৰোতে নিজৰ কপালখন কলপাতত থকা গুৰি পিঠাৰ ওপৰত খুন্দা মাৰি দিয়ে। এনেদৰে দিলে গৰুৰ পোৱালীৰ কপালত বগা ফোট হয় বুলি বিশ্বাস কৰে।

**ভেকুলী বিয়া :** বহুতদিন খৰাং বতৰ হ'লে বিশেষকৈ আহাৰ-শাওণ মাহতো বৰষুণ নহ'লে চুতীয়াসকলে ভেকুলী বিয়া পাতে। বৰষুণ হ'লেই ভেকুলীয়ে টোৰ-টোৰাই তাৰ সঙ্গীটোক মাতে আৰু সিহঁতৰ ভিতৰত মিলন হয়। গতিকে বৰষুণ আৰু ভেকুলীৰ লগত নীবিড় সম্বন্ধ বুলি চুতীয়াসকলে বিশ্বাস কৰে।

ভেকুলী বিয়াৰ বাবে এটা মতা আৰু এজনী মাইকী ভেকুলী ধৰি আনি দুটা বেলেগ চুঙাত ভৰাই থয়। তাৰ পাছত সাধাৰণ বিয়াৰ দৰে প্ৰতি গধূলি সাতদিন, পাচদিন বা তিনিদিন নোৱাই ধোৱাই, ঢোল-ডগৰ বজাই, বিয়া নাম গাই, উৎসৱ কৰে আৰু শেষত সিহঁতৰ মিলন ঘটায়। এইদৰে বিয়া পাতিলে বৰষুণ দিয়ে বুলি চুতীয়াসকলে বিশ্বাস কৰে। ভেকুলী বিয়া ৰাতিহে পাতে আৰু ডেকা-গাভৰু সকলোৱে মিলি পাতে।

**ঢেকী পোটা :** সেইদৰে বহুত দিন খৰাং বতৰ হ'লে ঢেকী পোটে। যি ঘৰ মানুহৰ সূৰুযমুখী ঢেকী থাকে অৰ্থাৎ পূবা-পশ্চিমাকৈ থকা ঢেকী থাকে সেই ঢেকীটো ডেকাবোৰে ৰাতি মনে মনে চুৰ কৰি আনি নদীৰ পাৰৰ বালিত বা কোনো মুকলি ঠাইত থোৰাটো সূৰ্যৰ ফালে দি থিয়কৈ পুতি থয়। পাছদিনা গৃহস্থই ঢেকী বিচাৰি হাবাথুৰি খায়। এইদৰে কৰিলেও বৰষুণ হয় বুলি চুতীয়াসকলে বিশ্বাস কৰে।

# জন্মৰ পৰা মৃত্যুলৈকে জীৱনৰ বিভিন্ন সময়ৰ অনুষ্ঠান

**প্ৰসূতিক জাল দিয়া ঃ** কেঁচুৱা জন্ম হোৱাৰ তিনিদিনৰ দিনা প্ৰসূতিক মাছ, মাংস আদিৰ লগত জালুকীয়া খাবলৈ দিয়ে। এইদৰে খালে প্ৰসূতিৰ গাৰ প্ৰসৱ বেদনাৰ বিষ দূৰ হয় বুলি বিশ্বাস কৰে। লগতে প্ৰসূতিক সহায় কৰা অন্য তিৰোতা কেইগৰাকীকো বিষ মাৰিবৰ বাবে ঘৰে ঘৰে মাছ আৰু জালুক দিয়ে। আজিকালি প্ৰসূতিক সহায় কৰাসকলৰ বাহিৰেও ওচৰৰ অন্য ঘৰতো সেইদৰে মাছ জালুক দিয়ে। বৰ্তমান ছোৱালী জন্ম হ'লে অন্য ঘৰতো সাধাৰণতে মিঠাইহে দিয়ে আৰু ল'ৰা জন্ম হ'লে মাছ দিয়ে; এনে নিয়ম চুতীয়াসকলৰ নাছিল।

**কেঁচুৱাক বাজ দেখুৱা ঃ** কেঁচুৱাৰ নাই সৰাৰ পাছত সাত দিন বা ন দিনৰ দিনা ভাল বাৰ চাই (চুতীয়াসকলৰ বাবে বুধবাৰ অতি উত্তম) কেঁচুৱাক বাজ দেখুৱায় বা বাজলৈ উলিয়ায়; তাৰ আগতে নুলিয়ায়।

বাজ দেখুৱাবৰ বাবে ওচৰৰ কেইগৰাকীমান তিৰোতাক মাতি আনি মুচি কাচি শুদ্ধ কৰা চোতালতে বহুৱায়। চোতালৰ মাজতে আগলী কলপাত এখনৰ ওপৰত চাকি এগছ জ্বলাই ভোজনী এটা, শিল এটা, থুৰীয়া তামোল চাৰিখন, খেৰৰ জুমুথি এটা, পানী এবাটি আৰু ধেনুকাড় এযোৰ ৰাখে। তাৰ কাষতে ধৰা বা পীৰা এখন কাপোৰেৰে ঢাকি ৰাখে।

মাকে কেঁচুৱাটো কাপোৰেৰে ঢাকি বাহিৰলৈ উলিয়াই আনে আৰু আসনখন আৰু আগলী কলপাতখনৰ চাৰিওফালে তিনিবাৰ ঘূৰে। প্ৰতিবাৰতে খেৰৰ জুমুথিটোৰ ওপৰত একোবাৰ ভৰি ৰাখে। পাছত কেঁচুৱাটোৰ মূৰৰ কাপোৰ আঁতৰাই সূৰ্যৰ ফালে দেখুৱায় আৰু উদং গাৰে আসনখনৰ ওপৰতে শুৱায়। থুৰীয়া তামোল চাৰিখন চাৰিওফালে দলিয়াই দি দিক্‌পাল দেৱতাসকলক দি তেওঁলোকে কেঁচুৱাটো সকলো ফালৰ পৰা ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনায়। শিলটোৰে কেঁচুৱাটোৰ চাৰিওফালে মাটিত খুন্দিয়ায় আৰু শিলৰ দৰে গধুৰ আৰু টান আৰু শক্তিশালী হ'বলৈ কয়। বন্তিগছৰ পৰা মাকৰ হাতখন সেকি আনি কেঁচুৱাৰ ওপৰত দি জুইলৈ ভয় নকৰিবি, পানীৰ বাটিটোৰ পৰা পানী চুই কেঁচুৱাৰ গাত লগাই পানীলৈ ভয় নকৰিবি, বুলি কৈ ধনুকাড় হাতত দি কয়, — বীৰ হবি, কালৈকো ভয় নকৰিবি। পাছত মাকে সেৱা কৰে। অন্য তিৰোতা কেইগৰাকীয়ে আশীৰ্বাদ দিয়ে। ভোজনীটো বয়োবৃদ্ধ গৰাকীক দিয়ে।

ভোজনীটোত এজনে এসাজ খাব পৰা জোখৰ চাউল, দাইল, তেল, নিমখ আদি সম্পূৰ্ণ বস্তু থাকিব লাগে।

**আদ্যঋতু ঃ** চুতীয়াসকলৰ ছোৱালীৰ আদ্যঋতু জীৱনৰ এটা ডাঙৰ পৰিবৰ্তন বুলি ধৰা হয়। সেইবাবে আদ্যঋতু হ'লে ঋতু দৰ্শনৰ পাছত ছোৱালীয়ে চাৰিদিন ফলাহাৰ কৰি কটাব লাগে। তেতিয়া ছোৱালীজনীয়ে কোনো পুৰুষৰ মুখ দৰ্শন কৰিব নেপায়। চাৰিদিনৰ দিনা মাক আৰু ওচৰৰ দুই চাৰিগৰাকী তিৰোতা আহি ছোৱালীজনীক গা

ধোৱায় আৰু পুনৰ আবোৰত ৰাখে। উপবাস থাকে; কিন্তু এসাজ নিৰামিষ ভাত তেল আদি নোখোৱাকৈ খাব পাৰে।

সাতদিনৰ দিনা গাঁৱৰ তিৰোতা মাতি বেইৰ তলত ছোৱালীজনী মাহ-হালধিৰে নোৱাই গা ধোৱায়। কলপুলি এটাকে দৰা সাজি বেইৰ অনতি দূৰতে ৰুই সেইটোও নোৱায় ধোৱায়। পাছত কলপুলিটো ৰুই থয়। কল পুলিটো জীয়াই থকাই দীৰ্ঘজীৱনৰ ইঙ্গিত দিয়ে।

নোওৱা ধোউৱাৰ পাছত ছোৱালীজনীক মেখেলা, ৰিহা, চাদৰ আৰু অলংকাৰ আদি পিন্ধিবলৈ দি সুন্দৰকৈ সজায়। সাধাৰণ বিয়াৰ দৰেই সকলোকে খোৱায় আৰু আনন্দ উৎসব কৰে। এই উৎসৱত সাধাৰণতে পুৰুষ নিষিদ্ধ।

**বিবাহ ঃ** হিন্দুধৰ্ম গ্ৰহণ কৰি বা বৰ্তমানৰ হিন্দু নিয়মমতে যিসকল চুতীয়াই হিন্দু সমাজৰ সাধাৰণ নিয়মমতে হোমদি বিয়া পাতে, বা শংকৰ সঙ্ঘৰ নিয়মমতে নাম প্ৰসঙ্গ কৰি বিয়া পাতে সেয়া এতিয়াৰ পৰিৱৰ্তন। সেইবোৰ সৰ্বজন বিদিত। চুতীয়াসকলৰ মাজত অতীতৰ পৰা চিৰাচৰিত নিয়মমতে যিবোৰ বিয়া হৈছিল বা গ্ৰামাঞ্চলত এতিয়াও বহু ঠাইতে হয় সেইবোৰহে ইয়াত আলোচনা কৰা হৈছে।

অতীততে চুতীয়াসকলৰ মাজত চাৰিৰকমে বিয়া হৈছিল-- (১) খোজাবঢ়া বিয়া, (২) পলুৱাইনিয়া বিয়া, (৩) ধৰিনিয়া বিয়া, (৪) ঘৰজোঁৱাই। গ্ৰামাঞ্চলত এইবোৰ এতিয়াও প্ৰচলিত।

**খোজাবঢ়া বিয়া ঃ** ল'ৰা-ছোৱালী দুয়োপক্ষৰ পিতৃ-মাতৃ বা অভিভাৱকৰ মাজত তৃতীয় পক্ষৰ দ্বাৰা সাধাৰণভাৱে আলোচনা হোৱাৰ পাছত সম্মতিসূচক সহাৰি পালে দৰাপক্ষৰ অভিভাৱকে ছোৱালীৰ ঘৰলৈ গৈ ছোৱালীৰ পিতৃ-মাতৃক বা অভাৱে অভিভাৱকক শৰাইত তামোল-পাণ দি অহাৰ উদ্দেশ্য ব্যক্ত কৰে। কন্যাপক্ষ সম্মত হ'লে সেই শৰাই গ্ৰহণ কৰে আৰু সাধাৰণ সম্মতি দিয়ে। পাছত দৰাপক্ষৰ পৰা পুনৰ অভিভাৱক গৈ বিয়াৰ দিন, বিয়াত দিব লগা দ্ৰব্য, গা-ধন আদিৰ বিষয়ে আলোচনা কৰিবৰ বাবে অন্য এখন শৰাই দিয়ে। এই শৰাইক শোধনীভাৰ বুলি কোৱা হয়।

এইদৰে বিয়াৰ দিন আৰু অন্য সম্ভাৰ ঠিক কৰাৰ পাছত বিয়াৰ দিনা ল'ৰাই দৰাৰ সাজ পিন্ধি সাজি কাচি লোকজনেৰে সৈতে সমদল কৰি কন্যা আনিবলৈ যায়। দৰা যোৱাৰ আগতে দৰাপক্ষৰ পৰা আগতে নিৰ্দিষ্ট কৰামতে কন্যালৈ জোৰণ পঠায় আৰু বৰপক্ষৰ কেইগৰাকীমান তিৰোতাই গৈ নিজে কন্যাক জোৰণ পিন্ধায়। কন্যাপক্ষৰ গাঁৱৰ মানুহ থাকেই।

খোজাবঢ়া বিয়াত দৰা মাটিৰে গ'লে কন্যাকো মাটিৰে আনিব পাৰে; দৰা হাতীত গ'লেও কন্যা মাটিৰে আনিব পাৰে; কিন্তু দৰা ঘোঁৰাত গ'লে কন্যাক দোলাত আনিব লাগে; এয়াই নিয়ম।

বিয়াত বুঢ়া, ডেকা-গাভৰু সকলোকে দৰাঘৰৰ পৰা একোখন শৰাই দিব লাগে; সেইদৰে মান্যজনকো দিব লাগে আৰু মান কাপোৰো দিব লাগে। সেইদৰে কইনাও গৈ

দৰাঘৰত মান্যজনক মান কাপোৰ দি সেৱা সৎকাৰ কৰিব লাগে।

বিয়াত ঢোল, খোল, পেঁপা আদি বাদ্য, বিহু আৰু বিহুনাম বিয়াৰ সৌন্দৰ্য। দৰাপক্ষই কইনা আনিবলৈ যাওঁতেও এইদৰে ঢোল, পেঁপা আদি বাদ্য বজাই যায়। তিৰোতাসকলে বিয়াৰ সকলো স্তৰতে সময়োপযোগীভাৱে আৰু অনুষ্ঠানৰ লগত ৰজিতা খোৱা বিয়ানাম গায়।

যোৰানাম বিয়াৰ এটা সৌন্দৰ্য। এই বিষয়ে লোক-সাহিত্য অধ্যায়ত আলোচনা কৰা হৈছে।

দৰা পদুলি মূৰ পালে কন্যাৰ মাকে দৰাক আদৰি নিয়ে আৰু সমাজে ৰভাৰ তলত বহুৱায়। দৰাঘৰৰ পৰা দিব লগা জোৰণৰ বস্তু আদি পঠাই দিয়ে আৰু সেই সাজ-পোছাক পিন্ধাৰ পাছত এখন শৰাই দিলে কইনাক ৰভাতললৈ উলিয়াই পঠায়। দৰা-কইনা উভয়ে ৰাইজক সেৱা কৰে; ৰাইজে হৰিধ্বনি কৰি বৰ-কন্যাৰ ভৱিষ্যত জীৱন সুখৰে হৰগৌৰী বসতি হ'বৰ বাবে আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত দৰা একেলগে দৰাঘৰলৈ যাত্ৰা কৰে।

চুতীয়াসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পাছতো হোম নিদিয়াকৈ এইদৰে খাৰু-মণি পিন্ধাই বিয়া কৰাৰ নিয়ম আছিল আৰু গ্ৰাম্য অঞ্চলত হীনাবস্থাৰ লোকৰ মাজত এতিয়াও আছে।

**পলুৱাইনিয়া বিয়া ঃ** ল'ৰা আৰু ছোৱালী উভয়ৰে মাজত মিলাপ্ৰীতি বা ভালপোৱা হ'লে কোনো পক্ষৰ অভিভাৱকে যদি ইয়াত কঠোৰভাৱে অমত হয় বা বাধাৰ সৃষ্টি কৰে তেতিয়া ল'ৰাই ছোৱালী পলুৱাই নিয়ে আৰু আঁতৰত কোনো আত্মীয়ৰ ঘৰত বা অন্য ঠাইত পলুৱাই ৰাখে। চাৰি-পাঁচ মাহ যোৱাৰ পাছত সেই ছোৱালী অন্যৰ গ্ৰহণযোগ্য নহয় বুলি বিবেচনা কৰি মধ্যস্থকাৰীৰ সহায়ত দুয়োপক্ষৰ অভিভাৱকৰ মাজত মিলাপ্ৰীতি কৰিবৰ চেষ্টা কৰে। চেষ্টা ফলৱতী হ'লে ৰাইজ চপাই ল'ৰা-ছোৱালীক ৰাইজৰ মাজত উপস্থিত কৰোৱা হয়। ৰাইজে কন্যাপক্ষক গা-ধন দিবলৈ আৰু দৰাপক্ষই অপমান কৰা বুলি দৰাপক্ষক দণ্ড বিহে। চুতীয়াসকলৰ মাজত গা-ধন আৰু দিব লগা দণ্ডৰ কোনো নিৰিখ নাই। ৰাইজে যি ঠিক কৰে সেয়ে।

ৰাইজে ঠিক কৰি দিয়ামতে গা-ধন আৰু দণ্ড দি দৰাই ৰাইজক সেৱা কৰাৰ পাছত ল'ৰা-ছোৱালী দুয়ো ৰাইজক সেৱা কৰে। ৰাইজে হৰিধ্বনি কৰি আশীৰ্বাদ দিয়াৰ পাছত দৰাই নিজ ঘৰলৈ ছোৱালী নিব পাৰে। তেতিয়াৰ পৰা তেওঁলোক পতি-পত্নী হিচাপে গৃহীত হয়।

**ধৰিনিয়া বিয়া ঃ** কেতিয়াবা ল'ৰাই ছোৱালীজনীৰ প্ৰতি আসক্ত হ'লে, ছোৱালী যদি সেইদৰে আসক্ত নহয় বা হ'লেও পলাই যাবলৈ অমত হয়, তেতিয়া ছোৱালীজনী পথাৰলৈ বা কোনো ঠাইলৈ যাওঁতে অকলশৰে পালে বা সুবিধা বুজি অন্য বন্ধু-বান্ধৱৰ সহায়ত ল'ৰাই ছোৱালী ধৰি লৈ যায়; আৰু কোনো অজ্ঞাত ঠাইত ৰাখেগৈ। তেনে কাৰ্যৰ বাবে বৰ্তমান প্ৰায়ে পুলিচৰ সহায় লোৱা হয়। কিন্তু অতীতত তেনেকৈ পুলিচৰ সহায় লোৱাৰ সুবিধা নাছিল বা পুলিচৰ সহায় লোৱাটো অপমানজনক বুলি ভাবিছিল।

ছোৱালীৰ অভিভাৱক আৰু বংশ পৰিয়ালে ছোৱালীজনী ক'ত পলুৱাই ৰাখিছে সন্ধান লবৰ চেষ্টা কৰিছিল আৰু সন্ধান পালেই কন্যাৰ অভিভাৱকে বংশ পৰিয়ালৰ অনেক মানুহ লগত লৈ গৈ, শক্তিৰে ছোৱালীজনী উদ্ধাৰ কৰি আনিছিল। সম্ভৱ হ'লে অনাৰ লগে লগে বা পাছত অন্যত বিয়া দিছিল।

কিন্তু ছোৱালীজনী বহুদিন পলুৱায় ৰখাৰ পাছত অন্যাৰ গ্ৰহণযোগ্য নহয় বুলি বিবেচনা কৰিলে, মধ্যস্থকাৰীৰ সহায়ত পলুৱাই নিয়া ছোৱালীৰ দৰেই গা-ধন আৰু দণ্ড আদি বিহি ল'ৰা-ছোৱালী আৰু অভিভাৱকৰ মাজত মিল কৰি দিছিল। তেতিয়াৰ পৰা ল'ৰা আৰু ছোৱালী পতি-পত্নী হিচাপে স্বীকৃত হৈছিল।

**ঘৰ-জোঁৱাই ঃ** কন্যাৰ কোনো ভাই-ককাই নেথাকিলে বৃদ্ধ বয়সত কন্যাৰ পিতৃ-মাতৃক ভৰণ-পোষণ কৰাটো এটা সমস্যা হয়। তেনেক্ষেত্ৰত ছোৱালীৰ মাক-বাপেকে কোনো গ্ৰহণযোগ্য ল'ৰাক ঘৰতে আশ্ৰয় দি কিছুদিন ৰাখি শেষত তেওঁলৈ ৰাইজক সাক্ষী কৰি নিজ কন্যাক নিয়মমতে বিয়া দিয়ে। সেই ল'ৰাই-ছোৱালী নিজ ঘৰলৈ নিনি নিজেই ছোৱালীৰ ঘৰতে থাকে। কোনো কোনো ক্ষেত্ৰত কন্যাৰ ভাই-ককাই থাকিলেও ল'ৰাক ঘৰ-জোঁৱাই কৰি ছোৱালী বিয়া দিয়ে।

ঘৰ-জোঁৱায়ে অন্ততঃ দুই তিনি বছৰ ছোৱালীৰ ঘৰত ছোৱালীৰ বাপেক-মাকক কাম-বন, পথাৰ-সমাৰ আদিত সহায় কৰি দিব লাগে আৰু ছোৱালীৰ পিতৃ-মাতৃৰ আশ্ৰয়ত থাকিব লাগে। কোনো ক্ষেত্ৰত একোজনী উপযুক্ত ছোৱালীৰ বাবেও কোনো ডেকাই ঘৰ-জোঁৱাই খাতি কন্যাৰ পিতৃ-মাতৃক সন্তুষ্ট কৰি ছোৱালী পাবৰ চেষ্টা কৰে।

চুতীয়া সমাজত ছোৱালীৰ পক্ষৰ দাবীয়ে সদায় অগ্ৰাধিকাৰ পাইছিল। আগতে এজন উপযুক্ত ল'ৰাই এজনী উপযুক্ত ছোৱালী পোৱাটো কঠিন আছিল। চুতীয়াৰ ছোৱালীবিলাক খেতিপথাৰ, ঘৰৰ কাম-বন, তাঁতবোৱা আদি সকলো বিষয়তে অতি নিপুন থকাত আৰু আৰ্থিকভাৱে পৰমুখাপেক্ষী নোহোৱাত তেনে একোজনী ছোৱালী পোৱাটো ল'ৰাৰ বাবে ভাগ্যৰ কথা আছিল।

বংশৰ নপুৰুষৰ ভিতৰত বা অন্য মাতৃপক্ষৰ ওচৰ সম্বন্ধীয়ৰ সৈতে চুতীয়াসকলৰ বিয়া নহয়।

চুতীয়াসকলৰ মাজত বিধবা বিবাহৰ কোনো সমস্যা নাই। বিধবা বিবাহ কৰিব পাৰে; সেইদৰে বাল্য বিবাহৰো কোনো নিয়ম নাই। ছোৱালী আদ্যঋতু হোৱাৰ পাছত বিবাহৰ উপযুক্ত হোৱা বুলি ভবা হয়। কিন্তু যোল্ল বছৰমান বয়সৰ পাছতহে বিবাহ হয়।

## মৃতকৰ কাৰ্য আৰু শ্ৰাদ্ধ

সৰু ল'ৰা-ছোৱালীৰ মৃত্যু হ'লে এদিন লঘোন দি কাপোৰ কানি ধুই শুচি হৈ শুদ্ধি হয়। তেনে ল'ৰা-ছোৱালীৰ শব-দাহ নকৰি পুতি থোৱা হয়।

বসন্ত, হাইজা আদি মহামাৰীত মৃত্যু হোৱা লোককো দাহ নকৰি পুতি থোৱা হয়। সেইদৰে আত্মঘাটী হোৱা লোকৰো শৱ দাহ নকৰি পুতি থোৱা হয়।

অন্য সকলো ক্ষেত্ৰতে বৰ্তমান চুতীয়াসকলৰ মৃতকৰ শৱ দাহ কৰা হয় কিন্তু অতীতত চুতীয়াসকলে শৱ দাহ নকৰি পুতি থৈছিল। চুতীয়া ৰজাসকলৰ ৰাজ পৰিয়ালৰ লোকৰ শৱ ৰক্ষা কৰা মৈদামকে পাল-শৱদিয়া মৈদাম বোলা হৈছিল। মৃত্যুৰ পাছত তিনদিনলৈকে মৃতকৰ বংশ পৰিয়ালে লঘোন দিয়ে। সেই কেইদিনত একো বস্তুৱেই খোৱা নিষিদ্ধি। তিনি দিনৰ দিনা ঘৰ-দুৱাৰ মুচি-কাচি কাপোৰ-কানি ধুই নিকা কৰাৰ পাছত গাঁৱৰ গিয়াতীয়ে (বংশৰ বাহিৰৰ নিজ জাতিৰ লোক) মাহ-প্ৰসাদ আদি কেঁচা বস্তু আনি মৃতকৰ ঘৰত সেই বস্তু তিয়াই-বুৰাই ৰাইজে তিলনি সকাম পাতে। সেই কেঁচা বস্তু ৰাইজেও খায় আৰু গৃহস্থকো খাবলৈ দিয়ে। সিদিনাৰ পৰা শ্ৰাদ্ধৰ দিনলৈকে মৃতকৰ পৰিয়ালে তেল হালধি আদি নোহোৱাকৈ সিদ্ধ বস্তুৰে বেলি ডুবাৰ আগতে এসাজ ভাত খাব পাৰে। মাছ-মাংস খোৱাৰ কথা উঠিবই নোৱাৰে।

দহ দিনৰ দিনা দহা আৰু এমাহত শ্ৰাদ্ধ পাতে। বৰ্তমান বেছিভাগেই দহ দিনত দহা আৰু এঘাৰ দিনত শ্ৰাদ্ধ পাতে। দহাৰ দিনা সাধাৰণতে শৱদাহত উপস্থিত থকা লোকসকলকহে নিমন্ত্ৰণ কৰা হয়। শ্ৰাদ্ধৰ দিনটো উৎসৱ হিচাপে পালন কৰা হয় আৰু মিত্ৰ-কুটুম্ব, চিনাকি, পৰিচিত প্ৰায় সকলো মানুহকে নিমন্ত্ৰণ কৰা হয়। শ্ৰাদ্ধৰ দিনৰ পৰা মৃত্যুৰ অশৌচ যায়। তাৰ পাছদিনা জ্ঞাতিক ভোজ ভাত খুউৱাৰ লগতে গৃহস্থয়ো মাছ ভাত খাব পাৰে।

মহামাৰী আদিত পুতি থোৱা লোকৰ তেতিয়াই শ্ৰাদ্ধ কৰা নহয়। বহুদিনৰ পাছত মহামাৰী আদি গৈ গাঁৱত শান্ত অৱস্থা হ'লে কৃষ্ণপক্ষৰ কোনোবা এটা দিন ধৰি শ্ৰাদ্ধ কৰি মৃতকৰ সৎকাৰ কৰা হয়। নহ'লে তেতিয়ালৈকে গৃহস্থঘৰ চুৱাতে থকা বুলি কয়। এইদৰে শ্ৰাদ্ধ কৰিবৰ বাবে মৃতকক পুতি থোৱা ঠাইৰ পৰা খানি মৃতকৰ অস্থি আনি নিয়মিতভাৱে দাহ কৰা হয়। মৃতকক পুতি থোৱা ঠাইত কোনো কাৰণে অস্থি নেপালে বা সেই ঠাই নদীয়ে খহাই নিলে খেৰৰ জুমুথি এটাকে মৃতকৰ ঠাইত দাহ কৰা হয় আৰু অন্য অনুষ্ঠানবিলাক নিয়মমতে কৰা হয় আৰু শ্ৰাদ্ধ কৰা হয়।

মৃতকৰ সৎকাৰ কৰিব নোৱাৰাটো বংশৰ কলঙ্ক। সেইবাবে ঋণ কৰি বা মাটি বন্ধক দি বা বেচিও পিতৃ-মাতৃৰ সৎকাৰ কৰি মুখৰ চাই-মাটি গুচোৱা সমাজৰ নিয়ম। সেইবাবে অৰ্থৰ অভাৱত কোনো পুত্ৰই সেই সময়তে শ্ৰাদ্ধ কৰিব নোৱাৰিলেও পাছত যেনে তেনে কৰে।

শ্ৰাদ্ধৰ দিনা ৰাজহুৱাভাৱে মৃতকৰ সদগতিৰ বাবে প্ৰাৰ্থনা কৰা হয়। পুত্ৰ, কন্যা সকলোৱে একোজোৰা গায়ন বায়ন লগাই উৎসৱ কৰে। পুত্ৰৰ উপৰিও বিয়া দি উলিয়াই দিয়া প্ৰত্যেক কন্যায়ো একোজোৰা গায়ন লগোৱাটো গৌৰৱৰ কাম বুলি সকলোৱে ভাবে। মৃতকৰ গুণমুগ্ধ অন্য লোকেও গায়ন বায়ন লগায়। এয়ে সমাজৰ নিয়ম। ◆

# সাজ-পাৰ আৰু অলঙ্কাৰ

**পুৰুষৰ সাজ-পাৰ ঃ** সম্ভ্ৰান্ত ঘৰৰ পুৰুষৰ পোছাক আছিল মুগা বা পাটৰ চুৰীয়া. মুগা বা পাটৰ চোলা, মুগা বা পাটৰ পাগুৰী। সাধাৰণ লোকে কপাহীৰ চুৰীয়া, এড়িৰ এঙা চোলা, চুতীয়া-চোলা পিন্ধিছিল; গামোচা এখনকে মূৰত পকাই পাগুৰী মাৰি কাম-বন কৰিছিল। সাধাৰণভাৱে সকলোৱে এড়ি, মুগা বা কপাহী কাপোৰকে পিন্ধিছিল। পাটৰ কাপোৰ পুৰুষ-তিৰোতা উভয়ৰ বাবেই সন্মানৰ বস্তু।

বৰ্তমান উঠি অহা চামৰ মাজত লংপেণ্ট চাৰ্টৰে প্ৰচলন হৈছে আৰু এই পোছাক পিন্ধা এজন লোক চুতীয়া হ'লেও তেওঁক চিনিবৰ কোনো উপায় নাই; যেনেকৈ অন্য সকলকো। ই যেন বৰ্তমান এক আন্তৰ্জাতিক পোছাক হৈ পৰিছে।

আগতে চুতীয়াৰ পুৰুষসকলে কাণত লংগুটিৰ দৰে সোণৰ লংকেৰু পিন্ধিছিল, ডিঙিত মতা মণি পিন্ধিছিল। অৱশ্যে এইবিলাক সম্ভ্ৰান্তসকলৰহে পোছাক।

চুতীয়াৰ দৰাৰ পোছাকো সম্ভ্ৰান্তসকলৰ দৰেই। মাত্ৰ সকলো কাপোৰ চোলা, চুৰীয়া, পাগুৰী আদি পাটৰ হোৱা বাঞ্চনীয়। পাটৰ নহ'লে মুগা ব্যৱহাৰ কৰিছিল। মূৰত পাগুৰীৰ পৰিৱৰ্তে আজিকালি সূত্ৰধাৰীৰ মূৰৰ পাগুৰীৰ দৰে পাগুৰীও পিন্ধিছিল। সোণ আৰু পোৱাল বনিওৱা মতামণি দৰাৰ ডিঙিত অপৰিহাৰ্য। দৰাৰ মূৰৰ ওপৰত সদায় ছাতি থাকিবই লাগিব। চুতীয়া ৰজাৰ সোণৰ ছত্ৰ আৰু দণ্ড আছিল।

বৰ্তমান সূত্ৰধাৰীৰ মূৰৰ পাগটো চুতীয়াসকলৰ পাগৰ আৰ্হিৰে বুলি অনুমান হয়।

সাধাৰণ ঘৰৰ লোকৰ দৰা সাজিবৰ বাবে নিজৰ পোছাক নেথাকিলে গাঁৱৰ অন্য ঘৰৰ পৰা আনি সাজি-কাছি কইনা আনিবলৈ যোৱা নিয়ম আছিল। বিয়াৰ পাছত সেইবোৰ ঘূৰাই দিয়ে।

চুতীয়া ৰাজ্যত চমাৰ আছিল আৰু সম্ভ্ৰান্ত চুতীয়াসকলে চামৰাৰ পাদুকা ব্যৱহাৰ কৰিছিল ৰজা নীতিপালে আহোম ৰজালৈ সন্ধিৰ প্ৰস্তাৱ দিওতে দুখন সোণৰ বন কৰা কাপোৰ, দুটা সোণৰ বন কৰা জাপি, দুযোৰ সোণৰ আৰু দুযোৰ সোণ খটোৱা জোতা ইত্যাদি উপহাৰ পথাইছিল। এইবোৰ বস্তু যে চুতীয়া ৰাজ্যৰ সম্ভ্ৰান্তসকলৰ সাধাৰণ ব্যৱহাৰৰ বস্তু আছিল এই কথাই তাকে প্ৰমাণ কৰে।

বৃদ্ধসকলে সাধাৰণতে মৃগ-চৰ্মৰ পাদুকা ব্যৱহাৰ কৰিছিল। খেতিয়কসকলে কাঠৰ খৰম আৰু বেতৰ ফানতি ব্যৱহাৰ কৰিছিল। ছয় সাত বছৰলৈকে সৰু ল'ৰাবোৰ নাঙঠ হৈয়ে থাকিছিল। তাৰ পাছতহে চুৰীয়া পিন্ধিছিল।

**সৰু ছোৱালীৰ পোছাক ঃ** চুতীয়াৰ সৰু ছোৱালীবোৰে দুবছৰমান বয়সৰ পৰাই মেখেলা পিন্ধিছিল। আঠ ন বছৰ বয়স হ'লে গামোচাৰ দৰে এখন দীঘল কাপোৰ বুকুত মেৰিয়াই লৈছিল; তাৰে এটা আগ বাওফালৰ বাউসীৰ ওপৰেদি পকাই পুনৰ বুকুত খুচি লৈছিল। এই পোছাক দেখিলে ছোৱালীজনী যিমান ওখ ডাঙৰ হ'লেও আদ্যঋতু হোৱা নাইবা গাভৰু হোৱা নাই বুলি বুজিব লাগিব। আদ্যঋতু হোৱাৰ পাছত নোৱাই ধোৱাই

নতুন কাপোৰ পিন্ধোৱাৰ লগতে বুকুৰ কাপোৰখনৰ ওপৰৰ কাচোলটো গুচাই সাধাৰণভাৱে বুকুত ৰিহা মেৰিয়াই দিয়ে এয়ে গাভৰু হোৱাৰ চিন।

সাধাৰণ ঘৰৰ ছোৱালীয়ে নিজে বৈ-কাটি লোৱা এড়ি বা মুগাৰ মেখেলা-ৰিহা পিন্ধিছিল। এড়ি আৰু মুগা চুতীয়াসকলৰ কুটীৰ শিল্প আছিল আৰু এড়ি চুতীয়া ছোৱালী বা তিৰোতাসকলে নিজেই পুহি, সূতা কাটি কাপোৰবৈ লৈছিল। মুগা, পুৰুষসকলে পুহিলেও সূতা কটা, কাপোৰ বোৱা আদি কাম তিৰোতাসকলৰে আছিল। গতিকে চুতীয়াসকলৰ মাজত এড়ি-মুগাৰ কোনোদিন অভাৱ নাছিল।

আজিকালি সৰুৰে পৰা ডাঙৰলৈকে সকলো ছোৱালীয়ে ফ্ৰক পিন্ধিয়ে থকাত অতীতৰ বৈশিষ্ট্য নাইকীয়া হ'ল।

**গাভৰুৰ পোছাক ঃ** আদ্যঋতু হ'লে ছোৱালী গাভৰু হয়। তোলনি বিয়াৰ দিনাৰ পৰাই ছোৱালীক গাভৰুৰ পোছাক পিন্ধায়। মেখেলা ৰিহাই গাভৰুৰ প্ৰধান পোছাক। মেখেলা কঁকালত আৰু ৰিহা বুকুত পিন্ধে।

ৰিহা মেখেলা চুতীয়া ৰমণীৰ নিজস্ব পোছাক। মেখেলা বড়ো গোষ্ঠীৰ সকলো তিৰোতাই বা গাভৰুৱেই অলপ ইফাল সিফাল কৰি পিন্ধে। সেইদৰে আৰ্হিবো অলপ ইফাল সিফাল আছে। প্ৰায় তেনে ধৰণৰ কাপোৰকেই অষ্ট্ৰিক গোষ্ঠীৰ তিৰোতাসকলেও পিন্ধে; গতিকে মূলতঃ যাৰে নহওক ইযে অসমৰ আদিম জনজাতীয়সকলৰে পোছাক ইয়াত কোনো সন্দেহ নাই। কিন্তু চুতীয়াসকলৰ মাজেদিয়ে ই উৎকৰ্ষ আৰু বিকাশ লাভ কৰি উন্নত অৱস্থা পাইছিলগৈ।

এই বিষয়ে শ্ৰীবিশ্বেশ্বৰ হাজৰিকা এম,এ, দেৱে সঃচুঃজাঃ সন্মিলনৰ ২৩ তম্ (কমাৰবন্ধা) অধিৱেশনৰ স্মৃতিগ্ৰন্থত লিখিছে — "পৰিবৰ্তন যিমানেই নহওক আদিম নগা, কুকি, মিকিৰ (কাৰ্বি) সংস্কৃতিৰ উপাদানেৰেই অসমৰ সংস্কৃতিৰ মূল উপাদান। উদাহৰণ স্বৰূপে মিকিৰ (কাৰ্বি) সকলৰ তিৰোতাৰ সাজপাৰ আছিল পিনি, বামকক, জিছো আৰু খনজাৰি। পিনি পিচলৈ মেখেলা হ'ল আৰু জিছো ৰিহা হ'ল; আৰু খনজাৰি চাদৰ হ'ল। বামকক টঙালি হৈ মধ্যযুগত আছিল যদিও পিচলৈ বাদ পৰিল। এইদৰেই অসমীয়া তিৰোতাৰ সাজপাৰ সৃষ্টি হ'ল।" এইক্ষেত্ৰত কাৰ্বিসকলো বড়ো আৰু মঙ্গোলীয় গোষ্ঠীৰেই লোক।*[১] আমি আগতেই উল্লেখ কৰিছো যে অষ্ট্ৰিক আৰু বড়োগোষ্ঠীৰ লোক-কৃষ্টি আৰু সংস্কৃতিৰেই অসমীয়া লোক-কৃষ্টি আৰু সংস্কৃতিৰ ভেটি। গতিকে উভয়ৰ সমন্বয়তে অসমীয়া সংস্কৃতিৰ বিকাশ আৰু বিস্তৃতি হৈছে। বড়োগোষ্ঠীৰ লোকসকল সৌমাৰ খণ্ডৰ মাজেদিয়ে বিভিন্ন ঠাইলৈ বিস্তৃত হোৱাৰ দৰেই সেই সংস্কৃতিবো সৌমাৰ খণ্ডৰ মাজেদিয়ে

---

১ *"These later Mongoloids belonged to the Tibeto Burman family of the Indo-chinese group and their representative of the present day are the Kacharies, Koches, Rabhas, Meches, Mikirs, Lalungs, Garos, Nagas, Kukis and Chutiyas. Of these the tribes speaking Bodo (Boro) language seems to have occupied the plains of Assam for a very long time."*
*— Early History of Kamrup — By Kanak Lal Baruah — Page 13-14*

বিভিন্ন ঠাইলৈ বিস্তৃতি ঘটিছিল। মেখেলা আৰু ৰিহা বড়োগোষ্ঠীৰ বা চুতীয়াসকলৰে আদিম পোছাক আছিল আৰু চুতীয়াসকলৰ মাজেদিয়েই আধুনিক ৰূপ লৈছিল।

এইদৰে দেখা যায় যে বিবৰ্তনৰ মাজেদি অসমীয়া তিৰোতাৰ সাজপাৰ মেখেলা, ৰিহা, চাদৰ আদিয়ে চুতীয়া জাতিৰ মাজতেই উৎকৰ্ষ সাধন হৈ আজিৰ অৱস্থা পাইছিলগৈ। চুতীয়া জাতিৰ মাজতেই যে এনে উৎকৰ্ষ হৈছিল তাৰ উদাহৰণ বুৰঞ্জীত একাধিক আছে।

এইবিলাকৰ পৰাই অনুমান কৰিব পাৰি যে ভাষাৰ ক্ষেত্ৰতেই হওক বা কৃষ্টিৰ ক্ষেত্ৰতেই হওক। কেইবা হাজাৰো বছৰৰ মাজেদি বাগৰি অহা চুতীয়াসকলেই আজিৰ অসমীয়া সংস্কৃতিৰ বাটকটীয়া আছিল আৰু তেওঁলোকৰ চিন্তাধাৰা আছিল বিবৰ্তনমুখী উৎকৰ্ষৰ। উন্নত আৰ্য সংস্কৃতিৰ সংস্পৰ্শই যেনেকৈ চুতীয়াসকলৰ মাজতে এক নতুন আৰ্য অপভ্ৰংশ অসমীয়া ভাষাৰ সৃষ্টি কৰিছিল সেইদৰে সেই সংস্কৃতিৰ সংস্পৰ্শতে চুতীয়াসকলৰ মাজতে উন্নতিশীল অসমীয়া লোক-সংস্কৃতিৰো এক নিজস্ব ধাৰাৰ সৃষ্টি হৈছিল আৰু সেই কৃষ্টি আৰু সংস্কৃতি সমগ্ৰ অসমৰে গ্ৰহণীয় হৈ এতিয়া অসমীয়া সংস্কৃতিৰূপে নিজস্ব ভাবে বিকাশ লাভ কৰিছে।

**কইনাৰ পোছাক ঃ** কইনাৰ পোছাক গাভৰুসকলৰ পোছাকৰ লগত একেই। কিন্তু সম্ভ্ৰান্ত ঘৰৰ কইনাই পাটৰ ৰিহা, মেখেলাহে পিন্ধে। মেখেলাৰ পাতলিত ফুলবচা আৰু গোটেই গাতে বুটাবচা আৰু সেইদৰে ৰিহা আৰু চাদৰতো পাৰিত ফুলবচা আৰু বুটাবচা হ'ব লাগিব। ৰিহাৰ আগত সাধাৰণতে কেচবচা আৰু বহা আঁচুৰ পাৰি দিয়া। কইনাই এইবোৰ সাধাৰণতে নিজেই সূতা কাটি বৈ লয়। ইয়াৰ উপৰিও সম্ভ্ৰান্তসকলে কিংখাপ, মেজাংকৰী আদিৰ পোছাক পিন্ধিছিল।

বৰ্তমান বজাৰত পোৱা অসমীয়া পাটৰ ৰিহা, মেখেলা-চাদৰ, সুন্দৰ নমুনাৰ আৰু অতি সুন্দৰভাৱে বোৱা। এই পোছাকে পৃথিৱীৰ সকলো ঠাইৰে আদৰ লাভ কৰিছে। গতিকে সেইবোৰ এতিয়া কইনাই নিজে বৈ লোৱাৰ প্ৰশ্নই নুঠে। অৱশ্যে আগতে বা এতিয়াও গাঁৱলীয়া ছোৱালীয়ে এইবোৰ নিজে বৈ লোৱাটো এটা গৌৰৱৰ বিষয়।

কইনাৰ অলংকাৰৰ ভিতৰত বুকুত সোণৰ ডুকডুগী, গেজেৰা, জোনবিৰি, ঢোলবিৰি বা মাদলি, হাতত জেঠী নেজীয়া, শেনপতীয়া সোণৰ আঙঠি, কাণত কৰিয়া, আধলিমুখীয়া বা সিকিমুখীয়া নেজপতা থুৰীয়া, লোকাপাৰ, জাংফাই, হাতত সোণৰ বা সোণ খতোৱা গামখাৰু, এইবোৰেই প্ৰধান। বুৰঞ্জীত পোৱা যায় যে ৰাণীসকলে কঁকালত কিঙ্কিণী পিন্ধিছিল।

কইনাৰ মূৰত সৰুদৈয়া ফুলাম জাপি অপৰিহাৰ্য আছিল। সেই জাপি চিত্ৰ বিচিত্ৰ ভাৱে বন কৰা। ৰাজমহিষীসকলে সোণৰ বনকৰা জাপি ব্যৱহাৰ কৰিছিল। এই জাপি চুতীয়াসকলৰ সম্পূৰ্ণ নিজস্ব সৃষ্টি।

ছোৱালী বা কইনাৰ জাপিৰ দৰেই ৰজাসকলে মূৰৰ ওপৰত সোণৰ ছত্ৰৰ উপৰিও আঁৰ দিবৰ বাবে সোণখটোৱা আৰোৱান ব্যৱহাৰ কৰিছিল।

আহোম ৰজাই চুতীয়া ৰাজ্য জয় কৰাৰ পাছৰ পৰাহে আৰোৱান ব্যৱহাৰ কৰিছিল।

চুতীয়া কইনাই বিয়াৰ বহু বছৰৰ পাছতো মাকৰ ঘৰলৈ বা দূৰৰ বিয়া-সবাহ আদিলৈ যাওঁতে মূৰত সৰুদৈয়া ফুলাম জাপি ব্যৱহাৰ কৰিছিল। প্ৰায় ষাঠি বছৰৰ আগতে কইনাই বিয়াৰ সময়ত বা পাছতো সৰুদৈয়া জাপি ব্যৱহাৰ কৰা এই লিখকে নিজে দেখা কথা।

বৰ্তমান সৰুদৈয়া ফুলাম জাপি সৰু হৈ ভদ্ৰ ঘৰৰ বৈঠক খানা সজোৱা সঁজুলি হৈছেগৈ। আগতে তিৰোতা বা কইনাই লোৱা এই জাপিৰ বেৰ প্ৰায় পাচ হাতমান আছিল।

**বয়সস্থ তিৰোতাৰ পোছাক ঃ** সম্ভ্ৰান্ত ঘৰৰ বয়সস্থ তিৰোতাৰ পোছাক সাধাৰণ গাভৰুসকলৰ পোছাকৰ লগত একে। কিন্তু বোৱাৰী বা তিৰোতাসকলৰ বাবে মেখেলা, ৰিহাৰ উপৰিও চাদৰখন অপৰিহাৰ্য। এই চাদৰখনেৰে মূৰত ওৰণি লয়। সন্মানীয়জনৰ আগত ওৰণি লোৱা চুতীয়া তিৰোতাৰ সাধাৰণ নিয়ম।

সাধাৰণ ঘৰৰ বয়সস্থ তিৰোতাই কামৰ সময়ত মেখেলাখন বুকুত মেথনি মাৰি পিন্ধে। তলত কঁকালত অন্য এখন কাপোৰ বা ৰিহা লয়। মূৰত এখন বেলেগ কাপোৰেৰে ওৰণি লয়। মেখেলা, ৰিহা, মুগাৰ বাহিৰে অন্যৰ লোৱাটো হীনাবস্থা বুজায়। সাধাৰণ গাঁৱলীয়া তিৰোতাই মুগাৰ নললেও এড়িৰ লয়। কপাহী পৰাপক্ষত নলয়।

বৰ্তমানৰ সমাজত এইবোৰৰ বহুতো পৰিৱৰ্তন ঘটিলেও এড়ি, মুগা আৰু পাটৰ প্ৰতি আদৰ চুতীয়া সমাজত এতিয়াও আছে। বৰ্তমান পাট-মুগাৰ মেখেলা-চাদৰ সদৌ অসমীয়া জাতিৰে পোছাক হোৱাত ইযে এসময়ত চুতীয়া জাতিৰ মাজেৰেই বিকাশ লাভ কৰিছিল এই কথা কাৰো জানিবৰ উপায় বা আৱশ্যক নোহোৱা হ'ল।

তথাপিও জনজাতি গোষ্ঠীৰ সকলো তিৰোতাই মেখেলা পিন্ধাৰ পৰাই ইযে জনজাতিসকলৰ মাজেদিয়ে বিকাশ লাভ কৰিছিল সেই কথা অলপ চিন্তা কৰিলেই বুজিব পাৰি।

**সাধাৰণ কাপোৰ ঃ** ইয়াৰ বাহিৰেও চুতীয়াৰ পুৰুষ-তিৰোতাসকলৰ পুৰুষে এড়িৰ খনীয়া কাপোৰ বা গাতলোৱা চাদৰ, এড়িৰ বৰকাপোৰ, কপাহীৰ বৰকাপোৰ, চেলেং, পাগুৰী লয়; কামৰ সময়ত কঁকালত টঙালি মাৰি মূৰত গামোচা বান্ধে। এইবোৰ চুতীয়াৰ তিৰোতাসকলে বৈ দিয়ে। সৰু ল'ৰা-ছোৱালীয়ে গাত লবৰ কাৰণে দিয়া কপাহী কাপোৰখন দুকাঠী দীঘল বাবে দুকঠীয়া বুলি কয়।

**গামোচা ঃ** গামোচা চুতীয়াসকলৰ বাবে অপৰিহাৰ্য লগৰীয়া। "ছাতি, লাঠি, তিয়নি, নেৰিবি অ' নেৰিবি; এৰিব যে লাগিলে ঠিঁয়ে ঠিঁয়ে মৰিবি।" এয়া চুতীয়াৰ কথা। গামোচাখনে চুতীয়াৰ বাবে তিয়নিৰ কামো কৰে; গতিকে দীঘল।

গামোচাৰ ব্যৱহাৰ বহুমুখী। গামোচা বৰ্তমান অসমীয়া পুৰুষৰ পৰিচয়ৰ চিন বুলি ক'ব পাৰি। মেখেলা-চাদৰ যেনেকৈ এজনী অসমীয়া তিৰোতাৰ পৰিচয়ৰ চিন, সেইদৰে এখন কাষত ৰঙা সেল দিয়া বগা সূতাৰ, আগত ৰঙা আচুৰ ফুলাম গামোচা কান্ধত থাকিলে সেইজন য'তে নাথাকক অসমীয়া হ'বই।

এই গামোচা চুতীয়া শিপিনীৰে সৃষ্টি। কাষত আৰু আগত দিয়া ৰঙা আচুৰ সেল আৰু পাৰি কামোদ্দীপক বুলি ধৰণী কামোদ্দীপক আৰু শস্য-শ্যামলা কৰিবৰ বাবে আদিম চুতীয়াসকলে এই গামোচা মূৰত মাৰি নৃত্য কৰিছিল আৰু পথাৰত কাম কৰিছিল। মূৰত গামোচাখন নমৰাকৈ চুতীয়া খেতিয়কে কেতিয়াও পথাৰলৈ নেযায়। বিহু নৃত্যত এতিয়াও মূৰত ৰঙা সেল দিয়া ফুলাম গামোচা থাকিবই লাগিব। এয়া চুতীয়া আৰ্হি।

ডঃ লক্ষ্মী দেৱীয়ে অসম দেশৰ বুৰঞ্জীৰ ১৩৩ পৃঃত আহোমসকলৰ কথা লিখোতে লিখিছে — "তেওঁলোকে দুইমূৰে ৰঙা আচুৰ ফুল দিয়া কপাহী গামোচা মূৰত মাৰিছিল।" এই কথা তেখেতে ক'ৰপৰা লিখিছে উল্লেখ কৰা নাই। ব্ৰহ্মদেশীয়সকলে গামোচাৰ দৰে কাপোৰ মূৰত মেৰিয়াই লোৱাটো সঁচা। কিন্তু সি অসমীয়া বা চুতীয়াৰ গামোচাৰ দৰেই বুলি ক'ব নোৱাৰি। সি যিকি নহওক ডঃ লক্ষ্মীদেৱীৰ কথা মানি ল'লেও আমি ক'ব পাৰো যে বিহু যেনেকৈ চুতীয়াৰ মাজতে সৃষ্টিহৈ অতি প্ৰাচীন দিনৰপৰা বিৱৰ্তনৰ পথেদি উৎকৰ্ষ লাভ কৰি সকলোৰে গ্ৰহণীয় হৈছিল আৰু বিস্তৃতি লাভ কৰিছিল। সেইদৰে অসমৰ আৰু সৌমাৰ খণ্ডৰ তাঁত শিল্প অতি প্ৰাচীন আৰু সমগ্ৰ এচিয়াৰ ভিতৰতে আগবঢ়া। অসমৰ পাট, চীনৰ পাটৰ সমকক্ষই নহয় শ্ৰেষ্ঠহে আছিল। গতিকে গামোচাও চুতীয়াসকলৰ তথা অসমতে সৃষ্টিহৈ ব্ৰহ্মদেশৰ শ্যান আদি জাতিসকলৰ মাজতো বিস্তৃতি লাভ কৰিছিল বুলি ভাবিব পাৰি। কিয়নো এইবিলাক ঠাইৰ লগত অসম আৰু সৌমাৰ খণ্ডৰ অতীতৰ পৰাই অহা যোৱা বা বাণিজ্যিক লেন-দেন আছিল।

পাটকাপোৰৰ ব্যৱসায়ৰ বাবেই অসমৰ আদিম লোকসকলক 'কিৰাট' বুলি অভিহিত কৰা বুলি প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথ দেৱে তেখেতৰ "Background of Assamese Culture" নামৰ গ্ৰন্থত লিখিছে।[১]

গামোচা এক প্ৰকাৰে নহয় অন্য প্ৰকাৰে সমগ্ৰ ভাৰতৰ মানুহে ব্যৱহাৰ কৰে। কিন্তু অসমীয়া বা চুতীয়া গামোচাৰ আৰ্হি সম্পূৰ্ণ সুকীয়া।

বৰ্তমান গামোচাৰ ব্যৱহাৰ কেৱল চুতীয়াসকলৰ মাজতে আবদ্ধ হৈ থকা নাই; ই সমগ্ৰ অসমীয়া জাতিৰে। তদুপৰি ইয়াৰ ব্যৱহাৰ এতিয়া গ্ৰাম্য সমাজৰপৰা ওলাই আহিছে। বৰ্তমান গামোচা সভাত সন্মানীয়জনক ডিঙিত মেৰিয়াই দি সন্মান জনোৱা বা উপহাৰ দি বৰণ কৰা, কোনো কোঠা সজাবৰ কাৰণে বা তোৰণ সজাবৰ বাবেও ব্যৱহাৰ কৰা হয়। সেইদৰে কোনো বস্তুৰ ওপৰত বা শৰাইৰ ওপৰত সন্মানীয়ভাৱে আবৰণ দিবলৈ, পূজাৰ বেদীত আবৰণ দিবলৈ ইত্যাদি নানাভাৱে গামোচা ব্যৱহাৰ কৰা হয়। এই প্ৰত্যেক ব্যৱহাৰেই অনুষ্ঠানটোক অতি গাম্ভীৰ্যপূৰ্ণ কৰে। ভৱিষ্যতে গামোচাই ইয়াতকৈও অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰিব পাৰি।

---

১ *Background of Assamese Culture — By R M. Nath — Page 14.*

# কুটীৰ শিল্প

চুতীয়াসকলৰ কুটীৰ শিল্পৰ ভিতৰত বাঁহ-বেতৰ কাম, কাঠৰ কাম, হাতী দাঁতৰ কাম, এড়ি-মুগা পোহা এইবোৰেই প্ৰধান। তেওঁলোকে বাঁহৰ পাচি, খৰাহি, দলা, চালনি, দুকুলি, দালি খৰাহি, চাউল চলা চালনি, পিঠা চলা গুৰি চালনি, বৰ চালনি, বিচনি, ধান থোৱা দুলি, নগাধৰা, খাং, টোম, ডাঙৰ মুগা পেৰা, জপা, বহা ধৰা, বৰ ধৰা, এইবোৰ অতি সুন্দৰ আৰু মিহিকৈ তৈয়াৰ কৰিব পাৰে আৰু নিজৰ আৱশ্যকমতে তৈয়াৰ কৰি লয়। কোনো কোনোৱে এইবোৰ বেচি দুপইচা উপাৰ্জন কৰে। কিন্তু সাধাৰণভাৱে বিক্ৰীৰ বাবে এইবোৰ তৈয়াৰ নকৰে।

এইবিলাকৰ বাহিৰে তলত চাৰিটা কাঠৰ ঠেং দি পাচিৰ দৰে সাজি ওপৰত কাপোৰৰ আৱৰণ দিব পৰাকৈ সজা বাঁহৰ কৰণি উল্লেখযোগ্য। এই কৰণিৰ ওপৰত শাস্ত্ৰ আদি পৱিত্ৰ বস্তু ৰাখি ওপৰত কাপোৰৰ আৱৰণ দি ওখ বেদীৰ ওপৰত স্থাপন কৰি পূজা অৰ্চনা কৰা হয়। সেইদৰে আজিকালি কাঠৰ পুথি পঢ়া ঠগা আৰু গুৰুৰ আসনো তৈয়াৰ কৰি লয়।

বেতৰ কামৰ ভিতৰত দোণ, বিচনী, বেতৰ ফানতি, বিশেষ উল্লেখযোগ্য। পাটিদৈৰ পৰা পাটিও তেওঁলোকে আৱশ্যকমতে তৈয়াৰ কৰি লয়। চুতীয়াসকলৰ কামবিলাক অতি সুন্দৰ আৰু মিহি। চুতীয়া ৰজাই সন্ধিৰ বাবে আহোম ৰজালৈ পঠোৱা সোণ আৰু হাতী দাঁতৰ বন কৰা পাতি আদিৰ উপহাৰৰ পৰাই তাৰ উৎকৃষ্টতা অনুমান কৰিব পাৰি। কিন্তু চুতীয়াসকলে সাধাৰণতে নিজৰ আৱশ্যকমতেহে এইবোৰ তৈয়াৰ কৰে। ব্যৱসায়িকভাৱে খুব কম কৰে।

চুতীয়াৰ খনিকৰসকলে আগতে কাঠৰ নানা বস্তু যেনে — ম'ৰা চৰাই, পহু, কাঠত বন্ধোৱা পহুৰ শিং, নানা জন্তু, সেইদৰে হাতী দাঁতৰো নানা জন্তু, হাতী দাঁতৰ ফনি, কাঁকৈ ইত্যাদি বাৰ্ষিক নিৰ্দিষ্ট পৰিমাণে ৰজা ঘৰত দিব লাগিছিল।

ৰজা নীতিপালে আহোমলৈ সন্ধিৰ প্ৰস্তাৱ পঠাওতে উপহাৰ স্বৰূপে লগত পঠোৱা হাতী দাঁতৰ বন কৰা পাটি, সোণৰ বন কৰা সৰুদৈয়া জাপি উল্লেখযোগ্য। এইবোৰ চুতীয়াৰ কুটিৰ শিল্পৰ উৎকৃষ্ট নিদৰ্শন। এইটো উল্লেখযোগ্য যে এতিয়া খনিকৰ উপাধিধাৰী শতকৰা পঞ্চানৈৰে ভাগ মানুহেই চুতীয়া জাতিৰ। "খনিকৰী বিদ্যাটো চুতীয়াৰ বাপতি সাহোন।""[১]

চুতীয়াৰ তিৰোতাসকলে অতীতৰ পৰাই এড়ি পুহি, কাটি, পকাই, কাপোৰ বৈ লৈছিল। সেইদৰে পুৰুষসকলে মুগা পুহিছিল কিন্তু তাতো তিৰোতাসকলে সৰ্বতোপ্ৰকাৰে

---

১ *সঃচুঃজাঃ সন্মিলনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ — বেণুধৰ শৰ্মা*

*— সোণালী জয়ন্তী সংখ্যা -- পৃঃ ৯।*

সহায় কৰিছিল। মুগা সিজাই, সূতা কটা, পকোৱা, কাপোৰ বোৱা কাম এতিয়াও চুতীয়া তিৰোতাসকলেই কৰে।

চুতীয়াৰ পাটগাভৰু আৰু গাভৰু ছোৱালীবোৰে এতিয়াও শীতৰ দিনত বহাগ মাহলৈকে এড়ি পোহে, আৰু সেইবোৰ সিজাই থয়; আহাৰ, শাওণ, ভাদ মাহৰ আজৰি সময়ত গাঁৱৰ সকলো ছোৱালীয়ে কৰবাত একেঠাইতে বা কাৰোবাৰ ঘৰত বা ৰাজহুৱা ঠাইত সমূহীয়াকৈ বহি সূতা কাটে।

উল্লেখযোগ্য যে বৰ্তমান অসমৰ শুৱালকুছি বয়ন শিল্প আৰু পাট মুগাৰ কাপোৰৰ বাবে বিখ্যাত হ'লেও তাৰ বাবে এড়ি আৰু মুগাৰ বহুলাংশ উজনী অসমৰ বা সৌমাৰ খণ্ডৰ চুতীয়া আৰু আহোমসকলেহে যোগান ধৰে।

তাঁতৰ বিভিন্ন সঁজুলি, তাঁতশাল, ৰাচ, উঘা, চেৰেকী, তোলোথা, নাচনি, দুৰ্পতি চুতীয়াসকলে নিজেই তৈয়াৰ কৰি লৈছিল আৰু গ্ৰামাঞ্চলত এতিয়াও লয়। এই কথা ক'লে অত্যুক্তি কৰা নহ'ব যে চুতীয়াসকলে এখন গৃহস্থীৰ যাবতীয় সকলো দৰকাৰী বস্তু নিজেই তৈয়াৰ কৰি লয় আৰু সেইবোৰ অতি নিপুণ হাতৰ।

সোৱণশিৰি অঞ্চলৰ চুতীয়াসকলে হাবিৰ পৰা কাটি অনা একোডাল কাঠৰে পৰা খুলি এশ কুইণ্টল পৰ্যন্ত ধৰা সুন্দৰ নাও তৈয়াৰ কৰি লয়। অৱশ্যে বৰ্তমান হাবিত ডাঙৰ কাঠৰ অভাৱত সেই শিল্পই এতিয়া আগৰদৰে প্ৰাচুৰ্য লাভ কৰি থাকিব পৰা নাই।

ইয়াৰ উপৰিও তেওঁলোকে গাঁৱত কোনো এঘৰৰ ঘৰসজা আদি কাম গাঁৱৰ সকলোৱে মিলি একেদিনাই সকলো কাম কৰি একোটা ঘৰ তৈয়াৰ কৰি দিছিল। গৃহস্থই মাত্ৰ বাঁহ, কাঠ, বেত আদি বস্তুবোৰ যোগাৰ কৰি থ'লেই হয়। কিন্তু আজিকালি ধন মাধ্যম হোৱাত এনে সামূহিক কামবোৰ প্ৰায় নোহোৱা হৈছেগৈ।

## বয়ন শিল্প

বয়ন শিল্পৰ ক্ষেত্ৰত অসম অতি প্ৰাচীন কালৰে পৰাই সমগ্ৰ এচিয়াতে খ্যাত। এই দেশত উৎপন্ন এড়ি, মুগা, পাট কাপোৰ, অতি উন্নত আৰু পাটৰ কাপোৰ চীনৰ লগত ফেৰ মাৰিব পৰা বা তাতকৈ সুন্দৰহে। এড়ি আৰু মুগা অসমৰ নিজস্ব বস্তু। সেইবাবেই ভাৰতৰ এমূৰে কাশ্মীৰৰ পৰা আৰু অন্যফালে চীন, তিব্বত, কম্বোদীয়া, ব্ৰহ্মদেশ আদিৰ

পৰা এই দেশত বেপাৰ কৰিবলৈ মানুহ আহিছিল।*১

আমি আগতে উল্লেখ কৰিছোঁ যে চুতীয়াসকল সুদূৰ অতীততে চীন দেশৰপৰা অহা তিব্বত-বাৰ্মান গোষ্ঠীৰ লোক। চীন দেশত খ্ৰীঃপূঃ দুহেজাৰ বছৰৰ আগতেই পাট সূতাৰ সুন্দৰ কাপোৰ বৈছিল। সেয়েহে অসমলৈ অহা জনজাতীয়সকলে বয়ন শিল্পত নৈপুন্যতা লাভ কৰিছিল। তেওঁলোকৰ বিভিন্ন উৎকৃষ্ট পাট কাপোৰ আদিৰ বাবেই অসম এখন উৎকৃষ্ট বজাৰ হৈ পৰিছিল।*২

আগতে উল্লেখ কৰা হৈছে যে মঙ্গোলীয়াৰ 'চিৰকেক' (Sirkek) বা কোৰীয়াৰ 'চিৰ' (Sir) শব্দৰ পৰাই চিল্ক শব্দটো উৎপত্তি হোৱা। মহাভাৰতত অসমৰ আদিম অধিবাসীসকলক পাট বা 'চিৰ'ৰ ব্যৱসায়ী বুলিয়ে তেওঁলোকক 'কিৰাট' বোলা হৈছিল।

ইয়াৰপৰা দেখা যায় যে পাট বা এড়ি-মুগাৰ ব্যৱসায় আৰু বয়ন শিল্প অসমৰ এই আদিমতম অধিবাসীসকলৰ মাজত সুদূৰ অতীতৰপৰাই আছিল। এই লোকসকলৰ অন্যতম চুতীয়াসকল। চুতীয়াসকলৰ মাজত এড়ি-মুগা এতিয়াও কুটীৰ শিল্প আৰু বয়ন শিল্পও; গতিকে চুতীয়াসকল সুদূৰ অতীতৰ পৰাই বয়ন শিল্পত অতি পটু আছিল।

আগৰ নিয়মমতে চুতীয়াৰ এজনী গাভৰুৱে বিয়াৰ আগতে মাকৰ ঘৰত থাকোতে যিমানবোৰ কাপোৰ বয় সেইবোৰ তাইৰ ব্যক্তিগত সম্পত্তি। বিয়াত সেই সকলোবোৰ তাইক যৌতুক হিচাপে দিয়া হয়। অৱশ্যে ছোৱালীজনীয়ে ইচ্ছামতে পিতৃ-মাতৃ, ভাই-ভনীহঁতক উপহাৰ হিচাপে যি দিয়ে দিব পাৰে। সেয়েহে চুতীয়া গাভৰুৱে ভৱিষ্যতৰ সম্পদ হিচাপে যিমান পাৰে কাপোৰ বৈ লয়। অতি কম বয়সতে চুতীয়া ছোৱালী বিয়া দিয়াৰো নিয়ম নাছিল। কইনাই মাকৰ ঘৰৰপৰা যিমান কাপোৰ নিব পাৰে সেইটো তাইৰ গৌৰৱ; আনহাতে নিব নোৱাৰিলে থুপৰী বুলি উপহাসৰ পাত্ৰ হয়।

---

১ *Assam was situated at the central crossing of land routes from Eastern Kamboj to Western Kushgar and from Northern China to Southern Ceylon. Aryan, Dravidian, Tai and Austric races communicated with each other through Assam. For nearly 2500 years between 900 B.C to A.D. 1600, it was placed in the midst of world Commerce. Products of China or Ceylon or Tokheristan or Kamboj passed hands and borders through this safe and secure market yard. Moreover during this period Assam was highly and widely industrialised. All the major tribes of Assam earned their living on the looms. The weaving industry brought in good wealth. Its silk was as famous as Chinese Silk or Tibetan Pasm."*

*— Assam the Indian Conflict. — By Mohesh Joshi — Page 1.*

২ *"খ্ৰীঃপূঃ দ্বিতীয় সহস্ৰাব্দত হোৱাংহো উপত্যকা — হোৱাংহো নদীৰ দুয়ো পাৰৰ সাৰুৱা অঞ্চলবোৰত কৃষকসকলে তেওঁলোকৰ বসতি স্থাপন কৰিছিল। তেওঁলোকে পাট সূতাৰে সুন্দৰ মজবুত কাপোৰ তৈয়াৰ কৰিছিল" — প্ৰাচীন জগতৰ ইতিহাস — ফিওদৰ কাৰভকিন — অনুবাদ — হেম শৰ্মা — পৃঃ ১৩১।*

আজিকালি ভাৰতৰ অন্য অংশত কন্যাৰ লগত অনা যৌতুকৰ বাবে শহুৰপক্ষ যিমান আগ্ৰহী চুতীয়াসকলৰ ক্ষেত্ৰত কইনাই লগত অনা কাপোৰৰ বাবেহে তেনে আগ্ৰহী আছিল। ইয়াৰ উপৰিও কন্যাই দৰাপক্ষৰ মান্যজনক দিবলগা সকলো মান-কাপোৰ বা অন্যসকলক দিবলগা উপহাৰৰ কাপোৰ, সকলো কইনাই নিজে বৈ নিব লাগে। বৰ্তমানেও সেই মান-কাপোৰৰ আৱশ্যক আছে কিন্তু সেইবোৰ এতিয়া বজাৰৰ কাপোৰেৰেই চলি যায়।

চুতীয়াৰ বয়ন শিল্পৰ বিশেষত্ব হ'ল কাপোৰত বিশেষকৈ মেখেলা, ৰিহা, চেলেং, চাদৰ, গামোচাৰ আগত বচা ফুল। এই ফুলৰ আৰ্হিৰে কইনাৰ গুণাগুণ নিৰ্ণয় কৰা হয়। সেয়েহে চুতীয়া শিপিনীয়ে তাঁতৰ পাটতেই তেওঁলোকৰ ভৱিষ্যত জীৱনৰ সপোন ৰচনা কৰে বুলি ক'ব পাৰি।

অসমীয়া জাতি বয়ন শিল্পত ভাৰত বিখ্যাত; কিয়নো অসমীয়া সমাজত বয়ন শিল্পৰ ভেটি কেইবা হাজাৰো বছৰৰ আগতেই স্থাপিত হৈছিল।

অসমলৈ অহা আৰ্যসকলে চুতীয়া তথা অসমীয়া জাতিক ভাষা দিলে; চুতীয়াসকলে সেই ভাষাক নিজৰ সাঁচত ঢালি নতুন ৰূপ দিলে। চুতীয়াসকলে অসমলৈ অহা আৰ্যসকলক দিলে বয়ন শিল্পৰ উন্নত আৰ্হি।

## সোণ-ৰূপৰ উৎপাদন আৰু সোণ-ৰূপৰ কাম

অতীজতে অসমৰ সোণোৱালসকলে অসমৰ নৈৰ বালিৰ পৰা সোণ কমাইছিল। ব্ৰহ্মপুত্ৰ, ডিব্ৰুং, লুইত, দিহিং, টেঙাপানী, পৰুৱা, দিহং, দিবাং, দিগাৰু, ঢল, দিচাং, ডিবৰু, সোৱণশিৰি, দিজু, কাকৈ, কদম, সোম দিৰি, গবৈ, বুৰৈ, বৰগাং, বৰ দিখাৰী, ভৰলী, মানসিৰি, কালিজুৰি, ডকাজুৰি, পমা, গৰুৱা মানাহা, বুঢ়ীগঙ্গা, দিচৈ, জগালু আৰু বহুতো সৰু নৈৰ বালিত সোণৰ কণিকা পোৱা গৈছিল।*[১] এই নদীবোৰৰ বেছিভাগেই চুতীয়া ৰাজ্য ক্ষেত্ৰৰ ভিতৰত আছিল। গতিকে সোণ উৎপাদনৰ ক্ষেত্ৰত চুতীয়া ৰাজ্যই প্ৰধান স্থলী আছিল।

চুতীয়া ৰজাসকলে আহোমৰ লগত সন্ধিৰ সময়ত দিয়া প্ৰচুৰ পৰিমাণৰ সোণৰ উপহাৰ, চুতীয়া ৰজাৰ সোণৰ ছত্ৰ-দণ্ড, সোণৰ সিংহাসন, আনকি পিকান, ভোগজৰা, আদিও সোণৰ থকাই প্ৰমাণ কৰে যে চুতীয়া ৰাজ্যত প্ৰচুৰ সোণ উৎপাদন হৈছিল আৰু অতি প্ৰাচীন কালৰ পৰাই চুতীয়াসকলে সোণৰ ব্যৱহাৰ কৰিছিল।

---

১ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৪৫৮।*

সোণ উৎপাদনৰ বাবে বিখ্যাত সোৱণশিৰি নদীও চিৰদিন চুতীয়া ৰাজ্যৰ ভিতৰতে আছিল। খ্রীঃপূঃ ৪ৰ্থ শতিকাত অৰ্থ শাস্ত্ৰত উল্লেখিত সুৱৰ্ণ কুণ্ডও সোৱণশিৰি নদীতেই।*[১] সোণ উৎপাদন কৰা সোণোৱালসকল চুতীয়া ৰাজ্যতে বেছি আছিল আৰু এতিয়াও লক্ষীমপুৰ জিলাৰ (অবিভক্ত) ডাঙৰী আৰু চৈখোৱাতেই বেছি। আমি আগতেই উল্লেখ কৰিছোঁ যে এই সোণোৱালসকল চুতীয়াই।

চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পাছত স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ দিনত দিনে প্ৰায় কুৰি হেজাৰ লোক আৰু স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত দিনে প্ৰায় যোল্লহেজাৰ লোক সোণ উৎপাদনৰ কামত নিয়োজিত হৈছিল। ইয়াৰ পৰাই বুজিব পাৰি যে অতীতৰ ৰাজ্যতো প্ৰচুৰ পৰিমাণৰ সোণ উৎপাদন হৈছিল।

আহোমে চুতীয়া ৰাজ্য জয় কৰি পোৱা কাৰিকৰী লোকসকলৰ ভিতৰত সোণাৰী অন্যতম। এইসকলো বেছিভাগেই চুতীয়া আছিল আৰু এতিয়াও বহু চুতীয়া সোণাৰীয়ে সোণৰ কাম কৰে। তেওঁলোকে উৎকৃষ্ট আৰ্হিৰ সোণৰ কাম কৰিব জানিছিল, আৰু নিজস্ব আৰ্হিৰ বিভিন্ন সোণৰ অলংকাৰ গঢ়িছিল; সেইবোৰেই বৰ্তমান অসমীয়া আৰ্হি।

আহোম ৰজাই বিচৰামতে চুতীয়া ৰজাই কুবেৰদত্ত ৰাজসম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী নিদি নিজ সোণাৰীৰ দ্বাৰা সাইলাখ তেনে বস্তু বেলেগকৈ তৈয়াৰ কৰাই দিবলৈ গাত লোৱাই প্ৰমাণ কৰে যে তেওঁলোকে যিকোনো আৰ্হিৰ বস্তু তৈয়াৰ কৰাত সিদ্ধহস্ত আছিল।

চুতীয়াসকলৰ সাধাৰণ অলংকাৰ, গামখাৰু, ডুগডুগী, গেজেৰা, গোটা খাৰু, বিভিন্ন আৰ্হিৰ আঙুঠি, কাণৰ অলংকাৰ, কিঙ্কিণী, আদি চুতীয়া সোণাৰীয়ে তৈয়াৰ কৰিছিল।

ইয়াৰ উপৰিও খনিকৰসকলে সোণৰ সিংহাসন, সোণ-ৰূপৰ ছত্ৰ-দণ্ড, সোণখটোৱা সৰুদৈয়া জাপি, হাতী দাঁতৰ বনকৰা পাটি, সোণৰ পিকদান, সোণৰ বিভিন্ন মূৰ্তি আদি গঢ়িছিল আৰু ৰজাক বছৰত নিৰ্দিষ্ট পৰিমাণে দিব লাগিছিল।

আহোম ৰজাই চুতীয়া ৰাজ্য জয় কৰি এই সম্পদৰাজি আৰু বিশেষকৈ কাৰিকৰী লোকসকল পাইহে লাভবান হৈছিল। সেইদৰে ৰূপৰ কাম কৰা মানুহো আছিল।

ৰূপ কমোৱা লোকসকলক ঠেঙাল বুলিছিল। ঠেঙালসকলো বৰ্তমানে নথিভুক্ত অনুসূচীত জনজাতি। সোণোৱালসকলৰ দৰে তেওঁলোকো চুতীয়াই। আনহাতে চুতীয়াসকলকো ১৮৮১ চনৰ পৰা ১৯৬১ চনলৈকে ভাৰত চৰকাৰৰ লোকপিয়লৰ সকলো নথি-পত্ৰতে জনজাতি বুলিয়ে উল্লেখ কৰা হৈছিল। বৰ্তমান সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত নহ'লেও চুতীয়াসকল জনজাতিয়েই।

---

১ *"The earliest reference to the abundance of gold in Suvarna Kund in Kamrup (Assam was previously known as Kamrup — Author) is found in the Arthasastra, 4th century B.C." — Assam the Indian Conflict. — By Mohesh Joshi — Page 2.*

# দৌল, দেৱালয়, ভাস্কৰ্য, তামৰ ব্যৱহাৰ, তাম্ৰেশ্বৰী মন্দিৰ আৰু অন্যান্য দেৱ-দেৱালয়

তাম্ৰেশ্বৰী মন্দিৰ সম্পৰ্কে সৰ্বানন্দ ৰাজকুমাৰদেৱে তেখেতৰ "চুতীয়া, ভূঞা আৰু মটক ৰাজ্য" নামৰ গ্ৰন্থত লিখিছে--

"কেঁচাইখাতী মন্দিৰক তাম্ৰেশ্বৰী মন্দিৰো বোলে। এই মন্দিৰ শদিয়াৰ পৰা ওঠৰ মাইল উত্তৰ-পূবে ঢলনৈৰ কাষত অৱস্থিত। দেউৰীসকলে এই মন্দিৰৰ উপাস্য দেৱীক পেশাচী (Pessasi) অৰ্থাৎ জীয়েক বোলে। লেঃ ডেল্টনৰ মতে এই মন্দিৰ লোহাৰ শলখা লগাই শিলেৰে চাৰিকোণীয়াকৈ তৈয়াৰ কৰা হৈছিল। শিলবোৰত কৰ্‌হাল দিয়া হোৱা নাছিল। ইয়াৰ বেৰ ৪১/২ ফুট দাঠ। মন্দিৰৰ ভিতৰফালৰ প্ৰত্যেক বাহু আঠ ফুট। মন্দিৰৰ ওপৰত তামৰ চাল আছিল; কিন্তু বৰ্তমান চালখন ভাগি পৰি আছে। তামৰ চাল থকাৰ কাৰণেই মন্দিৰৰ নাম তাম্ৰেশ্বৰী মন্দিৰ আৰু উপাস্য দেৱীৰ নাম তামৰ মাই হয়। মন্দিৰৰ চাৰিওফালে ১৩০ ফুট (৩৯ মিঃ) আৰু ২০০ ফুট (৬০ মিঃ) দীঘল ইটাৰ দেৱাল আছে। পশ্চিম দেৱালৰ দুৱাৰ মুখত এটি তিনিঠেঙীয়া সৰু শিল আছে। তাতে প্ৰতি বছৰে একোটাকৈ মানুহ বলি দিয়া হৈছিল। সেই কাৰণেই দেৱীৰ নাম 'কেঁচাইখাতী' হয়।*১ শদিয়া আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাত পাছলৈ তাত মৃত্যুদণ্ডৰে দণ্ডিত মানুহকহে বলি দিবলৈ দিছিল। কৰ্ণেল হেনৰীৰ মতে ১৫শ শতাব্দীত অৰ্থাৎ বামুণীয়া ধৰ্মৰ পুনৰুত্থানৰ সময়ত কেঁচাইখাতী মন্দিৰ পুনৰ নিৰ্মাণ কৰা হয়। তেওঁৰ মতে এই মন্দিৰ গ্ৰেণাইটৰ দ্বাৰা গঠিত আৰু তাৰ দুৱাৰ সুন্দৰ কাৰুকাৰ্যৰে পৰিপূৰ্ণ আৰু দুৱাৰমুখত দুটা ৰূপৰ দাঁত থকা এটা ডাঙৰ হাতী আছিল। ১৫শ শতিকাত শদিয়া চুতীয়া ৰাজ্যৰ তলত আছিল। এতেকে ক'ব লাগিব ১৫শ শতিকাত এই মন্দিৰ চুতীয়া ৰজাই পুনৰ নিৰ্মাণ কৰাইছিল।"*২

সেইদৰে ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে দেৱী নামৰ গ্ৰন্থত লিখিছে-- "কেঁচাইখাতী মন্দিৰৰ চালখন তামৰ আছিল বুলি কোৱা কাৰণেই মন্দিৰৰ নাম "তাম্ৰেশ্বৰী মন্দিৰ" হ'ব বুলি জনাজাত। দেউৰীসকলৰ মাজত প্ৰচলিত কিম্বদন্তীমতে গোসানীয়ে নিজে এই তামৰ মন্দিৰ নিৰ্মাণ কৰোৱায়। এদিন গোসানীয়ে বিদৰ্ভ ৰাজ্যৰ সুবাহু চুটান নামৰ ভীষ্মক ৰজাৰ উপৰি পুৰুষ এজন প্ৰখ্যাত ৰজাক নাৰীৰূপে দেখা দি পৰীক্ষাত অৱতীৰ্ণ কৰালে

---

১ *প্ৰকৃততে কেঁচাইখাতী শব্দটো কা-চেই-খা (Ka-Sei-Kha) শব্দৰ পৰাহে উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হ'ল দেৱীৰ কন্যা বা জীয়াৰী। সেয়েহে কেঁচাইখাতী গোসানীক গাভৰু গোসানী বা পিশাচী ডেমা বুলি কোৱা হয়। কা=স্ত্ৰীবাচক, চেই=আদ্যশক্তি, Kha খা=সন্তান। সেইদৰে কামাখ্যা কা-মেই-খা (Ka-Mei-Kha) কা=স্ত্ৰীবাচক, মেই=পুৰুষ Kha খা=জল শ্ৰোত, বা ৰক্ত-জল শ্ৰোত; কা-মেই-খা=নিজৰা মাতৃ বা ৰক্ত-জল শ্ৰোত-ধাৰিণী মাতৃ।*

২ *চুতীয়া, ভূঞা আৰু মটক ৰাজ্য -- সৰ্বানন্দ ৰাজকুমাৰ -- পৃঃ ৭৮।*

— যদি ৰজাই ৰাতিটোৰ ভিতৰতে প্ৰথম কুকুৰাৰ ডাকৰ আগতে গোসানীৰ কাৰণে তামৰ চাল দি শিলৰ দেৱাল এখন আৰু তাৰ পৰা নৈলৈকে উঠা নমা কৰিব পৰা শিলৰ খটখটিৰে পকা ঘাট এটা সাজি দিব পাৰে তেন্তে তেওঁ ৰজাক ভজিব; নহ'লে ৰজাই গোসানীক ভজিব লাগিব। ৰজাই পিশ্বাডেমাক ভজাবৰ অৰ্থে অতি উৎসাহেৰে সমগ্ৰ নিশা ধৰি অলেখ কাৰিকৰৰ হতুৱাই নিৰ্মাণ কাৰ্য কৰিবলৈ লাগিল। নিৰ্মাণ প্ৰায় শেষ হওঁ হওঁ হোৱা দেখি দেৱীয়ে এক মায়া কুকুৰা সৃষ্টি কৰি ডাক দিয়াই ৰাতি পুওৱাৰ সংকেত দিলে। ৰজাই প্ৰতিশ্ৰুতি মতে পিশ্বাডেমাক ভজিব লগা হ'ল।

এই তাম্ৰেশ্বৰী মন্দিৰৰ বিৱৰণ প্ৰসঙ্গত ১৯৩৭ খ্ৰীঃত মহামতি ডব্লিউ, বি, ব্ৰাউন চাহাবে তেওঁৰ 'দেউৰী চুতীয়া' নামৰ ব্যাকৰণত লিখিছে 'দীঘে পুতলে সমান লোহাৰ গজাল লগাই কৰা এটি সৰু শিলেৰে নিৰ্মিত মন্দিৰ। শিলবোৰত কঢ়ালৰ নামেই নাই। মন্দিৰৰ চালখন তামৰ আছিল। কিন্তু ই ভাগিচিগি পৰি আছে। ভিতৰখন দীঘ আৰু পুতলে আঠফুট। ইয়াৰ মেৰটো চাৰে চাৰি ফুট ডাঠ।'

১৯০৪ চনৰ জানুৱাৰী মাহত ভাৰতীয় পুৰাতত্ব বিষয়ক জৰীপৰ বিষয়া ডি.টি.ব্লক চাহাবে এই মন্দিৰৰ ভগ্নাৱশেষ পৰিদৰ্শন কৰি লিখিছিল-- 'বৰ্তমান অৱস্থাত মন্দিৰটোক কেৱল ভগা শিলৰ এটা দ'ম বুলিব পাৰি। ...... মন্দিৰৰ ওচৰে পাজৰে তামৰ টুকুৰা দেখা পোৱা নগ'ল।'*[১]

এই কথাবিলাকৰ পৰা দেখা যায় যে দেউৰীসকলৰ কিম্বদন্তীমতে এই মন্দিৰ প্ৰাক্‌ঐতিহাসিক যুগতে চুতীয়াসকলৰ দ্বাৰা নিৰ্মিত। কেতিয়াও শিলত যোৰা দিয়া কঢ়ালৰ (মচলা) বিষয়ে চুতীয়াসকল জ্ঞাত নাছিল। কিন্তু লোহাৰ শলখা লগাই শিলবোৰ যোৰা দিয়াই প্ৰমাণ কৰে যে লোহাৰ ব্যৱহাৰ তেওঁলোকে জানিছিল। সেইদৰে তামৰ চালেও প্ৰমাণ কৰে যে তামৰ ব্যৱহাৰো তেওঁলোকে জানিছিল। অৱশ্যে তাম বা লোহা ক'ত পাইছিল জনা নেযায়। কিন্তু এনে মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত যে তেওঁলোকৰ মৌলিক জ্ঞান বা চিন্তাচৰ্চা আছিল এইটো ঠিক।

যদি এই মন্দিৰ প্ৰাক্‌ঐতিহাসিক যুগত নিৰ্মাণ কৰাৰ পাছত পুনৰ ১৫শ শতিকাত নিৰ্মাণ কৰা হৈছিল তেতিয়াও সেই একেটা কথাই খাতে। আমি ১৫শ শতিকাত পুনৰ নিৰ্মাণ কৰা বুলি ধৰিলেও এই কথা ক'ব লাগিব যে তেতিয়া চুতীয়াসকলৰ ভাস্কৰ্যৰ জ্ঞান আছিল আৰু সেই জ্ঞান মৌলিক আছিল। হয়তো তেওঁলোকে মচলা বা কঢ়ালৰ ব্যৱহাৰ নেজানিছিল বা আগৰ আৰ্হিৰ পৱিত্ৰতাত হাত দিয়া নাছিল। তাম আৰু লোহা ব্যৱহাৰ কৰিছিল। তামৰ কাম কৰিব জনা কাৰিকৰ নিশ্চয় আছিল। মন্দিৰৰ সমুখত থকা খোদিত নক্সা, দুৱাৰত মহাদেৱৰ মূৰ্তি, শিৱৰ বুকুত নৃত্যৰতা কালী, সৰস্বতী আৰু পশু-পক্ষী আদিৰ মূৰ্তিয়ে প্ৰমাণ কৰে যে তেওঁলোকৰ চিত্ৰ-কলা আৰু ভাস্কৰ্য বিষয়ক নিপুণ আৰু পূৰ্ণ জ্ঞান আছিল। তেওঁলোক মহাদেৱ-পাৰ্বতীৰ (কুণ্ডিমামা) ভক্ত থকাৰ উপৰিও প্ৰাকৃতিক সৌন্দৰ্যপ্ৰিয় আছিল। মঠ-মন্দিৰ নিৰ্মাণ সম্বন্ধেও জ্ঞান আছিল। চাৰিওফালে

---

১ *দেৱী — ডঃ নিৰ্মলপ্ৰভা বৰদলৈ — পৃঃ ২২২-২২৪।*

ইটাৰ দেৱাল থকাই প্ৰমাণ কৰে যে ইটা তৈয়াৰ আৰু তাৰে কাম কৰিবও জানিছিল। তেওঁলোকৰ নাগৰিক সভ্যতাৰ বিষয়ে ধাৰণা আছিল। সুদূৰ অতীততে ইজিপ্ত, মেচেপটমীয়া, চীন আদিৰ সভ্যতাৰ লগত যে এওঁলোকৰ পৰিচয় আছিল সেই কথা আমি আগতেই আলোচনা কৰিছোঁ।

চাৰ এডৱাৰ্ড গেইটৰ A History of Assam নামৰ গ্ৰন্থত আছে– "ভাৰতৰ অন্য ঠাইৰ বৌদ্ধ ধৰ্মীসকলে ব্ৰহ্মপুত্ৰ উপত্যকাক বৈশালি বুলি জানিছিল বা অভিহিত কৰিছিল। ভীষ্মকৰ ৰাজধানীৰ নাম কুণ্ডিল আছিল, শদিয়াৰ কুণ্ডিল নদীৰ পাৰত এতিয়াও সেই ঠাই আছে আৰু সেই নগৰৰ পৰা ২৪ মাইল (৩৮ কিঃমিঃ) উত্তৰলৈ সেই নগৰৰ ভগ্নাৱশেষো এতিয়াও আছে; এই ঠাই ডিক্ৰং আৰু দিবং নদীৰ মাজৰ নিম্নাংশত; আৰু সেই ঠাইয়েই তাৰ অৱশেষ। তাৰ দেৱালবিলাক বৰ ওখ নহয় কিন্তু অতি সুৰক্ষিত। সেইবিলাক ছয়ৰ পৰা ন শাৰীলৈকে শিলেৰে (বিশেষকৈ গ্ৰেনাইট শিল) গঁথা আৰু ইটাৰ বক্ষদেৱালৰ (breast work) দ্বাৰা বেষ্টিত। সেইবোৰ (শিলবোৰ) বিন্ধা কৰি শলখা লগাই বান্ধি থোৱা, চিমেন্টৰ দ্বাৰা বন্ধা নহয়। সেই ঠাইতে চাৰিটা ডাঙৰ পুখুৰী আৰু ইটাৰ গাঁথনিৰ ভেটি আছে। তাত নিশ্চয় বিস্তৃতভাৱে বহুতো পকীঘৰ আছিল।

ভীষ্মকৰ পাঁচজন পুত্ৰ আৰু এগৰাকী কন্যা আছিল-- যাৰ নাম ৰুক্মিণী; তেওঁৰ সৌন্দৰ্যৰ কথা শুনি কৃষ্ণই তেওঁক বিবাহ কৰিব খুজিছিল কিন্তু তেওঁৰ পিতৃয়ে শিশুপাল নামৰ অন্য এজন ৰাজকুমাৰলৈ দিয়াৰহে সিদ্ধান্ত কৰিছিল; সেই দুৰ্গ (শিশুপাল দুৰ্গ) ভীষ্মক নগৰৰ পৰা কেইমাইলমান দূৰলৈ।"[১] (ইংৰাজীৰ পৰা অসমীয়া অনুবাদ)।

সেইদৰে শ্বেইক্সপীয়েৰে তেওঁৰ 'হিষ্টৰী অব আসাম ৰাইফলচ্ ১৯২৯' (History of Assam Rifles 1929) নামৰ টোকাত ২৬৩ পৃঃত লিখিছে।

"আসাম ৰাইফলচৰ ২য় বাহিনী (লক্ষীমপুৰ)ৰ (Second Lakhimpur Assam Rifles) দখলত থকা শদিয়া অঞ্চললৈ ঘূৰি চালে আমি দেখিবলৈ পাওঁ যে তাত অতীত সভ্যতাৰ চিনস্বৰূপে এখন নগৰৰ ধ্বংশাৱশেষ, শিলৰ দ্বাৰা নিৰ্মিত প্ৰতিৰক্ষাৰ কাম, পুখুৰী আদি এতিয়াও হাবি জংঘল আৰু পৰিত্যক্ততাৰে আবৃত হৈ আছে। লোহিত নদী আৰু মিচিমি পাহাৰৰ মাজৰ এই ঠাইৰ (অতীত) সম্বন্ধে সহজে অনুমান কৰিব পাৰি। এইবিলাক অতীততে সেই ঠাইত ৰাজত্ব কৰা চুতীয়া জাতিৰ বুলি বিশ্বাস কৰা হয়। চুতীয়া জাতিয়ে সোৱণশিৰিৰ পৰা দিচাং নৈলৈকে এই খণ্ড ৰাজ্যত শাসন কৰিছিল; তেওঁলোক কছাৰীসকলৰে সৈতে একে গোষ্ঠীৰে কিন্তু তেওঁলোকতকৈও অধিক প্ৰাচীন। এসময়ত এই শক্তিশালী জাতিটোৰ এতিয়াও বৰ্তি থকা শেষ উত্তৰাধিকাৰী দেউৰী চুতীয়াসকলে নিজকে সেই হিন্দু ক্ষত্ৰিয় ৰাজবংশৰ বুলি সগৌৰৱে ঘোষণা কৰে। মেজৰ হেনে চাহাবৰ মতে তেওঁলোকে প্ৰায় ২০০০ বছৰ বা তাৰো আগতে এই অংশত ৰাজত্ব কৰিছিল। অৱশ্যে ভীষ্মক নগৰ আদিৰ ভগ্নাংৱশেষ চাই এইবিলাক কোনে নিৰ্মাণ কৰিছিল

১ *A History of Assam — Edward Gait — Page 16.*

সঠিকভাৱে জনা নেযায়।"*১ (অসমীয়া অনুবাদ)

এইক্ষেত্ৰত ডঃ এচ. বৰুৱাৰ মন্তব্য মন কৰিবলগীয়া। তেখেতে লিখিছে-- "আৰ্থিক অৱস্থাই চুতীয়াসকলক পুৰাতাত্ত্বিক আৰু সুকুমাৰ কলাৰ কাৰ্যত পাৰদৰ্শী কৰি তুলিছিল। মালিনী থানৰ ভগ্নাৱশেষে প্ৰমাণ কৰে যে চুতীয়াসকল পুৰাতাত্ত্বিক কাৰ্যত অতি পটু আছিল। সেইদৰে শদিয়া অঞ্চলত পোৱা পুৰাতাত্ত্বিক সাক্ষৰ পৰাও চুতীয়াসকলৰ অতুলনীয় পুৰাতাত্ত্বিক জ্ঞান আছিল এই ধাৰণা কৰিব পাৰি।"*২ (অসমীয়া অনুবাদ)

ধেমাজী চুতীয়া সন্মিলনৰ (১৯৮৪ চন) স্মৃতিগ্ৰন্থত শ্ৰীউমেশ চেতিয়াদেৱে লিখিছে-- "চুতীয়াসকলৰ যে প্ৰাচীন এক উচ্চ সভ্যতা-সংস্কৃতি আছিল তাৰ নিদৰ্শন হিচাপে বিভিন্ন প্ৰাচীন পুৰাকীৰ্তিসমূহেই চিনাকি দিছে। সেইসমূহ প্ৰাচীন কীৰ্তি চিহ্নৰ ভিতৰত উল্লেখযোগ্য হ'ল বালিজান নৈৰ ওপৰত চিপুলীয়া গাঁৱৰ ওচৰত আৰু লোহিত উপত্যকাৰ মাজেদি যোৱা আলিৰ ২৭ মাইলৰ ওচৰত এটা দুৰ্গ আৰু ৰাজধানীৰ ধ্বংশাৱশেষ পোৱা হৈছে। এই ধ্বংশাৱশেষ ভীষ্মক ৰজাৰ ৰাজ্যৰ ৰাজধানীৰ ধ্বংশাৱশেষ বুলি অনুমান কৰা হৈছে। দ্বিতীয়তে শদিয়াৰ এখন দেউল পানী নামৰ সৰু নদীৰ পাৰত অৱস্থিত শক্তি মাৰ্গৰ নিদৰ্শন কেচাইখাতী বা তাম্ৰেশ্বৰী মন্দিৰৰ নাম সকলোৱে জনাজাত। তৃতীয়তে তাম্ৰেশ্বৰী মন্দিৰৰ পৰা চুনপোৱাৰ মাজেদি শদিয়ালৈকে থকা সুদীৰ্ঘ ৰাজগড় আলি। লক্ষীমপুৰ জিলাতো এই ৰাজগড় আলি ঠায়ে ঠায়ে ভগ্ন অৱস্থাত পোৱা যায়। আন এটি প্ৰাচীন কীৰ্তিচিহ্ন হ'ল তাম্ৰেশ্বৰী মন্দিৰৰ পৰা ১৮ মাইল দূৰত দিগাৰুমুখ আৰু টেমিমুখৰ পৰা যোৱা আলিৰ মূৰৰ পৰা লোহিত পাৰ হৈ তিনিমাইল গৈ পোৱা পৰশুৰামকুণ্ড। তেজু আৰু টেমিনৈৰ মাজতে লোহিতৰ পুখুৰী আৰু লোহিতৰ সোঁপাৰে অৰণ্যৰ মাজত পোৱা ধ্বংশাৱশেষৰ কথা উল্লেখ কৰিব পাৰি। চুতীয়া সভ্যতা সংস্কৃতিৰ আন দুটা প্ৰাচীন পুৰাকীৰ্তি হ'ল কুণ্ডিল নৈৰ পাৰত থকা বলীয়া বাবাৰ থান আৰু তাৰ ৩৭ মাইল উত্তৰে নিজাম ঘাটৰ ওচৰত থকা বুঢ়া-বুঢ়ীৰ থান। ইয়াৰ উপৰিও আন কেইটামান নিদৰ্শন হ'ল ডিৰুপানী নৈ আৰু গড়কাপ্তানী পথৰ মাজত অৱস্থিত শিৱলিঙ্গ; কুণ্ডিলৰ ওচৰত থকা ৰুক্মিণী নগৰৰ ভগ্নাৱশেষ আৰু ডাঙৰ পুখুৰীটো; কুণ্ডিল নৈৰ উত্তৰ পাৰে থকা সুবৃহৎ নাহৰ বাৰীখন।"

ইয়াৰ দ্বাৰাই আমি সিদ্ধান্ত কৰিব পাৰো যে সুদূৰ অতীততে ভীষ্মক নগৰ, শিশুপাল দুৰ্গ, মালিনী থান, বুঢ়া-বুঢ়ীৰ থান, অতি প্ৰাচীন কালতে চুতীয়াসকলৰ দ্বাৰাই নিৰ্মিত হৈছিল। সেইদৰে পাছৰ যুগতো ঘুগুহা দ'ল, নীল গোসানীৰ থান, পঞ্চানন থান, গৰখীয়া থান আদি দেউৰীসকলে পূজা পাতল দি থকা থানসমূহ চুতীয়াসকলৰ দ্বাৰা নিৰ্মিত বা প্ৰতিষ্ঠিত হৈছিল।

---

১ *Extract from Frontier Culture Vol. III No. I. Page 20-21 Editor — R.C Chutiya, M.A.*

২ *Extract from Frontier Culture Vol. III No. II Editor — R.C. Chutiya. M.A. — Page 36.*

আহোম ৰাজ্যত দৌল চেতিয়া নামৰ এটা খেল আছিল। এই খেল বৰাহী লোকেৰে গঠিত হৈছিল। এই খেলৰে পৰা দিহিঙ্গীয়া ৰজা স্বৰ্গদেৱে "ডিমৰু নামে এক বৰাহীৰ হতুৱাই এক দৌল বন্ধালে। সেই দৌল বৰ সুন্দৰ হ'ল। ৰজাদেৱে চাই ভাল দেখি পাছে সেই ডিমাৰুক বঁটা বাহন দি তাৰ নাম দিলে 'দৌল চেতিয়া।' তাৰ বঙ্গহক এতিয়াও দৌল চেতিয়া বুলি কয়।"

এই কথাৰ পৰাও বুজিব পাৰি যে চুতীয়াসকলৰ মাজত দৌল দেৱালয় নিৰ্মাণ কৰিব জনা অভিজ্ঞ আৰু কাৰিকৰী লোক যথেষ্ট আছিল। ১৯৮৮ চনৰ ১৬ অক্টোবৰ তাৰিখৰ Assam Tribune কাকতৰ এটা প্ৰবন্ধত ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে – "They also were good sculptures and architects and had their own script." বৰ্তমান খনিকৰ খেলত ভুক্ত থকা লোকসকলেই এই সূক্ষ্ম কাৰিকৰী অৰ্হতাৰ আৱশ্যক থকা কামবোৰ যে কৰিছিল সেই কথা সহজে অনুমান কৰিব পাৰে।

চুতীয়া ৰজাসকলৰ দিনত নিৰ্মিত ৰত্নপুৰ নগৰ, বাসুদেৱ থান আৰু বিভিন্ন থানসমূহ এই লোকসকলৰ দ্বাৰাই নিৰ্মিত হৈছিল।*১

চুতীয়াসকলৰ যজ্ঞস্থলীত বীৰপালে লাভ কৰা কুবেৰদত্ত ৰাজসম্পদ, ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী, তেওঁলোকৰে পূৰ্বপুৰুষসকলৰেই কাৰুকাৰ্য আৰু ভাস্কৰ্যৰ নিদৰ্শন। সেইদৰে সোণ-ৰূপৰ ছত্ৰ, দণ্ড, সোণৰ সিংহাসন, চুতীয়া ৰজাই আহোম ৰজালৈ দিয়া উপহাৰ সোণ খটোৱা পীৰা আদিও চুতীয়াসকলৰ খনিকৰী কাৰ্যৰেই নিদৰ্শন। এইক্ষেত্ৰত বুৰঞ্জীবিদ বেণুধৰ শৰ্মা দেৱৰ নিম্নোক্ত মন্তব্য উল্লেখযোগ্য। তেখেতে লিখিছে— "চুতীয়া জাতি উলামুলা জাতি নহয়। ৰূপেৰে বন্ধোৱা দাঁতৰ ইন্দ্ৰৰ ঐৰাৱত মূৰ্তি, শিলত কাটিব পাৰিছিল চুতীয়াই; মন্দিৰৰ বাট চ'ৰাত ফুল জালি কাটিছিল চুতীয়াই; চটীয়া শিলত ম'ৰা চৰাই গৰুণ্ডৰ সাপধৰা বিষ্ণু মূৰ্তি, শিৱ-পাৰ্বতীৰ মূৰ্তি, চচকৈ কাটি দেখুৱাইছিল চুতীয়াবিলাকেই। ৰাজ খনিকৰী কামতো চুতীয়াৰ শিল্প অনুকৰণীয় হৈয়ে আছে। কেচাইখাতী গোসাঁনীক পূজা কৰোতা চুতীয়াবিলাকৰ ধ্যান-ধাৰণাও কেচাইখাতীৰ দৰেই উগ্ৰতেজী আছিল। তামৰ চাল লগোৱা মন্দিৰ চুতীয়াৰ দেশতেইহে আছিল। কিন্তু তাম্ৰেশ্বৰী নামটোৱে সঁচাসচিকৈ কেচাইখাতী গোসাঁনীকহে বুজায়। তিব্বত আৰু কম্বোদ বা কাম্বোজৰ সভ্যতাও আৰ্যাবৰ্তৰ এইখিনিতেহে সংমিশ্ৰণ হৈছে।"*২

"তাম্ৰেশ্বৰী মন্দিৰ, বুঢ়া-বুঢ়ীৰ থান, আৰু অন্যান্য সৰু সৰু মন্দিৰৰ শিলত কটা অপূৰ্ব মূৰ্তিবিলাক দেখি কোনে নক'ব এসময়ত চুতীয়া শিলাকটীয়াৰ অদ্ভুদ স্থপতিবিদ্যাৰ জ্ঞান নাছিল বুলি।"*৩

---

১ *অসম বুৰঞ্জী – পদ্মনাথ গোঁহাই বৰুৱা – পৃঃ ২৬।*

২ *সঃচুঃজাঃ সন্মিলনৰ সোণালী জয়ন্তী অধিৱেশনৰ স্মৃতিগ্ৰন্থত --*
*বেণুধৰ শৰ্মাৰ প্ৰবন্ধ -- পৃঃ ৩,৪,৫।*

৩ *সঃচুঃজাঃ সন্মিলনৰ সোণালী জয়ন্তী অধিৱেশনৰ স্মৃতিগ্ৰন্থত --*
*বেণুধৰ শৰ্মাৰ প্ৰবন্ধ – পৃঃ ৭।*

আহোমসকলে চুতীয়া ৰাজ্য জয় কৰি বিভিন্ন বস্তু পাই লাভবান হৈছিল; কিন্তু সেইবোৰতকৈও তেওঁলোকে সেই ৰাজ্যত পোৱা বৃত্তিয়াল আৰু কাৰিকৰী লোকসকলক পাইহে বেছি লাভবান হৈছিল।*[১] সেই লোকসকলে পৰৱতী কালত আহোম ৰাজ্যৰ সমৃদ্ধি বঢ়াইছিল। আহোম ৰাজ্যৰ বহুবিলাক নিৰ্মাণকাৰ্য যে চুতীয়াৰ খনিকৰসকলেই কৰিছিল ইয়াত কোনো সন্দেহ নাই।

## থকাঘৰ আৰু তাৰ আৰ্হি

চুতীয়াসকলৰ থকাঘৰ সাধাৰণতে তিনিটা বা চাৰিটা ঘৰৰ সমষ্টি। পূবা-পশ্চিমাকৈ থকা এটা ডাঙৰ ঘৰ; তাৰ নাম বৰঘৰ। এইটোৱেই প্ৰধান ঘৰ। এই ঘৰৰ পূবফালৰ এটা ডাঙৰ কোঠা ৰন্ধাৰ বাবে ব্যৱহাৰ কৰা হয়। তাৰ পাছৰ মাজতে এটা ডাঙৰ কোঠা খাবৰ কাৰণে ব্যৱহাৰ কৰা হয়; আৰু একেবাৰে পশ্চিমৰ ফালৰ কোঠাটো সৰ্ব জ্যেষ্ঠজন বা বুঢ়া-বুঢ়ীয়ে শোৱনি কোঠা হিচাপে ব্যৱহাৰ কৰে। সেই গোটেই কোঠাটোত প্ৰায় চাৰি হাতমান ওখকৈ এখন চাং থাকে, সেই চাংখনক চোৰচাং বুলি কোৱা হয় আৰু তাতেই বুঢ়া-বুঢ়ী বা জ্যেষ্ঠজন শোৱেও। সেই চাঙৰ ওপৰতে ঘৰৰ মূল্যবান বস্তুবোৰো ৰখা হয়, সেইবাবে চোৰে সিন্ধি খান্দি ভিতৰ সোমালেই বস্তুবোৰ নেপায় আৰু ওপৰলৈ উঠিলেও গৃহস্থই সাৰ পায়। আগৰ দিনত ঘৰবোৰ মাটিৰ হোৱাত সাধাৰণতে চোৰে সিন্ধি খান্দিয়ে চুৰি কৰিছিল।

এই বৰঘৰৰ পাছতেই ইয়াৰ গাতে লগাকৈ উত্তৰা-দক্ষিণাকৈ এটা ঘৰ; এই ঘৰৰ নাম মাৰলঘৰ বা মালঘৰ। এই ঘৰো আহল-বহল। ইয়াতে ঢেকীশাল আৰু অন্যান্য যাবতীয় দৈনন্দিন ব্যৱহাৰৰ বস্তুবোৰ থাকে। কোনো সেৱা আদি সকাম এইঘৰতে কৰে। এই ঘৰত এখন জুই-শাল থাকে। শীতৰ দিনত ডাঙৰ খৰিৰ জুই ধৰি বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী, নাতি-নাতিনীহঁত বহে। বুঢ়া-বুঢ়ীয়ে এই জুই-শালৰ কাষতে সাধুকথা কয়। কোনো আলহী আহিলেও এই জুই-শালৰ কাষতেই বহিবলৈ দিয়ে বা অভ্যৰ্থনা কৰে।

ইয়াৰ পাছত ইয়াৰ গাতে লগাকৈ বৰঘৰৰ দৰেই পূবা-পশ্চিমাকৈ তৃতীয় এটা ঘৰ। এই ঘৰৰ কোঠা আৱশ্যক বুজি তিনিটা বা চাৰিওটা হ'ব পাৰে। এই কোঠাবোৰত বিবাহিত পো-বোৱাৰীবোৰে একোটাকৈ কোঠাত থাকে। অবিবাহিত ল'ৰাবোৰৰ বাবে

---

১ *চুতীয়া, ভুঞা আৰু মটক ৰাজ্য -- সৰ্বানন্দ ৰাজকুমাৰ -- পৃঃ ৫০।*

একেটা কোঠাতে হয়। সেই কোঠাটো এই ঘৰত বা মাৰলঘৰতো হ'ব পাৰে। সেইদৰে অবিবাহিত ডাঙৰ ছোৱালীৰ বাবেও।

সম্ভ্ৰান্ত মানুহৰ বৰঘৰ আৰু মাৰলঘৰৰ মাজতে বৰঘৰৰ দৰেই পূবা-পশ্চিমাকৈ বৰঘৰৰ কাষতে আৰু এটা ঘৰ থাকে। সেই ঘৰ বেছি ডাঙৰ নহয়। ইয়াক চ'ৰাঘৰ বুলি কোৱা হয়। দিনৰ ভিতৰত কোনো আলহী আহিলে সেই ঘৰতে বহিবলৈ দিয়ে আৰু তামোলচালি খাই কথা-বতৰা পাতে। এই ঘৰত বেৰ নেথাকে।

দ ঠাইৰ মানুহে বা নদীৰ পাৰত থকা মানুহে য'ত বানপানী বছৰি দুই-তিনিবাৰ উঠেই তেনে ঠাইৰ মানুহে বৰঘৰৰ পৰা চোতালখন পাৰহৈ অলপ আঁতৰত উত্তৰা-দক্ষিণাকৈ এটা চাংঘৰ কৰি লয়। সোৱণশিৰি অঞ্চলত এতিয়াও চুতীয়া মানুহৰ চাংঘৰ আছে। চাংঘৰৰ চাংখন প্ৰায় পাঁচ হাতমান ওখ; যাতে তাৰ তলেদি এজন মানুহ সহজে অহা-যোৱা কৰিব পাৰে। বহুতে তাৰ তলতে তাঁতশালখন পাতি লয়। বাৰিষা পানী আহি ঘৰৰ ভেটি তল গ'লেই প্ৰায় সকলোৱে তাতে উঠি থাকে। চাংঘৰত থকা মানুহে বৰঘৰত চোৰ চাং নেপাতি চাং ঘৰতে সকলো মূল্যৱান বস্তু ৰাখে। বুঢ়া-বুঢ়ী বা মুখীয়ালজনো তাতে শোৱে আৰু থাকে।

চাংঘৰৰ মুখৰ কোঠাটো মুকলি কৰি থয়। কোনো অতিথি আহিলে সেই মুকলি অংশতে বহিবলৈ দি অভ্যৰ্থনা কৰে। তাত এখন জুই ধৰা জুই-শাল থাকে। সেই জুই-শালখনক 'তিফাই' বোলে। ইয়াৰ উপৰিও বাৰিষা দিনত চাংঘৰৰ মুকলি কোঠাৰ লগত সংলগ্ন কৰি এখন ডাঙৰ চাং পাতি লয়। সেইখনক মিচাং বুলি কয়। এই মিচাঙত বাৰিষা দিনত ধান শুকুৱা, কাপোৰ-কানি ৰ'দত দিয়া কাম কৰে আৰু গৰমত বহুত ৰাতিলৈকে তাতে বহি কথা-বতৰা পাতি সময় কটায়।

ইয়াৰ উপৰিও চুতীয়াসকলৰ আহল-বহল চোতালৰ মূৰতে পূবফালে পূবা-পশ্চিমাকৈ এটা বা ততোধিক ভঁৰাল ঘৰ থাকে। যুৰীয়া ভঁৰাল চুতীয়াৰ গৌৰব।

থকা ঘৰবোৰৰ পৰা অলপ দূৰতে দক্ষিণ ফালে গোহালী ঘৰ থাকে। অবস্থাপন্নসকলে গোহালী ঘৰৰ তলত কাঠৰ চাংপাতি দিয়ে। তামোল বা বাহবাৰী আগফালে অৰ্থাৎ পূবফালে নকৰে। নদীৰ পানী নোখোৱা মানুহে পূবফালে বা পশ্চিমফালে পানী খাবৰ বাবে পুখুৰী খান্দি লয়।

এইবিলাক সাধাৰণতে সম্ভ্ৰান্ত বা অবস্থাপন্ন আৰু পৰিয়ালত বহুলোক থকা ঘৰৰ কথাহে কোৱা হ'ল। অৱশ্যে চুতীয়াসকলৰ যৌথ পৰিবাৰেই আছিল আৰু এটা পৰিয়ালত পোন্ধৰ-যোল্লজনৰ কম লোক নাছিল।

হীনাবস্থাৰ লোকৰ বিশেষকৈ যাৰ পৰিয়াল স্বামী-স্ত্ৰী আৰু দুই এটা সন্তানতে সীমাবদ্ধ তেওঁলোকৰ কেৱল বৰঘৰটো বা বৰঘৰ আৰু চাংঘৰতে সকলো হৈ যায়। সৰু হওক ডাঙৰ হওক ভঁৰাল ঘৰটো অৱশ্যে থাকেই।

ঘৰৰ ভেটি সাধাৰণতে এহাত বা দেৰহাত ওখ আৰু ভেটি কেঁচা। ঘৰৰ ভেটি বিশেষকৈ বৰঘৰৰ ভেটি সদায়ে গোবৰ মাটি দি মচা হয়। বেৰবোৰ বাঁহ বা ইকৰাৰ,

মাটিৰে লিপা। চুণ দিয়াৰ নিয়ম আগতে নাছিল। ঘৰবোৰ সাধাৰণতে দুচলীয়া। কিন্তু অৱস্থাপন্ন সম্ভ্ৰান্ত মানুহে টুপ লগাই চাৰিচলীয়া কৰি লয়। আগতে আহোম ৰজাই চুতীয়াৰ পৰাই দুটৰপীয়া আৰু টুপলগা ঘৰৰ আৰ্হি লৈ নিজৰ কাৰণে তেনে ঘৰ লৈ সাধাৰণ লোকক তেনে ঘৰত থাকিবলৈ নিষেধ কৰি দিছিল।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে সঃচুঃসঃ অসমৰ সোণালী জয়ন্তী অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ এটা প্ৰবন্ধত লিখিছে-- "চুতীয়া মানুহ এজনে এনেকুৱা শালিকা এটাকে এদিন স্বৰ্গদেৱৰ আগত দি সেৱা জনাইছিল। শালিকাটো মানুহজনে বাঁহৰ শলীৰে আটোমটোকাৰীকৈ সজা দুতৰপীয়া সজা এটাত ভৰাই নিছিল। সেই কাললৈকে লুইতৰ দক্ষিণ পাৰত কাৰো দুতৰপীয়া ঘৰ নাছিল। স্বৰ্গদেৱে সজাটোৰ ঠগটো দেখি বৰ সন্তোষ পালে আৰু তৎক্ষণাৎ সেই চানেকীৰেই ৰজাৰ ঘৰ দুতৰপীয়া কৰিবলৈ আদেশ দিলে। এই কথা সাধু কথা নহয় বুৰঞ্জীৰ সত্য কথা।"*১

আহোম ৰজা স্বৰ্গদেউ চুকাফাই মৰাণসকলক বশ কৰাৰ পাছত মৰাণসকলৰ আৰ্হিৰে দুই টুপ লগোৱা ঘৰত বাস কৰিবলৈ লয় আৰু মৰাণসকলক দুই টুপ লগোৱা ঘৰত থাকিবলৈ নিদিয়া হ'ল।*২

## দেশ ৰক্ষাৰ ব্যৱস্থা আৰু যুদ্ধৰ সৰঞ্জাম

চুতীয়াসকলৰ দেশ ৰক্ষাৰ ব্যৱস্থা অতি সুদৃঢ় আছিল। বীৰপাল বংশৰ ৩৩৪ বছৰ ৰাজত্ব কালৰ ভিতৰত তেওঁলোকে কোনো যুদ্ধতে পৰাজয় বৰণ কৰা নাছিল। অৱশ্যে ক্ৰমবৰ্ধমান আহোম শক্তিৰ ওচৰত অৱশেষত ১৫২৩ খ্ৰীঃত তেওঁলোকে অসীম সাহসেৰে আৰু বীৰত্বেৰে যুঁজিও স্বাধীনতা ৰক্ষা কৰিব নোৱাৰিলে। সেই যুদ্ধতো সমুখ সমৰতকৈও কৌশলতহে পৰাজয় হয়।

দেশ ৰক্ষাৰ বাবে সেই যুগৰ নিয়ম বা সুবিধা মতে দেশৰ দুৰ্বল সীমান্ত অঞ্চলত

---

১ *সঃচুঃজাঃ সন্মিলনৰ সোণালী জয়ন্তী অধিৱেশনৰ প্ৰবন্ধ -- বেণুধৰ শৰ্মা — পৃঃ ৮।*

২ *"পাচে সকলো বশ হৈ ৰজা মানিলে। সিহঁতৰ দুই টুপ লগোৱা সি ঘৰ ৰজাক দিলে; তাৰে পৰা দুই টুপ লগোৱা ঘৰত সিহঁত থাকিব নেপায়।"*

*— সুঃ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী — সম্পাদনা -- সূৰ্যকুমাৰ ভূঞা — পৃঃ ৫।*

*"একদিনা এটা বৰাহী মানুহে টুনি চৰাই এসজা ৰজা দেৱক ভেটিলেনি, কুহিলাৰ সজা, দুই টুপ দিয়া চাঙ্গ ঘৰৰ ঠেনা। ৰজা দেখি বোলে আমাৰ মানুহক দেখাৰ। সেই ধৰণে ঘৰ সাজিলে দুই টুপ দি। ঘৰ ভাল হ'ল। ৰজা বোলে এনেকৈ কেৱে ঘৰ সাজিব নেপায়। তাৰে পৰা বাধা হ'ল।"*

*-- সাতসৰি অসম বুৰঞ্জী — সম্পাদনা — সূৰ্যকুমাৰ ভূঞা — পৃঃ ১৪।*

গড় আৰু তাৰ বাহিৰত গড়খাৱৈ নিৰ্মাণ কৰা সেই যুগত ৰাজ্যৰক্ষাৰ প্ৰধান উপায় আছিল আৰু সেই মতে ৰাজ্য ৰক্ষাৰ্থে তেওঁলোকে সীমান্তত গড় আৰু গড়খাৱৈ নিৰ্মাণ কৰিছিল।

"শদিয়া বা চুতীয়া ৰাজ্যৰ পৰা ওলাই যোৱা যি প্ৰকাণ্ড ৰাজগড় আছে সেই গড়টো শ্ৰীকৃষ্ণই ভীষ্মক নন্দিনী ৰুক্মিণীক বিয়া কৰাই লৈ যাওঁতে কৰোৱা বুলি কোনো কোনোৱে কয়। তাৰে এচোৱা গোঁহাইকমলৰ আলিয়েও গ্ৰাস কৰিছে এতিয়া জনা গৈছে যে সেইটোৱেইনে আন কোনোবা এটাহে ইণ্ডোচাইনাৰ পৰা গুৱাহাটীলৈকেও এটি ৰাজগড় নিৰ্মাণ কৰা হৈছিল। চুতীয়া ৰজাই গৌড় দেশলৈকে কৰোৱা কথাও সকলোৱে জানে। ৰাজগড়টো নিৰ্মাণ কৰাত সকলো কথা অমিল হ'লেও এটা কথাত মিল আছে যে সেইটো চুতীয়া মানুহৰ হতুৱাই বন্ধোৱা হৈছিল। সেই উদ্যোগ পৰিশ্ৰম আৰু সংহতি চুতীয়াৰ নিমিত্তে আজি আকাশ কুসুম।"*১

ৰজা ধীৰনাৰায়ণে ক্ৰমবৰ্ধমান আহোম শক্তিৰ বিষয়ে সম্যকভাৱেই উপলব্ধি কৰিছিল আৰু সেই শক্তিক প্ৰতিৰোধ কৰিবৰ বাবে দিখৌ নদীৰ মুখত পছলাৰে গড় নিৰ্মাণ কৰিছিল।

চুতীয়া সৈন্য বাহিনীত কাড়ী সৈন্যই প্ৰধান আছিল; কিয়নো সেই যুগৰ যুদ্ধত প্ৰধানকৈ ধনুকাড়হে ব্যৱহাৰ হৈছিল। কিন্তু সেই কাড়ী অতি উত্তম আছিল। পৰৱৰ্তী আহোম যুগত আহোমসকলেও চুতীয়াৰ কাড়ী সৈন্যক আগশাৰীত স্থান দিছিল। "অভ্যাসৰ নৰ কৰ্ণ-পথে কৰে শৰ।" এই বচন ফাকি চুতীয়াৰ। চুতীয়া সৈন্যই নিজ পত্নীৰ কাণৰ বিন্ধাইদি কাড়মাৰি সৰকাই নিজ যোগ্যতাৰ পৰিচয় দিছিল। অৱশ্যে সেই কাণৰ বিন্ধা বৰ্তমানৰ দৰে নহয়, ডাঙৰ আছিল।

চুতীয়াৰ বিহিয়াবিলাকে বিহ তৈয়াৰ কৰিব আৰু কাড়ৰ আগত বিহ দিব জানিছিল।

চুতীয়াৰ সেনা বাহিনীত কাড়ী সৈন্যৰ উপৰিও হাতী, ঘোঁৰা আৰু নৌ-বাহিনীও আছিল। আহোম ৰজা চুহুমুঙে এটা সন্ধিৰ প্ৰস্তাৱত ধন-সোণৰ পৰিৱৰ্তে দহোটা হাতীহে বিচাৰিছিল। ইয়ে প্ৰমাণ কৰে যে আহোম ৰাজ্যত পৰ্যাপ্ত পৰিমাণৰ হাতী পোৱা নগৈছিল; কিন্তু চুতীয়া ৰাজ্যত হাতী যথেষ্ট পোৱা গৈছিল। ঘোঁৰা চুতীয়াসকলে ভূটানৰ পৰা আনিছিল। চুতীয়া ৰাজ্যত ব্ৰহ্মপুত্ৰৰ উপৰিও সোৱণশিৰি, দিহিং, দিচাং, দিখৌ আদি কেইবাখনো ডাঙৰ নৈ আছিল। সেইবোৰত আহোমৰ লগত নৌ যুদ্ধ হৈছিল। চুতীয়াসকলৰ চ'ৰানাও অতি বিখ্যাত আছিল।

চুতীয়াসকলে তেতিয়াই যুদ্ধত হিলৈ ব্যৱহাৰ কৰিছিল। আহোমে চুতীয়া ৰাজ্য জয়কৰি পোৱা মিঠাহোলোং নামৰ হিলৈ অতি শক্তিশালী আছিল। সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জীৰ মতে চুতীয়া ৰাজ্য জয় কৰি আহোমে "প্ৰজা অনেক পালে, ২৭টা ঘোঁৰা পালে, ১০০০ হিলৈ পালে। ও ডাঙৰীয়াসকলক বঁটা দিলে।"*২

---

১ *সংচুংজাঃ সম্মিলনৰ সোণালী জয়ন্তী অধিৱেশনৰ স্মৃতিগ্ৰন্থত*
*— বেণুধৰ শৰ্মাৰ প্ৰবন্ধ — পৃঃ ৪।*

২ *সুঃমঃ ঘৰত পোৱা অসম বুৰঞ্জী — সম্পাদনা — সূৰ্যকুমাৰ ভূঞা — পৃঃ ২০।*

চুতীয়াৰ বৰধেনু, চুতীয়াধেনু, কাড়ফাইধেনু, বিখ্যাত যুদ্ধৰ অস্ত্র।

*বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে সঃচুঃজাঃ সন্মিলনৰ স্মৃতিগ্রন্থৰ এটা প্রবন্ধত লিখিছে* -- "চুতীয়াৰ পৰা যি হেজাৰ বন্দুক আনিছিল তাৰ ভিতৰত মিঠাহোলোং বোলা বন্দুকটোৱেই *সৰ্বোৎকৃষ্ট আছিল। টোপটোৰ ওপৰখন পিতলৰ পানী চৰোৱা তাতে মিনা* কৰাই সোণ-বাখৰ খাজি দিয়া আছিল। চুতীয়াৰ পৰা অনা টোপ আৰু খাৰ-বাৰুদ দেখিয়েই সম্ভৱতঃ মিৰজুমলাৰ লগত অহা জন্ বেপ্তিষ্ট টেভাৰনিয়াৰে অসমত পোন প্রথমেই খাৰ কলাই তৈয়াৰ হৈছিল বুলি লিখিছিল।"

"সুদীৰ্ঘ আহোম ৰাজত্বৰ কালচোৱাত যি কেইজন বচা বচা বৰফুকন কাজলী মুখত, কলীয়াবৰত, থোৱা হৈছিল তাৰ বাৰজন বৰফুকনেই চুতীয়া কুলৰ পৰা নয়া। হেড়ামে সৰকি যোৱাকৈ কাড় মাৰিব পৰা চুতীয়া কাড়ীকেই ৰণৰ আগলৈ পঠোৱা হৈছিল। সেয়েহে আজিও চুতীয়াধেনু কাৰফাইধেনুৱে অসমীয়া ধেনুকাড়ৰ মাজত সুকীয়া বৰপীৰা পাৰি বহি আছে।"*১

চুতীয়াৰ মহিলাসকলো যুদ্ধ বিদ্যাত পাৰ্গত আছিল আৰু আৱশ্যক হ'লে ৰণলৈ গৈছিল। আহোমৰ লগত হোৱা শেষ যুদ্ধত চুতীয়াৰ ৰমণীসকলেও ৰণ কৰিছিল; ৰাণী সাধনীয়ে ৰণ পৰিচালনা কৰিছিল। চুতীয়া ৰাণী ৰাধা-ৰুক্মিণীয়ে আহোমৰ লগত হোৱা মোৱামৰীয়া ৰণত কিম্বদন্তীৰ সৃষ্টি কৰিছিল। তেওঁলোকৰ অতুলনীয় ৰণ-নিপুণতাৰ বাবে সকলোৱে মুখে মুখে কৈছিল-- "ৰাধা-ৰুক্মিণী মানৱী নহয়, দেৱী; তেওঁলোকে বন্দুকৰ গুলি আচল পাতি ধৰিব পাৰে।"

## খাদ্য

বৰ্তমান অসমীয়াসকলৰ সাধাৰণ খাদ্য ভাত-মাছেই চুতীয়াসকলৰো অতীতৰে পৰাই প্রধান খাদ্য আছিল। ভাতৰ পাছতেই মাছ প্রধান খাদ্য। এজন চুতীয়াক ভাত কিহেৰে খালা বুলি সুধিলে মাছ নহ'লেই সুদা ভাত বুলি কয়। লাগে অন্যবস্তু বহুতেই খাওক। সেয়েহে অতি কষ্ট কৰিও মাছ তেওঁলোকে বিচাৰে। ঘৰত কেইবাজনো পুৰুষ থাকিলে এজন কেৱল মাছ সংগ্রহতেই ব্যস্ত থাকে।

মাছ সাধাৰণতে অন্য তৰকাৰী যেনে-- লাউ, কোমোৰা, বেঙেনা, আলু আদিৰ লগত মিহলি কৰি আঞ্জা ৰান্ধি খায়। কাৱৈ, পুঠি, এলেং, পাভ, কুড়ি মাছ খৰিকাত দি

---

১ *সঃচুঃজাঃ সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতিগ্রন্থ প্রবন্ধত -- বেণুধৰ শৰ্মা - পৃঃ ৬-৭।*

খায়। মোৰা মাছৰ পাতত দিয়া, গৰৈ মাছ পুৰি পিটিকা কৰি তাত অলপ নেমুৰ ৰস আৰু পকাতেল দি খাবলৈ বৰ ভাল পায়। সেইদৰে কুঢ়ি বা শ'ল মাছ কচুৰ থুৰীৰ লগত জালুকীয়া, পাভ মাছ আৰু লফা শাকৰ লগত টেঙা, কুঢ়ি বা চেনী মাছৰ লগত ঔটেঙা দি টেঙা, সৰুমাছৰ লগত ঢেকীয়াৰ টেঙা বা সুদা ঢেকীয়াৰ জবৰা, বাঁহ-গাজৰ খৰিচাৰ লগত চিতল মাছ, কান্দুলী মাছৰ টেঙা, চুতীয়াসকলৰ উত্তম ব্যঞ্জন। মাগুৰ মাছ শুকান খৰিচাৰ লগত আই ওলোৱা ল'ৰা-ছোৱালীক সাত দিনৰ দিনা শুকনি দিয়ে, তিনি দিনৰ দিনা মোৰা মাছেৰে পকনি দিয়ে! সেইদৰে কাহুদী খাৰলিও চুতীয়াসকলে খায়।

লাই, লফা, খুতৰা, পালেং জবৰা কৰি খায়। লাউ, কোমোৰা, বেঙেনা, আলু অকলসৰে বা মিহলি কৰি আঞ্জা কৰি খায়। তিতাৰ ভিতৰত বেতগাজ, তিতাকেৰেলা, শুকুতা তিতা, তিতাভেকুৰী আদি চুতীয়াসকলৰ অতি প্ৰিয়। চুতীয়াসকলৰ প্ৰিয় বুলি এবিধ লফা শাকৰ নাম চুতীয়ালফা।

নলটেঙা, ঢেকীয়া, কচু, নেফাফু, চুতীয়াসকলে স্বৰ্গদেউ চুকাফাক নি উপহাৰ দিছিলগৈ কিন্তু স্বৰ্গদেৱে সেইবোৰ কনেকৈ খায় নজনাত চুতীয়াসকলেই খাবলৈ শিকাই দিবলগা হৈছিল। তাৰ বাবেই পাছত স্বৰ্গদেৱে চুতীয়া বৰাহীক চাংমাই পাতিছিল।

কলগছৰ ভিতৰত আঠীয়া কলৰ সৰু পুলিৰ পচলা আৰু দিলটোৰ তৰকাৰী অতি প্ৰিয়। আঠীয়া কলৰ মধুনাটো কাটি আহিন মাহত শুকুৱাই থৈ পুৰি চাই কৰি খাৰ আৰু পকা আঠীয়া কলৰ বাকলিটো শুকুৱাই পুৰি চাই কৰি খাৰ খায়। অৱশ্যে চুতীয়াসকলে খাৰ বৰ সঘনে নেখায়। টেঙাহে বেছি প্ৰিয়।

বৰালী মাছ চুতীয়াসকলৰ অতি প্ৰিয়। বৰালী মাছ পুৰি, পাটত দি, টেঙা আঞ্জা ৰান্ধি নানা প্ৰকাৰে খায়।

আহোম স্বৰ্গদেউ চুকাফাই চুতীয়াৰ বৰাহী কুঁৱৰীৰ ৰন্ধা কচু-ঢেকীয়া খাই ইমান ভাল পাইছিল যে তেওঁৰ কথা মতে তেওঁৰ পৰিয়ালৰ লোকক ৰান্ধনি পাতি চাংমাই খেলত ভুক্ত কৰিছিল। বৰ্তমান চাংমাইসকলে আহোম বুলি পৰিচয় দিলেও অতীতত তেওঁলোক চুতীয়াহে আছিল।

মাটিমাহ আৰু মগুমাহৰ আঞ্জা চুতীয়াসকলৰ বৰ প্ৰিয় ব্যঞ্জন। ঘৰলৈ কোনো নতুন আলহী আহিলে বা জী-জোঁৱাই ঘৰলৈ আহিলে মগু বা মাটি মাহৰ আঞ্জা, বৰা বা জহা চাউলৰ ভাত, কোমোৰাৰ লগত হাঁহ, পাৰ, কুকুৰাৰ মাংস ৰান্ধি খুৱাই ৰান্ধনীয়ে আনন্দ পায়। হাঁহৰ মাংস আৰু কোমোৰাৰ আঞ্জাৰ লগত কেইডালমান গন্ধকচু দিলে ইমান সুন্দৰ গন্ধ হয় যে অন্য কোনো মচলাৰ দৰকাৰ নাই। সেইদৰে কাঁহীৰ কাষত একোটা খৰিকাত দিয়া গোট কুঢ়ি মাছ বা কেইটামান এলেং-পাভ বা পুঠি-কাৱৈ মাছ দিব পাৰিলে ৰান্ধনীয়ে বৰ ভাল পায়।

আগতে হাবিত সহজতে হৰিণা পোৱা গৈছিল। চুতীয়াসকলে মাজে মাজে জাকে-জুমে গৈ জাল দি হাবিৰ হৰিণ ধৰি খাইছিল।

অতীজতে চুতীয়াসকলে মাছ-মাংস শুকুৱাই থৈ অভাৱৰ দিনত উলিয়াই ৰান্ধি

খাইছিল; এতিয়াও পকাপন্থীসকলে খায়। বৰ্তমান বহুতে কেঁচাপন্থা লোৱাত অতীতৰ খাদ্যৰ বহুত পৰিৱৰ্তন হৈছে। সাজ বা ফটিকা, গাহৰী, কুচিয়া, কেকোৰা, লেতা আদি অতীতত সকলোৰে সাধাৰণ খাদ্য আছিল যদিও বৰ্তমান কেঁচাপন্থীসকলে সেইবোৰ এৰি দিছে।

আঞ্জাত মিঠাতেল আৰু হালধিৰ বাহিৰে অন্য মা-মচলা সাধাৰণতে নেখায়। চুতীয়াসকলে অতি উত্তম শুকান মাছ-মাংস তৈয়াৰ কৰিব জানিছিল বাবেই আহোম ৰজাই চুতীয়াক শুকান মঙ্গহৰ চান্দ ভৰালী পাতিছিল।

জা-জলপানৰ ভিতৰত সান্দহ, চিৰা, কঢ়াই, আখৈ, পিঠা, কোমলচাউল, ভজাবৰাচাউল, চুঙাচাউল, চুঙাত দিয়া পিঠা, টেকেলিৰ মুখত দিয়া পিঠা, তিলপিঠা, ঘিলাপিঠা, লুথুৰীপিঠা, ভাতপিঠা, দোৱাই ভজা চিৰা অতি প্ৰিয়। কেঁচা পিঠাৰে গাখীৰ, ঘিউ, গুৰ, জালুক দি মিঠৈ তৈয়াৰ কৰে। সেইদৰে কেঁচাপিঠা বা ভজা পিঠাৰ ভুৰুকীয়া, কলপাত দি পোৰা পিঠা, তৰা পাতেৰে ৰান্ধি সিজোৱা পিঠা খায়। গাখীৰৰ পায়স আই সকামত দিয়ে। মাকৰ ঘৰলৈ জীয়ৰী আহিলে ভাতপিঠা খুওৱা নিয়ম।

পকা কলৰ লগত বা পকা কঠালৰ লগত সান্দহ বা কঢ়াই গুৰি, ম'হৰ দৈ বা এৰা গাখীৰৰ লগত চুঙাচাউলৰ জলপান অতি প্ৰিয়।

বৰ্তমান নগৰত থকাসকলৰ খাদ্য সৰ্বভাৰতীয় বুলি ক'ব পাৰি। তেওঁলোকৰ ইচ্ছা থাকিলেও চুতীয়াৰ প্ৰিয় ব্যঞ্জন বা জলপান যোগাৰ কৰি খাবৰ উপায় নাই।

চুতীয়াসকলে গৰু-ম'হৰ গাখীৰ আৰু দৈ খায়; কিন্তু ঘিউ, মাখন আদি সাধাৰণতে নেখায়। গৰুৰ গাখীৰতকৈও ম'হৰ গাখীৰ বেছি প্ৰিয়। অৱশ্যে বৰ্তমান গাঁৱত প্ৰায় মানুহে গৰু পোহে আৰু গৰুৰ গাখীৰ খায়।

সৰ্বশেষত উল্লেখ কৰিব পাৰি যে চুতীয়াসকলে কেঁচা সৰিয়হ বটি লোণ, তেল, খাৰ মিহলাই খাৰলী আৰু আধা পেৰা সৰিয়হৰ গুৰিৰ লগত আমটেঙা আৰু কচু দি তিনিদিন বান্ধি থৈ কাহুদী বনাই পইতা ভাতৰ লগত পিটিকা কৰি খোৱাৰ জুতিটো সদায়ে সোঁৱৰি থাকে।

## লোণ

অসম বা অতীতৰ কামৰূপ ৰাজ্যত লোণৰ বৰ অভাৱ আছিল। সেইবাবে চুতীয়া ৰাজ্যৰ বাহিৰে অন্য ঠাইৰ মানুহে কৃত্ৰিম উপায়েৰে লোণ তৈয়াৰ কৰি খাইছিল। এনে কৃত্ৰিম প্ৰণালী দুই ৰকমৰ। প্ৰথম হ'ল— বিলত ওপঙি থকা বৰপুণি শুকুৱাই পুৰি তাৰ ছাইবোৰ এখন কাপোৰত বান্ধি সৰহঁকৈ পানী দি উতলায়। উতলা পানী ডাঠ হ'লে এবিধ

গেদ পৰে; সেয়ে লোণ।

দ্বিতীয় প্ৰণালীমতে ডিমৰু গছৰ পাত শুকুৱাই পুৰি চাই কৰি সেইবোৰৰ পৰাও এবিধ লোণ পোৱা যায়। সেই লোণ বৰ চোকা। পানীত দি দহ-বাৰ ঘণ্টা ঘুটি পাতল কৰিব লাগে। সাধাৰণ মানুহে এনেকৈ লোণ তৈয়াৰ কৰি খাইছিল। সেই কাৰণেই বোধহয় অসমীয়া মানুহক "খাৰ খোৱা অসমীয়া" বুলি কয়।

চুতীয়া ৰাজ্যৰ শদিয়া আৰু বৰহাটত যথেষ্ট পৰিমাণৰ লোণ পোৱা গৈছিল। সেই লোণ চুতীয়া ৰাজ্যৰ বাহিৰে অসমৰ অন্য ঠাইৰ মানুহেও চুতীয়া ৰাজ্যৰ পৰা নিছিল। কিন্তু অন্য ঠাইৰ মানুহৰ বাবে পৰ্যাপ্ত নোহোৱাত কেৱল সম্ভ্ৰান্তসকলেহে পাইছিল। এই লোণ ব্যয়বহুল হোৱাৰ বাবেও ই সাধাৰণ মানুহৰ বাবে দুষ্প্ৰাপ্য আছিল। কিন্তু চুতীয়া ৰাজ্যত লোণৰ অভাৱ নাছিল; তেনেকৈ সোণৰো।

বৰ্তমান অসমীয়া মানুহে নামগোৱা আদি সকামত লোণ দান দিয়ে আৰু "লোণদানে সোণদানে সমান" বুলি কয়। অতীতত সোণৰ দৰেই দুষ্প্ৰাপ্য আৰু মূল্যবান আছিল বাবেই লোণক সোণৰ লগত তুলনা কৰা হৈছিল।

## মাছধৰা আৰু তাৰ সঁজুলি

চুতীয়াসকলৰ মাছধৰা সঁজুলি হ'ল চেপা, ঠুহা বা খোকা, খলহা বা গুই, জকাই, জুলুকী, পল এইবিলাকেই। প্ৰথম তিনিবিধ মাছ অহা-যোৱা বাটত ভেটা দি বা নিদিয়াকৈও পাতি থৈ মাছ ধৰে। সেইদৰে জকাই, জুলুকী, পল আদিৰে মাছ থকা নৈ-বিলত বা ডাঙৰ নদীৰ পাৰত চবিয়াই মাছ ধৰে।

নৈৰ কোনো দ ঘুলিত বা দ বিলত য'ত বহু পৰিমাণে মাছ থাকে অথচ ডাঙৰ গছৰ ডাল মুঢ়া আদি পৰি থকাৰ বাবে অন্য কোনো প্ৰকাৰে মাছ ধৰিব নোৱাৰি তেনে ঠাইত এপতীয়া, কুল, কালি, পচা, আদিৰে খুচি ডাঙৰ চিতল, বৰালী, আৰি, বৌ আদি মাছ ধৰে। সেইদৰে নৈৰ ঘুলিত বা অটল তলিত বা দ বিলৰ তলিত বহি থকা কাছ কুলেৰে খুচি মাৰে।

ইয়াৰ উপৰিও বৰশী বাইও মাছ ধৰে। বানপানী হোৱা কিছুমান দ ঠাইত জৰি আৰু বোৱাল গছৰ তলত বাৰিষা আহাৰ-শাওণ মাহত বোৱাল আৰু জৰি গছৰ গুৰি পকিবৰ সময়ত গছবোৰৰ গুৰিত পানী থাকিলে ওপৰৰপৰা সেই গছৰ পকা সৰিপৰা গুটিবোৰ খাবৰ কাৰণে মাছ আহে। সেই গছবোৰৰ গুৰিত অতি পুৱাতে নাৱেৰে গৈ বৰশীত একোটা বোৱাল বা জৰিগছৰ গুটি দি খুব নিঃশব্দভাৱে আঁতৰৰপৰা বৰশী পেলাই দিলে গছৰ পৰা গুটি সৰা বুলি এলেং, পাভ, চেনী আদি মাছে ধৰে। সামান্য

বৰষুণ দি থাকিলে মাছে মানুহ যোৱাৰ গম নেপায়। তেতিয়া একোজনে একেজোপা গছৰ তলতে এশ-দেৰশ পৰ্যন্ত তেনে মাছ বৰশীত পায়। অন্যভাৱে বৰশী বায়ো চুতীয়াসকলে মাছ ধৰে।

শীতৰ দিনত অতি পুৱাতে গাঁৱৰ পাঁচ-দহজনী ছোৱালী বা তিৰোতা লগহৈ গৈ ডাঙৰ বিলৰ পাৰত বা সৰু বিলত জকাই, জুলুকী বা পল বাই মাছ ধৰে। অলপ ডাঙৰ বিলত মাছ ধৰিবলৈ হ'লে একেলগে বিশ-ত্ৰিশজনী তিৰোতা গৈ সেইদৰে জকাই বা পল মাৰি মাছ ধৰে। এইদৰে সমূহীয়াভাৱে গৈ মাছ ধৰা গাঁৱৰ তিৰোতাসকলৰ কাৰণে এটা উৎসৱমুখৰ কাম; আৰু অন্ততঃ সপ্তাহত একোবাৰ বা দুবাৰ এনে ধৰণেৰে মাছ ধৰিবলৈ যায়। সেইদৰে শীতৰ দিনত পুৰুষসকলেও একেলগে বিশ-ত্ৰিশজন গৈ পল মাৰি মাছ ধৰে। পুৰুষসকলে সাধাৰণতে জকাই বা জুলুকী বাই মাছ নধৰে। দূৰৰ বিলত মাছ মাৰিবলৈ হ'লে আগতে দিন ঠিক কৰি লৈ সোনকালে ভাত-পানী খাই গৈ এইদৰে বহুজনে মাছ ধৰেগৈ। কেতিয়াবা শাওন-ভাদ মাহত দ বিলৰ পাৰত ভৰিত পলটো লগাই লৈ সাতুৰি সাতুৰি পল বাই মাছ ধৰে। এনেদৰে জোনাক ৰাতিহে মাছ ধৰে। এনেদৰে মাছ ধৰাক 'চা-পল' বোলা বুলি কয়।

মাঘৰ বিহুৰ উৰুকাৰ দিনা পুৱাবেলাতে গাঁৱৰ সকলো ডেকা লগ হৈ পল বাই বা কুল, এপতীয়া আদিৰে বিহুৰ ভোজৰ কাৰণে মাছ ধৰেগৈ।

বৰ্তমান দুই-একে জালেৰে মাছ ধৰিলেও চুতীয়াসকলৰ জালেৰে মাছ ধৰাৰ নিয়ম নাই। কিন্তু আহিন-কাতি মাহত বাঁহৰ বা খাগৰীৰ দীঘল জোৰ জ্বলাই নদীৰ পাৰে পাৰে বা নাৱত গ'লে ডাঙৰ মাছ পানীৰ তলত বৈ থকা দেখা যায় আৰু তেতিয়াই সেইবোৰ পচাৰে খুচি ধৰে। বাম পানীত দাৰেও কাটিব পাৰে। ভাদ-আহিন মাহত পানী শুকাই যাওঁতে কোনো নদীত বাণ দিও মাছ ধৰে।

পঁকাপন্থীসকলে এনেদৰে ধৰা সৰহীয়া মাছ অভাৱৰ সময়ত খাবৰ বাবে শুকুৱাই ৰাখে।

## চৰাই আৰু অন্য জীৱ-জন্তু ধৰা কেইবিধমান সৰঞ্জাম

চুতীয়াসকলে বিভিন্ন ধৰণৰ সৰঞ্জামেৰে চৰাই আৰু জীৱ-জন্তু ধৰিছিল আৰু এতিয়াও ধৰে।

**বাঘধেনু :** বাঘৰ কাৰণে পতা ধেনু।

**অঘয়াহুল :** শত্ৰুৰ কাৰণে পতা হুল।

**চৰাই ধৰা ফান্দ :** চিটিকা, সৰকা, ভেকুলী ফান্দ, পিঠিয়া (মহৰ পিঠিত পৰা

বগলী ধৰিবৰ কাৰণে পতা ফান্দ), কাউৰী মৰা ধেনু।

**জুতি ঃ** ঘোঁৰাৰ ফাহেৰে বনোৱা কিছুমান চুচনি। বোকাত হাইঠা ধৰিবৰ কাৰণে পতা হয়।

**এন্দুৰ, কেৰ্কেটুৱা আদি মৰা ফান্দ ঃ** এন্দুৰ মৰা– কুণ্ডা (কাঠৰ বাকচৰ দৰে), চাল কুণ্ডা– (ঘৰৰ চালত খুচ মাৰি থৈ পাতিব পাৰি), গৰকা– (ধেনু এখনৰ দৰে) এইবোৰেৰে কেৰ্কেটুৱাও মাৰিব পাৰি।

ওপৰত উল্লেখ কৰা প্ৰায়বোৰ ফান্দেই এখন ধেনুৰ সহায়ত তৈয়াৰ কৰা হয়। এন্দুৰ মৰা কুণ্ডা এটুকুৰা কাঠৰ ওজনৰ সহায়ত তৈয়াৰ কৰা হয়। বাঁহৰ সৰু গজালৰ দৰে এটা ফৰিং দিয়ে। ফৰিংটো সামান্য লৰচৰ হ'লেই কাঠডোখৰ এৰাই এন্দুৰটো হেচামাৰি ধৰি মাৰে।*১

## সম্ভ্ৰান্তসকলে আৰু সাধাৰণ লোকেও ব্যৱহাৰ কৰা কেইবিধমান বস্তু

**কেকোৰা দোলা ঃ** কেকোৰা দোলা চুতীয়াসকলৰ নিজস্ব। এই দোলা সম্ভ্ৰান্তসকলৰ পত্নী আৰু ৰাণীসকলে ইফালে সিফালে যাওঁতে ব্যৱহাৰ কৰিছিল। "পূৰ্বে চুতীয়া ৰজা মাৰোতে দিহিঙ্গীয়া ৰজাৰ দিনত যি তলে কেকোৰা দোলা পাই অনা হৈছিল তাকে চাওফ্লাচেঙমুঙ বৰগোঁহায়ে লুটিয়াই ওপৰে কেকোৰা মাৰি দি, তলে কাপোৰৰ আৰ্হি আৰু নালৰ পৰা চুটিকৈ ঢেকৰ দাপৰ লগাই নক্সা কৰাই কেকোৰা দোলা কৰিলে। সেই কেকোৰা দোলাৰে অলপ লৰচৰ কৰি পাৰ্হি দোলা বা পাৰ্হি চাণ্ডি কৰা হয়।"*২

**সোণৰ ছত্ৰ দণ্ড ঃ** চুতীয়া ৰজাসকলে সততে ৰাজ সিংহাসনৰ ওপৰত বা অন্য ঠাইলৈ যাওঁতে সোণ বা ৰূপৰ দণ্ডৰে ছত্ৰ আৰু হাতত সোণৰ দণ্ড ধাৰণ কৰিছিল। ৰজা নীতিপালে স্বৰ্গদেও চুহুংমুঙলৈ সন্ধিৰ প্ৰস্তাৱ পঠাওতে সোণ আৰু ৰূপৰ ছত্ৰ, দণ্ড আৰু সোণখতোৱা পীৰা, ৰজা আৰু ডা-ডাঙৰীয়া সকললৈ উপহাৰ দি পঠাইছিল।

**আৰোৱান ঃ** "আৰোৱান দীঘল নাল লগোৱা কাপোৰেৰে চেপেটা আৰু গোলকৈ বনোৱা এবিধ আঁৰ কৰা বস্তু। ইয়াৰে ৰজা, মন্ত্ৰী আদিক ৰাজ চ'ৰাত বা অন্য ঠাইলৈ

---

১ *ওপৰত উল্লেখ কৰা সৰঞ্জামবোৰৰ বহু কেইবিধকে কমাৰবৰুাত (গোলাঘাট) বহা সদৌ চুতীয়া জাতি সন্মিলনৰ ২৩ তম্ অধিবেশনৰ প্ৰদৰ্শনীত বৰ গাঁৱৰ (মাকুম) শ্ৰীদমন চুতীয়াই প্ৰদৰ্শন কৰিছিল।*

২ *আহোমৰ দিন – হিতেশ্বৰ বৰবৰুৱা – পৃঃ ৭৬।*

যাওঁতে আঁৰ দিয়া হয়। ই ছাতিৰপৰা পৃথক। স্বৰ্গদেৱে চুতীয়া ৰজাক ৰণত ঘটোৱাই সিবিলাকৰ তলে কেকোৰা দোলা, আৰোৱান, চৰানাও, প্ৰভৃতি আনি নতুন নগৰ চাৰিওত ৰাখেহি।"*[১] ইয়াৰপৰা দেখা যায় যে আৰোৱানো চুতীয়াসকলৰ নিজস্ব।

**সৰুদৈয়া ফুলাম জাপি :** প্ৰায় ছয় হাতমান বেৰৰ সৰুদৈয়া ফুলাম জাপি চুতীয়াৰ সম্ভ্ৰান্ত লোকৰ তিৰোতা সকলে ব্যৱহাৰ কৰিছিল। চুতীয়াৰ কইনাৰমূৰত সৰুদৈয়া ফুলাম জাপি কেৱল বিবাহৰ সময়তে নহয় পাছতো ব্যৱহাৰ কৰিছিল। ইয়ো চুতীয়াৰ নিজস্ব বস্তু। চুতীয়া ৰজা আহোমৰ হাতত পৰাস্ত হওতে পোৱা বস্তুৰ ভিতৰত সোণ খটোৱা জাপিও অন্যতম।*[২]

আজিকালি এই জাপি সৰু হৈ ডেৰ-দুইহাত বেৰৰ হৈছেগৈ আৰু সম্ভ্ৰান্ত লোকৰ বৈঠকখানা সজোৱা, কোনো উৎসৱত তোৰণত লগোৱা, সভা-সমিতি সজোৱা সৰঞ্জামত পৰিণত হৈছেগৈ।

প্ৰায় ষাঠি বছৰ আগলৈকে চুতীয়াৰ কইনাৰ সৰুদৈয়া জাপি বিয়াৰ সাজ হিছাপে ব্যৱহাৰ কৰিছিল। এইয়া লিখকৰ নিজৰে অভিজ্ঞতা।

**সাধাৰণ জাপি :** টকৌ পাতেৰে চোৱা বাঁহৰ সাধাৰণ জাপি এতিয়াৰ খেতিয়ক সকলে ব্যৱহাৰ কৰে। অসমৰ সকলো খেতিয়ক আৰু মাছমৰীয়া সকলেও বৰষুণৰ দিনত এই জাপি ব্যৱহাৰ কৰে। চুতীয়াৰ জাপি দেখাত অতি সুন্দৰ।

**কাঁহৰ বিভিন্ন বাচন :** চুতীয়াসকলে আহাৰ খাবৰ কাৰণে সদায় কাঁহৰ বাচন ব্যৱহাৰ কৰে। সেইবোৰ ক্ৰমে বানকাঁহী, বানবাটি (সৰু ডাঙৰ বহু ধৰণৰ), কাঁহৰ লোটা, চৰীয়া, সৰু ডাঙৰ বিভিন্ন বঁটা, শৰাই সাধাৰণ কাঁহী, বাটি ইত্যাদি। বানকাঁহী আৰু বানবাটি সম্ভ্ৰান্ত সকলে ব্যৱহাৰ কৰে। এইবোৰ বাচন চুতীয়া কইনাৰ এতিয়াও যৌতুকত দিয়াৰ নিয়ম কাঁহৰ বাচনৰ বাহিৰে অন্য বাচন ব্যৱহাৰ কৰাটো চুতীয়া সকলৰ বাবে লাজৰ কথা।

পানী আনিবৰ বাবে পিতলৰ কলহ ব্যৱহাৰ কৰে। লোটা, ঘটি, গিলাচ, হেতা, টৌ এইবোৰো পিতলৰ। মাটিৰ কলহত পানী অনা চুতীয়া তিৰোতাৰ বাবে লাজৰ কথা।

**পিক্‌বান্ :** চুতীয়া ৰজাৰ পিক্‌বানো সোণৰ আছিল। ইয়াৰ মাজেদি চুতীয়া সকলৰ চিন্তাধাৰা আৰু ঐশ্চৰ্যৰ প্ৰাচুৰ্যৰ কথাকে সূচায়।

**ঢেঁকী আৰু উড়াল :** চুতীয়াসকলে ধান খুন্দিবৰ বাবে সাধাৰণতে ঢেঁকী ব্যৱহাৰ কৰে। উড়ালো ৰাখে। দ ঠাইৰ মানুহৰ বাৰিষা কালত ঢেঁকীঘৰ আৰু ঢেঁকী তল গলে উড়াল ব্যৱহাৰ কৰে। চিৰা, পিঠা, সান্দহ আদি খুন্দিবৰ বাবে উড়াল সূচল নহয়।

অন্য জনজাতীয়সকলে এতিয়াও প্ৰায়বোৰে উড়াল ব্যৱহাৰ কৰে। ঢেঁকী উড়ালতকৈ উন্নত আহিলা। এই ঢেঁকীও চুতীয়াসকলৰ মাজতে প্ৰথমে ব্যৱহাৰ হৈছিল। কিয়নো চুতীয়াসকলেই উত্তৰ-পূব ভাৰতত ধান খেতিৰ প্ৰবৰ্তক। (কৃষি অধ্যায় দ্ৰষ্টব্য)

**এডলীয়া কাঠৰ নাও :** নৈৰ কাষৰ মানুহে আৰু বিবোৰ ঠাইত বছৰি নিয়মীয়া

---

১ *আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা — পৃঃ ৬৯৮।*

২ *সুঃমঃমঃ ঘৰত পোৱা অসম বুৰঞ্জী — সম্পাদনা — সূৰ্যকুমাৰ ভূঞা — পৃঃ ১০।*

ভাৱে একাধিকবাৰ বানপানী হয় তেনে ঠাইৰ মানুহে বানপানীৰ সময়ত নাও ব্যৱহাৰ কৰে। এডলীয়া কাঠৰ নাও বৰ ডাঙৰ নহয় কিন্তু দুই এজনৰ পৰা ছয় সাতজনলৈকে ব্যৱহাৰৰ বাবে অতি সুবিধা। এনে নাৱেৰে এজন বা দুজন মানুহেই বিশ ত্রিশ কুইণ্টল পৰ্যন্ত বস্তু অনা নিয়া কৰিব পাৰে; বা ১৫/২০ জন পৰ্যন্ত মানুহ যাব পাৰে। এডাল কাঠৰে ভিতৰখন খুলি নাও তৈয়াৰ কৰা হয়। চুতীয়াৰ খনিকৰ সকল এই নাও তৈয়াৰ কৰাত অতি পাকৈত।

১৬৭৩ চনৰ চুতীয়া বিদ্রোহৰ পাছত চুতীয়াসকলে আহোম ৰজাক বছৰি কৰ হিচাপে নাও দিব লাগিছিল। ইয়াৰ দ্বাৰাও প্ৰমাণ হয় যে চুতীয়াসকল নাও তৈয়াৰ কৰাত পাৰ্গত আছিল।*১

**চ'ৰানাও ঃ** চুতীয়া ৰজাৰ চ'ৰানাও আছিল। এইবিলাক নাৱৰ টিংকেইটা বৰ ওখ আৰু পাতল। আহোম ৰজাই চুতীয়া ৰাজ্য জয় কৰি বহুতো চ'ৰানাও পাইছিল আৰু সেইবোৰ তেওঁলোকৰ বাবে বৰ মূল্যবান বস্তু বুলি বিবেচিত হৈছিল। চুতীয়া ৰজাৰ নৌবাহিনী আছিল। চ'ৰানাও চুতীয়া সকলৰে নিজস্ব। চুতীয়া ৰাজ্যত চ'ৰানাও খেল হৈছিল।

**সূতাকটা আৰু তাঁতৰ সঁজুলি ঃ** চুতীয়াসকলৰ সূতা পকাবৰ বাবে আৰু মহুৰা ফুৰাবৰ বাবে যঁতৰ আছিল। এই যঁতৰতে কপাহৰ সূতাও কাটিছিল। সেইদৰে কপাহৰ গুটি গুচাবৰ বাবে নেউথনি, তাঁতবোৱা সঁজুলি— উঘা, চেৰেকী, তাঁতশাল, ৰাঁচ, দুৰপতি, চিৰি, হলিমাৰি, চিপকাঠী, ফুলতোলা কাঠি ইত্যাদি তাঁতৰ সকলো সঁজুলি নিজেই তৈয়াৰ কৰি লৈছিল আৰু এতিয়াও লয়। কোনো কোনোৱে সূতা পকাবৰ বাবে টাকুৰি ব্যৱহাৰ কৰে।

**শৰাই ঃ** শৰাই চুতীয়াসকলৰ তথা অসমীয়া সমাজৰ অতি সন্মানৰ বস্তু। শৰাইত তামোল-পাণ আগবঢ়োৱাটো অতি সন্মানৰ কাম আৰু এনে এখন শৰাই আগবঢ়াই অতি গুৰুতৰ অপৰাধৰ পৰাও ক্ষমা পাব পাৰি। বিয়াত শৰাই আগবঢ়োৱা আৰু শৰাই বদলি কৰা সাধাৰণ নিয়ম।

এই শৰাই কাঠৰ, পিতলৰ বা কাঁহৰো হ'ব পাৰে। এই শৰায়ো চুতীয়াসকলৰ সাধাৰণ ব্যৱহাৰৰ বস্তু। সুদূৰ অতীতৰ পৰাই চুতীয়াসকলৰ মাজত কঁহাৰ আৰু বাঢ়ৈ আছিল। শৰাই চুতীয়াসকলৰ মাজত সুদূৰ অতীতৰ পৰা প্ৰচলিত হৈ আছে।

**বৰপীৰা আৰু তামুলীপীৰা ঃ** চুতীয়াসকলৰ বৰপীৰা অতি মাননীয় আসন। মান্যজনৰ বাহিৰে অন্যক এনে আসন নিদিয়ে। কুন্দত কটা খুৰাৰে সৈতে এই পীৰা ডেৰহাতমান বহল আৰু দুহাতমান দীঘল। তামুলীপীৰা অলপ সৰু। চুতীয়া ৰজা সকলে সোণৰ বা সোণ খটোৱা এনে পীৰা ব্যৱহাৰ কৰিছিল। যুদ্ধৰ সন্ধিৰ বাবে এনে বস্তু আহোম ৰজালৈ আগবঢ়োৱাৰ উল্লেখ বুৰঞ্জীত আছে।

কাঠৰ ভিতৰত কঠাল ইয়াৰ বাবে বৰ উপযোগী বুলি ভবা হয়।

---

১ *A History of Assam — E. Gait — Page 160.*

**তেলীশাল ঃ** চুতীয়াসকলে সৰিয়হৰ খেতি কৰি সেই সৰিয়হৰ পৰা নিজে তেলীশালত তেল উলিয়াই লৈছিল। সৰিয়হ খুন্দি ভাজি তেলীয়াশালত চেপি তেল উলিয়ায়। সেইবাবে এই তেলক পকাতেল বুলি কোৱা হয়। এই তেল ভাতৰ লগত বা পোৰা পিটিকাৰ লগত বৰ সুস্বাদু।

**ভোগজৰা ঃ** ভোগজৰা দেৱতাৰ উদ্দেশ্যে উচৰ্গা কৰা বা ৰজাক পানী দিয়া বা সুগন্ধি দ্ৰব্য দিয়া পাত্ৰ বা ভৃঙ্গাৰ। চুতীয়া ৰজা সকলৰ ভোগজৰাও সোণৰ আছিল।

**বেলা ঃ** ডাঙৰ লোকৰ আৰু ৰজাৰ ভৰি ধোৱা পাত্ৰ। চুতীয়া ৰজা সকলৰ সোণৰ বেলাও আছিল।

**মাইহাং ঃ** মাইহাং সোণ-ৰূপ খটোৱা খুৰা লগোৱা ভাত খোৱা থাল। ইয়াৰ খুৰা আৰু থালখন পৃথক পৃথক। সম্ভ্ৰান্ত সকলৰ বাহিৰে এইবোৰ আনে ব্যৱহাৰ নকৰে।

এই সকলোবোৰ সাধাৰণ বস্তু চুতীয়া ৰাজ্যতে উৎপাদন বা তৈয়াৰ কৰা হৈছিল। আহোম ৰজাই চুতীয়া ৰাজ্য জয় কৰি পোৱা এনে বস্তুবোৰ নিজে ব্যৱহাৰ কৰিবলৈ লৈছিল আৰু কোনো কোনো ক্ষেত্ৰত ইয়াৰ আৰ্হিৰো পৰিৱৰ্তন কৰি নতুন আৰ্হি কৰিছিল।

এইটো মন কৰিবলগীয়া যে আহোমে চুতীয়া ৰাজ্য জয় কৰাৰ পাছত যুগৰ সংস্কৃতি সদায় আহোম চুতীয়াৰ সমন্বয়ৰ সংস্কৃতিহে।

## হাতী ধৰা

চুতীয়া ৰাজ্যত অতীজৰেপৰা প্ৰচুৰ হাতী পোৱা গৈছিল। চুতীয়াৰ বীৰপাল বংশৰ শেষ ৰজা নীতিপালে আহোম ৰজালৈ সন্ধিৰ প্ৰস্তাৱ দিওঁতে আহোম ৰজাই ধন-সোণৰ পৰিৱৰ্তে হাতীহে বিচাৰিছিল। ইয়ে প্ৰমাণ কৰে যে সেই সময়ত আহোম ৰাজ্যত হাতীৰ অভাৱ আছিল কিন্তু চুতীয়া ৰাজ্যত প্ৰচুৰ পোৱা গৈছিল।

এতিয়াও পুৰণি চুতীয়া ৰাজ্যক্ষেত্ৰৰ ভিতৰতে হাতী বেছিকৈ পোৱা যায়। হাতী খেদাচিকাৰ, মেলাচিকাৰ আৰু গড়দি ধৰা হয়। এইদৰে হাতী ধৰিবৰ বাবে অতি পাকৈত হাতী, হাতীৰ মাউত আৰু ফান্দীৰ দৰকাৰ। চুতীয়াসকলে এই কাম অতি দক্ষতাৰে কৰিব পাৰিছিল।

চটাই পৰ্ব্বতে ধুবলি কুঁবলি
কোনে ভাতে ৰান্ধি খায়
মাকে নাই মাউৰা তিৰী নাই বৰলা
হাতী ধৰিবলৈ যায়।

চুতীয়াসকলৰ মাজত প্ৰচলিত এই বনগীত ফাকি এফালে যেনেকৈ অতি বেদনাদায়ক আনহাতে কৃতিত্বৰো পৰিচায়ক। হাতী ধৰা কাম কেনে বিপদসংকুল ইয়াৰ

মাজত তাৰো ইঙ্গিত আছে; ই অতি দুঃসাহসিক।

চুতীয়াৰ মৰাণসকলে বছৰি আহোম ৰজাক খাজনা হিচাপে নির্দিষ্ট পৰিমাণৰ হাতী, ৰং, মৌ, ঢাৰি আদি দিব লাগিছিল। ১৬৬৯ খ্রীঃত হাতীচুণ্ডী মৰাণৰ নেতা নাহৰখোৰা শইকীয়া আৰু ৰাঘব নেওগে বছৰি দিব লগা হাতী আহোম ৰজাক দিছিলগৈ। কীৰ্তিচন্দ্ৰ বৰবৰুৱা সেই সময়ত ৰজাৰ সৌহাত স্বৰূপ আছিল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই সেই হাতীত অনেক খুট ধৰি তেওঁলোক দুজনক বহুতো অত্যাচাৰ কৰে। মোৱামৰীয়া বিদ্ৰোহৰ এয়ে প্ৰধান কাৰণ।"[১]

ইয়াৰ পৰাও বুজা যায় যে হাতীধৰা কামটো এক বিশেষ পাৰদৰ্শিতা থকা কাম আছিল আৰু ই চুতীয়াসকলৰ আচুতীয়া আছিল।

চুতীয়াসকলে কেৱল হাতীধৰাই নহয় হাতীৰ চিকিৎসাৰ বাবে বহুতো বনৌষধি জানিছিল আৰু এতিয়াও জানে।

চুতীয়াসকলৰ অৱস্থাপন্ন লোকে হাতী ৰখাটো বা হাতী থকাটো অতি সম্মানীয় বুলি ভাবিছিল আৰু হাতীথকা ঘৰক অন্যলোকসকলে সমীহ কৰি চলিছিল।

আমি প্ৰথম অধ্যায়তে উল্লেখ কৰিছো যে চুতীয়াসকলৰ লগত প্ৰটো-অষ্ট্ৰলয়ড় খাচীসকল কুণ্ডিলত মিলি গৈছিল। ধেনুকাড় আৰু হাতীক পুহ মনোৱা প্ৰটো-অষ্ট্ৰলয়ড়সকলৰে সংস্কৃতি। গতিকে চুতীয়াসকল সেইবোৰ কাৰ্যত পাৰদৰ্শী হোৱাই স্বাভাৱিক।

## কৃষি আৰু কৃষিৰ সঁজুলি

চুতীয়াসকলৰ প্ৰধান খেতি হ'ল আহু, বাও আৰু শালি ধান। বাৰিষা পানীত ডুব যোৱা দ ঠাই হ'লেও বৰষুণৰ পানী নোৰোৱা ঠাইত আহুখেতি কৰিব পাৰি। আহুখেতিৰ বাবে অতি সাৰুৱা মাটিৰ প্ৰয়োজন। সেইবাবে নতুন হাবি জংঘল থকা মাটি কাটি খেতি কৰিলে ভাল আহুধান পায়।

বহুত দিনলৈ একেদৰা মাটিতে আহু খেতি কৰি থাকিলে ধান কম হয়। সেইবাবে আগৰ দিনত কেইবাবছৰো খেতি কৰাৰ পাছত মাটিডোখৰ পুনৰ উঠিবৰ বাবে কেইবছৰমান আকৌ এৰি থয়। তেতিয়া হাবি-জংঘল গজি তাৰ পাত পৰি পচি পচি মাটি সাৰুৱা হয় আৰু পাছত পুনৰ খেতি কৰিলে আহুধান ভাল হয়। সেইবাবে ঝুম খেতিৰ দৰে ইয়াকো Shifting cultivation বা ঠাই সলনি কৰা খেতি বুলি ক'ব পাৰি।

---

১ *অসম দেশৰ বুৰঞ্জী — ডঃ লক্ষ্মী দেৱী — পৃঃ ৩০৩।*

আহুখেতিৰ বাবে শাওন-ভাদ মাহত হাবি-জংঘল কাটি আঘোন-পুহ মাহত মাটি চহাই মাঘৰ বিহুৰ পাছতেই আহুধান সিঁচিব পাৰিলে ভাল। তেতিয়া দ ঠাইৰ মাটিৰ ধানো বানপানী অহাৰ আগতে দাই চপাব পাৰে আৰু পানীয়ে মাৰিব নোৱাৰে। সেয়েহে চুতীয়াসকলে মাঘৰ বিহুৰ পাছতে আহু সিঁচে। চুতীয়াৰ মাঘৰ বিহুৰ তাৎপৰ্যও ইয়াতেই আছে।

আহুখেতি ঝুমখেতিৰে এক উন্নত পৰ্যায় বুলি ধৰিব পাৰি। ইয়াৰ বাবে জলসিঞ্চনৰ আৱশ্যকতা নাই।

আহুধানৰ লগতে বাওধানো সিঁচিব পাৰি। আহুৰ লগত বাও সিঁচিলেও বাওবোৰ পাছৰ আঘোণ-পুহ মাহতহে হয়গৈ। আহুধান দাবৰ সময়ত অ'ত ত'ত এজোপা-দুজোপা বাও গজি থাকে। আহু দাই অনাৰ পাছত সেইবোৰেই পথাৰ ভৰি পৰেগৈ। বাওধান বানপানীত নমৰে। আৰু আহুৰ লগতে একেটা কষ্টতে সিঁচি থলে পাছত বিনা কষ্টে পায়। সেয়েহে এফাকি ফকৰা আছে— "পৰৰ মূৰত খোৱা, ভটীয়াই নাৱত যোৱা আৰু বাওধানৰ খেতি একে।"

শালিখেতিৰ বাবে বানপানী নোহোৱা অথচ বৰষুণৰ পানী জমাহে থকা মাটিৰ আৱশ্যক। সেইবাবে ভৈয়ামৰ বিস্তৃত অঞ্চলত শালি খেতি কৰিব পাৰি। আৱশ্যক বুজি ইয়াৰ বাবে জলসিঞ্চন কৰিব লাগে, কাৰণ সকলো সময়তে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি।

অসমলৈ খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দতে অহা প্ৰটো-অষ্ট্ৰলয়ড্ খাচীসকলেই ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰথমে ধানখেতি প্ৰচলন কৰিছিল কিন্তু পাছত চীন দেশৰপৰা অহা বড়ো বা চুতীয়াসকলেই ইয়াক সমৃদ্ধভাৱে প্ৰচলন কৰে। ফিউদৰ কাৰোভকিনৰ— 'প্ৰাচীন জগতৰ ইতিহাস' (অনুবাদ হেম শৰ্মা) নামৰ গ্ৰন্থৰ ১৩১ পৃষ্ঠাত আছে— "খ্ৰীঃপূঃ দ্বিতীয় সহস্ৰাব্দত হোৱাং-হ উপত্যকা— হোৱাং-হ নদীৰ দুয়ো পাৰৰ সাৰুৱা অঞ্চলবোৰত কৃষকসকলে তেওঁলোকৰ বসতি স্থাপন কৰিছিল। তেওঁলোকে কণীধান, ঘেহু, ধান আৰু শাক-পাচলিৰ খেতি কৰিছিল।" চুতীয়াসকলে এতিয়াও কণীধানৰ খেতি কৰে। Back Ground of Assam Culture নামৰ গ্ৰন্থত প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথ দেৱে লিখিছে— "Coming from China the first home land of paddy Zuh-this people introduced the cultivation of paddy for the first time in this eastern part of India. They however continued the practice of cultivating arum roots, turmeric etc. by picking up the high land with a pointed iron implement like a hoe called Moh-Khew and this kind of cultivation was known as Zuh-Moh or the Zhun cultivation. The rice bear which these people used as an inspiring drink was also known as the "Zuh" meaning the heavenly drink."[১]

---

১ *Background of Assamese Culture — R.M. Nath. Page 3.*

সেইদৰে Tribal Institute অৰ পৰা প্ৰকাশিত Tribes of Assam নামৰ গ্ৰন্থত আছে— "The greatest contribution of the Indo-Mongoloid people who made a reservoir in Assam is that they brought into N.E. India the technics of food production by plant cultivation and domestication of animals. They are in all likelyhood the first cultivators of rice in India. They introduced for the first time in India the art of rearing silk worm as well spinning and weaving of silk cloths".*১

এই কথা বৰ্তমান গৱেষণাই সমৰ্থন নকৰে। ব্ৰহ্মপুত্ৰ উপত্যকাহে পৃথিৱীৰ আদিম কৃষি ভূমি। কিন্তু বৰ্তমান আমাৰ নিজস্ব গৱেষণা মতে ব্ৰহ্মপুত্ৰ উপত্যকাত নৱপ্ৰস্তৰ যুগতে প্ৰথমে (খ্ৰীঃপূঃ ৮ম সহস্ৰাব্দ) ধানখেতিৰ আবিষ্কাৰ কৰিছিল। পৰৱৰ্তী ২/৩ হেজাৰ বছৰৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কুণ্ডিলৈকে ধানখেতিৰ বিস্তাৰ কৰিছিল। প্ৰটো-অষ্ট্ৰলয়ড্ খাচীসকলেই এই ধানখেতিৰ আবিষ্কাৰক। কুণ্ডিলত এই প্ৰটো-অষ্ট্ৰলয়ড্সকল চুতীয়াসকলৰ লগত একহৈ যায়। এই প্ৰটো-অষ্ট্ৰলয়ড্সকলৰ অন্য এটা দলে ব্ৰহ্মপুত্ৰ সভ্যতাৰ ধানখেতিৰ জ্ঞানলৈ মালয়েচিয়াইদি গৈ ইণ্ডোচীন পাই পূবচীনত মঙ্গোলয়ডসকলৰ লগত মিলিত হোৱাত চীনতো ধানখেতিৰ জ্ঞান বিস্তৃত কৰে। গতিকে চুতীয়াসকলেও আহোতে ধানখেতিৰ জ্ঞানলৈ অহাটো স্বাভাৱিক বা সম্ভৱ।

ইয়াৰ উপৰিও চুতীয়াসকলে নদীৰ পলসপৰা ঠাইত মগু আৰু মাটি মাহৰ খেতি কৰে, হাবিৰ নতুন মাটি ভাঙি তাত জুই লগাই কাতি, আঘোণ মাহত সৰিয়হৰ খেতি কৰে। ফাগুন মাহত সৰিয়হৰ খেতি উঠিলে চ'ত মাহত তাতেই আহুখেতিও কৰে। মাহ আৰু সৰিয়হ ব্যৱসায় ভিত্তিক খেতি। গতিকে নিজে খাবৰ কাৰণে আৱশ্যকীয়খিনি ৰাখি বাকী ৰাহিখিনি বিক্ৰী কৰি বছৰটোৰ অন্য খৰচ উলিয়ায়। দুৰ্ভাগ্যৰ কথা যে অসমলৈ বিভিন্ন ঠাইৰপৰা অজস্ৰ মানুহ অহাত এতিয়া আৰু মাহজাতীয় শস্য বা সৰিয়হ কৰিবৰ বাবে মাটি নোহোৱা হৈছে। ফলত এইবিলাক অন্য ৰাজ্যৰপৰাহে আনিব লাগে। আগতে এনে অভাৱ নাছিল।

সেইদৰে নদীৰ পাৰৰ পলসুৱা মাটিত বা বাৰীৰ কাষত গোবৰৰ সাৰ দি আলু খেতিও কৰে।

চুতীয়াসকলৰ পাণ-তামোলৰবাৰী বিশেষ উল্লেখযোগ্য। চুতীয়াসকলৰ প্ৰত্যেকেই তামোল খায়, আৰু তাৰে আলহী সোধে। সেইবাবে প্ৰায় প্ৰতি ঘৰেই পাণ-তামোলৰ খেতি কৰে। ঘৰৰ আগত তামোল-পাণৰ বাৰী দেখিলেই চুতীয়া মানুহৰ ঘৰুৱা অৱস্থাৰ কথা ধৰিব পাৰি।

অতীজৰপৰা অসমৰ সাৰুৱা মাটিত অতি উৎকৃষ্ট শস্য হয়। সেয়েহে আহোমসকলে ১২২৮ খ্ৰীঃত অসমলৈ আহি অসমৰ শস্য-শ্যামল ভূমিত চিতাচিতকৈ ৰুই থোৱা সেউজীয়া বা পকিবধৰা বা পকা সোণবৰণীয়া ধান সৌমাৰ ভূমি দেখি এই ঠাইক নাম দিছিল "মুং ডুন্ চুণ্ খাম্" অৰ্থাৎ সোণৰ বাগিছাৰ দেশ।

---

১ *Tribes of Assam -- Page 3.*

এইবিলাক খেতিৰ উপৰিও চুতীয়াসকলে কাঠআলু, চিনা, মুৱা আলু, পঞ্চমুখীয়া আলু, কোঁৱৰী আলু, বিভিন্ন কচু, আদা, জলকীয়া, বেঙেনা, কেৰেলা, ৰঙালাউ, জাতিলাউ, তিল আদিৰ খেতি কৰে। মাঘৰ বিহুত কাঠ আলু নেখালে পৰজন্মত গাহৰী হ'ব লাগে বুলি চুতীয়াসকলৰ মাজত এটা লোক বিশ্বাস আছে।

প্ৰতি চুতীয়া মানুহৰ বাৰীত তামোল-পাণৰ দৰেই কলগছৰ বাৰীও বিশেষ উল্লেখযোগ্য। একো অন্য গছ কৰিব নোৱাৰিলেও বাৰীৰ এচুকত কলগছ এজোপা থাকিবই। কলৰ ভিতৰত আঠিয়া, মনোহৰ, মালভোগ, চেনীচম্পা, জাহাজী এইবোৰেই প্ৰধান আৰু ঠাই বুজি কৰে। মাটিৰ সুবিধা থাকিলে বা দূৰৰ বাৰীত বাঁহ গছো কৰে। আম-কঠাল, কমলাৰ গছো উল্লেখযোগ্য।

লাই, লফা, পালেং, বাবৰী, চুকা এইবিলাক শাকজাতীয় খেতি নিজেই নিজৰ বাৰীতে কৰি নিজৰ অভাৱ দূৰ কৰি লয়।

"যাৰ নাই ধান তাৰ নাই মান"। এই প্ৰবচন চুতীয়াসকলৰ। ঘৰৰ আগত যুৰীয়া ভঁৰাল থকাটো চুতীয়াসকলৰ গৌৰৱ বা সম্মানৰ কথা।

খেতি কৰিবৰ বাবে লগা সঁজুলিবোৰ হ'ল; শালি খেতিৰ বাবে নাঙল, জুৱলী, মৈ, লাহনী আহুখেতিৰ বাবে নাঙল, জুৱলী, মৈ, বিন্ধা, জবকা, দলিমৰা, খন্তি, কাচি ইত্যাদি। কাঠৰ সঁজুলিবোৰ চুতীয়াসকলে নিজেই ঘৰতে তৈয়াৰ কৰি লয়।

ধান মৰণা মাৰিবৰ বাবে ব্যৱহাৰ কৰা সঁজুলিবোৰ হ'ল ৰয়ণা, কোঢ়োনা, মুখুৰা ইত্যাদি। ভৰিৰে ধান মাৰোতে হাতত ভৰ দিবৰ বাবে বেই ব্যৱহাৰ কৰে।

চুতীয়াসকলে ধান প্ৰায় গছ কৰিয়ে থয়; পাছতহে ভৰিৰে বা মৰণা মাৰি লয়। গছ কৰি থোৱা ধান কেইবা বছৰলৈ ভাল হৈ থাকে।

## ঘৰচীয়া জন্তু

"যাৰ নাই গৰু সবাতকৈ সৰু" এই প্ৰবচন চুতীয়াসকলৰ মাজত প্ৰচলিত আছে। গতিকে গৰু চুতীয়াসকলৰ এখন গৃহস্থিৰ বাবে অপৰিহাৰ্য; কিয়নো চুতীয়াসকল হ'ল প্ৰধানকৈ খেতিয়ক। তদুপৰিও গাখীৰৰ কাৰণেও গৰু আৱশ্যক। অৱস্থাপন্ন মানুহে আৰু ম'হ ৰাখিব পৰা ল'ৰা ঘৰত থাকিলে বা জাকৰুৱা মানুহে ম'হ পোহে। ম'হৰ গাখীৰ বিক্ৰী কৰে। ঘিউ মাখন কৰাৰ নিয়ম আগতে নাছিল। বিয়া সবাহ শ্ৰাদ্ধ আদিত দৈ আৰু কোমল চাউল বা দৈ আৰু চিৰা সাধাৰণ জলপান। সেইবোৰত ম'হৰ গাখীৰহে বা দৈহে ব্যৱহাৰ কৰিছিল।

গৰু ম'হৰ উপৰিও গাঁৱত তিৰোতা সকলে ছাগলী, হাঁহ, পাৰ, পকাপখীসকলে কুকুৰা, গাহৰী পোহে। এইবিলাক বিক্ৰী কৰি তিৰোতাসকলে নিজৰ খৰচ উলিয়াই বা ঘৰখনৰ অভাৱ দূৰ কৰে।

গৃহস্থিৰ ঘৰ আৰু পথাৰ ৰখিবৰ বাবে কুকুৰ আৰু নিগনিৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবৰ বাবে মেকুৰী পোহে। কুকুৰ কেতিয়াও বান্ধি নথয়। চুতীয়াসকলৰ বাবে মেকুৰী মৰা নিষিদ্ধ। কলীয়া মেকুৰী মাৰিলে সিপুৰীত সোণৰ মেকুৰী দিব লাগিব বুলি এটা জনবিশ্বাস আছে। সোণৰ মেকুৰী চুতীয়াসকলৰ কুবেৰদত্ত ৰাজকীয় সম্পদৰ অন্যতম হোৱাৰ বাবেই এই লোক বিশ্বাসৰ উৎপত্তি হোৱা বুলি ভাবিব পাৰি।

ধনীসকলে নিজৰ প্ৰতিপত্তি প্ৰকাশ কৰিবৰ বাবে হাতী পোহে। এই হাতী বৰ বেছি ব্যৱসায়িক কামত নখটায়; অৱশ্যে স্থানীয়ভাৱে নিজৰ আৰু ওচৰ-চুবুৰীয়াৰ কামবোৰ কৰি দিয়ে।

চুতীয়াসকলে হাবিৰ দৰিক চৰাই ধৰি পুহি তেনে এটাক ঘাই কৰি হাবিৰ অন্য দৰিক ধৰি খায়। এবিধ শালিকা চৰাই ধৰি শিকালে মানুহৰ দৰে কথা ক'ব পাৰে। চুতীয়াসকলেই এই শালিকা শিকাই প্ৰথমে মানুহৰ দৰে মুখৰ মাত উলিয়াইছিল বাবে এইবিধ শালিকাৰ নাম চুতীয়া শালিকা। সেইদৰে চুতীয়া ৰাজ্যৰ চন্দনগিৰিৰ ভাটৌৰ নাম চন্দনা ভাটৌ। এই ভাটৌক চুতীয়াসকলেই "ৰামবোল" "হৰিবোল" কৰি মাতিবলৈ শিকাইছিল। সেইদৰে হাবিৰ মইনা পুহিও মানুহৰ দৰে মাত মাতিবলৈ শিকায়।*১

অসমৰ Tribal Research Institute অৰ পৰা প্ৰকাশিত Tribes of Assam নামৰ গ্ৰন্থত লিখিছে যে ইণ্ডোমঙ্গোলয়ড় সকলৰ প্ৰধান অৱদান হ'ল তেওঁলোকেই অসমত প্ৰথম ধান খেতি কৰাৰ আৰু জন্তু পুহি ঘৰচীয়া কৰাৰ কৌশল প্ৰচলন কৰিছিল। ভাৰতবৰ্ষত তেওঁলোকেই প্ৰথম ধান খেতিৰ প্ৰৱৰ্তক। পাটপলু পুহি তেওঁলোকেই প্ৰথমে পাটসূতা তৈয়াৰ কৰি কাপোৰ বৈছিল।*২

ইণ্ডোমঙ্গোলয়ড় গোষ্ঠীৰ চুতীয়াসকল চীনৰ পৰা অহা লোক। চীনত খ্ৰীঃপূঃ ২০০০ বছৰৰ আগতেই কৃষিৰ প্ৰচলন আছিল আৰু পশু-পালন কৰিছিল।

(বিছু অধ্যায়ত ঃ ফিউদৰ কাৰোভকিনৰ প্ৰাচীন জগতৰ ইতিহাস নামৰ গ্ৰন্থৰ উদ্ধৃতি দ্ৰষ্টব্য)।

## খেলা-ধূলা

চুতীয়াসকলৰ খেলাৰ ভিতৰত মাঘৰ বিহুৰ দিনা পুৱা মেজিৰ কাষত মালযুঁজ প্ৰধান উৎসৱমুখৰ খেলা। সেইদৰে সেই মেজিৰ কাষতে কণীও যুঁজায়, অন্য খেলৰ ভিতৰত পকাখেল বা আলিচিগা খেল, ধুপখেল, নাওখেল, ঘিলাখেল প্ৰধান।

বৰ্তমান ধুপখেল আৰু ঘিলাখেল দেখিবলৈ নোহোৱা হৈছে। তাৰ ঠাইত ফুটবলহে খেলে। গাওঁৰ সৰু ল'ৰাবোৰে ফুটবল নহ'লেও ৰবাবটেঙা একোটাকে বল কৰি খেলে।

---

১ *সংচুংজাঃ সন্মিলনৰ সোণালী জয়ন্তী সংখ্যাত কেনুধৰ শৰ্মাৰ প্ৰবন্ধ — পৃঃ ৭-৮।*

২ *Tribes of Assam — Tribal Research Institute — Page 3.*

ধুপখেল আৰু ঘিলাখেল চুতীয়াসকলৰ অতি প্ৰিয় খেল আছিল। সেইদৰে পকা খেলও। ঘিলাখেল ঘিলা গছৰ গুটিৰে খেলে। ঘিলা গছৰ গুটিবোৰ ডেৰ ইঞ্চি (৩ ছেঃ মিঃ) মান ব্যাসৰ চেপেটা কিন্তু ঘূৰণীয়া, এক ছেঃ মিঃ মান ডাঠ। চলাই দিলে গাড়ীৰ দৰে বহুদূৰ ঘূৰি ঘূৰি যায়। হাতত একোটাকৈ ঘিলাৰে পাঁচ-ছটা ল'ৰাৰে দুটাপক্ষ হয়। একপক্ষই আঠ দহ হাত ঘিলাবোৰ পাতে অন্য পক্ষই মাৰি সেই ঘিলাবোৰত নিজৰ ঘিলা লগাব লাগে। প্ৰথমে হাতেৰে, তাৰপাছত ভৰিৰ সৰু গাঠিতলৈ, তাৰ পাছত বৰগাঠিত (আঁঠু) লৈ আৰু কৰগুণৰ চুকতলৈ মাৰিব লাগে। যি পক্ষই আগে বিপক্ষৰ ঘিলাবোৰ খাই শেষ কৰিব পাৰে সেই পক্ষই জিকে। এটা পাতি থোৱা ঘিলাত নিজৰ ঘিলাটো লগালে সেইটো খোৱা হয়।

ধুপখেল পাঁচ ছয়জনীয়া দুটা পক্ষ গৈ খেলে। কাপোৰৰ নেজ থকা এটা ধুপ সাজে। দুইপক্ষ পোন্ধৰ বিশ হাত দূৰত থিয় হয়। এক পক্ষই ধুপটো নেজত ধৰি দলি মাৰি ইপক্ষৰ ওপৰত পেলাব লাগে। ধুপটো ধৰিব পাৰিলে ইপক্ষৰ ওপৰত পেলাব লাগে। ধুপটো ধৰিব পাৰিলে ইপক্ষৰ এজন নিব পাৰে। এইদৰে পুনৰ মাৰোতে এই যোৱাজনৰ হাতত ধুপটো পৰিলে বা ধৰিব পাৰিলে লৈ আহিব পাৰে। এইদৰে নি থাকোতে যি পক্ষৰ খেলুৱৈ শেষ হয়গৈ সেই পক্ষ হাৰে।

পকা বা আলিচিগা খেলত আয়তক্ষেত্ৰাকাৰ এডোখৰ মাটিত (অনুমান ১০ হাত × ১০ হাত) দীঘলে দুভাগ আৰু পথালিয়ে তিনি চাৰিঘৰ খেলুৱৈৰ সংখ্যা অনুসৰি কৰা হয়। প্ৰতি দুটা পথালি ঘৰত একোজন ৰখীয়া হয়। মুঠ যিমান সংখ্যক ৰখীয়া হয় সিমান জন বাহিৰত থাকি ভিতৰলৈ সোমাবৰ চেষ্টা কৰে। সোমাওতাবোৰৰ যিকোনো এজনে ৰখীয়াই নিজ ঘৰত থাকি চুব নোৱাৰাকৈ ইমূৰৰ পৰা সোমাই সিমূৰেদি ওলাই যাব পাৰিলে সেই পক্ষ জিকে। যিজনক চুৱে সেইজনক গেলা বুলি কয়। দিনত আবেলি বা গৰম দিনত জোনাক ৰাতি ল'ৰা বা ডেকাবোৰে বহু ৰাতিলৈকে খেলে। মাজে সময়ে বিহু মাৰে, নাচে।

ইয়াৰ বাহিৰেও সমূহীয়াকৈ মাছমৰা, ধেনুকাড়খেলা, নাও খেলা, সাতোৰা আদি কামবোৰো খেলৰ ভিতৰত ধৰিব পাৰি।

## চিকিৎসা

চুতীয়াসকলে মঙ্গলতী আৰু বেজৰ ওপৰত বিশ্বাস কৰিছিল। আৰু এতিয়াও কৰে। বৰ্তমান শিক্ষিত সকলে বা গাঁৱৰো বহুত মানুহে চিকিৎসাৰ বাবে ডাক্তৰৰ আশ্ৰয় ললেও গাঁৱৰ অশিক্ষিতসকলে প্ৰথমে মঙ্গলতী আৰু তেওঁলোকৰ নিজা বেজৰ ওচৰলৈহে যায়। ডাক্তৰৰ ঔষধতকৈও বেজৰ অসমীয়া বনৌষধি বেছি ভাল বুলি বিশ্বাস কৰে। গাওঁ অঞ্চলত বেজ আৰু মঙ্গলতীৰ প্ৰভাৱ এতিয়াও অসীম। অৱশ্যে বেজ বা

ডাক্তৰৰ ওচৰলৈ যোৱাৰ আগতে আই সকাম বা ডাঙৰীয়া দেৱতালৈ টোপোল এটা বান্ধি থৈ যায়।

জৰাফুকাৰ ওপৰতো চুতীয়াসকলে এতিয়াও বিশ্বাস কৰে। মুখলগা মন্ত্ৰ, বেজালি পুথি, কৰতি পুথি, এইবিলাক পাৰিলে চুতীয়াসকলে নিজে ঘৰত ৰাখে বা জনা লোকৰ পৰা শিকি লয়। এইবোৰ আজিকালি ছপাহৈয়ো ওলাইছে ; হাতে লিখা পুথিখনৰ গুণ বা শক্তি বুলি বিশ্বাস কৰে। কিছুমান বেমাৰত বিহলঙ্গনীৰে জাৰে; অন্য কিছুমানত পানী জাৰি খুৱায়।

মন্ত্ৰ পুথিবোৰৰ ভাষা, বিষ্ণু আৰু শিৱ-পাৰ্বতীৰ বধ শপঠ, প্ৰত্যেক মন্ত্ৰতে উল্লেখ থকাই প্ৰমাণ কৰে যে এইবোৰ চুতীয়াসকলৰ মাজতে সৃষ্টি হৈছিল। প্ৰত্যেক মন্ত্ৰতে শেষত আৰু মাজে মাজে "মোৰ বচন লৰচৰ বিষ্ণুৰ চক্ৰত পৰি মৰ", "মোৰ বচন লৰচৰ শিৱৰ জধত ধৰ", "পাৰ্বতী আইৰ মাথা খাব" ইত্যাদিৰ উল্লেখেও প্ৰমাণ কৰে যে এইবোৰ চুতীয়াসকলৰ মাজৰেই সৃষ্টি। ইয়াৰ ভাষাও চুতীয়াৰে। মুখভঙা মন্ত্ৰ শিৱ-পাৰ্বতীৰে উপাখ্যান। ইয়াত শিৱই প্ৰথমে কেনেকৈ কৃষি আৰম্ভ কৰিছিল তাৰ আখ্যান আছে। তাত আছে "শনিবৰীয়া, দেওবৰীয়া কাল ক্ষণত খাওঁতে, শুওঁতে, উঠোতে লাগিবি, পাৰ্বতী-পগলাৰ উৎপত্তি ক'লে ভাগিবি। জনাই তুলি পাৰি গাব, নজনাই আধা এষাৰ গাব" ইত্যাদি। মুখলগা মন্ত্ৰ চুতীয়াসকলৰে কৃষি, বাঘ, চেৰেপা, মহ, বিভিন্ন ধৰণৰ ধান আদি কেনেকৈ উৎপত্তি হয় তাৰো আখ্যান বুলি ক'ব পাৰি।

মুখলগা ভঙা মন্ত্ৰত চুতীয়াসকলৰ দেৱতা কুবেৰৰো উল্লেখ আছে।

আজিকালিও সকলো বিয়াতে বিয়াৰ তৃতীয় দিনা দৰাৰ ঘৰত ৰাজহুৱাভাবে দৰা-কইনাৰ মুখ ভঙা মন্ত্ৰৰে মুখ ভাঙি ভোজ ভাত খুউৱা হয়।

বৰ্তমান শিক্ষিত সমাজে জৰাফুকাৰ ওপৰত বিশ্বাস কিছু এৰিছে যদিও চুতীয়া সমাজৰ নিৰক্ষৰতা আৰু অতি পিচপৰা অৱস্থাৰ বাবে বিশেষকৈ গাওঁ অঞ্চলত এই বিশ্বাস প্ৰবল হৈয়ে আছে।

পেটৰ অসুখত অন্য যিমানেই ঔষধ খালেও মুখলগা ভঙা পানী অকণমান নোখোৱালৈকে ৰুগীয়ে শান্তি নেপায় আৰু সেই পানীকণ খোৱাৰ পিচত অন্য ঔষধে গুণ দিলেও সেই পানীকণে ভাল কৰা বুলিহে ভাবে।

## সামূহিক কাৰ্য

চুতীয়াসকলে বহুতো কাম সামূহিকভাবে কৰিছিল আৰু গাওঁ অঞ্চলত এতিয়াও কৰে। অৱশ্যে বৰ্তমান যুগত ধনৰ প্ৰচলন বেছি হৈ মানুহৰ জীৱন ব্যক্তিকেন্দ্ৰিক কৰাত সেই সামূহিকতা বহুখিনি কমিছে।

চুতীয়াসকলৰ সামুহিক কাৰ্য্যবোৰৰ ভিতৰত তিৰোতসকলে জকাই লৈ জাকে-জুমে মাছ ধৰা, পল লৈ পুৰুষসকলে মাছ ধৰা, মাঘৰ বিহুৰ উৰুকাৰ দিনা গৈ জাকে-জুমে ভোজৰ বাবে মাছ ধৰা, মেজিৰ বাবে হাবিৰপৰা ডাঙৰ গছ কাটি আনি মেজি নদীৰ পাৰত বা পুখুৰীৰ পাৰত একেলগে গা ধুওৱা ইত্যাদি। এইবোৰ অতি উৎসৱমুখৰ কাম আৰু সকলোৱে অতি আনন্দ মনেৰে কৰে।

পঞ্চাচ ষাঠি বছৰমানৰ আগলৈকে বহু মানুহে জাকে-জুমে গৈ হাতত দা-কুঠাৰ, যাঠিলৈ বনত পহু মাৰিছিলগৈ। বৰ্তমান বনত পহু নাইকীয়া হোৱাত আৰু পহুমৰাও নিষিদ্ধ হোৱাত কোনেও আৰু পহু নেমাৰে।

চুতীয়াৰ গাভৰু আৰু পাটগাভৰুসকলে শীতৰ দিনত বহাগ মাহলৈকে পোহা এড়ি সিজাই থৈ ভাদ আহিন মাহত আজৰি সময়ত একেলগে বহি কাটে; সেইদৰে তাঁত লগাবৰ বাবে সূতা সিজোৱা, লেটিওৱা আৰু তাঁত বাটি কৰা কাৰ্য্য সমূহীয়াকৈ কৰে আৰু ৰাতি দলবান্ধি ভোজ ভাত খায়।

কোনো এঘৰৰ ঘৰ সাজিবলগা হ'লে গৃহস্থই খুটা, কাঠ, খেৰ-বাহ সংগ্ৰহ কৰি থয়; গাঁৱৰ মানুহে এদিন গৈ সকলো মিলি ভেটি তুলি, কাঠ-বাঁহ কাটি, ঘৰটো সাজি থৈ আহেগৈ। পিচত গৃহস্থই লিপি-মচি লয়।

খেতিৰ সময়তো সকলোৱে খেতি শেষ হৈ দুঘৰ-এঘৰৰ কিছু বাকী থাকিলে গাঁৱৰ সকলো মানুহ আহি একে দিনাই হাল বাই মাটি বোকা কৰি ৰুই দিয়ে; দাবৰ দিনতো সেইদৰে সকলো তিৰোতাই মিলি ধান দাই শেষ কৰি দিয়ে। অৱশ্যে গৃহস্থই সকলোকে ভাত বা জা-জলপান খুৱাব লাগে। পকাপষ্টীসকলৰ বাবে সাজ বা ফটিকা অপৰিহাৰ্য্য। এনেকৈ কাম কৰোৱাক 'হাড়ীয় মতা' বুলি কয়। হাড়িত থকা ফটিকা খুউৱাৰ বাবেই এনেকৈ কোৱা হয়। আগতে এনেদৰে সামুহিক কাৰ্য্য কৰা বৰ উৎসাহৰ আৰু আনন্দমুখৰ কাম আছিল। বৰ্তমান ধনৰ ওপৰত নিৰ্ভৰশীল হৈ ব্যক্তিকেন্দ্ৰিক হোৱাত এই সামূহিক কাৰ্য্য বা পাৰস্পৰিক সাহায্য কমিছে। টকা থকা মানুহে হাজিৰা লগাইহে সকলো কাম কৰায়। সেয়েহে এনে সামূহিক কাৰ্য্যবোৰৰ মাজত থকা আনন্দ বিচাৰি নোপোৱা হৈছে।

বৰ্তমান চৰকাৰে সামূহিক উন্নয়ন খণ্ডবোৰৰ যোগেদি তেনে একোটা সামূহিক কাৰ্য্যৰ পৰিবেশ সৃষ্টি কৰি দুই এটা স্কুল ঘৰ সজা বা আলিবন্ধা কাম হাতত ললেও সি প্ৰাণৱন্ত হোৱা পৰিলক্ষিত হোৱা নাই।

চুতীয়াসকলৰ মাজতো আগৰ দৰে সামূহিক কাৰ্য্যৰ পৰিবেশ এতিয়া বহুত কমিছে।

## সাধাৰণ ব্যৱহাৰ, স্বাস্থ্য আৰু তিৰোতাৰ সৌন্দৰ্য

চুতীয়াসকলৰ সাধাৰণ ব্যৱহাৰ মাৰ্জিত। ঘৰলৈ আলহী আহিলে ভাল পায় আৰু শুশ্ৰূষা কৰাটো পুণ্যৰ কাম বুলি ভাবে। ইঘৰে সিঘৰে অহা যোৱা কৰে। ঘৰলৈ কোনো

আলহী বা ওচৰ চুবুৰীয়া আহিলে তামোলৰ বটাটো লৈহে ওলাই আহে। তামোল এখন নিদিয়াকৈ অতিথিক কেতিয়াও বিদায় নিদিয়ে। বৰ্তমান তাৰ মাজত চাহ একাপো সোমাইছে।

মানুহবোৰ মুকুলিমূৰীয়া, স্বাধীনচিতীয়া, আৰু গৰ্বী বা জেদি। আমি আগৰ অধ্যায়বোৰৰ পৰা দেখিছো যে চুতীয়াসকলৰ এখন ঘৰ প্ৰায় সকলো কামতে আত্মনিৰ্ভৰশীল। নিজৰ সকলো লাগতীয়াল কাম নিজেই কৰি লয় বা সামূহিকভাবে কৰে। কোনো কাৰণত কাৰো ওচৰত হাত নেপাতে; আনকি থাকিলেও। ইয়ে হয়তো তেওঁলোকক গৰ্বী কৰি তুলিছিল। কিন্তু বৰ্তমান সমাজত কোনেও সম্পূৰ্ণ আত্মনিৰ্ভৰশীল হ'ব নোৱাৰে। চুতীয়াসকলৰ এই গৰ্বী বা জেদী স্বভাৱৰ বাবেই তেওঁলোকৰ অৰ্থনৈতিকভাৱে ক্ষতি হৈছে যেন লাগে। সেয়েহে ভিতৰুৱা গাঁৱৰ লোকসকলৰ অৱস্থা দিনক দিনে বেয়াহে হৈছে।

মানুহবোৰ স্বাস্থ্যবান, নিপোটল, কলাফুল শকত আৰু পেশীযুক্ত। অতি সুগঢ়ি নহ'লেও মুখ চকুত বিশ্বাস আৰু শাৰীৰিক শক্তিৰ জ্যোতি বিদ্যমান।

এটা স্বাধীন জাতি হিচাপে শ শ বছৰ চুতীয়াসকলে আৰ্য গোষ্ঠীৰ লোকসকলৰ লগত মিলা-মিচা হৈ থকাৰ ফলতে তেওঁলোকৰ কৃষ্টি সংস্কৃতিৰ উৎকৰ্ষ হৈছিল আৰু কিছু দৈহিক পৰিবৰ্তনো হৈছিল বুলি অনুমান কৰিব পাৰি।

চুতীয়া তিৰোতা সকলো স্বাস্থ্যৱতী; ক্ষীণ বা শক্তিহীনা ছোৱালী বা তিৰোতা চুতীয়াসকলৰ ভিতৰত নাই।

চুতীয়া তিৰোতা সকলে ঘৰৰ সকলো কাম কৰাৰ উপৰিও খেতিৰ পথাৰত যাৱতীয় সকলো কাম কৰে। আহুখেতিৰ দিনত আহু নিৰায় আৰু দায়; সেইদৰে শালি খেতিৰ দিনত ভুই ৰুৱে আৰু ধান দায়; ধান মাৰে, ঢেকীত ধান খন্দাৰ উপৰিও চিৰা, পিঠা, সান্দহ খুন্দি জলপান তৈয়াৰ কৰে; ভাত ৰান্ধে। গাখীৰ খিৰায়, কাপোৰ ধোৱে; এইদৰে ঘৰৰ যাৱতীয় কাম কৰে।

সৰিয়হ খেতিৰ দিনত সৰিয়হ তোলে আৰু মাৰে, মাহো তোলে আৰু মাৰে।

এই সকলোবোৰ কাম কৰাৰ উপৰিও এড়ি পুহে, সূতা কাটে, আৰু তাঁত বয়। মুগাৰ সূতা কটাৰ কামো তিৰোতাৰে।

বুৰঞ্জীবিদ বেনুধৰ শৰ্মাদেৱৰ মতে "চুতীয়া মহিলাৰ লাহী কঁকাল, কলাফুলত বৈ পৰা সাপনেগুৰীয়া চুলি, কেতিয়াবা শাঁওবৰণীয়া হ'লেও নিজম চিকচিকীয়া গা-মুখৰ বৰণ, নাম-গুণলৈ হেপাহ আৰু সুৱদী মাত অসমীয়া সাধুকথাৰ অপৰূপ বিষয়বস্তু।"[১]

তেওঁলোকৰ সাধাৰণ জীৱনৰ আদৰ্শ চৰিত্ৰ হ'ল ৰুক্মিণী, সীতা, সাবিত্ৰী আৰু পুৰুষ সকলকো সেইদৰে ৰাম বা শ্ৰীকৃষ্ণৰ লগত তুলনা কৰি ভাল পায়। বিয়া নামবোৰেই তাৰ প্ৰমাণ।

---

১ *সঃচুঃজাঃ সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ প্ৰবন্ধ — পৃঃ ৭।*

আমি আগতেই উল্লেখ কৰিছো। যে চুতীয়াসকল তিব্বতোবাৰ্মান গোষ্ঠীৰ অন্যান্য জনজাতি সকলৰ দৰেই জনজাতি। কিন্তু সুদূৰ অতীতৰ পৰা আৰ্য্য সংস্পৰ্শলৈ অহাত অন্যান্য জনজাতিৰ দৰে তেওঁলোক কঠোৰভাবে ৰক্ষণশীল নহয়। সেয়েহে চুতীয়া জাতিৰ মাজেদিয়ে অসমৰ অতীতৰ জনজাতীয় সংস্কৃতিৰ বহুল পৰিমাণে উত্তৰণ হৈছিল।

## সংক্ষেপণ আৰু সামৰণি

বিভিন্ন জনগোষ্ঠী, ভাষাগোষ্ঠী আৰু শ্ৰেণীৰ লোকেৰে অসমীয়া জাতি গঠিত হৈছে। এই সকলৰ ভিতৰত প্ৰটো-অষ্ট্ৰলয়ড্ খাচীসকল, অষ্ট্ৰিক ভাষা গোষ্ঠীৰ মন্‌খমেক সকল, তিব্বতো বাৰ্মান বা বড়োভাষা গোষ্ঠীৰ লোকসকল, ইৰাণীয়া আৰ্য্য বা ককেচইড্ সকল, দ্ৰাবিড় গোষ্ঠীৰ কিছু লোক, বৈদিক আৰ্য্যসকল, টাই জনজাতীয় আহোমসকল, চাহকৰ্মী হিচাপে অহা ভাৰতৰ বিভিন্ন ঠাইৰ লোকসকল, আৰু পূব বঙ্গৰ পৰা অহা পমুৱাসকলেই প্ৰধান। চুতীয়াসকল তিব্বত বৰ্ম্মীয় বড়ো ভাষা গোষ্ঠীৰ লোক সকলৰ অন্তৰ্গত আৰু অসমৰ প্ৰাচীনতম্ লোকসকলৰ অন্যতম। পূব এচিয়াৰ এই লোকসকলৰ জনগোষ্ঠীৰ ফালৰ পৰা মঙ্গোলয়ড্ বুলি কোৱা হয়।

বৰ্তমানৰ অসম ৰাজ্য ভাষাৰ ভিত্তিতেই গঠিত হৈছিল। অসমৰ জনজাতীয় লোকসকলৰ স্থানীয়ভাবে নিজস্ব পূৰ্ণ পৰ্যায়ৰ ভাষা বা কথিত ভাষা আছে। কিন্তু অসমীয়া ভাষা সকলোৰে উমৈহতীয়া; এইভাষা অসমৰ ৰাজ্য ভাষাও।

সুদূৰ অতীতৰে সৌমাৰত থকা বড়োগোষ্ঠীৰ সম্মিলিত চুতীয়াসকলৰ লগত অসমলৈ অহা আৰ্যগোষ্ঠীৰ লোকসকলৰ সংস্পৰ্শত আৰ্য্য-মাগধী-প্ৰাকৃত আৰু চুতীয়া ভাষাৰ সংযোগত কেনেকৈ এক নতুন অপভ্ৰংশ ভাষাৰ সৃষ্টি হৈ আজিৰ অসমীয়া ভাষাৰ সৃষ্টি হৈছিল সেই কথা এই গ্ৰন্থতে (এই খণ্ডতে) বিস্তৃতভাবে আলোচনা কৰা হৈছে।

চুতীয়াসকল সুদূৰ অতীতৰ পৰাই এটা শাসক জাতি হোৱাত এই অপভ্ৰংশ ভাষাৰ সঘন অনুশীলন আৰু ৰাজকীয় ছত্ৰছায়াত এই ভাষা চুতীয়াসকলৰ মাজত সততে ব্যৱহৃত হৈছিল আৰু ফলত শ শ বছৰৰ মূৰত চুতীয়াসকলে নিজৰ বড়ো মূলীয়া জনজাতীয় ভাষাকো পাহৰি গৈছিল। চুতীয়াসকলৰ জনজাতীয় নিজ ভাষা চুতীয়াৰ পুৰোহিত দেউৰী সকলেহে এতিয়াও কথমপি জীয়াই ৰাখিছে।

আষ্ট্ৰিক আৰু তিব্বতো-বাৰ্ম্মান গোষ্ঠীৰ লোকসকলেও প্ৰথমতে আহি অসমৰ (তেতিয়া অসমক কামৰূপহে বোলা হৈছিল) সৌমাৰ খণ্ডত ভৰি দিছিলহি আৰু পাছতহে অসমৰ বিভিন্ন ঠাইলৈ গৈছিল। গতিকে তেওঁলোকে একেটা জনগোষ্ঠীয় কৃষ্টিকে বহন কৰিছিল; যদিও শ শ বছৰ বা হেজাৰ বছৰ স্থানীয়ভাৱে সুকীয়াকৈ থাকোতে প্ৰত্যেকৰে একোটা সুকীয়া বৈশিষ্ট্য প্ৰকাশ পাইছিল আৰু একোটা সুকীয়া জনজাতিৰূপে পৰিগণিত

হৈছিলগৈ আৰু স্থানীয়ভাবে তেওঁলোকক একোটা সুকীয়া নামো দিয়া হৈছিল আৰু সেই নামেৰেই এতিয়াও পৰিচিত হৈ আছে। তেওঁলোকৰ সেই বৈশিষ্ট্য সমূহ এতিয়াও বিদ্যমান আৰু সেই প্ৰত্যেক জনজাতিৰে অসমীয়া কৃষ্টিলৈ চহকী অবদান আছে।

অসমলৈ অহা বড়োগোষ্ঠীৰ লোকসকল পূৰ্ববাসস্থানৰ ক্ষালৰ পৰা কেনেকৈ চৌ-থিয়া, চুহ্-থিয়া বা চুতীয়া নামেৰে অভিহিত হৈছিলগৈ সেইকথা আলোচনা কৰা হৈছে। এই চৌ-থিয়া বা চুতীয়াসকলৰ যিসকল সৌমাৰ খণ্ডতে ৰৈ গৈছিল তেওঁলোকেহে এতিয়াও চুতীয়া নামেৰে অভিহিত হৈ আছে।

অসমলৈ অহা আৰ্যগোষ্ঠীৰ লোকসকল সংখ্যাত কম হ'লেও তেওঁলোকৰ ভাষা কৃষ্টি উন্নত আছিল। তেওঁলোকৰ প্ৰভাৱত তেওঁলোকৰ সংস্পৰ্শলৈ অহা চুতীয়াসকলৰ মাজতে কেনেকৈ এক নতুন আৰ্য্য-মাগধী-প্ৰাকৃত-চুতীয়া অপভ্ৰংশ ভাষাৰ সৃষ্টি হৈছিল সেই কথা কোৱা হৈছে। এই ভাষাকে সৌমাৰ খণ্ডলৈ স্বৰ্গদেও চুকাফাৰ নেতৃত্বত অহা টাই জনজাতীয়সকলেও গ্ৰহণ কৰে। এই টাইসকলেই এই অপভ্ৰংশ ভাষাৰেই অহম বা আহোম নাম পায় আৰু তেওঁলোকে শাসন কৰা এই ৰাজ্যৰ নাম কামৰূপৰ ঠাইত অহম বা অসম হয়গৈ। সেই বাবেই তেওঁলোকে গ্ৰহণ কৰা এই আৰ্য্য-মগধী-প্ৰাকৃত-চুতীয়া ভাষাই অসমীয়া ভাষা নামে অভিহিত হয়।

পাছত আহোমসকলে পূৱৰ চুতীয়াৰাজ্য আৰু পশ্চিমৰ কোচবিহাৰলৈকে অসমৰ বাকী সমগ্ৰ অংশকে এসময়ত জয় কৰাত বৃহত্তৰ অসমৰ অধিপতি হয় আৰু শেষত ইংৰাজে সেই ৰাজ্য জয় কৰাত উজনী অসমৰ ভাষাকে ব্যাপ্তিষ্ট মিচনেৰী সকলেও ব্যৱহাৰ কৰি ধৰ্ম্মীয় প্ৰচাৰ কাৰ্যকে ধৰি আলোচনী আদি ছপা কৰে আৰু চৰকাৰেও সেই ভাষাকে গ্ৰহণ কৰাত সেই ভাষাই আজিৰ অসমীয়া ভাষা হিচাপে পৰিগণিত হৈছে। ইয়াৰ পৰাই দেখা যায় যে আজিৰ অসমীয়া ভাষাৰ মূল হ'ল চুতীয়াসকলৰ মাজতে প্ৰথমে সৃষ্টি হোৱা আৰ্য্য মাগধী-প্ৰাকৃত অপভ্ৰংশ ভাষাই। গতিকে বৃহত্তৰ অসম গঢ়াৰ প্ৰক্ৰিয়াৰ প্ৰথম পদক্ষেপ স্বৰূপ অসমীয়া ভাষা প্ৰথমে চুতীয়াসকলৰ মাজতেই চুতীয়া ৰাজ্যতেই প্ৰচলিত ভাষা। সেইদৰে অসমীয়া কৃষ্টিৰ বিভিন্ন দিশলৈও চুতীয়াসকলৰ বুজন পৰিমাণৰ অবদান আছে।

উন্নত আৰ্য কৃষ্টি-সংস্কৃতিৰ প্ৰভাৱত চুতীয়া কৃষ্টিৰো সমৃদ্ধি আৰু উন্নতি হৈছিল আৰু বহুকাল স্বাধীনভাবে ৰাজ্য শাসন কৰি থকাত সেই সমৃদ্ধিৰ উত্তৰণ ঘটিছিল। সেয়েহে অতীতৰ পৰাই চুতীয়া কৃষ্টিয়ে যে উৎকৰ্ষ লাভ কৰিছিল সেই কথাই দেশী-বিদেশী বিভিন্ন লোকৰ পৰাও স্বীকৃতি লাভ কৰিছিল। তেনে এটা কৃষ্টিৰ বৃহত্তৰ অসমৰ কৃষ্টিৰ ওপৰত প্ৰভাৱ পৰাটো অতি স্বাভাৱিক।

চুতীয়া কৃষ্টিৰ এই প্ৰভাৱ বা সম্প্ৰসাৰণৰ ক্ষেত্ৰত বিহুকেই প্ৰথমে ধৰিব পাৰি। বিহু প্ৰকৃততে জনজাতীয় উৎসৱ। এই কথা আগতে আলোচনা কৰা হৈছে। অসমৰ বিভিন্ন ঠাইত জনজাতীয় সকলে অলপ ইফাল সিফালকৈ বিহু উৎসৱ এতিয়াও পালন কৰে। কিন্তু বিবৰ্ত্তনৰ পথেদি সমৃদ্ধিশালী আৰু সৌন্দৰ্যশালী হোৱা চুতীয়াৰ বিহু আজি

সকলোৰে আদৰণীয় হৈ বৃহত্তৰ অসমৰ লোককৃষ্টি হিচাপে পৰিগণিত হৈছে; সি আৰু চুতীয়াৰ নিজস্ব হৈ থকা নাই; অথচ এই বিহু সৌ সিদিনালৈকে আৰ্যগোষ্ঠীৰ বা অন্য কোনো কোনো লোকৰ দ্বাৰাও অশ্লীল বুলি নিন্দিত হৈ আছিল।

সেইদৰে চুতীয়া গাভৰু বা তিৰোতাৰ হাতত সৌন্দৰ্যশালী হৈ গঢ় লোৱা মেখেলা, ৰিহা, চাদৰ আজি অসমীয়া তিৰোতাৰ সাধাৰণ পোছাকৰূপে গৃহীত হৈছে। এনে পোছাক পিন্ধা এজনী তিৰোতা বা গাভৰু যিকোনো ঠাইতে দেখিলেই অসমীয়া বুলি চিনিব পাৰি।

পুৰুষৰ ক্ষেত্ৰতো দুকাষে ৰঙা সেল দিয়া এমূৰে ৰঙা আচু আৰু এমূৰে ৰঙা আচুৰ ভমকাফুলীয়া এখন বগা কপাহী সূতাৰ গামোচা গাত বা কান্ধত দেখিলে য'তে নেথাকক তেওঁক অসমীয়া বুলি চিনিব পাৰি।

ইয়াৰ উপৰিও কেকোৰা দোলা, চুতীয়া ৰজাৰ সোণৰ দণ্ডছত্ৰ, আৰোৱান, সোণৰ বা সোণ খটোৱা বৰপীৰা, তামুলীপীৰা, সোণৰ পিক্‌দান, হাতী দাঁতৰ বনকৰা পাটি, সোণৰ বনকৰা সৰুদৈয়া ফুলাম জাপি, সোণৰ বেলা, মাইহাং, ভোগজৰা, এইবোৰ চুতীয়া ৰজাৰ বা ৰাজপুৰুষ মহিলাৰ নিত্য ব্যৱহাৰ্য বস্তু, যিবোৰ চুতীয়া ৰাজ্য জয় কৰাৰ পাছত পৰৱৰ্তী কালত আহোম ৰজাই ব্যৱহাৰ কৰিবলৈ লৈছিল।

সৰুদৈয়া ফুলাম জাপি ৫০/৬০ বছৰৰ আগলৈকে চুতীয়া কইনাই মূৰত লৈ স্বামী গৃহলৈ গৈছিল; যদিও বৰ্তমান ই সৰু হৈ সম্ভ্ৰান্ত ঘৰৰ বৈঠকখানা শোভা কৰা হৈছেগৈ। বানকাঁহী, বানবাটি, শৰাই, বটা, এডলীয়া কাঠৰ নাও, চ'ৰানাও এইবোৰো চুতীয়াসকলৰে সম্পদ আছিল।

অলংকাৰৰ ক্ষেত্ৰতো নেজপতা থুৰীয়া, জাংফাই, গেজেৰা, জোনবিৰি, ঢোলবিৰি, ডুগডুগী, লোকাপাৰ, কৰীয়া, গামখাৰু, গোটাখাৰু, জেঠীনেজীয়া আঙঠি, মতামণি এই সকলো চুতীয়াৰেই আছিল।

সোণালী আঁহৰ মুগাই আজি দেশ বিদেশৰ সমাদৰ লাভ কৰিছে। সেই মুগা আৰু এড়ী, এড়ীচাদৰ, বৰকাপোৰ, বা খনীয়া কাপোৰ, কপাহী চেলেং, লাহী কাপোৰ, বুটাবচা মেখেলা, আগত কেচ বচা, মাজত বুটা দিয়া ৰিহা, চুতীয়া শিপিনীৰেই সৃষ্টি। এড়ী পলু পোহা চুতীয়া তিৰোতাৰ আৰু মুগাৰ পলু পোহা চুতীয়া পুৰুষৰ কুটীৰ শিল্প সুদূৰ অতীতৰ পৰাই আৰু এতিয়াও। আগতে চুতীয়া গাভৰু বা তিৰোতাই ঘৰত বৈ লোৱা মুগা বা এড়ীৰ মেখেলা-ৰিহাৰ বাহিৰে কপাহী কাপোৰ পিন্ধাটো লাজৰ কথা বুলিহে ভাবিছিল; সেইদৰে মুগাৰ চুৰীয়া, এড়ীৰ এঙাচোলা, চুতীয়াচোলা, মুগা বা পাটৰ পাগুৰী, চুতীয়া পুৰুষৰ সম্ভ্ৰান্তলোকৰ সামাজিক পোছাক আছিল।

অসম আৰ্হিৰ ঘৰ, টোপলগা ঘৰ, চাংঘৰ, চুতীয়াসকলৰ; লো-সাহিত্যৰ বন-গীত, হুচৰী-গীত, মালিতা গীত, ঢোলৰ মালিতা, আই নাম, বিয়া নাম, জনাগাভৰুৰ গীত, ফুল কোঁৱৰ-মণিকোঁৱৰৰ গীত বা মালিতা চুতীয়াৰ; ইয়াৰ ভাব চুতীয়াৰ, ভাষা চুতীয়াৰ, বিষয়বস্তু চুতীয়াৰ। মাঘবিহুৰ বাবে বনোৱা পাঁচটা, সাতটা বা নটা ডলোৱা

ধৰিৰ আকাশ লঙঘা মেজী চুতীয়াৰ, বিহুৰ উপকাৰ ভোজ চুতীয়াৰ, বিহুসকাম, আইসকাম, সেৱাসকাম চুতীয়াৰ; শিৱ-পাৰ্ব্বতীৰ আখ্যানৰ মুখভঙা মন্ত্ৰ, কৰতি মন্ত্ৰ চুতীয়াৰ। ইয়াৰ ভাষা চুতীয়াৰ। মন্ত্ৰত "মোৰ বচন লৰচৰ মহাদেৱৰ জ'টত ধৰ", "পাৰ্বতী মাওৰ স্তনত ধৰ", "বিষ্ণুৰ চক্ৰত পৰি মৰ" ইত্যাদি বধ-শপঠবোৰেই প্ৰমাণ কৰে যে এইবোৰ চুতীয়াৰ। এই বধ-শপঠবোৰ নহ'লে মন্ত্ৰই কোনো কাম নিদিয়ে।

অসমীয়াৰ পাণ-তামোলৰ বাৰী চুতীয়াৰ, অসমীয়া জলপান সান্দহ, চিৰা-পিঠা, কড়াই, চুঙাদিয়া পিঠা, খোমাদিয়া পিঠা, তৰাপাতৰ পিঠা, তিলপিঠা বা হেচাপিঠা, চুঙাচাউল, ভাত পিঠা, চুতীয়াৰ; বিভিন্ন জুতিলগা কচু-ঢেকীয়াৰ আঞ্জা, কচুৰ জালুকীয়া, বাঁহগাজৰ খৰিচা, মাগুৰ মাছৰ লগত শুকান খৰিচাৰ আঞ্জা চুতীয়াৰ; লাই, লফা, পালেং, চুতীয়ালফা, চোকাশাক, কাহুদী, খাৰলী চুতীয়াৰ; বিধে বিধে শুকান মাছ, মঙহ চুতীয়াৰ। সেয়েহে আহোম ৰজাই চুতীয়াক শুকান মাছ-মঙহৰ ভঁৰালী পাতিছিল। ৰান্ধনি শালত চাংমাই পাতিছিল।

চটাই পৰেবত ধুৰলী-কুঁৰলী কৰি ভাত ৰান্ধি খাইছিল হাতী ধৰিবলৈ যোৱা চুতীয়াই, হাতী ধৰা আৰু হাতী শিকোৱা মাউথ ফান্দীৰ কামো আছিল চুতীয়াৰ; কাৰণ চুতীয়া ৰাজ্যৰ শদিয়া অঞ্চলতে প্ৰচুৰ হাতী পোৱা গৈছিল আৰু এতিয়াও পায়। আহোম যুগত চুতীয়াসকলে বছৰি নিৰ্দিষ্ট পৰিমাণৰ হাতী ধৰি আহোম ৰজাক দিব লাগিছিল।

ঢোল, মহৰ শিঙৰ পেঁপা, গগণা, ধুপচুঙা, বাঁহৰ টকা, বীণ, চুতীয়াৰ; ঘিলাখেল, পকাখেল, ধুপখেল চুতীয়াৰ; কৃষিৰ বিভিন্ন সঁজুলি, মাছধৰা সঁজুলি, চৰাইধৰা, এন্দুৰ ধৰা বা মৰা সঁজুলি, বাঘ মৰা বাঘধেনু চুতীয়াৰ; বিভিন্ন বাঁহ-বেতৰ কাম খৰাহী, পাচি, চালনী, জপা, কৰণি, মুগাপেৰা চুতীয়াৰ; ঢেকী-উড়াল চুতীয়াৰ।

বিহুনাচ, দেওধনীনাচ, দেওউঠা নাচ চুতীয়াৰ; তাম্ৰেশ্বৰী মন্দিৰ, ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, শিশুপাল দুৰ্গ, মালিনীৰ থান, ঘুগুৰা দ'ল, হাৰ্হি থান, নীল গোসানীৰ থান, বুঢ়া-বুঢ়ীৰ থান, গৰখীয়া থান আৰু তেনে বহুতো থান আৰু তাৰ বেৰত আঁকা আৰু তাত থকা নানা তৰহৰ ফুল, মূৰ্তি আৰু চিত্ৰ চুতীয়াৰ।

এইদৰে বিশ্লেষণ কৰিলে দেখা যাব যে বৃহত্তৰ অসমৰ লোককৃষ্টিৰ এক বৃহৎ অংশই চাৰিহেজাৰ বছৰৰ বিৱৰ্তনৰ মাজেদি চুতীয়া জাতিৰ মাজতে গঢ়লৈ উঠা আৰু চুতীয়া জাতিৰেই আছিল। চুতীয়াসকলৰ চিন্তাধাৰা আছিল বিৱৰ্তনমুখী উৎকৰ্ষৰ। উন্নত আৰ্য সংস্কৃতিৰ সংস্পৰ্শত যেনেকৈ চুতীয়াসকলৰ মাজতে আৰ্য্য অপভ্ৰংশ অসমীয়া ভাষাৰ সৃষ্টি হৈছিল সেইদৰে সংস্কৃতিৰো এক নিজস্ব ধাৰাৰ সৃষ্টি হৈছিল আৰু সেই সংস্কৃতি সমগ্ৰ অসমৰে গ্ৰহণীয় হোৱাত এতিয়া নিজস্বভাৱে অসমীয়া সংস্কৃতি হিচাপে বিকাশ লাভ কৰিছে। অন্য জনজাতীয় লোকসকলৰ দৰে চুতীয়াসকল যে কঠোৰভাবে সংৰক্ষণশীল নহয় ইয়াৰপৰাই এই কথাও বুজিব পাৰি।

দুঃখৰ বিষয় যে বুৰঞ্জী আৰু সূক্ষ্ম গৱেষণাৰ অভাৱত এই জাতিৰ প্ৰকৃত তথ্য সৰ্বসাধাৰণে আজি সম্যকভাৱে জানিবলৈ সক্ষম হোৱা নাই। আনকি চুতীয়া যে এটা

ঐতিহ্যপূর্ণ জাতি সেই কথাকে বহুতে নেজানে। চুতীয়া জাতিৰ আজিও কোনো লিখিত বুৰঞ্জী নথকাত সম্যক অনুসন্ধান নহ'লে চাৰে চাৰিশ বছৰৰ আগতে স্বাধীনতা হেৰুওৱা আৰু আহোম ৰাজ শক্তিৰ দ্বাৰা বহুধা বিচ্ছিন্ন কৰা এটা জাতিৰ কথা নজনাটোৱেই স্বাভাৱিক।

চুতীয়া জাতিৰ মূল সুঁতিটোৱে ১৫২৩ খ্ৰীঃ লৈকে প্ৰৱল প্ৰতাপেৰে সৌমাৰ খণ্ডত ৰাজত্ব কৰিছিল। প্ৰতাপী আহোমসকলে অহাৰ পাচতো প্ৰায় তিনিশ বছৰ তেওঁলোকৰ সমান্তৰালভাৱে আৰু গাতে লগাকৈ শাসন কৰি থকাই চুতীয়া জাতিৰ শক্তিৰ কথাকে প্ৰমাণ কৰে।

চুতীয়া জাতিৰ মূল সুঁতিটোৱে ১৫২৩ খ্ৰীঃতে স্বাধীনতা বা ৰাজ্য হেৰুৱালেও ১৭৬৯ খ্ৰীঃত মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি চুতীয়াসকলে আহোম শক্তিক পৰাজয় কৰি ছমাহৰ বাবে হ'লেও ৰাজ্যভোগ কৰিছিল। পাছতো সৰ্বানন্দ সিংহই সীমিতভাৱে হ'লেও তিনিচুকীয়াত ৰাজ্য স্থাপন কৰি ব্ৰিটিছ ৰাজত্বলৈকে ভোগ কৰিছিল। (১৭৯৪ খ্ৰীঃৰ পৰা)।

এই কথা মন কৰিবলগীয়া যে ইংৰাজে মানৰ লগত ইয়াণ্ডাবু সন্ধিমতে ১৮২৬ খ্ৰীঃত অসম ৰাজ্য লাভ কৰে; কিন্তু সেই বছৰতে সৰ্বানন্দ সিংহৰ লগত এক বেলেগ চুক্তিমতেহে সৰ্বানন্দ সিংহৰ চুতীয়া ৰাজ্য লাভ কৰে। এই চুক্তিমতে সৰ্বানন্দ সিংহৰ উত্তৰাধিকাৰীসকলে ১৯৫২ চনলৈকে পেঞ্চন ভোগ কৰিছিল।

আহোমৰ দিনতো আহোম ৰাজ্য অতি শক্তিশালী হ'লেও তেওঁলোকৰ বহুবোৰ সেনাপতি, বৰফুকন আদি সেনাধ্যক্ষ চুতীয়াৰহে আছিল। বুৰঞ্জীবিদ বেনুধৰ শৰ্মাৰ মতে কাজলীমুখৰ ৰণত বাৰজন বৰফুকন চুতীয়াৰে আছিল।

আহোম সেনাধ্যক্ষ পিকচাই চেতিয়া বৰফুকন আছিল চুতীয়া, মোমাই তামুলী বৰবৰুৱা আছিল চুতীয়া আৰু তেওঁৰ সুযোগ্য পুত্ৰ মোগল বিজয়ী সেনাপতি লাচিত বৰফুকনো আছিল চুতীয়া। সৰ্বশেষত ব্ৰিটিছ শক্তিৰ পৰা ভাৰত স্বাধীন কৰাৰ মূল মন্ত্ৰেৰে মৃত্যুদণ্ড পোৱা বীৰ শ্বহীদ কুশল কোঁৱৰো আছিল চুতীয়া।

আহোম ৰাজ্যৰ সীমান্তৰখীয়া কাড়ী সৈন্যসকল আছিল চুতীয়াৰেই। ইয়াৰপৰাই অনুমান কৰিব পাৰি যে চুতীয়াৰ সেনা আৰু সেনানীহে আহোম ৰজাৰো শক্তি আছিল মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি যেতিয়া চুতীয়া শক্তিয়ে আহোমৰ বিপক্ষে বিপ্লৱ কৰিলে তেতিয়াৰপৰাই আহোম শক্তিৰ পতন আৰম্ভ হৈ শেষত আহোম ৰাজ্যৰ ৰবি অস্ত গ'ল অসমেও স্বাধীনতা হেৰুৱালে। ই অতি দুৰ্ভাগ্যৰ বিষয়। কিন্তু ইয়াৰ বাবে কেৱল চুতীয়াসকলকে দোষাৰোপ কৰিব নোৱাৰি। আহোম ৰাজশক্তিয়ে মোৱামৰীয়া বিদ্ৰোহৰ পাছত চুতীয়াসকলক কৰা কঠোৰ নিৰ্য্যাতনৰ কথাও এই ক্ষেত্ৰত বিবেচনা কৰিব লাগিব। আহোম ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইদেৱে মোৱামৰীয়া সকলৰ প্ৰতি কঠোৰ ব্যৱহাৰ নকৰিবলৈ ৰজাক দিয়া উপদেশ ৰজাই আওকাণ কৰাৰ ইয়ো এক পৰিণতি বুলিহে ক'ব লাগিব।

সি যিকি নহওক আজিৰ অসমীয়া জাতি বিভিন্ন জাতি, উপজাতি আৰু জনজাতিৰে গঠিত, এই সকলোৰে কৃষ্টি সংস্কৃতিৰে পৰিপুষ্ট আৰু সমৃদ্ধ কৰা এটা জাতি। এইকথা যদি সম্যকভাৱে উপলব্ধি কৰা নহয় আৰু প্ৰত্যেক জাতি বা জনজাতিয়ে সমাজ আৰু শাসনত পাব লগা স্থান নেপায় তেন্তে সেইসকল বিক্ষুব্ধ হোৱা স্বাভাৱিক। তেতিয়া অসমৰ জাতীয় ঐক্য প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব আৰু সি হ'ব অতি বেদনাদায়ক।

আজি আমি মনত ৰাখিব লাগিব যে অসম বিভিন্ন জাতি, উপজাতি, জনজাতিৰ এখন মহামিলনতীৰ্থ। এই তীৰ্থত অৱগাহন কৰি আই অসমীৰ বৰ নামঘৰত সকলোৱে সমান অংশীদাৰ হিচাপে প্ৰাপ্য স্থানত বহি এক সুৰে, এক চন্দে নাম লব লাগিব, লবলৈ পাব লাগিব; প্ৰসাদৰো সকলোৱে সমভাগেই পাব লাগিব। মণিকূটত বহি যেন কোনেও সৰহ ভাগ খাই পাছলৈ বহাবোৰক বঞ্চিত নকৰে। ৰাজ্যখনৰ উৎকৰ্ষৰ বাবে অৱদান দিবলৈও সকলোৱেই সুযোগ সুবিধা পাব লাগিব। তেতিয়াহে অসমৰ মঙ্গল হ'ব। পাৰস্পৰিক উপলব্ধি, সদ্ভাৱ, প্ৰেম আৰু ত্যাগৰ মাজেদিহে সেইটো সম্ভৱ। এটা জাতিৰ উৎকৰ্ষৰ বাবে ই অপৰিহাৰ্য্য।

এইটো সকলোৱে মনত ৰাখিব লাগিব যে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্ত্বাবোৰে তেওঁলোকৰ অতি মৰমৰ কৃষ্টি, সংস্কৃতি আৰু ঐতিহ্যপূৰ্ণ অস্তিত্ব কেতিয়াও বিলুপ্তিৰ গৰ্ভত বিলীন হৈ যাবলৈ এৰি দিব নোৱাৰে; কিন্তু তেওঁলোকে তেওঁলোকৰ সৰ্বোৎকৃষ্ট অৱদান মানব মঙ্গল আৰু সমাজক সৌন্দৰ্যশালী কৰাৰ বাবে উজাৰি দিবলৈ প্ৰস্তুত, মাত্ৰ তেওঁলোকে সেই সুবিধা পাব লাগিব।

—o—

# চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি

## ১ম আৰু ২য় খণ্ড

এইগ্ৰন্থ যুগত কৰোতে যিবিলাক গ্ৰন্থৰ সহায় লোৱা হ'ল—


১। ভাৰত বুৰঞ্জী — ড° নগেন্দ্ৰ নাথ আচাৰ্য্য

২। অসম দেশৰ বুৰঞ্জী — ড° লক্ষ্মীদেবী

৩। A Cultural History of Assam — By B.K. Baruah

৪। An Account of Assam — J.P. Wade.

৫। অসম বুৰঞ্জী — পদ্মনাথ গোঁহাঞি বৰুৱা

৬। চুতীয়া ভূঁঞা আৰু মটক ৰাজ্য — সৰ্ব্বানন্দ ৰাজকুমাৰ

৭। Assam the Indian Conflict — Mohesh Joshi

৮। Back Ground of Assamese Culture — R.M. Nath

৯। অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ — (স্নাতকৰ কথাবন্ধৰ পৰা) কনকলাল বৰুৱা

১০। Comprehensive History of Assam — Dr. S.L. Baruah.

১১। চুতীয়া বুৰঞ্জী — গোপীনাথ বৰদলৈ

১২। ৰহাৰ ৰহদৈ — অসম সাহিত্য সভাৰ সপ্ত চত্বাৰিংশ অধিবেশনৰ স্মৃতিগ্ৰন্থ — ৰহা — ৫১ শংকৰাব্দ

১৩। অসমবাণী — ১৯৮৮ ৰঙালীবিহু সংখ্যা

১৪। অসমবাণী — ১৯৮৭, ১৪ এপ্ৰিল সংখ্যা, ১৯৮৮, ৬ মে সংখ্যা প্ৰবন্ধ — মেদিনী চৌধুৰী

১৫। অসমৰ লোক-সংস্কৃতি — বিৰিঞ্চি কুমাৰ বৰুৱা

১৬। শদিয়াৰ বুৰঞ্জী — ভাবনন্দ বুঢ়াগোঁহাই

১৭। আহোমৰ দিন — হিতেশ্বৰ বৰবৰুৱা

১৮। দেউৰী সংস্কৃতি — ডম্বৰুধৰ দেউৰী

১৯। বিষ্ণুৰাভা গ্ৰন্থাৱলী — বিষ্ণুপ্ৰসাদ ৰাভা

২০। Souvenir—National Academy of Sciences. India — 48th Session.

২১। সোণোৱাল কছাৰীৰ সংস্কৃতি — লভিত কুমাৰ শইকীয়া

২২। সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী — সম্পাদনা — সূৰ্য্যকুমাৰ ভূঞা

২৩। দেৱী — ড° নিৰ্ম্মল প্ৰভা বৰদলৈ
২৪। A History of Assam — Sir E.A. Gait.
২৫। দেউধাই অসম বুৰঞ্জী — সম্পাদনা — সূৰ্য্য কুমাৰ ভূঞা
২৬। সদৌ চুতীয়া জাতি সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতি গ্ৰন্থ — ১৯৭৪
২৭। অসম সাহিত্য সভা ভাষণাৱলী — ১ম আৰু ২য় খণ্ড
২৮। সংস্কৃত সাহিত্যেৰ ৰূপৰেখা (বঙালী ভাষা) — ড° বিমান চন্দ্ৰ ভট্টাচাৰ্য্য
২৯। অসমীয়া কৃষ্টি — বিষ্ণু ৰাভা
৩০। Assamese its Formation and Development — B.K. Kakati
৩১। Studies in the Literature of Assam — S.K. Bhuyan
৩২। অসমৰ খণ্ড বুৰঞ্জী — তোলন চন্দ্ৰ শইকীয়া
৩৩। কুশল কোঁৱৰ — সুৰেন্দ্ৰ নাথ শইকীয়া
৩৪। অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব — কালীৰাম মেধি
৩৫। সদৌ চুতীয়া জাতি সন্মিলনৰ বাৰ্ষিক অধিৱেশন আৰু ধেমাজী চুতীয়া জাতি সন্মিলনৰ বিভিন্ন অধিৱেশনৰ স্মৃতিগ্ৰন্থ সমূহ
৩৬। An Introduction to Social Anthropology — D.N. Majumdar, T.N. Madan, Deptt. of Anthropology, Lucknow University.
৩৭। The Lalungs (Tiwas) — Dr. G.C. Sarma Thakur
৩৮। সংস্কৃতি সঞ্চয়ন — সম্পাদনা — সূৰ্য্যকান্ত হাজৰিকা
৩৯। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস — দেবেন্দ্ৰ নাথ শৰ্মা
৪০। মুক্তি সংগ্ৰাম — সূৰ্য্যকান্ত খনিকৰ
৪১। অসমৰ নাট্য নৃত্যকলা — সুৰেশ গোস্বামী
৪২। বাৰ মাহৰ তেৰ গীত — সম্পাদনা — প্ৰফুল্ল দত্ত গোস্বামী
৪৩। অসমীয়া লোক-গীত সংগ্ৰহ — সংকলন — যোগেশ চন্দ্ৰ তামুলী
৪৪। বিহু-গীত আৰু বন-ঘোষা — ড° লীলা গগৈ
৪৫। চুতীয়াসকলৰ চমু ইতিবৃত্ত আৰু সাংস্কৃতিক পৰিচয় — ভৱকান্ত চুতীয়া, এম, এ
৪৬। ছোটকোঁৱৰৰ বুৰঞ্জী — সম্পাদনা — কোবেশ্বৰ বৰুৱা, এম, এ,
৪৭। শ্বহীদ কুশল কোঁৱৰ — সম্পাদনা — ললিত বৰা
৪৮। দেউৰী চুতীয়া — ড° পৱন চন্দ্ৰ শইকীয়া
৪৯। A History of Medieval Assam — De. Nagen Acharya.

৫০। An Outline Grammar of Deuri Chutiya Language —W.B. Broun.
৫১। Devi Keshaikhati of Tamreswari — Article in Assam Tribune of 16th Oct. 1988 — Dr. N.P. Bordoloi.
৫২। সৌমাৰ — অসম সাহিত্য সভাৰ অষ্টচত্বাবিংশ অধিবেশনৰ স্মৃতিগ্ৰন্থৰ প্ৰবন্ধ — গগণ চন্দ্ৰ সোণোৱাল
৫৩। Tribes of Assam – Part I & II — B.N. Bordoloi, G.C. Sarmah Thakur, M.C. Saikia, Tribal Research Institute—Assam.
৫৪। আহোম বুৰঞ্জী — (টাই ভাষা) ইংৰাজী অনুবাদ — ৰায় চাহেব গোলাপ চন্দ্ৰ বৰুৱা
৫৫। Frontier Culture — Vol. III No. II. Editor — Ram Chandra Chutiya, M.A.
৫৬। ভাৰতৰ ইতিহাস — ড° ডি, ডি, কৌশম্বী — অনুবাদ — বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
৫৭। অসম বুৰঞ্জী — গুণাভিৰাম বৰুৱা
৫৮। পুৰণি অসম বুৰঞ্জী — সম্পাদনা — হেম চন্দ্ৰ গোস্বামী
৫৯। আসাম বুৰঞ্জী (বঙালী ভাষা) — হালিৰাম ঢেকীয়াল ফুকন সম্পাদনা — যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য, এম, এ
৬০। Tribal Life of North-Eastern India — Dr. S.T. Das
৬১। লাচিত বৰফুকন — সূৰ্য্য কুমাৰ ভূঞা
৬২। সাতসৰি অসম বুৰঞ্জী — সম্পাদনা — সূৰ্য্য কুমাৰ ভূঞা
৬৩। তুংখুঙীয়া বুৰঞ্জী — সম্পাদনা – সূৰ্য্য কুমাৰ ভূঞা
৬৪। ৰাজকন্যা তুমি অনন্যা — ভূপেন্দ্ৰ কুমাৰ দাস — প্ৰকাশন পৰিষদ
৬৫। অৰুণোদয় — প্ৰথম খণ্ড — সংগ্ৰহ — Vol. V 1850 No. 12 December. প্ৰবন্ধ — চুতীয়া ৰজাৰ বংশাৱলী Furnished by N. Robinson.
৬৬। স্বৰ্গভূমিৰ লোক বা চুতীয়া জাতি — সূৰ্য্যকান্ত খনিকৰ
৬৭। স্মৃতিগ্ৰন্থ — সাধনী উৎসৱ উদযাপন সমিতি, গুৱাহাটী মহানগৰ চুতীয়া জাতি সন্মিলন — ১৯৯০
৬৮। অসম বুৰঞ্জী — কাশীনাথ তামুলী ফুকন
৬৯। অসমৰ সংস্কৃতি — লীলা গগৈ
৭০। Early History of Kamrup — Rai Bahadur Kanak Lal Baruah.
৭১। প্ৰাচীন জগতৰ ইতিহাস — ফিওদৰ কাৰাভকিন — অনুবাদ — হেম শৰ্মা।
৭২। ব্ৰহ্মপুত্ৰ সভ্যতা — সূৰ্যকান্ত খনিকৰ (সংশোধিত সংস্কৰণ)।